৬৭ সংখ্যক নলবাৰী মহাবিদ্যালয় আলোচনী

# নলবাৰী

২০২৪-২৫ বৰ্ষ




তত্ত্বাৱধায়ক ঃ ড° ৰতন ডেকা

সম্পাদক ঃ প্ৰণৱ শৰ্মা













# নলবাৰী

২০১৭-১৮ ইং বৰ্ষ

# Nalbari

Year 2017-18



তত্ত্বাৱধায়ক
ড° ৰতন ডেকা

সম্পাদক
প্ৰণৱ শৰ্মা

৬৭ সংখ্যক নলবাৰী মহাবিদ্যালয়ৰ বছৰেকীয়া প্ৰকাশ

Annual Publication of Nalbari College, Nalbari, Vol. LXVII

নলবাৰী ঃ নলবাৰী মহাবিদ্যালয়, নলবাৰী-৭৮১৩৩৫ ৰ বছৰেকীয়া প্ৰকাশ

Nalbari : The Annual Publication of Nalbari College, Nalbari-781335

৬৭ সংখ্যক প্ৰকাশ ঃ ২০১৭-১৮ বৰ্ষ

## সম্পাদনা সমিতি

তত্ত্বাৱধায়ক ঃ ড° ৰতন ডেকা

শিক্ষক সদস্য ঃ ড° সুব্ৰত বৰ্মন
ড° প্ৰদ্যুম্ন শৰ্মা
ড° বন্দনা দাস
অনন্ত ৰাজবংশী
হিতেশ ঠাকুৰীয়া
ড° নমিতা ডেকা
চুমি চৌধুৰী




সম্পাদক ঃ প্ৰণৱ শৰ্মা

ছাত্ৰ সদস্য ঃ দেৱাশীষ দত্ত
জংকি শৰ্মা
পাপৰি দেৱী
শিৱাঙ্গী নাজিৰ
ৰূপজ্যোতি শৰ্মা
ৰঞ্জুৱাৰা বেগম
ৰয়েল পাৰভেজ

বেটুপাত ঃ জংকি শৰ্মা

আৰ্হি চিত্ৰ ঃ জংকি শৰ্মা, শিৱাঙ্গী নাজিৰ

অলংকৰণ ঃ সম্পাদক

মুদ্ৰণ ঃ কালাৰগ্ৰাফ্ছ এড্ভাৰটাইজিং এণ্ড পাব্লিছিং
ৰাজগড় ৰোড, গুৱাহাটী-৩



গুৱাহাটী বিশ্ববিদ্যালয়
GAUHATI UNIVERSITY

**Dr. Mridul Hazarika**
Vice Chancellor
Phone : +91-361-2570412 (O); 2570408 (R)
Fax : +91-361-2675535
E-mail ID : vc@gauhati.ac.in
hazarika50@gmail.com

# Message

I am happy to learn that Nalbari College, Nalbari is going to publish its 67th issue of Annual College Magazine very soon, College Magazine is an important publication as it provides scope for manifestation of hidden literary talent of students in particular, I believe that the college should take initiative to encourage students in developing writing skills and a creative mind through such publications. Contributors to the magazine, deserves appreciation for their efforts.

I wish all success in their mission and hope the Magazine will be well accepted by the readers.

Date: 10.01.2019

( Mridul Hazarika )

Address : Gopinath Bardoloi Nagar, Jalukbari, Guwahati, Assam 781014 Phone : 0361 257 0412 Web : www.gauhati.ac.in








সমাজ - সংস্কৃতিলৈ
আগবঢ়োৱা অতুলনীয়
অৱদানে আজিও যাক
চিৰসেউজ কৰি ৰাখিছে
সেই প্ৰতিভাশালী মহীৰুহলৈ
যাচিছোঁ একাঁজলি

# শ্ৰদ্ধাঞ্জলি...





# অধ্যক্ষৰ কলম

অসমৰ নামনি ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰাক্ স্বাধীনতা কালতে উচ্চ শিক্ষানুষ্ঠান হিচাপে অংকুৰণ হোৱা নলবাৰী মহাবিদ্যালয়ে বিগত ৭৫ বছৰ ধৰি আধুনিক অসমৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰখনলৈ প্ৰভূত বৰঙণি আগবঢ়াই আহিছে। বিগত সময়ছোৱাত নলবাৰী কলেজে সৃষ্টি কৰা শিল্পী, সাহিত্যিক, খেলুৱৈ, অভিনেতা-অভিনেত্ৰী, ৰাজনীতিবিদ, অধিবক্তা, কৃষক, প্ৰশাসনিক বিষয়া, প্ৰতিষ্ঠিত ব্যৱসায়ী, সাংবাদিক আদিৰ কৃতিত্বৰ সুবাসে অসমৰ শৈক্ষিক আৰু আৰ্থ-সামাজিক ক্ষেত্ৰখনক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত ধাৰাবাহিকভাৱে দায়িত্ব বহন কৰি আহিছে। নলবাৰী কলেজৰ বাৰ্ষিক মুখপত্ৰখনে স্বকীয় ধৰণে ছাত্ৰ-ছাত্ৰীৰ সৃষ্টিশীল প্ৰতিভা তথা ভাষা-সাহিত্যৰ অনুশীলনৰ যোগেদি ৰাজ্যখনৰ বৌদ্ধিক সমাজত এক স্বকীয় ধাৰা সৃষ্টি কৰিছে। নলবাৰী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰীৰ সাহিত্য চৰ্চাৰ মঞ্চস্বৰূপ নলবাৰী মহাবিদ্যালয়ৰ আলোচনীখনৰ ৬৭ সংখ্যাটি বৰ্তমান প্ৰকাশৰ পথত। এই আলোচনীখন ছাত্ৰ-ছাত্ৰীসকলৰ মনৰ অনুভৱ আৰু কল্পনাৰ সুবাসেৰে সুবাসিত হৈ পৰক, সৃষ্টিৰ নব-নব অংকুৰণ হওঁক, প্ৰতিটো পৃষ্ঠাই কঢ়িয়াওক ছাত্ৰ-ছাত্ৰীসকলৰ সৃজনীশীলতাৰ বতৰা। আলোচনীখন সৰ্বাংগ সুন্দৰ হোৱাৰ কামনাৰে-

(ড° দীপক গোস্বামী)
অধ্যক্ষ
নলবাৰী মহাবিদ্যালয়, নলবাৰী



## প্ৰতিষ্ঠাৰ পৰা বৰ্তমানলৈ নলবাৰী মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষসকল
## (১৯৪৫-২০১৪)

১। শ্ৰীত্ৰৈলোক্য নাথ গোস্বামী (০৪-০৭-১৯৪৫ — ০২-১০-১৯৬৮)
২। শ্ৰীপ্ৰভাত চন্দ্ৰ গোস্বামী (০৩-১০-১৯৬৮ — ৩১-১২-১৯৭২)
৩। শ্ৰীউমাকান্ত শৰ্মা (০১-০১-১৯৭৩ — ৩১-১২-১৯৮২)
৪। শ্ৰীজগন্নাথ চক্ৰৱৰ্ত্তী (০১-০১-১৯৮৩ — ২৮-০২-১৯৮৯)
৫। শ্ৰীৰবি চন্দ্ৰ বৰ্মন (০১-০৩-১৯৮৯ — ২৮-০২-১৯৯০) (ভাৰপ্ৰাপ্ত)
৬। শ্ৰীযামিনী কান্ত শৰ্মা (০১-০৩-১৯৯০ — ৩১-০৭-১৯৯০) (ভাৰপ্ৰাপ্ত)
৭। শ্ৰীপ্ৰমোদ চন্দ্ৰ চক্ৰৱৰ্ত্তী (০১-০৮-১৯৯০ — ০২-০৪-১৯৯৬)
৮। শ্ৰীনৰেন্দ্ৰ চক্ৰৱৰ্ত্তী (০৩-০৪-১৯৯৬ — ৩১-০৩-১৯৯৮) (ভাৰপ্ৰাপ্ত)
৯। শ্ৰীজিতেন্দ্ৰ নাথ বৰ্মন (০১-০৪-১৯৯৮ — ২৫-০৫-১৯৯৮) (ভাৰপ্ৰাপ্ত)
১০। শ্ৰীখগেন চন্দ্ৰ ডেকা (২৬-০৫-১৯৯৮ — ২৯-১০-২০০৫)
১১। ড° ৰবীন্দ্ৰ নাথ তালুকদাৰ (৩০-১০-২০০৫ — ১৮-০২-২০০৬) (ভাৰপ্ৰাপ্ত)
১২। শ্ৰীডিম্বেশ্বৰ চৌধুৰী (১৯-০২-২০০৬ — ০৯-০৩-২০০৭) (ভাৰপ্ৰাপ্ত)
১৩। ড° ত্ৰৈলোক্য নাথ শৰ্মা (১০-০৩-২০০৭ — ৩১-০১-২০১৩)
১৪। ড° অশোক কুমাৰ শৰ্মা (০১-০২-২০১৩ — ২৮-০২-২০১৪) (ভাৰপ্ৰাপ্ত)
১৫। ড° প্ৰাণকৃষ্ণ দাস (০১-০৩-২০১৪ — ২২-০৮-২০১৪) (ভাৰপ্ৰাপ্ত)
১৬। ড° দীপক গোস্বামী (২৩-০৮-২০১৪ — বৰ্তমানলৈ)

# সম্পাদকীয়



**কৰ্ম আৰু ধৰ্মৰ সংজ্ঞা বিচাৰি**

*“মোৰ প্ৰাণৰো প্ৰাণৰ*
*মোৰ গানৰো গানৰ*
*মোৰ দেশ;*
*মোৰ প্ৰতিটো কামে*
*মোৰ প্ৰতিটো চিন্তাই*
*এই দেশৰ বুকুত ৰচে*
*শইচ সোণোৱালী ভৱিষ্যতৰ সপোন।”*

**—হীৰেণ ভট্টাচাৰ্য্য**

**কৰ্ম আৰু ধৰ্মৰ সংজ্ঞা বিচাৰি ঃ**

হিন্দু শাস্ত্ৰৰ ভেটি স্থাপনকাৰী মহাকাব্য মহাভাৰতৰ শ্ৰীমদ্ভগৱদ গীতাত উল্লেখ আছে- “কৰ্মন্যেৱাধিকাৰস্তে মা ফলেষু কদাচনঃ।। মা কৰ্মফল হেতুৰ্ভুমা তে সঙ্গোত্তস্ত্বকৰ্মণি।।” (দ্বিতীয় অধ্যায়, শ্লোক ৪৭)। কৰ্মৰ প্ৰকৃতি আৰু সংজ্ঞা সম্পৰ্কে ভগৱান শ্ৰীকৃষ্ণই মহানায়ক অৰ্জুনক গভীৰ বিশ্লেষণ আগবঢ়ায় এনেদৰে যে কৰ্ম কৰি যোৱাটোৱেই মানৱ জীৱনৰ সত্যতম কৰ্তব্য, ফলৰ আশা কৰাটো মানুহৰ পক্ষে উচিত নহয়। নিজৰ আপোনজনৰ বিৰুদ্ধে অস্ত্ৰ তুলি ল’বলৈ অপাৰগ অৰ্জুনক সেই কালছোৱাতে ভগৱান শ্ৰীকৃষ্ণই ভগৱদ গীতাৰ নিগুঢ় জ্ঞান প্ৰদান কৰিছিল নৱযুগৰ পাতনিৰ মহৎ উপলক্ষ্যত। যিহেতুকে শ্ৰীকৃষ্ণক আমি ভগৱানৰ সিংহাসনত বহুৱাই ৰাখিছোঁ আমি মহাকাব্যৰ যুক্তিনিষ্ঠতা কোনোদিনে বিচাৰ কৰি চাবলৈ আহৰি নাপাওঁ আৰু প্ৰতিটো আধ্যাত্মিক বাণী আমি অন্ধজীৱৰ লেখীয়াকৈ মানি ল’ব বিচাৰো। এইখিনিয়েই হয়তো সেই পৰিসীমা য’ত আমি মানুহৰ মগজুৰ আঁৰৰ বৌদ্ধিক অস্তিত্বক জলাঞ্জলি দিওঁ ধৰ্মীয়

বিশ্বাসৰ নামেৰে। প্ৰাসংগিক প্ৰশ্নটো হ'ল বিজ্ঞান আৰু আধ্যাত্মিকতাৰ মাজৰ দেৱালখনৰ গাঢ়তা কিমান আৰু এই দেৱালখনৰ কোনখিনিত এনে কিছুমান সুৰুঙা আছে যাক আমি প্ৰকৃত চিন্তাবাদ আৰু বৌদ্ধিক পৰিচয় বুলি অভিহিত কৰিব পাৰো। মহাকাব্যলৈ পিঠি দি বিজ্ঞানে বৰঢোল কোবাই কয় যে ফলৰ প্ৰত্যাশা অবিহনে কোনো কৰ্মই সম্ভৱ নহয়। কোনো কৰ্মৰ ফলাফল সম্পৰ্কে উদ্ভৱ হোৱা চেতনাৰ ফলতহে শৰীৰত হ'ৰমন নিঃসৰণ হয় যিটো প্ৰক্ৰিয়া অবিহনে বিজ্ঞানৰ দৃষ্টিকোণেৰে কোনো কৰ্মই গতি লাভ নকৰে। আমি এনেকুৱা এখন পৃথিৱীৰ বাসিন্দা য'ত সাতশ পঞ্চাশ কোটি জীৱৰ বিপৰীতে আমি এজন নিৰ্দ্দিষ্ট ঈশ্বৰক বিশ্বাস কৰিবলৈ জীয়াই আছো। যদি মানসিক উন্নীতকৰণৰ ভাৱভংগীৰে আমি বিজ্ঞানক ঈশ্বৰ হিচাপে অভিহিত কৰিব খোজো তেনেহ'লে আমাৰ বিশ্বাসৰ ধাৰণাটো কিমানদূৰ পৰিৱৰ্ত্তন হ'ব সেয়া হোৱা উচিত আজিৰ প্ৰশ্ন। মহাকাব্যই কয় কৰ্মক ধৰ্ম হিচাপে বুকুত বান্ধি জীয়াই থকাৰ নামেই জীৱন, বিজ্ঞানে কয় কেৱল মৃত শৰীৰক একাষৰীয়া কৰি প্ৰতিটো জীৱ প্ৰতিটো মুহূৰ্ত্তত কোনো কামত নিবৃত হৈ থকাটো প্ৰকৃতিৰ নিয়ম। যদি আমি আধ্যাত্মিকতাবাদ আৰু বিজ্ঞানক মানৱ সভ্যতাৰ স্বৰ্ণমুদ্ৰাৰ দুইপিঠি বুলি নাভাবি এটাক আনটোৰ প্ৰতিবিম্ব আৰু পৰিপূৰক বুলি বিশ্বাসত বান্ধি খোজ দিওঁ, হয়টো এয়া সমাজৰ বাবে নাশ্ৰুত আচৰণৰ সীমাৰেখা হ'ব পাৰে কিন্তু ব্যক্তিবিশেষৰ বাবে এয়া নতুন সভ্যতাৰ উৎস বুলি প্ৰমাণিত হয়। কোৱান্টাম (Quantam physics) সূত্ৰৰ ধাৰণাৰে বিশ্বব্ৰহ্মাণ্ডৰ অস্তিত্ব নিৰূপন হয় বুলি বিদ্বৎমহলত যিদৰে চিন্তাৰ প্ৰলেপ পৰিছিল তেনেদৰে কোৱান্টাম বিজ্ঞানক ঈশ্বৰৰে এক নৰৰূপ বুলি স্বীকাৰ কৰিবলৈ দ্বিধাবোধ কৰা মানৱজাতিৰ ভৱিষ্যৎ কিমান সুৰক্ষিত? এই প্ৰশ্নৰ উত্তৰ বিচৰাটোও বিশ্বায়নৰ পৃথিৱীত সম্প্ৰতি এক মুখ্য প্ৰশ্ন।

ধৰ্ম আৰু কৰ্মৰ সেন্দূৰবুলীয়া বাট একাকাৰ হ'ব বিচৰা পৃথিৱীত যদি ধৰ্মৰ সংজ্ঞা বিচাৰি কোনো গণগোষ্ঠী শিলাময় কৰ্মহীন সভ্যতাৰ সাগৰত ডুবে আৰু সেই ধৰ্মৰ উৎস যদি কোনো বিশ্বাসৰ গঁৱালত জন্মা ঈশ্বৰ হয়, তেনেহ'লে সেই সভ্যতাৰ পূজাৰী হোৱাটো মানুহৰ কৰ্ম নহয়। যদি কৰ্ম চেতনাৰ মাজেৰে ধৰ্মক জীয়াই ৰখাৰ তাড়নাৰে মানৱজাতি পুষ্টিপন্ন হয় সেয়া কেৱল বিজ্ঞানেই নহয়, কলা-সাহিত্যৰ দিশতো মানুহৰ সুস্থ মানসিক উদ্‌গতিৰ পদাৰ্পণ। একবিংশৰ সভ্যতাসূত্ৰ কেৱল বিজ্ঞানৰ অভিষেক উৎসৰ বুলিলেও হয়তো নেদেখা পখীলৈ শব্দবান প্ৰয়োগৰ লেখীয়া হ'ব পাৰে। কৰ্ম আৰু ধৰ্মৰ সংজ্ঞা যিদৰে কোনোবা দূৰ প্ৰান্তত পৰস্পৰ পৰিপূৰক, ঠিক একেদৰে ঈশ্বৰ আৰু বিজ্ঞানৰ হস্তৰেখা পৃথিৱীৰ গৰ্ভত বান্ধ খোৱা উচিত।

**একবিংশ শতিকাৰ ৰূপকথা ঃ**

বিশ্বায়ন আৰু প্ৰযুক্তিকৰণৰ ধাৰণাৰে গতিশীল পৃথিৱীখনত মানুহ হেৰুৱাবলৈ ঠাই ক'ত? কেৱল নিজৰ মাজতে জীৱনলৈ বুলি বাট বিচাৰি ফুৰা বিভ্ৰান্ত জীৱৰ কিছু কথাৰ আলম লৈ একবিংশ শতিকাই কেমেলিয়নৰ লেখীয়াকৈ ৰং সলাইছে। যদি প্ৰৱল উন্নয়নৰ জালিকাই জীয়াই থকাৰ বতাহজাকক বান্ধি ৰাখে আদিম উন্মাদনাৰে, সেই উন্নয়ন কাম্য নহয় পৃথিৱীৰ। নতুন দিনৰ পোহৰৰ চিক্‌মিকনিত মানুহে পুৰণি দিনৰ সাধুকথা পাহৰি যোৱাৰ উপক্ৰম কৰিছে। নতুনত্বৰ ধাৰাটোৰ সূত্ৰ পুৰণি পৃথিৱীক হাতে ভৰিয়ে নিঃশেষ কৰা হ'ব নোৱাৰে কোনোদিনে। নেপোলিয়ন বোনাপাৰ্টৰ দৰে বিশ্বজয় কৰিব বিচৰা বিশ্বৰ প্ৰতিজন আৱাসীয়ে পাহৰি পেলায় আৱেগমিশ্ৰণৰ পৃথিৱীক জয় কৰাৰ কথা।

সেই দিনবোৰৰ কথা মনত পেলাবলৈ কাৰ আঁহৰি যেতিয়া ছটা ঋতুৰ আগমনৰ কথা বাগিচাত চকু থৈয়ে ক'ব পৰা গৈছিল, যেতিয়া ভৰবাৰিষাৰ কোবত নৈ-জান জুৰিত মাছৰ উজান উঠা বুলি শুনা গৈছিল, যেতিয়া দোকানৰ দেৱালবোৰত ওলমাই ৰখা গ্ৰিটিংছ কাৰ্ডে প্ৰিয়জনৰ সাধুকথা কৈছিল। একবিংশ শতিকা এখন হাতত যিদৰে অৰ্থনৈতিক বজাৰৰ ঘনত্বৰ জালিকাখন নিৰ্মাণৰ এক স্বৰ্ণযুগ হিচাপে অভিহিত হৈছে, ঠিক তেনেদৰে নতুনত্বৰ শোভাযাত্ৰাত গছকি থৈ

**একবিংশ শতিকাৰ ৰূপকথা**

*সেই দিনবোৰৰ কথা মনত পেলাবলৈ কাৰ আঁহৰি যেতিয়া ছটা ঋতুৰ আগমনৰ কথা বাগিচাত চকু থৈয়ে ক'ব পৰা গৈছিল, যেতিয়া ভৰবাৰিষাৰ কোবত নৈ-জান জুৰিত মাছৰ উজান উঠা বুলি শুনা গৈছিল, যেতিয়া দোকানৰ দেৱালবোৰত ওলমাই ৰখা গ্ৰিটিংছ কাৰ্ডে প্ৰিয়জনৰ সাধুকথা কৈছিল।*

গৈছে পুৰণি পৃথিৱীৰ মাদকতা, পুৰণি জীৱনৰ সুঘ্ৰান। জীৱনৰ অস্তিত্ব সম্পৰ্কে মানুহে অজ্ঞাত বৈৰাগীৰ দৰে কৰা আচৰণে জীৱকুলৰ প্ৰতি নিপাতকৰণৰ নিকট ভাবুকি অনা বুলি বিশ্বাস কৰিব পৰা হ'ল। এই সকলোবোৰৰ পৰা সম্পূৰ্ণ ফালৰি কাটি ধৰ্মৰ নামত কোটিটকীয়া ভণ্ডামিৰ পাহাৰ বগোৰা ধৰ্মগুৰুসকল একবিংশ শতিকাৰ আন এক ভীতিপূৰ্ণ অধ্যায়। এনেধৰণৰ ধৰ্মগুৰুৰ জোতা চেলেকা একাংশ ধৰ্মভীৰু মানুহেই হয়তো সাম্প্ৰদায়িক বিভাজনৰ নেওঁতা মতা ভাটৌৰ জাক। আজিৰ পৃথিৱীত প্ৰতিখন দেশে কেৱল শক্তি প্ৰদৰ্শনীত বিজয়ী হোৱাৰ নিচাত উন্মাদ, লক্ষ্য হ'ল এখন দেশৰ সামৰিক পেশীৰে আন এখন দেশত মাটি দখল ধৰা। এয়াই যদি একবিংশ শতিকাৰ প্ৰতিযোগিতাৰ অধ্যায় তেনে অধ্যায়ৰ পক্ষপাতী হোৱাটো আমাৰ চৰ্মৰোগ। ৰাজনীতিৰ শালিধানেৰে ভৰপক পথাৰখনৰ মৰণা মৰা নেতা, পালিনেতাসকলৰ আভ্যন্তৰীণ চক্ৰখনিও ধৰ্মীয় বিশ্বাসৰ গঁৰালত শুই থকা পাতিহঁাহ বুলি অবুজনক বুজোৱা সহজ নহয়। ধৰ্মীয় শিষ্টাচাৰৰ গইনা লৈ দেশৰ আৰব অংকৰ সম্পত্তি লুটি বহি ধৰা ধৰ্মগুৰুসকল যে ৰাষ্ট্ৰীয় অতিথি ৰূপত কেন্দ্ৰৰ বৰপীৰাত বহে সেইকথাও একবিংশ শতিকাই খোজে খোজে বুজাই আহিছে। একবিংশ শতিকাই এনে এখন পৃথিৱীৰ স্বাক্ষৰ বহন কৰে, য'ত প্ৰেমৰ পতাকাত ধৰ্মৰ প্ৰশ্নবোধক চিহ্ন আঁকি দিয়া হয়, কিন্তু এদল ধৰ্ষণকাৰীয়ে কোনোদিনে নোসোধে ধৰ্ষিতাক ধৰ্মীয় পৰিসীমাৰ বিষয়ে। একবিংশ শতিকাই এনে এটি সময়ৰ দালালি কৰে য'ত মন্দিৰৰ প্ৰতিমাক গাখীৰেৰে স্নান কৰোৱাৰ সময়ত এবাৰো ভবা নহয় গাখীৰৰ মূল্যৰ কথা, বৃদ্ধ ভিক্ষাৰীয়ে ৰাজপথত বুজাই থাকে ভোকৰ মূল্যৰ কথা কিন্তু সভ্য সমাজৰ জনঅৰণ্যত নেদেখা ভাওঁ ধৰা মানুহৰ অভাৱ নাই। এনেদৰেই জীৱনকক্ষৰ আৱৰ্তনত একবিংশ শতিকাৰ ৰূপকথা নিজৰ মাজতেই এখনি মহাকাব্য, যাৰ প্ৰতিটো পৃষ্ঠাতে পৰিৱৰ্ত্তনে সংজ্ঞা সলায়।

**কিতাপ আৰু মানুহৰ সংগত ঃ**

কোনোবা এগৰাকী মনিষীয়ে নিজৰ এটি তত্বমূলক লেখাত কিতাপৰ ভাষা বিশ্লেষণেৰে কৈ গৈছে– "পৃথিৱীত এতিয়ালৈকে এটা বস্তুৰে মূল্য নকমাকৈ আছে আৰু সেইটো হৈছে কিতাপ।" যদি মানুহ ইতিহাসৰ বৃহত্তম সাক্ষী, সেই ইতিহাসৰ দলিল কিতাপ বুলি ক'বলৈ শংকাবোধ নকৰা মানুহৰ সংখ্যাগুৰুতাই কিতাপ আৰু মানুহৰ সম্পৰ্কৰ স্বাক্ষৰ। অসমৰ স্বনামধন্য সাহিত্যিক হোমেন বৰগোহাঞিদেৱৰ লেখা এটাত উল্লেখিত হৈছে এনে এগৰাকী ব্যক্তিৰ কথা যি অস্বাভাৱিকভাৱে কিতাপৰ আসক্তিৰ কবলত পৰিছিল। সমগ্ৰ কাহিনীটো বৰ্ণনা কৰা হৈছে এনেদৰে যে মানুহজনৰ কাৰণে কিতাপৰ গোন্ধ উশাহ নিশাহৰ দৰে হৈ পৰিছিল। সময়ৰ পাকচক্ৰত মানুহজনৰ এটি নিমাওমাও যেন ৰেইলৰে ষ্টেচনত চাকৰি হয়। সেই ঠাইখনত কিতাপ বিচাৰি পোৱাটো বহুত কষ্টসাধ্য হৈ পৰে মানুহজনৰ বাবে। লগত লৈ যোৱা কিতাপকেইখনো বহুবাৰ ঘূৰাই পকাই পঢ়ি উঠি অৱশেষত কিতাপ অবিহনে মানুহজন মানসিক ৰোগীৰ দৰে হৈ উঠে। উপায়বিহীন অৱস্থাত মানুহজনে বাটত পোৱা কাগজৰ টুকুৰাৰ পৰা পেলাই দিয়া ৰেলটিকটবিলাকেই বুটলি আনি পঢ়িবলৈ আৰম্ভ কৰে। বিশ্বৰ গ্ৰন্থবজাৰত এতিয়ালৈকে প্ৰকাশ হোৱা প্ৰায় এশ ত্ৰিছ মিলিয়ন (১৩০ মিলিয়ন) গ্ৰন্থৰ প্ৰামূল্যিক চাহিদা তথা বৌদ্ধিক মূল্যবোধৰ ভিত্তিয়েই হ'ল মানুহ তথা মানৱ জীৱনৰ শ্বেতকণা সদৃশ পল- অনুপলৰ অনুভৱ। কিতাপ আৰু মানুহৰ সম্পৰ্কৰ সাক্ষী হৈ ৰয় প্ৰকৃতি, দাৰ্শনিক দৃষ্টিভংগীৰে তুলনাত্মক বিশ্লেষণ আগবঢ়ালে কথাবোৰ পানীৰ দৰে সৰল অথচ ভিন্নকাৰ বুলি বোধ হয়।

ভাৰতবৰ্ষৰ ইতিহাসত গ্ৰন্থপ্ৰেমী তথা গ্ৰন্থসমালোচকসকলে সদায়েই এটি মৰ্যাদাপূৰ্ণ স্থানৰ অংশীদাৰ হৈ আহিছে। বিশ্বৰ গ্ৰন্থবজাৰত ভাৰতবৰ্ষই ষষ্ঠতম বৃহৎ গ্ৰন্থ প্ৰকাশক ৰাষ্ট্ৰ হিচাপে স্থান অধিকাৰ কৰাক লৈ ক'ব পৰা যায় যে কিতাপ আৰু মানুহৰ আত্মিক সংহতিৰ ক্ষেত্ৰত ভাৰতবৰ্ষ বিশ্বক্ষেত্ৰত অন্যতম সংযোজন। বৈদিক যুগৰ বেদ (ঋকবেদ, সামবেদ, যজুৰ্বেদ, অথৰ্ববেদ),

**কিতাপ আৰু মানুহৰ সংগত**

বিশ্বৰ গ্ৰন্থবজাৰত এতিয়ালৈকে প্ৰকাশ হোৱা প্ৰায় এশ ত্ৰিছ মিলিয়ন (১৩০ মিলিয়ন) গ্ৰন্থৰ প্ৰামূল্যিক চাহিদা তথা বৌদ্ধিক মূল্যবোধৰ ভিত্তিয়েই হ'ল মানুহ তথা মানৱ জীৱনৰ শ্বেতকণা সদৃশ পল- অনুপলৰ অনুভৱ।

**যিবোৰ টকাৰে কিনিব নোৱাৰি**

উপনিষদ, ওঁঠৰ পুৰাণকে আদি কৰি আধ্যাত্মিক চিন্তা চৰ্চা বিকাশকাৰী গ্ৰন্থবোৰে ভাৰতবৰ্ষৰ ঐশ্বৰিক আৰু আধ্যাত্মিক প্ৰমূল্যবোধৰ শাখাটোক গভীৰ স্বকীয় আদৰ্শৰে প্ৰতিনিধিত্ব কৰি আহিছে। তাৰ পাছতে ৰবীন্দ্ৰ নাথ ঠাকুৰে 'গীতাঞ্জলি' গ্ৰন্থৰ বাবে পোৱা নোবেল পুৰস্কাৰ (১৯১৩)ৰ পৰা আৰম্ভ কৰি অৰুন্ধতী ৰায়ৰ 'দ্য গ'ড অৱ স্মল থিংচ' লৈ ১৯৯৭ চনত আগবঢ়োৱা বুকাৰ বঁটাৰ স্বৰ্ণযাত্ৰাই ভাৰতবৰ্ষৰ ভিন্নসুৰী ঐতিহ্যত কিতাপৰ ভৰ সম্পৰ্কে শ্ৰেষ্ঠতম উদাহৰণ দাঙি ধৰে। তাৰোপৰি ভাৰতীয় লিখক আৰ. কে. নাৰায়ণৰ 'মালগুডী দেইজ', 'দ্য গাইড', 'দ্য ভেনড'ৰ অৱ চুইটছ', 'এ হ'ৰ্ছ এণ্ড টু গ'টছ' ইত্যাদি, বিক্ৰম ছেথৰ 'এ চুইটেবল বয়', চিত্ৰা বেনাৰ্জী দিবাকৰুনীৰ 'পেলেচ অৱ ইলিওজন', অৰবিন্দ আদিগাৰ 'দ্য হোৱাইট টাইগাৰ', দীক্ষা বাসুৰ 'দ্য উইণ্ডফল', মিতালী মিলনৰ 'দ্য গেষ্ট' ইত্যাদি গ্ৰন্থই ভাৰতবৰ্ষৰ গ্ৰন্থ চহকী উদ্যোগৰ ধাৰাটোৰ গৌৰৱধ্বজা উৰুৱাই আহিছে। ভাৰতবৰ্ষৰ গ্ৰন্থ উদ্যোগৰ নৱযুগৰ পাতনি মেলিলে চেতন ভগতৰ 'থ্ৰি মিচটেকছ অব মাই লাইফ', 'ফাইভ পইন্ট চামওৱান', 'টু ষ্টেটছ' আদি গ্ৰন্থৰ নাম জনমানসত জনপ্ৰিয় আৰু যথেষ্ট বজাৰমুখী গ্ৰন্থৰূপে স্বীকৃতি লাভ কৰিছে।

**যিবোৰ টকাৰে কিনিব নোৱাৰি ঃ**

এইটো সত্য প্ৰণোদিতভাৱে বিশ্বৰ দুৱাৰডলিত প্ৰতিষ্ঠিত যে বৰ্তমান পৃথিৱীৰ সমগ্ৰ জীৱকুল কেৱল মাত্ৰ দুটা বস্তুক কেন্দ্ৰ কৰি নিজৰ কক্ষপথত ঘূৰে– টকা আৰু যৌনতা। টকাৰে কিনিব পৰা বস্তুসমূহকে আভিজাত্য মহলত সম্পত্তি বুলি বহুতে ক'ব বিচাৰে। টকাৰে যিদৰে সঠিক দিশত আগবাঢ়ি যোৱাজনক পিঠিৰ দিশে সঁহাৰি দিব পাৰি, ঠিক একেদৰে টকাৰ চমকনিৰে ক'লা বাট ধৰি নিযুত মুদ্ৰাৰ পাহাৰো গঢ়িব পাৰি। টকাই যিদৰে অন্ধক বিতচকু পিন্ধাই ৰঙীন পৃথিৱী দেখুৱাব পাৰে, ঠিক একেদৰে টকাই মুৰ্খৰ শিৰোনাম দখলকাৰীক জ্ঞানীৰ সভাতো আসন উলিয়াই দিব পাৰে। কিন্তু জীৱনৰ সেইসমূহ বস্তুৰ মূল্যবোধৰ তুলাচনীত পাৰ্থিৱ সুখ, সন্তুষ্টিয়ে স্থান নাপায় যিবোৰ বস্তু টকাৰ সু-গন্ধিৰে কিনিব নোৱাৰি। মন্দিৰ, মছজিদৰ চিৰিত লানি নিছিগাকৈ শেতা ওঁঠ আৰু কম্পিত হাতেৰে বহি থকা অঘৰী ভিক্ষাৰীৰ ভোকৰ শিক্ষা টকাৰে কিনিব নোৱাৰি। কোনো জন্মগত প্ৰতিভাধাৰী খনিকৰে কঠিন শিলত কাটি উলিওৱা নিখুঁত ভাস্কৰ্য্যৰ অপৰূপ সৌন্দৰ্য্য টকাৰে কিনিব নোৱাৰি। শৰতৰ ৰাতিপুৱা সজল দুৰৰি গছকি লাভ কৰা পৰম স্বৰ্গীয় তৃপ্তি টকাৰে কিনিব নোৱাৰি। জাৰৰ নিশা উমি উমি জ্বলি উঠা জুইৰ উমেৰে কঁটোৱা প্ৰতিটো পল, অনুপল টকাৰে কিনিব নোৱাৰি। টকাৰে নোৱাৰি কিনিব আইতাৰ মুখৰ সাধু, জোনাকী পৰুৱাৰ পোহৰ, পুৰণি কিতাপৰ গোন্ধ, মলয়া বতাহত কঁপা কঁহুৱা বন, পথাৰজুৰি ভৰপক সোণোৱালী ধাননি আৰু মেটেকা ফুল।

*"হৃদয়ত মোৰ*
*পাগলাদিয়া পাৰৰ কপৌফুল,*
*দূৰ পাহাৰত বাজে ৰাতি*
*খামটি বাঁহীৰ সুৰ,*
*আইৰ দুহাতত জেতুকা ৰঙৰ বোল।"*

**(প্ৰণৱ শৰ্মা)**
সম্পাদক, 'নলবাৰী'

# শিল্প সাৰণী

## চিন্তাশিল্প

### সাহিত্য


। প্ৰসঙ্গ ঃ ভাষা আৰু সাহিত্য - ড° বসন্ত কুমাৰ ভট্টাচাৰ্য/১০
। মৃত্যুমুখী ভাষা ৰক্ষাৰ নতুন পথ আৰু অসমীয়া ভাষা - চুম্পী কলিতা/১২
। অসমীয়া ভাষাৰ উপভাষা - অনিন্দিতা শৰ্মা/১৫
। অসমীয়া সাহিত্যত আধুনিকতা - প্ৰণৱ শৰ্মা/১৭
। **From Ecocide to Traumatic Homicide: Representation of Nature in Mamoni Raisom Goswami's Chenabar Sont** - **Dr. Ratan Deka**/১৯


### ইতিহাস


। নলবাৰী কলেজৰ জন্ম গাঁথা ঃ নলবৰীয়াৰ এক বৰ্ণিল অধ্যায় - ড° দীনমণি ভাগৱতী/২৬
। **Of Maps and Migrations** - **Dr. Darshana Goswami**/৩৪


### প্ৰকৃতি


। অৰণ্য - অভিষেক নাৰায়ণ শৰ্মা/৩৭
। মানুহৰ আধিপত্যবাদী প্ৰবৃত্তিৰ বলি অন্য প্ৰাণী - মৃদুল বৈশ্য/৩৯
। **Fogbow or White Rainbow** - **Jimli Sarma**/৪১
। **Our Earth Our Responsibility** - **Deepam Talukdar**/৪২


### জীৱন


। সময় আৰু জীৱন - দীপাংকৰ শৰ্মা/৪৩
। সংঘাত আৰু বদনাম- দুটা জটিল সমস্যা - অৰ্ণৱ কলিতা/৪৫


### ধৰ্ম আৰু বিজ্ঞান


। ঈশ্বৰৰ অস্তিত্ব আৰু বিজ্ঞানৰ যোগসূত্ৰ - বিশাল শৰ্মা/৪৭
। ধৰ্ম, বিজ্ঞান আৰু অন্ধবিশ্বাস - ৰাজ দাস/৫০


### শিল্পকলা


। অসমৰ স্থাপত্য ভাস্কৰ্য - বনস্মিতা ডেকা/৫২


### সংস্কৃতি


। ভ্ৰাম্যমাণ থিয়েটাৰ আৰু অসমীয়া চলচ্চিত্ৰ - পাপৰি দেৱী/৫৪

। গীতৰ মাজত বৰবিহ - পলাশ ৰঞ্জন পৰাশৰ/৬০

শিক্ষা
। ইংৰাজী শিক্ষাৰ প্ৰাসঙ্গিকতা - ৰয়েল পাৰভেজ/৬১
। ভাৰতীয় সমাজ ব্যৱস্থাত নাৰী শিক্ষা ঃ এটি প্ৰাসঙ্গিক আলোচনা - প্ৰিয়ংকা ভৰালী/৬২
। নলবাৰী অঞ্চলৰ নাৰী শিক্ষা - অৰ্ণৱজ্যোতি তালুকদাৰ/৬৫

সৃষ্টি
। কল্পনা ঃ সৃষ্টিশীলতাৰ অন্য এক নাম - ৰিমঝিম ভৰদ্বাজ/৬৭

মানৱতা
। মানুহ আৰু মানৱতাবাদ - মিটুল ভূঞা/৬৮

সজাগতা
। আমি বৃদ্ধাশ্ৰমৰ পক্ষপাতী নেকি? - ৰূপজ্যোতি শৰ্মা/৬৮
। **Women Empowerment : Dreams of flying High** - **Parismita Goswami**/৭২

সফলতা
। ২০১৮ বৰ্ষৰ কেইগৰাকীমান সফল অসমীয়া - মানস জ্যোতি তালুকদাৰ/৭৪

সংগ্ৰাম
। একৈশ শতিকাৰ সংগ্ৰামী সত্ত্বা - দীপশিখা বৰ্মন/৭৬

জীৱনী
। ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালা দেৱৰ সৃষ্টিৰাজিৰ কিছু আলোকপাত - দেৱাশীষ দত্ত/৮০
। ৰসিক সুজান মহাবীৰ চিলাৰায়, ৰজা নৰনাৰায়ণ ঃ বিশ্ব ইতিহাসত উত্তৰ কাললৈ প্ৰাসংগিক
- ডাঃ সমৰ তালুকদাৰ/৮৩

সম্পদ
। ঢেঁকী ঃ অসমৰ পৰম্পৰাগতভাৱে ব্যৱহৃত থলুৱা সঁজুলি - বিনীতা দেৱী/৮৭
। **National Emblem of India** - **Rima Rani Baishya**/৯০

কেৰিয়াৰ
। **Career Opportunities in Library & Information Science**
- **Dr. Ranjanjyoti Sarmah**/৯২
। **Career Options after Graduation** - **Ranjan K Baruah**/৯৬

## সাক্ষাৎগ্ৰহণ

। সাহিত্য অকাডেমী বঁটা প্ৰাপক ড° নগেন শইকীয়াৰ সৈতে অন্তৰংগ আলাপ
সাক্ষাৎগ্ৰহণকাৰী ক্ৰমে ঃ প্ৰণৱ শৰ্মা, ৰূপজ্যোতি শৰ্মা/১০০

। অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গৰ সৈতে অন্তৰংগ আলাপ
সাক্ষাৎগ্ৰহণকাৰী ক্ৰমে ঃ প্ৰণৱ শৰ্মা, দেৱাশীষ দত্ত, মানস জ্যোতি তালুকদাৰ/১০৩
। ৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন চিত্ৰশিল্পী ৰবীন বৰৰ সৈতে অন্তৰংগ আলাপ
সাক্ষাৎগ্ৰহণকাৰী ক্ৰমে ঃ প্ৰণৱ শৰ্মা, জংকি শৰ্মা/১০৭


## কথাশিল্প


। বিসৰ্জন - নীলাঞ্জনা শৰ্মা/১১৪
। উপহাৰ - মনস্বিতা শৰ্মা/১১৯
। পোহৰ - মৃদুস্মিতা কাশ্যপ/১২৩
। হেঁপাহ - প্ৰীতি কলিতা/১২৭
। সিদ্ধান্ত - উপাসনা কাকতি/১২৯
। অস্বস্তিকৰ অস্তিত্ব - পাৰ্থপ্ৰতিম চক্ৰৱৰ্তী/১৩১
। সোঁৱৰণীৰ আধালিখা পৃষ্ঠাবোৰ - মৌচুমী কাকতি/১৩৩
। সাফল্যৰ প্ৰতিযোগিতা - মাজনী বেগম/১৩৬
। এটা পি.চি.অ' - তৃষ্ণা দেৱী/১৩৯
। এখন ভাল কিতাপ ঃ এটি স্মৃতি - নেহা আফ্ৰিন/১৪২
। मानवता - सागरिका तालुकदार/১৪৪


## শব্দশিল্প


। উঠা! হে সব্যসাচী!! - বন্তি প্ৰভা শৰ্মা/১৪৮
। অন্ত-ইতি-ইত্যাদি - জংকি শৰ্মা/১৪৯
। নীলা - নিষ্ক'মনা অসমীয়া/১৫০
। সন্ধিয়াবোৰ - বিশ্বজিৎ তালুকদাৰ/১৫০
। স্বপ্নিক আশা - ভাস্বতী নাৰ্জাৰী/১৫১
। বিপ্লৱ - নৱনীতা শৰ্মা/১৫১
। মোৰ কৃষ্ণচূড়া - জ্যোতিস্মান বৈশ্য/১৫২
। নীৰৱতা - জিনাক্ষী চৌধুৰী/১৫২
। জোনাক বিচাৰি - হিমাংশু তালুকদাৰ/১৫৩
। অবুজ মনৰ কোলাহল - অংকুমণি দাস/১৫৩
। আশা - নিতিশ ডেকা/১৫৪
। অপূৰ্ণ প্ৰেমৰ সম্পূৰ্ণ দস্তাবেজ - নন্দিতা দেৱী/১৫৪
। তুমিহীনতাৰ অনুভৱ - পুলকেশ কলিতা/১৫৫
। বানৰ কোৱাল - মাজিদা ইছলাম/১৫৫
। দুৰ্ভগীয়া - মিনাক্ষী শৰ্মা/১৫৬
। জীৱন - ঋতুস্মিতা মিশ্ৰ/১৫৬
। ৰাতিৰ কবিতা - মানৱ শৰ্মা/১৫৭
। ফাগুন - হীৰকজ্যোতি বৈশ্য/১৫৭
। শ্ৰদ্ধাঞ্জলি - জ্যোতিৰ্ময় কলিতা/১৫৮
। সপোন - হীৰকজ্যোতি শৰ্মা/১৫৮
। আশ্ৰয় - শিৰাঙ্গী নাজিৰ/১৫৯
। বিৰহৰ কবিতা - বনশ্ৰী বৈশ্য/১৫৯
। বুজিবানে? - ৰীমা ডেকা/১৬০
। নিথৰ কান্দোনৰ প্ৰশ্ন - স্মৃতি মেধি/১৬০
। অপৰাজেয় মানৱতা - বিতোপন কলিতা/১৬১
। কঠিয়া ঐ - জ্যোতিস্মিতা শৰ্মা/১৬১
। সোঁৱৰণত আইতা - মানসপ্ৰতীম বৰ্মন/১৬২
। উচুপনি - বৰষাৰাণী কাকতি/১৬২
। তুমিহীনতাৰ অনুভৱ - মৌচুমী হালৈ/১৬৩
। তুমি - খঞ্জনজ্যোতি দাস/১৬৪
। জীৱন - শ্ৰীজ্ঞানী শৰ্মা/১৬৪
। **He - Bhaskar Jyoti Barman**/১৬৫
। **On the verge of havoc - Mandeep Narayan Choudhury**/১৬৫
। कहाँ आ गए हम? - नीलोतपल गोस्वामी/১৬৬
। जोनोम हादरखौ अन्नानै - राहुल दैमारी/১৬৭
। हाथरखि - द्वीपज्योति ब्रह्म/১৬৭
। नों थांनायनि उनाव - हारिमु बड़ो/১৬৮
। जिउनि अनजाली - हृदय नार्जारी/১৬৮

## নীল আখৰৰ নিৱেদন


। নীলা খামৰ চিঠি - জংকি শৰ্মা/১৭০
। নীলা খামৰ চিঠি - জিমিৰেখা শৰ্মা/১৭১


## গ্ৰন্থ অৱলোকন


। ৰুচিনাথ কন্দলীৰ শ্ৰীশ্ৰীচণ্ডী - ভাস্কৰ ভট্ট/১৭৪
। ছাংলট ফেনলা - অনুস্মিতা বৈশ্য/১৭৭


## ক্ষণিক শিল্প


। এক মিনিটৰ গল্প - বিকাশ দাস/১৮০


## অনুবাদ শিল্প


। বাৰ্তুলাকাৰ ধ্বংসাৱশেষ
অনুবাদ ঃ হিমাক্ষী কাশ্যপ/১৮২
। **Sagorika Bordoloi** *Translation :* **Dr. Ranjana Bhattacharya**/১৮৬


## ভ্ৰমণ শিল্প


। জয় মাতা দী - ড° নৱজ্যোতি ডেকা/১৯০


## ৰস শিল্প


। পটেবাইৰ দুখ - ডাঃ সমুজ্জ্বল ভৰদ্বাজ/১৯৬


## প্ৰতিবেদন


। অনুভৱৰ চমু নিৱেদন ঃ নলবাৰী মহাবিদ্যালয় ২০০
। প্ৰাচীৰ শিল্পৰ মাজেৰে বিভাগবোৰ প্ৰতিবেদক ঃ প্ৰণৱ শৰ্মা, দেৱাশীষ দত্ত/২০২
। ছাত্ৰ প্ৰতিনিধিৰ প্ৰতিবেদন
সভাপতিৰ প্ৰতিবেদন ২০৯
উপ-সভাপতিৰ প্ৰতিবেদন ২১১
সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ২১৩
সহঃ সাধাৰণ সম্পাদক (দিবা)ৰ প্ৰতিবেদন ২১৯
সহঃ সাধাৰণ সম্পাদক (আবেলি)ৰ প্ৰতিবেদন ২২২
আলোচনী সম্পাদকৰ প্ৰতিবেদন ২২৩
সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন ২২৭
গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ২৩০
লঘু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ২৩২
ছাত্ৰ জিৰণী চ'ৰাৰ সম্পাদকৰ প্ৰতিবেদন ২৩৩
ছাত্ৰী জিৰণী চ'ৰাৰ সম্পাদিকাৰ প্ৰতিবেদন ২৩৫
সমাজসেৱা সম্পাদকৰ প্ৰতিবেদন ২৩৭
আমাৰ মহাবিদ্যালয়ৰ সন্মানীয় শিক্ষক আৰু অনাশিক্ষক কৰ্মচাৰীসকল ২৩৮



# চিন্তাশিল্প

“অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ স্বৰ্ণদলিচাত বৌদ্ধিক উশাহৰ বুৰবুৰণি
আৰু এটি দুটি চিয়াঁহীৰ টোপালেৰে গজি উঠে চিন্তাশিল্প”

সাহিত্য

প্ৰসঙ্গ ঃ

# ভাষা আৰু সাহিত্য

- ড° বসন্ত কুমাৰ ভট্টাচাৰ্য
বিশিষ্ট সাহিত্যিক

**মা**নুহে ভাষা কয় আৰু লিখে। পৃথিৱীত বসবাস কৰা প্ৰতিটো জাতিৰেই একোটা নিজস্ব ভাষা আছে। জাতি ভেদে ভাষা ভিন ভিন। ভাষাতত্ববিদ পণ্ডিতসকলে পৃথিৱীত প্ৰচলিত ভাষাসমূহক বিভিন্ন পৰিয়াল ভুক্ত কৰি, সিবোৰৰ ৰূপতত্ব, ধ্বনিতত্ব আৰু শব্দাৱলীৰ বৈশিষ্ট্য বিশ্লেষণ কৰি প্ৰতিটো ভাষা পৰিয়ালৰ স্বকীয়তা নিৰূপণ কৰিছে।

**আমাৰ ইন্টেলেকচুৱেল ভেকুৱাম, বৌদ্ধিক শূন্যতাই আমাক পংগু কৰি পেলাব। সেয়ে, অসমীয়া ভাষা সাহিত্যৰ নিষ্ঠাবান সেৱকসকলে নিয়ত অনুশীলন, অধ্যয়ন, চিন্তন আৰু মননেৰে তাৰ উৎকৰ্ষ সাধনৰ বাবে আত্মনিয়োগ কৰাৰ সময় আহি পৰিছে। ভাষা সাহিত্যৰ গৱেষক-পণ্ডিতসকলে এই দিশত নতুন পুৰুষক এটা সুস্থ আৰু সুশৃংখল পথ দেখুৱাওক— এয়ে আমাৰ কামনা।**

ভাষাৰ এক সুকীয়া বিজ্ঞান আছে। ভাষা বিজ্ঞানৰ শিক্ষাই কোনো এটা ভাষা বিশ্লেষণাত্মক পদ্ধতিৰে শিকিবলৈ সুবিধা দিয়ে। "কোনো এটা ভাষাৰ ভাষাবৈজ্ঞানিক আলোচনাই সেই ভাষাটোৰ ব্যাকৰণ", (ভূমিকা, অসমীয়া ভাষাৰ ব্যাকৰণঃ ড° উপেন্দ্ৰ নাথ গোস্বামী)। গতিকে কোনো এটা ভাষাৰ সম্যক জ্ঞান লাভ কৰিবলৈ হ'লে, সেই ভাষাটোৰ ব্যাকৰণ অন্তঃকৰণেৰে সৈতে অধ্যয়ন কৰিবলগীয়া হয়। ব্যাকৰণৰ অধ্যয়নে কোনো এটা ভাষাৰ গঠন পদ্ধতি সম্পৰ্কে পদ্ধতিগত ভাৱে জনাৰ বা শিকাৰ সুযোগ দিয়ে। 'ভাষা বৃক্ষৰ সাহিত্য সৌৰভময় পুষ্প স্বৰূপ", (অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত ঃ ড° সত্যেন্দ্ৰ নাথ শৰ্মা)। ভাষাৰ লগত সাহিত্যৰ সম্পৰ্ক অংগাংগী। সাহিত্যই যেনেদৰে ভাষাৰ বৈশিষ্ট আৰু সৌন্দৰ্যক প্ৰতিনিধিত্ব কৰে, তেনেদৰে ভাষাইও সাহিত্যক ভাব প্ৰকাশৰ ক্ষমতা দান কৰে। জাতীয় সাহিত্যিকে জাতীয় ভাষাক বিশিষ্ট মৰ্যাদা দি তাক নিৰ্দিষ্ট পথেৰে বিকশিত হোৱাত অৰিহণা যোগায়। গতিকে, কোনো এটা

ভাষাৰ মৰ্যাদা নিৰ্ভৰ কৰে, সেই ভাষাৰ সাহিত্য স্ৰষ্টাসকলৰ আন্তৰিকতা আৰু অধ্যয়নৰ ওপৰত। কোনো এটা ভাষাৰ বিষয়ে সম্যক জ্ঞান লাভ নকৰাকৈ, সেই ভাষাৰ মাধ্যমত সাহিত্য সৃষ্টি কৰিবলৈ গ'লে, সাহিত্যৰ লগতে সেই ভাষাটোৰ মৰ্যাদা ক্ষুণ্ণ হোৱাৰ আশংকাই দেখা দিয়ে। ভাষাৰ মৰ্যাদা ক্ষুণ্ণ হ'লে, সেই ভাষাৰ সাহিত্যও প্ৰকৃততে উৎকৃষ্ট হ'ব নোৱাৰে। সাহিত্যৰ যোগেদি জাতিৰ জাতীয় বৈশিষ্ট্য আৰু পৰিচয় পাব পাৰি। কিন্তু কোনো জাতিৰ জাতীয় সাহিত্য যদি পয়ালগা হয়, যদিহে কোনো জাতীয় সাহিত্যই সেই জাতিৰ সম্যক চিত্ৰ কৰিব নোৱাৰে, তেতিয়া হ'লে সেই জাতীয় সাহিত্যই জাতি বিশেষৰ বিকৃত ৰূপ দিয়াৰ দোষত জগৰীয়া হ'ব।

পণ্ডিত প্ৰবৰ কৃষ্ণকান্ত সন্দিকৈদেৱে কৈছে যে সাহিত্য অভিজ্ঞতাৰ ওপৰত প্ৰতিষ্ঠিত। অৰ্থাৎ ব্যাপক, বৈচিত্ৰ্যপূৰ্ণ আৰু গভীৰ অভিজ্ঞতাইহে সাহিত্যক উচ্চ মান বিশিষ্ট কৰি তুলিব পাৰে। নক'লেও হ'ব যে উচ্চ মান বিশিষ্ট সাহিত্য সৃষ্টিৰ বাবে ভাষাটোও হ'ব লাগিব ক্ষমতাশালী আৰু বৈচিত্ৰপূৰ্ণ। সাহিত্যিকসকলে সাহিত্য সৃষ্টিৰ বাবে যেনেদৰে অভিজ্ঞতা আহৰণৰ প্ৰয়োজনীয়তা অনুভৱ কৰে, ঠিক তেনেদৰে সংশ্লিষ্ট ভাষা সম্পৰ্কেও অভিজ্ঞতা আহৰণত তেওঁলোকে কাৰ্পণ্য দেখুৱাব নালাগিব। সাহিত্যৰ ইতিহাসে কয় যে, সাহিত্যিকসকলৰ ভাষা বিষয়ক অভিজ্ঞতাই কোনো এটা ভাষাৰ সাহিত্যিক ঠাচৰ গঢ় দি সেই ভাষাটোত গতিশীলতা দান কৰিব পাৰে। উদাহৰণস্বৰূপে, অসমীয়া সাহিত্যৰ প্ৰাক্‌শংকৰী যুগৰ কবি সকলৰ ৰচনালৈ আমি আঙুলিয়াব পাৰোঁ। আদি কবি অপ্ৰমাদী মাধব কন্দলি প্ৰমুখ্যে যি পাঁচগৰাকী কবি-সাহিত্যিকে চতুৰ্দশ শতিকাতে কলম হাতত লৈ অসমীয়া ভাষাত এটা সাহিত্যিক ঠাঁচৰ গঢ় দি এই ভাষাটোক মৰ্যাদা দান কৰিবলৈ সক্ষম হৈছিল, কোৱা নিষ্প্ৰয়োজন যে তেওঁলোকৰ সাহিত্যিক ঠাঁচেই বৈষ্ণৱ যুগৰ কবিসকলৰ হাতত পৰিপূৰ্ণতা লাভ কৰে, (ড° সত্যেন্দ্ৰ নাথ শৰ্মা ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃষ্ঠা- ৫৬)

"বিশ্ববিদ্যালয়ৰ চৰম উপাধিধাৰী ভাষাতাত্বিকৰ আকাৰ-ইকাৰবোৰেই থিত নালাগিল। ভাষাৰ অনাৰ্হ, প্ৰথম শ্ৰেণীৰ এম.এ. আৰু ডক্টৰ এজনো যেতিয়া তত্ত্বৰ তত্ ধৰাত অক্ষম, আমাৰ ভাষা-সাহিত্য দেৰলীয়া নহৈ দেৰলীয়া হ'বলৈ কি বস্তু আছে?...."

কোনো এটা ভাষাত সাহিত্য সৃষ্টি কৰিবলৈ হ'লে, পোনতে সেই ভাষাটোৰ গঠন পদ্ধতিৰ বিষয়ে এটা স্পষ্ট আৰু শুদ্ধ ধাৰণা থাকিব লাগিব। ভাষাৰ অস্পষ্ট আৰু অশুদ্ধ প্ৰয়োগে বহুত ক্ষেত্ৰত সংশ্লিষ্ট সাহিত্যৰ পাঠকক বিভ্ৰান্ত কৰে। ফলস্বৰূপে, ভাষা সাহিত্যৰ জগতলৈ নামি আহে সংকট। বৰ্তমান অসমীয়া ভাষা সাহিত্যৰ জগতখনত এই সংকট ঘণীভূত হোৱাৰ আশংকাই দেখা দিয়া বুলি ক'লেও অত্যুক্তি কৰা নহয়। বানানৰ সমস্যা, উচ্চাৰণৰ সমস্যা, শব্দ প্ৰয়োগৰ সমস্যা আদি বিভিন্ন সমস্যাই যেনেদৰে অসমীয়া ভাষাটোক জুমুদি দি ধৰিছে, তেনেদৰে সাহিত্যকো বিশৃংখল কৰি তুলিছে। আ, ই, ঈ, ঋ, উ, ঊ, ন, ণ, চ,ছ, শ,স,ষ আদি বৰ্ণ প্ৰয়োগৰ ক্ষেত্ৰত আজিলৈকে এটা নিৰ্দিষ্ট সূত্ৰ গ্ৰহণ কৰা নহ'ল। ফকৰা-যোজনা, পটন্তৰ, প্ৰৱচন প্ৰভৃতিৰ প্ৰয়োগ কদাকাচিৎহে দেখা যায়। থলুৱা শব্দৰ পৰিৱৰ্তে কথা-বতৰা বা লিখা-মেলাত অনা অসমীয়া শব্দ প্ৰয়োগৰ প্ৰতি ধাউতি প্ৰৱল হৈ পৰা হেতুকে থলুৱা অসমীয়া শব্দই এতিয়া ধোৱাচাঙত উঠিবলৈ আৰম্ভ কৰিছে। ক্ৰিয়াৰ বিভিন্ন কাল, প্ৰত্যয়, উপসৰ্গ আদি প্ৰয়োগৰ ক্ষেত্ৰতো অৰাজকতা সৃষ্টি হোৱা বুলিবই পাৰি। ভাষা-সাহিত্যৰ এই খেলিমেলিবোৰলৈ লক্ষ্য কৰিয়েই ড° মহেশ্বৰ নেওগদেৱে গভীৰ আক্ষেপ আৰু উদ্বেগ প্ৰকাশ কৰি কৈছে, "বিশ্ববিদ্যালয়ৰ চৰম উপাধিধাৰী ভাষাতাত্বিকৰ আকাৰ-ইকাৰবোৰেই থিত নালাগিল। ভাষাৰ অনাৰ্হ, প্ৰথম শ্ৰেণীৰ এম.এ. আৰু ডক্টৰ এজনো যেতিয়া তত্ত্বৰ তত্ ধৰাত অক্ষম, আমাৰ ভাষা-সাহিত্য দেৰলীয়া নহৈ দেৰলীয়া হ'বলৈ কি বস্তু আছে?...." আমাৰ ইন্টেলেকচুৱেল ভেকুৱাম, বৌদ্ধিক শূন্যতাই আমাক পংগু কৰি পেলাব। সেয়ে, অসমীয়া ভাষা সাহিত্যৰ নিষ্ঠাবান সেৱকসকলে নিয়ত অনুশীলন, অধ্যয়ন, চিন্তন আৰু মননেৰে তাৰ উৎকৰ্ষ সাধনৰ বাবে আত্মনিয়োগ কৰাৰ সময় আহি পৰিছে। ভাষা সাহিত্যৰ গৱেষক-পণ্ডিতসকলে এই দিশত নতুন পুৰুষক এটা সুস্থ আৰু সুশৃংখল পথ দেখুৱাওক— এয়ে আমাৰ কামনা।

*অৱলুপ্ত প্ৰায়, ভাষা নহ'লেও অসমীয়া ভাষাৰ এক সুকীয়া মৰ্যাদা আছে, কিন্তু এয়া মাত্ৰ বৰ্তমানৰ ক্ষেত্ৰতহে। বহু বছৰ আগতে, ইও প্ৰায় লুপ্ত হোৱাৰ পথতেই আছিল।*

# মৃত্যুমুখী ভাষা ৰক্ষাৰ নতুন পথ আৰু অসমীয়া ভাষা

- **চুম্পী কলিতা**
স্নাতক চতুৰ্থ ষাণ্মাসিক
ইংৰাজী বিভাগ

**ভা**ষা হৈছে জ্ঞান অৰ্জনৰ প্ৰৱেশ দ্বাৰ। ভাষাৰ মাধ্যমেৰেই আমি নিজকে প্ৰকাশ কৰো, বিকাশ ঘটাও। কিন্তু বিভিন্ন কাৰণত এই ভাষাৰো অপমৃত্যু ঘটে। ২০১৪ চনত ইউনেস্কই প্ৰকাশ কৰা এক সমীক্ষা অনুসৰি প্ৰতি মাহে এই বিশ্বৰ বুকুৰ পৰা হেৰাই গৈছে দুটাকৈ ভাষা। এই ভাষা মৃত্যু মানে মাথো সেই ভাষাটোৰেই যে মাথো মৃত্যু তেনে নহয়, সেই ভাষাটোৱে কঢ়িয়াই লৈ ফুৰা জ্ঞানো চিৰদিনৰ বাবে হেৰাই যায়।

'People's Linguistic Survey of India' নামৰ বেচৰকাৰী প্ৰতিষ্ঠানটোৱে দেশজুৰি চলোৱা এক সমীক্ষাৰ পিছত প্ৰকাশ কৰা তথ্য অনুসৰি ভাৰতত ৮০০ টাৰো অধিক ভাষা আছে। সমীক্ষাটোত ইতিমধ্যে বিগত পঞ্চাশ বছৰৰ ভিতৰত ২২০ টা চিৰদিনৰ বাবে হেৰাই যোৱাৰ তথ্য পোহৰলৈ অনাৰ লগতে অনাগত পঞ্চাশ বছৰটো ১৫০ টা ভাষা লুপ্ত হৈ যোৱাৰ আশংকা প্ৰকাশ কৰা হৈছে। সমীক্ষাটোত এনে ভাষা বৰ্তমান ব্যৱহাৰ কৰি থকা চামৰ উঠি অহা প্ৰজন্মই নিজৰ পুৰুষানুক্ৰমিক ভাষাটো শিকাৰ বাবে আগ্ৰহ প্ৰকাশ নকৰাটোকেই মুখ্য কাৰক হিচাপে উল্লেখ কৰিছে। উল্লেখযোগ্য যে আমাৰ দেশত ইমান বৃহৎ সংখ্যক ভাষা থকাৰ পিছতো চৰকাৰীভাবে মাথো ২২ টা ভাষাকহে স্বীকৃতি দিয়া হৈছে। ইউনেস্কৰ তৰফৰ পৰা প্ৰস্তুত কৰা অস্তিত্বৰ সংকটৰ সন্মুখীন হোৱা বিশ্বৰ ভাষাসমূহৰ মানচিত্ৰত ভাৰতৰ মুঠ ১৯৭ টা ভাষাক তালিকাভুক্ত কৰা হৈছে। মন কৰিবলগীয়া বিষয় এইটোৱেই যে এই তালিকাখনত অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ টাই, আংগামী, ভাও, আইতন, আপাটানি, মেইটেই, বিষ্ণুপ্ৰিয়া, মণিপুৰী, বড়ো, ডিমাচা, দেউৰী, মাৰ ৰাংঘল, কোঁচ, ককবৰক, কন্যাক, মেচ, মিচিং, মিজো, পাইটে, ৰাভা, ৰেংমা, কাৰ্বি, টাই ফাকে, টাই ৰং, তাংঘুল, টুৰুং, টাংছা, থাড, তিৱা, জেখে আদি বহুকেইটা জনগোষ্ঠীৰ ভাষাক সন্নিবিষ্ট কৰা হৈছে। ইন্টাৰনেট, বিশ্বায়ন আদিৰ যুগত ইংৰাজীকে ধৰি বৃহৎ ভাষাসমূহৰ আগ্ৰাসনৰ ফলত ক্ষুদ্ৰ ক্ষুদ্ৰ

জনগোষ্ঠীসমূহে ব্যৱহাৰ কৰি অহা ভাষাসমূহে নিতৌ এইদৰে অপমৃত্যুৰ কৱলত পৰিবলগীয়া হৈছে। কাৰণ শিক্ষা, ব্যৱসায়-বাণিজ্য, চৰকাৰী কাম-কাজ আদি বিভিন্ন ক্ষেত্ৰত ইংৰাজী বা চৰকাৰীভাবে স্বীকৃত ভাষাৰহে প্ৰয়োগ হয়। ক্ষুদ্ৰ জনগোষ্ঠীয় ভাষাসমূহ সংশ্লিষ্ট জনগোষ্ঠীৰ মাজতে সীমিত হৈ থকাৰ ফলত তেনে ভাষাৰ চৰ্চা তথা ব্যৱহাৰৰ সুযোগো সীমাৰদ্ধ হৈ পৰিবলৈ বাধ্য হয় আৰু এটা সময়ত উপযুক্ত চৰ্চাৰ অভাৱ আৰু অৱহেলাৰ ফলত অৱধাৰিতভাবেই সংশ্লিষ্ট ভাষাটো মৃত্যুৰ মুখত পৰিবলগীয়া হয়। অন্যহাতে ভাৰতবৰ্ষত বৃহৎ সংখ্যক ভাষা ব্যৱহাৰকাৰীৰ সংখ্যা আছে যদিও ইয়াৰে ৩০ শতাংশই হৈছে কথিত ৰূপত কথা ভাষা। ফলত কথিত ৰূপত ব্যৱহাৰ কৰা জনসংখ্যা হ্ৰাস পোৱা মানেই ভাষাটোৱে অৱধাৰিতভাৱেই মৃত্যুমুখলৈ গতি কৰা।

ভাষাৰ অপমৃত্যুৰ ক্ৰমবৰ্দ্ধমান সংখ্যা বৃদ্ধিয়েই সমাজ বিজ্ঞানী তথা ভাষাতত্ত্ববিদসকলৰ লগতে বিদ্বৎ সমাজ তথা সচেতন ব্যক্তিকো উদ্বিগ্ন কৰি তুলিছে। মৃত্যুপ্ৰায় ভাষা আৰু ইতিমধ্যে মৃত্যুমুখত পৰা ভাষাসমূহৰ গৱেষণা, চৰ্চা আৰু সংৰক্ষণৰ বাবে চৰকাৰী আৰু বেচৰকাৰী উভয় খণ্ডৰ উপৰি একাংশ ব্যক্তিগতভাৱে আগ্ৰহী অপেছাদাৰী গৱেষকো আগবাঢ়ি আহিছে।

'People's Linguistic Survey of India" ৰ গণেশ দেভীয়ে 'ৰয়টাৰ্ছ' নামৰ বিখ্যাত সংবাদ প্ৰতিষ্ঠানটোৰ সৈতে হোৱা এক সাক্ষাৎকাৰত ভাষাৰ সংৰক্ষণৰ সন্দৰ্ভত কৈছিল, "Languages can not be preserved by making dictionaries or grammars. Language live if people who speak the languages continue to live." অস্তিত্বৰ সংকটৰ সন্মুখীন হোৱা অথবা ইতিমধ্যে মৃত্যুমুখত পৰা ভাষাসমূহৰ উদ্ধাৰ তথা সংৰক্ষণ আৰু জীয়াই ৰখাৰ বাবে সজাতা সৃষ্টি আৰু ব্যৱহাৰকাৰীৰ সংখ্যা বৃদ্ধি কৰাৰ বাবে বিকল্প নাই। বিভিন্ন চৰকাৰী তথা বেচৰকাৰী খণ্ডৰ উদ্যোগত এনে প্ৰচেষ্টা ইন্টাৰনেটকে আদি কৰি অত্যাধুনিক প্ৰযুক্তিতো ব্যৱহাৰ কৰা হৈছে। এনে অৱলুপ্ত প্ৰায় বা অৱলুপ্ত হোৱা ভাষাসমূহৰ সংৰক্ষণ তথা চৰ্চাৰ ক্ষেত্ৰত সজাগতা অনাৰ লগতে আগ্ৰহীসকলকো এই প্ৰক্ৰিয়াত জড়িত কৰি লোৱাৰ বাবে Openspeaks.com নামৰ মঞ্চখনে নিৰলসভাৱে চেষ্টা চলাই আহিছে। উৰিষ্যাৰ বালেশ্বৰৰ যুৱক তথা বৰ্তমান বাংগালুৰুৰ বাসিন্দা দেৱাশিসে পাণিগ্ৰাহী নামৰ যুৱকগৰাকীৰ উদ্যোগত গঠন হোৱা এই প্ৰকল্পটোৱে দেশৰ বিভিন্ন প্ৰান্তত অৱলুপ্তপ্ৰায় অথবা ইতিমধ্যে মৃত্যুমুখত পৰা ভাষাসমূহৰ বিষয়ে অধ্যয়ন কৰাৰ লগতে তেনে ভাষা ব্যৱহাৰকাৰীৰ হতুৱাই শ্ৰাব্য আৰু দৃশ্যমান দুয়োটা পদ্ধতিৰে ডিজিটেলাইজড সংৰক্ষণ ব্যৱস্থা হাতত লৈছে।

বৰ্তমানৰ ইন্টাৰনেটৰ যুগত বিভিন্ন ক্ষেত্ৰৰ অপেছাদাৰী গৱেষক তথা ইন্টাৰনেট ব্যৱহাৰকাৰী সকলৰ মাজত Open Source Software হৈছে এনে এক মাধ্যম, যি সম্প্ৰতি অপেছাদাৰী গৱেষণাৰ ধাৰণাটোকেই সলনি কৰি পেলাইছে। বিশ্বৰ যিকোনো প্ৰান্তৰ এগৰাকী গৱেষকে এনে Open Source Software ব্যৱহাৰ কৰা প্ৰকল্প বা অনুষ্ঠানৰ পৰা সম্পূৰ্ণ বিনামূলীয়াকৈ নিজৰ গৱেষণা প্ৰয়োজনীয় তথ্য, সমল আদি সংগ্ৰহ কৰি ল'ব পাৰে। ফলত বহু গুৰুত্বপূৰ্ণ প্ৰকল্প বা গৱেষণাৰ জয়ো তেনেই সীমিত হৈ পৰিছে। Openspeaks.con নামৰ প্ৰকল্পটোও এই ধাৰণাতেই স্থাপন কৰা হৈছে যাতে প্ৰকল্পটোৰ মাধ্যমেৰে থলুৱা ভাষা ব্যৱহাৰ কৰা ব্যৱহাৰকাৰী এগৰাকীয়ে সংশ্লিষ্ট ভাষাৰ বিষয়ে তথ্য সংযোজন কৰাৰ উপৰি আনৰ সৈতেও অতি সহজে তথ্য আৰু সমলৰ আদান-প্ৰদান কৰিব পাৰে। Openspeaksৰ প্ৰাথমিক উদ্দেশ্য হৈছে বিলুপ্তিৰ পথত থকা, অস্তিত্বৰ সংকটত পৰা থলুৱা আৰু আন কাৰণত সীমিত হৈ পৰিবলৈ বাধ্য হোৱা ভাষাসমূহৰ গৱেষণাৰ বাবে সমল সৃষ্টি কৰা। Openspeaksয়ে আগ্ৰহীসকলৰ মাজত মুক্ত উৎস মুক্ত শৈক্ষিক সমল, মুক্ত তথ্য আদি বিভিন্ন ডিজিটেল ব্যৱস্থাৰ বিষয়ে সজাগ কৰা তথা প্ৰয়োজনীয় সহায় আগবঢ়োৱাৰ বাবে প্ৰয়াস কৰি আহিছে যাতে তেওঁলোকে নিজৰ ভাষাটোক ডিজিটেলি সংৰক্ষণ কৰাৰ বাবে নিজেই উদ্যোগ গ্ৰহণ কৰিব পাৰে।

উল্লেখযোগ্য যে Openspeaks.com এ ইউনেস্ক'ৰ বিশ্বৰ অস্তিত্বৰ সংকটত পৰা ভাষাসমূহৰ তালিকাত স্থান দিয়া অসমৰ কাৰ্বি ভাষাকো ইতিমধ্যে প্ৰকল্পটোত সন্নিবিষ্ট কৰিছে। এইক্ষেত্ৰত Openspeaksক সহযোগ কৰিছে কাৰ্বি ভাষা সংস্কৃতিৰ বিশিষ্ট গৱেষক ধৰমছিং টেৰনে।

অৱলুপ্ত প্ৰায়, ভাষা নহ'লেও অসমীয়া ভাষাৰ এক সুকীয়া মৰ্যাদা আছে, কিন্তু এয়া মাত্ৰ বৰ্তমানৰ ক্ষেত্ৰতহে। বহু বছৰ আগতে, ইও প্ৰায় লুপ্ত হোৱাৰ পথতেই আছিল। অসমৰ স্কুল-কাছাৰীত বঙলা ভাষা চলোৱাৰ নিয়ম জাৰি কৰা হয় ১৮৩১ চনত, যদিও ইং ১৮৩৬ চন মানত আৰু ১৮৭২ চনলৈকে অসমত এই নিয়ম চলি থাকে। অসমত অসমীয়াৰ সলনি বঙালী ভাষা চলাবলৈ ইংৰাজসকলে যেতিয়া সিদ্ধান্ত লয়, তেতিয়া আচৰিত যেন লাগিলেও সঁচা- কোনো অসমীয়াই ইয়াৰ বিৰোধিতা কৰা নাছিল। এনেকুৱাই আছিল সেই সময়ৰ অসমৰ ভাষিক দুৰাৱস্থা। মনিৰাম দেৱান, হলিৰাম ঢেকিয়াল ফুকন, যজ্ঞৰাম খাৰঘৰীয়া ফুকন, কাশীনাথ তামুলী ফুকন, হৰকান্ত সদৰামীন প্ৰমুখ্যে সেই কালত অসমৰ যিসকল সমাজপতি

## 'অসমীয়া ল'ৰাক অসমীয়া শিকোৱাৰ আগতে বঙালী শিকোৱাটো বুৰ্বক ইংৰাজ ছাত্ৰ এজনক ইংৰাজী নিশিকোৱাকৈয়ে ফৰাচী ভাষা শিকোৱাৰ নিচিনা কথা।'

আছিল, তেওঁলোক অসমীয়া ভাষাৰ স্বকীয় মৰ্যাদা সম্পৰ্কে সচেতনতো নাছিলেই, বৰং তেওঁলোকৰ কোনো কোনো আছিল বঙলা ভাষাৰ প্ৰতিহে আগ্ৰহী।

অসমৰ অসমীয়াৰ সলনি বঙলা ভাষা প্ৰচলনৰ মূলতঃ বঙালী আমোলা নাছিল, আছিল ইংৰাজ শাসকহে। তদুপৰি, অসমীয়া ভাষাৰ প্ৰতি মিছনেৰীসকলৰ প্ৰেম আছিল নিভাঁজ। তথাপি সামূহিকভাৱে অসমীয়া ভাষাৰ সপক্ষে তেওঁলোকৰ বিশুদ্ধ অসম প্ৰীতিৰ পৰিণাম বুলি ভাবিলে ভুল হ'ব। তেওঁলোকৰ এনে কাৰ্যত অসমত খৃষ্টান ধৰ্ম প্ৰচাৰৰ আকাংক্ষাৰ যথেষ্ট অৰিহণা আছিল। মিছনেৰীসকলে বুজি উঠিছিল যে থলুৱা ভাষা ব্যৱহাৰ অবিহনে তেওঁলোকৰ উদ্দেশ্য পূৰণ হোৱাৰ আশা ক্ষীণ। অসমত অসমীয়া ভাষা ব্যৱহাৰ আৰু প্ৰচাৰৰ চেষ্টাত তেওঁলাকৰ এই উপলব্ধিয়ে তেনেই ক্ৰিয়া কৰা নাছিল। ১৮৩৮ চনত নাথান ব্ৰাউনে স্পষ্টকৈ কৈছিল "That in preaching we must use of the vulgar tongue, as at present spoken, for at last several generation, is quite clear, a Bengali preacher would be perfectly unintelligible to the common people.

উদ্দেশ্য যিয়েই নহওঁক কিয়, আধুনিক অসমীয়া ভাষাৰ গঠন আৰু বিকাশত মিছনেৰীসকলৰ যি অৱদান, তাক প্ৰতিজন অসমীয়াই নিশ্চয় শ্ৰদ্ধাৰে সৈতে সুঁৱৰিব লাগিব, কাৰণ "এওঁলোকেই অসমীয়া ব্যাকৰণ অভিধান, পঢ়াশলীয়া পুথি, জ্ঞান বিজ্ঞানৰ পুথি লিখি আৰু প্ৰকাশ কৰি আলোচনী তথা খবৰ কাগজৰ উৎকৃষ্ট নিদৰ্শন 'অৰুণোদয়' সাতত্ৰিশ বছৰ কাল চলাই, পঢ়া-শালি আদালতত অসমীয়া ভাষাৰ হেৰোৱা ঠাইৰ পুনৰুদ্ধাৰৰ যুদ্ধত প্ৰথম আৰু শক্তিশালী যুঁজাৰু হৈ, অসমীয়া লোকক নতুন অসমীয়া ভাষাত কলম ধৰাই, অসমীয়া শব্দাৱলীত ইংৰাজী সম্ভাৰ আৰু বাক্যৰীতিত ইয়াৰ প্ৰভাৱ সুমুৱাই অসমীয়া ভাষাক মৃত সঞ্জীৱনীৰে নতুন জীৱন দিলে, আধুনিক সাহিত্য সৃষ্টিৰ বাবে অসমীয়া ভাষাৰ পথাৰত প্ৰথম নাঙল চোঁচোৱালে আৰু আটাইতকৈ ডাঙৰ, অসমীয়া মানুহক আত্ম প্ৰত্যয় শিকালে।"

সেইবুলি অসমত বঙলা ভাষা প্ৰচলন হোৱাৰ লগে লগেই তেওঁলোকে ইয়াৰ বিৰুদ্ধে এটা সংগঠিত আন্দোলন গঢ়ি তুলিছিল বুলি ভাবিলে ভুল কৰা হ'ব। নিঃসন্দেহে, অসমত বঙালী ভাষাৰ প্ৰচলন মিছনেৰীসকলে ভাল পোৱা নাছিল, চৰকাৰৰ এনে সৰ্বনশীয়া নীতিয়ে অসমীয়া ভাষাটো একালত পৃথিৱীৰ পৰা নিশ্চিহ্ন কৰি পেলাব বুলি তেওঁলোকে বৰং সন্দেহ প্ৰকাশ কৰিছিল। কিন্তু আৰম্ভণি অৱস্থাত তেওঁলোকে চৰকাৰী নীতিৰ বিৰুদ্ধে যুঁজ কৰাৰ কথা চিন্তা কৰা নাছিল। তেওঁলোকৰ চিন্তা হৈছিল এনে নীতি প্ৰৱৰ্তনৰ পিছত অসমীয়া ভাষা চৰ্চা কৰাটো বা তেওঁলোকে পতা স্কুল বিলাকত এই ভাষা শিকোৱাটো যুক্তিযুক্ত হ'বনে নহয়, তাৰ ঠিৰাং কৰাটো।

সি যিয়েই কি নহওক, অসমৰ পৰিস্থিতিৰ ভুল ল'বলৈ বঙ্গদেশৰ দুৱলীয়া লাটৰ নিৰ্দেশত ১৮৫৩ চনত কলিকতাৰ সদৰ দেৱানী আদালতৰ বিচাৰক এ.জে.মোফট মিলচ অসমলৈ আহে। অন্যান্য অনুসন্ধানৰ উপৰিও তেওঁ শিৱসাগৰ চহৰলৈ আহি আনন্দৰাম আৰু ব্ৰাউন প্ৰমুখ্যে মিছনেৰীসকলৰ লগত অসমৰ ভাষা নীতি সম্পৰ্কে আলোচনা কৰে।

অসমৰ ব্যাপ্টিষ্ট মিছনৰ হৈ মিছনৰ কনিষ্ঠ সদস্য এ.এইচ. ডেনফোৰ্থেও মিলচক এখন প্ৰতিবেদন দিছিল। অসমীয়া ভাষাৰ সপক্ষে যুক্তি দেখুৱাই তেওঁ তাত লিখিছিল।

'অসমীয়া ল'ৰাক অসমীয়া শিকোৱাৰ আগতে বঙালী শিকোৱাটো বুৰ্বক ইংৰাজ ছাত্ৰ এজনক ইংৰাজী নিশিকোৱাকৈয়ে ফৰাচী ভাষা শিকোৱাৰ নিচিনা কথা।'

এনেদৰেই আমি আমাৰ লুপ্ত হৈ যাব খোজা অসমীয়া ভাষা অতীত আৰু বৰ্তমান সময়ত মৃত্যুৰ দুৱাৰডলিত থিয় হৈ থকা নানান ভাষাসমূহৰ বিষয়ে আলোচনা কৰিব পাৰে। ভাষাৰ অতীত তথা বৰ্তমানৰ বিষয়ে বিশ্লেষণাত্মকভাৱে অতি কম পৰিসৰত দাঙি ধৰাটো কোনোপধ্যেই সম্ভৱ নহয়। তথাপি সীমিত পৰিসৰৰ জ্ঞানেৰে ইয়াক তুলি ধৰিবলৈ প্ৰয়াস কৰিছো। কিবা ভুল ভ্ৰান্তি হ'লে যেন ক্ষমা কৰি দিয়ে।

*(আলোচনী সম্পাদকৰ সৌজন্যত অনুষ্ঠিত প্ৰবন্ধ প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ প্ৰবন্ধ)*

'আহোমসকলে অসমীয়া ভাষাক মাতৃ ভাষাৰূপে গ্ৰহণ কৰাৰ পিছত উজনিৰ ভাষাৰূপত স্বাভাৱিকতেই এটা প্ৰভাৱ পৰিছিল।'[৩] বহল অৰ্থত ক'বলৈ হ'লে, বৃটিছসকল অসমলৈ অহাৰ আগতে শিক্ষাৰ কেন্দ্ৰস্থল আছিল নামনি অসম। উজনি অসমৰ মানুহৰ মাজত একপ্ৰকাৰ সমৰূপতা ৰক্ষিত হৈছে। ভাষা আৰু উপভাষাৰ সৃষ্টিৰ মূল কাৰণ হ'ল- সংস্কৃতিক কেন্দ্ৰৰ সাল-সলনি, কোনো ভাষা নিজৰ গুণ বা দোষ অশুদ্ধতা নহয়।

# অসমীয়া ভাষাৰ উপভাষা

- অনিন্দিতা শৰ্মা
স্নাতক তৃতীয় ষাণ্মাসিক
অসমীয়া বিভাগ

'অসমীয়া' শব্দটোৰ দ্বাৰা অসমীয়া ভাষা আৰু অসমীয়া জাতি দুয়োটাকে বুজায়। ষোড়শ শতিকাৰ কবি সূৰ্যখড়ি দৈৱজ্ঞই 'দৰংৰাজ বংশাৱলী'ত 'অচম' শব্দটো আহোম অৰ্থতে ব্যৱহাৰ থকা বুলি উল্লেখ পোৱা যায়। অসম বুৰঞ্জীতো (১৬৮১-৯৫) 'অচম' শব্দৰ প্ৰয়োগ আহোম জাতি অৰ্থত পোৱা যায় বুলি উল্লেখ আছে। অসমীয়া ভাষাটো মাগধীয় ৰূপৰ পৰা ৰূপান্তৰিত হৈ আহি পশ্চিম পিনেদি অসমত সোমায় আৰু অসম অঞ্চলতে অসমীয়া ভাষাৰূপে এক সুকীয়া স্থান ধাৰণ কৰে।

কোনো এটা ভাষা বিস্তৃত অঞ্চলত বিয়পি পৰাৰ পিছত ভৌগোলিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক কাৰণত, সেই ভাষা সম্প্ৰদায়ৰ এটা অঞ্চলৰ লগত আন এটা অঞ্চল বা সহজ-সৰল আৰু সমল মিলামিছা হৈ নাথাকিলে, সময়ত গৈ একেটা ভাষাৰে কিছুমান ক্ষেত্ৰীয় ৰূপ লৈ উঠা ভাষাকে, সেই ভাষাটোৰ উপভাষা বোলা হয়। উপভাষা এটা সৃষ্টিৰ মূল কাৰণ হৈছে মানুহৰ সঘন যোগাযোগৰ অভাৱ। ১৯২৮ চনত আহোমসকলে অসমৰ পূৱ অঞ্চল অধিকাৰ কৰি শিৱসাগৰ জিলাত আহি ৰাজধানী স্থাপন কৰে। লাহে লাহে সময় বাগৰি যোৱাৰ লগে লগে আহোমসকলৰ ৰাজ্য বাঢ়ি গৈ কামৰূপ সীমা পায়হি। সেইবাবে উজনি অসমখন এক শাসনৰ অধীন হয় আৰু সেই অঞ্চলৰ ভাষাটোৱে এটা বিশেষ গঢ় লয়। নামনি অসমখন কিন্তু ১৬৮২ চনলৈকে ৰাজনৈতিক, ফালৰ পৰা সম্পূৰ্ণ বেলেগভাৱে আছিল। উজনি আৰু নামনি অঞ্চলৰ ভিতৰত বিভিন্ন অসুবিধা, যেনে- যাতায়তৰ অসুবিধা, ধাৰ্মিক উৎসৱ পৰ্ব, ডাঙৰ মেলা আদি কাৰণত দুয়োটা অঞ্চলৰ সমানভাৱে মিলামিছা হ'ব পৰা নাছিল।

উপভাষাক বিভিন্নজন পণ্ডিতে বিভিন্ন ধৰণে ভাগ কৰিছে। এই বিষয়ে ভাগ কৰা কেইজনমান পণ্ডিতৰ মন্তব্য তলত উল্লেখ কৰা হ'ল—

(ক) ড° বাণীকান্ত কাকতিদেৱে উপভাষাক দুটা ভাগত ভাগ কৰিছে। সেই ভাগ দুটা হ'ল— (১) পূব অসমৰ উপভাষা, (২) পশ্চিম অসমৰ উপভাষা

(খ) গোলক চন্দ্ৰ গোস্বামীদেৱে উপভাষাক দুটা ভাগত ভাগ কৰিছে। সেইভাগ দুটা হ'ল— (১) উজনি অসমৰ উপভাষা, (২) নামনি অসমৰ উপভাষা

(গ) উপেন্দ্ৰ নাথ গোস্বামীদেৱে উপভাষাক তিনিটা ভাগত ভাগ কৰিছে। সেই তিনিটা ভাগ হ'ল— (১) পূব অসম বা উজনি অসমৰ উপভাষা, (২) মধ্য অসমৰ উপভাষা, (৩) পশ্চিম অসম বা নামনি অসমৰ উপভাষা 'অসমীয়া ভাষাৰ উপভাষা ঘাইকৈ তিনিটা- উজনি, কামৰূপী আৰু গোৱালপৰীয়া।'[১]

ওপৰত উল্লেখ কৰা পণ্ডিতসকলৰ ভিতৰত 'উপেন্দ্ৰ নাথ গোস্বামী'ৰ মন্তব্য মানি লোৱা হৈছে। তলত এই বিষয়ে আলোচনা কৰা হ'ল।

'পূবৰ পিনৰ মান্য ভাষা আৰু একেবাৰে পশ্চিমৰ পিনৰ গোৱালপাৰাৰ উপভাষাৰ মাজত আছে কামৰূপৰ উপভাষা।'[২] কামৰূপ উপভাষাটোক অসমীয়া ভাষাৰ এটা প্ৰধান উপভাষা হিচাপে গণ্য কৰা যায়। পূব বা উজনি অঞ্চলৰ উপভাষাটোই ইয়াত যথেষ্ট পাৰ্থক্যৰ প্ৰভাৱ পৰা দেখা যায়। পলাশবাৰী বা ছয়গাঁৱৰ ভাষা ৰূপৰ সৈতে নলবাৰীৰে ভাষাৰ পাৰ্থক্য বুজিব পৰা যায়, কিন্তু নলবাৰীৰ সৈতে পূৱ নলবাৰী আৰু পশ্চিম নলবাৰীৰ মাজতে ভাষাৰ পাৰ্থক্য দেখা যায়। বজালীৰ সৈতে বৰপেটীয়া নিমিলে। কামৰূপী উপভাষাত স্বৰধ্বনি সাতটা আৰু বিশিষ্ট ব্যঞ্জনধ্বনি একৈশটা। তলত এই বিষয়ে আলোচনা কৰা হ'ল—

১) আদি অক্ষৰৰ প্ৰৱল শ্বাসাঘাতৰ বাবে নলবাৰী বা বৰপেটাৰ শব্দত পৰৱৰ্তী স্বৰধ্বনি লোপ পায়, ছয়গাঁৱত নাপায়। 'অ' থাকিলে এ-বা ও হয়। উদাহৰণস্বৰূপে

| **মান্য অসমীয়া** | **ছয়গাঁও** | **নলবাৰী** | **বৰপেটা** |
|---|---|---|---|
| চালনি | চাৰেলি | চাঙলি | চাল্ঙি |
| ভঁৰাল | ভাখেৰি | ভাখৰি | ভাক্ৰি |

২) মান্য অসমীয়া, নলবাৰীয়া আৰু বৰপেটীয়াৰ লগত ছয়গাঁৱৰ যুক্ত ধ্বনিৰো পাৰ্থক্য আছে। যেনে- ন্ধ- নহ

| **মান্য অসমীয়া** | **ছয়গাঁও** | **নলবাৰী** | **বৰপেটা** |
|---|---|---|---|
| সান্দহ | সান্হ | সান্দা | সান্দা |
| কন্দা | কানা | কান্দা | কান্দ |

৩) বৰপেটা, নলবাৰী, ছয়গাঁওত ৰূপতত্বৰ পাৰ্থক্য দেখা যায়। যেনে—

| **বৰপেটা** | **নলবাৰী** | **ছয়গাঁও** |
|---|---|---|
| গিলা | ওগ্লা | গিলা |
| মাখা | মেখা | মাখান |

মান্য অসমীয়া আৰু কামৰূপী উপভাষাৰ মাজতেও বহুতো পাৰ্থক্য পৰিলক্ষিত হয়। তাৰে কেইটামান তলত উল্লেখ কৰা হ'ল-

১) মান্য অসমীয়া 'অ' হয় কিন্তু কামৰূপী উপভাষাত দুটা ওচৰা-ওচৰিকৈ ধ্বনি 'আ' হয়। যেনে—

| **মান্য অসমীয়া** | **কামৰূপী উপভাষা** |
|---|---|
| ককাঁল | কাকাল |
| এন্ধাৰ | আন্ধাৰ |

২) লিংগ নিৰপেক্ষ ৰূপবোৰৰ ক্ষেত্ৰতো মান্য অসমীয়া আৰু কামৰূপী উপভাষাৰ মাজত পাৰ্থক্য দেখা যায়। যেনে—

| **মান্য অসমীয়া** | **কামৰূপী উপভাষা** |
|---|---|
| ল'ৰা, ছোৱালী | আপা,আপী |
| মা- দেউতা | মাই, পিতে |

বৰ্তমান অসমৰ মান্য ভাষা শিৱসাগৰ অঞ্চলৰ কথিত ৰূপৰ ওপৰত গঢ় লৈ উঠা। 'আহোমসকলে অসমীয়া ভাষাক মাতৃ ভাষাৰূপে গ্ৰহণ কৰাৰ পিছত উজনিৰ ভাষাৰূপত স্বাভাৱিকতেই এটা প্ৰভাৱ পৰিছিল।'[৩] বহল অৰ্থত ক'বলৈ হ'লে, বৃটিছসকল অসমলৈ অহাৰ আগতে শিক্ষাৰ কেন্দ্ৰস্থল আছিল নামনি অসম। উজনি অসমৰ মানুহৰ মাজত একপ্ৰকাৰ সমৰূপতা ৰক্ষিত হৈছে। ভাষা আৰু উপভাষাৰ সৃষ্টিৰ মূল কাৰণ হ'ল- সংস্কৃতিক কেন্দ্ৰৰ সাল-সলনি, কোনো ভাষা নিজৰ গুণ বা দোষ অশুদ্ধতা নহয়। গোৱালপৰীয়া উপভাষাত বিশিষ্ট স্বৰধ্বনি সাতটা আৰু ব্যঞ্জনধ্বনি ২৯ টা। কেতিয়াবা কেতিয়াবা মান্য ভাষাৰ ওপৰতো উপভাষাৰ ভাষিক বৈশিষ্ট্যৰ প্ৰভাৱ পৰিলক্ষিত হোৱা দেখা যায়।

**পাদটীকা ঃ**

১। ৰমেশ পাঠক ঃ অসমীয়া ভাষাৰ ইতিহাস, নৱম প্ৰকাশ-আগষ্ট, ২০১৫, প্ৰকাশক ঃ অশোক বুক ষ্টল, পাণবজাৰ, গুৱাহাটী, পৃষ্ঠা-১৩১

২। উপেন্দ্ৰ নাথ গোস্বামী ঃ অসমীয়া ভাষাৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশ, সপ্তম প্ৰকাশ ঃ ২০১৭, শ্ৰীঅনুপম দত্ত, মণি মাণিক প্ৰকাশ, গুৱাহাটী, পৃষ্ঠা-৮৯

৩। ৰমেশ পাঠক ঃ উল্লিখিত গ্ৰন্থ, পৃষ্ঠা-১৩৩

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য (সাতসৰী, কলং আজিও বয়), সৌৰভ কুমাৰ চলিহা (অশান্ত ইলেক্ট্ৰন, গোলাম), হোমেন বৰগোঁহাঞি (বিভিন্ন নৰক, বিষাদ), মহিম বৰা (কাঠনিবাৰীৰ ঘাট, ৰাতিফুলা ফুল), ভবেন্দ্ৰ নাথ শইকীয়া (সেন্দূৰ, শৃংখল, প্ৰহৰী, এই বন্দৰৰ আবেলি), চন্দ্ৰপ্ৰসাদ শইকীয়া (অংগীকাৰ, নাচপতি ফুল), লক্ষ্মীনন্দন বৰা (অচিন কন্যা) আদিৰ গল্পই অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছে।

# অসমীয়া সাহিত্যত আধুনিকতা

- **প্ৰণৱ শৰ্মা**
স্নাতক পঞ্চম ষাণ্মাসিক
প্ৰাণীবিজ্ঞান বিভাগ

অসমীয়া ভাষাৰ এক সুদীৰ্ঘ ইতিহাস আছে। অসমীয়া ভাষা মূলতঃ সংস্কৃত ভাষাৰ পৰা উদ্ভূত হোৱা বুলি ভাষাবিদসকলে কয়। অষ্টম-দ্বাদশ শতিকাৰ বৌদ্ধ ধৰ্মীয় সাহিত্যৰ চৰ্যাপদসমূহক অসমীয়া ভাষাৰ প্ৰথম লিখিত নিদৰ্শন হিচাপে ধৰা হয়। (সেই চৰ্যাপদৰ দিনৰে পৰা বহুকেইটা যুগ অতিক্ৰম কৰি আহি অসমীয়া সাহিত্যই আজিৰ ৰূপ পাইছে। ইয়াৰ পিছত অসমীয়া সাহিত্যলৈ আহে প্ৰাক শংকৰী যুগ। এই যুগৰ সাহিত্যসমূহ বিশেষকৈ ৰাজ উদ্যোগত ৰচিত হৈছিল। ইয়াৰ পিছতে আহিল শংকৰী যুগ। এই যুগত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ লগতে মহাপুৰুষ মাধৱদেৱ, অনন্ত কন্দলী, ৰাম সৰস্বতীৰ অৱদান উল্লেখযোগ্য। ইয়াৰ পিছত অৰুণোদয় যুগ, জোনাকী যুগ আদিকে ধৰি বিভিন্ন স্তৰ অতিক্ৰমি অসমীয়া সাহিত্যই আজিৰ ৰূপ পাইছে।

অসমীয়া সাহিত্যত আধুনিকতাৰ পৰশ পৰিবলৈ আৰম্ভ হয় বিশেষকৈ দ্বিতীয় বিশ্বযুদ্ধৰ পিছত। দ্বিতীয় বিশ্বযুদ্ধৰ ঠিক পিছতেই ভাৰতবৰ্ষ দ্বিখণ্ডিত হৈ স্বাধীন হয়। সেই সময়ছোৱাত অসম তথা ভাৰতবৰ্ষত ব্যাপকভাৱে সামাজিক তথা ৰাজনৈতিক পৰিৱৰ্তন হয় আৰু ইয়ে সাহিত্যৰ ক্ষেত্ৰখনক দ'কৈ চুই যায়। অসমৰ লেখকসকলকো এই পৰিৱৰ্তনে গভীৰভাৱে স্পৰ্শ কৰে। এই সময়ছোৱাত নতুন লেখকসকলৰ মাজত এক সমাজবাদী ধাৰণাৰ প্ৰৱেশ ঘটে। ভৱানন্দ দত্ত, অমূল্য বৰুৱাৰ দৰে কবিসকলে এনেকুৱা লিখনিৰ প্ৰাৰম্ভণি ঘটায়।

বিংশ শতিকাৰ পঞ্চমটো দশকৰ পৰা অসমৰ কবিসকলে বিশেষকৈ হেম বৰুৱা, ভৱানন্দ দত্ত, অজিত বৰুৱা, অমূল্য বৰুৱা আদি কবিয়ে মুক্তক ছন্দত কবিতা লিখিবলৈ আৰম্ভ কৰে।

ভৱানন্দ দত্ত, অমূল্য বৰুৱা প্ৰমুখ্যে প্ৰগতিশীল কবিসকলৰ কবিতাত শোষিত আৰু বঞ্চিত শ্ৰেণীৰ লোকৰ প্ৰতিবাদৰ সুৰ ধ্বনিত হৈছে। ইয়াৰোপৰি, জাপানী কবিতা হাইকুৰ প্ৰভাৱ অসমীয়া কবি নৰকান্ত বৰুৱা, নিৰ্মলপ্ৰভা বৰদলৈ, হীৰেণ ভট্টাচাৰ্যৰ ওপৰত পৰা পৰিলক্ষিত হয়। অসমীয়া কবিতাত পৰা পাশ্চাত্যৰ প্ৰভাৱে অসমীয়া ভাষাৰ কোনো ক্ষতি কৰা নাই, বৰঞ্চ ই অসমীয়া সাহিত্যক চহকীহে কৰিছে।

আধুনিক যুগৰ কেইগৰাকীমান উল্লেখযোগ্য কবি হ'ল- নৰকান্ত বৰুৱা (হে অৰণ্য হে মহানগৰ, এটি দুটি এঘাৰটি তৰা), হেম বৰুৱা (বালিচন্দা, মনময়ুৰী), হীৰেণ ভট্টাচাৰ্য্য (ৰৌদ্ৰ কামনা, সুগন্ধি পখিলা) কেশৱ মহন্ত (আমাৰ পৃথিৱী), নিৰ্মলপ্ৰভা বৰদলৈ (বন ফৰিঙৰ ৰং, দিনৰ পাছত দিন, অন্তৰংগ), ভবেন বৰুৱা (সোণালী জাহাজ), হৰেকৃষ্ণ ডেকা (ৰাতিৰ শোভাযাত্ৰা, আন এজন), মহেশ্বৰ নেওগ (মুছাফিৰ খানা, দীপশিখা), নীলমণি ফুকন (সূৰ্য হেনো নামি আহে এই নদীয়েদি, গোলাপী জামুৰ লগ্ন) ইত্যাদি। ৬০ৰ দশকৰ পিছৰ হেমাংগ বিশ্বাস, অৰূনী চক্ৰৱৰ্ত্তী, সমীৰ তাঁতী, নীলিম কুমাৰ, প্ৰণৱ কুমাৰ বৰ্মন আদিৰ কবিতা উল্লেখযোগ্য।

আধুনিক অসমীয়া সাহিত্যৰ চুটি গল্পৰ উত্থানৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল 'আৱাহন' কাকতে। আৱাহনৰ পাতত বহুত সাহিত্যিকে নিজৰ সাহিত্যিক জীৱনৰ পাতনি মেলিছিল। 'আৱাহন'ৰ উপৰিও 'পছোৱা' আৰু 'ৰামধেনু' আলোচনীৰ জৰিয়তে অসমীয়া গল্পই প্ৰসিদ্ধি লাভ কৰে। অসমীয়া চুটি গল্পৰ সম্ৰাট চৈয়দ আব্দুল মালিকৰ গল্পসমূহ অসমীয়া সাহিত্যৰ এক গুৰুত্বপূৰ্ণ সম্পদ। তেখেতৰ পৰশমনি, ৰঙা গড়া, মৰহা পাপৰি আদি উল্লেখযোগ্য গল্প সংকলন। ইয়াৰোপৰি বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য (সাতসৰী, কলং আজিও বয়), সৌৰভ কুমাৰ চলিহা (অশান্ত ইলেক্ট্ৰন, গোলাম), হোমেন বৰগোঁহাঞি (বিভিন্ন নৰক, বিষাদ), মহিম বৰা (কাঠনিবাৰীৰ ঘাট, ৰাতিফুলা ফুল), ভৱেন্দ্ৰ নাথ শইকীয়া (সেন্দূৰ, শৃংখল, প্ৰহৰী, এই বন্দৰৰ আবেলি), চন্দ্ৰপ্ৰসাদ শইকীয়া (অংগীকাৰ, নাচপতি ফুল), লক্ষ্মীনন্দন বৰা (অচিন কন্যা) আদিৰ গল্পই অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছে। এওঁলোকৰ বাহিৰেও, নগেন শইকীয়া, ইমৰাণ শ্বাহ, অৰুণ গোস্বামী, অনুৰাধা শৰ্মা পূজাৰী, শীলভদ্ৰ, মনালিছা শইকীয়া, ইত্যাদি লেখকৰ গল্প বিশেষভাৱে উল্লেখনীয়।

সাহিত্যৰ এটি বিস্তৃত ভাগ হৈছে উপন্যাস। অসমীয়া সাহিত্যত প্ৰথম উপন্যাস লিখিছিল পদ্মনাথ গোহঞি বৰুৱাই। পিছলৈ বহুকেইজন সাহিত্যিকে এই ধাৰাক আগুৱাই নি বৰ্ত্তমান স্থানত উপনীত কৰোৱাইছে। বিংশ শতিকাৰ চতুৰ্থ দশকতে বিৰিঞ্চি কুমাৰ বৰুৱাই বীণা বৰুৱা আৰু ৰাস্না বৰুৱা ছদ্মনামেৰে 'জীৱনৰ বাটত' আৰু 'সেউজী পাতৰ কাহিনী' নামৰ উপন্যাস দুখন লিখি অসমীয়া সাহিত্যৰ জগতখনত এক অভিনৱত্বৰ জোকাৰণি তোলে। ইয়াৰ পিছত বহুতো সাহিত্যিকে এক নতুন ধৰণেৰে উপন্যাস লিখা আৰম্ভ কৰে। তাৰ ভিতৰত হিতেশ ডেকা (আজিৰ মানুহ, নতুন পথ, এয়েতো জীৱন), চৈয়দ আব্দুল মালিক (অঘৰী আত্মাৰ কাহিনী, সুৰুযমুখীৰ স্বপ্ন), যোগেশ দাস (ডাৱৰ আৰু নাই, হেজাৰ ফুল), প্ৰেমনাৰায়ণ দত্ত (প্ৰাণৰ পৰশ, নিয়তিৰ নিৰ্মালী), বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য (মৃত্যুঞ্জয়, ইয়াৰুইংগম, ৰাজপথে ৰিঙিয়ায়) নৰকান্ত বৰুৱা (গৰমা কুঁৱৰী, ককাদেউতাৰ হাঁড়, কপিলীপৰীয়া সাধু), চন্দ্ৰ প্ৰসাদ শইকীয়া (মহাৰথী, উত্তৰ কাল), হোমেন বৰগোহাঞি (অস্তৰাগ, পিতাপুত্ৰ) লক্ষ্মীনন্দন বৰা (গঙা চিলনীৰ পাখি), নিৰুপমা বৰগোহাঞি (সেই নদী নিৰৱধি, অভিযাত্ৰী), শীলভদ্ৰ (মধুপুৰ বহুদূৰ), মামনি ৰয়চম গোস্বামী (মামৰে ধৰা তৰোৱাল, দঁতাল হাতীৰ উয়ে খোৱা হাঁওদা, নীলকণ্ঠী ব্ৰজ, চেনাবৰ সোঁত), ৰীতা চৌধুৰী (দেওলাংখুই, মাকাম) অৰূপা পটংগীয়া কলিতা (ফেলানী, অয়নান্ত), অনুৰাধা শৰ্মা পূজাৰী (জলছবি, হৃদয় এক বিজ্ঞাপন, চাহেবপুৰাৰ বৰষুণ) আদি লেখকৰ সৃষ্টি বিশেষভাৱে উল্লেখনীয়। এইসকল ঔপন্যাসিকৰ উপন্যাসবোৰ নতুনত্বৰে ভৰা আৰু বিষয়বস্তু উপস্থাপন আকৰ্ষণীয়।

...হিতেশ ডেকা (আজিৰ মানুহ, নতুন পথ, এয়েতো জীৱন), চৈয়দ আব্দুল মালিক (অঘৰী আত্মাৰ কাহিনী, সুৰুযমুখীৰ স্বপ্ন), যোগেশ দাস (ডাৱৰ আৰু নাই, হেজাৰ ফুল), প্ৰেমনাৰায়ণ দত্ত (প্ৰাণৰ পৰশ, নিয়তিৰ নিৰ্মালী), বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য (মৃত্যুঞ্জয়, ইয়াৰুইংগম, ৰাজপথে ৰিঙিয়ায়) নৰকান্ত বৰুৱা (গৰমা কুঁৱৰী, ককাদেউতাৰ হাঁড়, কপিলীপৰীয়া সাধু), চন্দ্ৰ প্ৰসাদ শইকীয়া (মহাৰথী, উত্তৰ কাল), হোমেন বৰগোহাঞি (অস্তৰাগ, পিতাপুত্ৰ) লক্ষ্মীনন্দন বৰা (গঙা চিলনীৰ পাখি), নিৰুপমা বৰগোহাঞি (সেই নদী নীৰৱধি, অভিযাত্ৰী), শীলভদ্ৰ (মধুপুৰ বহুদূৰ), মামনি ৰয়চম গোস্বামী (মামৰে ধৰা তৰোৱাল, দঁতাল হাতীৰ উয়ে খোৱা হাওদা, নীলকণ্ঠী ব্ৰজ, চেনাবৰ সোঁত), ৰীতা চৌধুৰী (দেওলাংখুই, মাকাম) অৰূপা পটংগীয়া কলিতা (ফেলানী, অয়নাস্ত), অনুৰাধা শৰ্মা পূজাৰী (জলছবি, হৃদয় এক বিজ্ঞাপন, চাহেবপুৰাৰ বৰষুণ) আদি লেখকৰ সৃষ্টি বিশেষভাৱে উল্লেখনীয়।

The images of nature harboured by Hardy and Wordsworth are starkly contrasting - Wordsworth wants us to be part of the 'sublime sustainer' wholeheartedly without the least protest, and get submerged in it, while Hardy warns us of nature, for the untamable and unpredictable monster in it may confront us at any time and at any place...

# From Ecocide to Traumatic Homicide: Representation of Nature in Mamoni Raisom Goswami's Chenabar Sont

- **Dr. Ratan Deka**
Asstt. Professor, Dept. of English

While presenting human-nature face-off in Chenabar Sont, Mamoni Raisom Goswami has suggestively drawn our attention to two extremes - Wordsworth's Nature as 'sublime sustainer' and Hardy's nature as 'indifferent destroyer', but moved over to highlight the human contribution to the swing from one to the other. This article tries to show how Goswami has pitted not the Victorian's inherently malevolent nature, but the modern 'developed', 'exploited' nature against the Romantic's ideal of peaceful human-nature co-existence. In this attempt Wordsworth and Hardy are taken as two reference points. Her portrayal of traumatised characters caught in the web of nature's fury exposes the demonizing and dehumanizing impacts of the frenzied taming and exploitation of natural resources. While the narrative clustering of chaos, anxiety, starvation, hunger, and death superficially echoes Tennyson and Hardy's idea of nature as 'red in tooth and claw' - fierce and harsh, at a more substantial, deeper level it raises the finger at the self-centered human interventions as the real culprit.

Chenabar Sont, Goswami's first novel, is an eye witness account of the plight of the group of migrant labourers, mostly women, precariously engaged in a project

of bridge construction across Chenab (Chandrabhanga in Sanskrit) river in the Riasi region of Jammu and Kashmir of India by the British Company. The plot brings together narratives of subjugation and oppression endured by labourers and the resulting trauma of displacement while working under the persistent shadow of nature turned hostile by human intervention. Life in Kalahandi before the displacement is life in an ideal Wordswothian nature, in Paradise. What follows is a kind of 'Paradise lost' with poverty, disease, displacement and death. Goswami seems to suggest that 'growth,' 'development' through human intervention, based on machines and ruthless exploitation of nature, are mere self-goals. The text thus, justifies a deep sanctity of relationship between man and nature, violation of which leads to trauma and fall. In short, 'development' as an agenda of enlightenment project has been pushed too far by man, the Anthropocene. These issues are suggested by Goswami only as artistic moorings not propaganda or activism.

The images of nature harboured by Hardy and Wordsworth are starkly contrasting - Wordsworth wants us to be part of the 'sublime sustainer' wholeheartedly without the least protest, and get submerged in it, while Hardy warns us of nature, for the untamable and unpredictable monster in it may confront us at any time and at any place, much like Eustacia and her lover Wildeve getting drawn into a deep weir in a harsh and hard weather with no mercy to its protagonists; while the same nature to Wordsworth is adorable for its idealism as in the case of Lucy, Lucy Gary and the Solitary Reaper, nature - kind, gentle, pitiful, merciful and reasonable in each and every step in their lives. For Hardy "man's lot is to endure in a malevolent universe"(Coombes, 1977,P. 210) and resisting nature is useless and futile. Rapid Industrialization and development projects gradually undermine Wordsworth's belief in the healing connection between human beings and nature. Theorist Hartman points out how Wordsworth's writing foretells modern environmental decay, and how "the slower trauma of industrialization coincided with Wordsworth's inner sense of irreparable change: they foreboded a cosmic wounding of Nature - of natural rhythms, of organic growth - which reinforced his fear of an apocalyptic rate of change and nature-loss" (Hartman 1977: xvi). As observed by Hartman, Wordsworth feared that if we, as a result of industrialization should "invest our imagination elsewhere, then and only then is there danger of the fading of nature" (in Caruth 1996b: 638). According to the preservationist John Muir, Wordsworth's concern about nature extended also to the American continent and "the despoiling effects of industrial revolution on the American landscape" (Pace 2003: 241), and this links Wordsworth's works to American pastoral, and the land destruction in the US. In Goswami's Chenabar Sont the alienation of human beings from their natural environment that Wordsworth fearfully anticipated seems to have occurred, at least partly: the novel portrays the ecocide that has occurred due to enlightenment driven development project stretched too far and which turns the landscape into a barren, dull piece of land and the river into a mighty monster:

> At some nights Chenab's soft murmur turns into something ominously terrible. No trace of the pebbles can be found on both the banks. It is only water and water everywhere. Company's soil bags, rods, shuttering plates are washed away. Right at this moment Soni pities the labourer who works above this terrible water (Goswami, Chenabar Sont 17).

Goswami's novel registers and fuses the related concerns of trauma theory and ecocriticism in its focus on landscape and female sexual abuse. Despite their apparent differences, there are points of similarities between the two disciplines as academic movements, the very ground of each being the notion of a crisis, a threat of annihilation and isolation - either physical or emotional. Both developed in American literary studies in the 1990s as a result of activist struggles in the late 1960s

and 1970s - by Vietnam veterans and the women's movement in the case of trauma theory and by environmental activists and environmental writings in the case of literary-environmental studies (Carr 2000b: 19; Glotfelty 1996: xvi-xvii). Trauma as well as the ecological crisis have been described as a disruption of the Lacanian symbolic order and as belonging to the Lacanian real, hence as being disruptive of representation. The Lacanian scholar Slavoj Žižek diagnoses the ecological crisis as having to do with the real in the sense that it radically disrupts the very ground of our belief in nature as an ordered and balanced domain, and also in that our reactions to the crisis usually oscillate between denial and obsessive activism (1991: 34-36; Kerridge 1998: 2-3). Current responses to a global ecological crisis have been ones that bespeak the notion of periodic repression and hence echo the reactions to trauma in the history of trauma studies. Drawing on Žižek's interpretation, Richard Kerridge presents the environmental crisis in psychoanalytical terms as an occasion of the return of the repressed: it "is elusive," "data [...] can grow in significance until they overshadow everything else; they can shrink until they are almost forgotten. Notoriously, environmental issues come and go," cast in "the role of a 're-pressed', which is frequently pushed out of sight and which always returns" (1998: 1, 2).

Goswami indicates that the sexual abuse in the novel is linked not only to the exploitation of land but also to the suppressed history of the displaced, especially the females. The corruption of natural landscape and the abuse symbolize each other, but the domestic violence in the novel is indirectly linked to India's colonialist history itself. The novel is therefore a critique of industrial and technological capitalism, which is seen as connected to that past. Thus, in an effort to unmask the power relations within the labour households, Goswami suggests that these are interrelated with other forms of oppressions. The novel suggests a link between the domination of women by men and the exploitation of the natural environment, stating that this is made visible in the denigration of both women and nature and criticizing the androcentric values behind these. It is expressed in the way Soni ponders over commoditization of Parbati's body as bait by her husband Sahadeo to the brutal Punjabi, who ripped Parbati's body apart like a hungry tiger devouring its prey:

**The corruption of natural landscape and the abuse symbolize each other, but the domestic violence in the novel is indirectly linked to India's colonialist history itself. The novel is therefore a critique of industrial and technological capitalism, which is seen as connected to that past.**

> Her entire body bears the injury mark of the teeth and nails. The old man's teeth tear one portion of her breast. She is lying for quite a few days on the floor of company hospital (Goswami, Chenabar Sont 38).

Nagma's deformed body is another case in point:

> Everyone including the khalasi (the man who unloads), and the Labour Babu say that the Old Man (her Husband) pushed her into this state by thrashing her all the time (Goswami, Chenabar Sont 31).

The powerful hierarchal human/nature

dichotomy of Western philosophical tradition upheld by conceptualizing the human as non-nature and part of other hierarchized and inter-connected oppositional pairs such as "mind-body, reason-nature, reason-emotion, masculine-feminine," where the second term in each pair is devalued (Plumwood 1996: 156), is seen as constituting the basis of the justification for the exploitation of both women and nature. Chenabar Sont counters and rivals the romanticized myth of rugged individualism of displacement stories by revealing the cost to be paid by generations of women, including Soni, Parvati, Nagma themselves, their mother, grandmother, and other women in the county, while also hinting at the "'originating' act of colonialism" (Sanders 2001: 205). According to Romantic thought, the natural world is threatened because human beings hubristically tamper with it without thinking about the cost, and in this regard Hartman questions the possibility of a Wordsworthian memory place "after entering an era of mechanical reproduction" and also in connection with Holocaust sites, which have robbed the mind of reflective moments in actual and imagined pastoral places, and thus destroyed the symbolic function of these regions (in Caruth 1996b: 645).

A rhythmical thaw and gradual adaption is lifeline of Nature's harmonious life. But, in Chenabar Sont the representation of the river with its entire negative attributes, implies some mystery. The transformation of river into a site of death is closely linked to human efforts at taming it. The cultural discourse of civilization does not seem to go well with the writer which superficially echoes Hardy's representation of Egdon Heath. But unlike Egdon Heath, Goswami's river does not kill man on its own; but it invites man to try its potential. Bridge construction project can be seen in this light. Labourers must intercept the river's current in the anthropocentric way within the register of development and cultural project of civilization and modernity. Labourers are displaced from Kalandhi and now they have forced their displacement upon the river in its natural ambit, to tame and dominate it; a symbolic departure from its nature and space by pushing it too far. But Nature/River is too strong for the human being to tame it. The repeated references to the deadly sounds and sights of Chenab's current ridicule man of his meanness and he is warned to stay within the limits. Inability of decoding nature's signal has conditioned people like Sadasiv, Gaurisankar and other labourers doomed to death in this fateful co-existence. They are drowned to death in this sont/sroot of Chenab, a homicide and ecocide at the same time. Unlike in Hardy, the river is shown to have metamorphosed into a monster when challenged by man. The blasting of the rock on the riverbed kills Sadasiv, and the river is flowing as usual as if to warn against "threatened loss of landscapes", "the industrialization of countries" and health issues such as cancer and "fertility and reproductive health" ( Kerridge 5):

> The blasting stone hits Sadasiv's abdomen travelling with the speed of a bullet after it pierced the tin shed ... there is no injury mark on his body except the slightly bloated bare abdomen. It appears as if Sadasiv is sleeping very peacefully. But, Sadasiv is no more. Sadasiv have died! Sadasiv is dead (Goswami, Chenabar Sont 70)!

The loss of natural landscape and greenery traumatises Soni who helplessly releases a deep, cold sigh that assumes the proportion of a wound in the beginning of the narrative:

> Today, suddenly the brass coloured rusted tools that have covered the soft green grassland appeared as an ugly scar to her (Goswami, Chenabar Sont 7).

Soni often finds the natural elements, especially the green pasture, to be the source of strength and support, degradation and disappearance of which leads to emotional wounding. Responding to a question on human-nature coexistence in her novels Goswami refers to some of the central philosophical concepts of Hinduism mentioned in

The Upanishads:

> There is a sloka in the Upanishads (Upanisad in Sanskrit) which tells that in the relationship between human being and nature one should not encroach the other's (space). The world will be beautiful if that relationship exists ('Narir Samashya-Prakrati-Paribeshok Loi Dr. Mamoni Raisomor Soite Alosonaroto: Samir Tanti aru Ankur Deka', from Mamoni Raisom Goswamir Rachna Samagra, Vol. II. 574).

The transformation of lush green, fertile Kalahandi into a dull, barren piece of land may be accounted for by the thoughtless anthropocenic activities under the guise of development project. The apparent loss of balance hurts Soni the most, making her aware of the corruption of landscape as well as the abuse of female body. The beautiful landscape that has already disappeared re-emerges in Soni's memory which becomes an "emotionally invested space". This becomes a point of connection between past and the present time, and proves crucial to the protagonist's efforts at recalling a traumatic past. Thus, the psychological disintegration of identity inherent in individual trauma is invariably intertwined with the loss of landscape in the novel. Industrialisation transforms the greenland to a heap of "crane's bucket, oxygen cylinder, crab, pipes, concrete plate, crusher tools etc (Goswami, Chenabar Sont 7)" threatening "fertility and reproductive health" of the land. Whenever Soni thinks about her lost Paradise called Kalahandi, her tone bears sadness issuing from the tormenting memory that becomes a persistent scar. Natural calamities force them out of Kalahandi; but the writer suggestively presents the displacement as the results of self-centred mismanagement of Nature's sublime gifts by human beings, in an apparent denial of the Romantic ideal of love and solace found in Mother Nature. The markers of Kalahandi, after the draught, keep haunting them like a nightmare, a persistent memory:

> What would they do by going back? They have sold their cattle, utensils. They would die starving if they go back. After the third and fourth round of thunder storm the government has asked them to remove their camp, so they have started leaving the camp one after the other. She has a lot more to tell about the Kalahandi. But Soni does not tell anything (Goswami, Chenabar Sont 9).

However, with increased awareness of the human responsibility for many environmental catastrophes, the boundaries between human inflicted suffering and "natural" events have started to blur of late. Often, 'natural' calamities are the results of human intervention; for example, environmental catastrophes may be linked to political or economic forces, in which trauma frequently have its origin. In Chenabar Sont, the death of Sadasiv is a clear instance of the side effect of human interruption of nature's force, and this shows human vulnerability in the face of nature. In the words of Herman:

> To study psychological trauma is to come face to face both with human vulnerability in the natural world and with the capacity for evil in human nature (7).

Present day trauma theorists put emphasis on exploring the connection between social issues and trauma and what can be referred to as cultural-political dimension of trauma. The cultural and socio-political aspect leads us to explore the environmental aspect of trauma as well. Human beings often put the blame on nature for problems like displacement induced by draught, famine, starvation etc. But in reality numerous such problems lead to environmental degradation and critical issues beyond repair which may accumulate to serious threats (Bennett 2001: 33; Garrard 2005: 29; Rigby 2002: 155; Coupe 2000: xi; Buell 2005: 8). So, it becomes imperative to broaden our focus and move beyond man-made artificial environments in order to do justice to the link between human suffering and manipulation of nature. Ecocritic Greg Garrard correctly points out that "literal and irreducibly material problems", should be identified

**We are living in a time of machine, and a period of strategic departure from Nature. We have been transformed into machines on a daily basis, in each second of our lives. Chenabar Sont implies that human trauma and psychological wounds are results of forcible repositioning and interchange of subject/ object poles or domains by the self-centred pursuits of man, to fulfil the materialistic need neglecting Nature's nature. By doing so man, the anthropocene, invites only disaster upon him. In other words, ecocide is leading to traumatic homicide.**

as it is no more necessary that "scientific problems are never separable from cultural and political ones" (2005: 168). The deprecation of both nature and women can be viewed from this perspective. This is what the writer suggests through the figure of Neer Amma, the first victim of Kalahandi's famine. There is no escape from the fate she is destined to - 'fota kotha (ragged blanket)', 'soot like dark mosquito net', 'resembling a vulture groping a dead, rotten, lacerated cow whose innards lay scattered everywhere' (Goswami Chenabar Sont 77). This woman can be taken as representation of the end point of life of the labourers and their destiny. In the text, Sarbamati and Neer Amma testify to the deprecation of women as bodies exposed to violation. It will not be wrong to say that all the females in the novel face the same kind of fate - neglected, terrorized, victimized but with a difference in degree only.

We are living in a time of machine, and a period of strategic departure from Nature. We have been transformed into machines on a daily basis, in each second of our lives. Chenabar Sont implies that human trauma and psychological wounds are results of forcible repositioning and interchange of subject/object poles or domains by the self-centred pursuits of man, to fulfil the materialistic need neglecting Nature's nature. By doing so man, the anthropocene, invites only disaster upon him. In other words, ecocide is leading to traumatic homicide.

**References:**

Bennett, Michael. "From Wide Open Spaces to Metropolitan Places: The Urban Challenge to Ecocriticism." ISLE: Interdisciplinary Studies in Literature and Environment. Winter 8:1, 31-52, 2001. Print.

Bharali, Hemanta Kumar. Eds. Mamoni Roisom Goswamir Upanayas Samagra (Vol.II): A Collection of Autobiography and Various Essays by Dr. Mamoni Roisom Goswami. Guwahati: Banalata, 2011. Print.

Coombes, H. English Literature Made Simple. London: W.H Allen, 1977. Print.

Buell, Lawrence. The Future of Environmental Criticism: Environmental Crisis and Literary Imagination. Malden, MA: Blackwell Publishing, 2005. Print.

Coupe, Laurence, ed. The Green Studies Reader: From Romanticism to Ecocriticism. London and New York: Routledge, 2000. Print.

Garrard, Greg. Ecocriticism, The New Critical Idiom. London and New York: Routledge, 2005/2004. Print

Goswami, Mamoni Raisom. Chenabar Sont. Guwahati: Chandra Prakash, 2011. Print.

Herman, Judith Lewis. Trauma and Recovery: From Domestic Abuse to Political Terror. London: Harper Collins, 1994/1992. Print.

Hartman, Geoffrey, H. Wordsworth's Poetry 1787-1814. New Haven and London: Yale University Press, 1977/1964. Print.

Hartman, Geoffrey. "On Traumatic Knowledge and Literary Studies." New Literary History. 26:3, 537-563, 1995. Print.

Kerridge, Richard. Introduction. In Writing the Environment: Ecocriticism and Literature. Eds. Richard Kerridge and Neil Sammells. London and New York: Zed. 1-9, 1998. Print.

Žižek, Slavoj. Looking Awry: An Introduction to Jacques Lacan through Popular Culture. Cambridge, MA: MIT Press, 1991. Print.

Pace, Joel. "Wordsworth and America: Reception and Reform." In The Cambridge Companion to Wordsworth. Ed. Stephen Gill. Cambridge: Cambridge University Press. 230-245, 2003. Print.

Rigby, Kate. "Ecocriticism." In Introducing Criticism at the 21st Century. Ed. Julian Wolfreys. Edinburgh: Edinburgh University Press, 151-178, 2002. Print.

Sanders, Julie. Novel Shakespeares: Twentieth-Century Women Novelists and Appropriation. Manchester: Manchester University Press, 2001. Print.

ইতিহাস



১৯৪৫ ইং চনৰ নলবাৰী মহাবিদ্যালয়

# নলবাৰী কলেজৰ জন্ম গাঁথা নলবৰীয়াৰ এক বৰ্ণিল অধ্যায়

- ড° দীনমণি ভাগৰতী

*মুৰব্বী অধ্যাপক*

*ভূগোল বিজ্ঞান বিভাগ*

জয়তে আমি ঐতিহ্যমণ্ডিত নলবাৰী মহাবিদ্যালয়ৰ জন্মলগ্নৰ লগত জড়িত মহান ব্যক্তিসকলক শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছোঁ। নলবাৰী কলেজ সমগ্ৰ নলবাৰী অঞ্চলৰ লগতে অসমৰ বিভিন্ন প্ৰান্তৰ যথেষ্ট সংখ্যক স্বনামধন্য ব্যক্তিৰ কায়িক-মানসিক শ্ৰমৰ ফচল। আজিৰ প্ৰজন্মই সেইসকল ব্যক্তিৰ চিন্তা-ইচ্ছাক লৈ গৌৰৱ কৰিব পাৰে। তেনে কিছু ব্যক্তিৰ আমি এই প্ৰৱন্ধটোৰ জৰিয়তে চিনাকী কৰি দিব বিচাৰিছোঁ। মাৰ্জনা বিচাৰিছোঁ যে ইয়াৰ মাজত ভালে সংখ্যক সদাশয় ব্যক্তিৰ নাম বাদ পৰি যাব। মাত্ৰ যিসকল ব্যক্তি আনুষ্ঠানিকভাৱে সভা-সমিতিত যোগদান কৰি তেখেতসকলৰ নাম স্বাক্ষৰিত কৰি থৈ গৈছে, তেনে কিছু সংখ্যক ব্যক্তিৰ নামহে ইয়াত উল্লেখ কৰা হৈছে। নেপথ্যত থাকি অজস্ৰলোক আকংক্ষিত হিয়াৰ আমঠু নলবাৰী কলেজখন গঢ়ি উঠাৰ বাবে দিনৰাতি অহোপুৰুষাৰ্থ কৰা ব্যক্তিসকলৰ নাম উল্লেখ অবিহনে তেখেত সকলৰ বদান্যতাক শ্ৰদ্ধাৰে স্বীকাৰ কৰিছোঁ। প্ৰৱন্ধটোত কলেজৰ অধিক বৃদ্ধিৰ আশংকাতো কিছু ক্ষেত্ৰত তেনে কৰিবলগীয়া হৈছে। তেখেতসকলৰ ত্যাগ আৰু দূৰদৰ্শিতাক তেতিয়াহে যথাৰ্থ স্বীকাৰ কৰা হ'ব যেতিয়া আমি উপলব্ধি কৰিম, যোৱা শতিকাৰ আৰম্ভণিৰ অসমখন বিশেষকৈ নলবাৰী অঞ্চলৰ লোকৰ আৰ্থ-সামাজিক অৱস্থাটোৰ কথা। এনে দোষৰ বাবে আমি ক্ষমা প্ৰাৰ্থী।

**গুৰি কথা ঃ**

নলবাৰীৰ ইতিহাস সংস্কৃত পণ্ডিতৰ পাণ্ডিত্যৰে সমৃদ্ধ। নলবাৰীত এখন সংস্কৃত কলেজৰ প্ৰয়োজনীয়তা অনুভৱ কৰি প্ৰাচীন কামৰূপ ব্ৰাহ্মণসমাজে বাটসৰ ব্ৰহ্মযজ্ঞত নলবাৰীতে এখন সংস্কৃত কলেজ স্থাপনৰ বাবে কামৰূপ সংস্কৃত সঞ্জীৱনী সভাক অনুৰোধ জনাই এটা প্ৰস্তাৱ গ্ৰহণ কৰিছিল ১৯৩০ ইং চন মানতে। ব্ৰাহ্মণ সমাজৰ জনমত অনুসাৰে কামৰূপ সংস্কৃত সঞ্জীৱনী সভাই অসম উপত্যকাৰ কমিচনাৰ মাননীয় হিগিল্‌স চাহাবৰ সভাপতিত্বত ১৯৩৬ চনৰ মে' মাহত গঙ্গাৰাম হলত বহা ১৪ সংখ্যক অধিৱেশনত নলবাৰী সংস্কৃত কলেজ স্থাপন কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰে। নলবাৰী সংস্কৃত কলেজ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত অঞ্চলটোৰ ভালেমান শিক্ষানুৰাগী ব্যক্তিৰ লগতে প্ৰয়াত

শৰৎ চন্দ্ৰ গোস্বামী, তেখেতৰ জ্যেষ্ঠ ভাতৃ পণ্ডিত প্ৰতাপ চন্দ্ৰগোস্বামী,ৰায়বাহাদুৰ প্ৰতাপ নাৰায়ণ চৌধুৰী আদিৰ নাম বিশেষ ভাবে উল্লেখনীয়।

নলবাৰী সংস্কৃত কলেজ স্থাপন হয় ১৯৩৮ চনৰ ১১ মে' তাৰিখত। ইয়াৰ পৰিচালনা সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি অসম সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সম্পাদক, প্ৰথিতযশা শিক্ষাবিদ শৰৎচন্দ্ৰ গোস্বামী, বি.এ., বি,চি, আই, এম. ও মহাশয় আৰু সম্পাদক গৰ্ডন স্কুলৰ প্ৰধান শিক্ষক, বিশিষ্ট শিক্ষাবিদ সু-প্ৰশাসক মণিৰাম দাস ডাঙৰীয়া।

১৯৩৮ ইং চনত নলবাৰী সংস্কৃত কলেজ স্থাপন হোৱাৰ পিচত অসমৰ শিক্ষা জগতখনৰ যথেষ্ট প্ৰসাৰ ঘটিল। ফলত নলবাৰী  কলা শিক্ষাৰ বাবে সুকীয়াকৈ এখন কলেজ স্থাপনৰ প্ৰস্তুতি চলিল। আৰম্ভণিৰ মানুহ একেখিনিয়েই। নলবাৰী সংস্কৃত কলেজৰ প্ৰস্তুতিৰ সময়তে কলা শিক্ষাৰ চিন্তা চৰ্চা কৰা হৈছিল। সেয়ে পৰিবৰ্ত্তিত পৰিস্থিতিত ১৯৩৮ চনৰ পৰাই কলা শিক্ষাৰ কলেজ এখন পতাৰ বাবে বিভিন্ন পৰ্য্যায়ত প্ৰচেষ্টা চলি থাকিল। আমি এই প্ৰবন্ধত ৯-৮-১৯৪২ ইং  তাৰিখৰ কলা শিক্ষাৰ কলেজ স্থাপনৰ বাবে অৰ্থ সংগ্ৰহৰ উদ্দেশ্যে অনুস্থিত হোৱা সভাৰ কথা উল্লেখ কৰিছোঁ। অৰ্থ সংগ্ৰহেই সেই সময়ত অনুষ্ঠান প্ৰতিষ্ঠান স্থাপনৰ ক্ষেত্ৰত আটাইতকৈ অসুবিধাৰ কথা আছিল। ভালেকেইখন সভা অনুষ্ঠিত হোৱাৰ পিছত ১৯৪৩ চনৰ ২১ অক্টোবৰত নলবাৰী সংস্কৃত কলেজৰ পৰিচালনা সমিতিৰ সম্পাদকে নলবাৰীত এখন কলা শিক্ষাৰ কলেজ স্থাপনৰ বাবে পূৰ্বৰ সিদ্ধান্ত অনুসৰি ৰাজহুৱা সভা আহ্বান কৰে। উক্ত সভাত প্ৰায় এশমান শিক্ষাবিদ আৰু ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে। শ্ৰীকান্ত চৌধুৰীদেৱৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত উপস্থিত সকলৰ ভিতৰত অন্যতম ব্যক্তিসকল হ'ল প্ৰতাপ চন্দ্ৰ গোস্বামী, দেবেন্দ্ৰ নাথ ভট্টাচাৰ্য্য, মুকুন্দ মল্ল বৰুৱা পদ্যুপাণি দত্ত, শ্ৰীধৰ দত্ত মজুমদাৰ, হৰেকৃষ্ণ গোস্বামী, মণিৰাম দাস, ধনেশ্বৰ শৰ্মা, শ্ৰীমান প্ৰফুল্ল গোস্বামী, মনোৰঞ্জন শাস্ত্ৰী, ভগৱান চন্দ্ৰ গোস্বামী, পূৰ্ণহৰি দত্ত, বছিৰ আলী, ইয়াকুব আলী, শিশুৰাম ভূঞা, ইশ্বৰ চন্দ্ৰ বৰুৱা, শশীকান্ত শৰ্মা, প্ৰভাত চন্দ্ৰ গোস্বামী, তাৰিণী কান্ত ভট্টাচাৰ্য্য, প্ৰমোদ চন্দ্ৰ গোস্বামী আদি। এই সভাখনেই প্ৰথমে নলবাৰী কলা শিক্ষাৰ কলেজ আৰু পিছলৈ নলবাৰী কলেজ স্থাপনৰ ভেটি মজবুত হৈ উঠিছিল। এটা সময়ত গঙ্গৰাম হলৰ পৰা নলবাৰী কলা শিক্ষাৰ কলেজ জাপাৰকুছিৰ নলখাগৰিৰে আবৃত বৰ্তমানৰ ঠাইতে নলবাৰী কলেজ স্থাপিত হ'ল। প্ৰবন্ধটোত আমি এই বৰ্ণিল যাত্ৰাৰ কিছুমূৰ্ত্তমান মুহূৰ্ত উপস্থাপন কৰিব বিছাৰিছোঁ।

অৱশেষত জপাৰকুছি বিলৰ পৰা সৃষ্টি হোৱা নল-খাগৰিৰে আবৃত ওখ ভূমিভাগতেই নলবাৰী কলেজ পাতিবলৈ ৯-৮-১৯৪২ ইং চনত অনুষ্ঠিত হোৱা এখন সাধাৰণ সভাত সিদ্ধান্ত গ্ৰহণ কৰা হয়। অন্যান্য দিশৰ লগতে সভাৰ আলোচনাত আটাইতকৈ বেছি গুৰুত্ব পোৱা বিষয়টো আছিল অৰ্থ সংগ্ৰহ। অৰ্থৰ যোগান অবিহনে উচ্চ শিক্ষাৰ অনুষ্ঠান এখন পতাটো সম্ভৱ নহয়। তাতে আকৌ নলবাৰীত বিত্তশালী লোকো নায়েই। সেই বাবে উক্ত সাধাৰণ সভাত এখন বিত্ত সমিতি গঠন কৰি দিয়া হয়। তাৰ পিচদিনাই অৰ্থাৎ ১০-৮-১৯৪২ ইং তাৰিখৰ বিত্ত কমিটিৰ সভা অনুষ্ঠিত হয়। এই সভাত উপস্থিত থকা ব্যক্তিসকল আছিল পণ্ডিত প্ৰতাপ চন্দ্ৰ গোস্বামী, শ্ৰীযুত মণিৰাম দাস, শ্ৰীযুত প্ৰভাত নাৰায়ণ চৌধুৰী, শ্ৰীযুত হৰেকৃষ্ণ গোস্বামী, শ্ৰীযুত হৰিনাৰায়ণ দত্ত বৰুৱা শ্ৰীযুত মুকুন্দ মল্ল বৰুৱা, শ্ৰীযুত তাৰিণী কান্ত ভট্টাচাৰ্য্য, শ্ৰীযুত জয়চন্দ্ৰ শৰ্মা, শ্ৰীযুত ধনেশ্বৰ শৰ্মা, শ্ৰীযুত ৰামানন্দ ভট্টাচাৰ্য্য, শ্ৰীযুত উমাকান্ত শৰ্মা আৰু শ্ৰীযুত প্ৰভাত চন্দ্ৰ গোস্বামী। উক্ত সভাত আই.এচ.অ.শ্ৰীযুত এচ.চি.গোস্বামী মহাশয়ও উপস্থিত আছিল। উক্ত সভাত ১ নং প্ৰস্তাৱ মৰ্মে নিম্নোক্ত ভদ্ৰলোকসকলক পুঁজি সংগ্ৰহৰ বাবে নিযুক্ত কৰা হয়। তেখেতসকল হ'ল ক্ৰমে শ্ৰীযুত প্ৰভাত নাৰায়ণ



১৯৪৯ ইং চনৰ নলবাৰী মহাবিদ্যালয়

চৌধুৰী, ধনেশ্বৰ শৰ্মা, হৰেকৃষ্ণ গোস্বামী, হৰিনাৰায়ণ দত্ত বৰুৱা, মুকুন্দ মল্ল বৰুৱা, তাৰিণী কান্ত ভট্টাচাৰ্য্য, প্ৰভাত চন্দ্ৰ গোস্বামী জয় চন্দ্ৰ শৰ্মা, ৰমানন্দ ভট্টাচাৰ্য্য, উমাকান্ত শৰ্মা, কৃপানাথ শৰ্মা, প্ৰাণেশ্বৰ দাস, আৰু ছায়াৰাম ডেকা, দুই নং প্ৰস্তাৱ যোগে ৯-৮-১৯৪২ তাৰিখৰ সাধাৰণ সভাত গৃহীত প্ৰস্তাৱৰ নকল নিম্নোক্ত ব্যক্তিসকললৈ প্ৰেৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয় যাতে তেখেতসকলে নিজ নিজ দায়িত্ব পালন কৰিব পাৰে। ব্যক্তি সকল ক্ৰমে মুন্সি মহাবত আলী, বছীৰ আলী, মহঃ হাতিম আলী, মহঃ বুকাৰ আলী ,শ্ৰীযুত কৃষ্ণৰাম মেধী, শ্ৰীযুত দেবেন্দ্ৰ নাথ ভট্টাচাৰ্য্য, ড° বি,এন, চৌধুৰী, শ্ৰীযুত চৰণ বৰুৱা, শ্ৰীযুত বাসুদেৱ শৰ্মা, শ্ৰীযুত ৰামেশ্বৰ লাল আগৰৱালা।

২০-০৮-১৯৪২ তাৰিখত আন এখন উপসমিতিৰ সভা নিম্নোক্ত ব্যক্তিসকলৰ উপস্থিতিত অনুষ্ঠিত হয়। শ্ৰীযুত প্ৰতাপ চন্দ্ৰ গোস্বামী, শ্ৰীযুত লক্ষ্মীনাথ শৰ্মা, শ্ৰীযুত মণিৰাম দাস, শ্ৰীযুত ধনেশ্বৰ শৰ্মা শ্ৰীযুত কালিৰাম চৌধুৰী, শ্ৰীযুত তাৰিণীকান্ত ভট্টাচাৰ্য্য, শ্ৰীযুত শশীকান্ত শৰ্মা আৰু শ্ৰীযুত প্ৰভাত চন্দ্ৰ গোস্বামী। এই সভাখন শ্ৰীযুত লক্ষ্মীনাথ শৰ্মা ডাঙৰীয়াৰ সভাপতিত্বত অনুষ্ঠিত হৈছিল। এই সভাতে মুন্সি মহবত আলী মাহাজনে উপ সমিতিৰ পৰা পদত্যাগ পত্ৰ গ্ৰহণ কৰা হয় আৰু তেওৰ পদত্যাগ পত্ৰ গ্ৰহণ কৰা বাবে মহঃ হাতিম আলী, এম. এল. এ বাছেৰ আলী আৰু মুন্সি বছিৰ আলীয়ে সন্তুষ্টি প্ৰকাশ কৰে।

২১-১০-১৯৪৩ ইং তাৰিখত নলবাৰী সংস্কৃত কলেজৰ সম্পাদকে এখন সভা অনুষ্ঠিত কৰে আৰু এই সভাত নিম্নোক্ত ব্যক্তিসকল উপস্থিত থাকে- শ্ৰীযুতপ্ৰতাপ চন্দ্ৰ গোস্বামী, শ্ৰীকান্ত চৌধুৰী, দেবেন্দ্ৰ নাথ ভট্টাচাৰ্য্য, মুকুন্দ মল্ল বৰুৱা, পদ্মপাণি দত্ত সিন্ধু দত্ত মজুমদাৰ, হৰেকৃষ্ণ গোস্বামী, মণিৰাম দাস, ধনেশ্বৰ শৰ্মা, শ্ৰীমান প্ৰফুল্ল গোস্বামী, ভৃগুপতি দত্ত, কেশৱৰাম নাথ, ভুৱনেশ্বৰ শৰ্মা, বিশ্বনাথ গোস্বামী, মনোৰঞ্জন শাস্ত্ৰী, ভগৱান চন্দ্ৰ গোস্বামী, প্ৰানহৰি দত্ত, মঃ বছিৰ আলী, মঃ ইয়াকুব আলী, শিশুৰাম ভূএঞা, ঈশ্বৰ চন্দ্ৰ বৰুৱা, শশীকান্ত শৰ্মা, প্ৰভাত চন্দ্ৰ গোস্বামী, তাৰিণীকান্ত ভট্টাচাৰ্য্য, প্ৰবোধ চন্দ্ৰ গোস্বামীৰ লগতে অন্যান্য প্ৰায় এশ ব্যক্তি আৰু ছাত্ৰ-ছাত্ৰী। এই সভাখনত সভাপতিত্ব কৰে শ্ৰীযুত শ্ৰীকান্ত চৌধুৰীদেৱে। ইয়াত নলবাৰীত এখন কলেজ পতাৰ বাবে বিভিন্ন দিশ সামৰি আলোচনা কৰা হয় আৰু শেষত প্ৰভাত চন্দ্ৰ গোস্বামীয়ে কেইটামান প্ৰস্তাৱ দাঙি ধৰে আৰু শশীকান্ত শৰ্মাই এই প্ৰস্তাৱ কেইটা সমৰ্থন কৰে। প্ৰস্তাৱ কেইটা সাৰ্বজনীনভাবে গৃহীত হয়। সভাই নলবাৰীত এখন আৰ্টচ্ কলেজ পতাৰ ক্ষেত্ৰত নিম্নোক্ত ব্যক্তি সকলক লৈ অৰ্থ সংগ্ৰহৰ বাবে গঠন কৰি দিয়া কমিটিখনক লৈ সন্তুটি প্ৰকাশ কৰে লগতে ১৯৪৪ চনৰ পৰাই কলেজখন আৰম্ভ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। লগতে উক্ত কমিটিখনক সম্ভৱপৰ সোনকালে এখন সাধাৰণ সভা আহ্বান কৰিবলৈ দায়িত্ব অৰ্পন কৰে। এই সভাতে শ্ৰীযুত প্ৰভাত চন্দ্ৰ গোস্বামী এম.এ.বি.এল দেৱক কলেজখনৰ বাবে যাৱতীয় অনুমোদন, এফিলিয়েচন আদিৰ বাবে যোগাযোগ কৰাৰ দায়িত্ব অৰ্পন কৰে। উল্লেখ আছে যে এইখন সভাতেই প্ৰথমে আৰ্টচ কলেজ আৰু নলবাৰী কলেজ শব্দ দুটা ব্যৱহাৰ কৰা হৈছিল। সভাত গঠিত হোৱা কমিটিখনৰ সদস্য সকল আছিল ক্ৰমে সৰ্ব্ব শ্ৰীযুত প্ৰভাত নাৰায়ণ চৌধুৰী, বি,এ, প্ৰভাত চন্দ্ৰ গোস্বামী, হৰেকৃষ্ণ গোস্বামী, ৰামেশ্বৰ লাল সস্কৰ, হৰি চন্দ্ৰ পাঠক, মঃ তাজিৰ আলী, কনক চন্দ্ৰ দাস, বিশ্বনাথ গোস্বামী, ইশ্বৰ চন্দ্ৰ বৰুৱা, শশীকান্ত শৰ্মা, তাৰিণীকান্ত ভট্টাচাৰ্য্য, প্ৰভাত গোস্বামী, ৰাতিৰাম দাস লগতে আৰু এজন সদস্য কো-অপ্ত কৰি লব পৰা ব্যৱস্থা ৰাখে। উল্লেখ থাকে যে এই অতি গুৰুত্বপূৰ্ণ সভাখন অনুস্থিত হৈছিল এছ.চৌধুৰীৰ সভাপতিত্বত প্ৰসিদ্ধ গঙ্গাৰাম হলত। ২১-১০-১৯৪৩ ইং তাৰিখৰ সিদ্ধান্ত মৰ্মে ২২-১০-১৯৪৩ ইং চনত গঙ্গাৰাম হলতেই ৰামেশ্বৰ লাল সস্কৰাৰ সভাপতিত্বৰ এখন সভা অনুষ্ঠিত হয় । উক্ত সভাত উপস্থিত থাকে ক্ৰমে শ্ৰীযুত ৰামেশ্বৰ লাল সস্কৰ পি.এন চৌধুৰী, বি.এ., প্ৰভাত গোস্বামী, হৰেকৃষ্ণ গোস্বামী, প্ৰমোদ চন্দ্ৰ গোস্বামী, মঃ ফজিৰ আলী, কনক চন্দ্ৰ দাস, বিশ্বনাথ গোস্বামী, শশীকান্ত ইশ্বৰ চন্দ্ৰ বৰুৱা, প্ৰভাত গোস্বামী। এই সভাত ইতিমধ্যে গঠিত বিত্তি সংগ্ৰহ কমিটিখনৰ (Collectrs'Committee) উন্নয়ন কমিটি নামেৰে (Promoters committee) কমিটি নামকৰণ কৰা হয় আৰু নিম্নোক্ত ব্যক্তিসকলক কমিটিত অন্তৰ্ভূক্ত কৰা হয়। তেখেতসকল শ্ৰীযুত বাসুদেৱ শৰ্মা, ৰামেশ্বৰ ধীৰ চৰিয়া, সত্য মজুমদাৰ, গোবৰ্দ্ধনা জালান, মহঃ মহবুব আলী বেপাৰী, প্ৰমোদ চন্দ্ৰ গোস্বামী। এই সভাতেই দ্বিতীয় প্ৰস্তাৱমৰ্মে নলবাৰীত এখন আৰ্ট কলেজ প্ৰতিষ্ঠা কৰাৰ বাবে সাধাৰণ সভাৰ অনুমোদন সাপেক্ষে নিম্নোক্ত ব্যক্তিসকলক লৈ সাংগঠনিক কমিটি (organising committee) গঠন কৰা হয়। তেখেতসকল ক্ৰমে শ্ৰীৰামেশ্বৰ লাল সস্কৰ, প্ৰভাত নাৰায়ণ চৌধুৰী, হৰেকৃষ্ণ গোস্বামী, প্ৰফুল্ল গোস্বামী, কনক চন্দ্ৰ দাস, ফজিৰ আলী, শশীকান্ত শৰ্মা, ঈশ্বৰ বৰুৱা, ৰামেশ্বৰ ধীৰাচাৰিয়া, বাসুদেৱ শৰ্মা, প্ৰভাত গোস্বামী, হৰিচন্দ্ৰ পাঠক, ৰতিকান্ত আৰু প্ৰয়োজন সাপেক্ষে সদস্যভৰ্ক্তিকৰণ ব্যৱস্থা ৰখা হয়। এই সভাত শ্ৰীযুত প্ৰভাত চন্দ্ৰ গোস্বামীক সাংগঠনিক কমিটিৰ সম্পাদক আৰু শ্ৰীযুত শশীকান্ত শৰ্মাক উপ সম্পাদক (ডেপুটি) নিৰ্বাচন কৰা হয়। চাৰি নং প্ৰস্তাৱমৰ্মে স্বীকৃতি প্ৰাপ্ত বেংকত এটা শাখা



১৯৯৭ ইং চনৰ নলবাৰী মহাবিদ্যালয়

খোলাৰ সিদ্ধান্ত লোৱা হয় আৰু অৰ্থ সংগ্ৰহৰ বাবে ইংৰাজী, হিন্দী, আৰু অসমীয়া ভাষাত গোহাঁৰি প্ৰস্তুত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। এইক্ষেত্ৰত প্ৰভাত নাৰায়ণ চৌধুৰী, ৰামেশ্বৰ লাল মস্কৰ, ফজিৰ আলী আৰু কনক দাসক সাংগঠনিক সম্পাদকৰ দায়িত্ব অৰ্পণ কৰা হয়।

১২-১২-১৯৪৩ ইংৰাজী চনত প্ৰযোটাৰ্চ কমিটিৰ এখন সভা শ্ৰীযুত হৰিশ্চন্দ্ৰ পাঠকৰ সভাপতিত্বত অনুষ্ঠিত হয় আৰু উক্ত সভাত উপস্থিত থাকে ক্ৰমে কনক চন্দ্ৰ দাস, শশীকান্ত শৰ্মা, মহঃ ফজিৰ আলী আহমেদ, শ্ৰীমান প্ৰফুল্ল গোস্বামী, প্ৰভাত চন্দ্ৰ গোস্বামী, ঈশ্বৰ চন্দ্ৰ বৰুৱা, বিশ্বনাথ শৰ্মা। সভাত ১৯-১২-১৯৪৩ ইং তাৰিখত কলেজৰ সকলো দিশ আলোচনা কৰাৰবাবে এখন সাধাৰণ সভা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

১৯-১২-১৯৪৩ ইংৰাজী চনত আই. এচ. অ. শ্ৰীযুত শৰৎ চন্দ্ৰ গোস্বামীদেৱৰ সভাপতিত্বত এখন সাধাৰণ সভা অনুষ্ঠিত কৰা হয়। এই সভাত ২৯ জন সন্মানীয় সদস্যই অংশ গ্ৰহণ কৰিছিল। তেওঁলোক ক্ৰমে এ. চি. গোস্বামী, আই.এচ. অ. ৰায়চাহেব, পি.এন. চৌধুৰী, পণ্ডিত পি চি গোস্বামী, শ্ৰীযুত কে.আৰ.মেধি, এচ.ডি.চি. মণিৰাম দাস, বি.এ.,বি.টি., এইচ. এন. দত্ত শৰ্মা, দেবেন্দ্ৰ নাথ ভট্টাচাৰ্য, বি.এচ.চি. বি.টি, জীৱেশ্বৰ শৰ্মা, ভৃগুপতি দত্ত, বি.এ., বাসুদেৱ শৰ্মা, বাবু ৰামেশ্বৰ চিৰচৰিয়া, চম্পালাল চেৰাউগী, হীৰালাল চেৰাউগী. এচ. চেৰাউগী, শ্ৰীযুত প্ৰভাত নাৰায়ণ চৌধুৰী, বি.এ. ধাতুৰাম তামুলী, হেমচন্দ্ৰ বৰুৱা, শ্ৰীপ্ৰফুল্ল গোস্বামী, শ্ৰীযুত হৰিচন্দ্ৰ পাঠক, আই. বৰুৱা, এচ. শৰ্মা, মহেন্দ্ৰ শৰ্মা, সিদ্ধিনাথ শৰ্মা, ৰামদেৱ শৰ্মা, জয়চন্দ্ৰ শৰ্মা, হেমেন্দ্ৰ চৌধুৰী, হেমকান্ত চৌধুৰী, মহঃ ফজিৰ আলী আহমেদ ইত্যাদি। ইয়াৰ উপৰিও এই সভাত আন প্ৰায় পঞ্চাশ জন ভদ্ৰলোক আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত আছিল। সভাত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সিদ্ধান্তসমূহ এনেধৰণৰ—

১ নং প্ৰস্তাৱ ঃ ১ (ক)- নলবাৰী কলেজ স্থাপনৰ বাবে নলবাৰীত ৰতিদন্দিৰাম ডাঙৰীয়াক তেখেতে আগবঢ়োৱা ছয় হাজাৰ টকাৰ বাবে ধন্যবাদ জনোৱা হয়।

১ (খ)- সভাই কলেজ প্ৰতিষ্ঠাৰ বাবে প্ৰয়োজনীয় সংৰক্ষিত পুজি ১০,০০০ টকা ৰতিৰাম, দন্দিৰাম প্ৰতিষ্ঠানক পুনৰ চাৰি হাজাৰ টকাৰ অনুদান আগবঢ়োৱাৰ বাবে অনুৰোধ আগবঢ়ায়।

২ নং প্ৰস্তাৱ ঃ সভাই ইতিমধ্যে গঠিত হোৱা প্ৰস্তুতি কমিটিখন পুনৰ গঠন কৰি আৰু নিম্নোক্ত ১৩ জন সদস্যৰ উপৰি দুজন সদস্যকো অন্তৰ্ভূক্ত কৰি ১৫ জনীয়া কমিটি গঠন কৰে। সদস্য সকল হ'ল— ১। শ্ৰীযুত প্ৰভাত নাৰায়ণ চৌধুৰী, বি.এ. ২। বাবু ৰামেশ্বৰ মস্কৰা ৩। ডাঃ হৰেকৃষ্ণ গোস্বামী ৪। শ্ৰীপ্ৰফুল্ল গোস্বামী, ৫। শ্ৰীকনক চন্দ্ৰ দাস ৬। মহঃ ফজিৰ আলী আহমেদ ৭। বাবু ৰামেশ্বৰ ধীৰাচাৰিয়া ৮। বাবু বাসুদেৱ শৰ্মা, ৯। হৰিশ্চন্দ্ৰ পাঠক, ১০। শ্ৰীযুত ৰতিৰাম দাস, ১১। শশী শৰ্মা ১২। ঈশ্বৰ বৰুৱা ১৩। শ্ৰীযুত প্ৰভাত গোস্বামীক কমিটিখনৰ সম্পাদক হিচাপে নিৰ্বাচন কৰা হয়।

৩ নং প্ৰস্তাৱ ঃ সিদ্ধান্ত কৰা হয় যে কলেজখন বিশ্ববিদ্যালয়ৰ

অধীনস্থ হলে এই কমিটিখনে সম্পূৰ্ণ দায়িত্বভাৰ নিয়ম অনুসাৰে গঠিত হোৱা পৰিচালনা সমিতিৰ হাতলৈ দায়িত্বভাৰ হস্তান্তৰ কৰিব।

৪ নং প্ৰস্তাৱ ঃ সিদ্ধান্ত কৰা হয় যে কলেজখনৰ নাম নলবাৰী আৰ্টচ কলেজৰ পৰিৱৰ্তে নলবাৰী কলেজ ৰখা হ'ব।

৫ নং প্ৰস্তাৱ ঃ সভাই নলবাৰী কলেজ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত আগবঢ়োৱা নিস্বাৰ্থ সেৱাৰ বাবে আই. চি. এচ. শ্ৰী এচ. কে দত্তক ধন্যবাদ জ্ঞাপন কৰে।

৬ নং প্ৰস্তাৱ ঃ বাবু চাম্পুলাল চেৰাউগী আৰু বাবু হীৰালালচেৰাউগীক তেওঁলোকে প্ৰতিজনে দান কৰা এহেজাৰ টকাৰ বাবে ধন্যবাদ জ্ঞাপন কৰা হয়।

৭ নং প্ৰস্তাৱ ঃ সংগৃহীত ধনৰ ব্যৱহাৰ সম্পৰ্কত নিৰ্দেশনা দিয়া হয়। ১৪-৩-১৯৪৪ ইং তাৰিখত সম্পাদকৰ ঘৰত এখন সাংগঠনিক সমিতিৰ সভা অনুষ্ঠিত হয় আৰু সেই সভাত উপস্থিত থাকে ক্ৰমে শ্ৰীপ্ৰভাত নাৰায়ণ চৌধুৰী, হৰেকৃষ্ণ গোস্বামী, মহঃ ফজিৰ আলী আহমেদ, শ্ৰীযুত ঈশ্বৰ চন্দ্ৰবৰুৱা, শ্ৰীযুত প্ৰভাত চন্দ্ৰ গোস্বামী, শ্ৰীযুত হৰিচন্দ্ৰ পাঠক।

সভাপতি আসন গ্ৰহণ কৰে শ্ৰীযুত প্ৰভাত নাৰায়ণ চৌধুৰী ডাঙৰীয়াই। সভাত নিম্নোক্ত প্ৰস্তাৱসমূহ গ্ৰহণ কৰা হয়।

১ নং প্ৰস্তাৱ ঃ সভাই সাংগঠনিক সমিতিৰ অন্যতম সদস্য শশীকান্ত শৰ্মাক অকাল বিয়োগত গভীৰ দুখ প্ৰকাশ কৰে।



২ নং প্ৰস্তাৱ ঃ সভাই নিম্নোক্ত ভদ্ৰলোক সকলক সাংগঠনিক সভাৰ সদস্য হিচাপে তেওঁলোকৰ সন্মতি সাপেক্ষে মনোনীত কৰে।

(ক) মিষ্টাৰ এচ. কে দত্ত, আই চি এচ
(খ) শ্ৰীযুত এচ. চি. গোস্বামী, আই.এচ.এ.ও.
(গ) শ্ৰীযুত এইচ এন দত্ত বৰুৱা
(ঘ) শ্ৰীযুত ৰমেশ চন্দ্ৰ চৌধুৰী, বি.এ.

৩ নং প্ৰস্তাৱ ঃ কলিকতা বিশ্ববিদ্যালয়ৰ চিঠি নং ১০০০ আই চি, ৬ মাৰ্চ, ১৯৪৪ চন মৰ্মে বিশ্ববিদ্যালয়ৰ পৰিদৰ্শকৰ নিৰ্দেশমৰ্মে ২৫,০০০ টকা সংগ্ৰহ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে আৰু লগতে ১৯৪৪-৪৫ চনটোত ৩৫,০০০ টকা সংগ্ৰহ কৰাৰ সিদ্ধান্ত কৰে।

(ক) সভাই গৰ্ডন হাইস্কুলৰ মেনেজিং কমিটিয়ে তেওঁলোকৰ দুটা কোঠা কলেজৰ বাবে অনুমোদন জনাবৰ বাবে নিয়মানুযায়ী আবেদন জনোৱাৰ সিদ্ধান্ত কৰে।

(খ) সভাই কামৰূপৰ ডি.চি.য়ে কলেজৰ বাবে ভূমি ইতিমধ্যে দিয়া আৱন্টনৰ কপি বিধিগতভাৱে পোৱাৰ পিছত প্ৰেৰণ কৰাৰ সিদ্ধান্ত কৰে।

(গ) সভাই কলেজৰ বাবে অৰ্হতা সম্পন্ন কৰ্মচাৰী আৰু এজন অধ্যক্ষ নিযুক্তি দিয়াৰ সিদ্ধান্ত কৰে।

(ঘ) সভাই বিশ্ববিদ্যালয়ৰ কলেজ পৰিদৰ্শকক পৰৱৰ্তী জুলাই মাহৰ পৰা কলেজখন আৰম্ভ কৰাৰ বাবে যাৱতীয় অনুমতি প্ৰদানৰ বাবে আবেদন জনোৱাৰ সিদ্ধান্ত কৰে।

(ঙ) সভাই কলেজৰ নামত নলবাৰীস্থ হাজৰাদি বেংকত এটা চেভিংছ একাউন্ট খোলাৰ সিদ্ধান্ত কৰে।

২৪-৪-১৯৪৪ ইং চনত নলবাৰীৰ পাব্লিক লাইব্ৰেৰীত নিম্নোক্ত সদস্যসকলৰ উপস্থিতিত সাংগঠনিক কমিটিৰ এখন সভা অনুষ্ঠিত হয় উপস্থিত সদস্যসকল আছিল ক্ৰমে শ্ৰীযুত হৰিচন্দ্ৰ পাঠক, শ্ৰীযুত ঈশ্বৰ চন্দ্ৰ বৰুৱা, মঃ ফজিৰ আলী আহমেদ, শ্ৰীযুত হৰেকৃষ্ণ গোস্বামী, শ্ৰীযুত কনক চন্দ্ৰ দাস, শ্ৰীযুত প্ৰভাত চন্দ্ৰ গোস্বামী, শ্ৰীযুত হৰিচন্দ্ৰ পাঠক, শ্ৰীযুত ঈশ্বৰ চন্দ্ৰ বৰুৱা, মঃ ফজিৰ আলী আহমেদ, শ্ৰীযুত হৰেকৃষ্ণ

গোস্বামী, শ্ৰীযুত কনক চন্দ্ৰ দাস, শ্ৰীযুত প্ৰভাত চন্দ্ৰ গোস্বামী, শ্ৰীযুত হৰিচন্দ্ৰ পাঠক ডাঙৰীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাত বিত্তীয় লেনদেন সম্পৰ্কীয় কেইটামান প্ৰস্তাৱ গ্ৰহণ কৰা হয়। আই. চি. এছ. এচ. কে দত্ত ডাঙৰীয়াৰ সভাপতিত্বত ২-৫-১৯৪৪ ইং তাৰিখৰ এখন সভা অনুষ্ঠিত হয়। এই সভাতে নলবাৰী কলেজ পৰিচালনা সমিতি গঠন নোহোৱা পৰ্যন্ত আই. চি. এচ. এচ. কে দত্ত ডাঙৰীয়াক সাংগঠনিক কমিটিৰ সভাপতি হিচাপে প্ৰস্তাৱ কৰা হয়। এই সভাতে অধ্যাপক সকলৰ মাহিলি দৰমহা ১০০ টকা আৰু অধ্যক্ষৰ মাহিলি দৰমহা ২০০ টকা নিৰ্দ্ধাৰণ কৰা হয়।

১৫-৫-১৯৪৪ ইং তাৰিখত শ্ৰীযুত ঈশ্বৰ চন্দ্ৰ বৰুৱাৰ সভাপতিত্বত আন এখন সভা অনুষ্ঠিত হয়। এই সভাত উপস্থিত আছিল ক্ৰমে শ্ৰীযুত পি. এন. চৌধুৰী বি. এ., শ্ৰীমান প্ৰফুল গোস্বামী, শ্ৰীহৰিচৰণ পাঠক, শ্ৰীকনক চন্দ্ৰ দাস, শ্ৰীঈশ্বৰ চন্দ্ৰ বৰুৱা, শ্ৰীহৰেকৃষ্ণ গোস্বামী আৰু শ্ৰীপ্ৰভাত চন্দ্ৰ গোস্বামী। এই সভাত কলেজ পৰিচালনা সমিতিৰ আৰ্হি প্ৰস্তুত কৰিবলৈ ২৮-৫-১৯৪৪ ইং তাৰিখ ৰবিবাৰে এখন সাধাৰণ সভা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত কৰা হয়।

৩-৬-১৯৪৪ ইং তাৰিখত পি.এন. চৌধুৰী ডাঙৰীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাই অৰ্থ সংগ্ৰহৰ বাবে ৫ খন উপ সমিতি গঠন কৰি দিয়ে।

কলেজখনৰ বিত্তীয় দিশটো পৰ্যালোচনা কৰাৰ বাবে আন এখন সভা অনুষ্ঠিত হয়। এনে উদ্দেশ্যে ১৯-১২-১৯৪৪ ইং তাৰিখতো শ্ৰীযুত হৰিচৰণ পাঠকদেৱে সভাপতিত্বত আন এখন সভা অনুষ্ঠিত হৈছিল।

ডাঃ হৰেকৃষ্ণ গোস্বামীদেৱৰ সভাপতিত্বত ২২-১২-১৯৪৪ ইং তাৰিখত শৰৎ চন্দ্ৰ গোস্বামীদেৱৰ আকস্মিক মৃত্যুৰ বাতৰিত এখন জৰুৰী সভা অনুষ্ঠিত হয়। ৩০-১২-১৯৪৪ ইং তাৰিখত প্ৰয়াত শৰৎ চন্দ্ৰ গোস্বামীৰ ঠাইত বেংকৰ একাউন্ট লেন-দেন কৰাৰ বাবে শ্ৰীপ্ৰভাত চন্দ্ৰ গোস্বামীক দায়িত্ব অৰ্পণ কৰা হয়।

৯-১-১৯৪৫ ইং চনত ম ফজিৰ আলী আহমেদৰ সভাপতিত্বত আৰু শ্ৰীহৰিচৰণ পাঠক, ড° হৰেকৃষ্ণ গোস্বামী, শ্ৰীঈশ্বৰ চন্দ্ৰ বৰুৱা আৰু শ্ৰীপ্ৰভাত চন্দ্ৰ গোস্বামীদেৱৰ উপস্থিতিত এখন সভা অনুস্থিত হয়। এই সভাত কেইটামান গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

প্ৰস্তাৱ ১ ঃ সভাই নলবাৰী কলেজখনক কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত এফিলিয়েচন ১৯৪৫ চনৰ জুলাই মাহৰ পৰা কাৰ্যকৰী হোৱাৰ ব্যৱস্থা কৰিবলৈ কলিকতা উচ্চ ন্যায়ালয়ৰ অধিবক্তা শ্ৰীহলিৰাম ডেকা , এম.এ. বি.এল. ডাঙৰীয়াক সনিৰ্বন্ধে মিনতি জনাবলৈ প্ৰস্তাৱ গ্ৰহণ কৰে।

প্ৰস্তাৱ ২ ঃ সভাই শ্ৰীযুত হলিৰাম ডেকা, শ্ৰীহৰেন্দ্ৰ নাথ কলিতা, ডাঃ গিৰীশ চন্দ্ৰ চৌধুৰীদেৱক নলবাৰী কলেজ সাংগঠনিক কমিটিৰ হৈ কলিকতা বিশ্ববিদ্যালয়ৰ সন্মানীয় উপাচাৰ্য্যক ১৯৪৫ চনৰ জুলাই মাহৰ পৰা এফিলিয়েচৰ অনুমতি দিবলৈ ডেপুটেচন দিয়াৰ সিদ্ধান্ত কৰে।

প্ৰস্তাৱ ৩ ঃ সভাই ডুমডুমা আৰু লিডুত অৰ্থ সংগ্ৰহৰ বাবে শ্ৰীহৰিচৰণ পাঠক আৰু শ্ৰীবিশ্বনাথ শৰ্মাক দায়িত্ব অৰ্পণ কৰে আৰু তেওঁলোকৰ যাৱতীয় খৰছৰ বাবে ৬৭ টকা অনুমোদন জনায়।

প্ৰস্তাৱ ৪ ঃ সভাই পুৰণা হলটো (গৰ্ডনৰ) মেৰামতি কৰাৰ বাবে ৪০০ টকা অনুমোদন জনায়।

প্ৰস্তাৱ ৫ ঃ সভাই ২০-২-১৯৪৫ চনৰ আগতে ৩০′×১৫′ এটা অফিচ ঘৰ নিৰ্মাণৰ বাবে ২৫০০ টকা অনুমোদন জনায় আৰু ঠিকাদান শ্ৰীসিংহীৰাম দাসক অফিচ ভৱনটো নিৰ্মাণৰ দায়িত্ব দিয়ে।

৯-৪-১৯৪৫ ইং চনত মঃ ফজিৰ আলী আহমেদ ডাঙৰীয়াৰ সভাপতিত্বত আৰু শ্ৰীবাসুদেৱ শৰ্মা আৰ, এল, ধীৰাচেৰীয়া, এইচ. পাঠক. এইচ. গোস্বামী, এইচ. এন দত্তবৰুৱা. পি.চি. গোস্বামীৰ (সম্পাদক) উপস্থিতিত এখন সভা অনুষ্ঠিত হয়।

সভাই এক নম্বৰ প্ৰস্তাৱমৰ্মে কলেজ পৰিদৰ্শনৰ বাবে অহা দলৰ অভ্যৰ্থনাৰ বাবে ৪০০ টকা অনুমোদন জনায়।

২ নং প্ৰস্তাৱযোগে নলবাৰীস্থ পি. ডব্লিউ ডি অফিচৰ চেক্সনেল বিষয়া শ্ৰীএচ. কে সেনগুপ্তাক নিৰ্মাণ কাৰ্যৰ তদাৰক কৰাৰ বাবে অনুৰোধ জনোৱা হয়। লগতে ঠিকাদাৰ শ্ৰীকামিনী দাসক লাইব্ৰেৰী হলৰ মেৰামতিৰ বাবদ সাম্ভাব্য খৰছ হিচাপ কৰি দিবলৈ অনুৰোধ জনায়।

১৬-০৫-১৯৪৫ ইং তাৰিখত শ্ৰীযুত প্ৰভাত নাৰায়ণ চৌধুৰী ডাঙৰীয়াৰ সভাপতিত্বত ক্ৰমে শ্ৰীহৰিচৰণ পাঠক, আৰ ধীৰাচাৰিয়া, ঈশ্বৰ বৰুৱা (সম্পাদক), ডাঃ হৰেকৃষ্ণ গোস্বামী আৰু শ্ৰীকনক চন্দ্ৰ দাসৰ উপস্থিতিত আন এখন সভা অনুষ্ঠিত হয়।

সভাই নলবাৰী কলেজ আৰম্ভণিৰ বাবে থিয়েটাৰ হল, ষ্টেজ আৰু লাইব্ৰেৰীৰ মেৰামতিৰ বাবে ৩৬৫/-টকা অতিৰিক্তভাৱে অনুমোদন জনায়। এই সভাতে ফাৰ্নিচাৰৰ বাবে ৯৫০ টকা, লাইব্ৰেৰীৰ কিতাপ কিনাৰ বাবে ১০০০ টকা প্ৰথম কিস্তি হিচাপে অনুমোদন জনায়। সভাত কলেজৰ ষ্টাফ নিযুক্তিৰ বাবে বিজ্ঞাপন দিয়াৰ বাবে অনুমোদন জনোৱা হয়। সভাই

গুৱাহাটীস্থ কমিল্লা ইউনিয়ন বেংক লিমিটেডত থকা চেভিংছ একাউন্টৰ পৰা ১০০০ টকা উলিয়াবলৈ সম্পাদকক কৰ্তৃত্ব প্ৰদান কৰে। ইতিমধ্যে হৈ যোৱা কলেজ পৰিদৰ্শনত আগবঢ়োৱা সেৱাৰ বাবে সভাই শ্ৰীযুত হলিৰাম ডেকা, এম. এ. বিল ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰে। সভাই ১৬-৬-১৯৪৫ ইং তাৰিখৰ পৰা নলবাৰী কলেজৰ আৰম্ভণি কৰিব পৰাকৈ সকলো প্ৰস্তুতি সম্পন্ন কৰিবলৈ সম্পাদকক নিৰ্দেশনা দিয়ে। লগতে জুন মাহৰ পৰা কলেজৰ শ্ৰেণী আৰম্ভ হ'ব বুলি বিস্তৃত ৰাজহুৱা জাননী জাৰি কৰিবলৈ সম্পাদকক দায়িত্ব দিয়ে।

৭-৬-১৯৪৫ ইং তাৰিখৰ নলবাৰী কলেজৰ সাংগঠনিক কমিটিৰ এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। সভাপতিত্ব কৰে স্থায়ী সভাপতি শ্ৰীযুত হৰি নাৰায়ণ দত্ত বৰুৱাদেৱে। এইখন সভাত উপস্থিতত আছিল ক্ৰমে এচ. কে. দত্ত, আই. চি.এচ. উপায়ুক্ত কামৰূপ, শ্ৰীপ্ৰভাত চন্দ্ৰ গোস্বামী, এম. এ., শ্ৰীমান প্ৰফুল্ল চন্দ্ৰ গোস্বামী, শ্ৰীৰামেশ্বৰ লাল মুস্কাৰা, মহ ফজিৰ আলী আহমেদ, শ্ৰীবাসুদেৱ শৰ্মা, শ্ৰীকনক চন্দ্ৰ দাস, শ্ৰীহৰেকৃষ্ণ গোস্বামী, শ্ৰীহৰিনাথ পাঠক, শ্ৰীঈশ্বৰ চন্দ্ৰ বৰুৱা, এম. এ., শ্ৰীৰামেশ্বৰ লাল ধীৰাচাৰিয়া আৰু শ্ৰীপ্ৰভাত নাৰায়ণ চৌধুৰী, বি.এ. ডাঙৰীয়াসকল।

১ নং প্ৰস্তাৱ ঃ প্ৰস্তাৱ গ্ৰহণ কৰা হয় যে মিঃ ত্ৰৈলোক্য নাথ গোস্বামীক, এম.এ. বি.এল (দ্বিতীয় শ্ৰেণী) নলবাৰী কলেজৰ অধ্যক্ষ আৰু ইংৰাজীৰ অধ্যাপক হিচাপে এবছৰৰ বাবে প্ৰতিমাহে ১৫০ টকাকৈ দৰমহা দি নিযুক্তি দিয়া হওঁক। তেখেতে ১-৪-১৯৪৫ ইং তাৰিখত দায়িত্বভাৰ গ্ৰহণ কৰিব লাগিব।

২ নং প্ৰস্তাৱ ঃ শ্ৰীপ্ৰভাত চন্দ্ৰ গোস্বামীক ইতিহাস বিষয়ৰ অধ্যাপক হিচাপে এবছৰৰ বাবে (প্ৰৱেচন) মাহিলী ১০০ টকাকৈ দৰমহা দি নিযুক্তি দিয়া হয়।

৩ নং প্ৰস্তাৱ ঃ শ্ৰীভবানন্দ দত্তক তৰ্কবিজ্ঞান বিষয়ত অধ্যাপক হিচাপে এবছৰৰ (প্ৰৱেচন) বাবে মাহিলি ১০০ টকাকৈ দি নিযুক্তি দিয়া হয়।

৪ নং প্ৰস্তাৱ ঃ শ্ৰীক্ষীতিশ চন্দ্ৰ পালক (এম. এ. সংস্কৃত) সংস্কৃত বিষয়ৰ অধ্যাপক হিচাপে মাহিলি ১০০ টকা দৰমহাত এবছৰৰ (প্ৰৱেচন) বাবে নিযুক্তি দিয়া হয়।

৫ নং প্ৰস্তাৱ ঃ শ্ৰীকামাখ্যা কমল পণ্ডিতক (এম. এ. এপ্লাইড মেথামেটিকছ) মাহিলি ১০০ টকা দৰমহাত গণিত বিভাগত এবছৰৰ (প্ৰৱেচন) বাবে নিযুক্তি দিয়া হয়।

৬ নং প্ৰস্তাৱ ঃ মিঃ প্ৰমোদ সুন্দৰ ৰায়ক (অৰ্থনীতি) মাহিলী ১০০ টকা হাৰত দৰমহাৰে চিভিকচ বিষয়ৰ অধ্যাপক হিচাপে এবছৰৰ (প্ৰৱচন) বাবে নিযুক্তি দিয়া হয়।

৭ নং প্ৰস্তাৱ ঃ সকলোবোৰ নিযুক্তি বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ অনুমোদন সাপেক্ষে ১-৭-১৯৪৫ ইং তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ দিয়া হয়।

৮ নং প্ৰস্তাৱ ঃ নুন্যতম পোন্ধৰজন ছাত্ৰ-ছাত্ৰী হলে আৰু বিশ্ববিদ্যালয়ে যাবতীয় অনুমোদন দিলে পাৰ্চিয়ান অধ্যাপক এজনো নিযুক্তি দিয়াৰ বাবে বিজ্ঞাপন দিবলৈ সম্পাদকক দায়িত্ব অৰ্পণ কৰা হয়।

৯ নং প্ৰস্তাৱ ঃ যিহেতু অসমীয়া বিভাগত উপযুক্ত অৰ্হতা সম্পন্ন অধ্যাপক পোৱা নগ'ল, বিশ্ববিদ্যালয় কৰ্তৃপক্ষক অসমীয়া শিকাবলৈ এজন শিক্ষক নিযুক্তি দিবলৈ অনুৰোধ জনায় যেতিয়ালৈকে অৰ্হতা সম্পন্ন অধ্যাপক পোৱা নাযায়।

ইয়াৰোপৰি এই সভাতে টাইপ ৰাইটিং জনা এজন ক্লাৰ্ক, (মাহিলি ৩৫ টকা), এজন চৌকিদাৰ (মাহিলি ১২ টকা) লোৱাৰ সিদ্ধান্ত কৰে। ছাত্ৰ-ছাত্ৰীৰ টিউচন ফিজ কটন কলেজৰ হাৰত নিৰ্দ্ধাৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

২৬-০৬-১৯৪৫ ইং তাৰিখত শ্ৰীযুত ঈশ্বৰ চন্দ্ৰ বৰুৱাৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হয়। সভাত উপস্থিত থাকে শ্ৰীত্ৰৈলোক্য নাথ গোস্বামী, এম. এ. বি.এল, শ্ৰীঈশ্বৰ বৰুৱা, এম. এ., শ্ৰীকনক চন্দ্ৰ দাস, শ্ৰীআৰ চি চৌধুৰী, বি.এ., শ্ৰীপ্ৰভাত চন্দ্ৰ গোস্বামী (সম্পাদক)। এই সভাত নৱ নিযুক্ত অধ্যক্ষই দাখিল কৰা কলেজ বন্ধৰ তালিকাখনত অনুমোদন জনোৱা বুলি কোৱা হৈছে। শ্ৰীহৰেন্দ্ৰ মোহন দাসক মাহিলি ৩৫ টকা দৰমহাত কাৰ্যালয় সহায়ক (ক্লাৰ্ক) পদত ১-৭-১৯৪৫ তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ নিযুক্তি দিয়া হয়। সভাৰ ৬ নং প্ৰস্তাৱ যোগে অসমৰ ডি.পি. আই বিচৰাধৰণে কলেজখনৰ শুভাৰম্ভ অনুষ্ঠান ৯-৭-১৯৪৫ ইং তাৰিখ নিৰ্দ্ধাৰণ কৰা হয়।

এইদৰে ১৯৪৫ ইং চনৰ জুলাই মাহৰ পৰা নলবাৰী কলেজ আনুষ্ঠানিকভাৱে আৰম্ভ কৰা হয়। এইটো দেখা যায় যে ১-৭-১৯৪৫ ইং তাৰিখৰ পৰা অধ্যক্ষ আৰু ক্লাৰ্কজনৰ নিযুক্তি হৈছিল আৰু অসমৰ ডি.পি.আই. ৰ ইচ্ছা অনুসৰি নলবাৰী কলেজৰ শুভাৰম্ভণি অনুষ্ঠান ৯-৭-১৯৪৫ ইং তাৰিখত অনুষ্ঠিত হৈছিল।



কলেজ পৰিচালনা সমিতিৰ সিদ্ধান্তমৰ্মে প্ৰতি বছৰে ৪ জুলাই তাৰিখটো নলবাৰী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস হিচাপে পালন কৰা হৈছে। সম্ভৱতঃ এই তাৰিখটোৰ পৰাই কলেজখনৰ প্ৰথম ক্লাছ আৰম্ভ হৈছিল।

নলবাৰী মহাবিদ্যালয়ত ১০-১১-১৯৪৫ চনৰ পৰাই ছাত্ৰাবাস আছিল আৰু প্ৰথম অধীক্ষক নিযুক্তি দিয়া হৈছিল অধ্যাপক বি. দত্তক। নলবাৰী কলেজৰ সাংগঠনিক কমিটিৰ ২৮-৩-১৯৪৬ ইং তাৰিখৰ সভাত মিঃ ফকৰুদ্দিন আলী আহমেদ Bar-at-Law ক কমিটিৰ পৰৱৰ্ত্তী সভাপতি হবলৈও আহ্বান জনাইছিল। ১৯৪৬ ইং চনৰ শেষলৈ কলেজ সাংগঠনিক সমিতিত ম হাতেম আলী আহমেদ, শ্ৰী কে, কে পণ্ডিত, এম. এ. বি.এল, ডি.এন. ভট্টাচাৰ্য, বি.এছ.চি.বি.টি., শ্ৰীজয়চন্দ্ৰ শৰ্মা, শ্ৰীবাতিৰাম ডেকা আদিৰ দৰে ব্যক্তিসকলো নিবিড়ভাবে জড়িত হৈ পৰিছিল।

প্ৰতিবেদনবোৰৰ পৰা কেইটামান বিশেষ দিশ উন্মোচিত হৈছে—

(ক) সদাশয় প্ৰতিষ্ঠাপক সকলৰ নলবাৰী কলেজ প্ৰতিষ্ঠাৰ বাবে তীব্ৰ আকাংক্ষা আছিল আৰু তাৰ ফলতে অতি সঘনে কাৰ্য্যকৰী সমিতিৰ আৰু সাধাৰণ সভা অনুষ্ঠিত হৈছিল।

(খ) কলেজখনৰ বাবে সেই সময়তেই এটি চহকী লাইব্ৰেৰী গঠনৰ বাবে গুৰুত্ব আৰোপ কৰা হৈছিল।

(গ) নিৰ্মাণ বা যাবতীয় অৰ্থ সম্বন্ধিত কাম-কাজবোৰ কমিটিবোৰে নিজে নকৰি কন্ট্ৰাক্টৰৰ জৰিয়তে সম্পাদন কৰিছিল।

(ঙ) সভাবোৰত সকলো কথা সুক্ষ্মাতি-সূক্ষ্মভাবে আলোচনা কৰা হৈছিল।

(ঙ) সভাপতিসকলক গণতান্ত্ৰিক ভাবে নিৰ্বাচন কৰা হৈছিল।

বি:দ্ৰ: ঃ প্ৰৱন্ধটোত তথ্যসমূহ সংগ্ৰহ কৰা হৈছে ক্ৰমে—

(ক) ১০-৮-১৯৪২ ইং তাৰিখৰ পৰা ১০-৮-১৯৪৬ ইং তাৰিখলৈ লিপিবদ্ধ হৈ থকা কাৰ্য বিৱৰণী বহীৰ পৰা। প্ৰয়াত প্ৰভাত চন্দ্ৰ গোস্বামীদেৱে এই কাৰ্য বিৱৰণী লিখি থৈ গৈছে। কাৰ্য বিৱৰণীখনৰ সভাবোৰত সভাপতিৰ স্বাক্ষৰ আৰু তাৰিখে আছে। কাৰ্য্যবিৱৰণীখন চাই ইয়াক পুনৰ লিখিত যেন লাগে যদিও তাত সভাপতিৰ চহীবোৰ নিজৰ যেন লাগে। কিছুক্ষেত্ৰত আখৰবোৰ অস্পষ্ট হোৱা বাবে উল্লেখ কৰা নামবোৰৰ ভিতৰত দুই এটা ভুল হব পাৰে। তাৰ বাবে আমি ক্ষমা প্ৰাৰ্থী। নামবোৰ কাৰ্যবিৱৰণী বহীত লিপিবদ্ধ হৈ থকাৰ দৰে ৰখা হৈছিল।

(খ) নলবাৰী সংস্কৃত মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱ উপলক্ষে প্ৰকাশিত "স্বৰ্ণ ভাৰতী" স্মৃতি গ্ৰন্থৰ সহায় লোৱা হৈছে। এই স্মৃতিগ্ৰন্থখনৰ সভাপতি আছিল মহীনাথ গোস্বামী, সম্পাদক ড° বিশ্বনাৰায়ণ শাস্ত্ৰী আৰু সহযোগী সম্পাদক শ্ৰীহৰেন্দ্ৰ নাথ শৰ্মা। প্ৰকাশিত হৈছিল ১৯৮৮ ইং চনত। স্মৃতিগ্ৰন্থখনত প্ৰকাশিত 'সংস্কৃত কলেজৰ প্ৰথম সম্পাদকীয় প্ৰতিবেদন" সম্পাদকৰ নিবেদন শীৰ্ষক প্ৰস্তাৱিত কলেজ কমিটিৰ (নলবাৰী) সম্পাদক শ্ৰীমণিৰাম দাস ডাঙৰীয়াই ১১-৫-১৯৩৮ ইং চনত লিখা। উল্লেখ থাকে যে নলবাৰী সংস্কৃত কলেজ প্ৰতিষ্ঠা হৈছিল এই একে তাৰিখ ১৯৩৮ ইং চনৰ ১১ মে ইং তাৰিখত।

(গ) নলবাৰী সংস্কৃত মহাবিদ্যালয়ৰ মুখপত্ৰ 'জ্যোৎস্না'ত ২০১৪ ইং তাৰিখত তত্বাৱধায়ক শ্ৰীজয়ন্ত শৰ্মা আৰু সম্পাদকদ্বয় নয়ন মেধি আৰু আজিমা বেগমৰ দ্বাৰা প্ৰকাশিত আলোচনীত নলবাৰী সংস্কৃত মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ড° দীনমণি ভাগৱতীৰ "উচ্চ শিক্ষাৰ প্ৰসাৰ আৰু প্ৰচাৰৰ পটভূমি নলবাৰী সংস্কৃত মহাবিদ্যালয়"।

**নলবাৰী ঃ** প্ৰাক্-ঐতিহাসিক যুগত নলবাৰী নৰকাসুৰ আৰু ৰজা ভগদত্তৰ ৰাজ্যৰ অধীন আছিল। পৰৱৰ্তী কালত বৰ্মন, শালস্তম্ভ, পাল, কোঁচ, আহোম, বৃটিছ আদিয়ে জিলাখন শাসন কৰিছিল। নলবাৰী শাসন কৰা আন কেইজনমান প্ৰসিদ্ধ ৰজা হ'ল- ফেঙুৰা ৰজা, মথুৰা ৰজা, হৰদত্ত, বীৰদত্ত ইত্যাদি। ১৯৮৫ চনত নলবাৰী জিলাই এখন সুকীয়া জিলাৰ মৰ্যাদা লাভ কৰে।

**The fall of Berlin wall in 1989 united East and West Germany; the European Union too has abolished all border controls between its member countries; in April 2018, North Korean leader Kim Jong Un and South Korean President Moon Jae-in walked hand in hand bringing an end to decades long hostility.**

# Of Maps and Migrations

- **Dr. Darshana Goswami**
Assistant Professor,
Dept. of English

Can we imagine a world without movement? NO! Temporally, spatially, physically, or mentally, we all are constantly moving. Human history too is inconceivable without movement and migration. Ever since the earliest men had left their craddle in Africa and explored new corners in the wide world, humans have been moving from place to place in search of livelihood, better living, or for mere survival, across limitless deserts, over turbulent seas, through perilous mountain passes. Though it sounds strange today, the edifices of all ancient civilizations and also of all modern nation states were built on the foundation of struggles of migrants and settlers.

National Geographic's Genographic Project reports that, "When humans first ventured out of Africa some 60,000 years ago, they left genetic footprints still visible today. By mapping the appearance and frequency of genetic markers in modern peoples, we create a picture of when and where ancient humans moved around the world. These great migrations eventually led the descendants of a small group of Africans to occupy even the farthest reaches of the Earth." The following map captures the complete picture of early waves of migration by early men all over the globe:

The report further says, "About 70,000 years ago, a group of people left Africa, travelled through sea, established settlements along the coastlines, and then started moving inland. This first group arrived in South India about 60,000 years ago. Some settled there, while others continued to travel and reached Australia about 50,000 years ago. A few thousand years after the first group left Africa, a second group left too. However, this group travelled inland establishing settlements in the Eurasian mainland. This group reached the northern Indian subcontinent about 40,000 years ago."



**Courtesy: National Geographic**

In later phases, the Dravidians and the Aryans migrated to the Indian subcontinent and mingled with the early settlers generally known as the aborigines. Many other groups continued to arrive phase by phase and built up the great Indian cultural confluence. Indeed, some intrinsic geographical and environmental uniqueness have made India embrace all outsiders to make it their permanent home.

*Bishwakabi* Rabindra Nath Thakur has summed up this overwhelming synthesis in his celebrated poem *Bharat-tirtha* and he conceives this assimilation as a sacred shore of the ocean of humanity where multiple streams continue to flow and mingle and highlights 'give and take' as the essential principle of this pilgrimage:

*He mor chitta punyatirthe jagore dhire*
*Ei bharater mahamanaber sagartire.*
*Keho nahi jane kar aobhane kato manusher dhara*
*Durbar srote elo kotha hote samudre holo hara*
*Hethay arya hetha anarya hethay dravir chin*
*Shak hundal pathan mogal ek dehe holo lin*
*Paschim aji khuliachhe dwar*
*Setha hote sabe ane upahar*
*Dibe ar nibe milabe milibe jabena phire*
*Ei bharater mahamanaber sagartire.*

Our North East India too is a salad bowl of migrants belonging to an incredible variety of cultural, linguistic and ethnic background – all the tribes of the region migrated here from different places of South East Asia at different junctures of history. Components of Tibetan, Mongolian, Burmese, Aryan and Dravidian cultures have lent this region the unique characteristic of a miniature continent. In recent centuries, free inflow of people from Mymensingh and Rangpur to Assam was a regular happening while Sylhet was a part of the Assam province of British India.

The English nation too was built up with the assimilation of Scandinavian tribes like Angles, Saxons and Jutes and later on the Norman people from Northern France. Countries like the USA, Canada, to name a few, and continents like Australia too are lands of settlers. Long back, groups of Hindu and Buddhist people migrated to distant Cambodia, Indonesia, Vietnam, Java, Sumatra, etc. the remnants of which are still carried on by some artistic legacy, both vivid and faded. The Angkor Wat temple complex of Cambodia bears testimony to it.

However, migration has not always been a matter of choice. Down the centuries, history has witnessed many a forced migrations infamously known as 'dislocation' or 'displacement', a buzzword in current social science discourse. Terrorism, ethnic cleansing, religious persecution, natural calamities, etc. are some causes that drive people out of their homes to set aboard in search of new homes. In the eighteenth and nineteenth centuries, hundreds of poverty stricken people from Africa and India were ferried across the seas as slaves or indentured labourers to distant America, the West Indies or Mauritius. Many famous writers, philosophers, artists, scientists and political leaders are latter generation migrant labourers or victims of such displacement. The issue of refugees too is directly associated with forced migration. The

Tibetan issue in India is a sensitive refugee issue which is not resolved till today.

One of the most touching refugee stories of recent years is that of Yusra Mardini, a Syrian refugee who became a swimming sensation in 2016 Rio de Janeiro Olympics and who swam across the Aegean Sea while escaping from her war ravaged country. Her story has entirely changed the world's outlook towards refugees, that they are supposed to be treated with understanding and dignity, not with revulsion and pity.

Now, compared to migration, map-making is more recent a phenomenon. While migrating from one place to another is natural, maps are very artificial. In the past, geographical features like mountains, hills, lakes and big rivers determined the territorial borders of kingdoms. For example, the Indian subcontinent is bordered by the Himalayas, the Indian Ocean and the Arabian Sea. Likewise, the USA and Canada are divided by the great lakes.

In modern times, national borders are generally determined on the basis of ethnic, linguistic, and sometimes religious divisions. For instance, French is spoken by majority in France while German in Germany; Slovenia and Croatia mostly include ethnic groups of Slovenes and Croats. Thailand is inhabited by the Thai people. However, countries in Africa have not been divided on the basis of the linguistic and cultural heritage of the people concerned, but by the whims of the European colonisers. Democratic African leaders admit the folly of such arbitrary drawing of borders, yet those borders continue to divide people most unjustifiably.

Apart from the African people, people from the Indian subcontinent too have been worst sufferers of arbitrary map making. The partition of India and Pakistan in 1947 led to the worst forced migration ever known in history. Kiran Desai'sbookes prize winning novel *The Inheritance of Loss* throws some humorous yet serious thought on arbitrary maps:

"Lola: ...When did Darjeeling and Kalimpong belong to Nepal? Darjeeling, in fact, was annexed from Sikkim and Kalimpong from Bhutan.

Noni: Very unskilled at drawing of borders, those bloody Brits.

Mrs. Sen: No practice, na, water all around them, ha ha."( Desai 129)

The question is, have political borders, vigilant border guards and strict immigration laws really restricted people's movement? There cannot be a straight 'yes' or 'no' answer to this question. For, there are as many supporters of free movement across borders as there are people who resist it. There are proposals for new border walls, while at some other places border walls are coming down. The fall of Berlin wall in 1989 united East and West Germany; the European Union too has abolished all border controls between its member countries; in April 2018, North Korean leader Kim Jong Un and South Korean President Moon Jae-in walked hand in hand bringing an end to decades long hostility.

Nowadays, as globalization has made steady inroads to all the corners of the globe, political borders do not make much sense in many contexts of our day to day lives. People are caught by the newfound frenzy of globalization as a cultural and economic exchange of much more fluid and massive type has taken place that Rabindra nath Thakur could ever imagine; however, the migration stories of our ancestors do make us think how adventurous and exciting the early phases of cultural synthesis must have remained when maps did not exist, when all the borders were ever 'porous' and when people did not even know that the world is round!

**References:**

1. Desai, Kiran. *The Inheritance of Loss*, Penguin Books, New Delhi, 2006
2. Dutta, Arup Kumar, *The Ahoms*, Assam Jatiya Bidyalaya Educational and Social Economic Toust, Guwahati, 2016.
3. (https://genographic.nationalgeographic.com)




# অৰণ্য

- **অভিষেক নাৰায়ণ শৰ্মা**
স্নাতক দ্বিতীয় ষাণ্মাসিক
প্ৰাণীবিজ্ঞান বিভাগ

এটা সৰল আদৰ্শৰ হয়তো জন্ম হৈছিল ১৯৭৯ চনত, যেতিয়া যাদৱ নামৰ ল'ৰাটাৰে নদীৰ তীৰত মৃত সাপবোৰ দেখিছিল। তেওঁ বুজি উঠিছিল যে গছ-গছনি শূণ্য সেই ঠাইখিনিত সাপৰ মৃত্যুৰ কাৰণ অতিমাত্ৰাত বৃদ্ধি হোৱা উষ্ণতা। ফলশ্ৰুতিত সেই ল'ৰাজনৰ দ্বাৰা ঠাইখিনিত এচোপ বাঁহ ৰোপিত হ'ল। সেই ল'ৰাজনক আজি গোটেই পৃথিৱীয়ে জনা হ'ল, তেওঁ গঢ়া অৰণ্যখনে 'ম'লাই ফৰেষ্ট' নাম পালে। প্ৰায় ৫৫০ হেক্টৰ মাটি কেৱল গছেৰে পূৰ্ণ কৰি ব্যতিক্ৰমী চিন্তাৰ পৰিচয় দিলে যাদৱ পায়েঙে। অসমত এনে এজন 'অৰণ্য মানৱ'ৰ উপস্থি তিৰ হয়তো আমাৰ ৰাজ্যৰ ৯০ শতাংশয়ো গম নাপায়। ই যিয়েই নহওঁক ভিন্ন দেশৰ বিজ্ঞানী-বিশেষজ্ঞই তেখেতক বিচাৰি অসম পায়হি। পায়েংৰ অৰণ্য বিচাৰি আনকি ১১৫ টা হাতী লগতে গঁড়, হৰিণ, বাঘও আহিছিল আৰু সেই ঠাই তেওঁলোকৰ বাবে উপযুক্ত বাছনি কৰিছিল। ইতিমধ্যে বিপন্নপ্ৰায় শগুণৰো উপস্থিতি তাত ধৰা পৰিছে। পায়েঙৰ স্পষ্ট কথা 'গছেতো মানুহৰ ঘৰ ভাঙিবলৈ নাযায়? তেন্তে মানুহে কিয়।'

Star plusত সম্প্ৰচাৰিত Ted Talks নামৰ অনুষ্ঠানটিৰ জৰিয়তে আন এজন যাদৱ পায়েঙক বিচাৰি পালো। কিছুবছৰ আগলৈকে তেখেতে Toyotaৰ বাবে গাড়ী নিৰ্মাণ কৰিছিল। সেই সুত্ৰে

তেখেতে Akira Miyawaki (আকিৰা মিয়াৱাকী) নামৰ জাপানী বিজ্ঞানীজনক লগ পায়, যিজনে তেওঁৰ গাড়ী নিৰ্মাণ কাৰখানাৰ কাষত অৰণ্য বনাবলৈ আহিছিল। প্ৰায় ৩০০০০ গছৰ জৰিয়তে ২.৫ একক মাটিত এখন অৰণ্য বনোৱা হৈছিল। Ted Talksৰ সেই বিশেষ বক্তাজনে অৰণ্যখনৰ গছবোৰ বৃদ্ধি হোৱা সম্পূৰ্ণকাল নিজ চকুৰে প্ৰত্যক্ষ কৰিছিল। তেখেত সেই বিজ্ঞানীজনৰ কৰ্মত সাংঘাটিক প্ৰভাৱিত হ'ল, ভাবিলে এই অৰণ্য নিৰ্মাণ প্ৰচেষ্টাটো যাতে তেখেতৰ কাৰখানাতে সীমাৱদ্ধ নাথাকে। গাড়ী নিৰ্মাণ কাৰ্যৰ পৰা তেখেতে অব্যাহতি ল'লে আৰু নিজ ঘৰতে অৰণ্য বনোৱাত লাগি গ'ল, সফলো হ'ল। তেখেতৰ দীৰ্ঘম্যাদী উদ্যমৰ ফলস্বৰূপে পৃথিৱীৰ ৩৫ খন চহৰত প্ৰায় ১০০ খন ঘন অৰণ্যৰ সৃষ্টি কৰিলে। তেখেতৰ নামটো নলৈ নোৱাৰিছো তেখেত হৈছে সুভেন্দু শৰ্মা। যাদৱ পায়েঙৰ নিচিনা তেখেতো হয়তো খুব কম সংখ্যকৰ মাজতহে প্ৰসিদ্ধ। প্ৰকৃতিক ৰক্ষা কৰাৰ যি সংগ্ৰাম তেখেত আৰু তেখেতৰ সংগীবৃন্দই চলাই আছে সেয়া সকলোৰে শলাগিলে। সুভেন্দু শৰ্মাই নিৰন্তৰে কৈ গ'ল— "কোনো এঠাইত যেতিয়া আমি অৰণ্য বনাবলৈ চাওঁ প্ৰথমতে আমি সেই ঠাইত কেনেকুৱা গছৰ বৃদ্ধি হয় তাৰ এখন তালিকা বনাই লওঁ আৰু উচ্চতাভেদে সেইবোৰক শ্ৰেণীবিভাজন কৰো। সাধাৰণতে অৰণ্যবোৰৰ মাটিবোৰ সাৰুৱা থাকেই আৰু সেইবোৰত গছ-গছনি বৃদ্ধিৰ বাবে উপযুক্ত পুষ্টিও মজুত থাকে। সাধাৰণ মাটি অৰণ্যোপযুক্ত কৰিবলৈ প্ৰথমে মাটিখিনি চহাও তাত ধান, জৈৱিক সাৰ, কুঁহিয়াৰৰ আঁহ, নাৰিকলৰ বাকলি মিহলাও। আমি ওখ-চাপৰ হোৱা গছবোৰ ওচৰা-ওচৰিকৈ ৰোওঁ। মাটিবোৰ অতি কোমল হোৱা হেতুকে গছবোৰৰ শিপা সহজে তললৈ যাব পাৰে। মাটিখিনিত সঘনে পানী দি থকা হয়। যাতে কোনো কাৰণতে শুকান হৈ নাযায় আৰু সহজে ঘাঁহ গজিব পাৰে। আমি কেতিয়াও কোনো কাৰণতে গছবোৰ নাকাটো। দুই বছৰৰ ভিতৰত অৰণ্যখন ডাঠ হৈ পৰে, ইমানেই যে সূৰ্য্যৰ ৰশ্মিয়ে মাটি ঢুকি নাপায়। পাছলৈ পচি সাৰ হিচাপে সহায়ক হয়। মোৰ অৰণ্যত সকলো গছে সকলো গছকে বাঢ়ি যোৱাত সহায় কৰে আৰু তেওঁলোক একে পৰিয়ালৰ সদস্যৰ দৰে থাকে। ১০ বছৰত এনে এখন অৰণ্য ১০০ বছৰীয়া পুৰণি যেন দেখা যায়। মই জানো এই অৰণ্যবোৰে মেঘবোৰক আকৰ্ষণ কৰে আকৌ মাটিৰ সেমেকা অৱস্থাটোৱে মেঘৰ সৃষ্টি কৰে। ৬খন গাড়ী পাৰ্ক কৰা ঠাইত আৰু এটা iphone কিনা টকাৰে সহজে এনে অৰণ্য বনাব পাৰি।"



*"আপোনালোকে যেতিয়াই য'ত খালী ঠাই দেখে লগে লগে ভাবিব তাত এখন অৰণ্য বনাব পৰা যায় নেকি?"*

শুভেন্দু শৰ্মাৰ স্পষ্ট কথাবোৰে সকলোকে জনালে তেখেত যে সোঁতৰ বিপৰীতে গৈ নতুন চিন্তা কৰা ব্যক্তি তাত কোনো সন্দেহ নাই। নিশ্চয় অসমত এনেবোৰ সজাগতা কাহানিও সম্ভৱ নহ'ব। ঢাক ঢোল পিটি এনে অনুষ্ঠান পাতি ৰাইজক দেখুৱালেও কোনেও নাচায়, কোনেও চাই থৈ দিব, কোনোৱে চাই আনক জনাব, এজন বা দুজনেহে কামতো কৰি দেখুৱাব। আমি আমাৰ পদ্মশ্ৰী যাদৱ পায়েঙকে চিনি নাপাও আৰু ক'ত শুভেন্দু শৰ্মাক চিনিব যাম?

সৰ্বশেষত তেখেতে কৈছিল "আপোনালোকে যেতিয়াই য'ত খালী ঠাই দেখে লগে লগে ভাবিব তাত এখন অৰণ্য বনাব পৰা যায় নেকি?"

> কোনে দিলে কৰ্তৃত্ব মানুহক পৃথিৱীত ত্ৰাস সৃষ্টি কৰাৰ? যেতিয়াই মন গৈছে কাৰোবাক হত্যা কৰিছো। এনে অত্যাচাৰ, উৎপীড়ন কৰি মানুহে আশা কৰে এখন শান্তিপূৰ্ণ পৃথিৱীৰ? এখন অহিংস আৰু এখন সুন্দৰ পৃথিৱীৰ। অহিংসাৰ পৰিভাষা মাথোঁ মানুহৰ ক্ষেত্ৰতে প্ৰযোজ্য নে? যি মানুহে দেৱী আৰাধনাৰ নামতো হেজাৰ নিৰীহৰ প্ৰাণ কাঢ়ে, সন্ত্ৰাসৰ সৃষ্টি কৰে, সেই মানুহে আকৌ কোন সতে সুখৰ কামনা কৰে?

# মানুহৰ আধিপত্যবাদী প্ৰবৃত্তিৰ বলি অন্য প্ৰাণী

- **মৃদুল বৈশ্য**
স্নাতক ষষ্ঠ ষাণ্মাসিক
অসমীয়া বিভাগ

**মা**নুহে জগত সৃষ্টি কৰে নে জীৱন? মানুহৰ ঔপনিবেশিকতাৰ বলি ধৰাতল আৰু অন্যপ্ৰাণী। এই ঔপনিৱেশিকতা আমাৰ জীৱনৰ ধাতৃস্বৰূপা প্ৰকৃতিৰ প্ৰতি, এই ঔপনিৱেশিকতা নিৰীহ, নিৰ্দোষ অন্য প্ৰাণীসমূহৰ প্ৰতি। কোনে দিলে কৰ্তৃত্ব মানুহক পৃথিৱীত ত্ৰাস সৃষ্টি কৰাৰ? যেতিয়াই মন গৈছে কাৰোবাক হত্যা কৰিছোঁ। এনে অত্যাচাৰ, উৎপীড়ন কৰি মানুহে আশা কৰে এখন শান্তিপূৰ্ণ পৃথিৱীৰ? এখন অহিংস আৰু এখন সুন্দৰ পৃথিৱীৰ। অহিংসাৰ পৰিভাষা মাথোঁ মানুহৰ ক্ষেত্ৰতে প্ৰযোজ্য নে? যি মানুহে দেৱী আৰাধনাৰ নামতো হেজাৰ নিৰীহৰ প্ৰাণ কাঢ়ে, সন্ত্ৰাসৰ সৃষ্টি কৰে, সেই মানুহে আকৌ কোন সতে সুখৰ কামনা কৰে? এইখন সমাজত সংস্কাৰৰ নামত অনেক কিবা কিবি পৰিবৰ্তন হৈছে। সংস্কাৰৰ সটোৱে বুজি নোপোৱাজনেও বা জনীয়েও ক'ব পৰা হৈছে এয়া Modernity এয়া যুগৰ আহ্বান। মেখেলা-চাদৰ আৰু ধূতি পাইজামাত সংস্কাৰ নাথাকে। সংস্কাৰ থাকে পশ্চিমীয়া সংস্কৃতিত শিক্ষাই সকলোকে সংস্কাৰমুখী কৰি তুলিছে। আজি যেতিয়া মানৰ সভ্যতাই আহ্বান কৰিছে মানুহৰ যুক্তিৰ, মানুহৰ বিবেক, বিবেচনাৰ, সকলোৰে প্ৰতি সদয়, স্বাৰ্থহীন হোৱাৰ, তেতিয়া Modernism ক কানি কাপোৰ পিন্ধোৱা চামে, তথাকথিত শিক্ষিত, সভ্যচামে একেমুখে উচ্চাৰণ কৰিছে বলিপ্ৰথা আৰু অতীজৰে পৰা কাৰণতে কোনো যুক্তিৰ ওচৰত সেও মানি বন্ধ কৰিব নোৱাৰো। হায় সভ্যতা। হায় সংস্কাৰ। হায় শিল্প। হায় মানৱতা।

ভগৱদ্ গীতাত কৈছে যে আসুৰিক মানুহৰ কাৰ্যকলাপৰ ফলত পৃথিৱীখন ধ্বংসৰ পথত গতি কৰিছে, য'ত নেকি দেৱীৰ বেদীতো মানুহৰ আসুৰিক প্ৰবৃত্তিৰ নিৰ্লজ্জ নিদৰ্শন বৰ্তমান, আমি আমাৰ সুখৰ, শান্তিৰ, সমৃদ্ধিৰ আৰু অসূয়া অপ্ৰীতিৰহিত জগতৰেইবা সাহস কৰো কোনখন সুখেৰে, কোনটো বিবেকেৰে।

"আমি জনা উচিত বস্তুবোৰৰ আৰম্ভণিনো ক'ত? উদাহৰণস্বৰূপে আমি মগজু, ব্ৰাচ আৰু ৰং ব্যৱহাৰ কৰি এপাহ ফুল আঁকিব পাৰো। আমি ৰং কৰা ফুলপাহৰ ব্যাখ্যা কৰিব পাৰো। কিন্তু প্ৰকৃত এপাহ ফুল ব্যাখ্যা কৰিব নোৱাৰো।" এই উক্তি আন্তৰ্জাতিক কৃষ্ণ ভাৱনাত মৃত সংঘৰ প্ৰতিষ্ঠাপক আচাৰ্য কৃষ্ণ কৃপামূৰ্তি শ্ৰীল অভয়চৰণাবিন্দ ভক্তিবেদান্ত স্বামী প্ৰভুপাদৰ।

*"অদ্বেষ্টা সৰ্বভূতানাং মৈত্ৰংকৰণ এৱ চ।*
*নিৰ্মমো নিৰহংকাৰঃ সমদুঃখসুখঃ ক্ষমী।।*
*সন্তুষ্ট সততং য়োগী য়তাম্মা দৃঢ়নিশ্চয়ঃ।*
*ময়ৰ্গিত ময়োবুদ্ধিৰ্য়ো মদ্ভক্তঃ স যে প্ৰিয়ঃ।।"*

—**শ্ৰীমদ্ভাগৱত গীতা** (১৩-১৪/১২)

অৰ্থাৎ যিজন পুৰুষে সকলো প্ৰাণীৰ প্ৰতি বৈৰী ভাবৰহিত মৰমীয়াল, স্বাৰ্থৰহিত, সকলোৰে প্ৰতি স্নেহশীল, অহৈতুক, দয়ালু তথা মমত্ববৰ্জিত অহংকাৰ শূণ্য, সুখ আৰু দুঃখৰ প্ৰতি সমভাবাপন্ন আৰু ক্ষমাশীল অৰ্থাৎ অপৰাধীকো অভয়দানকাৰী যিজন সদাসন্তুষ্ট যিয়ে মন আৰু ইন্দ্ৰিয়সমূহেৰে সৈতে শৰীৰক কণীভূত কৰিছে, যি দৃঢ়নিশ্চয়যুক্ত সেই ভক্তজন মোৰ অতি প্ৰিয়। গতিকে হিন্দু ধৰ্মৰ ধৰ্মীয় গ্ৰন্থ স্বয়ং মদ্ভাগৱদ্‌গীতাই ভক্তিৰ স্বৰূপ এনেদৰে

*মানুহৰ বৰ্বৰতাৰ, মানুহৰ আনৰ ন্যায্যতাক অৱদমন কৰাৰ কাহিনী কৈ শেষ কৰিব নোৱাৰি। আমাক জীৱশ্ৰেষ্ঠ হিচাপে বিধাতাই স্ৰজিলে। কিন্তু আমি তেওঁৰেই সৃষ্ট আন জীৱসমূহৰ মাজত ত্ৰাসৰ বিভীষিকাময় পৰিস্থিতিৰ কাৰণ হ'লো। গতিকে মোৰ আহ্বান আৰু কৰযোৰে প্ৰাৰ্থনা মানুহে সকলো প্ৰাণীৰ প্ৰতি সদয় হওঁক। জীয়াই থকাৰ অধিকাৰ আৰু সপোনবোৰৰ মানুহৰ বাবে মৃত্যু নহওঁক। আকৌ কৈছো মানুহে জগতো সৃষ্টি নকৰে আৰু জীৱনৰো সৃষ্টি নকৰে।*

ব্যাখ্যা কৰাৰ পাছত, নিজকে হিন্দু বুলি দম্ভালি মৰাসকলে কি পূণ্য অৰ্জনৰ বাবে বলি প্ৰথাৰ নামত তেজৰ উৎসৰ পাতি আছে?

এইবাৰ আহো বন্যপ্ৰাণী মানুহ সংঘাতলৈ। আমি আমাৰ ইচ্ছা অনুযায়ী পৃথিৱীখনক সজাব খুজিছো। মইমতালিৰে বনাঞ্চলৰ প্ৰতিপদ সামগ্ৰীয়েই আজুৰি আনিছো, য'ত সুখ আৰু স্বাচ্ছন্দৰ জীৱন যাপন কৰি আহিছে বিভিন্ন প্ৰজাতিয়ে। মন গ'লেই সিহঁতক হত্যাও কৰিছো। সিহঁতৰ অধিকাৰ খৰ্ব কৰিছো। এতিয়া সিহঁতেও বিপ্লৱ আৰম্ভ কৰিছে। যুদ্ধ ঘোষণা কৰিছে মানুহৰ ধাৰাবাহিক অত্যাচাৰৰ বিৰুদ্ধে। তাত আমি সিহঁতক দোষ দিয়াৰ নৈতিক অধিকাৰ নাই কাৰণ পৃথিৱীখন মানুহৰ সম্পত্তি নহয়। কিন্তু যদি সিহঁতে বাসস্থান হেৰুৱাই, খাদ্যৰ অভাৱত মানুহৰ বসতিস্থানত খোজ পেলাইছে, আমি সিহঁতক কৰুণ হত্যা কৰিছো বৰ্বৰভাৱে। আমাৰ বন্যসংস্থা আৰু চৰকাৰ নিৰ্লিপ্ত।

মানুহৰ বৰ্বৰতাৰ, মানুহৰ আনৰ ন্যায্যতাক অৱদমন কৰাৰ কাহিনী কৈ শেষ কৰিব নোৱাৰি। আমাক জীৱশ্ৰেষ্ঠ হিচাপে বিধাতাই স্ৰজিলে। কিন্তু আমি তেওঁৰেই সৃষ্ট আন জীৱসমূহৰ মাজত ত্ৰাসৰ বিভীষিকাময় পৰিস্থিতিৰ কাৰণ হ'লো। গতিকে মোৰ আহ্বান আৰু কৰযোৰে প্ৰাৰ্থনা মানুহে সকলো প্ৰাণীৰ প্ৰতি সদয় হওঁক। জীয়াই থকাৰ অধিকাৰ আৰু সপোনবোৰৰ মানুহৰ বাবে মৃত্যু নহওঁক। আকৌ কৈছো মানুহে জগতো সৃষ্টি নকৰে আৰু জীৱনৰো সৃষ্টি নকৰে।



# Fogbow or White Rainbow

- **Jimli Sarma**
B.Sc. 3rd Sem.
Zoology Department

A 'fogbow' is also called 'white rainbow', 'cloudbow' or 'ghost rainbow'.

Fogbows are actually rainbows' cousins. These are formed by the same process as that of rainbows but with the small water droplets inside a fog instead of larger raindrops as in rainbows. As the name suggests, it appears as a bow in fog rather than rain.

Fogbows are formed when sunlight meets moisture, refracting light from the tiny water droplets suspended in the air. While, we all know that rainbows mostly appear after rainfall, as sunlight refracts through larger water droplets.

Fogbows show up when the sun shines on fog, consisting of much smaller water droplets. Because of the very small size of water droplets that cause fog, the fogbow has only very weak colours, with a red water edge and bluish inner edge. In many cases, when the droplets are very small, fogbows appear white and are therefore sometimes called'white rainbows.' This lack of colour is the feature of a fogbow that distinguishes it from a 'glory', which has muttiple-pale-coloured raings caused by diffraction.

According to NASA (National Aeronautic and space Administration):

"The fogbow's lack of colours is caused by the smaller water drops, so small that the wavelength of light becomes important. Diffraction smears out colours that would be created by larger rainbow water drops."

A fogbow, when seen in colours typically forming an aircraft looking doceneards, then it is called a 'cloud bow.' Mariners sometimes call fogbows 'seadogs.'

**Direction :** We know that a rainbow can be seen in the opposite direction of the Sun. Likewise, fogbows are also seen opposite the Sun. Its outer radius is slightly less than that of a rainbow.

To view it we have to find the 'antisolar point.' We wil be able to find the 'antisolar point' when we, the Sun and the shadow are in a straight line, our antisolar point will be at or shadow's head. Then we will look straight up from there and the Sun is positioned right, we will find a fogbow.

When a fogbow appears at night, it is called a lunar fogbow.

The best condition required for spotting a fogbow is a slightly foggy day, with bright sunshine on our back, around areas having humidity such as a field, a mountain, a lakeshore etc.

# Our Earth Our Responsibility

- Deepam Talukdar
B.Sc. 1st Semister

Earth is a beautiful living planet of the universe and the common habital of more than 7 billion human population and millions of species of biodiversity. Our Earth provides us with food, shelter and most of our requirements.

Despite unavoideble free secvices provided by earth to humans we are not being able to pay off her kindness to us, rather we are being cruel to our earth by our selfesh activities. Mahatma Gandhi said, "Earth provides enough to satisfy every man's need, but not every man's greed". Everyday we produce tons of degradable and non-degradable wastes and throw them anywhere recklessly, smoke and harmful gases from our homes, vehicles or industries are suffocating the Earth. We are disposing dirty sewages, drainage and even chemicals recklessly although we know that more than 7 billion humans along with all plants and animals in the world rely on water for their lives. If we are not concentrated on saving those water resources then in near future what can be as expensive as petrol or one day people can die due to thirst. Despite huge noise by our jumbo population itself, we use loudspeakers for our entertainment and industries, air planes or other noisy vehicle for luxury. We destroy forests for agriculture and settlement.

Harmful gass emitted by ACs, refrigerators, industries and vehicles are depleting ozone layer and increasing our exposure to very harmful VV rays of Sun leading us towards various skin diesases, eye cataract and even cancer wastes like plastics and other non-dagradable wastes like insecticides, pesticdes, chemical fertilizers etc. highly degrade soil quality and decrease agricultural products can kills soil microorganims an decomposers. Deforestation is leading to natural calimites like floods, soil erosion. Temperature increase and changed rainfall distribution, drought, loss of valuable biodiversity, decreses oxygen density etc. The burning inssues in the world at prsent are "climate change and green house effects".

Solution of evnvironmental problems are not impossible to superiror creature humans if they are committed. We must have the responsibilities to our mother earth. Our first role towards nature is to reduce my own carbon footprint via eco-friendly activities. We can arrange workshop with local people that air pollution can be controlled by replacing household energy source like coal, firewood etc. by biogas, electricity or solar energy and we can negotiate with factory owner and vehicle owners to use dust and smoke purification system in industries and vehicles and we can encourge them to use solar-energy based industries and vehicles. We can organize orientation programs about the climate change.

Thus, for the sustainabilibity of our planet, we have to promise to fulfill our responsibilities towards mother nature as a global citizen so as to protect my living planet.

জীৱন



# সময় আৰু জীৱন

- দীপাংকৰ শৰ্মা
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ
বিজ্ঞান শাখা

মানুহ সময়ৰ দাস। এই দাসত্বৰ শিকলি মুক্ত নহয়, যদিহে মানুহে সময়ৰ পিছত নোদৌৰে। মানুহ সময়ৰ দাস গতিকে প্ৰতিটো পল, দণ্ড আমি সময়ৰ লগে লগে দৌৰিব লাগিব। সময় যেনেকৈ ৰৈ নাথাকে, থিক তেনেদৰে মানুহো ৰৈ থাকিব নালাগিব। সময়ৰ লগে লগে কামবোৰ কৰি গলেহে আমি কৃতকাৰ্যতা লাভ কৰিম। আমি সময়ৰ গতিক ৰোধ কৰিব নোৱাৰো। যদিহে আমি সময়ৰ গতিক ৰোধ কৰিব পাৰিলোহেঁতেন তেন্তে আমাৰ জীৱনত আধৰুৱা বুলি কোনো কামেই নাথাকিলহেঁতেন। মানুহ অমৰ হ'লহেঁতেন। কিন্তু এয়া সম্ভৱ নহয়। সময় হ'ল নৈৰ সোঁত। মানুহৰ জীবনো তেনেই চুটি। এই চুটি জীৱনত কেনেকৈ কম সময়ৰ ভিতৰত কাম কৰি মানুহে নিজৰ যশস্যা আৰু খ্যাতি বঢ়াব পাৰে তাৰে চিন্তাৰে অধ্যৱসায় কৰিব লাগে।

সময়ক আমি মূল্যৰে কিনিব নোৱাৰো। ই অমূল্য। ই কাৰোৰে পৰা কোনো মূল্য নিবিচাৰে। ইয়াৰ বিপৰীতে মানুহে সময়ৰ পৰা মূল্য বিচাৰে। আজি কৰিবলগীয়াখিনি যদি আজিয়েই কৰা নাযায় তেন্তে অহাকালিৰ কামত বেমেজালি লাগিব। সেয়ে যোৱাকালিৰ কাম আজিলৈ আৰু আজিৰ কাম অহাকালিলৈ সাঁচি ৰাখিব নালাগে। প্ৰতিটো কাম সময়ৰ লগে লগে কৰিব লাগে। জীৱনৰ প্ৰতিটো স্তৰতে মানুহে সময়ৰ মূল্য উপলব্ধি কৰি কামত অগ্ৰসৰ হ'ব লাগে। বিশেষকৈ আমি অৰ্থাৎ ছাত্ৰসমাজে পঢ়া শুনা আদি কৰ্ম সময়মতে কৰিব লাগে। ছাত্ৰাৱস্থাত সময়ানুবৰ্তি হ'লেহে পিছৰ কালছোৱাত কাম-কাজ সম্পাদন কৰোতে কোনো বেমেজালিৰ সৃষ্টি নহয়। খোৱা বোৱা, পিন্ধা উৰা আনকি খোৱা, আৰু শোৱা পাতি ত্যাগ কৰোতেও সময়মতে কৰা উচিত। পলমকৈ উঠা মানুহৰ কাম নিসিজে 'শুই থকা শিয়ালে হাঁহ ধৰিব নোৱাৰে"— এই চিৰন্তত সত্য, সহজ কথাষাৰ মনত ৰখা উচিত।

'আলস্য হি মনুষ্যান্যং শৰীৰস্থ মহান ৰিপু" সংস্কৃতৰ এই মধুৰ বাণীৰ অৰ্থ হ'ল- এলাহে হ'ল শৰীৰৰ ডাঙৰ শত্ৰু। এলাহ, দীৰ্ঘসূত্ৰতা, জীৱনৰ অৱনতিৰ মূল। এলেহুৱা আৰু দীৰ্ঘসূত্ৰীৰ জীৱন ব্যৰ্থতাৰ ভাণ্ডাৰ। আজিৰ কাম কালিলৈ আৰু কালিৰ কাম পৰহিলৈ সাঁচি ৰখাটোৱেই এই চামৰ ধৰ্ম। লাগিলে যিমান বিপদ নহ'লেও কামৰ তুলনাত এওঁলোকৰ এলাহৰ পৰিমান

সৰহ। আনহাতেদি কৰ্মব্যস্ত মানুহৰ সময় নিচেই তাকৰ। প্ৰতিটো মুহূৰ্ত তেওঁলোকৰ বাবে মহা মূল্যবান তেওঁলোকে কম সময়ত সৰহ কাম কৰি সময় ৰাহি কৰে বাবে তেওঁলোকে উদ্‌গতি দেখা পায়। উদ্‌গতি প্ৰাপ্ত মানুহেই জীৱনত সফলতা লাভ কৰে। আৰু তেওঁলোকে সমাজত এজন সফল ব্যক্তি হিচাপে পৰিগণিত হয়। এইখিনিতে সংস্কৃতৰ আৰু এষাৰ মধুৰ বাণী মনলৈ আহিল- “যোগ্য ভোগ্য বসুন্ধৰা’ পৃথিৱীখন যোগ্যৰ হে ভোগ্যৰ ঠাই। যাৰ যোগ্যতা আছে, যিয়ে সময়ানুৱৰ্তি হৈ কামত সফলতা লাভ কৰে সেইসকলৰ বাবেহে পৃথিৱীখন ভোগ্যৰ ঠাই। গতিকে বৰ্তমান জগতত আমি নিজৰ স্থান সুপ্ৰতিষ্ঠিত কৰিবলৈ প্ৰতিটো মুহূৰ্তক কামত নিয়োগ কৰি আমাৰ জীৱনৰ মূল্য প্ৰতিপন্ন কৰিব লাগে।

সময়ৰ সমষ্টিয়েই জীৱন। সীমাবদ্ধ জীৱনত যি অলপ সময় পাওঁ সেই অলপ সময়তে আমি জীৱন সাৰ্থক আৰু সুখময় হোৱা কৰ্ম কৰিব লাগে। আমি আমাৰ জীৱনটোক দুখ দৈন্য, বুকুফুটা আৰ্তনাদ আদিৰ আধাৰ বুলি ভাবি ল’ব নালাগিব। এই দুখ দৈন্যতাক নেওচি মানুহে কেনেদৰে জীৱন পথৰ কন্টকময় পথ অতিক্ৰম কৰি যাব লাগে তাৰ চিন্তা কৰিব লাগে। সময় অমূল্য। এই অমূল্য সময় অবাঞ্চ, অৱহেলাত নকটাই শিক্ষা গ্ৰহণৰ কামত একান্তমতে ব্ৰতী হ’ব লাগে। সময়ৰ মূল্যবুজি সময়মতে কাম কৰি যোৱাটোৱেই সময়ানুবৰ্ত্তিতা। সময়ানুৰ্বত্তিতা আৰু অধ্যৱসায়ে কামত শৃংখলা আৰু জীৱনত পৰিপাটি আনে।

মানুহে-জীৱনত আত্মপ্ৰতিষ্ঠা লাভ কৰিবলৈ হ’লে সময়ানুৱৰ্তিতাৰ লগে লগে প্ৰয়োজন অধ্যৱসায়ৰ। অধ্যবসায় উদ্‌গতিৰ আটাইতকৈ শক্তিশালী চাবিকাঠী অধ্যৱসায়ে মানুহক সংগ্ৰামী হ’বলৈ শিকায়। যিকোনো পৰিস্থিতিক, বাধা বিঘিনিক প্ৰত্যাহ্বান জনাবলৈ সাহস যোগায়। মানুহে জগতত কি কৰিব পৰা নাই? আজি যদি আমি বাহ্যিক জগতখনলৈ লক্ষ্য কৰো তেতিয়া দেখিম বিজ্ঞানৰ জয়যাত্ৰা, বিজ্ঞানৰ বিশাল সফলতাৰ পৰিধি। এয়া সকলো অধ্যৱসায়ৰ ফল। মানুহে সময়মতে সময়ৰ লগত সমিল মিলাই কৰা অধ্যৱসায়ৰ ফল আজি বিশ্ব দৰবাৰত উজ্বলি উঠিছে। মানুহৰ অধ্যৱসায়ে মানুহক আজি মহাকাশত উৰুৱালে, আজি মানুহে মাধ্যাকৰ্ষণৰ সীমা অতিক্ৰম কৰি মহাকৰ্ষণৰ দিগন্তত পদাৰ্পণ কৰিছে। গ্ৰহ-গ্ৰহান্তৰলৈ যোৱাৰ প্ৰস্তুতি চলাইছে। চন্দ্ৰৰ বুকুত পদাৰ্পন কৰি জীৱৰ অস্তিত্বৰ পৰীক্ষা কৰি চাইছে। অনুসন্ধিৎসু, সাহস আৰু সময়ানুৰ্বত্তিতাই এইবোৰ ক্ষেত্ৰত প্ৰবল অনুপ্ৰেৰণা যোগাইছে। এনেদৰে মানুহে নিজৰ সফলতা প্ৰাপ্ত হৈছে। মানুহে নিয়মানুৱৰ্তী, সময়ানুৱৰ্তী হ’ব পাৰিলে নিজৰ সফলতায়ো লাভ কৰে। তেতিয়া তেওঁক সমাজে চিনি পায়।

মানুহৰ জীৱন বয়সৰ জোখেৰে নহয়, কৰ্মৰ জোখেৰে। সঠিক সময়ত সঠিক কাম কৰিব পাৰিলে মানুহৰ জীৱনত আহুকাল নালাগে। ছাত্ৰাৱস্থাত যদি ভালদৰে জ্ঞান অৰ্জন কৰি লোৱা হয় তেতিয়া হ’লে মানুহে পাছৰ কালছোৱাত দুখ পাব নালাগে। ডেকা কালত মানুহে কামত নধৰি যদি বৃদ্ধ কালত কাম ধৰা হয় তেতিয়া শৰীৰে বহুত কষ্ট পাব। সেয়ে সময়ৰ লগে লগে মানুহে জীৱনৰ কন্টকময় পথত সংগ্ৰাম কৰি আগবাঢ়ি যাব লাগে। তেতিয়াহে সফলতা লাভ হ’ব।

মুঠ কথা, আমাৰ প্ৰত্যেকৰে জীৱনৰ একোটা মূল্য আছে। এই মূল্য উপলব্ধি কৰি তাৰ ৰূপায়ণত ব্ৰতী হ’ব লাগে। এই মূল্যক উপলব্ধি কৰিব পাৰিলেহে মানৱ জীৱন সাৰ্থক হ’ব। যদি আমি আমাৰ জীৱনৰ মূল্যক চিনি নাপাও তেতিয়া হ’লে আমাৰ জীৱনৰ খ্যাতি মৃত্যুৰ পিছত ধূলিৰ লগত বিলীন হ’ব। কিন্তু আমি জীৱনৰ মূল্যক উপলব্ধি কৰি সময়ানুৱৰ্তী হৈ অধ্যৱসায় কৰিলে, আমাৰ এই অধ্যৱসায়ে সমাজৰ কিঞ্চিত পৰিমাণে হ’লেও উন্নতি সাধিব লগতে আমাৰো খ্যাতি ৰৈ যাব। জীৱিত কালত আমি যি কাম কৰো থিক তেনেদৰে তাৰ পিছত অৰ্থাৎ মৃত্যুৰ পিছত খ্যাতি ৰৈ যাব। যদি আমি বেয়া কাম কৰো তেতিয়া কুখ্যাতি আৰু যদি ভাল কাম কৰো তেতিয়া হ’লে সুখ্যাতি ৰৈ যাব। যিহেতু আমি সময়ৰ দাসত্বৰ শিকলিৰে বান্ধ খাই আছো সেয়ে আমি বেছিদিন জীয়াই নাথাকো অৰ্থাৎ অমৰত্ব নাপাওঁ। সেয়ে এই কম দিনত আমাৰ গুণৰাজি যদি প্ৰসাৰ কৰিব পাৰো তেতিয়া হ’লে যুগ-যুগান্তৰলৈ আমি অমৰ হৈ থাকিব পাৰিম। এইখিনিতে সংস্কৃতৰ আৰু এষাৰ অমোঘ বাণী মনলৈ আহিল— “শৰীৰং ক্ষণবিধ্বংসী কল্পান্তস্থায়িনো গুণাঃ”। অৰ্থাৎ শৰীৰটো ক্ষণবিধ্বংসী কিন্তু গুণৰাজি যুগ-যুগান্তৰকাৰীলৈ স্থায়ী। গতিকে এই ক্ষণবিধ্বংসী শৰীৰ কেতিয়া ধ্বংস হয় কোনেও নাজানে সেয়ে জীৱিত কালতেই সুকৰ্ম কৰি যোৱাটোৱেই শ্ৰেয়।

আগতে উল্লেখ কৰাৰ দৰে মানুহৰ লগত সময়ৰ এটা ওতঃপ্ৰোতঃ সম্পৰ্ক আছে। সময়ৰ মূল্যক উপলব্ধি কৰি জীৱনৰ মূল্যৰ লগত সমিল মিলাই আগবাঢ়ি যাব পাৰিলে ব্যক্তিবিশেষৰ খ্যাতি যুগ-যুগান্তৰলৈ ৰৈ যাব। সময়ানুবৰ্তী, নিয়মানুবৰ্তী, ধৈৰ্যশীল, সাহসী হৈ সকলো কৰ্মতে হস্তক্ষেপ কৰিলে মানুহে সফলতাৰে জখলাত বগাব পাৰে। সেয়ে আকৌ উল্লেখ কৰিলো যে সময় গতিশীল। আৰু এই গতিশীল পথৰ অক্লান্ত পথিক হ’ল মানুহ আৰু তাৰ নিত্য সংগী হ’ল কৰ্ম। গতিশীল পথৰ লগত মানুহৰ কৰ্মৰ গতিও গতিশীল হ’ব লাগে। তেতিয়াহে আমি আমাৰ লক্ষ্যত উপনীত হ’ব পাৰিম আৰু সিদ্ধান্তত সিদ্ধহস্ত হ’ব পাৰিম আৰু জীৱনো ধন্য হ’ব।



# সংঘাত আৰু বদনাম- দুটা জটিল সমস্যা

- **অৰ্ণৱ কলিতা**
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ
বিজ্ঞান শাখা

হয়। সঁচা কথা, জীৱনৰ আন এটা নাম 'সংঘাত'। মানুহৰ গোটেই জীৱনটোৱে সংঘাতপূৰ্ণ। কিন্তু মই ভাবো মানুহৰ জীৱনত সংঘাত, বাধা-বিঘিনি এক অনবদ্য অংগও। মানুহে সংঘাত বা সমস্যা আদিৰ অবিহনে কেতিয়াও উন্নতি সাধিব নোৱাৰে। এক কথাত কবলৈ গ'লে আকৌ, কিছুমান লোকে জীৱনত কিছুমান এনে সমস্যা বা বাধা-বিঘিনি পায় বা জীৱনত এনে কিছুমান ঘটনা ঘটি যায়, যাক তেওঁলোকে অতিক্ৰম কৰিব নোৱাৰে, যাক তেওঁলোকে জয় কৰিব নোৱাৰে। আৰু শেষত কি হয়? মানুহজনে বা ব্যক্তিজনে আন কাৰো সহাৰি নাপাই ইয়াক সহিব নোৱাৰি মৃত্যুকে নিজৰ পৰম বন্ধু হিচাপে মানি লৈ তাক সাৱটি ধৰে। আচলতে এইটোও সঁচা যে সংঘাতে মানুহৰ আত্মবিশ্বাস, মনোবল, সাহস, দক্ষতা আদি কিছুমান গুণক হ্ৰাস কৰি মানুহজনক দুৰ্বল কৰি পেলাই আৰু মানুহজনক এক গভীৰ অন্ধকাৰ ঠাইলৈ ঠেলি দিয়ে। য'ত আছে, কেৱল দুখ দুখ আৰু দুখ... আৰু সেয়ে ব্যক্তিজনে মৃত্যুক সাৱটি ল'বলগীয়াত পৰে। মানুহ এজনৰ বাবে সংঘাতৰ একমাত্ৰ বিশেষ কাৰণ হৈছে স্বয়ং মানুহেই। হয়, মানুহে কি কৰিব নোৱাৰে? মানুহে আনক ঠগিব পাৰে, মিছা বদনাম দিব পাৰে,

আনৰ বাবে নানা বাধা-বিঘিনি সমস্যা আদিৰ সৃষ্টি কৰিব পৰাৰ লগতে মানুহ এজনক আনকি মৃত্যুৰ মুখলৈও ঠেলি দিবলৈ কোনো আপোচ নকৰে। কিন্তু কিয়? এনে কিয় হয়? ইয়াৰ কাৰণ কি হ'ব পাৰে? ইয়াৰ কাৰণ হিংসা, বিদ্ৰোহ, ঘৃণা আদি নেকি?

পৃথিৱীত এনেকুৱা বহুতো লোক আছে, যিবোৰে নিজৰ ভিতৰত থকা বিভিন্ন গুণৰ জৰিয়তে নিজৰ পাৰদৰ্শিতা আনৰ আগত দেখুৱাবলৈ সক্ষম হয়। কিন্তু আমাৰ বাবে, এই পৃথিৱীৰ বাবে এইটো লজ্জাজনক কথা যে মানুহে আনৰ এই পাৰদৰ্শিতা বা সফলতা সহিব নোৱাৰি মানুহজন বা মানুহজনীৰ আন এক উপায়েৰে জীৱনটো ধ্বংস বা বেয়া কৰিবলৈ বিচাৰে। সেই উপায়বিধেই হৈছে বদনাম। কিছুমান লোকে আনৰ সফলতা দেখিব নোৱাৰি এইবিধ অস্ত্ৰৰ জৰিয়তে মানুহজন বা মানুহজনীৰ মনত আঘাত প্ৰদান কৰে। মোৰ মতে আচলতে সিহঁতে ভাবে নেকি যে, মোৰটো জীৱনত ভাল নহ'লেই সেয়ে মই আনৰ জীৱনলৈও অন্ধকাৰ নমাই আনিম। যিসকলে এনেকুৱা ভাৱ চিন্তাৰে নিজৰ জীৱন চলাই আছে, মোৰ মতে সিহঁত মানুহ জাতিটোৰ এক কলংক, সিহঁত হৈছে স্বাৰ্থপৰ, চকুচৰহা। মই এইখিনি কথা ক'লো ঠিকেই কিন্তু ব্যতিক্ৰমীৰূপী বহুতো ভাল মানুহো আছে, যিবোৰে আনৰ হিত চিন্তা কৰে, আনৰ ভাল চিন্তা কৰে। সেইটো আৰু বেলেগ কথা.......।

সংঘাতবোৰ হৈছে গছ এডালৰ পাতৰ দৰে। গছৰ পাতবোৰ যেনেকৈ গছডালত গজি উঠে, তেনেকৈ ই সময়ত সৰি যায়, তাৰ পাছত আকৌ নতুনকৈ কুঁহিপাত গজে। তেনেদৰে সংঘাত-সমস্যাবোৰো গছৰ পাতে গছডালৰ সংগ নেৰা দি মানুহৰ জীৱনটোৰ পৰাও আঁতৰি নাযায়। এটা সমস্যা সমাধান হ'লেই আকৌ নতুন এটাই ঠন ধৰি উঠে। আচলতে আমি এই সংঘাত-সমস্যা বাধা-বিঘিনিৰ সন্মুখীন হ'বলৈ শিকিব লাগিব। হয়, কেতিয়াবা বহুত ডাঙৰ সংঘাত-সমস্যাৰ সন্মুখীন হৈ তাৰ পৰা পৰিত্ৰাণ পোৱাটো টান, তাক সহ্য কৰাটোৱো সহজ নহয়, তাক সহজে জয়ো কৰিব নোৱাৰি। কিন্তু আমি চেষ্টাতো কৰিব পাৰো, ইয়াক দমন কৰিবলৈ, ইয়াক জয় কৰিবলৈ। আমি এই ফকৰা-যোজনা বিধ মনত ৰখাৰ লগতে হৃদয়ংগম কৰি জীৱনত খটোৱাতো প্ৰয়োজন। "চেষ্টাৰ অসাধ্য একো নাই।" সকলো ধৰণৰ সমস্যা, সংঘাতৰ সময়ত আমি চকুপানী নুটুকি ইয়াৰ সন্মুখীন হৈ ইয়াক জয় কৰিবলৈ চেষ্টা কৰা উচিত, আৰু লাগিব মাথো সাহস আৰু আত্মবিশ্বাস।

এইখিনিতে আকৌ এটা কথা ক'বলৈ গৈছো মোৰ নিজৰ মনৰ ভাবৰ পৰা- মানুহৰ বাবে মই ভাবো আটাইতকৈ ডাঙৰ বেদনা বা দুখ হৈছে নিজৰ প্ৰিয়জন বা আপোনজনৰ এলাগি হোৱা। মানুহে সংসাৰত বহুতো লোকক দেখা পাই, কিন্তু মানুহজন বা মানুহজনীৰ বাবে সংসাৰত মাত্ৰ এগৰাকীয়ে লোক থাকে যিগৰাকীক তেওঁ সকলোতকৈ ভাল পায়, বিশ্বাস কৰে। সেইগৰাকী তেওঁৰ মাঁ হ'ব পাৰে, দেউতাও হ'ব পাৰে, পতি বা পত্নীও হ'ব পাৰো, তেওঁৰ প্ৰেমিকজন বা প্ৰেমিকাজনীও হ'ব পাৰে বা অন্য কোনোবাও হ'ব পাৰে। সেয়ে মানুহে প্ৰিয়জনৰ পৰা পোৱা আঘাত বা বিশ্বাসঘাতকতাই হৈছে মানুহৰ জীৱনত আটাইতকৈ ডাঙৰ সমস্যা-সংঘাত, যাক ব্যক্তিজনে কেতিয়াও নাপাহৰে আৰু পাহৰিবও নোৱাৰে, যাক জয় কৰি মানুহজনে পুনৰ সৰল মানুহ হৈ জীয়াই থাকিব নোৱাৰে।

*মানুহে সংসাৰত বহুতো লোকক দেখা পাই, কিন্তু মানুহজন বা মানুহজনীৰ বাবে সংসাৰত মাত্ৰ এগৰাকীয়ে লোক থাকে যিগৰাকীক তেওঁ সকলোতকৈ ভাল পায়, বিশ্বাস কৰে। সেইগৰাকী তেওঁৰ মাঁ হ'ব পাৰে, দেউতাৰো হ'ব পাৰে, পতি বা পত্নীয়ো হ'ব পাৰো, তেওঁৰ প্ৰেমিকজন বা প্ৰেমিকাজনীও হ'ব পাৰে বা অন্য কোনোবাও হ'ব পাৰে। সেয়ে মানুহে প্ৰিয়জনৰ পৰা পোৱা আঘাত বা বিশ্বাসঘাতকতাই হৈছে মানুহৰ জীৱনত আটাইতকৈ ডাঙৰ সমস্যা-সংঘাত, যাক ব্যক্তিজনে কেতিয়াও নাপাহৰে আৰু পাহৰিবও নোৱাৰে, যাক জয় কৰি মানুহজনে পুনৰ সৰল মানুহ হৈ জীয়াই থাকিব নোৱাৰে।*

ধৰ্ম আৰু বিজ্ঞান



# ঈশ্বৰৰ অস্তিত্ব আৰু বিজ্ঞানৰ যোগসূত্ৰ

- বিশাল শৰ্মা
স্নাতক প্ৰথম যান্মাসিক
ভূগোল বিজ্ঞান বিভাগ

**“ভগৱান, আল্লাহৰ, অস্তিত্বক বিজ্ঞানে কেতিয়াও মানি নলয়। ই হ'ল এক বিশ্বাস। যি বিশ্বাসে এখন সমাজ ভাঙিবও পাৰে আৰু গঢ়িবও পাৰে। ভগৱানৰ বিশ্বাসক আমি অন্ধবিশ্বাসৰ সাগৰখনৰ পৰা উদ্ধাৰৰ চেষ্টা কৰিব লাগিব অন্যথা এদিন ধৰ্মান্ধতাই মানৱ জাতিৰ বাবে অন্ত মাতি আনিব।”**

বিজ্ঞান মানে কি? পৃথক পৃথক দৃষ্টিভংগীৰে এই প্ৰশ্নটোৰ বেলেগ বেলেগ উত্তৰ পোৱা যায়। অৱশ্যে সকলোবোৰ সংজ্ঞাই প্ৰশ্নটোৰ প্ৰকৃত উত্তৰ দিব নোৱাৰে বৰং এই সংজ্ঞাবোৰে বিজ্ঞান কি বোলা প্ৰশ্নটোৰ এটা ভুল ধাৰণাহে দাঙি ধৰে। বিজ্ঞান মানেই যেন প্ৰযুক্তিৰ উপকৰণ- এই ধাৰণায়ে এই ভুল সংজ্ঞাবোৰৰ জন্ম দিয়ে। সকলো বৌদ্ধিক স্তৰৰ বাবে প্ৰযোজ্য হোৱাকৈ আমি থূলমূলকৈ বিজ্ঞান কি বোলা প্ৰশ্নটোৰ উত্তৰ এনেদৰে দিব পাৰো- বিজ্ঞান হ'ল কোনো এক বিষয়ৰ প্ৰণালীবদ্ধ অধ্যয়ন। সহজবোধ্য আৰু ভুল নহ'লেও এই সংজ্ঞাটোৱে বিজ্ঞানৰ দৰ্শনটোনো কি তাক স্পষ্টকৈ ফুটাই তুলিব নোৱাৰে। কিন্তু পৃথিৱীৰ পৃষ্ঠত বিজ্ঞানৰ অস্তিত্বক কোনো সংজ্ঞাৰে প্ৰকাশ কৰিব পৰা নাযায়।

বিজ্ঞান সদায় সত্য। ই মাথোঁ সত্যতা গ্ৰহণ কৰে। প্ৰয়োগিক অধ্যয়নৰ মূল পথ হিচাপে লৈ বিজ্ঞানে নিজৰ দিশলৈ গতি কৰে। কিন্তু আজিও প্ৰশ্ন হয় বিজ্ঞান কিমান দূৰ সঁচা। অতীতৰ পৰা আমাৰ ধৰাত ঘটি অহা ঘটনা পৰিঘটনাবোৰক পূৰ্বতে ঈশ্বৰৰ শক্তি বুলি বিশ্বাস কৰা হৈছিল। এই বিশ্বাসে বিশ্ববাসীৰ মাজত ভগৱানৰ অস্তিত্বৰ প্ৰতি আগ্ৰহী কৰি তুলিছিল। কিন্তু বিজ্ঞানৰ আকৰ্ষণৰ ফলত মানুহে ঈশ্বৰৰ অস্তিত্ব অস্বীকাৰ কৰিব বিচাৰে ই 'বিজ্ঞান সন্মত নহয়' নাইবা 'কোনো প্ৰমাণ নাই' বুলি কৈ। কিন্তু আচল কাৰণটো হৈছে, যদিহে তেওঁলোকে ঈশ্বৰৰ আগত দায়বদ্ধ হয় আৰু ঈশ্বৰৰ পৰা তেওঁলোকে ক্ষমা লাভ কৰাৰ প্ৰয়োজন আছে। যদি ঈশ্বৰ আছে, তেনেহ'লে আমি আমাৰ কাৰ্যৰ বাবে তেওঁৰ আগত উত্তৰ দিব লাগিব। যদি ঈশ্বৰ নাই তেনেহ'লে আমি যি মন যায় তাকে কৰি যাব পাৰো, আমাৰ কামৰ বাবে ঈশ্বৰে আমাক বিচাৰ কৰিব বুলি কোনো ভয় নকৰাকৈ। সেইবাবে ঈশ্বৰৰ অস্তিত্বক অস্বীকাৰ কৰা বহুতে প্ৰাকৃতিক বিৱৰ্তনৰ সূত্ৰটোকে জোৰকৈ খামুচি ধৰি থাকে। ই তেওঁলোকক ঈশ্বৰৰ অস্তিত্ব অগ্ৰাহ্য কৰাবলৈ বাধ্য

কৰে। আচলতে ঈশ্বৰৰ অস্তিত্ব প্ৰমাণ কৰিব নোৱাৰি বা নাই বুলিও প্ৰমাণ কৰিব নোৱাৰি। কিন্তু বিজ্ঞানে ঈশ্বৰৰ অস্তিত্ব স্বীকাৰ নকৰে। ঈশ্বৰৰ বিশ্বাস এক শিশুসুলভ বিশ্বাস, যি পৰকালত মানুহক নানা শাস্তিৰ ভয় দেখুৱায় আৰু ভয়তে মানহৰ ঈশ্বৰ সম্পৰ্কীয় প্ৰশ্ন কৰাৰ সাহস হেৰাই যায়। অজ্ঞতাৰ পৰা জন্ম হয় ঈশ্বৰ, দেৱতা, অপদেৱতাৰ ধাৰণাবোৰ। অজ্ঞতাৰ পৰাই জন্ম লাভ কৰে ভয়ে আৰু এই অচিন ভয়ৰ পৰা পৰিত্ৰাণ পোৱাৰ আগতেই এক অজানা শক্তিৰ ওপৰত নিৰ্ভৰ আৰু সেই অজানা অচিনাকি শক্তিয়েই ঈশ্বৰ। মানুহৰ হাতত যেতিয়া কোনো ঘটনাৰ প্ৰকৃত ব্যাখ্যা নাথাকে বা সেই ঘটনাৰ কাৰ্যকাৰণ সূত্ৰটো বুজি উঠিব নোৱাৰে তেতিয়া এজন কল্পিত ঈশ্বৰ বা এটা কল্পিত কাৰণ যুগে যুগে সজাই তোলে। মানুহে যেতিয়াই অসহায় দুৰ্বল অৱস্থাত পৰে আৰু সেই অসহায় অৱস্থাৰ পৰা ওলাই অহাৰ কোনো পথৰ সন্ধান নাপায় তেতিয়াই মানুহে কাল্পনিক ঈশ্বৰৰ নিৰ্ভৰ কৰি মানসিকভাৱে শক্তিশালী হ'ব খোজে। মানুহৰ স্বাভাৱিক কথোপকথনৰ মাজতেই তাৰ প্ৰভাৱ দেখা যায়। যেতিয়াই মানুহ কিবা এটা বিষয়ত সন্ধিহীন হয় তেতিয়া প্ৰায়ে কোৱা শুনো- “ঈশ্বৰেহে জানে আৰু।” যেতিয়া মানুহ অসহায় দুৰ্বল এক পৰিস্থিতিৰ সন্মুখীন হয়, তেতিয়াই শেষ ভৰষা হিচাপে ঈশ্বৰৰ নাম লয়। বিশ্ববিখ্যাত বিজ্ঞানী আইনষ্টাইনে ১৯৫৪ চনত Eric Gutkind লৈ লিখা এক পত্ৰত ধুনীয়াকৈ বৰ্ণনা কৰিছে-

"The word God is for me nothing more than the expression and product of human weaknesses, the Bible a collection of honourable. but still primitive legends which are never theless preety childish.

এয়া হ'ল মানুহৰ ঈশ্বৰ ভাৱনাৰ উৎপত্তি আৰু বিৱৰ্তন সম্পৰ্কে কিছু সৰল ধাৰণা। একো একোটা সময়ত একো একোজন মানুহে নিজা নিজা কল্পনাৰে একো একোটা বিশেষ ধাৰণাক গ্ৰহণ কৰাৰ পাছত সেই ধাৰণাকে সঁচা বুলি প্ৰসাৰ আৰু প্ৰচাৰ ঘটায়, ফলত জন্ম লাভ কৰে বিভিন্ন মতবাদ, ধৰ্মবিশ্বাস, অন্ধবিশ্বাসৰ। এনেদৰে কোনো এটা ধৰ্মবিশ্বাসক মানুহ এচামে খামুচি ধৰে, নতুন নতুন শিশুবোৰ জন্মৰ পিছৰে পৰাই সেই ধাৰণাবোৰৰ মাজত বাঢ়ি উঠে। ফলত সেই ধাৰণাই এটা সময়ত তাৰ মাজত বিশ্বাসৰ ৰূপ লয়। আটাইতকৈ ডাঙৰ কথাটো হ'ল এই ধৰ্মবিশ্বাসবোৰ এটা প্ৰজন্মৰ পৰা আনটো প্ৰজন্মলৈ গুছি যায়। কোনোৱে নাজানে এই ধাৰণাৰ পক্ষে কিবা যুক্তি আছেনে নাই, কিবা প্ৰমাণ আছেনে নাই, তাৰ পিছতো এই ধাৰণাবোৰ চলিয়েই থাকে অবিৰামভাবে। এনেকৈয়ে এটা সময়ত এই সৰল ঈশ্বৰ চিন্তাই মানুহৰ মগজুত এনেদৰে প্ৰভাৱিত কৰে যে সেই বিশ্বাসৰ বিৰোধিতা কৰি আনকি হত্যা পৰ্যন্ত কৰিবলৈ কুণ্ঠাবোধ নকৰে। তেতিয়া আৰু ভাল বেয়াটো বিচাৰ কৰি গ্ৰহণ-বৰ্জন কৰা সুবুদ্ধিখিনিও হেৰুৱাই পেলাই মানুহে।

প্ৰায়েই বিজ্ঞান আৰু ধৰ্মৰ সমন্বয়ৰ কথা লৈ বহুতেই কয় যে ধৰ্মীয় বিধি বিধানবোৰৰ মাজত আছে বিজ্ঞানসন্মত কাৰণ যদিও বিজ্ঞান আৰু ধৰ্মবিশ্বাসৰ ইতিহাসৰ সমন্বয় নহয়, ইয়াৰ ইতিহাস ৰক্তাক্ত। যীশুখ্ৰীষ্টৰ জন্মৰ পাঁচশ বছৰ আগতে পাইথাগোৰাছে এণাকু চিমণ্ডৰ দৰে অনুসন্ধিৎসু দাৰ্শনিকসকলে যেতিয়া পৃথিৱীক সূৰ্যৰ চাৰিওফালে প্ৰদক্ষিণ কৰা আন আন গ্ৰহৰ দৰেই এটি গ্ৰহ মাত্ৰ বুলি মানৱ জাতিক বিজ্ঞানসন্মতভাৱে সত্যৰ ফালেই পতিয়ন নিবলৈ চেষ্টা কৰিছিল। তেতিয়া এই ধৰ্মবিৰোধী এই মতামত প্ৰকাশৰ বাবে তেওঁলোকে সহিবলগীয়া হৈছিল ধৰ্মবিশ্বাসীৰ প্ৰবল নিৰ্যাতন। পিছলৈ বাইবেল বিৰোধী সূৰ্যকেন্দ্ৰিকতত্ত্ব প্ৰচাৰৰ বাবেই কপাৰ্নিকাছ, গেলিলিঅ' বা ব্ৰুনোক কিদৰে অত্যাচাৰ চলোৱা হৈছিল তাৰ সাক্ষী আমাক ইতিহাসে দিয়ে। ব্ৰুনোক আনকি জুইত পুৰি মাৰিয়েই পেলাইছিল ঈশ্বৰে এই সুপুত্ৰসকলে। ইয়াৰ পিছতো কিন্তু পৃথিৱীক সূৰ্যৰ চাৰিওকাষে ঘূৰাৰ পৰা ৰখাব পৰা নাই ধৰ্ম বিশ্বাসীসকলে। ষোড়শ শতিকাৰ চুইজাৰলেণ্ডৰ বেচেল বিশ্ববিদ্যালয়ৰ ৰসায়ণ শাস্ত্ৰৰ অধ্যাপক ফিলিপ্ৰাছ পাৰাছেলছাচে ঘোষণা কৰিলে যে পাপৰ ফল বা





কিবা অশুভ শক্তিৰ প্ৰভাৱত মানুহৰ ৰোগ নহয়, অসুস্থতাৰ প্ৰকৃত কাৰণ হ'ল- জীৱাণু, যাক কেৱল সঠিক প্ৰয়োগৰ দ্বাৰাই নাশ কৰিব পাৰি। তেখেতৰ এই তত্ত্ব শুনি ধৰ্মবিশ্বাসী ধ্বজাধাৰীসকলে তেখেতৰ ওপৰতো স্বাভাৱিকভাৱে খৰ্গহস্ত হৈ পৰিল। সমাজৰ বাবে ক্ষতিকাৰক ধৰ্মবিৰোধী মতবাদ প্ৰচাৰৰ বাবে তেখেতক মৃত্যুদণ্ডৰে দণ্ডিত কৰিছিল। আচলতে ধৰ্মবিশ্বাসীসকল এনেকুৱাই, প্ৰচলিত ধাৰণাৰ পৰা ইঞ্চিমানে লৰচৰ নকৰে। আজিও আনকি এই মানসিকতাৰ লেখত লবলগীয়া পৰিবৰ্তন হোৱা নাই।

কিবা এটা বিশ্বাসত বিশ্বাসী আৰু অবিশ্বাসীসকলৰ মাজত যুক্তিযুদ্ধ আৰু তৰ্কাতৰ্কি বিশ্বৰ সকলো সমাজতে সততে হোৱা দেখা যায়। যিবোৰ তৰ্কৰ ধৰণ প্ৰায় একেই ভূত খেদা ওজাৰ নিজে ভূত পোহা দাবীৰ লগত এজন ভূত বিশ্বাস নকৰা ব্যক্তি বিশেষৰ তৰ্কতৰ্কিৰ দৰেই। সেই তৰ্কবোৰ সাধাৰণতে এনেধৰণৰ ব্যক্তিবিশেষঃ আপুনি যে আমাক বিশ্বাস কৰিবলৈ কৈছে যে আপোনাৰ লগত ভূত থাকে... এতিয়া প্ৰমাণ দিয়কচোন...। ওজাঃ আপুনি যে কৈছে, মোৰ লগত ভূত নাথাকে.....আপুনি সেয়া প্ৰমাণ কৰিব পাৰিব? ব্যক্তিবিশেষঃ যিহেতু আপুনিহে ভূত থকাৰ দাবী কৰিছে সেয়ে আপুনিহে প্ৰমাণ দিব লাগিব। ওজাঃ কিন্তু আপুনিয়েইটো এতিয়া দাবী কৰিছে যে ভূত নাই। আপুনি প্ৰমাণ দিয়ক...। এই ওজাজনৰ দৰেই বহুতেই ঈশ্বৰবিশ্বাসৰ আৰু অবিশ্বাসৰ তৰ্কৰ মাজতো এনেধৰণৰ যুক্তি উত্থাপন কৰে। তেওঁলোকে পিছে বুজিবই নিবিচাৰে যে সেই একেই যুক্তিত বহু সহজতেই ভূত-প্ৰেত, দেওঁ-দানৱ, আল্লাহ-ভগৱান আদি সকলোবোৰে আছে বুলি দাবী কৰা যায়। আচলতে যিসকল আস্তিক, তেওঁলোকেও ভালকৈয়ে জানে যে তাৰ ঈশ্বৰ আছে কেৱল বিশ্বাসতহে, যুক্তিত নহয়। তেওঁলোকে কেৱল বিশ্বাসৰ বাবেই দাবী কৰে যে ঈশ্বৰ আছে। ইয়াৰ বিপৰীতে বিজ্ঞানে একমাত্ৰ প্ৰমাণৰ ওপৰতহে কিবা আছে বা নাই বুলি দাবী কৰিব পাৰে। যিহেতু বিজ্ঞানে অতি প্ৰাকৃত বিষয় অৰ্থাৎ যি প্ৰকৃতিৰ বিভিন্ন নিয়মৰ বহিৰ্ভূত পৰিঘটনা তাক অস্বীকাৰ কৰে। সেয়েই ঈশ্বৰৰ অস্তিত্ব নাই বুলি প্ৰমাণ কৰাটো বিজ্ঞানৰ কাম নহয়।

ঈশ্বৰ বিশ্বাস আৰু ধৰ্মৰ এটা সময়ত সামাজিক প্ৰয়োজন আছিল। মানৱ সভ্যতাৰ এটা পৰ্যায়ত সামাজিক শৃংখলা আৰু নৈতিকবোধ নিৰ্মাণৰ বাবেই ধৰ্মৰ প্ৰয়োজন আছিল। ধৰ্ম সেই সময়ত এটা গোত্ৰৰ আভ্যন্তৰীণ শৃংখলা আৰু সামাজিক ৰীতি-নীতি নিৰ্ধাৰণত মুখ্য ভূমিকা পালন কৰিছিল। গোত্ৰভিত্তিক সংঘবদ্ধতাৰ যুগ মানৱ জাতিয়ে কেতিয়াবাই পাৰ কৰি আহিছে। সেয়ে হাজাৰ হাজাৰ বছৰ পুৰণি বাইবেল, কোৰাণ, বেদ আদি ধৰ্মগ্ৰন্থবোৰৰ বাণীবোৰতকৈ স্বামী বিবেকানন্দ, আজান ফকিৰৰ মানৱতাবাদী বাণীবোৰহে বেছি প্ৰাসংগিক। আজিৰ যুগত ধৰ্মতকৈ গুৰুত্বপূৰ্ণ ইচ্ছ্যু হ'ল মানৱিকতা। মানৱিকতাক ধৰ্ম অধৰ্ম সকলো বিবাদৰ উৰ্ধত ৰখাটো আটাইতকৈ যুক্তিসংগত। পিছে সকলো ধৰ্মগ্ৰন্থতে নিৰৰ্থক কথাৰ লগতে মানৱ জাতিৰ বাবে কল্যাণকামী কিছু বাণী আছে যিবোৰ আমি ঈশ্বৰক অস্বীকাৰ কৰিও নিঃসংকোচে পালন কৰিব পাৰো। সকলোৰে যদি ধৰ্মৰ ভালখিনি বাছি লৈ বেয়াখিনি পৰিত্যাগ কৰে। তেতিয়া আমাৰ সমাজত মানৱতাৰ অস্তিত্ব জীয়াই থাকিব। ভগৱানৰ আশ্ৰয় লৈ একাংশ লোকে সমাজখনক যিদৰে ধ্বংসৰ মুখলৈ ঠেলিছে সেয়া চিন্তনীয়। ধৰ্ম আৰু সমাজৰ পৰা মানুহৰ এই কুকাৰ্যবোৰ নোহোৱা কৰাৰ সময় সমাগত।

ভগৱান, আল্লাহৰ, অস্তিত্বক বিজ্ঞানে কেতিয়াও মানি নলয়। ই হ'ল এক বিশ্বাস। যি বিশ্বাসে এখন সমাজ ভাঙিবও পাৰে আৰু গঢ়িবও পাৰে। ভগৱানৰ বিশ্বাসক আমি অন্ধবিশ্বাসৰ সাগৰখনৰ পৰা উদ্ধাৰৰ চেষ্টা কৰিব লাগিব অন্যথা এদিন ধৰ্মান্ধতাই মানৱ জাতিৰ বাবে অন্ত মাতি আনিব। যিয়ে মানৱ জাতিৰ পূৰ্বে নিঃশেষ কৰি লৈ যাব মানৱীয়তাৰ অস্তিত্ব। মানৱ জাতি থকালৈকে ধৰ্মও থাকিব, কেৱল সেই ধৰ্ম হ'ব আজিৰ ধৰ্মৰ বিৱৰ্তিত ৰূপ। ধৰ্ম অন্ধবিশ্বাসৰ পৰা আমি ধৰ্মবিশ্বাসী আৰু মানুহ হ'বলৈ প্ৰথমে শিকিব লাগিব। আমি প্ৰকৃতিৰ নিয়মৰ মাজেৰে আগুৱাই যাব লাগিব, আমি অন্ধতাৰ মাজেৰে নহয়, সত্যৰ বাটেৰে মানৱ জাতিৰ অস্তিত্বক নিস্তব্ধ কৰিব লাগিব। এয়া মাথো সম্ভৱ হ'ব মোৰ, আপোনাৰ মাজত থকা মানৱীয়তা গুণ আৰু সু-চিন্তাৰ পথেৰে...।



# ধৰ্ম, বিজ্ঞান আৰু অন্ধবিশ্বাস

- ৰাজ দাস
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ
বিজ্ঞান শাখা

লক্ষ্য, লক্ষ্যপথ, দৰ্শন তথা যুক্তি কিছু ক্ষেত্ৰত ভিন্ন ভিন্ন। তথাপি গতিশীলতাক সহোদৰ কৰি বিবেকৰ বোকোচাত উঠি, ধৰ্ম আৰু বিজ্ঞানে হাতে হাত ধৰি যাত্ৰা কৰাৰ সপক্ষে আমি কিন্তু অন্ধবিশ্বাসক এৰি চলি অপ্ৰয়োজনীয় ক্ষতিকাৰক সম্পৰ্কবোৰ আমিহে গঢ়ি তুলিছো ধৰ্ম, বিজ্ঞান আৰু অন্ধবিশ্বাসক একেটা ঘাটতে পানী খুৱাই। প্ৰশ্ন হয় আমাক ধৰ্ম কিয় লাগে? আমাৰ প্ৰকৃত ধৰ্ম কি হোৱা উচিত? আমাৰ চিনাকি কিহেৰে হোৱা উচিত, ধৰ্মৰ মাজেৰে নে মানৱতাৰ মাজেৰে? ব্যক্তিগত দিশৰ পৰা কব খুজিলে কম মানৱতাই প্ৰকৃত ধৰ্ম। মানবীয়তা নামৰ ধৰ্মত আমি দীক্ষিত হোৱা উচিত।

ধৰ্ম থাকক অসুবিধা নাই। কিন্তু আমি মনোকষ্ট পাওঁ তেতিয়া যেতিয়া ধৰ্মৰ মতে মিতিৰালি কৰি অন্ধবিশ্বাসে খোপনি পোতে আমাৰ শিক্ষিতসকলৰ মন মগজুত। খুলি খুলি খাই আমাৰ সমাজখনক। স্কুলত এজন শিক্ষকে প্ৰায়ে এষাৰ কথা আওৰাইছিল আমাৰ সন্মুখত 'শিক্ষিত হোৱাৰ লগে লগে তাৰ সমান ভাবে জ্ঞানী তথা সত্যানুসন্ধানী হ'বলৈও চেষ্টা কৰা যাতে সমাজখনক নিকা কৰি ৰাখিবলৈ সক্ষম হোৱা।' একবিংশ শতিকাত বিজ্ঞান উন্নতিৰ শিখৰত প্ৰতিষ্ঠিত হৈছে। কিন্তু বিজ্ঞানৰ এই উন্নতিৰ পৰম সমাজত কিমান যোগাত্মক আৰু কিমান ঋণাত্মকভাৱে গভীৰতম দিশলৈ ধাৱমান হৈছে সেয়াহে লক্ষণীয়। আচলতে যন্ত্ৰ সদৃশ জীৱনৰ সাধাৰণ দৃষ্টিৰ পৰা কিছু আঁতৰি এখন নিজস্ব সতেজ পৃথিৱী গঠন কৰি কিছু কথা হৃদয়ংগম কৰাৰ দৰকাৰ বুলি মনে ধৰে।

অন্তত আজিৰ এই উচ্ছৃংখল পৰিস্থিতিত। কেতিয়াবা এনে ভাৱ হয় ধৰ্মৰ যাত্ৰা যিটো গন্তব্যস্থানত স্থগিত হয় তাৰ পৰা আৰম্ভ হয় এখন নতুন পৃথিৱী, এয়াই বিজ্ঞান। কিছু যোগাত্মকতা কিছু ঋণাত্মকতাৰে ভৰপূৰ এগৰাকী আবেদনময়ী নাৰীৰ দৰে এই জগতখন। কিছুসংখ্যকে ইয়াৰ প্ৰেমত পৰি আজীৱন সেৱা কৰি ৰয়। এই পৃথিৱীৰ আনহাতে এচামে প্ৰতাৰিত প্ৰেমৰ যন্ত্ৰনাত আকোৱালি লয় ঋণাত্মকতাক যাৰ অন্য এক নাম 'সন্ত্ৰাস'।

এই বিজ্ঞানৰ জগতখনৰ শেষ হোৱা যাত্ৰাৰ পৰা আৰম্ভ হয় এখন অভিশপ্ত কলা পৃথিৱী যাৰ নাম অন্ধবিশ্বাস। ঘাই শিপা কি এইখন পৃথিৱীৰ? অসত্যৰ প্ৰতি থকা ভয় তথা সহানুভূতি লগতে সত্যানুসন্ধানী মানসিকতাই সাৰ পানী যোগান ধৰে। এই পৃথিৱীখনৰ উত্থানত। অন্ধবিশ্বাসৰ বাহক মানুহৰ মনৰ ঋণাত্মক চিন্তাধাৰাবোৰ আমি নিঃশেষ কৰিব লাগিব প্ৰকৃত সত্যক প্ৰতিষ্ঠা কৰি অসত্যৰ সন্মুখত। ডাইনী হত্যা, চিৰপৰিচিত এটি শব্দ। সৰুৰে পৰা লক্ষ্য কৰি আহিছো বহু আন্দোলন, বহু সমদল হৈছে ডাইনী হত্যাৰ বিৰোধিতা কৰি, কিমান দূৰ সফল? চেলেংপেতেং ভাষণ হাতত বেনাৰ লৈ অন্ধবিশ্বাসীক শুদ্ধ পথলৈ আনিব বিচৰাটো কিমানদূৰ যুক্তিকৰ নাজানো। তাৰ পৰিৱৰ্তে আমি শিক্ষিতসকলে সত্য উদ্‌ঘাটনৰ প্ৰতি আগ্ৰহী কিয় হব নোৱাৰো। সমাজখনৰ মানুহখিনিয়ে মহিলাগৰাকীক কিয় ডাইনী সজাইছে তাৰ প্ৰকৃত কাৰণ উদ্‌ঘাটন কৰি তাক ন্যাস্যাৎ কৰি মানুহৰ মনত সত্য প্ৰতিষ্ঠা কৰিব পৰাটোহে আমাৰ শিক্ষিত হোৱাৰ পৰিচয়। যেতিয়াই বিজ্ঞানৰ যোগাত্মক দিশৰ সতেজ পৰম অন্ধবিশ্বাসৰ ওপৰত পৰিব তেতিয়াই সত্যৰ উত্তাপত ছাই হৈ যাব (অন্ধ+বিশ্বাস) অন্ধবিশ্বাস।

কেতিয়াবা ভাৱ হয় সকলোবোৰ ঋণাত্মকতা আমিবোৰেই উদ্‌ঘাটন কৰো। বিজ্ঞানৰ সকলোবোৰ অৱদান সমাজৰ যোগাত্মকতাৰ বাবে কৰা হৈছিল। কিন্তু কুচিন্তাৰ ভড়াল আমিবোৰেই খুচৰি মুচৰি ঋণাত্মকতাক সিঁচি দিলো সমাজত।

ধৰ্ম এক অতি শক্তিশালী শব্দ, অৱশ্যে কেতিয়াবা ই হৈ উঠে অসহ্যকৰ। কেতিয়াবা মন যায় ধৰ্মৰ নামতবিভেদ প্ৰক্ৰিয়াক নিঃশেষ কৰি পেলাব। অন্ধবিশ্বাসে যেতিয়া বিজ্ঞানক গতা মাৰি ধৰ্মৰ লগত একেখন কাঁহীৰে ভাত খায় তেতিয়াই আৰম্ভ হয় পয়মাল। তেতিয়াই আৰম্ভ হয় ধৰ্মৰ নামত ব্যাভিচাৰ। প্ৰশ্ন মাথো এটাই আমি ধাৰ্মিক নে ধৰ্মভীৰু? ধৰ্মৰ প্ৰতিশব্দ যেন হৈ পৰিছে বেপাৰ। এখন ৰমৰমীয়া বেহা চলে ধৰ্মৰ নামত। এই বেপাৰখনৰ এজেন্ট হৈছে আমাৰ কাল্পনিক ব্যক্তিত্ববোৰ। আচলতে আমিবোৰ বৰ ভয়াতুৰ। আমি আমাৰ ভয়ক সম্ভ্ৰান্তভাৱে ভক্তি আখ্যা দিও। আচলতে অপ্ৰিয় সত্য এয়াই যে ভক্তিৰ কোনো এটা কোণত ভয়ৰ অস্তিত্ব থাকেই। এই ভয়ৰ বীজৰোপণ কৰে আমাৰ ধৰ্মভীৰু অগ্ৰজসকলে। আচলতে ভগৱানেই হওক বা আল্লাই হওঁক ই আমাৰ মনত থিতাপি লোৱা আমাৰ এক নিজস্ব শক্তি। ইয়াতকৈ আগুৱাই গৈ যদি আমি ভগৱান মানে কিবা অন্য অৰ্থ উলিয়াব বিচাৰো তেতিয়া এই দৃষ্টিভংগী আমাৰ বাবে হৈ পৰে ঋণাত্মক। এই ঋণাত্মক দৃষ্টিভংগীয়ে আমাৰ মনত জন্ম দিয়ে অন্ধবিশ্বাস আৰু ইয়াৰ কুপ্ৰভাৱতে ক্ষতিগ্ৰস্ত হয় আমাৰ মানসিকতা তথা বৈজ্ঞানিক দৃষ্টিভঙ্গী।

আমাৰ বিশ্বাস নৱ প্ৰজন্মৰ সুস্থ চিন্তাৰ শক্তিশালী তথা যোগাত্মক পৰসত ধ্বংস হ'ব অন্ধবিশ্বাস নামৰ এই জগতখন। সঠিক পৰিৱেশ, সুস্থ চিন্তা সমৃদ্ধ সুন্দৰ সমাজ এখন আমাৰ কাম্য।



**বিল্বেশ্বৰ দেৱালয় ঃ** 'প্ৰত্ৰোৰ্ণা' অৰ্থাৎ পাটপলুৰ উৎপাদনৰ বাবে বিখ্যাত অতীজৰ সুবৰ্ণকুজৰ বৰ্ত্তমানৰ নাম হ'ল সোণকুৰিহা। বৰ্ত্তমান সমতলৰ যোল্ল ফুট তলত থকা বুলি বিশ্বাস কৰা হয়। অসমৰ বিখ্যাত ডাইনাপালি প্ৰভাত হাঁলে ৰচিত বিল্বেশ্বৰ দেৱালয়ৰ পদ্যৰ আদিকথাত উল্লেখ কৰা মতে পাহাৰত শিলাৰূপী শিৱ আৱিৰ্ভূত হ'ব'ৰ সময়ত ৰজা আছিল নাগাক্ষা (নাগশংকৰ)। এইজনা ৰজাই শিলামূৰ্তিটো বিলব পাহাৰৰ পৰা উঠাই নি নিজৰ ৰাজকীয় মন্দিৰত স্থাপন কৰিবলৈ চেষ্টা কৰিছিল যদিও চাৰিটা হাতী ব্যৱহাৰ কৰিও বিফল হয়। পিছলৈ নাগাক্ষ ৰজাই ১৫২৯ খৃষ্টাব্দত সেই ঠাইতেই এটা মন্দিৰ নিৰ্মাণ কৰে।

শিল্পকলা



# অসমৰ স্থাপত্য ভাস্কৰ্য

- বনস্মিতা ডেকা
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

প্ৰাচীন অসমত স্থাপত্য শিল্প চৰ্চা আৰু অলেখ নিদৰ্শনৰ বিষয়ে তাম্ৰশাসন আৰু সাহিত্যিক সমলবোৰৰ পৰা জনা যায়। বিশেষকৈ ৰাজধানী প্ৰাগজ্যোতিষপুৰ, ইটপেশ্বৰ আৰু দুৰ্জয়া নগৰীত (প্ৰাগজ্যোতিষ কামৰূপৰ বিভিন্ন সময়ৰ ৰাজধানী) বৃহৎ অট্টালিকা, বাট-পথ, গড়-খাৱৈ, মঠ-মন্দিৰ আদি নিৰ্মাণ সম্পৰ্কে এই উৎসসমূহত উল্লেখ পোৱা যায়। কিন্তু এই স্থাপত্যসমূহৰ সৰহভাগেই এতিয়া ধ্বংস প্ৰাপ্ত হৈছে আৰু থকাখিনিও ধ্বংসমুখী অৱস্থাত আছে। এই ধ্বংসৰ মূলতে জলবায়ু আৰু সঘনে হোৱা ভূমিকম্প। সেয়া যি কি নহওঁক খৃঃ প্ৰথম শতিকাৰ পৰা খৃঃ ত্ৰয়োদশ শতিকাৰ ভিতৰত নিৰ্মিত স্থাপত্য-ভাস্কৰ্য নিদৰ্শনৰ অৱশেষ অসমৰ বিভিন্ন ঠাইত আৱিস্কাৰ হৈছে।

অসমৰ ভাস্কৰ্যক সাধাৰণতে দুই ভাগত ভাগ কৰা হৈছে। যেনে, (১) প্ৰাক্ আহোম যুগ (৫, ৬ আৰু একাদশ শতিকা) আৰু (২) আহোম যুগ (১৩, ১৪ শ শতিকা- ১৭ শ শতিকা)।

**১) প্ৰাক্ আহোম যুগৰ ভাস্কৰ্য ঃ**

প্ৰাক্ আহোম যুগৰ ভাস্কৰ্যৰ সময় কাল হ'ল ৫ম, ৬ষ্ঠ-১১শ শতিকালৈকে ধৰা হয়। এই সময়ত উল্লেখযোগ্য ভাস্কৰ্য হ'ল তেজপুৰৰ ওচৰৰ দহপৰ্বতীয়া গাঁৱত অৱস্থিত শিলৰ দুৱাৰ (Stone door fram)। এই শিলৰ দুৱাৰখনৰ ভাস্কৰ্য আৰু কাৰুকাৰ্য দেখি প্ৰত্নতাত্বিকসকলে ঠিৰাং কৰিছে যে ই শেষ গুপ্তযুগৰ ষষ্ঠ শতিকাত নিৰ্মিত হৈছিল। দুৱাৰৰ স্তম্ভৰ তলভাগত প্ৰতিহাৰীসকলৰ সৈতে গংগা-যমুনা মূৰ্ত্তি স্তম্ভৰ ওপৰ ভাগত মংগলবিহঙ্গ উৰন্ত হাঁহ চৰাই, ইয়াৰ উপৰিও ফুলাৱলী, পত্ৰাৱলী, মূৰ্ত্তিৰ লয়লাস, ৰূপ লাৱণ্য দেহভংগী আদিৰ সূক্ষ্ম কাৰুকাৰ্য্যৰ পৰা এই দুৱাৰখনি অসমৰ ভাস্কৰ্যৰ এটি উৎকৃষ্ট নিদৰ্শন বুলি ক'ব পাৰি। আনহাতে অসমৰ এইখন প্ৰাচীনতম ভাস্কৰ্য। ইয়াৰ উপৰিও প্ৰাক্ আহোম যুগৰ ভাস্কৰ্য অসমৰ বিভিন্ন ঠাইত দেখা পোৱা যায়।

গুৱাহাটীৰ কামাখ্যা পাহাৰত ভালেমান মূৰ্ত্তি ভাস্কৰ্য পোৱা হৈছে। এই পাহাৰৰে ডাঙৰ শিল এডোখৰত কটা ভৈৰৱ মূৰ্তি, মন্দিৰৰ পশ্চিমফালৰ তোৰণত থকা বেনু গোপালৰ মূৰ্তিখন শৰীৰৰ অংগ-প্ৰত্যংগৰ সৌন্দৰ্যৰ ফালৰ পৰা অতুলনীয়। ইয়াৰ বাহিৰেও এই তোৰণৰ কেইটামান ধুনীয়া মূৰ্তি আছে। তাৰ ভিতৰত মাক আৰু কেঁচুৱা, ধনুধাৰী ইত্যাদি উল্লেখযোগ্য। গুৱাহাটী আৰু ইয়াৰ ওচৰ পাজৰত নানা ধৰণৰ মূৰ্তি দেখিবলৈ পোৱা যায়। শুক্ৰেশ্বৰ পাহাৰৰ ব্ৰহ্মপুত্ৰৰ ফালে মুখ কৰি থকা এচটা শিলত একেলগে থকা গণেশ, বিষ্ণু জনাৰ্দন, মূৰ্ধ দুৰ্গা শিৱ অথবা মুণিৰ মূৰ্তি কেইটা মন কৰিবলগীয়া। এই মূৰ্তিবোৰৰ সময় ৯ ম, ১০ ম শতিকা বুলি অনুমান কৰা হৈছে। গুৱাহাটীৰ উত্তৰ পাৰৰ অশ্বক্ৰান্তা মন্দিৰৰ উপাস্য দেৱতা অনন্তশায়ী বিষ্ণুৰ মূৰ্তি বিশেষভাৱে উল্লেখযোগ্য। নগাওঁ জিলাৰ অন্তৰ্গত ডবকা, দেৱস্থান আদিত ভালেমান মূৰ্তি পোৱা গৈছে।

গোলাঘাট মহকুমাৰ দেওপানীত পোৱা বিষ্ণু আৰু হৰিহৰৰ মূৰ্তি বিশেষভাৱে উল্লেখযোগ্য। এইবোৰ নৱম শতিকাত নিৰ্মাণ কৰা হৈছিল। ইয়াৰ উপৰিও কামৰূপ জিলাৰ বাইহাটা চাৰিআলিৰ ওচৰত মদন কামদেৱ মন্দিৰত অতি উচ্চমান বিশিষ্ট মূৰ্তি পোৱা গৈছে আৰু গোৱালপাৰা জিলাৰ সূৰ্য্য পাহাৰত বহুতো উল্লেখনীয় মূৰ্তি পোৱা গৈছে। এই মূৰ্ত্তিবোৰেই অসমৰ প্ৰাক্ আহোম যুগৰ উৎকৃষ্ট ভাস্কৰ্যৰ উৎকৃষ্ট নিদৰ্শন।

**২। আহোম যুগ ঃ**

১৩শ শতিকাৰ পৰা ১৫শ শতিকালৈ অসমৰ ইতিহাস আন্ধাৰ যুগ বুলি ক'ব পাৰি। এই সময়ছোৱাত অসমৰ ৰাজনৈতিক, আৰ্থিক আৰু আধ্যাত্মিক অৱস্থাৰ অৱনতি হৈছিল। দেশৰ এনেকুৱা বিশৃঙ্খল অৱস্থাত কৃতি শিল্পী সকলও লোপ পায়। ফলত শিল্পৰ অৱনতি ঘটে। ১৬শ শতিকাত আহোম আৰু কোচ বংশৰ শক্তিশালী ৰজাৰ শাসনত অসমত শান্তি শৃংখলা বিৰাজ কৰিছিল। এই ৰজাসকলৰ অনুগ্ৰহত ঠায়ে ঠায়ে মঠ-মন্দিৰ গঢ়ি উঠিছিল। এই মন্দিৰবোৰৰ গা শিলৰ অথবা আৰু সৌন্দৰ্যৰ ফালৰ পৰা এই মূৰ্তিবোৰ নিম্নস্তৰৰ। এই যুগৰ এটা মন কৰিবলগীয়া কথা এয়ে যে এই যুগৰ ব্ৰহ্মাৰ দাড়ি নাই আৰু বাহনৰ আৰোহীসকল দেৱতাসকল অনুসাৰে ডাঙৰ। এই যুগৰ শিল্পসমূহক আকৌ বিভিন্ন ভাগত ভগোৱা হৈছিল-

(ক) **অসমৰ লোক শিল্প ঃ** লোক শিল্পকলা বা লোক চিত্ৰকলা হ'ল- গাঁৱলীয়া সমাজৰ দৰ্শন। মূলতঃ কৃষি ভিত্তিক সামাজিক ব্যৱস্থা এই শিল্পৰ ভিত্তি। গাঁৱলীয়া মানুহৰ দৈনন্দিন জীৱন যাত্ৰা, বিভিন্ন আচাৰ ব্যৱহাৰ অনুষ্ঠান,পূজা-পাৰ্বন, মেলা এই সকলোবোৰক কেন্দ্ৰ কৰি যি শিল্পৰ সৃষ্টি হৈছে তাক লোকশিল্প বোলে। বৰ্তমান মাজুলীক অসমৰ লোককলাৰ ভঁৰাল বুলি ধৰা হয়। অসমৰ মুখা শিল্প আৰু পোৱা মাটিৰ ভাস্কৰ্য লোক শিল্পকলাৰ উৎকৃষ্ট নিদৰ্শন।

**খ) মুখা শিল্প (Mask making)** ঃ আকৃতি সলাবৰ কাৰণে কোনো বিশেষ আকৃতিৰ মুগা মুখত পিন্ধিবলৈ সজা কামকে মুখাশিল্প বোলা হয়। এই মুখবোৰ বাঁহ, কাঠ, বেত, কাপোৰ, ডাঠ কাগজ, কুমাৰৰ মাটি আদিৰে সজা হয়। মুখা শিল্পক আধুনিক ৰূপ দিবলৈ প্লাষ্টিক, কাগজৰ মণ্ড আদি ব্যৱহাৰ কৰা হয়। সাধাৰণতে বাহৰ মিহ দেৰে ধানৰ বীজ থবলৈ ব্যৱহাৰ কৰা টোমৰ আৰ্হিত মুখাবিলাক কৰা হয়। বাহৰ জকাটোৰ ওপৰত কাপোৰেৰে মেৰাই তাৰ ওপৰত মাটিৰ প্ৰলেপ দি ভালদৰে শুকাবলৈ দি এনামেল পেইন্ট কৰা হয়। মুখাবোৰ চকুৰে সৈতে মিলা স্থানত এটা বা দুটা ফুটা কৰা হয়। যাৰ সহায়ত অভিনেতাসকলে মঞ্চত পদ সঞ্চালন কৰিবলৈ সুবিধা পায়। ডাঙৰকৈ সজা মুখাবোৰক চৌমুখাত বোলা হয়।

**গ) অসমৰ পোৰামাটিৰ ভাস্কৰ্য** ঃ অসমৰ পোৰামাটিৰ ভাস্কৰ্য্যৰ নিদৰ্শন অসংখ্য। এইবোৰৰ ভিতৰত পুৰুষ-তিৰোতা, জন্তু চৰাই আদিৰ চিত্ৰ বেছি হলেও দেৱ-দেৱীৰ মূৰ্তি কম নহয়। বেছিভাগ মূৰ্তি মন্দিৰৰ গাত ফলক হিচাপে ব্যৱহাৰ কৰা দেখা যায়। ১৯২৬ চনৰ তেজপুৰত দহপৰ্বতীয়া গাঁৱত কেইটিমান ধুনীয়া পোৰামাটিৰ মূৰ্তি পোৱা গৈছিল। এইবোৰত মানুহৰ ধুনীয়া প্ৰতিকৃতি অঙ্কিত কৰা আছে। এই মূৰ্তিবোৰত গুপ্ত শিল্পৰ প্ৰভাৱ দেখা যায়। গতিকে ষষ্ঠ শতিকাৰ বুলি ক'ব পাৰি।

ইয়াৰ বাহিৰেও অসমৰ ভিন ভিন ঠাইত থকা বিশেষকৈ কামাখ্যা, গুৱাহাটী, শিৱসাগৰ আৰু গোৱালপাৰাৰ কিছুমান মন্দিৰৰ গাত নানা তৰহৰ পোৰামাটিৰ ধুনীয়া মূৰ্তি দেখিবলৈ পোৱা যায় আৰু এই মূৰ্তিবোৰে অসমীয়া শিল্পীৰ নিপুণতাৰ পৰিচয় দিছে।

সংস্কৃতি

# ভ্ৰাম্যমাণ থিয়েটাৰ আৰু অসমীয়া চলচ্চিত্ৰ

- পাপৰি দেৱী
স্নাতক পঞ্চম ষাণ্মাসিক
ইংৰাজী বিভাগ




অসমত ভ্ৰাম্যমাণ থিয়েটাৰ আৰু চলচ্চিত্ৰৰ এক সুন্দৰ ইতিহাস আছে। ভ্ৰাম্যমাণ থিয়েটাৰ আৰম্ভ হোৱাৰ পূৰ্বেই অসমত যাত্ৰা পাৰ্টিৰ প্ৰচলন আছিল। এই যাত্ৰা পাৰ্টিবোৰত ঘাইকৈ ৰজা-মহাৰজাৰ আখ্যান উপাখ্যান সমূহ প্ৰদৰ্শন কৰা হৈছিল। এই যাত্ৰা পাৰ্টিবোৰৰ পৰাই অনুপ্ৰেৰণা লৈ ১৯৫৯ চনত পাঠশালাৰ ৰাইজ আৰু সদা লহকৰৰ অত্যুৎসাহত জন্ম পায় "নটৰাজ অপেৰা"ই। এই নটৰাজ অপেৰাকেই ভ্ৰাম্যমাণ থিয়েটাৰৰ পূৰ্বসূৰী হিচাপে গণ্য কৰা হয়।

১৯৬০ চনত 'নটৰাজ অপেৰা'ক শ্বেৰিটী শ্ব' হিচাপে ধৰি সমিতি গঠন কৰা হয় আৰু প্ৰৱেশ মূল্যৰ ব্যৱস্থা আৰম্ভ কৰা হয়। ১৯৬৩ চনত ভ্ৰাম্যমাণ থিয়েটাৰৰ পৰমপূজ্য পিতামহ অচ্যুত লহকৰৰ উদ্যোগত এই 'নটৰাজ অপেৰা'ই 'নটৰাজ থিয়েটাৰ'ৰ ৰূপ লয়। এই 'নটৰাজ থিয়েটাৰ' এই অসমৰ সাংস্কৃতিক ইতিহাসত এক আন্দোলনৰ সৃষ্টি কৰে। নটৰাজ থিয়েটাৰে আৰম্ভণি বৰ্ষত চাৰিখন নাটক মঞ্চস্থ কৰিছিল- ফণী শৰ্মাৰ ভোগজৰা, উত্তম বৰুৱাৰ জেৰেঙাৰ সতী, অতুল হাজৰিকাৰ ত্ৰিকেন্দ্ৰজিৎ আৰু মহেন্দ্ৰ গুপ্তৰ 'হাইদৰ আলি'। অসমৰ বাহিৰত নাটক প্ৰদৰ্শন কৰা প্ৰথমটি নাট্যদল হৈছে 'নটৰাজ থিয়েটাৰ'। এই থিয়েটাৰৰ কেইখনমান উল্লেখযোগ্য নাট হ'ল- 'বেউলা', 'সাবিত্ৰী সত্যবান', 'ব্লেক মানি', 'চোহৰাব আৰু ৰুস্তম', 'জোন আৰু জোনাকী' আদি।

নটৰাজ থিয়েটাৰত পিছতেই নলবাৰীৰ চামতাত মঞ্চসূৰ্য ধৰণী বৰ্মনৰ প্ৰযোজনাত ১৯৬৪-৬৫ চনত 'সুৰদেৱী নাট্য সংঘ" গঠিত হয়। ১৯৬৬ চনত এইখনেই 'সুৰদেৱী থিয়েটাৰ' হিচাপে আত্মপ্ৰকাশ কৰে। ১৯৭০-৭১ চনত সুৰদেৱীয়ে তিনিখন মঞ্চৰ ব্যৱস্থা কৰে। মাজৰখন আছিল আহল বহল,

কাষৰ দুখন সৰু সৰু। কলাগুৰু বিষ্ণুৰাভা এই থিয়েটাৰৰ পৰিচালক আৰু মুখ্য উপদেষ্টা আছিল। অসমৰ প্ৰথমখন জীৱন নাট 'সব্যসাচী ৰাভা' (বিষ্ণুপ্ৰসাদ ৰাভাৰ জীৱনাধাৰিত) সুৰদেৱী থিয়েটাৰে মঞ্চস্থ কৰিছিল। 'সম্ৰাট অশোক' এই থিয়েটাৰৰ এখন উল্লেখনীয় নাট।

১৯৬৬ চনত হাজোৰ কৰুণা মজুমদাৰে অসমৰ তৃতীয়টো পাৰ্টি 'পূৰ্বজ্যোতি থিয়েটাৰ'ৰ শুভাৰম্ভ কৰিছিল। 'পূৰ্বজ্যোতি' নামটো প্ৰদান কৰিছিল জীৱন শিল্পী আদ্য শৰ্মাই। এই থিয়েটাৰৰ মঞ্চতেই প্ৰথম বিজুলী বাতিৰ পোহৰৰ ব্যৱস্থা কৰা হৈছিল। পূৰ্বজ্যোতি থিয়েটাৰৰ কেইখনমান উল্লেখযোগ্য নাটক হ'ল- 'শোণিত কুঁৱৰী', 'ছিৰাজ', 'ছাহজাহান', 'মৃত্যুঞ্জয়', 'সীতা উদ্ধাৰ', 'ৰাম বনবাস' ইত্যাদি।

১৯৬৮-৬৯ চনত হেম তালুকদাৰ প্ৰযোজিত 'মঞ্চৰূপা থিয়েটাৰে' পোন প্ৰথমবাৰৰ বাবে ঘুৰীয়া মঞ্চ আৰম্ভ কৰিছিল। এই মঞ্চৰ আঁৰত আছিল মহানন্দ শৰ্মা আৰু ভবেন বৰুৱা। প্ৰফুল্ল বৰুৱাৰ 'অংগীকাৰ' এই থিয়েটাৰত মঞ্চস্থ হোৱা এখন উল্লেখযোগ্য নাট। ১৯৭৬ চনত চামতাত ধৰণী বৰ্মনৰ পত্নী অবলা বৰ্মনৰ প্ৰযোজনাত প্ৰথমটো মহিলা ভ্ৰাম্যমাণ দল 'মুন থিয়েটাৰ' আৰম্ভ হয়। তাৰ এবছৰ পাছতেই যাদৱসেন ডেকাৰ মহিলা ভ্ৰাম্যমাণ দল 'কল্পনা থিয়েটাৰ' ৰ জন্ম হয়।




১৯৭৬ চনত পাঠশালাত ৰতন লহকৰে জন্ম দিয়ে 'কহিনুৰ থিয়েটাৰ'ৰ। অসমৰ ভ্ৰাম্যমাণ নাট্যজগতত 'কহিনুৰ থিয়েটাৰ'ৰ অৱদান যথেষ্ট। 'ৰামায়ণ' আৰু 'মহাভাৰত'ৰ দৰে মহাকাব্যক পোনপ্ৰথমবাৰৰ বাবে 'কহিনুৰ থিয়েটাৰ'এ সফলতাৰে মঞ্চৰূপ দিছিল। তাৰোপৰি বিভিন্ন দেশী বিদেশী ক্লাছিক নাটক আৰু চলচ্চিত্ৰক নাট্যৰূপ দিয়া হয় কহিনুৰৰ মঞ্চত। উদাহৰণস্বৰূপে, টাইটানিক, ওথেলো, ক্লিওপেট্ৰা ইত্যাদি। ১৯৮২ চনত নলবাৰীৰ দৰ্শকৰ দাবীত দিনতো মঞ্চস্থ কৰা হৈছিল ক্লিওপেট্ৰা। তাৰোপৰি অসীমত যাৰ হেৰাল সীমা'ক নাট্যৰূপ দি প্ৰথমবাৰৰ বাবে অসমীয়া উপন্যাস এখনৰ নাট্যৰূপ দিয়া প্ৰথম ভ্ৰাম্যমাণ দলত পৰিণত হয়। 'কহিনুৰ থিয়েটাৰ'ৰ কেইখনমান জনপ্ৰিয় নাটক হ'ল- 'তেজীমলা', 'মৰম তৃষ্ণা', 'নায়ক', 'মাটিৰ গাড়ী', 'শৰাগুৰি চাপৰি', 'ইলিয়াড', 'ওডিচী', 'বলিয়া হাতী', 'নাগিনীৰ অমৃত দংশন', 'বেন হুৰ', 'খোজ' ইত্যাদি।

ভ্ৰাম্যমাণ থিয়েটাৰৰ ইতিহাসত এক লেখতলবলগীয়া অৱদান থকা এখন থিয়েটাৰ হ'ল 'আৱাহন থিয়েটাৰ'। ১৯৮০ চনত প্ৰযোজক কৃষ্ণ ৰয়ে 'আৱাহন থিয়েটাৰ'ৰ জন্ম দিছিল। এই থিয়েটাৰৰ জৰিয়তেই অসমৰ এজন শ্ৰেষ্ঠ সাহিত্যিক ড° ভবেন্দ্ৰ নাথ শইকীয়াই কেইবাখনো উৎকৃষ্ট মানৰ নাটক লিখি দৰ্শকৰ ৰুচিৰ পৰিৱৰ্তনত বিশেষ ভূমিকা লৈছিল। আৱাহন থিয়েটাৰত মঞ্চস্থ হোৱা কেইখনমান জনপ্ৰিয় নাটক হ'ল— প্ৰফুল্ল বৰাৰ 'অগ্নিকন্যা', 'স্নেহবন্ধন', আব্দুল মজিদৰ 'জীৱন মৃত্যু', 'প্ৰেয়সী', 'সমীৰণ বৰুৱা আহি আছে', ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ 'ৰামধেনু', 'অন্ধকূপ', 'আম্ৰপালি', 'মনিকূট', 'নীলকান্ত', 'দীনবন্ধু', 'সমুদ্ৰ মন্থন' ইত্যাদি।

অসমৰ সাংস্কৃতিক, সামাজিক জীৱনত বহুমূলীয়া অৱদান আগবঢ়াই থৈ যোৱা আন কেইখনমান নাটক হ'ল- মৰোৱাত শৰৎ মজুমদাৰে ১৯৬৮ চনত গঠন কৰা ''ভাগ্যদেৱী থিয়েটাৰ', 'গোৱালপাৰাৰ পৰা ওলোৱা চিত্ৰবন থিয়েটাৰ, লখিমী থিয়েটাৰ, অসম ষ্টাৰ থিয়েটাৰ, হেঙুল থিয়েটাৰ, ৰাজশ্ৰী থিয়েটাৰ, মুকুন্দ থিয়েটাৰ, শৰাইঘাট থিয়েটাৰ, বৰদৈচিলা থিয়েটাৰ, বৃন্দাবন থিয়েটাৰ ইত্যাদি। উল্লিখিত ভ্ৰাম্যমাণ দলবোৰৰ আটাইবোৰ বৰ্তমান চলি থকা নাই যদিও অসমৰ মঞ্চকলাৰ উত্তৰণত এই দলবোৰে যথেষ্ট অৱদান আগবঢ়াইছে।

১৯৩৫ চনৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'জয়মতী'ৰ পৰা আৰম্ভ কৰি ৰীমা দাসৰ 'ভিলেজ ৰকষ্টাৰ্ছ'লৈকে অসমীয়া চলচ্চিত্ৰই বিৰাশী বছৰ অতিক্ৰম কৰিলে। অসমীয়া চলচ্চিত্ৰ উদ্যোগটি ভাৰতৰ এটি অতি পুৰণি চলচ্চিত্ৰ উদ্যোগ। ভাৰতৰ প্ৰথম সবাক চলচ্চিত্ৰ 'আলম আৰা'ৰ মুক্তিৰ চাৰি বছৰ পিছতেই (১৯৩৫ চনত) জয়মতীয়ে মুক্তি পায়।

জাৰ্মানীত উচ্চ শিক্ষা গ্ৰহণ কৰিবলৈ গৈ চলচ্চিত্ৰ প্ৰযোজনা আৰু পৰিচালনা প্ৰশিক্ষণ লৈ ঘূৰি আহি জ্যোতিপ্ৰসাদ আগৰৱালাই ১৯৩৪ চনত তেজপুৰৰ ওচৰৰ ভোলাগুৰি চাহ

বাগিছাত ‘চিত্ৰবন’ নাম দি বাঁহ কাঠ কলগছেৰে এক অস্থায়ী ষ্টুডিঅ সাজি বহু ত্যাগ, কষ্ট সহ্য কৰি অদম্য দুঃসাহস দেখুৱাই প্ৰথম অসমীয়া চলচ্চিত্ৰ জয়মতী নিৰ্মাণ কৰি অসমীয়া চলচ্চিত্ৰৰ ভেটি স্থাপন কৰি থৈ যায়। ৰসৰাস লক্ষ্মীনাথ বেজবৰুৱাৰ ‘জয়মতী কুঁৱৰী’ নাটকৰ আলম লৈ জ্যোতিপ্ৰসাদে ‘জয়মতী’ নিৰ্মাণ কৰিছিল। জয়মতীৰ নাম ভূমিকাত অভিনয় কৰিছিল আইদেউ সন্দিকৈয়ে। গদাপাণিৰ চৰিত্ৰত অভিনয় কৰিছিল পৰশুৰাম (ফুনু) বৰুৱাই আৰু ‘গাঠি হাজৰিকা’ৰ চৰিত্ৰত ফণী শৰ্মাই। বিভিন্ন কাৰিকৰী আঁসোৰাহ, বিশেষকৈ শব্দযন্ত্ৰৰ বহু আঁসোৰাহ আছিল যদিও সকলো বাধা নেওচি ১৯৩৫ চনৰ ১০ মাৰ্চত কলকাতাৰ ৰাওনাক হ'লত ‘জয়মতী’ মুক্তি দিয়া হৈছিল।

জয়মতী নিৰ্মাণৰ চাৰি বছৰ পিছত ১৯৩৯ চনত, জ্যোতিপ্ৰসাদ আগৰৱালাই দ্বিতীয়খনৰ অসমীয়া ছবি তথা প্ৰথম অসমীয়া সামাজিক ছবি ‘ইন্দ্ৰমালতী’ নিৰ্মাণ কৰে। ইয়াৰ পিছত ১৯৪১ চনত ৰোহিনী বৰুৱাই নিৰ্মাণ কৰা ‘মনোমতী’ অসমৰ তৃতীয়খন বোলছবিত পৰিণত হয়। তাৰ পিছত পাৰ্বতী প্ৰসাদ বৰুৱাই ১৯৪১ চনত ‘ৰূপহী’ আৰু কমল চৌধুৰীয়ে ১৯৪৭ চনত ‘বদন বৰফুকন’ নিৰ্মাণ কৰে।

’৪০ৰ দশকৰ শেষৰ ভাগৰ পৰা অসমৰ চলচ্চিত্ৰ জগত ছবি নিৰ্মাণৰ জৰিয়তে জীপাল হৈ উঠে। ১৯৪৮ চনত বিষ্ণুৰাভা আৰু ফণী শৰ্মাই যুটীয়াভাৱে পৰিচালনা কৰা ‘ছিৰাজয়ে’ অসমৰ ছবি উদ্যোগলৈ আশাৰ বতৰা কঢ়িয়াই আনে। ছবিখন অতি সফল হয়। ১৯৮৮ চনত ড° ভূপেন হাজৰিকাই এই ছবিখন পুনৰ্নিৰ্মাণ কৰে। ছিৰাজৰ সমসাময়িক আন কেইখনমান উল্লেখযোগ্য ছবি হ'ল- প্ৰবীণ ফুকনৰ ‘পাৰঘাট’ (১৯৪৯) সুৰেশ গোস্বামীৰ ‘ৰূণুমী’ (১৯৫৩) সুনীল গাংগুলীৰ ‘সতী বেউলা’ (১৯৫৪) আদি। ইয়াৰে ‘ৰূণুমী’ ছবিখনে চৰকাৰে ban কৰা প্ৰথমখন অসমীয়া ছবি।

’৫০ৰ দশকৰ উল্লেখযোগ্য কেইখনমান চলচ্চিত্ৰ হ'ল- লক্ষ্যধৰ চৌধুৰীৰ ‘নিমিলা অংক’ (১৯৫৫), ফণী শৰ্মাৰ ‘পিয়লি ফুকন’ (১৯৫৫), নিপ বৰুৱাৰ ‘স্মৃতিৰ পৰশ’ (১৯৫৬), মাক আৰু মৰম (১৯৫৭), ‘ৰঙা পুলিচ’ ( ১৯৫৮), ডাঃ ভূপেন হাজৰিকাৰ ‘এৰা বাটৰ সুৰ’ (১৯৫৬), প্ৰভাত মুখাৰ্জীৰ ‘পূৰেৰূণ’ (১৯৫৯) ইত্যাদি। ইয়াৰে ‘পিয়লি ফুকন’ আৰু ‘মাক আৰু মৰমে’ উচ্চমানৰ ছবি হিচাপে Certificate of Merit লাভ কৰে। ৰঙা পুলিচ ছবিখন ৰাষ্ট্ৰপতিৰ ৰূপৰ পদক পোৱা প্ৰথম অসমীয়া ছবি। আনহাতে ‘পূৰেৰূণ’ ছবিখন বাৰ্লিন আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত প্ৰদৰ্শিত হৈ আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত প্ৰদৰ্শিত হোৱা প্ৰথম অসমীয়া বোলছবিৰ সন্মান লাভ কৰে।

‘পিয়লি ফুকন’ ছবিৰ যোগেদি ড° ভূপেন হাজৰিকাই সংগীত পৰিচালক হিচাপে প্ৰতিষ্ঠা লাভ কৰে। ‘এৰা বাটৰ সুৰ’ তেখেতে পৰিচালনা কৰা প্ৰথমখন বোলছবি। এই ছবিত প্ৰথমবাৰৰ বাবে তেওঁ বলিউদৰ গায়ক আনি অসমীয়া গীত গোৱাইছিল। ইয়াৰ পাছত তেওঁ আৰু বহুকেইখন ছবি পৰিচালনা কৰে- ‘শকুন্তলা’ (১৯৬১), ‘প্ৰতিধ্বনি’ (১৯৬৫), ‘লটিঘটি’ (১৯৬৬), ‘চিকমিক বিজুলী (১৯৬৯), ‘মন প্ৰজাপতি’ (১৯৭৯) আৰু ছিৰাজ (১৯৮৮)। ইয়াৰে ‘শকুন্তলা’, ‘প্ৰতিধ্বনি’ আৰু ‘লটিঘটি’য়ে ৰাষ্ট্ৰপতিৰ ৰূপৰ পদক লাভ কৰে আৰু




















'চামেলি মেমচাব (১৯৭৫)' ছবিৰ সংগীত পৰিচালনা বাবে হাজৰিকাই ৰাষ্ট্ৰীয় পৰ্যায়ত শ্ৰেষ্ঠ সংগীত পৰিচালকৰ সন্মান লাভ কৰে।

'৬০ৰ দশকৰ কেইখনমান উল্লেখনীয় চলচ্চিত্ৰ হ'ল— 'তেজীমলা' (১৯৬৩), 'শকুন্তলা' (১৯৬১), 'মণিৰাম দেৱান'(১৯৬৪), 'প্ৰতিধ্বনি' (১৯৬৫), 'ড° বেজবৰুৱা' (১৯৬৯), 'ইটো সিটো বহুতো' (১৯৬৩) আদি। ব্ৰজেন বৰুৱাৰ 'ইটো সিটো বহুতো' হৈছে প্ৰথমখন অসমীয়া হাস্য ব্যংগ ছবি। ১৯৬৯ চনত নিৰ্মিত 'ড° বেজবৰুৱা'ই ব্যৱসায়িক সফলতা লাভৰ উপৰিও শ্ৰেষ্ঠ আঞ্চলিক চলচ্চিত্ৰৰ বঁটাও লাভ কৰিবলৈ সমৰ্থ হয়। এই ছবিখনত পোন প্ৰথমবাৰৰ বাবে দ্বৈত অভিনয় দেখুওৱা হৈছিল।

সত্তৰৰ দশকত নিৰ্মিত অসমীয়া ছবিবোৰৰ মানদণ্ড আৰু অধিক উন্নত হয় আৰু ব্যৱসায়িকভাবেও সফল হয়। ১৯৭২ চনত প্ৰথম অসমীয়া ৰঙীণ ছবি 'ভাইটি' নিৰ্মাণ হয়। এই দশকত নিৰ্মিত কেইখনমান উল্লেখযোগ্য কলাসন্মত ছবি হ'ল- অপৰাজেয় (১৯৭০), পদুম বৰুৱাৰ 'গঙাচিলনীৰ পাখি' (১৯৭৬) ভবেন্দ্ৰ নাথ শইকীয়াৰ 'সন্ধ্যাৰাগ' (১৯৭৭) অতুল বৰদলৈৰ কল্লোল (১৯৭৮) আদি। এই দশকটোত শ্ৰেষ্ঠ আঞ্চলিক ছবিৰ সন্মান লাভ কৰা ছবিকেইখন হ'ল অৰণ্য (১৯৭১) ওপজা সোণৰ মাটি (১৯৭২) মমতা (১৯৭৩) চামেলি মেমচাব (১৯৭৫), পুতলা ঘৰ (১৯৭৬), সন্ধ্যাৰাগ (১৯৭৭) আৰু কল্লোল (১৯৭৮) । ১৯৭৭ চনত নিৰ্মিত 'সন্ধ্যাৰাগে' বিদেশী চলচ্চিত্ৰ মহোৎসৱত প্ৰদৰ্শনৰবাবেও নিৰ্বাচিত হয়। এই দশকৰ কেইখনমান ব্যৱসায় সফল ছবি হ'ল ব্ৰজেন বৰুৱাৰ 'মুকুতা'(১৯৭০) , দ্বিবন বৰুৱাৰ 'যোগ-বিয়োগ' (১৯৭১) , তৰামাই (১৯৭৫) ইত্যাদি।

আশীৰ দশকত অসমীয়া ছবিৰ নিৰ্মাণ বৃদ্ধি পায়। এই দশকটোত ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ 'অনিৰ্বাণ' (১৯৮১) , অগ্নিস্নান (১৯৮৬ ), কোলাহল (১৯৮৮) জাহ্নু বৰুৱাৰ অপৰূপা (১৯৮২) কে ধৰি মুঠ ন খন ছবিয়ে শ্ৰেষ্ঠ আঞ্চলিক ভাষাৰ ছবিৰ বঁটা লাভ কৰে। তাৰোপৰি জাহ্নু বৰুৱাৰ 'হালধীয়া চৰায়ে বাও ধান খায়' ছবিখনে শ্ৰেষ্ঠ ভাৰতীয় ছবিৰ স্বৰ্ণকমল বঁটা লাভ কৰে। ছবিখন লোকাৰ্ণো চলচ্চিত্ৰ মহোৎসৱৰ শ্ৰেষ্ঠ ছবি আৰু ছবিখনৰ অভিনেতা ইন্দ্ৰ বনিয়াই শ্ৰেষ্ঠ অভিনেতাৰ সন্মান লাভ কৰে। দশকটোৰ আন কেইখনমান উল্লেখযোগ্য ছবি হ'ল- নিপ বৰুৱাৰ 'আজলী নবৌ' (১৯৮০) 'ককাদেউতাৰ নাতি আৰু হাতী' (১৯৮৩) , শিৱপ্ৰসাদ ঠাকুৰৰ 'ঘৰ সংসাৰ' (১৯৮৩) ইত্যাদি।

নব্বৈৰ দশকত নিৰ্মিত জাহ্নু বৰুৱাৰ ফিৰিঙতি (১৯৯১)য়ে বছৰটোৰ দ্বিতীয় শ্ৰেষ্ঠ ছবিৰ ৰাষ্ট্ৰীয় পুৰস্কাৰ আৰু ছবিখনৰ অভিনেত্ৰী মলয়া গোস্বামীয়ে শ্ৰেষ্ঠ অভিনেত্ৰীৰ ৰাষ্ট্ৰীয় পুৰস্কাৰ লাভ কৰে। এই দশকটোত শ্ৰেষ্ঠ আঞ্চলিক ছবিৰ বঁটা পোৱা ছবিসমূহ হ'ল- সাৰথি (৯০), আৱৰ্ত্তন (৯৩) ,ইতিহাস (৯৬), কুশল (৯৯), পৰিচালকৰ প্ৰথম ছবি শিতানত ইন্দিৰা গান্ধী বঁটা লাভ কৰে— ৰশ্ম'ৰিপো (৯০), গৌতম বৰা, হলধৰ (৯২), সঞ্জীৱ হাজৰিকা, ৰাগ-বিৰাগ (৯৭), বিদ্যুৎ চক্ৰৱৰ্ত্তী। দশকটোৰ কেইখনমান উল্লেখযোগ্য ছবি হ'ল— সঞ্জীৱ হাজৰিকাৰ




'মীমাংসা' (ইণ্ডিয়ান পেনোৰামাত প্ৰদৰ্শিত), যাদৱ চন্দ্ৰ দাসৰ 'হৃদয়ৰ আঁৰে আঁৰে (১৯৯০), প্ৰেম জনমে জনমে (৯১), মুনীন বৰুৱাৰ 'প্ৰভাতী পখীৰ গান' (৯২), দাৰা আহমেদৰ ৰিক্সাৱালা (৯৩), জৌং দাও বড়োছাৰ হাগ্ৰামায়াও জিনাহাৰী ইত্যাদি। ১৯৯৭ চনত সান্ত্বনা বৰদলৈয়ে মামণি ৰয়ছম গোস্বামীৰ উপন্যাস 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা'ৰ আধাৰত 'অদাহ্য' নিৰ্মাণ কৰে আৰু ছবিখনৰ বাবে এছিয়াৰ শ্ৰেষ্ঠ মহিলা পৰিচালকৰ সন্মান লাভ কৰে। ১৯৯৮ চনত অশোক কুমাৰ বিষয়াই নিৰ্মাণ কৰা 'যৌৱনে আমনি কৰে' ছবিখনে অসমীয়া ছবিজগতত এক আলোড়নৰ সৃষ্টি কৰে আৰু দশকটোৰ সৰ্বাধিক সফল ছবি বিবেচিত হয়। ইয়াৰ পিছত একে পৰিচালকৰ 'বুকুৰ মাজত জ্বলে' (১৯৯৯), বাণী দাসৰ মহাৰথী (৯৯), পুলক গগৈৰ 'মৰম নদীৰ গাভৰু ঘাট' আদিয়েও ভাল ব্যৱসায় কৰে।

২০০০ ৰ পৰা ২০০১ চনৰ ভিতৰত নিৰ্মিত অসমীয়া ছবিৰ ভিতৰত বহুকেইখনেই বাণিজ্যিকভাৱে সফল হয় আৰু বঁটা লাভ কৰিবলৈ সক্ষম হয়। তাৰ ভিতৰত ব্যৱসায়িকভাবে সফল ছবি হ'ল মুনীন বৰুৱাৰ 'হিয়া দিয়া নিয়া' (২০০০), দাগ (২০০১), নায়ক (২০০১), জুবিন গাৰ্গৰ 'তুমি মোৰ মাথো মোৰ' (২০০০), বাহাৰুল ইছলামৰ 'আছেনে কোনোবা হিয়াত' (২০০০), মুন্না আহমেদৰ 'জোন জ্বলে কপালত' ইত্যাদি। ২০০০ চনত নিৰ্মিত জাহ্নু বৰুৱাৰ 'পখী'য়ে শ্ৰেষ্ঠ অসমীয়া ছবিৰ ৰাষ্ট্ৰীয় বঁটা আৰু হেমন্ত দাসৰ 'কৈহাটী ঢুলীয়া' ছবিখনে লাভ কৰে শ্ৰেষ্ঠ নৃতাত্বিক-নৃগোষ্ঠীয় ছবিৰ বঁটা লাভ কৰে।

ইয়াৰ পিছৰ বছৰবোৰত নিৰ্মিত কেইখনমান উল্লেখযোগ্য চলচ্চিত্ৰ হ'ল- জাহ্নু বৰুৱাৰ 'কণিকাৰ ৰামধেনু' অলক নাথৰ 'ইমান মৰম কিয় লাগে', শম্ভু উপ্পাৰ 'প্ৰেম আৰু প্ৰেম', ইছা খানৰ 'মৰমী হ'বানে লগৰী', মুন্না আহমেদৰ 'জীৱন নদীৰ দুটি পাৰ' (২০০২), প্ৰিয়া মিলন (২০০৩), মা তুমি অনন্যা (২০০৪), বিদ্যুৎ চক্ৰৱৰ্ত্তীৰ 'গুণ গুণ গানে গানে' (২০০২) 'অনুৰাগ' (২০০৪), চন্দ্ৰ মুদৈৰ 'মাঘত মামণিৰ বিয়া' (২০০২), 'উজনিৰ দুজনী গাভৰু ছোৱালী' (২০০৬), 'চুৰেণ চোৰৰ পুতেক' (২০০৫), বাণী দাসৰ 'মন' (২০০২), কাদম্বৰী (২০০৪), মুনিন বৰুৱাৰ 'কন্যাদান' (২০০২), বিধাতা (২০০৩), ৰং (২০০৪), বাৰুদ (২০০৪), দীনবন্ধু (২০০৪), যদুমণি দত্তৰ অগ্নিসাক্ষী (২০০৩), সুমন হৰিপ্ৰিয়াৰ 'কদম তলে কৃষ্ণ নাচে' আদি।

২০০৩ চনত মুক্তি পোৱা মঞ্জু বৰাৰ 'আকাশী তৰাৰ কথাৰে' ছবিখনৰ বাবে তৰালী শৰ্মাই শ্ৰেষ্ঠ নেপথ্য কণ্ঠশিল্পীৰ ৰাষ্ট্ৰীয় বঁটা লাভ কৰে। জাহ্নু বৰাৰ 'তৰা'ই লাভ কৰে শ্ৰেষ্ঠ শিশু ছবিৰ ৰাষ্ট্ৰীয় বঁটা। আনহাতে সঞ্জীৱ সভাপণ্ডিতৰ 'জুয়ে

পোৱা সোণে' লাভ কৰে শ্ৰেষ্ঠ পৰিৱেশ সজাগতামূলক ছবিৰ ৰাষ্ট্ৰীয় বঁটা লাভ কৰে।

২০০৫ চন মানৰ পৰা অসমীয়া ছবিজগতত ছবি নিৰ্মাণৰ পৰিমাণ কমি আহে আৰু পিছৰ কেইটামান চনত বছৰি ছবি নিৰ্মাণৰ পৰিমাণ চাৰি পাচখনলৈ হ্ৰাস পায়। ২০০৬ চনৰ পৰা ২০১০ চনৰ ভিতৰত নিৰ্মিত কেইখনমান উল্লেখযোগ্য ছবি হ'ল 'অধিনায়ক', 'চেনাই মোৰ ঢুলীয়া', 'অহিৰ ভৈৰৱ', 'আইদেউ', 'আজান ফকীৰ চাহেব', 'মন যায়', 'জীৱন বাটৰ লগৰী', 'বসুন্ধৰা (দি আৰ্থ), 'জোনদা ইমান গুণ্ডা' ইত্যাদি।

২০১১ চনত নিৰ্মিত মুনিন বৰুৱাৰ 'ৰামধেনু' নামৰ ছবিখনে উল্লেখনীয় সফলতা লাভ কৰি অসমীয়া ছবিজগতলৈ কিছু আশাৰ বতৰা কঢ়িয়াই আনে। সাম্প্ৰতিক সময়ত অসমত ছবি নিৰ্মাণৰ পৰিমাণ কিছু বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে। শেহতীয়াকৈ ২০১৭ চনত মুক্তিপ্ৰাপ্ত জুবিন গাৰ্গৰ 'মিছন ছাইনা' ছবিখনে (কিছু সফলতা লাভ কৰে অভাৱনীয় সফলতা লাভ কৰি বক্সঅফিচত ধুমুহাৰ সৃষ্টি কৰে)। ইয়াৰোপৰি সঞ্জীৱ সভাপণ্ডিতৰ 'ইশ্নু', সান্তনা বৰদলৈৰ 'মাজৰাতি কেতেকী', 'কেলেণ্ডাৰ', মুনিন বৰুৱাৰ 'প্ৰিয়াৰ প্ৰিয়', ৰীমা দাসৰ ভিলেজ ৰকষ্টাৰ্ছ (শ্ৰেষ্ঠ ছবিৰ ৰাষ্ট্ৰীয় বঁটা) আদিয়ে অসমীয়া ছবি উদ্যোগলৈ যথেষ্ট উৎসাহ কঢ়িয়াই আনিছে।

ভ্ৰাম্যমাণ থিয়েটাৰ আৰু অসমীয়া চলচ্চিত্ৰ দুয়োটাই অসমৰ সামাজিক, সাংস্কৃতিক আৰু বৌদ্ধিক উত্তৰণত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। অৱশ্যে সাম্প্ৰতিক সময়ত ভ্ৰাম্যমাণ থিয়েটাৰে নিজৰ স্বকীয়তা কিছু পৰিমাণে হেৰুওৱা বুলি একাংশই ক'ব খোজে। কলাগত মানতকৈ জাক জমকতাক অধিক গুৰুত্ব দিয়া দেখা গৈছে ভ্ৰাম্যমাণ থিয়েটাৰবোৰে। ব্যৱসায়কেই সৰ্বোচ্চ বুলি গ্ৰহণ কৰা বাবে একাংশ দৰ্শক ভ্ৰাম্যমাণ থিয়েটাৰৰ প্ৰতি বিতুষ্ট হৈছে। তথাপিও কিন্তু ভ্ৰাম্যমাণ থিয়েটাৰত জনপ্ৰিয়তা দিনে দিনে বৃদ্ধিহে পোৱা পৰিলক্ষিত হৈছে। অসংখ্য লোকক কৰ্মসংস্থাপন দি ই এক বৃহৎ উদ্যোগত পৰিণত হৈছে। আনহাতে হিন্দী চলচ্চিত্ৰৰ আগ্ৰাসন, চিনেমা হলৰ অভাৱ, দুৰ্বল প্ৰযুক্তিৰ ব্যৱহাৰ, উপযুক্ত প্ৰচাৰৰ অভাৱ, ইত্যাদি বিভিন্ন কাৰণত অসমীয়া চলচ্চিত্ৰৰ দৰ্শক হ্ৰাস পোৱা পৰিলক্ষিত হৈছে। তথাপি অসমীয়া চলচ্চিত্ৰৰ গৌৰবোজ্জ্বল ইতিহাসৰ পুনৰাবৃত্তি হোৱাটো আমাৰ সকলোৰে একান্ত কাম্য। অসমত অধিক পৰীক্ষামূলক, কলাসন্মত উন্নত প্ৰযুক্তিসম্পন্ন ছবি উপযুক্ত প্ৰচাৰৰ সহায়ত নিৰ্মাণ কৰা হওঁক।

ভ্ৰাম্যমাণ থিয়েটাৰ আৰু অসমীয়া চলচ্চিত্ৰৰ আৰু অধিক উত্তৰণ হওক আৰু দৰ্শককেও সুস্থ ৰুচিসম্মত মনোৰঞ্জন লাভ কৰক— এয়ে আমাৰ কাম্য।






বিভিন্ন দিৱস- শিল্পী দিৱস, ৰাভা দিৱস, গুৰুজনাৰ জন্মোৎসৱ আদিৰ সময়ত সেই দিনটোতেই কিছু ব্যতিক্ৰম চিন্তা কৰা যেন যদিও অনুভৱ হয় দিন বাগৰাৰ লগে লগে যেন সকলো স্মৃতিৰ গৰ্ভত বিলীন হৈ যায়। এই ক্ষেত্ৰত সদ্য প্ৰয়াত গণশিল্পী খগেন মহন্ত, সংগীত সূৰ্য্য প্ৰয়াত ভূপেন হাজৰিকা যেন বাদ নপৰে। ইয়ে অসমীয়া সংগীতক লজ্জানত কৰা বুলি মোৰ অনুভৱ।

# গীতৰ মাজত বৰবিহ

- পলাশ ৰঞ্জন পৰাশৰ
স্নাতক প্ৰথম ষাণ্মাসিক

সংস্কৃতিৰ বহল পথাৰখনত 'সংগীত' এক বিশেষ উপাদান। বৰ্তমান যুগত মন কৰিলে দেখা যায় যে সংগীতৰ মাজত বহুতো অপ্ৰাসংগিক, অপ্ৰয়োজনীয় শব্দ, বাদ্যৰ প্ৰয়োগ দেখা যায় যিবোৰ বৃহত্তৰ অসমীয়া সংগীতৰ জগতখনক বিপথে পৰিচালিত কৰা যেন অনুভৱ হয়। ইয়াৰে পৰা আনকি শংকৰ-মাধৱৰ সৃষ্টিৰ লগতে লোক সংগীতৰ পথাৰখনতো প্ৰভাৱ পৰিছে।

আধুনিক সংগীতৰ বাটকটীয়া জ্যোতিপ্ৰসাদ, পাৰ্বতিপ্ৰসাদ, বিষ্ণুপ্ৰসাদ, কমলানন্দ ভট্টাচাৰ্য গীতবোৰ চালেই অনুভৱ হয় বৰ্তমানৰ গীতবোৰত কেনেধৰণৰ "বিশৃংখলতাই ঠাই লৈছে। বিহুসুৰীয়া গীতবোৰত অসমীয়া, হিন্দী, ইংৰাজী বা অন্য কিছু স্থানীয় ভাষাৰ সংমিশ্ৰণ ঘটাই যিধৰণে "সৃষ্টি"! কৰি ৰাইজৰ মাজত বিলাই দিছে— যিয়ে সংগীতৰ সংজ্ঞাকেই যেন অৰ্থহীন কৰি পেলোৱা যেন লাগে। দ্বৈত অৰ্থযুক্ত শব্দৰ ব্যৱহাৰেও তাৎক্ষণিক জনপ্ৰিয়তা লাভ কৰিলেও সি কিন্তু অসমীয়া সংগীতৰ জগতখনৰ বাবে বিপদজনক বুলি ভাৱ হয়। 'অনুপ্ৰাণিত' হোৱা বুলি উল্লেখ কৰি চৌৰ্য বৃত্তিকো এক নতুন প্ৰলেপ দিয়াৰ যি প্ৰচেষ্টা বৰ্তমানৰ গীতিকাৰ-সুৰকাৰে লৈছে তাক ভবিলেও লজ্জাবোধ হয়। গীতৰ ক্ষেত্ৰত সপ্তস্বৰেই মুখ্যতঃ যদিও মৌলিক সৃষ্টিৰাজি নিশ্চয় পাৰ্থক্য উপলব্ধি কৰিব পাৰি। এই ক্ষেত্ৰত গীত-সুৰৰ কথা উদাহৰণ হিচাপে এই কাৰণেই উল্লেখ কৰাৰ পৰা বঞ্চিত থাকিলো কিয়নো এনেধৰণৰ বাৰ্তা সমালোচনা বিশেষকৈ "ফেচবুক"ত প্ৰায়েই পোৱা যায় আৰু ব্যক্তিগতভাৱে কাকো লক্ষ্য কৰি অপমান কৰাৰ মোৰ ইচ্ছা নাই। বিহুৰ সময়ত তথাকথিত বিভিন্ন সমিতিৰ নিৰ্দেশাৱলী পিছত যেন গোটেই বছৰটোৰ ক্ষেত্ৰত কোনো অনুষ্ঠান-প্ৰতিষ্ঠানতে কাকোৱেই পালন কৰা দেখা নাযায়। মাত্ৰ টিভিৰ বিভিন্ন আলোচনাবোৰত ষ্টুডিঅ'ত কোনেও কাৰো অভিমত, মন্তব্যক গুৰুত্ব প্ৰদান নকৰাকৈ চিঞৰ-বাখৰ কৰি নিজৰ নাম আৰু ব্যক্তিত্ব (?) প্ৰকাশ কৰাৰ মানসিকতাহে দৃষ্টিগোচৰ হয়। এইক্ষেত্ৰত বিভিন্ন প্ৰচাৰ মাধ্যমৰ দায়িত্ব কৰ্তব্য আৰু "এংকৰ"ৰ বিচক্ষণতাও প্ৰশ্নৰ মাজতে ৰৈ যায়। বিভিন্ন দিৱস- শিল্পী দিৱস, ৰাভা দিৱস, গুৰুজনাৰ জন্মোৎসৱ আদিৰ সময়ত সেই দিনটোতেই কিছু ব্যতিক্ৰম চিন্তা কৰা যেন যদিও অনুভৱ হয় দিন বাগৰাৰ লগে লগে যেন সকলো স্মৃতিৰ গৰ্ভত বিলীন হৈ যায়। এই ক্ষেত্ৰত সদ্য প্ৰয়াত গণশিল্পী খগেন মহন্ত, সংগীত সূৰ্য্য প্ৰয়াত ভূপেন হাজৰিকা যেন বাদ নপৰে। ইয়ে অসমীয়া সংগীতক লজ্জানত কৰা বুলি মোৰ অনুভৱ। সময় থাকোতেই যদি ব্যাকৰণিকভাৱে গীত, বাদ্য, সুৰ আৰু উপস্থাপনৰ ব্যৱস্থা লোৱা নাযায় পিছলৈ অসমীয়া সংগীত বুৰঞ্জীৰ পাততহে ৰৈ যাব। যোগাত্মক প্ৰচেষ্টা আৰু সমাধান আমাৰ আটাইৰে দায়িত্ব আৰু কৰ্তব্য।

শিক্ষা

# ইংৰাজী শিক্ষাৰ প্ৰাসঙ্গিকতা

- **ৰয়েল পাৰভেজ**
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ
বিজ্ঞান শাখা

The sun did not set in the british Empire
(ইংৰাজ সাম্ৰাজ্যত সূৰ্য অস্ত নগৈছিল)

এই কথাফাঁকিৰ ঐতিহাসিক তাৎপৰ্য্য আছে এদিন ইংৰাজসকলে গোটেই পৃথিৱীজুৰি নিজৰ আধিপত্য বিস্তাৰ কৰিছিল। ইংৰাজ সকলে গোটেই পৃথিৱীজুৰি কৰা ৰাজনৈতিক আধিপত্যৰ লগে লগে ইংৰাজী ভাষা তথা পশ্চিমীয়া শিক্ষা গোটেই পৃথিৱীত ব্যপ্ত হৈ পৰে। আজিৰ পৃথিৱীৰ উন্নত দেশ সমূহ এসময়ত ইংৰাজৰ অধীনত আছিল। ইংৰাজী শিক্ষা গ্ৰহণ কৰি সেইবোৰ দেশ আজি উন্নতিৰ শীৰ্ষবিন্দুত আৰোহণ কৰিছে। এইটো সত্য যে যিবিলাক দেশে আগতীয়াকৈ ইংৰাজী শিক্ষাৰে প্ৰভাৱান্বিত হৈছিল সেইবিলাক দেশ দিনক দিনে উন্নতিৰ পথত আগবাঢ়ি গৈছে।

এজন বিশিষ্ট শিক্ষাবিদে কৈছিল ইংৰাজীৰ ২৬ টা আখৰেৰে পৃথিৱী জয় কৰিব পাৰি। ভাৰতত পশ্চিমীয়া শিক্ষাৰ প্ৰৱৰ্তক লৰ্ডমেকলে কৈছিল যে ভাৰতত যি ইংৰাজী শিক্ষাৰ প্ৰচলন কৰা হ'ল যি ভাৰতীয় সকলৰ বৰণ বগা কৰিব নোৱাৰে, কিন্তু আচৰণত ইংৰাজ কৰিহে এৰিব। দুয়োটা মতৰে তাৎপৰ্য্য আছে।

মেকলে প্ৰৱৰ্ত্তন কৰা ইংৰাজী শিক্ষা ব্যৱস্থাই ভাৰতক পুনৰ জীৱন দান কৰিছে। মূল মাধ্যম ইংৰাজীৰ লগে লগে প্ৰাদেশিক ভাষাও বিদ্যালয় বিলাকত গা কৰি উঠে। উচ্চ স্তৰত ইংৰাজী মাধ্যম হোৱাত আৰু ইংৰাজী ভাষাৰ শিক্ষা বাধ্যতামূলক হোৱাত পশ্চিমীয়া আদৰ্শই ভাৰতত বিয়পি পৰে আৰু ইংৰাজী ভাষাৰ বিশালতাই। ই ভাৰতবাসীক পৃথিৱীৰ আন দেশসমূহৰ লগত মিলন হ'বলৈ সুযোগ দিছে। এই দিশত নতুন জ্ঞান বিজ্ঞানৰ, ভাৱৰ আৰু নতুন আদৰ্শ গ্ৰহণ মিলন। সেয়েহে ইংৰাজী শিক্ষাৰ প্ৰচাৰৰ বাবে নতুনকৈ স্কুল, কলেজ বিশ্ববিদ্যালয় স্থাপন কৰা হ'ল।

ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পিছতো উচ্চ শিক্ষাৰ মাধ্যম ইংৰাজী আছিল। পিছত মাতৃভাষাৰ দাবী উঠাত মাতৃভাষা মাধ্যম হ'ল। কিন্তু ইংৰাজী বাধ্যতামূলক বিষয় হৈ কলেজ পৰ্য্যায়লৈ আছে।

বৰ্তমান যুগটো হ'ল বিজ্ঞান প্ৰযুক্তিৰ যুগ। আধুনিক বিজ্ঞান প্ৰযুক্তিৰ ক্ষেত্ৰত পশ্চিমীয়া দেশসমূহৰ অৱদান যে অধিক এইটো স্বীকাৰ কৰিব লাগিব। আধুনিক প্ৰযুক্তি বিদ্যাই গোটেই পৃথিৱীক এখন সৰু গাঁওত (Global village) পৰিণত কৰিছে। ইংৰাজী ভাষা অবিহনে এইবোৰ বিভাজন প্ৰযুক্তি বিদ্যা আয়ত্ব কৰাটো মুঠেও সম্ভৱ নহয় কাৰণ আধুনিক প্ৰযুক্তিৰ মূলতে হ'ল ইংৰাজী ভাষা। এই ভাষাই বৰ্তমান গোটেই পৃথিৱীক একত্ৰিত কৰিছে। সেয়েহে ইংৰাজীৰ প্ৰাসঙ্গিকতা অতিকৈ অপৰিহাৰ্য্য আৰু চিৰদিনীয়া। আধুনিক প্ৰযুক্তিয়ে প্ৰতিটো অঞ্চলৰ উন্নতি সাধন কৰি সেই অঞ্চলসমূহক বিভিন্ন অঞ্চলৰ লগত একত্ৰিত কৰিছে। আজি পৃথিৱীৰ যিকোনো দেশলৈ তৎক্ষণাত যোগাযোগ কৰিব পাৰি। কিন্তু সেই যোগাযোগৰ ভাষা ইংৰাজী। ইংৰাজী ভাষাই পৃথিৱীৰ বিজ্ঞানী, প্ৰযুক্তিবিদ, শিক্ষাবিদ, সকলোকে এক মঞ্চত উপবিষ্ট কৰিছে। সেয়েহে আমি ন দি ক'ব পাৰো যে ইংৰাজী শিক্ষাৰ প্ৰাসঙ্গিকতা সদায় থাকিব।

ইংৰাজী বিশ্বৰ ভাষা। বিশ্বৰভাৰ অনুভূতি ইংৰাজীয়ে পৰিচালনা কৰে। সেয়েহে এনে এটি ভাষা ছাত্ৰই প্ৰাথমিক পৰ্য্যায়ৰ পৰা আয়ত্ব কৰা উচিত।

যিহেতু ইংৰাজী বিশ্ব ভাষণত আদান প্ৰদানত মাধ্যম হৈ পৰিছে সেয়েহে বিশ্বত নিজৰ অস্তিত্ব স্থায়ীত্ব কৰাৰ বাবে ইংৰাজী শিক্ষাৰ অতি প্ৰয়োজন আৰু সেয়েহে ইয়াৰ প্ৰাসঙ্গিকতা সদায় বাঢ়িয়ে থাকিব।



# ভাৰতীয় সমাজ ব্যৱস্থাত নাৰী শিক্ষা

## এটি প্ৰাসঙ্গিক আলোচনা

- **প্ৰিয়ংকা ভৰালী**
স্নাতক চতুৰ্থ ষান্মাসিক
ইংৰাজী বিভাগ

এখন দেশৰ তথা সমাজৰ উন্নতি বহু পৰিমাণে নিৰ্ভৰ কৰে সেই দেশ তথা সমাজখনৰ উন্নত শিক্ষাব্যৱস্থাৰ ওপৰত। অন্ধকাৰ পথত জোনাকী পৰুৱাই বাট দেখুৱাই লৈ যোৱাৰ দৰে, শিক্ষাই ও আমাৰ মনৰ অজ্ঞতা দূৰ কৰি জ্ঞানৰ পোহৰ দিয়ে। সেয়েহে এখন দেশ বা সমাজৰ উন্নতিৰ বাবে সেই দেশ বা সমাজত বসবাস কৰা পুৰুষ-মহিলা উভয়ে উপযুক্ত শিক্ষাৰে শিক্ষিত হ'ব লাগে। পুৰুষ আৰু মহিলা এটা মুদ্ৰাৰ ইপিঠি সিপিঠি। পুৰুষৰ সহায়-সহযোগ অবিহনে এখন সমাজ যিদৰে চলিব নোৱাৰে, ঠিক সেইদৰে মহিলাৰ সহায়-সহযোগ অবিহনেও এখন সমাজ বৰ্তি থকাৰ কথা কল্পনাই কৰিব নোৱাৰি। কিয়নো এখন সমাজৰ সৰ্বাংগীন উন্নতিৰ বাবে পুৰুষ-মহিলা উভয়ৰে অৱদান অপৰিহাৰ্য। সেয়েহে অকল পুৰুষসকল শিক্ষিত হ'লেই এখন সমাজক 'শিক্ষিত সমাজ' বুলি ক'ব নোৱাৰি। পুৰুষৰ সমানে শিক্ষিতা হ'ব লাগিব মহিলাসকলো। পণ্ডিত জৱাহৰলাল নেহৰুৱে কৈছিল, "এজন ল'ৰাক শিক্ষা দিয়া মানে এজন পুৰুষক শিক্ষিত কৰি তোলা, কিন্তু এজনী ছোৱালীক শিক্ষা দিয়া মানে হ'ল এটা পৰিয়ালক শিক্ষিত কৰি তোলা।" যিহেতু এজনী ছোৱালী শিক্ষিতা হোৱা মানে এটা পৰিয়াল শিক্ষিত হোৱা, সেয়েহে ছোৱালীসকল শিক্ষিতা হোৱাটো অতি প্ৰয়োজনীয়। তদুপৰি আজিৰ কন্যা কাইলৈ দেশৰ ভৱিষ্যত প্ৰজন্মৰ জননী। ইয়াৰ

উপৰিও এগৰাকী মাতৃ হ'ল নিজৰ সন্তানৰ প্ৰধান আৰু প্ৰথম শিক্ষয়িত্ৰী। সেয়েহে সন্তানক জীৱন পথত ভালদৰে আগুৱাই নিবলৈ হ'লে মাতৃগৰাকীও উপযুক্ত শিক্ষাৰে শিক্ষিত হোৱাটো অতি প্ৰয়োজন। অৱশ্যে বহু অশিক্ষিত পিতৃ-মাতৃৰ সন্তানো পিছলৈ জীৱনত উন্নত কৰা দেখা যায় নিজৰ শিক্ষাৰ বলত।

ভাৰতবৰ্ষত বৈদিক যুগৰ পৰাই স্ত্ৰী শিক্ষাৰ প্ৰচলন হৈ আহিছে। গাৰ্গী, মৈত্ৰেয়ী আদি মহিলা সকলে প্ৰাচীন ভাৰতৰ স্ত্ৰী শিক্ষাৰ উদাহৰণ দাঙি ধৰি থৈ গৈছে। বৈদিক যুগৰ পৰা বৌদ্ধ যুগলৈ ভাৰতত স্ত্ৰী শিক্ষাৰ বহুল প্ৰচলন হৈছিল যদিও হিন্দু ধৰ্মৰ প্ৰাধান্য বঢ়াৰ লগে লগে স্ত্ৰী শিক্ষাৰ ক্ষেত্ৰত এক ডাঙৰ বাধাৰ সৃষ্টি হৈছিল। সেই সময়ত মহিলাসকল উপযুক্ত শিক্ষাৰ লাভৰ পৰা বঞ্চিত কৰা হৈছিল। মহিলাসকলক শোষণ কৰিবলৈ লোৱা হৈছিল। বাল্যবিবাহ, সতীদাহ প্ৰথা আদিৰ দৰে ঘটনাবোৰে গা কৰি উঠিছিল। নাৰী সকলক পণ্য সামগ্ৰীৰ দৰে ব্যৱহাৰ কৰা হৈছিল নানা নিৰ্যাতন, অত্যাচাৰ চলোৱা হৈছিল।

অৱশ্যে বৃটিছৰ শাসনকালত ভাৰতবৰ্ষত মহিলা সকলৰ শিক্ষাৰ উন্নতিৰ বাবে পুনৰ ব্যৱস্থা লোৱা হৈছিল। বাল্যবিবাহ, সতীদাহ প্ৰথা আদি প্ৰথাবোৰ বৃটিছসকলে বন্ধ কৰি দিছিল। তদুপৰি ১৮৫৮ চনত চাৰ্লচ উডৰ উদ্যোগত ভাৰতত নতুনকৈ স্ত্ৰী শিক্ষাৰ পাতনি মেলা হয়। উড়চৰ এই প্ৰচেষ্টাক ফলৱৰ্তী কৰাৰ বাবে আগবাঢ়ি আহে ভাৰতবৰ্ষৰ কেতবোৰ শিক্ষিত ভাৰতীয়ই। ১৯২৭ চনত নিখিল ভাৰত স্ত্ৰী শিক্ষাৰ সমিতি গঠন কৰা হয়। তেতিয়াৰ পৰাই ভাৰতত স্ত্ৰী শিক্ষাৰ প্ৰচলন দ্ৰুততৰ হয়।

ভাৰতবৰ্ষত স্বাধীনতাৰ পিছতেই পঞ্চবাৰ্ষিক পৰিকল্পনাৰ আধাৰত চৰকাৰে দেশত স্ত্ৰী শিক্ষাৰ বহুল প্ৰচলন আঁচনি হাতত ল'লে। বহুতো বালিকা বিদ্যালয় প্ৰতিষ্ঠা হ'ল। শিক্ষিতা মহিলাৰ সংখ্যা কিছু সংখ্যক বাঢ়িল যদিও আশানুৰূপ ফল এতিয়াও পোৱা নাই। ইয়াৰ প্ৰধান কাৰণ হ'ল ভাৰতীয় সমাজৰ ৰক্ষণশীলতা। ঘৰৰ চাৰিবেৰৰ মাজতে আৱদ্ধ থাকি মহিলাসকলে গতানুগতিক জীৱন যাপন কৰি থাকিবলগা হয়। বিশেষকৈ গাঁও ভুইৰ পিছপৰা জাতি, অনুসূচীত জাতি জনজাতি আদিৰ মহিলাসকলে এতিয়াও শিক্ষা লাভৰ পৰা বঞ্চিত হৈ দুৰ্ভাগ্যৰ বোজা কঢ়িয়াই আছে। স্বাধীনতাৰ কালতো এনেদৰণৰ পৰ্দাৰ আঁৰত ৰখা প্ৰথা অথবা সংৰক্ষণশীলতাৰ প্ৰভাৱ আঁতৰ কৰিব নোৱাৰাত নাৰী সমাজত শিক্ষাই বিশেষ কৃতকাৰ্য্যতা লাভ কৰিব পৰা নাছিল।

মহিলাসকল শিক্ষালাভৰ ক্ষেত্ৰত পিছপৰি থকাৰ আন এটা প্ৰধান কাৰণ এয়ে যে কিছুমান ছোৱালীৰ পিতৃ-মাতৃয়ে ছোৱালীসকলক বোজা বুলি ভাবি কম বয়সতে বিয়া দি ঘৰৰ পৰা উলিয়াই দিব বিচাৰে। ভাৰতীয় আইন অনুসৰি ছোৱালীৰ বিবাহৰ নিম্নতম সীমা হৈছে ১৮ বছৰ আৰু ল'ৰাৰ বিবাহৰ নিম্নতম সীমা হৈছে ২১ বছৰ ।২২/২৩ বছৰৰ ভিতৰতহে ল'ৰা-ছোৱালীয়ে এম.এ, এম, এছ.চি. নাইবা তেনে কোনো সমপৰ্যায়ৰ উচ্চ শিক্ষা সাং কৰিব লাগে। এতেকে কোনো অভিভাৱকেই সেইখিনি বয়সলৈ ছোৱালীৰ বিয়াৰ বিষয়ে ভাবিব নালাগে।



পিছে আমাৰ সৰহভাগ পিতৃ-মাতৃয়ে ইফালে ছোৱালীক স্কুললৈ পঠায় আৰু আন ফালে দৰা বিচাৰি ফুৰে। সুবিধা পালেই

যেতিয়াই তেতিয়াই ছোৱালীৰ বিয়া পাতি দিয়ে। পিতৃ-মাতৃৰ এনে মনোভাৱৰ ফলত ছোৱালীৰ মনৰ ভাৱ বিকৃত হৈ



পৰে আনকি উচ্চ শিক্ষা পোৱাটো দূৰৰে কথা,ছোৱালীয়ে হাইস্কুলৰ দেওনাখনো পাৰ হোৱাৰ আশা এৰে। হাইস্কুলৰ দুই এক শ্ৰেণীত উঠিলেই নাইবা শিক্ষান্ত পৰীক্ষাত কোনোমতে এবাৰ বহিলেই যথেষ্ট বুলি ভাবে। ছোৱালীবোৰৰ মাজত যদি সঁচাকৈয়ে এনেকুৱা মনোভাৱৰ সৃষ্টি হয়, তেনেহ'লে আজিৰ এই একবিংশ শতিকাত স্ত্ৰী শিক্ষাৰ বহুল প্ৰচলনৰ দিনতো মহিলাসকলে শিক্ষা অৰ্জনত কৃতকাৰ্যতা লাভ কৰিব নোৱাৰিব।

অৱশ্যে বৰ্তমান সময়ত নাৰী শিক্ষাৰ ব্যাপক প্ৰসাৰ ঘটিছে। ভাৰতবৰ্ষৰ বিভিন্ন ক্ষেত্ৰত মহিলাসকলে পুৰুষৰ সমানে খোজ পেলাবলৈ সক্ষম হৈছে। ভাৰতবৰ্ষৰ বাহিৰতো ভাৰতীয় নাৰীসকলে আধিপাত্য বিস্তাৰ কৰিবলৈ সক্ষম হৈছে শিক্ষাৰ বলতেই। এই ক্ষেত্ৰত, বহুকেইগৰাকী মহিলাৰ নাম ল'ব পাৰি। তাৰ ভিতৰত ভাৰতৰ প্ৰথম মহিলা মহাকাশচাৰী কল্পনা চাওলা, কিৰণ বেদী, সৰোজনী নাইডু, ঝান্সীৰ ৰাণী লক্ষ্মীবাই, কনকলতা আদি মহিলাসকল অন্যতম। তদুপৰি বৰ্তমান সময়ত ভাৰতবৰ্ষত অনুষ্ঠিত হোৱা বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাত পুৰুষতকৈ মহিলাই শীৰ্ষ স্থান পৰিলে সক্ষম হৈছে। এয়া ভাৰতীয় নাৰীসকলৰ বাবে এক শুভবাৰ্তা। তদুপৰি মহিলাসকলৰ উন্নতিৰ বাবে চৰকাৰেও বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ ভিতৰত ভাৰতবৰ্ষৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই হাতত লোৱা "বেটী বচাও, বেটী পঢ়াও" আঁচনিখন এখন লেখত ল'বলগীয়া আঁচনি।

ভাৰতবৰ্ষত নাৰীৰ শিক্ষাব্যৱস্থাৰ ব্যাপক প্ৰসাৰ ঘটিলে কিন্তু এচাম মানুহৰ মানসিকতা এতিয়াও সলনি হোৱা নাই, যাৰ ফলত ভাৰতবৰ্ষত কেতবোৰ মহিলা এতিয়াও শিক্ষাৰ অধিকাৰ লাভ কৰা নাই। এইচাম মানুহে মহিলাসকলক সদায়েই নিজৰ তলতীয়া কৰি ৰাখিব বিচাৰে। তেওঁলোকে মহিলাসকলক পুৰুষতকৈ দুৰ্বল বুলি ভাৱে। সেয়েহে ভাৰতবৰ্ষত এতিয়াও বাল্যবিবাহ, ধৰ্ষণ, হত্যা যৌতুকৰ বাবে মহিলাৰ ওপৰত অত্যাচাৰ আদি ঘটনাবোৰ সংবাদ মাধ্যমত সঘনে দেখিবলৈ বা শুনিবলৈ পোৱা যায়। বহু সমাজত মহিলাসকলে ৰাজনৈতিক, সামাজিক আদি দিশত পুৰুষতকৈ কম সুবিধা পায়। দৰাচলতে এইটো সম্পূৰ্ণ নীতি বিৰুদ্ধ কথা। প্ৰকৃতিগতভাৱে পুৰুষ-মহিলা কোনোৱেই হীন বা দুৰ্বল নহয়। অৱশ্যে শাৰীৰিক দিশত পুৰুষে আৰু মহিলাৰ মাজত পাৰ্থক্যও নথকা নহয়। সেই বুলিয়ে নাৰীয়ে সদায় পুৰুষৰ অধীন হৈ থাকিবনে?

সামাজিক আৰু নৈতিক জীৱনৰ শৃংখলতাৰ কাৰণে নাৰী পুৰুষৰ আশ্ৰয়াধীন হ'লেও মানুহ হিচাপে সমাজত জীয়াই থকাৰ অধিকাৰত মহিলাসকলে কেতিয়াও পুৰুষৰ মুখাপেক্ষী হোৱাটো উচিত নহয়। পৰিয়ালৰ ভৰণ-পোষণ কৰাৰ লগতে দহৰ আৰু দেশৰ আৰ্থিক স্বচ্ছলতাৰ বাট পৰিস্কাৰ কৰিবলৈ মহিলাসকলেও পুৰুষৰ লগত সক্ৰিয় অংশগ্ৰহণ কৰিব লাগিব। বিশ্ব মানৱে আজি জীৱন সাৰ্থক আৰু সম্পূৰ্ণ কৰাৰ পথত গতি কৰিছে। প্ৰগতিৰ বিভিন্ন দৃষ্টিভংগীৰে জীৱনটো অনু-পৰমাণু পৰ্য্যন্ত পৰ্যবেক্ষণ কৰিবলৈ সক্ষম হৈছে। বিজ্ঞান শিক্ষাই আজি মানুহৰ অন্তৰত উখল-মাখল লগাই দিছে। পৃথিৱীৰ আটাইতকৈ চমকপ্ৰদ আৰু আচৰিত আৱিস্কাৰো কেৱল



বিজ্ঞানৰেই দান। মানুহৰ অনুসন্ধিৎসু মনে হেজাৰ হেজাৰ হেজাৰ বছৰ সপোন বাস্তৱত পৰিণত কৰাৰ প্ৰয়াস কৰিছে। সেয়েহে আজিৰ মানুহে আমাৰ বসতিৰ এই পৃথিৱী এৰি অন্য পৃথিৱী বিচাৰিছে। মানৱ জাতিৰ এনে এটা শুভ ক্ষণত সকলো পুৰুষ-মহিলাই জীৱন যাত্ৰাৰ সহযাত্ৰী হৈ প্ৰগতিৰ সেন্দুৰীয়া আলিত খোজ মিলাই জীৱন সত্য-সুন্দৰ কৰি তুলিব পাৰিলে পৃথিৱীত এনে এটা দিন আহিব যিদিনা গোটেই মানৱ জাতিয়ে শান্তি আৰু আনন্দত কবিৰ সুৰেৰে সমস্বৰে গাই যাব—

*"মানুহেই দেৱ মানুহেই সেৱ*
*মানুহ বিনে নাই কেৱ,*
*কৰা কৰা পূজা পাদ্য অৰ্ঘ্যনাই*
*জয় জয় মানৱ দেৱ।"*



# নলবাৰী অঞ্চলৰ নাৰী শিক্ষা

**- অৰ্ণৱজ্যোতি তালুকদাৰ**
স্নাতক প্ৰথম যান্মাষিক
পদাৰ্থ বিজ্ঞান বিভাগ

["Give me a good mother, I will give you a good nation".]
(মোক এগৰাকী সু-মাতৃ দিয়া, মই তোমাক এটা সমৃদ্ধিশালী জাতি প্ৰদান কৰিম)
**—নেপোলিয়ন বোনাপাৰ্ট**

নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা সন্দৰ্ভত এই কথাষাৰি বিশেষভাৱে প্ৰযোজ্য। স্ত্ৰী আৰু পুৰুষ, চৰাই এটিৰ ডেউকা দুখনিৰ দৰে। যেনেকৈ চৰাই এটিয়ে এখন ডেউকাৰে উৰিব নোৱাৰে, তেনেকৈ মহিলাসকলক পিছত থৈ এটা জাতিয়ে কেতিয়াও উন্নতিৰ পথত আগবাঢ়িব নোৱাৰে।

শিক্ষাৰ "নৱদ্বীপ"খ্যাত নলবাৰী অসমৰ বৌদ্ধিকমণ্ডল ৰূপেও পৰিগণিত। স্ত্ৰী-শিক্ষাৰ ক্ষেত্ৰটো ইয়াৰ অগ্ৰগতি লক্ষ্যনীয়। ২০১১ চনৰ লোকপিয়ল অনুসৰি জিলাখনত মহিলাৰ সাক্ষৰতাৰ হাৰ হৈছে ৭৩.৭৫%। পুৰুষ সৃজিত তথাকথিত দমন নীতিবোৰৰ বিপৰীতে নলবাৰী জিলাত পোন প্ৰথমবাৰৰ বাবে ছোৱালীস্কুল স্থাপন হৈছিল ১৯৩৫ চনত। শিক্ষাধিকাৰ জি.এল.স্মল চাহাবৰ নিৰ্দেশক্ৰমে ১৯৪৩ চনত এই স্কুলে সপ্তম শ্ৰেণী খোলাৰ অনুমতি পায় আৰু ১৯৪৫ চনত স্কুলখনে হাইস্কুলৰূপে পৰিপূৰ্ণতা লাভ কৰে। ১৯৪৮ চনত কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত অনুষ্ঠিত মেট্ৰিক পৰীক্ষাত বিদ্যালয়ৰ দুগৰাকী ছাত্ৰী অনুপমা দাস আৰু সৰুবালা দাস উত্তীৰ্ণ হৈ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনে। পঢ়া-শুনাৰ উপৰিও খেলা-ধূলা, নৃত্য-সংগীত-অভিনয় আদিতো এই স্কুলৰ ছাত্ৰীয়ে সৰ্বভাৰতীয় খ্যাতি লভিবলৈ সক্ষম হৈছে। শ্ৰেষ্ঠ অভিনেত্ৰীৰ ৰাষ্ট্ৰীয় বঁটা প্ৰাপক 'বেণ্ডিট কুইন'খ্যাত সীমা বিশ্বাস, বিশিষ্ট নাট পৰিচালিকা চাৰু তালুকদাৰ, সাংস্কৃতিক জগতখনৰ ডাঃ পদ্মিনী কলিতা, মৰমী বৈশ্য, শান্তা উজীৰ আদি বিদ্যালয়ৰ গৌৰৱ মালাধাৰৰ একো একোটা মণি যেন।

অৱশ্যে ইয়াৰ পূৰ্বেও অনানুষ্ঠানিক শিক্ষাৰে শিক্ষিতা মহিলাৰ উদাহৰণ নথকা নহয়। এইক্ষেত্ৰত মহামহোপাধ্যায় ধীৰেশ্বৰাচাৰ্যৰ জীয়ৰী সৰস্বতী গোস্বামী আৰু উত্তম সুন্দৰীদেৱীৰ নাম উল্লেখযোগ্য।

১৯৪৯ চনত এম.ভি. স্কুলৰূপে স্থাপন হোৱা মাখিবাহা ছোৱালী উচ্চ মাধ্যমিক স্কুলখনে ১৯৯৭ চনত এম.ই.স্কুলৰ স্বীকৃতি লাভ কৰে। ইফালে ১৯৬১ চনত টিহু অঞ্চলৰ ৰাইজে দ্ৰুতগতিত বৃদ্ধি পোৱা শিক্ষাৰ্থীৰ সংখ্যালৈ লক্ষ্য ৰাখি ছোৱালীৰ বাবে এখন সুকীয়া স্কুল স্থাপন কৰে। স্কুলখনৰ নাম 'টিহু ছোৱালী হাইস্কুল'। একেটি বছৰতে নলবাৰী জিলাৰ নামবৰভাগ মৌজাৰ ভোজকুছি গাঁৱত স্থাপন কৰা হয় 'ভোজকুছি বালিকা বিদ্যালয়' আৰু ১৯৭৫ চনত হাৰিভাংগাত 'হাৰিভাংগা ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়' স্থাপন হয়। সামগ্ৰিকভাৱে শিক্ষাগত দিশত কিছু অনুন্নত ক্ষেত্ৰী ধৰ্মপুৰ মৌজাৰ অন্তৰ্গত দাহুদী গাঁৱত 'দাহুদী ছোৱালী উচ্চ আৰু মধ্য ইংৰাজী স্কুল'খন স্থাপন হয় ১৯৭৯ চনত। হিন্দু-মুছলমানৰ ঐক্য আৰু সংহতিৰ প্ৰতীক মুকালমুৱা অঞ্চলত স্ত্ৰী-শিক্ষাৰ ক্ষেত্ৰত অৱদান যোগোৱা এগৰাকী ব্যক্তি হ'ল অভিযন্তা বৰদাচৰণ মেধি। তেখেতৰ বদান্যতাৰ গুণতেই গঢ় লোৱা চণ্ডীমেধি বালিকা বিদ্যালয়ে অঞ্চলটোত স্ত্ৰী-শিক্ষাৰ সম্প্ৰসাৰণত অৰিহণা যোগাই আহিছে। একেদৰে পকোৱা মৌজাৰ বৰনৰ্দ্দী ছোৱালী হাইস্কুল, দক্ষিণ পকোৱা ছোৱালী হাইস্কুল, আদৰ্শ বালিকা বিদ্যাপীঠ, বনগাঁও উত্তৰ পকোৱা কন্যা মহাবিদ্যালয় আদি শিক্ষানুষ্ঠানসমূহেও স্ত্ৰী-শিক্ষাৰ ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰি আছে। স্ত্ৰী-শিক্ষাৰ বিকাশত অন্যতম অৱদান যোগোৱা অন্য এখন শিক্ষানুষ্ঠান হৈছে নলবাৰী চহৰৰ মাজমজিয়াত ১৯৭৩ চনত স্থাপন কৰা 'মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা বিদ্যাপীঠ'। তদুপৰি 'ৰাষ্ট্ৰীয় মূল্যায়ণ আৰু প্ৰত্যায়ণ পৰিষদ (NAAC)ৰ দ্বাৰা (A) গ্ৰেড প্ৰদান কৰা স্ত্ৰী-শিক্ষাৰ উৎকৰ্ষ সাধন আৰু সম্প্ৰসাৰণত প্ৰভূত বৰঙণি যোগাবলৈ সক্ষম হোৱা 'মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়' স্থাপন হয় ১৯৭৯ চনত।

আনুষ্ঠানিক শিক্ষাৰ উপৰিও নলবাৰীৰ ভালেসংখ্যক নাৰীয়ে সাহিত্য-সংস্কৃতি, সংগীত-নৃত্য, ক্ৰীড়া, অভিনয় আদিতো কৃতিত্ব অৰ্জন কৰিব পাৰিছে। ঔপন্যাসিক, গল্পকাৰ তথা সাংবাদিক নিৰুপমা বৰগোহাঞিয়ে ১৯৯৬ চনত 'অভিযাত্ৰী' উপন্যাসৰ বাবে সাহিত্য অকাডেমী পুৰস্কাৰ বুটলিবলৈ সক্ষম হৈছে। খেলা-ধূলাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় টাইকোৱানডো প্ৰতিযোগিতা শ্ৰেষ্ঠ যুঁজাৰুৰ সন্মান লাভ কৰা অনামিকা চৌধুৰী নলবাৰী জিলাৰে সু-জীয়ৰী। এয়া কেইটামান উদাহৰণহে। প্ৰণিধানযোগ্য যে লেখাৰ মাধ্যমেৰে সমাজক গঢ় দিয়াৰ প্ৰয়াসত ১৯৭৮ চনত গঢ় লৈ উঠে 'নলবাৰী লেখিকা সমাজ।'

সময়ৰ সোঁতত জনসাধাৰণৰ শৈক্ষিক প্ৰয়োজনত তথা আৰ্থসামাজিক উন্নতিৰ পৰিপ্ৰেক্ষিতত নলবাৰী জিলাত গঢ়ি উঠা স্ত্ৰী-শিক্ষাৰ অনুষ্ঠানে যে নৱজাগৰণৰ সৃষ্টি কৰিছে, সেয়া সহজেই অনুমেয়। নলবাৰী অঞ্চলৰ স্ত্ৰী-শিক্ষাৰ এটি লক্ষ্যনীয় দিশ হ'ল জিলাখনৰ সাক্ষৰতাৰ হাৰ (৭৩.৭৫%) মহিলাৰ ৰাষ্ট্ৰীয় সাক্ষৰতাৰ হাৰতকৈ (৬৫.৪৬%) অধিক। কিন্তু ই সন্তুষ্টিৰ কাৰণ হ'ব নোৱাৰে যিহেতু জিলাখনৰ পুৰুষৰ সাক্ষৰতাৰ হাৰ (৮৫.৫৮%) তুলনামূলকভাৱে মহিলাৰ সাক্ষৰতাৰ হাৰতকৈ উচ্চ। একবিংশ শতিকাত মহিলা সৱলীকৰণত গুৰুত্ব আৰোপ কৰা হৈছে, যাৰ বাবে শিক্ষা অৱশ্যম্ভাৱী। ভৱিষ্যতে এখন উন্নত সমাজ গঠনৰ ক্ষেত্ৰত পুৰুষ আৰু মহিলাৰ সমান দায়িত্ব আছে। তদুপৰি শিশু এটাই প্ৰকৃত মানুহ হোৱাৰ শিক্ষাৰ যিহেতু মাতৃৰ পৰাই প্ৰধানকৈ লাভ কৰে, সেয়ে মহিলাসকলৰ শিক্ষাৰ বিষয়টো আৰু অধিক বিবেচনাপূৰ্ণ।

*(বিভিন্ন উৎসৰ সহায় লৈ)*



**সোণকুৰিহা** ঃ 'প্ৰত্ৰোৰ্ণা' অৰ্থাৎ পাটপলুৰ উৎপাদনৰ বাবে বিখ্যাত অতীজৰ সুৱৰ্ণকুজৰ বৰ্ত্তমানৰ নাম হ'ল সোণকুৰিহা। বৰ্ত্তমান সোণকুৰিহা এখন গাঁও যদিও ২২০০ বছৰৰ পূৰ্বে ইয়াত এখন নগৰ আছিল। কৌটিল্যৰ 'অৰ্থশাস্ত্ৰ'ত উল্লেখ থকা মতে সেই সময়ত সোণকুৰিহাত উন্নতমানৰ সোণ উৎপাদন কৰা হৈছিল। এই সোণ বালিৰ পৰা উৎপাদন কৰা হৈছিল।

সৃষ্টি



# কল্পনা সৃষ্টিশীলতাৰ অন্য এক নাম

- ৰিমঝিম ভৰদ্বাজ
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ
বিজ্ঞান শাখা

তিনিটা আখৰৰ এটা সুন্দৰ শব্দ হৈছে কল্পনা। যাৰ অৰ্থ হৈছে ভাৱ বা সপোন। এই কল্পনা শক্তিৰ জৰিয়তেই আদিম কালৰে পৰাই মানুহে নিজৰ অস্তিত্ব ৰক্ষাৰ বাবে প্ৰয়োজনীয় সামগ্ৰীবোৰ প্ৰস্তুত কৰি লৈছে আৰু এনেদৰে মানুহ আজি অসীম শক্তিৰ অধিকাৰী হ'ব পাৰিছে। কল্পনা শব্দটোক লৈ বহু ডাঙৰ ডাঙৰ ব্যক্তিয়ে নানা মত দি থৈ গৈছে। নেপোলিয়ন বোনাপাৰ্টে কৈছিল– "কল্পনাই কেৱল ব্যক্তিগতভাৱে মানুহকে নিয়ন্ত্ৰণ নকৰে, কল্পনাই সমগ্ৰ পৃথিৱীকে নিয়ন্ত্ৰণ কৰে।"

মানৱ জীৱনৰ উন্নতিৰ ক্ষেত্ৰত কল্পনা শক্তিৰ অৱদান আটাইতকৈ বেছি। আমাৰ চৌপাশে ঘটি থকা ঘটনা বা কাম-কাজ সম্পৰ্কে অধিক স্পষ্টভাৱে বুজিব পাৰো কল্পনাৰ জৰিয়তে। এই কল্পনা শক্তিৰ পৰিসৰ বৰ বিশাল। কল্পনাৰ বাবে সৃষ্টি হৈছিল মনালিছাৰ দৰে বিখ্যাত ছবিৰ, সাহিত্যিকৰ কলমৰ পৰা নিগৰিছিল মনোৰম কবিতা। এই কল্পনা শব্দটোৱে মানুহৰ মন মগজুত অহৰহ ক্ৰিয়া কৰি থাকে। উদাহৰণস্বৰূপে, ৰাইট ভাতৃদ্বয়ে যদি চৰাইটো দেখি তেনেদৰে মানুহে আকাশত উৰি যোৱাৰ কথা কল্পনা নকৰিলেহেঁতে তেনেহ'লে হয়তো উৰাজাহাজ আৱিষ্কাৰ নহ'লহেঁতেন। সাধাৰণতে অৱসৰৰ সময়ত আমাৰ মন মানসিক কল্পনাৰ জৰিয়তে ক্ৰিয়াশীল হৈ থাকে। চিকাগো বিশ্ববিদ্যালয়ৰ এটা সমীক্ষাত পোৱা গৈছে যে যি মানুহে সৃষ্টিশীল কল্পনা কৰিব পাৰে তেওঁ পঞ্চাশ বছৰ বয়সতো সুন্দৰ হৈ থাকিব পাৰে। সৃষ্টিশীল কল্পনা অবিহনে যিয়ে কেৱল হাতৰ শ্ৰমেৰে কাম কৰে তেওঁ অতি সোনকালে বৃদ্ধ হৈ পৰে। সৃষ্টিশীল কল্পনাই আমাৰ জীৱনৰ লক্ষ্যত উপনীত হোৱাত সহায় কৰে। কল্পনা প্ৰৱণ মন এটি গঢ়িবলৈ হ'লে প্ৰথম আৰু আটাইতকৈ কাৰ্য্যকৰী উপায় হৈছে নিজকে জোৰ কৰি হ'লেও কল্পনাৰ আশ্ৰয় ল'বলৈ বাধ্য কৰা। এই কল্পনাশক্তি বিস্তাৰ কৰিবলৈ হ'লে আমাৰ মানসিক শক্তিক নিৰ্দিষ্ট এটা লক্ষ্যত কেন্দ্ৰীভূত কৰি ল'ব লাগিব। এই নিৰ্দিষ্ট লক্ষ্যৰ ওপৰত সৃষ্টিশীল কল্পনাৰ ৰহণ সানিলে হয়তো সেই কল্পনা দিঠকত পৰিণত হ'ব।

সৃষ্টিশীল কল্পনাই যিদৰে মানুহক সৃষ্টিশীল কামত মনোনিবেশ কৰাত সহায় কৰে থিক তেনেদৰে অলীক কল্পনাই কিন্তু মানুহক হতাশাত পেলাব পাৰে। অলীক কল্পনা কল্পনাশক্তিৰ আটাইতকৈ ডাঙৰ বাধাস্বৰূপ। ই হৈছে উদ্দেশ্যবিহীন এলাহযুক্ত কল্পনা। যি কল্পনাৰ কোনো ভিত্তি নাই কোনো বাস্তৱতা নাই সেইবোৰেই হ'ল অনিষ্টকাৰক কল্পনা। এনেকুৱা কল্পনাই মানুহক কোনো কামত সহায় নকৰে, বৰং অনিষ্টহে কৰে। অলীক কল্পনাই মানুহক বাস্তৱতা আৰু জীৱনৰ উদ্দেশ্যৰ পৰা বিচ্ছিন্ন কৰে। সেয়ে মানুহে অলীক কল্পনাক আশ্ৰয় নিদিয়াটোৱে শ্ৰেয়।

মানুহৰ অভিজ্ঞতা বৃদ্ধিৰ লগে লগে কল্পনা শক্তিয়ে পৈণত ৰূপ পায়। ড° এলবাৰ্ট এডৱাৰ্ডে কৈছিল– "মানুহৰ আটাইতকৈ ডাঙৰ শক্তিটোৱে হৈছে কল্পনা শক্তি, যিয়ে মানুহক সাফল্যৰ উচ্চ শিখৰত উপনীত কৰিব পাৰে। কিন্তু যদিহে এই কল্পনা বোলা বস্তুটো মানৱ মনৰ পৰা আঁতৰ হয় তেতিয়া মানুহে পশুৰ দৰে গতানুগতিক জীৱন-যাপন কৰিব লাগিব। জীৱনৰ যি মাদকতা সেয়া হেৰাই যাব।"

মানৱতা

জীৱনটোক দুখেৰে নহয়, হাঁহিৰে জীয়াই তুলিব লাগে। হাঁহি আৰু দুখ আমাৰ জীৱনৰ দুটা চৰম সত্য, কিন্তু এই সত্যক বিচাৰি আমি নোপোৱাবোৰৰ বাবে হাহাকাৰ কৰি ফুৰোঁ। মানৱতাৰ গান গাই আমাৰ জীৱন নাটৰ গাড়ীখন আগুৱাই নিয়াটো প্ৰতিজন জীৱন যোদ্ধাৰ প্ৰধান অস্ত্ৰ। এই মানৱতা নামৰ অস্ত্ৰৰ উৰ্দ্ধত কোনো টকা-পইচা, হিংসা, যুদ্ধ, অপৰাধ আৰু অমানৱীয়তাৰ স্থান নাই।

# মানুহ আৰু মানৱতাবাদ

- **মিটুল ভূঞা**
স্নাতক প্ৰথম ষাণ্মাষিক
ভূগোল বিজ্ঞান বিভাগ

**জী**ৱন মাথোঁ তিনিটা বৰ্ণেৰে গঠিত যদিও ইয়াৰ বহু গুঢ়াৰ্থ থাকে। কিন্তু এই তিনি বৰ্ণৰ শব্দটোৱে মানুহ তথা জীৱ-জন্তুৰ জন্মৰ পৰা মৃত্যুলৈকে সমগ্ৰ ঘটনা নাইবা পৰিঘটনাৰ সমষ্টি মাথো। এই জীৱনটোৰ ভিতৰত দুটা মহৎ গুণ থাকে। সেয়া হ'ল সুখ আৰু দুখ। সুখৰ আনন্দ আৰু দুখৰ নিৰানন্দক বুজিব পৰা একমাত্ৰ প্ৰাণীটোই হৈছে মানুহ। যাক আমি জীৱশ্ৰেষ্ঠ বুলি কওঁ। মানুহেই হ'ল এনেকুৱা এটা জীৱ, যিয়ে ভুল শুদ্ধৰ বিচাৰ কৰিব পাৰে আৰু লগতে ভুলক সংশোধন কৰি শুদ্ধ কাম এটা আকোৱালি ল'ব পাৰে।

মানুহ হ'ল বুদ্ধি-বৃত্তি সম্পন্ন জীৱ। গতিকে মানুহে নিজৰ জীৱনটোক নিজৰ মতে গঢ়ি তুলিব পাৰে, নিজৰ ইচ্ছা অনুসৰি সুখকৰ কৰি তুলিব পাৰে। কিন্তু ইজনে আনজনৰ প্ৰতি থকা বিশ্বাস-অবিশ্বাস আদিৰ বাবে হয়তো এয়া সম্ভৱপৰ নহয়। এইবোৰৰ কাৰণে কাৰোবাৰ মাজৰ সম্পৰ্কত অন্য এজনে ব্যাঘাত জন্মাব পাৰে। যাৰ ফলস্বৰূপে ইজনে আনজনৰ লগত শত্ৰুতা ভাবৰ সৃষ্টি কৰে।

মানুহৰ মন চৰাইৰ কোমল পাখিৰ দৰে, যি বতাহৰ আগমনত উৰি গৈ থাকে আৰু বতাহৰ গতি স্তব্ধ হৈ গ'লেই ই তলত পৰি যায়। উচ্চ আকাংক্ষাপূৰ্ণ সপোন এটি দুবাহুৰে সাৱটি লৈ জীৱনৰ গতি পথত খোজ দি আগবাঢ়ি গৈ থকা মানুহৰ যিদিনা সেই সপোনবোৰ কোনোবাই মোহাৰি পেলায়, সেইদিনাখন হয়তো এটি জড় পদাৰ্থৰ দৰে মানুহৰ জীৱনটো স্তব্ধ হৈ পৰিব। মাথো নিত্য নৈমিত্তিকভাৱে হৃদযন্ত্ৰটোৱে চলি থাকে, বাকীবোৰ মাথো অসাৰ।

মানুহ শৈক্ষিক দিশত সম্পূৰ্ণৰূপে আগবঢ়া যদিও তথাপি গুণগত জ্ঞানৰ অভাৱ দেখা যায়। কেৱল স্কুলীয়া শিক্ষা সমাপ্ত কৰি বিভিন্ন ডিগ্ৰী লাভ কৰিলেও হয়তো মানুহৰ কিছুমান সাধাৰণ জ্ঞান নাথাকিব পাৰে। যদি আমি নিজে জীৱশ্ৰেষ্ঠ মানুহ হিচাপে জন্মগ্ৰহণ কৰি নিজৰ শিক্ষাগুৰু, জন্মদাতা পিতৃ-মাতৃ আদি জ্যেষ্ঠজনক যদি শ্ৰদ্ধা কৰিব নাজানো তেনেহ'লে শিক্ষাৰ মানদণ্ড লাঘৱ হ'ব।

বিভিন্ন সভা-সমিতি নাইবা আলোচনাচক্ৰ আদিত শুনিবলৈ পাওঁ যে, আমি নিজৰ পিতৃ-মাতৃক সুৰক্ষা দিব লাগে। জ্ঞানীসকলে কয় যে, পিতৃ-মাতৃক ঈশ্বৰৰ নিচিনা জ্ঞান কৰিব লাগে। যদি আমি পিতৃ-মাতৃক ইমানেই ভক্তি কৰো তেনেহ'লে বৃদ্ধাশ্ৰমৰ সৃষ্টি নহ'লহেঁতেন। হয়তো ইয়াৰ মূল কাৰণ অজ্ঞানীসকল নহয় জ্ঞানীসকলকহে, যিসকলে মানৱতাৰ কথা পাহৰি নিজৰ দুচকু পোহৰ কৰা সেই ঈশ্বৰস্বৰূপ পিতৃ-মাতৃক অৱহেলা কৰি বৃদ্ধাশ্ৰমত থৈ অহা আমি দূৰদৰ্শনৰ পৰ্দাত দেখিবলৈ পাওঁ।

মানুহে জন্মৰ সময়ত সম্পূৰ্ণ স্বাধীনভাৱে জন্মগ্ৰহণ কৰে, কিন্তু মায়াপাশত বন্দী হৈ নকৰিবলগা কামো কৰা দেখা যায়। যিখন সমাজত আছে অন্ধবিশ্বাস, কু-সংস্কাৰ আদিৰ দৰে অমানৱীয় গুণ। এফালে কিছুমান মানুহে মংগল গ্ৰহত বসতি স্থাপনৰ বিষয়ে চিন্তা-চৰ্চা কৰি আছে, কিন্তু আনফালে বিজ্ঞানৰ যুগত অন্ধবিশ্বাস, বাল্য-বিবাহ আদিকে বিশ্বাস কৰি আহি আছে। যাৰ ফলত সৰ্বাংগীন উন্নতিৰ ক্ষেত্ৰত পিছ পৰি গৈ আছে।

আজিৰ যান্ত্ৰিকতাৰ যুগত এচাম মানৱে কৃত্ৰিম উপগ্ৰহ আৱিস্কাৰ কৰি ইয়াক উপস্থাপনৰ কথা ভাৱি আছে আৰু আন এচাম মানৱে ডাইনী হত্যাৰ নিচিনা জঘন্য ঘটনাৰ পিছত দৌৰি নিজৰ সময় নষ্ট কৰিছে। এনেদৰে সমাজৰ উন্নতি সম্ভৱ নহয়। সমাজ এখনৰ উন্নতিৰ বাবে অন্ধবিশ্বাসক আঁতৰাই বৈজ্ঞানীক দৃষ্টিভংগীৰে আগুৱাই যোৱাটো প্ৰয়োজন।

আজিৰ শিশু কাইলৈ নাগৰিক। সমাজৰ উন্নতি নিৰ্ভৰ কৰে শিক্ষাগত অৰ্হতাৰ ওপৰত। গতিকে শিশুসকলক সৰুৰে পৰাই শিক্ষা-দীক্ষাৰে ডাঙৰ-দীঘল কৰিলে ই সমাজৰ উন্নতিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰিব। কিন্তু সমাজৰ সৰ্বাংগীন উন্নতিৰ বাবে সাধাৰণ জ্ঞানৰো প্ৰয়োজনীয়তা আছে। কিয়নো আজিৰ শিশু ভৱিষ্যতলৈ এজন নাগৰিক হ'ব। আৰু তেওঁলোকে নিজৰ পিতৃ-মাতৃক বৃদ্ধাশ্ৰমত থৈ আহিব নাইবা মৃত্যুদণ্ড দিব। কিয়নো তেওঁলোকে নিজৰ জন্মদাত্ৰীৰ বাবে কৰিবলগীয়াখিনিক বোজা হিচাপে লৈ এনেকুৱা নিৰ্লজজনক কাম কৰিব ধৰিছে। গতিকে এনেকুৱা কিছুমান কামৰ পৰা তেওঁলোকক বিৰত ৰাখিবলৈ কিছুমান সাধাৰণ জ্ঞানৰ দৰকাৰ। এই জ্ঞান দিব পাৰে পিতৃ-মাতৃ তথা অভিভাৱকসকলেহে। গতিকে এজন প্ৰকৃত মানুহ তথা এখন সৰ্বাংগীন উন্নতিপূৰ্ণ সমাজ গঠন কৰিবলৈ পিতৃ-মাতৃ, অভিভাৱকৰ ভূমিকা অপৰিসীম।

তদ্ৰূপ এডাল কুমলীয়া বাঁহ বেকা কৰি দিলে সি ডাঙৰ হোৱালৈকে বেকা হৈ গৈ থাকে, ঠিক তেনেদৰে এটি কণমানি শিশুকো ভাল জ্ঞান নিদিলে অথবা চাৰিবেৰৰ মাজত আৱদ্ধ কৰি ৰাখিলে সি সমাজৰ উন্নতিৰ ক্ষেত্ৰত যথেষ্ট পৰিমাণে ব্যাঘাত জন্মাব পাৰে।

এই মায়াময় পৃথিৱীখন জীৱন নাটৰ মঞ্চ, য'ত আমিবোৰ মাথো সাধাৰণ নায়ক-নায়িকা। জীৱন নাটৰ এই যাত্ৰাত আমাৰ জীৱনলৈ বহু যাত্ৰীৰ আগমন ঘটে আৰু প্ৰত্যেকে আমাক কিবা নহয় কিবা এটা হ'লেও শিক্ষা দি থৈ যায়। ইয়াৰে বহু যাত্ৰীয়ে নিজৰ গন্তব্য স্থান পোৱাৰ পিছত আঁতৰি যায় আৰু আমাৰ আপোনসকলে আমাৰ জীৱন নাটৰ শেষত দৃশ্যটিলৈ আমাৰ লগত থাকে। জীৱন নাটখন বহু জটিল এই জটিলতাৰ মাজেৰে মানুহে নিজৰ স্বপ্নৰ পৃথিৱীখন সজাই তুলিব পাৰে।

জীৱনটোক দুখেৰে নহয়, হাঁহিৰে জীয়াই তুলিব লাগে। হাঁহি আৰু দুখ আমাৰ জীৱনৰ দুটা চৰম সত্য, কিন্তু এই সত্যক বিচাৰি আমি নোপোৱাবোৰৰ বাবে হাহাকাৰ কৰি ফুৰোঁ। মানৱতাৰ গান গাই আমাৰ জীৱন নাটৰ গাড়ীখন আগুৱাই নিয়াটো প্ৰতিজন জীৱন যোদ্ধাৰ প্ৰধান অস্ত্ৰ। এই মানৱতা নামৰ অস্ত্ৰৰ উৰ্দ্ধত কোনো টকা-পইচা, হিংসা, যুদ্ধ, অপৰাধ আৰু অমানৱীয়তাৰ স্থান নাই। জীৱশ্ৰেষ্ঠ হৈও আজি আমাৰ মাজত মানৱতাৰ অভাৱ। অভাৱ নাই সেই অস্ত্ৰবোৰৰ যিয়ে মানৱতাৰ সেউজ ধৰণীখনক ধ্বংস কৰি অনাগত জীৱনত এখন অমানৱীয় দুখৰ পৃথিৱী গঢ়ি তুলিব আৰু সেইদিনাই মানৱতাৰ অস্তিত্বই বিষাদৰ অশ্ৰুৰে এই মায়াময় পৃথিৱীৰ পৰা মেলানি মাগিব।

**শ্ৰীপুৰ দেৱালয়** ঃ দক্ষকন্যা সতীৰ মৃতদেহ মহাদেৱে কান্ধত লৈ ঘূৰি ফুৰাৰ সময়ত তেওঁৰ চুলিকোছা নলবাৰীৰ দক্ষিণ বাস্কা মৌজাৰ শ্ৰীপুৰ দেওঁৰ গাঁৱত খহি পৰিছিল। সেই ঘটনামৰ্মে সৃষ্টি হোৱা 'শ্ৰীশ্ৰীকমলেশ্বৰী দেৱালয়' পিছলৈ 'শ্ৰীপুৰ দেৱালয়' নামেৰে জনাজাত হয়।




# আমি বৃদ্ধাশ্ৰমৰ পক্ষপাতী নেকি ?

- ৰূপজ্যোতি শৰ্মা
স্নাতক তৃতীয় ষাণ্মাসিক
উদ্ভিদ বিজ্ঞান বিভাগ

সাম্প্ৰতিক সময়ত সবাতোকৈ চৰ্চিত বিষয়সমূহৰ ভিতৰত নিজ পিতৃ-মাতৃৰ বৃদ্ধাশ্ৰম যাত্ৰা হৈছে এক অন্যতম বিষয়। আধুনিকতাৰ নৈখনত যেন আমি সকলোৱে উটি-ভাহি গৈছো, বৃদ্ধাশ্ৰমবোৰে তাকে প্ৰমাণ কৰে। এজন মানুহে শৰীৰত মাত্ৰ ৪৫ ডেল (ইউনিট) বেদনা সহ্য কৰিব পাৰে। কিন্তু প্ৰসৱৰ সময়ৰ এগৰাকী মাতৃয়ে ৫৭ ডেল (ইউনিট) সহ্য কৰে, যিটো বেদনা এটা সময়ত ২০ ডাল হাড় ভগাৰ সমান্তৰাল। ইমানখিনি যাতনা নিৰৱে সহ্য কৰাৰ পিছতো যদি সন্তানে মাক-দেউতাকৰ মূল্য বুজি নাপায় তেন্তে কি বুলি আখ্যা দিম আমি আমাৰ মানসিকতাক ? সন্তানৰ উজ্বল ভৱিষ্যতৰ স্বাৰ্থহীন সপোন দেখা পিতৃ বা মাতৃস্নেহক মূল্যহীন কৰি যি কৃত্ৰিম পৃথিৱী এখন প্ৰস্তুতিৰ যো-যা চলিছে সেই পৰিস্থিতিয়ে প্ৰশ্ন কৰে আমি সচাঁই জীৱ শ্ৰেষ্ঠ নে, আমাক বাৰু জীৱ শ্ৰেষ্ঠ বুলি আখ্যা দিয়া উচিতনে ?

জাক-জমকতাৰে ভৰা পৃথিৱীখনত দিশভ্ৰষ্ট পথিক মানৱ সমাজ। সমগ্ৰ বিশ্বতে অসমীয়া মানুহৰ সুনাম আছে যে বিদেশ বা ভাৰতবৰ্ষৰ আন ঠাইৰ মানুহৰ তুলনাত অসমীয়াসকল অতি আৱেগপ্ৰৱণ আৰু মৰমিয়াল, মাক-দেউতাকক গুৰুজ্ঞান কৰি মৰম আৰু শ্ৰদ্ধাৰ আবেগ আবেষ্টনীত ৰাখে, আমাৰ ককা-আইতাহঁতৰ দিনৰ দৰে দিন আৰু নাই, মানুহৰ মাজত মৰমৰ এনাজৰীডালৰ ক'ৰবাত গাঁঠি খোল খাইছে। মানুহৰ মাজত ধৈৰ্য, দয়া, ক্ষমা আদি বিলুপ্ত হোৱাৰ উপক্ৰম হৈছে। সমাজত দ্বন্দ্ব-খৰিয়ালৰ মাত্ৰা বৃদ্ধি পাব ধৰিছে। আধুনিক যুগৰ প্ৰতিযোগিতাৰ দৌৰাত্ম্যত নিজকে খাপ খুৱাবলৈ বা নিজৰ

স্বাৰ্থ সিদ্ধিৰ উদ্দেশ্যে নিকট আত্মীয় নাইবা আপোন মানুহকে পৰ কৰিবলৈ কিঞ্চিতো কুণ্ঠাবোধ নকৰে মানুহে। উচ্চ শিক্ষিত সন্তানসকলে জন্ম দিয়া মাক-দেউতাকক নিজৰ লগত ৰাখিবলৈ অসুবিধা পাই বৃদ্ধাশ্ৰমলৈ পঠিওৱাৰ জ্বলন্ত উদাহৰণ এতিয়া আৰু আঙুলিৰ মূৰত গণিব পৰা হৈ থকা নাই। সাম্প্ৰতিক কালত সামাজিক ব্যাধিস্বৰূপে থিয় দিয়া এই কীটটোক আমি সকলোৱে নিৰ্মূল কৰা উচিত। বৰ্তমান মাতৃ আৰু পিতৃহন্তা সন্তানৰ উদাহৰণ বাঢ়িবলৈ ধৰিছে। আনহাতে, মাক-দেউতাকে সন্তানৰ কিবা ভুল আঙুলিয়াই গালি-শপনি দিলেও আগ-পাছ নুশুনি আত্মহননৰ পথ নাইবা কিবা আক্ৰোশমূলক কাৰ্য সংঘটিত কৰিবলৈও কুণ্ঠবোধ নকৰে। এবাৰলৈও ধৈৰ্য্য ধৰি নাভাৱে যে জন্মদাত্ৰী মাতৃয়ে ভালৰ বাবে তেনে কৰিছে।

আজিৰ সমাজত সততে ঘটি থকা তেনে অবাঞ্চিত তথা অমানৱীয় কাৰ্যকলাপবোৰৰ বাবে আমি সাধাৰণতে যুৱক-যুৱতী তথা সন্তানসকলকে একমাত্ৰ জগৰীয়া কৰি অভিভাৱক সকলে নিজে দায়সৰা যেন দৃষ্টিগোচৰ হয়। তেওঁলোকে সন্তান লালন-পালন কৰোতে ক'ৰবাত ভুল-ত্ৰুটি কৰি আহিছে নেকি যে বৃদ্ধকালত নিজৰ সন্তানৰ পৰা লাঞ্চনা পাবলগীয়া পৰিস্থিতি আহি পৰে। আধুনিক যুগৰ মাক-দেউতাকসকলে আত্মবিশ্লেষণ কৰাৰ সময় সমাগত। উচ্চ শিক্ষাৰ শিক্ষিত এখন ঘৰৰ মানসিকতা কি কাৰণে ইমান নিম্নগামী হয়, তাক চালি-জাৰি চোৱাৰ প্ৰয়োজনীয়তা আহি পৰিছে।



বৰ্তমান সমাজত দেখা যায় যে সন্তানসকলৰ অতিমাত্ৰা কৰ্মব্যস্ততাৰ বাবে পিতৃ-মাতৃক ভালদৰে চোৱা-চিতা কৰাত অসমৰ্থ হয়। ফলত তেওঁলোকক বৃদ্ধশ্ৰমত থৈ আহে যিটো কেতিয়াও মানি ল'ব নোৱাৰি, কাৰণ পিতৃ-মাতৃ যদি বৃদ্ধ অৱস্থাত বৃদ্ধাশ্ৰমলৈ যাব লাগে, যিটো সময়ত তেওঁলোকে সন্তানৰ সংগ বিচাৰে তাতকৈ সন্তান জন্ম নিদিয়াই ভাল, কাৰণ সন্তান থাকিও যদি তেনে অৱস্থাত হয় তেন্তে নিজকে সন্তানহীন বুলি কওঁতে লাজ আৰু দুখ কমকৈ লাগিব।

মাক-দেউতাকে ল'ৰা-ছোৱালীক স্বাধীনভাৱে চিন্তা কৰিবলৈ সুবিধা দি আৰু মনৰ বুজ লৈ ডাঙৰ কৰিলে কোনো ল'ৰা-ছোৱালীয়েই মাক-দেউতাকক বৃদ্ধা-শ্ৰমলৈ পঠোৱাৰ কথা মনলৈ আনিব নোৱাৰে। বৰঞ্চ মাক-দেউতাকৰ বটবৃক্ষৰ ছত্ৰছায়াতহে দিন কটাবলৈ হাবিয়াস কৰিব। বুজা পৰা আৰু এৰা-ধৰাৰ মাজেৰে মানৱতাৰ জয় হওঁক। অনাগত দিনবোৰ যেন ভাল হয়, যিয়ে পৃথিৱীত আনে সেইজনক যেন শেষৰছোৱাত অকলশৰীয়া নকৰে কোনো সন্তানে নিজৰ মাক-দেউতাকক। কোনো ককা-আইতা এনে বৃদ্ধাশ্ৰমৰ সদস্য নহওঁক তাৰে কামনা কৰিলোঁ।



# Women Empowerment : Dreams of flying High

- **Parismita Goswami**
T.D.C. 2nd Semester
Geography Department

*"Do not lower your goals to the level of your abilities
Instead, raise your abilities to the hieght of your goals."*
**–Swami Vivekananda**

In the period of degeneration, when the priests made the other castes incompetent for the study of the Vedas, they also deprived the women of all their rights. Otherwise, in the vedic or upanishadic age Maitreyi, gargi and other ladies of revered memory could take the places of Rishis through their skill and knowledge. In an assembly of a thousand Brahmans who were all scholars in the vedas. Gargi confidently challenged Yaganavakya in a discussison about Brahman. Since such ideal women were entitled to spiritual knowledge, Why shall not the women once have same prvilege or liberty now? What has happened can certainly happen again, with enough strength, courage and confidence the women of the world can prove that history repeats itself.

Women empowerment emplies the ability in women to take decisions with regard to their life and work and giving equal rights to them in all spheres including personal, social, economic, political, legal and so on. It is the much talked about issue today.

Women are increasingly getting empowered to decide the course of their life and profession and realize their potential. Margaret E.Noble was converted to hinduism by swami Vivekananda with a new name as sister Nivedita or "Dedicated to God." Swamiji told- "go there and follow him, who was born and gave his life for otheres five hundred times before he attained the vision of Budha" Sister Nivedita was a girl from ireland who came to India and organised and opened a girl's school in Bagbazar area of Calcutta with a desire in mind to educate girls. Her dedication was so much for a cause that she used to visit the houses to persue the girls to join her school. Sister Nivedita always tried to educate her students with the nationalist spirit. She introduced singing of "Vande Mataram" in her school as a prayer. Women is not meant for staying behind the barriers and end their lives with regrets and many dreams in their eyes which left uncovered with colour. They are meant to come out in a huge number and make other realize that they are playing multiple roles of a mother, daughter, sister, wife and are capable and have ability to shine as working professional with remarkable harmony and ease. With equal opportunities to work, they must function with a spirit of team work. It is not limited to urban, working women but women in even remote towns and villages are now increasingly making their voices heard loud and clear in society. Unfortuantly many women face exploitation and harassment. They are often subjected to rape, abuse and other forms of physical and emotional violence. If women are not empowered, they cannot enjoy security and protection in life. Empowerment acts as a powerful tool against, exploitation and harassment of women. It is the time to clear the negative throughts of people who ask them to behind the barrier stay. It is the time to show them or prove them by their work. It is the high time to develop their own identity and also to not bear and say- "enough" clear and confidently.



Women empowermnt helps to make the society and work a better place to live in and march forward on way to inclusive participation. It meants increase happiness and satisfaction. Women are free to dream and to live them. Women too have wings, to fly high. Anne frank said - "People can tell you to keep your mouth chut, but that doesn't stop you from having your opinion..."



সফলতা

# ২০১৮ বৰ্ষৰ কেইগৰাকীমান সফল অসমীয়া

- মানস জ্যোতি তালুকদাৰ
স্নাতক পঞ্চম যান্মাসিক
ভূগোল বিজ্ঞান বিভাগ

বিভিন্ন সময়ত বিভিন্ন ক্ষেত্ৰত অসমীয়াই নিজৰ নিজৰ সাফল্য দেখুৱাই আহিছে। বিভিন্ন ক্ষেত্ৰত শ্ৰেষ্ঠত্বৰ, বিজয়ৰ ধ্বজা উৰুৱাই ভিন্নজন অসমীয়াই বিশ্বৰ বুকুত অসমৰ নাম সোণালী আখৰেৰে খোদিত কৰিছে। ২০১৮ চনত সফলতা অৰ্জন কৰা কেইজনমান অসমীয়াৰ চমু পৰিচয় দিবলৈ চেষ্টা কৰিছো।

## হিমা দাস ঃ



ইং ২০০০ চনৰ ৯ জানুৱাৰী, ৰবিবাৰে নগাঁৱৰ ধিঙৰ কান্দুলিমাৰী গাঁৱত হিমা দাসৰ জন্ম হয়। পিতৃৰ নাম ৰঞ্জিত দাস আৰু মাতৃৰ নাম জোনালী দাস। তেওঁলোকৰ পৰিয়ালটোৰ জীৱিকাৰ প্ৰধান উপাৰ্জন আছিল খেতি। আউনীআটী বালিকা প্ৰাথমিক বিদ্যালয়ৰ পৰা হিমাই শিক্ষা জীৱনৰ আৰম্ভণি মেলে। কিন্তু তেওঁৰ পঢ়া-শুনাত বেছি মনোযোগ নাছিল। খেল-ধেমালিৰ প্ৰতিহে বিশেষ অনুৰাগ আছিল। হিমাৰ সংগীতৰ প্ৰতিও দুৰ্বলতা আছিল। ড° ভূপেন হাজৰিকাৰ 'মই এটি যাযাবৰ' গীতৰ পেৰেডী ৰচনা কৰা হিমাই গাইছিল—

'মই এটি গাধবৰ
পঢ়াৰ কথা শুনিলে
কপালত উঠে জ্বৰ
... ... ...
মই ঘৰৰ পৰা যাওঁ...

২০০৯ চনত প্ৰাথমিক বিদ্যালয় উত্তীৰ্ণ হোৱাৰ পিছত, ২০১০ চনত তেওঁ ধিং পাব্লিক উচ্চ মাধ্যমিক বিদ্যালয়ত ভৰ্তি হয়। ২০১৬ চনত প্ৰৱেশিকা পৰীক্ষাত তৃতীয় বিভাগত উত্তীৰ্ণ হৈ ধিং মহাবিদ্যালয়ত নামভৰ্তি কৰে। হিমাই নৱম শ্ৰেণীত পঢ়ি থাকোতে, বিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সম্পাদিকা নিযুক্ত হৈছিল। তদুপৰি তেওঁ ধিং শাখা ছাত্ৰ সন্থাৰ সদস্যা আছিল। সৰুৰে পৰা বিভিন্ন খেল প্ৰতিযোগিতাত তেওঁ সুনাম কঢ়িয়াই আনিছিল। হিমাৰ সৰুৰে পৰা সপোন আছিল 'India' জাৰ্ছী পিন্ধাৰ। সেই সপোনকে বাস্তৱত ৰূপায়িত কৰাৰ বাবে হিমাই এদিন ধিং নবোদয় বিদ্যালয়ৰ শাৰীৰিক নিৰ্দেশক চামচুল হকক লগ কৰে। তেখেতৰ পৰামৰ্শ অনুসৰি হিমা আৰু তেওঁ পিতৃয়েই নগাঁৱত কোচ এছোচিয়েশ্বনৰ এথলেটিক শাখাৰ সম্পাদক গৌৰী শংকৰ ৰয়ক সাক্ষাৎ কৰে

আৰু তাৰ পিছতে হিমাৰ খেলৰ প্ৰতিভাই ন-ৰূপ পায়। হিমাই যি সাফল্য লাভ কৰিছে, সেই এদিনতে অৰ্জন কৰা নাই। হিমাই বিশাখাপট্টনমত অনুষ্ঠিত হোৱা নেচনেল ইণ্টাৰ ডিষ্ট্ৰিক খেলত মহিলাৰ ১০০ আৰু ২০০ মিটাৰ দুয়োটাতে পৰাজয় বৰণ কৰে। তাৰ পিছত গোৱালপাৰা ইণ্টাৰ ডিষ্ট্ৰিক খেলি পৰাজয় বৰণ কৰে। তথাপিও হিমা নিৰাশ নহ'ল। দুগুণ কষ্ট আৰু সাহসেৰে ন-উদ্যমেৰে ঢেকিয়াজুলিত ইণ্টাৰ ডিষ্ট্ৰিক খেলি তৃতীয় স্থান লাভ কৰে। ইয়াৰ পিছত হিমাই কেইবাখনো খেলত শ্ৰেষ্ঠত্ব আনিবলৈ সক্ষম হয়। ইং ২০১৭ চনৰ জানুৱাৰীত অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগে আয়োজন কৰা ফ্ৰণ্ট ৰেংকিং ষ্টেট লেভেল এথেলেটিকছৰ প্ৰশিক্ষণ শিবিৰলৈ আমন্ত্ৰণ পায় আৰু এনেদৰে লগ পায় হিমাৰ প্ৰশিক্ষক নিপন দাস আৰু নৱজিৎ মালাকৰক। বৰ্তমান হিমাৰ বিদেশী প্ৰশিক্ষক হৈছে গেলিনা। ইং ২০১৮ চনৰ ৭ ছেপ্টেম্বৰত বিশ্বজিনা হিমাক অসম চৰকাৰে 'ধিং এক্সপ্ৰেছ' নামেৰে বিভূষিত কৰে। হিমাই ২০১৩ চনৰ 'মন যায়' নামৰ এটা কল্যাণমূলক সংগঠনৰ জন্ম দিয়ে। ২০১৮ চনৰ ২৫ ছেপ্টেম্বৰত হিমাক 'অৰ্জুন বঁটা' প্ৰদান কৰে। বৰ্তমান হিমা অষ্টাদশ এছিয়ান গেমছৰ পূৰ্ণ প্ৰস্তুতিত ব্যস্ত। হিমা দাসে বিভিন্ন পৰ্যায়ত যি সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে, সেইবোৰ তলত উল্লেখ কৰা হ'ল।

**ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাত হিমা দাসৰ সফলতা ঃ**

১। ২০১৭ চনৰ ২৭ জানুৱাৰীৰ পৰা ২০১৭ চনৰ ১ ফেব্ৰুৱাৰীলৈ গুজৰাটৰ গান্ধীনগৰত ৰাষ্ট্ৰীয় পৰ্যায়ৰ খেল প্ৰতিযোগিতাৰ অধীনৰ 'খেলো ইণ্ডিয়া'ত ১০০ মিটাৰ দৌৰত (১২.৪২ ছেকেণ্ড) বিজয়ী হৈ ব্ৰঞ্জৰ পদক অৰ্জন কৰে।

২। ২০১৭ চনৰ ২০-৩০ ফেব্ৰুৱাৰীলৈ গুজৰাটৰ বদোদৰাত অনুষ্ঠিত হোৱা ৬২ সংখ্যক ৰাষ্ট্ৰীয় স্কুল গেমছ্, এথলেটিকছ্ত ইউ-১৭ত ২০০ মিটাৰ দৌৰত (২৫.৪১ ছেকেণ্ড) চিলভাৰ মেডেল আৰু ১০০ মিঃ দৌৰত (১২.৪৭ ছেকেণ্ড) ব্ৰঞ্জৰ মেডেল লাভ কৰিছিল।

৩। ২০১৭ চনৰ ২১-২৩ এপ্ৰিললৈ হায়দৰাবাদৰ ৰাষ্ট্ৰীয় যুৱ এথলেটিক্‌ছ চেম্পিয়নশ্বিপত ২০০ মি. দৌৰত (১২.৫৫ ছে) ব্ৰঞ্জৰ মেডেল আৰু ২০০ মিটাৰ দৌৰত (২৫.৫৮ ছেকেণ্ড) চিলভাৰ মেডেল লাভ কৰে।

৪। ২০১৭ চনৰ ১৭ আৰু ১৮ ছেপ্টেম্বৰত কলকাতাত অনুষ্ঠিত হোৱা ২৯ তম্ পূব জোন জুনিয়ৰ এথলেটিকছ্ চেম্পিয়নশ্বিপত ২০০ মিটাৰ দৌৰ (২৪.৫৫ ছেকেণ্ড) আৰু ৪০০ মিটাৰ দৌৰত (৫৫.৫৯ ছেকেণ্ড) দুটা স্বৰ্ণ পদক জয় কৰে।

৫। ২০১৭ চনৰ ২৫-২৮ ছেপ্টেম্বৰত চেন্নাইত অনুষ্ঠিত হোৱা ৫৭ তম্ ৰাষ্ট্ৰীয় অপেন এথলেটিকছ্ত ২০০ মিটাৰ দৌৰত (২৪.২৬ ছেকেণ্ড) স্বৰ্ণ জয় কৰে।

৬। ২০১৮ চনৰ ২৭ ফেব্ৰুৱাৰীত পঞ্জাৱৰ পাতিয়ালত অনুষ্ঠিত হোৱা ইন ইণ্ডিয়ান গ্ৰাণ্ড প্ৰিক্সত— ১ত ১০০ মিটাৰ দৌৰত (১১.৭৫ ছেকেণ্ড) চিলভাৰ মেডেল লাভ কৰে।

৭। ২০১৮ চনৰ ৫-৮ মাৰ্চলৈ পাতিয়ালাত অনুষ্ঠিত হোৱা ২২ তম্ ফেডাৰেচন কাপ ৰাষ্ট্ৰীয় চিনিয়ৰ এথলেটিকছ্ চেম্পিয়নশ্বিপত ৪০০ মিটাৰ দৌৰত (৫১.৯৭ ছেকেণ্ড) সোণৰ পদক লাভ কৰে।

৮। ২০১৮ চনৰ ২৬-২৯ জুনলৈ গুৱাহাটীত অনুষ্ঠিত হোৱা ৫৮তম্ ৰাষ্ট্ৰীয় আন্তঃৰাজ্যিক চিনিয়ৰ এথলেটিকছ্ চেম্পিয়নশ্বিপত ২০০ মিটাৰ দৌৰ (২৩.৩২ ছেকেণ্ড) আৰু ৪০০ মিটাৰ (৫১.১৩ ছেকেণ্ড) প্ৰথম স্থান লাভ কৰে।

**আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত হিমা দাসৰ সাফল্য ঃ**

১। ২০১৭ চনৰ ২০-২৩ মে'লৈ বেংকক আৰু থাইলেণ্ডত অনুষ্ঠিত হোৱা দ্বিতীয় এছিয়ান যুৱ এথলেটিকছ্ চেম্পিয়নশ্বিপত ২০০ মিটাৰ দৌৰত (২৫.০৫ ছেকেণ্ড) সপ্তম স্থান অধিকাৰ কৰে।

২। ২০১৭ চনৰ ১২-১৬ জুলাইত নাইৰুবি আৰু Kenya-ত অনুষ্ঠিত হোৱা আই.এ.এ. বিশ্ব ইউ-১৮ এথলেটিকছ চেম্পিয়নশ্বিপ প্ৰতিযোগিতাত ২০০ মিটাৰ দৌৰত (২৪.৩৯ ছেকেণ্ড) পঞ্চম স্থান দখল কৰে।

৩। ২০১৮ চনৰ ১১-১৪ ফেব্ৰুৱাৰীত জাকাৰ্টত অনুষ্ঠিত এছিয়ান গেমছ আমন্ত্ৰণমূলক টুৰ্ণামেণ্টত ২০০ মিটাৰ দৌৰত (২৩.৫৯ ছেকেণ্ড) আৰু ৪×৪০০ এম. ৰীলেত দুটা সোণৰ পদক লাভ কৰে।

৪। ২০১৮ চনৰ ৪-১৫ এপ্ৰিলত অষ্ট্ৰেলিয়াত অনুষ্ঠিত হোৱা কমনৱেলথ গেমছ ইন গল্ডকোষ্টৰ মহিলাৰ ৪০০ মিটাৰ দৌৰ (৫১.৩২ ছেকেণ্ড) ষষ্ঠ স্থান আৰু ৪×৪০০ মিঃ ৰীলেত সপ্তম স্থান লাভ কৰে।

## ৰঞ্জন গগৈ ঃ

উত্তৰ পূৰ্বাঞ্চলৰ তথা অসমৰ মুখ্য ন্যায়াধিশৰ পদত অধিষ্ঠিত হোৱা প্ৰথম অসমীয়া ৰঞ্জন গগৈৰ জন্ম হৈছিল ১৯৫৪ চনৰ ১৮ নৱেম্বৰত ডিব্ৰুগড়ত। তেখেত ৪৬ সংখ্যক (২০১৮ চনৰ ৩ অক্টোবৰলৈ) ভাৰতৰ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আছিল। ২০১৯ চনৰ ১৭ নৱেম্বৰত তেখেতৰ কাৰ্যকাল শেষ হ'ব। তেওঁৰ পিতৃ হৈছে অসমৰ প্ৰাক্তন মুখ্য মন্ত্ৰী কেশৱ চন্দ্ৰ গগৈ। তেওঁ ডন বস্কো স্কুল, ডিব্ৰুগড়ত শিক্ষা জীৱনৰ পাতনি মেলে আৰু পিছলৈ দিল্লীত ইতিহাস বিষয়ত স্নাতক ডিগ্ৰী লাভ কৰে আৰু পিছলৈ দিল্লী বিশ্ববিদ্যালয়ত আইন বিষয়ত ডিগ্ৰী গ্ৰহণ কৰে। ১৯৭৪



চনত তেওঁ বাৰ এছোচিয়েচনত নাম পঞ্জীয়ন কৰে আৰু গুৱাহাটী উচ্চতম ন্যায়ালয়ত ওকালতি কৰে। ২০০১ চনৰ ২৮ ফেব্ৰুৱাৰী তাৰিখে গুৱাহাটী উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে নিযুক্ত হয়। পিছলৈ তেওঁ পঞ্জাৱ আৰু হাৰিয়ানা উচ্চতম ন্যায়ালয়লৈ ২০১০ চনৰ ৯ ছেপ্টেম্বৰ তাৰিখে বদলি কৰা হয়। ২০১১ চনৰ ১২ ফেব্ৰুৱাৰীত উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হয়। ২০১৮ চনৰ ৩ অক্টোবৰ তাৰিখে মুখ্য ন্যায়াধীশ দীপক মিশ্ৰৰ পৰামৰ্শত তেখেতে মুখ্য ন্যায়াধীশ লাভ কৰে।

তেখেতে ডিব্ৰুগড়ৰ ইংৰাজী মাধ্যমৰ শিক্ষানুষ্ঠান ডন বস্কো স্কুলৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষা, কটন বিশ্ববিদ্যালয়ৰ পৰা প্ৰাক্ বিশ্ববিদ্যালয় চুড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হয়। তাৰ পিছত দিল্লীৰ চেইণ্ট ষ্টিফেনচত ইতিহাস বিষয়ত স্নাতক আৰু স্নাতকোত্তৰ ডিগ্ৰী গ্ৰহণ কৰি দিল্লীতে আইনৰ শিক্ষা গ্ৰহণ কৰে। ১৯৭৮ চনত গুৱাহাটী উচ্চ ন্যায়ালয়ত অধিবক্তা হিচাপে প্ৰথম খোজ পেলায়। ২০০১ চনৰ ২৮ ফেব্ৰুৱাৰীত স্থায়ী ন্যায়াধীশ হিচাপে গুৱাহাটী উচ্চ ন্যায়ালয়ত নিযুক্তি লাভ কৰে। ২০১০ চনৰ ৯ ছেপ্টেম্বৰত বদলি হয় পঞ্জাৱ হাৰিয়ানা উচ্চ ন্যায়ালয়লৈ। ২০১১ চনৰ ১২ ফেব্ৰুৱাৰীত উক্ত ন্যায়ালয়ৰ মুখ্য ন্যায়ধীশ পদত পদোন্নতি লাভ কৰিছিল। ২০১২ চনত ২৩ এপ্ৰিলত উচ্চতম ন্যায়লয়ৰ ন্যায়াধীশ হিচাপে নিযুক্ত হয়। উচ্চতম ন্যায়ালয়ৰ তেতিয়াৰ মুখ্য ন্যায়াধীশ দীপক মিশ্ৰই ন্যায়াধীশ গগৈৰ নাম উত্তৰসূৰী হিচাপে প্ৰস্তাৱিত কৰাৰ লগে লগে ৰঞ্জন গগৈ দেশৰ পৰৱৰ্তী মুখ্য ন্যায়াধীশ হোৱাতো খাটাং হৈছিল। উল্লেখযোগ্য যে, ৰঞ্জন গগৈৰ নেতৃত্বাধীন দুজনীয়া খণ্ড বিচাৰপীঠৰ প্ৰত্যক্ষ নিৰীক্ষণতে বৰ্তমান অসমত NRCৰ উন্নিতকৰণৰ কাম অব্যাহত আছে। NRC, ৰিলায়েন্স বনাম গুজৰাট চৰকাৰ, কোকোনাট অইল পেকেজিং, অমিতাভ বচ্চনৰ সম্পত্তি, গোবিন্দস্বামী বনাম কেৰালা চৰকাৰৰ গোচৰ আদি তেখেতে কৰা গুৰুত্বপূৰ্ণ বিচাৰৰ ৰায়দান।

## ৰীমা দাস ঃ

ৰীমা দাসৰ জন্ম হৈছিল ১৯৮২ চনত অসমৰ ছয়গাঁৱত। কটন বিশ্ববিদ্যালয়ত সমাজবিজ্ঞান বিষয়ত স্নাতক ডিগ্ৰী লাভ কৰিছিল আৰু পুনে বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ লাভ





কৰিছিল। ৰীমা দাসৰ দেউতাক ভাৰত চন্দ্ৰ দাস এগৰাকী শিক্ষক আছিল। ৰীমা দাসৰ মাকৰ নাম জয়া দাস। ৰীমা দাস বৰ্তমান বিশ্বৰ চলচ্চিত্ৰ জগতৰ এক জোনাকী নাম। এখন সাধাৰণ গাঁৱত জন্ম লোৱা ৰীমাই নিজৰ অসাধাৰণ প্ৰতিভাৰ বাবে বিশ্বৰ চলচ্চিত্ৰ জগতে আজি ডিঙি মেলি চাইছে অসমলৈ।

'Village Rock Stars' এখন অসমীয়া ছবি। আঞ্চলিক ভাষাৰ ছবিখনক লৈয়েই বিশ্ব জিনিছে ৰীমাই। দেশে-বিদেশে প্ৰদৰ্শিত তিনিমাহত ১১টা সন্মান কঢ়িয়াই আনিছে 'Village rock stars'এ গোৱা আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত স্বৰ্ণময়ূৰৰ মূলযুঁজৰে আৰম্ভ হোৱা তিনিখন ভাৰতীয় চিনেমাৰ অন্যতম আছিল ৰীমাৰ 'Village rock stars' পৰিচালনা, চিত্ৰনাট্য, সম্পাদনা আদিকে ধৰি ছবিখনৰ আদিৰ পৰা অন্তলৈ সকলো কাম নিজেই কৰিছিল ৰীমাই। এনেধৰণৰ উদাহৰণ বিশ্বৰ চলচ্চিত্ৰ জগতত বিৰল। আন্তঃৰাষ্ট্ৰীয় সংবাদমাধ্যমেৰে এতিয়া নয়নৰ মণি ৰীমা দাস। 'Village Rock Stars' ৰীমাৰ দ্বিতীয়খন ছবি। ৰীমাই দেখুৱাবলৈ সক্ষম হ'ল যে নিজৰ ভাষাটোক লৈও জিনিব পাৰি বিশ্ব। বিশ্বৰ সংবাদ মাধ্যমেও ৰীমাক যথেষ্টখিনি প্ৰশংসা কৰিছে। ৰীমা দাসৰ 'Village Rock Stars'এ লাভ কৰিছে শ্ৰেষ্ঠ ছবিৰ ৰাষ্ট্ৰীয় বঁটা।

'ভিলেজ ৰকষ্টাৰ্ছে' ভাৰতৰ লগত অসমলৈ আজুৰি আনিছে অলেখ সন্মান। ৰীমা দাসৰ চাৰি বছৰৰ সাধনা আৰু নিজা পৰিশ্ৰমৰ একান্ত ফচল 'ভিলেজ ৰকষ্টাৰ্ছ'।

## ৰিয়ান পৰাগ ঃ

ৰিয়ান পৰাগৰ ২০০১ চনৰ ১০ নৱেম্বৰত গুৱাহাটীত জন্ম হৈছিল। ৰিয়ান পৰাগ এগৰাকী ভাৰতীয় ক্ৰিকেটাৰ। ৰিয়ান পৰাগৰ মাক মিথু বৰুৱা এগৰাকী সাতুৰবিদ আছিল আৰু দেউতাক পৰাগ দাস এজন ক্ৰিকেট খেলুৱৈ আছিল। ৰিয়ান পৰাগে ১২ বছৰ বয়সৰ পৰা ক্ৰিকেট খেলা আৰম্ভ কৰিছিল। তেওঁ অসমৰ ইউ-১৬ দলৰ অংশীদাৰ আছিল। তেওঁৰ শিক্ষাজীৱনৰ আৰম্ভ হৈছিল 'South Point School Guwahati'ৰ পৰা। ২০১৭ চনৰ ডিচেম্বৰ মাহত, ১৯ বছৰ অনুৰ্ধ বিশ্বকাপত ভাৰতীয় ক্ৰিকেট দলত তেওঁৰ নাম অন্তৰ্ভুক্ত কৰিছিল। ২০১৮-১৯ চনৰ বিজয় হাজাৰি ট্ৰফীত অসমৰ হৈ সাতখন খেলত ২৪৮ ৰাণ কৰি আগশাৰীৰ স্থান দখল কৰিছিল। ২০১৮ চনৰ ডিচেম্বৰত আই পি এলৰ নীলামত ৰাজস্থান ৰয়েলছৰ হৈ খেলিবলৈ চুক্তিবদ্ধ হৈছিল।

(তথ্য সংগ্ৰহ)

সংগ্ৰাম

আমি ৰাজপথত টায়াৰ নজ্বলাও, বন্ধৰ নামত কাকো হাৰাশাস্তি নকৰোঁ, কোনো সংগঠনৰ নীতিক সৰোগত কৰি আমি জাতীয় নিৰাপত্তাত আপোচ নকৰো। বৰং আমি বুজিম বিপ্লৱৰ অৰ্থ। যুঁজিম বিপ্লৱৰ হ'কে। জ্যোতি-বিষ্ণুৱ আদৰ্শৰে অনুপ্ৰাণিত হৈ আমি দেখুৱাম আমাৰ সন্মিলিত সদ্‌ভাৱনাৰ শক্তি। কাকতৰ পাতৰ পৰা আৰম্ভ কৰি অন্য মাধ্যমৰ জৰিয়তে আমি বিয়পাম আমাৰ দৃষ্টিভংগী, আমাৰ চিন্তাধাৰা।

# এৰৈকশ শতিকাৰ সংগ্ৰামী সত্তা

- দীপশিখা বৰ্মন
স্নাতক তৃতীয় ষাণ্মাসিক
ৰসায়ণ বিজ্ঞান বিভাগ

সময় তেতিয়া ১৯৭৮ চন। মঙলদৈ লোকসভা সমষ্টিৰ সাংসদ হীৰালাল পাটোৱাৰীৰ মৃত্যু হৈছিল। ফলত প্ৰয়োজন আহি পৰিছিল এটা নতুন নিৰ্বাচনৰ। এই নিৰ্বাচনৰ যো-জা চলি থকাৰ সময়তে সদৌ অসম ছাত্ৰ সন্থাই লক্ষ্য কৰিছিল পঞ্জীয়ণ তালিকাত হঠাতে বৃদ্ধি হোৱা নাগৰিকৰ সংখ্যা। ফলত তেওঁলোকে দাবী জনাইছিল যে সেই নাগৰিকৰ তালিকাৰ পৰা বিদেশীৰ নাম চিনাক্তকৰণ কৰিব লাগে আৰু বিদেশীসকল অসমৰ পৰা বহিস্কৃত হ'ব লাগে।

এই দাবীৰ ফলশ্ৰুতিতেই ১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈকে এই সুদীৰ্ঘ ছয় বছৰ কাল অসমবাসী সাক্ষী হৈছিল অসমীয়া ডেকা গাভৰুৰ সংগ্ৰামী হুংকাৰ আৰু তেওঁলোকৰ কেঁচা তেজৰ দাগ লগা এটি অধ্যায়ৰ চাক্ষুস বিৰৰণৰ। এখন বিদেশীমুক্ত অসমৰ স্বাৰ্থতেই ৮৫৫ জন অসমীয়াই দেশৰ হ'কে যুঁজি মৃত্যুবৰণ কৰিছিল। দেশবাসী সাক্ষী হৈ ৰৈছিল সহস্ৰাধিক অসমীয়াৰ সন্মিলিত কণ্ঠ আৰু নিজৰ দেশখন নিজৰ কৰি ৰখাৰ স্বাৰ্থত ৰাজপথলৈ ওলাই অহা ডেকা গাভৰুৰ নিস্বাৰ্থ সংগ্ৰামী সত্বাৰ।

বৰ্তমান ২০১৮ চন। সময় সলনি হ'লেও সলনি হোৱা নাই দৃশ্যপট। এতিয়াও আমি যুঁজিব লগা হৈছে আমাৰ অস্তিত্বৰ হ'কে আমাৰ মাতৃভাষা কিম্বা জাতীয় স্বাৰ্থৰ হ'কে।

আমি এৰৈকশ শতিকাৰ যুৱ প্ৰজন্ম। সমাজৰ দৃষ্টিত উশৃংখল, পথ বিভ্ৰষ্ট এচাম ২০-২৫ বছৰীয়া ডেকা গাভৰু। আমি ইতিহাস নাজানো, নাজানো সংস্কৃতিৰ অৰ্থ। হাতত গুৱেভেৰাৰ ছবি খোদিত কৰি, পশ্চিমীয়া সংগীতৰ তালে তালে দেহ নচুৱাই ফুৰা ধূম্ৰায়িত পথৰ বিভ্ৰান্ত পথিক আমি। দেশপ্ৰেমৰ নামত আমি নিজকে কমিউনিষ্ট সজাও, মাজে সময়ে ফেচবুকত মাৰ্ক্সবাদৰ প্ৰলাপ বকো।

আমি দেশক লৈ সপোন নেদেখো, নাই কোনো ধৰণৰ উচ্চাকাংক্ষা। এয়া যুৱ প্ৰজন্ম সম্পৰ্কে আজিৰ সমাজৰ কিয়দাংশৰ ধাৰণা।

প্ৰকৃতাৰ্থত আজিৰ প্ৰজন্মই কি বিচাৰে? সমাজ সম্পৰ্কে আমাৰ দৃষ্টিভংগী কি? কিহৰ সপোন দেখো আমি?

আমি সপোন দেখো জ্যোতি-বিষ্ণুৱে আমাক দেখুৱাই থৈ যোৱা এখন সোণালী অসমৰ। যিখন অসমৰ ভেটি ধৰি ৰখাৰ স্বাৰ্থতেই আমাৰ দৰে হেজাৰজনে এটা সময়ত নিজৰ সৰ্বস্ব ত্যাগ কৰিছিল। সংস্কৃতিক আমি শ্ৰদ্ধা কৰো যি সংস্কৃতিৰ পথাৰখন সেউজীয়া কৰি ৰাখিবলৈ নানা প্ৰতিবন্ধকতা নেওচিও অনেকে নিজৰ সৃষ্টিৰ সঁচ ৰুইছিল। অসমখন আজিও পৰাগ কুমাৰ দাসৰ দৰে ব্যক্তিৰ বিপ্লৱ গাঁথাৰে মহীয়ান যিয়ে নিজৰ চিয়াহীৰ শক্তিৰে অসমীয়াৰ অস্তিত্ব আৰু মানৰ অধিকাৰ খৰ্ব কৰা অপশক্তিবোৰৰ বিৰুদ্ধে মাৰবান্ধি থিয় দিছিল। আমাৰ ইতিহাস জ্ঞান সম্পৰ্কে প্ৰশ্ন কৰাসকলৰ জ্ঞাতাৰ্থে জনাও যে আমি সেইখন অসম সম্পৰ্কেও জ্ঞাত যিখন অসমতে এদিন আইদেউ সন্দিকৈক জ্যোতি-ককাইদেউৰ আঙুলিত ধৰি ৰূপালী পৰ্দাত খোজ দিয়াৰ বাবে সমাজ বৰ্জিত কৰা হৈছিল। এইখন অসমতে ডাইনী সন্দেহত অসংখ্য লোকক নিৰ্যাতন চলোৱা হৈছিল। আমাৰ দৰে হেজাৰ যুৱক-যুৱতীয়ে বন্দুকধাৰী বিপ্লৱক আঁকোৱালি লৈ নিৰীহৰ তেজেৰে নিজৰ হাত ৰাঙলী কৰিছিল। বৰ্তমানেও সলনি হোৱা নাই সেই অসমৰ দৃশ্য।

বৰ্তমানেও বিজ্ঞানমুখীতা আৰু প্ৰকৃত উন্নয়নৰ পৰা শ মাইল দূৰত্বত অৱস্থান কৰা শাসকীয় পক্ষৰ সমাজ সংগঠনৰ ভূমিকা সম্পৰ্কে আলোচনা কৰিবলৈ গ'লে আমাৰ চকুত জল জল পট পটকৈ ভাহি উঠে এখন বিভীষিকাময়, অশান্ত ৰাজ্য, ইয়াৰ নিৰাপত্তাহীন অৱস্থা আৰু ফোঁপোলা সমাজ ব্যৱস্থা। বহিৰাগতৰ দপদপনিতো চকু মেল নোখোৱা ৰাষ্ট্ৰীয়তাবাদৰ আদৰ্শৰে মহীয়ান সেই চকু মুদা কুলি সদৃশ নেতাসকলৰ কৃপাত এতিয়াও অসমখন পিছপৰা ৰাজ্যৰূপে পৰিগণিত। জাতীয় আৱেগৰ গইনা লৈ বৰঘৰত প্ৰৱেশ কৰা একাংশই যুৱ প্ৰজন্মৰ সমাজ সংস্কাৰৰ সদিচ্ছা, ধৰ্মৰ আৰু পৰম্পৰাৰ নামত চলোৱা কু-সংস্কাৰৰ ওপৰত প্ৰশ্ন উত্থাপন কৰা আদি কাৰ্যক মইমতালি, অভদ্ৰামী আদিৰ ৰূপ তেওঁলোকৰ লেতেৰা ৰাজনীতি চলাই নিবলৈ অকণো কুণ্ঠাবোধ নকৰে। এসময়ত অসমীয়াৰ হিয়াৰ আমঠু বিষ্ণু প্ৰসাদ ৰাভাই যেতিয়া মুক্ত কণ্ঠে সাম্ৰাজ্যবাদী চাহাব বিৰোধী সংগ্ৰামক বৈপ্লৱিক সমাজতান্ত্ৰিক সংগ্ৰামলৈ পৰিৱৰ্ত্তিত কৰাৰ অদম্য স্পৃহা দেখুৱাইছিল, তেতিয়া তেওঁক অসমৰ জাত্যাভিমানী একাংশলোকে 'অসভ্য বলিয়া' আখ্যা দিছিল। নিজৰ লিখনিৰে জাতিটোৰ ধোদৰ পচলা স্বৰূপ উদঙাই দিয়াৰ বাবে লক্ষ্মীনাথ বেজবৰুৱাৰ দৰে ভাষা ওজস্বীয়েও সন্মুখীন হ'ব লগা হৈছিল বিভিন্ন সমালোচনাৰ। বৰ্তমান সময়তো তেনে জাত্যাভিমানী তথাকথিত বুদ্ধিজীৱিৰ সংখ্যা তাকৰ নহয়। এইক্ষেত্ৰত সংবাদ জগত বিশেষকৈ বৈদ্যুতিন মাধ্যমৰ ভূমিকা আটাইতকৈ উল্লেখযোগ্য আৰু সন্দিহান। ৰাজ্যৰ গুৰুতৰ সমস্যাৰ ওপৰতো ঘন্টাৰ পিছত ঘন্টা টক শ্ব' পাতি মাথো তৰ্কাতৰ্কিৰ মাধ্যমেৰে সমস্যা সমাধানৰ কথা কোৱা একাংশ চেনেলে প্ৰকৃততে উদঙাই দিয়ে নিজৰ আচল স্বৰূপ। যি সময়ত সমগ্ৰ সংবাদ জগতে নিজে একত্ৰিত হৈ আৰু আনক একত্ৰিত কৰি জাতীয় সংকট মষিমূৰ কৰাত আগভাগ ল'ব লাগিছিল তেনেস্থলত একাংশই হালধীয়া পন্থা অৱলম্বন কৰি ওপৰৱালাৰ গেৰোহা চেলেকাত ব্যস্ত। গতিকে দেশৰ এনে এটা সাম্প্ৰতিক অৱস্থাতো এটা প্ৰকৃত বিপ্লৱৰ প্ৰয়োজনীয়তা নুই কৰা সেই তথাকথিত বুদ্ধিজীৱিসকলক শান্তিপ্ৰিয় আখ্যা দিয়া উচিত নে শিক্ষিত মূৰ্খ বুলি অভিহিত কৰা উচিত সেয়া আলোচ্য। আমাক প্ৰয়োজন এনে এটা সামাজিক বিপ্লৱৰ যি বিপ্লৱে অসম আৰু সমগ্ৰ অসমীয়াক একত্ৰিত কৰিব, যি বিপ্লৱে আমাৰ ৰাজ্যখনক বেচিবলৈ উঠি পৰি লাগি থকা জাতিৰ দালালবোৰক পছুখেদা দিব। এই বিপ্লৱে নিজৰ ভোটবেংকৰ স্বাৰ্থত বিদেশীক বৰপীৰাত বহুওৱা একাংশ জননেতাক খিলঞ্জীয়া তথা নিষ্পেষিতসকলৰ হ'কে থিয় দিয়াৰ বাবে বাধ্য কৰাব।

আৰু আমি? আমি যুৱ প্ৰজন্মই কি কৰিম? এইবাৰ আমি ৰাজপথত টায়াৰ নজ্বলাও, বন্ধৰ নামত কাকো হাৰাশাস্তি নকৰো, কোনো সংগঠনৰ নীতিক সৰোগত কৰি আমি জাতীয় নিৰাপত্তাত আপোচ নকৰো। বৰং আমি বুজিম বিপ্লৱৰ অৰ্থ। যুঁজিম বিপ্লৱৰ হ'কে। জ্যোতি-বিষ্ণুৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ আমি দেখুৱাম আমাৰ সন্মিলিত সদ্ভাৱনাৰ শক্তি। কাকতৰ পাতৰ পৰা আৰম্ভ কৰি অন্য মাধ্যমৰ জৰিয়তে আমি বিয়পাম আমাৰ দৃষ্টিভংগী, আমাৰ চিন্তাধাৰা। আমি প্ৰশ্ন কৰিম ৰজাঘৰীয়া জাতীয় নায়ক আৰু প্ৰতিনিধিসকলক। বহিৰাগতক পুনৰ দেখুৱাম আমাৰ লাচিতৰ তেজ, কলমৰ শক্তি আৰু আমাৰ একতাৰ জোৰ। ব্যক্তিগত ৰাজনীতি, বিদেশীৰ দপদপনি ওফৰাই আমি সিংহ নিনাদে গৰজি উঠিম জয় আই অসম বুলি। জয়ী হ'ব একৈশ শতিকাৰ সংগ্ৰামী সত্ত্বা।

জীৱনী



# ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালা দেৱৰ সৃষ্টিৰাজিৰ কিছু আলোকপাত

- **দেৱাশীষ দত্ত**
স্নাতক ষষ্ঠ ষাণ্মাসিক
ৰসায়ণ বিজ্ঞান বিভাগ

*"নানা ভাষা
নানা আশা
নানা জাতি বৰ্ণ জিনি
মই শুনো ৰিণিৰিণি
বিশ্ব জনতাৰ এক অপূৰ্ব্ব সঙ্গীত"*

**—ৰূপকোঁৱৰ**

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আছিল আধুনিক অসমীয়া জাতি গঠনৰ এজন অন্যতম পুৰোধা ব্যক্তি। ১৯০৩ চনৰ ১৭ জুন তাৰিখে ডিব্ৰুগড়ৰ তামোলবাৰী চাহবাগিচাত অসম বিখ্যাত আগৰৱালা পৰিয়ালত জন্ম লাভ কৰিছিল কবি গীতিকাৰ সুৰকাৰ, নাট্যকাৰ, চলচিত্ৰ নিৰ্মাতা স্বাধীনতা সংগ্ৰামী জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ পিতৃ আছিল পৰমানন্দ আগৰৱালা আৰু মাতৃ কিৰণময়ী আগৰৱালা। ১৯৫১ চনৰ ১৭ জানুৱাৰী তাৰিখে অকালতে মৃত্যুবৰণ কৰে। আগৰৱালাদেৱে অসমীয়া সমাজ সংস্কৃতিৰ উন্নতিসাধনৰ কাৰণে সাহিত্য কৰ্ম, গীতৰ জৰিয়তে এক অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল। অসমৰ সাংস্কৃতিক আৰু সাহিত্য ক্ষেত্ৰখনত তেওঁৰ সৃষ্টিসমূহ এক অতুলনীয় সম্পদৰূপে বিবেচিত হৈ আহিছে। সংগীত নাটক, অভিনয় জগত চলচিত্ৰ শিল্প, কবিতা, শিশুসাহিত্যৰ জৰিয়তে জ্যোতিপ্ৰসাদ আগৰৱালা দেৱে সৃষ্টিশীল প্ৰতিভা, স্বকীয় সৃষ্টি, নিজস্ব সূক্ষ্ম বিচাৰবোধৰ ধাৰণা দি থৈ গৈছে। তাৰ ভিতৰত তেওঁ নাট্য সাহিত্যৰ উন্নতিৰ হ'কৈ অহোপুৰুষাৰ্থ চেষ্টা চলাই গৈছিল। তেওঁৰ সাহিত্যকৰ্ম আৰু প্ৰতিভাৰ দিশবোৰ এনেধৰণৰ—

**কবিতা প্ৰতিভা ঃ** জ্যেতিপ্ৰসাদ আগৰৱালাৰ ৰচনাৰাজি সৰ্বতো প্ৰসাৰী হ'লেও মৌলিক ৰূপত তেওঁ আছিল এগৰাকী কবি। তেওঁৰ নাট্যকাৰ ৰূপটো মূলতঃ কবিৰেই প্ৰসাৰিত ৰূপ। চেমনীয়া বয়সতে লিখা "এজন বনুৱাৰ মৃত্যু আছিল তেওঁৰ জীৱনৰ প্ৰথম কবিতা। তেওঁ বহু সংখ্যক কবিতা লিখি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। তাৰ ভিতৰত 'শিল্পীৰ আলোকযাত্ৰা, কাঞ্চন জংঘাৰ বুৰঞ্জী, অসমৰ নবীন যোৱানৰ সংকল্প, জনচেতনা, জনতাৰ আহ্বান,অসমীয়া ছোৱালীৰ উক্তি,বিদ্ৰোহী কবি প্ৰসন্নলাল চিত্ৰলেখা, বিশ্বশিল্পী, মুক্তি, সুন্দৰৰ জয়যাত্ৰা ইত্যাদি। কবি হিচাপে তেওঁৰ কবিতাত আছিল এক স্বকীয় বৈশিষ্ট্য। তেওঁৰ বহু কবিতা প্ৰধানকৈ অসমীয়া জাতীয় চেতনাৰ পৰিচায়ক তেওঁৰ কবিতাৰ বিষয়বস্তু সদায় এটাই নাছিল। সমাজৰ বিভিন্ন স্তৰ, বিভিন্ন বিষয়, বিভিন্ন শ্ৰেণীৰ ওপৰত ভিত্তি কৰি লিখা কবিতা সমূহত বিভিন্ন ভাৱধাৰাবোৰ স্পষ্টৰূপত পৰিলক্ষিত হয়। তেওঁৰ কবিতাত আছিল সমাজৰ নিস্পেষিত জনতাৰ জীৱন সংগ্ৰাম আৰু আছিল সমাজৰ ন্যায়ৰ ওপৰত প্ৰতিষ্ঠিত এখন কল্যাণ কামী ৰাষ্ট্ৰৰ প্ৰতিষ্ঠাৰ বাবে লগা আদৰ্শ আৰু কৰ্ম নিয়ন্ত্ৰণৰ ধাৰণা। তেওঁৰ আন এক শ্ৰেণীৰ কবিতাবোৰ আছিল স্বদেশানুৰাগী য'ত প্ৰকাশ পাইছিল নিজৰ দেশ মাতৃৰ প্ৰতি থকা তেওঁৰ গভীৰ স্বদেশ প্ৰেম আৰু দেশাত্মবোধ ভাৱৰ আৰু আছিল সমাজ তথা দেশৰ প্ৰতি প্ৰেম, জনতাৰ প্ৰতি উদাত্ত আহ্বান, দেশৰ প্ৰগতিৰ হকে মতা মাত আদি। 'নৱবিপ্লৱীৰ কবি জাগে, অসমীয়া ডেকাৰ উক্তি, ন-যোৱান ই হিন্দ আদি কবিতাত দেশৰ প্ৰতি সমাজৰ প্ৰতি থকা স্বদেশ প্ৰেম আৰু মঙ্গল কামনা কবিতাত প্ৰকাশ পাই উঠিছে। তেওঁৰ কবিতাত অসমৰ ৰূপ, প্ৰকৃতি আদিও আছিল তেওঁৰ কবি কল্পনাৰ এক অনন্য উপাদান। ইয়াৰ উপৰিও অসমৰ বহু বীৰ বীৰাংগনা লাচিত বৰফুকন, জয়মতী, কনকলতা ক কবিতাৰ জৰিয়তে মানুহৰ মাজলৈ পুনৰ উলিয়াই আনিছিল। আগৰৱালাদেৱে শিশুসকলৰ বাবেও ৰচনা কৰিছিল বহু কবিতা। তাৰ ভিতৰত 'কুম্পুৰ সপোন' 'ভুত পোৱালি, অকণিৰ সপোন, অকণমানি ল'ৰা, ফুলঁকুৰৰী; মাক আৰু সোণ আদি জনপ্ৰিয় শিশু কবিতা। শিশুসকলৰ কাৰণে উপযোগীকৈ মহাকাব্য ৰামায়ণক সৰল ভাষাত পদ্য আকাৰে 'জ্যোতি ৰামায়ণ' নামেৰে এখন পদ্য ৰামায়ণ ৰচনা কৰিছিল।

**গল্প আৰু উপন্যাস ঃ**

কবিতাৰ উপৰিও জ্যোতিপ্ৰসাদ আগৰৱালা দেৱে বহুকেইটা গল্পও লিখিছিল। গল্পসমূহ তেখেতৰ জীৱনৰ আগ সময়ছোৱাত লিখি উলিয়াইছিল। গল্পসমূহ হ'ল ৰূপহী, বগীতৰা, সোণতৰা, সোণটিৰ অভিমান, যুজাঁৰু, সতীৰ সোঁৱৰণী, সন্ধ্যা, প্ৰত্নতাত্বিকৰ কলাঘুমটি। ইয়াৰ ভিতৰত সতীৰ সোঁৱৰণী আছিল তেওঁ ৰচনা কৰা প্ৰথম গল্প। গল্প সমূহৰ পটভূমি আছিল বিশেষকৈ গাঁৱলীয়া সমাজ আৰু গাঁৱলীয়া চৰিত্ৰৰ ওপৰত ভিত্তি কৰি ৰচনা কৰা। গল্পৰ উপৰিও আগৰৱালাদেৱে জীৱনৰ শেষ সময়ছোৱাত 'আমাৰ গাঁও' নামেৰে তেওঁৰ একমাত্ৰ উপন্যাস খনৰ ৰচনা আৰম্ভ কৰিছিল। যদিও ইয়াক সম্পূৰ্ণ ৰূপে দিয়াৰ পূৰ্বে এই পৃথিৱীৰ পৰা মেলানি মাগিছিল। 'আমাৰ গাঁও' উপন্যাসখনৰ বিষয়বস্তু আছিল বিশেষকৈ অসমৰ গাওঁসমূহৰ অৰ্থনৈতিক দুৰৱস্থাৰ ওপৰত ভিত্তি কৰা।

**নাট্য-প্ৰতিভা ঃ**

ল'ৰালি কালৰ পৰাই বাণ ৰংগমঞ্চৰ লগত ওতঃপ্ৰোতভাৱে জড়িত থকা জ্যোতিপ্ৰসাদ আগৰৱালা আছিল এগৰাকী সুদক্ষ অভিনেতাও। অতি কম বয়সতে 'শোণিত কুঁৱৰী' নামে নাটকখন লিখি নাট্যকাৰ ৰূপে তেওঁ সুকীয়া পৰিচয় দিছিল। তেওঁ ৰচনা কৰা নাটসমূহ হ'ল 'শোণিত কুঁৱৰী','কাৰেঙৰ লিগিৰী','ৰূপালীম', 'নিমাতী কইনা' বা 'ৰূপকোঁৱৰ সোণপখিলী', 'লভিতা', 'খনিকৰ', 'কনকলতা', 'সুন্দৰ কোঁৱৰ', তেওঁৰ নাটসমূহ আছিল বিশেষকৈ দুই ভাগত বিভাক্ত। সেয়া আছিল কাব্যধৰ্মী আৰু নাট্যধৰ্মী। ইয়াৰ উপৰিও নিমাতী কইনা সোণ পখিলী আছিল বিশেষকৈ কাব্যধৰ্মী নাটক। বাকী কেইখন আছিল নাট্যধৰ্মী নাট। তাৰে দুখন আছিল সামাজিক নাটক। প্ৰথম তিনিখন নাটক 'শোণিত কুৱঁৰী', 'কাৰেঙৰ লিগিৰী',

আৰু 'ৰূপালীম' ৰোমাণ্টিক ধৰ্মী আৰু নাটক কেইখনত কাল্পনিক ভাৱ বিৰাজমান। নাটসমূহৰ ভিতৰত 'লভিতা আছিল যথেষ্ট উন্নত মানৰ। য'ত দেখুওৱা হৈছিল যুদ্ধবিধস্ত স্বাধীনতা সংগ্ৰামী অসমীয়া সমাজখনৰ বাস্তৱ ছবি। নাটকখন আছিল এখন সামাজিক নাটক। নাটকখনৰ জৰিয়তে তেওঁ সমাজৰ সচেতনতাৰ পৰিচয় দাঙি ধৰিছিল। 'লভিতা'ৰ দৰেই আন এখন সামজিক নাটক আছিল 'খনিকৰ'। 'খনিকৰ' নাটকখন মূলতঃ তেওঁ নিজে দেখা ঘটনাৰ পৰা পৰিকল্পনা কৰি লিখিছিল। ইয়াৰ প্ৰমাণ নাটকখনত কিছু পৰিমাণে পোৱা যায়। ইয়াৰ উপৰিও 'কনকলতা', আৰু 'সুন্দৰ কোঁৱৰ' নামেৰে দুখন নাটকৰ আৰম্ভণি কৰিছিল। যদিও হয়তো পিছলৈ স্বাধীনতা সংগ্ৰামত জড়িত হোৱাৰ বাবে আৰু নানান অসুবিধাৰ বাবে ই অসম্পূৰ্ণ হৈ ৰৈ যায়। 'সোণপখিলী' কাব্য নাটিকাখনিও অসম্পূৰ্ণ ৰূপতে আছিল। পিছলৈ অতুল চন্দ্ৰ হাজৰিকা দেৱে 'সোণপখিলী নাটখন অসম্পূৰ্ণ ৰূপটোৰ সম্পূৰ্ণ ৰূপ প্ৰদান কৰিছিল।

**গীত ঃ**

নাটকসমূহৰ বাবে আগৰৱালাদেৱে নিজে ৰচনা কৰা আঢ়ৈ কুৰি গীত তেওঁৰ নাটকত সন্নিবিষ্ট কৰিছিল। তেওঁৰ গীতৰ সুৰৰ লগত প্ৰতিজন অসমীয়াৰ প্ৰাণৰ সংযোগ আছে। তেওঁ ৪০০ তকৈ অধিক গীত উদ্ধাৰ কৰা হৈছে। আন বহুতো অপ্ৰকাশিত গীত উদ্ধাৰ হ'বলৈ বাকী আছে। তেওঁৰ গীত সমূহ আছিল বিভিন্ন ভাৱধাৰাৰ। ইয়াৰে কিছুসংখ্যক আছিল স্বদেশ প্ৰেম আন কিছুসংখ্যক আছিল সুন্দৰৰ সন্ধান আৰু সাধনাৰ। গীতৰ সুৰ কিছুমান আছিল নিভাঁজ অসমীয়া লোকসংগীতৰ প্ৰেৰণাৰে ৰচিত। কিছু উল্লেখযোগ্য গীত হ'ল 'গছে গছে পাতি দিলে ফুলৰে শৰাই', 'সেউজী সেউজী সেউজী অ' 'তোৰে মোৰে আলোকৰে যাত্ৰা,'লুইতৰে পানী যাব অ' বৈ', 'বিশ্ব বিজয়ী নৱজোৱান', 'জননীৰ সন্তান জাগা জাগা শক্তিমান, জাগা মুক্তি প্ৰাণ' ইত্যাদি। বিলাতত পঢ়ি থকা সময়ত যেতিয়া অসমত স্বাধীনতা আন্দোলনৰ সংগ্ৰাম চলি আছিল সেই সময়তে ছাত্ৰ সন্মিলন এখনত গাবলৈ 'লুইতৰ পাৰৰে আমি ডেকা ল'ৰা মৰিবলৈ ভয় নাই' গীতটি লিখি পঠিয়াইছিল। সুদুৰ বিলাতত থাকিও কিন্তু তেওঁ জাতিৰ সংগ্ৰামৰ কাৰণে সদায় আগত আছিল।

গীতৰ উপৰিও 'চন্দ্ৰকুমাৰ আগৰৱালা' হ'ল তেওঁৰ দ্বাৰা ৰচিত জীৱনীমূলক গ্ৰন্থ। বৰদেউতাক চন্দ্ৰকুমাৰ আগৰৱালা জীৱনৰ ভিত্তি কৰি কৰি গ্ৰন্থখন ৰচনা কৰিছিল। তেওঁৰ বহুকেইটা ইংৰাজী প্ৰৱন্ধ হ'ল—"His International Baby, The sanyasin,' The Daughter of Hindostan, Indian Architecture of tomorrow, the Art of Indian Mystic' etc.

নাট্য সাহিত্য, গীত কবিতাৰ উপৰিও জ্যোতিপ্ৰসাদ আগৰৱালা দেৱৰ আন এক সুকীয়া পৰিচয় আছিল চলচিত্ৰ নিৰ্মাতা ৰূপেও। জাৰ্মানীৰ বিখ্যাত UAE studio ত প্ৰখ্যাত ভাৰতীয় চলচিত্ৰ নিৰ্মাতা হিমাংশু ৰায়ৰ তত্ত্বাৱধানত সাত মাহ কাল চলচিত্ৰ প্ৰযোজনা আৰু পৰিচালনাৰ কাম শিকি ভাৰতলৈ উভতি আহি ১৯৩৪ চনত ভোলাগুৰি চাহবাগিচাত 'চিত্ৰবন' ষ্টুডিঅ' স্থাপন কৰি চিত্ৰলেখা মুভিটোন'ৰ বেনাৰত ১৯৩৫ চনত কলকতাৰ ৰাওনাক হ'লত প্ৰথম অসমীয়া চলচিত্ৰ 'জয়মতী' অশেষ কষ্ট আৰু চেষ্টাৰ বলত প্ৰযোজনা আৰু পৰিচালনা কৰি শুভ মুক্তি দিয়ে। শুভমুক্তিৰ দিনা উদ্বোধন কৰিছিল সাহিত্যৰথী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাই ১৯৩৯ চনত দ্বিতীয় অসমীয়া চলচিত্ৰ 'ইন্দ্ৰমালতী'ও তেওঁ প্ৰযোজনা পৰিচালনা কৰি মুক্তি দিয়ে। পিছলৈ স্বাধীনতা সংগ্ৰামৰ বাবে আন্দোলনত সক্ৰিয় ভাৱে জড়িত হৈ পৰিছিল। বহুবাৰ কাৰবাসো খাটিছিল। মৃত্যুৰ আগলৈকে স্বাধীনতা আৰু জাতীয় চেতনাৰ হকে যুঁজ দি গৈছিল। অসমৰ প্ৰথমখন বিশ্ববিদ্যালয় গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম আৰ্হি চিত্ৰটো তেওঁৱে অংকন কৰিছিল। যদিও সেয়া পিছলৈ গৃহীত ন'হল।

আগৰৱালাদেৱৰ ভাবধাৰা আছিল সদায় সুকীয়া। তেওঁ বিচাৰিছিল বৰ্তমান ভাৰতবৰ্ষৰ আন অংশ আৰু আন জগতৰ লগত অসমৰ ক্ৰমবৰ্ধমান সংস্পৰ্শলৈ লক্ষ্য ৰাখি তেওঁ তেতিয়াই অসমৰ ক্ষেত্ৰত আছুতীয়া,বহিৰ্জগতৰ লগত সম্পৰ্ক বিভিন্ন জকাইচুকীয়া সংস্কৃতিৰ বিকাশ বিচৰা নাছিল। তেওঁ বিচাৰিছিল অসমীয়া সংস্কৃতিক বিকাশত "থাকিব লাগিব নিজা বৈশিষ্ট্য আৰু বিশ্বমুখী মনৰ প্ৰতিবিম্ব।" তেওঁ অসমীয়া সংস্কৃতিৰ সমন্বয় বিচাৰিছিল কিন্তু নিজস্ব ঐতিহ্য বিসৰ্জন দি নহয় অন্য দৃষ্টিভংগীৰে অন্য এক বিশ্বমুখী মনোভাৱেৰে। তেওঁৰ মৃত্যুতিথি পোন প্ৰথমে ভাৰতীয় গণনাট্য সংঘ অসম শাখাই ৰূপকোঁৱৰ দিৱস ৰূপে পালন কৰিছিল। পিছলৈ এই দিনটো শিল্পী দিৱস ৰূপে পালন কৰা হয়।

গতিকে বৰ্তমান সমাজৰ প্ৰতিজন নাগৰিকৰ এয়া। কৰ্তব্য যে তেওঁৰ সৃষ্টিৰাজি সমূহ আৰু স্বাধীনতা সংগ্ৰামৰ কাৰণে যি কষ্ট, ত্যাগ স্বীকাৰ কৰি অসমীয়া জাতিক ৰক্ষাৰ আপ্ৰাণ চেষ্টা চলাইছিল। সেয়া সকলো যাতে কোনো দিনে কোনো কাৰণতে অসমীয়া জাতি আৰু সমাজৰ মাজৰ পৰা হেৰাই নাযায় তাৰ বাবে যাতে সকলোৱে অহোপুৰুষাৰ্থ চেষ্টা আগবঢ়াই গৈ থাকিব লাগিব। সেয়াই হ'ব প্ৰতিজন অসমীয়াৰ তেওঁৰ প্ৰতি থকা শ্ৰদ্ধা আৰু সমবেদনা।



# ৰসিক সুজান মহাবীৰ চিলাৰায়ঃ বিশ্ব ইতিহাসত উত্তৰ কাললৈ প্ৰাসংগিক

- **ডাঃ সমৰ তালুকদাৰ**
বিশিষ্ট লেখক

**ম**ধ্যযুগীয়া ৰাজনৈতিক, ভৌগোলিক প্ৰাচীন অসমৰ প্ৰতিটো বাক্যই এখন বৰ্ণিল ইতিহাস, দস্তাবেজ। বিশ্ব মহাবীৰ চিলাৰায় আৰু কামৰূপ-কমতা— অঙ্গাঙ্গী দুটা শব্দ।

যুৱ ৰাজ শুক্লধ্বজ, সংগ্ৰাম সিংহ— ভিন্ন নামেৰে পৰিচিত বিশ্ব মহাবীৰ চিলাৰায় এটি বিশাল ব্যক্তিসত্ত্বা। প্ৰণিধানযোগ্য বিশ্ববিশ্ৰুত ইতিহাসবিদ আৰ্ণল্ড টোয়েনবিয়ে বিশ্বৰ তিনিটা বিশাল ব্যক্তিত্বৰ যুগ পুৰুষক বিশ্ব মহাবীৰ হিচাপে অভিহিত কৰিছে। তাৰ ভিতৰত অন্যতম চিলাৰায়। আন দুজন মাৰাঠী বীৰ ছত্ৰপতি শিৱাজী আৰু ফৰাচী দেশৰ বীৰ যোদ্ধা নেপোলিয়ন বোনাপাৰ্ট। এনচাইক্লোপেডিয়াতো চিলাৰায়ক বিশ্ববীৰ হিচাপে অভিহিত কৰিছে। কলিকতাৰ পৰা প্ৰকাশিত ডাইৰেক্টৰী পঞ্জিকাতো মাঘী পূৰ্ণিমা তিথিটোক বিশ্ব মহাবীৰ চিলাৰায়ৰ জন্মতিথি বুলি

প্ৰতিবছৰে প্ৰকাশ কৰি আহিছে। অসমৰ ইতিহাস, ভাষা-সাহিত্য-সংস্কৃতি, ধৰ্মীয় আৰু সামাজিক সংস্কাৰ আদিৰ বৃহৎ ক্ষেত্ৰখনৰ প্ৰধান পৃষ্ঠপোষক, প্ৰখ্যাত সমৰ নায়ক বিশ্ব মহাবীৰ চিলাৰায় এক কিংবদন্তি। চিলাৰায়ক গভীৰভাৱে অধ্যয়ন কৰিলে দেখা যায় যে তেওঁ আছিল একেধাৰে এগৰাকী জ্ঞানী পণ্ডিত, সাহিত্যিক, জ্ঞান আৰু কলাৰ সাধক, সংগীতৰ ৰসগ্ৰাহী বিদ্বত, নৱ বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক শ্ৰীমন্ত শংকৰদেৱৰ মুখ্য পৃষ্ঠপোষক, সু-সংগঠক আৰু দক্ষ প্ৰশাসক। "মানুহৰ ইতিহাস সমাজে গঢ় দিয়া নাই, ব্যক্তি বিশেষেহে গঢ় দিছে।"— কথাফাকি কৈছিল বিশ্ব বিশ্ৰুত ইতিহাসবিদ আৰ্ণল্ড টোয়েনবিয়ে, ব্যক্তি বিশেষৰ ওপৰত কৰা জীৱনৰ অধ্যয়নৰ অন্তত। চিলাৰায়ৰ জন্মলগ্নৰে পৰা বৰ্ণাঢ্য কৰ্ম জীৱনকে ধৰি মহাপ্ৰয়াণলৈকে জীৱন চৰ্চা বিশ্লেষণ কৰিলে এইটো জলজল পটপটকৈ ওলাই পৰে যে বিশ্ব ইতিহাসত চিলাৰায়ৰ নাম 'বিশ্ব মহাবীৰ' হিচাপে চিহ্নিত কৰাত তেওঁৰ স্বকীয় প্ৰতিভা, বিচক্ষণ আৰু সৰ্বগুণী ব্যক্তিত্বই আছিল তাৰ মাপকাঠী। সঁচা অৰ্থত, এক কথাত চিলাৰায়ে নিজে ৰচনা কৰিছিল তেওঁৰ বৰ্ণিল ইতিহাস, য'ত স্পষ্ট ৰূপত বিচাৰি পোৱা যায় টোয়েনবিৰ আপ্ত বাক্যশাৰীৰ যথাৰ্থতা। এইগৰাকী সমৰ নায়কে চিলাৰ দৰে চৌ মাৰি বীৰ বিক্ৰমেৰে পশ্চিমে কৰটোৱাৰ পৰা পূবে দিক্ৰঙলৈ ৰাজ্য বিস্তাৰ কৰি প্ৰাচীন মা-কামাখ্যাৰ ভগ্ন মন্দিৰ পুনৰ নিৰ্মাণ কৰি ১৬ শতিকাতে কামৰূপ-কমতা ৰাজ্যত ধৰ্ম নিৰপেক্ষ নীতি কাৰ্যকৰী কৰাৰ উপৰিও কোচবিহাৰৰ পৰা নাৰায়ণপুৰলৈ স্থাপত্যবিদ ভাতৃ গোসাঁই কমলৰ দ্বাৰা প্ৰসিদ্ধ গোসাঁই কমল আলি নিৰ্মাণ কৰোৱাইছিল। হাজো অঞ্চলৰ ত্ৰাণকৰ্তাৰূপে লুইতৰ বুকুত খহনীয়াৰ সৃষ্টি হ'ব খোজা নদীৰ সুঁতিকো ভাতৃ গোসাঁই কমলৰ দ্বাৰা ৰোধ কৰাৰ উপৰিও বিভিন্ন ঠাইত জনহিতকৰ কাম কৰি প্ৰকৃতাৰ্থত নৰনাৰায়ণ চিলাৰায় প্ৰজাৰ প্ৰকৃত ৰজা হিচাপে চিনাকি দিছিল। চিলাৰায়ৰ সাম্ৰাজ্য বিস্তাৰৰ যদি এটা নিৰ্মোহ বিশ্লেষণ কৰা যায় তেন্তে এইটো স্পষ্ট ৰূপত ধৰা দিয়ে যে চিলাৰায়ৰ ৰাজ্য বিস্তাৰে মূল লক্ষ্য নাছিল। সাম্ৰাজ্যবাদী চিন্তাৰ বিপৰীতে তেওঁৰ জীৱনৰ মহান উদ্দেশ্য আছিল এককেন্দ্ৰীয় ৰাজশক্তিৰ নেতৃত্বত প্ৰত্যেক আঞ্চলিক বৈশিষ্ট্যপূৰ্ণ ৰাজ্যবোৰৰ অনুগত্যজনিত প্ৰীতিপূৰ্ণ এখন যুক্তৰাষ্ট্ৰৰ পৰিকল্পনা। যাতে এটি প্ৰগতিশীল আৰ্থ সামাজিক, সাংস্কৃতিক, কেন্দ্ৰীয় আদৰ্শত অনুপ্ৰাণিত হোৱাসকলক লৈ ভৱিষ্যতে এখন বৃহত্তৰ সংস্কাৰপূৰ্ণ মানুহৰ সমাজ গঠন কৰাৰ পথ সূচল হয়। অসমীয়া ভাষা সংস্কৃতিৰ মহাসৌধ নিৰ্মাতা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বৰ্ণিল ৰচনাৱলীসমূহৰ গৰিষ্ঠসংখ্যক ৰচনাসম্ভাৰৰ সৃষ্টি হৈছিল কমতাপুৰৰ ৰজা মহাৰাজ নৰনাৰায়ণৰ ৰাজসভাত। যিবিলাক সাহিত্য সম্ভাৰে অসমীয়া জাতিক বিশ্ব সাহিত্য সভাত চিনাকি কৰি দিয়াৰ লগতে অসমীয়া জাতিক একতাৰ দোলেৰে বান্ধ খোৱাই ৰখাৰ বাবে সোণসেৰীয়া সাকোৰ সৃষ্টি কৰি আহিছে। আহোমৰ একাংশ ৰাজন্য বৰ্গৰ ৰোষত পৰি মহাপুৰুষজনাই আহোম ৰাজ্যৰ পৰা ভটিয়াই অহাত কমতাপুৰ ৰাজ্যত নৰনাৰায়ণ চিলাৰায়ে স-সন্মানে পৃষ্ঠপোষকতা নকৰাহেঁতেন জগতগুৰুজনাৰ মহান সৃষ্টিসমূহৰ পৰা অসমে সদায় বঞ্চিত হৈ থাকিব লাগিলহেঁতেন।

শুক্লধ্বজ ওৰফে সংগ্ৰাম সিংহ ওৰফে চিলাৰায় যদিওবা কমতাপুৰৰ প্ৰধান সেনাপতি আছিল মহাৰাজ নৰনাৰায়ণে সাহিত্য সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰখনত চিলাৰায়ে লোৱা ভূমিকাক সদায় উৎসাহিত কৰিছিল। জয়দেৱৰ 'গীত গোবিন্দ'ৰ যিখন টিকা বা ভাষ্য 'সাৰৱতী' নামেৰে চিলাৰায়ে লিখিছে সেইখন সেইসময়ৰ এখন যুগময়ী সাহিত্য বিলাকৰ ভিতৰত অন্যতম বুলি বিবেচিত হৈছিল। 'সাৰৱতী' প্ৰণয়ন কৰিবলৈ যাওঁতে চিলাৰায়ে আঠখন সংস্কৃত শব্দকোষ, পাঁচখন কাব্য নাটক, পাঁচখন কাব্যশাস্ত্ৰ, পাঁচখন কামশাস্ত্ৰ আৰু টীকা গ্ৰন্থ ব্যৱহাৰ কৰাৰ উল্লেখ আছে। ইয়াৰ দ্বাৰা সেনাপতিজনৰ বিশাল অধ্যয়ন, চমৎকাৰী ভাষাৱলী আৰু সংস্কৃত সাহিত্যত গভীৰ জ্ঞানৰ সাক্ষ্য বহন কৰিছিল। বিদগ্ধ পণ্ডিত সত্যেন্দ্ৰনাথ শৰ্মাদেৱে জয়দেৱৰ 'গীত গোবিন্দ'- শুক্লধ্বজ বিৰচিত টীকা 'সাৰৱতী' সম্পাদিত গ্ৰন্থখনৰ সম্পাদকীয় বক্তব্যত নিৰ্মোহ বিশ্লেষণ কৰি লিখিছিল 'সাৰৱতী' টীকাত প্ৰকাশ পোৱা পাণ্ডিত্য আৰু নাট-গীত সুকুমাৰ কলাত বুৎপত্তি দেখিয়েই মহাপুৰুষ শংকৰদেৱে তেওঁক 'ৰসিক সুজান', 'পৰম ৰসিক গুৰু' আদি বিভূষণেৰে ভূষিত কৰিছিল। এই প্ৰশংসা উলামূলা পণ্ডিতৰ তোষামোদী প্ৰশংসা নহয়, এগৰাকী অগাধ পণ্ডিত সুকুমাৰ কলাৰ কেইবাটাও শাখাত পাৰদৰ্শী, স্থিতধী মহাপুৰুষে শুক্লধ্বজৰ ঘনিষ্ঠ সান্নিধ্যলৈ আহি বীৰজনাৰ ব্যক্তিত্ব, পাণ্ডিত্য আৰু ৰসিক মনৰ পৰিচয় পাইহে উক্ত বিভূষণেৰে ভূষিত কৰিছিল। মহাপুৰুষে আন নালাগে নিজৰ মায়া স্বৰূপ সৰ্বগুণী ভক্ত মাধৱদেৱৰ ক্ষেত্ৰত 'পৰম ৰসিক গুৰু'ৰ দৰে বিভূষণ প্ৰয়োগ কৰা নাই। এই উক্তিয়েই শুক্ৰধ্বজৰ অসাধাৰণ প্ৰতিভাৰ উজ্বল প্ৰশংসাপত্ৰ।

উদাৰ দৃষ্টিভংগী, সহনশীল, ধৰ্মনিৰপেক্ষ, প্ৰজা হিতকাৰী মহাৰাজ নৰনাৰায়ণৰ আৰু সেনাপতি চিলাৰায়ৰ এই বিশাল ব্যক্তিত্ব আৰু প্ৰতিভাৰ বাবে বিভিন্নজন পণ্ডিত কোচৰাজ্যৰ প্ৰতি আসক্ত হৈছিল। দুয়োজনাই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ লগতে সেই সময়ৰ বহুতো জ্ঞানলব্ধ পণ্ডিতক আতিথ্য দি স্বৰ্ণীল সাহিত্য সৃষ্টিৰ পথ মুকলি কৰি দিছিল। 'অসমীয়া সাহিত্যৰ পূৰ্ণ ইতিহাস'



গ্ৰন্থত গ্ৰন্থাকাৰ ড° হৰিনাথ শৰ্মা দলৈদেৱে লিখিছে— 'মহাৰাজ নৰনাৰায়ণ আৰু তেওঁৰ ভাতৃ চিলাৰায়— দেৱান উভয়ে আছিল বিদ্যাৱন্ত, ধাৰ্মিক আৰু জ্ঞানী। তাৰোপৰি তেওঁলোক আছিল সাহিত্য সংস্কৃতিৰ প্ৰতি বিশেষ অনুৰক্ত। দেশ-বিদেশৰ বিশেষজ্ঞ পণ্ডিতসকলক নৰনাৰায়ণে সমাদৰ কৰি নিজৰ ৰাজসভাত ৰাখিছিল। বিক্ৰমাদিত্যৰ ৰাজসভা কালিদাস আদি পণ্ডিতসকলে সমুজ্বল কৰি তোলাৰ দৰে নৰনাৰায়ণৰ ৰাজসভাও বিভিন্ন বিষয়ৰ বিশেষজ্ঞ পণ্ডিতসকলে গৌৰৱোজ্বল কৰি তুলিছিল। শাস্ত্ৰৰ অধ্যয়ন আৰু চৰ্চা, গ্ৰন্থ প্ৰণয়ন আদি কাৰ্যৰ দ্বাৰা ৰাজসভাখন সাংস্কৃতিক-বিকাশৰ কেন্দ্ৰস্বৰূপ হৈছিল। যি পণ্ডিত যি বিষয়ৰ বিশেষজ্ঞ, সেইজনক সেই বিষয়ৰ শাস্ত্ৰ প্ৰণয়ন কৰিবলৈ নৰনাৰায়ণে অনুৰোধ কৰিছিল। সেই মৰ্মে, পুৰুষোত্তম ভট্টাচাৰ্যক কয় ৰত্নমালা ব্যাকৰণ ৰচিবলৈ, ৰাম সৰস্বতীক মহাভাৰতৰ পদ ভাঙিবলৈ, শংকৰদেৱক ভাগৱতৰ পদানুবাদ কৰিবলৈ, শ্ৰীধৰক জ্যোতিষ শাস্ত্ৰ প্ৰণয়ন কৰিবলৈ ইত্যাদি। ইয়াৰ অন্যতম উদ্দেশ্য আছিল কলিযুগৰ নানা তাপক্লিষ্ট আৰু অল্পায়ুৰ লোকসকলে যাতে বিভিন্ন সংস্কৃত গ্ৰন্থৰ অন্তৰ্নিহিত মৰ্মাৰ্থ গ্ৰহণ কৰিবলৈ সুবিধা পাই, সেই কথা লোকসমাজত যাতে লোপ নহয়। ৰজাৰ নিৰ্দেশ মতে পণ্ডিতসকলে গ্ৰন্থ ৰচনা কৰাৰ পিছত ৰজাই তেওঁলোকক যথাযোগ্য সন্মানৰ সৈতে ধন ৰত্নাদিও পুৰস্কাৰ দিয়ে। গ্ৰন্থ প্ৰণয়নত যাতে অসুবিধা নহয়, তাৰ বাবে ৰজাঘৰৰ পৰা তেওঁলোকক প্ৰাসংগিক টীকা ভাষ্য, আলপৈচান ধৰাৰ কাৰণে মানুহ আনুষংগিক খৰচ পাতিৰ কাৰণে টকা-পইচাৰো যোগান ধৰিছিল। এই ধৰণৰ ৰজাঘৰীয়া উৎসাহ, সহযোগিতা আৰু সাহায্যৰ যোগেদি ৰাম সৰস্বতীয়ে মহাভাৰত অসমীয়া পদলৈ ৰূপান্তৰ কৰাৰ উপৰিও মহাভাৰতীয় কথাৰ ওপৰতে ভেজা দি এক শ্ৰেণীৰ অভিনৱ আৰু লোকৰঞ্জক কাব্যৰ সৃষ্টি কৰে— নাম 'বোধকাব্য'। উক্ত ৰাজ নিৰ্দেশনা অনুসৰি শংকৰদেৱ, পুৰুষোত্তম ভট্টাচাৰ্য, বকুল কায়স্থ, শ্ৰীধৰ আদি আন আন পণ্ডিতসকলেও স্বকীয় প্ৰতিভাজনিত সাহিত্যৰাজিৰ সৃষ্টি কৰিলে। ৰাজভ্ৰাতা চিলাৰায়েও জয়দেৱ বিৰচিত 'গীত গোৱিন্দ' কাব্যৰ এখন টীকা গ্ৰন্থ প্ৰণয় কৰে। শংকৰদেৱৰ গুণমালা, ভটিমা, কুৰুক্ষেত্ৰ আৰু কিছুমান গীত ৰচনা কৰে চিলাৰায়ৰ আশ্ৰয়ত থাকিয়েই। মহাপুৰুষৰ শেষ তম ৰামবিজয় নাটৰ সৃষ্টিও চিলাৰায়ৰ তাগিদাৰেই ফলশ্ৰুতি।

ধৰ্মীয় ভাবৰ প্ৰতি ৰজাঘৰীয়া সহানুভূতি আৰু সমদৃষ্টি, তাৰ ফলত মানুহৰ শংকামুক্ত মানসিকতা, স্বতন্ত্ৰ ব্যক্তি চিন্তাৰ আশা আদিৰ উপৰিও ৰজাঘৰীয়া অনুৰাগে এলিজাবেথীয় যুগত সাহিত্য সৃষ্টিৰ ক্ষেত্ৰ অতি প্ৰচেষ্ট কৰি তুলিছিল। এনে ধৰণৰ কিছুমান কাৰণতে কোচ বংশীয় ৰাজত্বকালত সাহিত্যৰ ক্ষেত্ৰ সু-বিস্তৃত আৰু নদন-বদন হৈ উঠিছিল।

বিশেষ কথা এই যে, ভাৰতপুৰাণ আদিৰ পদ ৰচনাৰ কাৰণে নৰনাৰায়ণে কবিসকলক নিৰ্দেশ দিছিল যদিও, সেই সকলোবোৰ তেওঁৰ দিনতে সম্পূৰ্ণ হৈ উঠা নাছিল। তাৰ কিছুমানৰ সম্পাদন কাৰ্য নৰনাৰায়ণৰ পৰৱৰ্তী ৰজা, আনকি তেওঁৰেই বংশধৰ দৰংগী ৰজাসকলৰ দিনলৈ চলিছিল। নৰনাৰায়ণৰ পৃষ্ঠপোষকতাত গোটেইখন ব্ৰহ্মবৈৱৰ্তপুৰাণ অসমীয়া পদলৈ ৰূপান্তৰিত হৈছে চাৰিজন কবিৰ হাতত— ৰতিকান্ত দ্বিজ, নন্দেশ্বৰ দ্বিজ, নৰোত্তম দ্বিজ, খৰ্গেশ্বৰ দ্বিজ। শংকৰদেৱৰ উপৰিও কোচ ৰজাৰ পৃষ্ঠপোষকতাত ভাগৱতৰ অংশবিশেষ অনুবাদ কৰোতাসকলৰ ভিতৰত কলাপ চন্দ্ৰ দ্বিজ, অনিৰুদ্ধ কায়স্থ, হৰিদাস পাঠক আদি প্ৰধান। আন আন পুৰাণৰো খণ্ড বিশেষ কোচ-ৰাজবংশী ৰজাৰ সৌজন্যত অনুবাদ হৈছিল। মহাভাৰতৰ অনুবাদৰ ক্ষেত্ৰত কবিন্দ্ৰ পাত্ৰ, গোপীনাথ পাঠক, দামোদৰ দ্বিজ, বিদ্যা পঞ্চানন, শ্ৰীনাথ দ্বিজ, কবিশেখৰ আদি কবিসকলে বিভিন্ন কোঁচ নৃপতিৰ পৃষ্ঠপোষকতা লাভ কৰি মহাভাৰতীয় পদ ৰচনা কৰি গৈছে। এই কবিসকলৰ পৰিচয় আৰু কাব্য কৃতিৰ আলোচনা যথাস্থানত দিয়া হৈছে।

নৰনাৰায়ণৰ পৰৱৰ্তী ৰজা লক্ষ্মীনাৰায়ণ, পৰীক্ষিত নাৰায়ণ আৰু ধৰ্ম নাৰায়ণৰ সংস্পৰ্শ আৰু পৃষ্ঠপোষকতা লাভ কৰি অসমৰ সৰ্বশ্ৰেষ্ঠ স্মৃতিশাস্ত্ৰকাৰ পীতাম্বৰ সিদ্ধান্তবাগীশে 'দায় কৌমুদী', 'শ্ৰাদ্ধ কৌমুদী' আদি ১৮খন স্মৃতিশাস্ত্ৰ প্ৰণয়ন কৰি সেই সময়ত স্মাৰ্ট-মত্তৰ বিশেষত্ব দৃঢ়ভাৱে প্ৰতিপাদন কৰি গৈছে। তেওঁৰ পাছৰ ৰিপুঞ্জয়ৰ অন্যতম স্মাৰ্ট-মত্তৰ এগৰাকীৰ অৱদানো এই প্ৰসংগত উল্লেখনীয়। সূৰ্য খৰীয়ে দৰঙ্গী ৰজা সমুদ্ৰ নাৰায়ণৰ আদেশত ৰচনা কৰা 'দৰং ৰাজবংশাৱলী' এখন বিখ্যাত ঐতিহাসিক কাব্য। ইয়াৰ উপৰিও বজবংশাৱলী আৰু গন্ধৰ্ব নাৰায়ণৰ বংশাৱলী নামৰ দুখন ঐতিহাসিক সমল থকা গ্ৰন্থও দৰঙ্গী ৰজাৰ সৌজন্যত ৰচিত হৈছে বুলি জনা যায়। কোচবিহাৰ ৰাজবংশৰ শেষাংগৰ অন্যতম নৃপতি হৰেন্দ্ৰ নাৰায়ণৰ কথাও এই প্ৰসংগত লক্ষ্যণীয়। তেওঁ নিজেই আছিল পণ্ডিত আৰু কাব্যিক প্ৰতিভাৰ গৰাকী। তেওঁ নিজেই মহাভাৰতৰ পদ ৰচনা কৰাৰ উপৰিও আন পুথিও লিখিছিল আৰু আন আন পণ্ডিতৰ হতুৱাইয়ো কাব্য সৃষ্টি কৰাইছিল। মুঠতে ক'ব পৰা যায় কোচ বংশীয় ৰজাসকলে অসমীয়া সাহিত্য সংস্কৃতিত বিকাশত প্ৰদৰ্শন কৰা যি নিষ্ঠা, অনুৰাগ আৰু অৰ্থব্যয় আৰু তাৰ যি ফলশ্ৰুতি, সি মধ্যযুগীয় সাহিত্যৰ অগ্ৰভাগত সমুজ্বল হৈ উঠে। এই বংশৰ ৰাজত্ব কালটোৰেই ইংৰাজী সাহিত্যৰ এলিজাবেথীয় যুগৰ কথা মনত পেলায়। ধৰ্মীয় ভাবৰ প্ৰতি ৰজাঘৰীয়া সহানুভূতি আৰু সমদৃষ্টি, তাৰ ফলত মানুহৰ শংকামুক্ত মানসিকতা, স্বতন্ত্ৰ ব্যক্তি চিন্তাৰ আশা আদিৰ উপৰিও ৰজাঘৰীয়া অনুৰাগে এলিজাবেথীয় যুগত সাহিত্য সৃষ্টিৰ ক্ষেত্ৰ অতি প্ৰচেষ্ট কৰি তুলিছিল। এনে ধৰণৰ কিছুমান কাৰণতে কোচ বংশীয় ৰাজত্বকালত সাহিত্যৰ ক্ষেত্ৰ সু-বিস্তৃত আৰু নদন-বদন হৈ উঠিছিল। ইয়াৰপৰা এইটোৱে প্ৰতিয়মান হয় যে ডক্তৰ আৰ্ণল্ড টোয়েনেবিয়ে বিশ্ব মহাবীৰ হিচাপে অভিহিত কৰা চিলাৰায় আৰু নৃপতি নৰনাৰায়ণ আছিল বিশ্ব সাহিত্য সমাজৰ মহান পৃষ্ঠপোষক। এইবিলাক দৃষ্টান্তই এইটোৱেই প্ৰতীয়মান কৰে যে বহুগুণৰ প্ৰতিভাধৰ, সাম্য মৈত্ৰীৰ ৰূপকাৰ নৰনাৰায়ণ চিলাৰায় বিশ্ব ইতিহাসত উত্তৰ কাললৈ প্ৰাসংগিক হৈ থাকিব, কিয়নো নৰনাৰায়ণ চিলাৰায় এক সাৰ্বজনীন চিন্তাধাৰাৰ বিশ্বজনীন সত্ত্বা।

সম্পদ

# ঢেঁকী

## অসমৰ পৰম্পৰাগতভাবে ব্যৱহৃত থলুৱা সঁজুলি

- বিনীতা দেৱী
সহকাৰী অধ্যাপিকা
ভূগোল বিজ্ঞান বিভাগ

ভাৰতবৰ্ষৰ উত্তৰ-পূব কোণত অৱস্থিত অসম এখন বিভিন্ন জাতি-জনগোষ্ঠীৰ সংস্কৃতিৰ সংমিশ্ৰণৰ বৰ্ণিল ৰাজ্য। অসম এখন কৃষি প্ৰধান ৰাজ্য তথা অসমৰ গ্ৰাম্যাঞ্চলৰ উন্নত জীৱন-জীৱিকাৰ প্ৰধান ক্ষেত্ৰ কৃষি। বিশ্বৰ বিভিন্ন প্ৰান্তত কৃষি ক্ষেত্ৰত আধুনিক ন-ন প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগ হোৱা স্বত্বেও অসমৰ কৃষি ব্যৱস্থা বৰ্তমানেও পৰম্পৰাগত পদ্ধতিৰে চলি আছে। কৃষি কাৰ্য্যত পৰম্পৰাগত প্ৰযুক্তিৰ সহায়ত নিৰ্মিত বিভিন্ন ধৰণৰ থলুৱা সঁজুলি ব্যৱহাৰ কৰা দেখা যায়। কৃষি কাৰ্য্যত উৎপাদিত শস্য (প্ৰধানকৈ ধান) ৰ পৰা বিভিন্ন খাদ্য সামগ্ৰী প্ৰস্তুত কৰিবলৈ অসমৰ জনসমাজত অতীজৰে পৰা বহলভাবে ব্যৱহৃত এবিধ অন্যতম থলুৱা সঁজুলি হৈছে ঢেঁকী, অসমত প্ৰচলিত নানা সাধুকথা যেনে চিলনী আইৰ সাধু, ঔ কুঁৱৰীৰ সাধু আদিত, ফকৰা যোজনাত, সাঁথৰ, আচাৰ অনুষ্ঠানত আৰু গীত



মাতত ঢেঁকীৰ অস্তিত্ব বিৰাজমান হৈ থকা দেখা যায়। সময়ৰ লগে লগে ঢেঁকীৰ ব্যৱহাৰ কমি আহিলেও উত্তৰ আধুনিক যুগৰ সংস্কৃতিৰ জটিলতম সন্ধিক্ষণতো ঢেঁকী অসমীয়া জনসমাজৰ পৰা অবিচ্ছিন্ন হৈ আছে।

অসমৰ বাহিৰেও ভাৰতবৰ্ষৰ আন আন ৰাজ্য যেনে ঝাৰখণ্ড আৰু আমাৰ চুবুৰীয়া ৰাষ্ট্ৰ বালাংদেশতো ঢেঁকীৰ ব্যৱহাৰ দেখা যায় যদিও গঠন আৰু অবয়বৰ ক্ষেত্ৰত অসমৰ ঢেঁকী পৃথক আৰু অনন্য। সাধাৰণতে ঢেঁকী এটা ন ফুটমান দীঘল হয়। টান, পোন কাঠ বিশেষকৈ শিলিখা, নাহৰ, টেপৰ, জামু, পনিয়ল আদি গছৰ কাঠেৰে ঢেঁকী তৈয়াৰ কৰা হয়। আগফালৰ মূৰ অঞ্চলৰ পৰা আঢ়ৈফুট অন্তৰত এটা ফুটা কৰা হয় (মাটিৰ ওপৰলৈ কৰি) আৰু এই ফুটাটোত থোৰা খুওৱা হয়। থোৰাটো ভাল, টান আৰু পোন কাঠৰ খুওৱা হয়, কাৰণ ঢেঁকীৰ কামবিলাক থোৰাৰ ওপৰত নিৰ্ভৰশীল। মধুৰী, পনিয়ল, বগৰী, নাহৰ, শিলিখা আদি গছৰ কাঠৰ থোৰা খুওৱা হয়। বহুতে পুৰঠ লিটা বাঁহৰ থোৰাই ব্যৱহাৰ কৰে। ইয়াৰ বাবে গঁঠীয়া ভলুকা বাঁহ হ'ব লাগে। বহুতে ধান বা অন্যান্য কামৰ বাবে কাঠৰ আৰু চিৰাৰ বাবে বাঁহৰ থোঁৰা ব্যৱহাৰ কৰে। ইয়াৰ উপৰিও ধানৰ পৰা সহজে চাউল উলিয়াবলৈ বা অন্য টান বস্তু সিজিবলৈ থোৰাৰ মুখ অংশত গোল লোহাৰে বিশেষ বস্তু এবিধ সংযোগ কৰা হয়। তাক গুল (খামা) বুলি কোৱা হয়। খোৰাৰ লগত প্ৰত্যক্ষ সম্পৰ্ক থকা বস্তুবিধ হ'ল খুবলি। খুবলি সাধাৰণতে শিলৰ হয়। কিন্তু অসমৰ কোনো কোনো ঠাইত কঁঠাল, চাম, এজাৰ আদি কাঠৰ মূঢ়াৰে খুবলি প্ৰস্তুত কৰা হয়। দীঘে-পথালিয়ে ডেৰফুট-দুইফুট শিলটোৰ বা কাঠডোখৰৰ মাজভাগত গোলকৈ এটা নিৰ্দিষ্ট জোখৰ গাঁত তৈয়াৰ কৰা হয়। য'ত থোৰাটোৰ সহায়ত খুন্দা কাৰ্য্য কৰা হয়। ঢেঁকীটোৰ থোৰা লগাবলৈ উলিওৱা বিন্ধাটোৰ পৰা তিনিফুট অন্তৰত অন্য এটা বিন্ধা বা ফুটা উলিওৱা হয়-পথালিকৈ। এই বিন্ধাটোত দুই বা আঢ়ৈফুট দীঘল এডাল পথালি কাঠ লগোৱা হয়। এই পথালি কাঠডালক আঁকৰশলা বা আষল শলা বোলে। আষলশলাডালে ঢেঁকীটোৰ ভাৰসাম্য ৰক্ষা কৰে। আষল শলাডাল ধৰি ৰাখিবলৈ বিন্ধাটোৰ দুয়োফাল এযোৰকৈ বা এটা (বাঁহৰ এযোৰ) খুঁটা পোতা হয়। তাক কোৱা হয় কঁতৰা। সেই খুঁটাবোৰত আষলশলাডাল বহুৱাই দিয়া হয়। কঁতৰাৰ সহায়ত আষল শলাডালৰ যোগেদি ঢেঁকীটো সহজে উঠাব পেলাব পাৰি। কঁতৰাৰ পৰা পিছৰ তিনিফুটমান অংশ সাধাৰণতে কিছু চিএগ্ৰা বা ঠেক হয়, যাক ঢেঁকীৰ নেজ (ফিচা) বুলি কোৱা হয়। ঢেঁকীৰ নেজত ভৰি থৈ নিৰ্দিষ্ট ছন্দত ঢেঁকীটো উঠা-নমা কৰি ঢেঁকীৰ কাৰ্য্য সম্পাদন কৰে। ঢেঁকী দিয়াত সুবিধা হ'বলৈ ওপৰৰ পৰা এডাল ৰচী বান্ধি ৰাখে, তাৰে আলম লৈ ঢেঁকীটো দিয়া হয়। ঢেঁকী দিয়া মানুহগৰাকীৰ হাতত আগফালে ধানখেৰৰ সৰু জুমুঠিৰে সৈতে এডাল নিৰ্দিষ্ট জোখৰ বিজুলী বাঁহৰ মাৰি থাকে। তাৰ সহায়ত খুবলিটোৰ ধান ঠেলি দিয়া হয়। এই মাৰিডালৰ নাম 'লুৰিবাৰী'।

**ঢেঁকী দিয়া কাৰ্য্যই শৰীৰক মেদহীন কৰি ৰখাত সহায় কৰে। সময়ৰ পৰিৰৰ্তনৰ লগে লগে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উত্তৰণৰ লগে লগে পৰিৰৰ্তন হৈছে মানুহৰ জীৱন নিৰ্বাহ প্ৰণালী আৰু খাদ্যাভ্যাস। চাউল, জা-জলপান, পিঠাগুৰি, হালধিগুৰি, খাৰলি, খৰিচা ইত্যাদি বিভিন্ন দ্ৰব্য প্ৰস্তুত কৰা ঢেঁকীটোৰ স্থান বৰ্তমানে লৈছে বিদ্যুৎ ডিজেল চালিত কলসমূহে আৰু যন্ত্ৰই, যাৰ ফলত গাঁৱে-ভূঞে, নগৰে-চহৰে ঢেঁকীৰ ব্যৱহাৰ কমি আহিছে।**

সাধাৰণতে ঢেঁকীবেৰৰ ফালে চপাই পাতে, যাতে বাওঁফালে বেছিকৈ ঠাই থাকে। ঢেঁকীবোৰ সাধাৰণতে উত্তৰা-দক্ষিণাকৈ পতা হয়। মূলঘৰৰ দাঁতিত খেৰ-বাঁহৰ চালি দি ঢেঁকীশাল পতা হয়। বহুতে ঘৰৰ ভিতৰতে ঢেঁকীশাল পাতে বেলেগকৈ ঘৰ থাকিলে। ঢেঁকীশালৰ তুঁহ, ঘুগলা, চাই আদিয়ে যাতে মূল ঘৰটো লেতেৰা কৰিব নোৱাৰে, তাৰ বাবেই নিলগাই ঢেঁকী পতা হয়। খৰাহী, ডলা-পাচি, কুলা-চালনী, বাঢ়নী মাৰি, শোটা, পীৰা, খৰি ইত্যাদি সামগ্ৰীৰে ঢেঁকী শালখন ভৰপূৰ হৈ থাকে।

অতীজত ঘৰখনৰ বাবে আৱশ্যকীয় চাউল, জা-জলপান পিঠা-পনা তৈয়াৰৰ মুখ্য স্থান আছিল ঢেঁকীশাল। বৰ্তমান সময়তো পৰম্পৰাগতভাৱে অসমীয়া গ্ৰাম্য সমাজত ঢেঁকীশাল এটা উল্লেখযোগ্য স্থান অধিকাৰ কৰি আহিছে। অনেক সম্প্ৰদায়ৰ বিবাহৰ বিভিন্ন পৰ্বত, উপনয়ন, মৃতকৰ শ্ৰাদ্ধ আদিত

ঢেঁকীৰ ব্যৱহাৰ কৰা নিয়ম। বিহু-সংক্ৰান্তিয়ে ঢেঁকীশাল মচি-কাজি চাকি বন্তি জ্বলোৱা হয়। ঢেঁকীৰ লগত বহুতো জনবিশ্বাস জড়িত হৈ আছে। ঢেঁকী দাঙি থব নাপায়, ঢেঁকীত বহিব নাপায়, শুদা ঢেঁকী দিব নাপায়, ভৰ দুপৰীয়া, তিনি সন্ধ্যা ঢেঁকী দিব নাপায়, বিহু-সংক্ৰান্তি, গোসাঁনী পাতত উঠালে, পৰিয়ালত কোনো ব্যক্তিৰ মৃত্যু হ'লে ঘৰত কাৰোবাৰ বসন্ত ওলালে ঢেঁকী দিব নাপায়। ইয়াৰ উপৰিও খৰাং বতৰত ঢেঁকী ওলোটাকৈ পুতি বৃষ্টি কামনা কৰা নিয়ম অসমৰ কোনো কোনো ঠাইত প্ৰচলিত।

ঢেঁকীশালৰ ব্যৱহাৰ হৈছে অসমীয়া মহিলাৰ কৰ্মপটুতাৰ চানেকি। ইয়াৰ উপৰিও চিকিৎসা বিজ্ঞানৰ ফালৰ পৰাও ঢেঁকীত বনা চাউলৰ ভাত খোৱাটো স্বাস্থ্যসন্মত। ঢেঁকী দিয়া কাৰ্য্যই শৰীৰক মেদহীন কৰি ৰখাত সহায় কৰে। সময়ৰ পৰিৱৰ্তনৰ লগে লগে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উত্তৰণৰ লগে লগে পৰিৱৰ্তন হৈছে মানুহৰ জীৱন নিৰ্বাহ প্ৰণালী আৰু খাদ্যাভ্যাস। চাউল, জা-জলপান, পিঠাগুৰি, হালধিগুৰি, খাৰলি, খৰিচা ইত্যাদি বিভিন্ন দ্ৰব্য প্ৰস্তুত কৰা ঢেঁকীটোৰ স্থান বৰ্তমানে লৈছে বিদ্যুৎ ডিজেল চালিত কলসমূহে আৰু যন্ত্ৰই, যাৰ ফলত গাঁৱে-ভূঞে, নগৰে-চহৰে ঢেঁকীৰ ব্যৱহাৰ কমি আহিছে। কিন্তু, অসমীয়া জনসমাজত অক্ষুন্ন হৈ থকা ঢেঁকীৰ একক আৰু অনন্য গুৰুত্বৰ বাবে এতিয়াও ঢেঁকীৰ ব্যৱহাৰ হৈ আছে।

আশাৰ খবৰ এয়া যে আধুনিক জীৱন শৈলীৰ লগত খাপ খোৱাকৈ আৰু বৰ্তমান সময়ত নিৰ্মিত গৃহ সমূহত ব্যৱহাৰ কৰিব পৰাকৈ অসমৰ কিছু উদ্যোগী ব্যক্তিয়ে সৰু আকৃতিৰ আৰু লৰ চৰ কৰিব পৰাকৈ অসমৰ পৰম্পৰাগত ঢেঁকীৰ আৰ্হিত সৰু ঢেঁকী প্ৰস্তুত কৰি উলিয়াইছে আৰু অসমৰ বিশেষকৈ নগৰাঞ্চলত ইয়াৰ যথেষ্ট চাহিদা দেখা গৈছে। অৱশ্যে অসমৰ গ্ৰাম্যাঞ্চলত পৰম্পৰাগত ঢেঁকীৰ ব্যৱহাৰ এতিয়াও হৈ আছে।

ঢেঁকী অসমৰ থলুৱা প্ৰযুক্তিৰ অনন্য চানেকি। ঢেঁকীৰ বৈশিষ্ট্যসমূহ হৈছে-

(ক) ঢেঁকীৰ ব্যৱহাৰৰ কাৰণে বেলেগকৈ অৰ্থৰ প্ৰয়োজন নাই।

(খ) ঢেঁকী প্ৰস্তুত কৰিবলৈ অসমৰ থলুৱা প্ৰযুক্তিয়েই যথেষ্ট বা কোনো বিশেষভাৱে প্ৰশিক্ষিত ব্যক্তিৰ দৰকাৰ নাই।

(গ) ঢেঁকীৰ ব্যৱহাৰ সকলোস্তৰৰ মহিলাই (সাধাৰণতে মহিলাই বেছি কৰে) কৰিব পাৰে। ইয়াৰ বাবে কোনো প্ৰযুক্তিগত জ্ঞানৰ দৰকাৰ নাই।

(ঘ) ঢেঁকীৰ ব্যৱহাৰৰ কাৰণে কোনো শক্তি বা ইন্ধনৰ প্ৰয়োজন নাই। বৰ্তমান সময়ত এয়া যথেষ্ট তাৎপৰ্য্যপূৰ্ণ।

(ঙ) ঢেঁকীৰ ব্যৱহাৰ যিহেতু নিজৰ ঘৰতেই কৰা হয়। গতিকে বাহিৰৰ আৰ্থ সামাজিক আৰু ৰাজনৈতিক পৰিবেশে ঢেঁকীত খাদ্য প্ৰস্তুতকৰণত সাধাৰণতে বাধাৰ সৃষ্টি নকৰে।

ঢেঁকী অসমীয়া জন সমাজৰ এক স্বকীয় বৈশিষ্ট্য। আশাৰ খবৰ এয়া যে আধুনিক জীৱন শৈলীৰ লগত খাপ খোৱাকৈ আৰু বৰ্তমান সময়ত নিৰ্মিত গৃহ সমূহত ব্যৱহাৰ কৰিব পৰাকৈ অসমৰ কিছু উদ্যোগী ব্যক্তিয়ে সৰু আকৃতিৰ আৰু লৰ চৰ কৰিব পৰাকৈ অসমৰ পৰম্পৰাগত ঢেঁকীৰ আৰ্হিত সৰু ঢেঁকী প্ৰস্তুত কৰি উলিয়াইছে আৰু অসমৰ বিশেষকৈ নগৰাঞ্চলত ইয়াৰ যথেষ্ট চাহিদা দেখা গৈছে। অৱশ্যে অসমৰ গ্ৰাম্যাঞ্চলত পৰম্পৰাগত ঢেঁকীৰ ব্যৱহাৰ এতিয়াও হৈ আছে। বিশ্বায়ণৰ এই যুগত অসমীয়া সংস্কৃতিৰ স্বকীয়তা জীয়াই ৰাখিবলৈ হ'লে অসমৰ থলুৱা প্ৰযুক্তিৰ আপুৰুগীয়া চানেকি ঢেঁকীৰ ব্যৱহাৰ কৰাৰ প্ৰয়োজনীয়তা আছে। অসমৰ নতুন প্ৰজন্মই ঢেঁকীৰ ব্যৱহাৰ জনাৰ লগতে অসমৰ লোককৃষ্টিত ঢেঁকীৰ গুৰুত্বক অক্ষুণ্ণ ৰাখিব বুলি আমি আশাবাদী।

*(বিভিন্ন পুথিৰ পৰা সহায় লৈ লিখা হৈছে)*




# National Emblem of India

- **Rima Rani Baishya**
T.D.C. 5th Sem
Department of English

The national emblem of India is an adaptation of the lion capital atop the Ashoka Pillar of Sarnath, Uttar Pradesh, and is combined with the National Motto "Satyameva Jayate". The lion capital was adopted as the National Emblem of India on January 26, 1950. It was a declaration of the newly acquired Republic status of India. The National Emblem is used for official purpose only and demands sincere respect from the citizens of India. It acts as the official seal for all nation and state government offices and is the compulsory part of any letterhead used by the government. The national Emblem is the symbol of sovereignty for India.

***The lion for the north, the Elephant for the east the Horse for the south and the Bull for the west. In some Buddhist text, all these animals have been referred to as symbols for Buddha himself and may be deduced as him carrying forward the tenets of Dharma. The phrase "Satyamava Jayate' is from a verse of the Mundaka Upanishad that is embedded in the Atharva Veda, one of the four primary Hindu Scriptures.***

***Any person found guilty of such disrespect may face imprisonment upto two years and monetary fine that may go upto five thousand rupees. The four lions stand tall and proclaim the countrys commitment towards peace, justice and tolerance. In its structure the Emblem accentuates of culture, its heritage is seeped into the austere spiritual doctrines of Buddism along deep appreciation for the philosophical canons from the Vedas.***

The ashoka pillar and the lion capital on top of it were built by Emperon Ashoka to mark the spot where Buddha first disseminatid his "Bodhi to disciples. The four lions of the capital joined back to back to symbolize stress on equality and justice in all spheres of life. The four lions are also representative of the four core spiritual philosophies of Buddha since Buddha himself is symbolized as a lion. The three lions visible on the capital's representation in the National Emblem signify strength, courage and confidence. It also signifies constant vigilance over all four directions. The circular wheel in the middle is a form of Buddhist Dharma Chakra and is known as the Ashok Chakra after the emperor who popularized it. The 24 spokes of the chakra represent the number of hours in a-day, and portray the passage of time. The four animals depicted alternatively between the chakra are regarded as the guardians of four directions. The lion for the north, the Elephant for the east the Horse for the south and the Bull for the west. In some Buddhist text, all these animals have been referred to as symbols for Buddha himself and may be deduced as him carrying forward the tenets of Dharma. The phrase "Satyamava Jayate' is from a verse of the Mundaka Upanishad that is embedded in the Atharva Veda, one of the four primary Hindu Scriptures.

The national emblem serves as a source of inspiration to over 1 billion Indians evoking a sense of pride in their hearts. The emblem is the signature of authority of the government of India. State Emblem of India (Prohibition of Improper Use) Act, 2005, prohibits improper use of state Emblem of India for professional and commercial purposes and for matters connected therewith or incidental thereto.

Any person found guilty of such disrespect may face imprisonment upto two years and monetary fine that may go upto five thousand rupees. The four lions stand tall and proclaim the countrys commitment towards peace, justice and tolerance. In its structure the Emblem accentuates of culture, its heritage is seeped into the austere spiritual doctrines of Buddism along deep appreciation for the philosophical canons from the Vedas.

কেৰিয়াৰ



# Career Opportunities in Library & Information Science

- **Dr. Ranjanjyoti Sarmah**
Librarian, TNG Library, Nalbari College

**Library and Information Science** (LIS) is an interdisciplinary field that applies the practices, perspectives, and tools of management, information technology, education, and other areas to libraries; the collection, organization, preservation, and dissemination of information resources; and the political economy of information.

The career in library includes areas like library and information systems management, classification/ cataloguing systems, bibliography, documentation, preservation and conservation of manuscript, collection management, information systems and technology, research methodology, computer applications, reference, statistics and management, information processing, archives management, indexing, library planning, etc.

Library science is constantly evolving, incorporating new topics like database management, information architecture and knowledge management, among others. It is an interesting subject and provides a great opportunity to have the knowledge of wide variety of information sources.

**Objectives of LIS Programme**

1. To provide the students knowledge about basic principles and fundamentals of LIS;
2. To train the learners about various methodology and techniques of librarianship and information handling;
3. To make students understand the purpose and function of the Library/Information center in the changing scenario of the society;
4. To acquaint the learners of the application of different management techniques in managing the Information systems and

services;

5. To familiarize the students with fundamentals and methodology of planning, designing and developing the Library and Information centers and their services at local, national, regional and global level;
6. To make the students aware of application of Information Technology/ICT to LIS;
7. To familiarize the learners about the basic knowledge of the quantitative and qualitative techniques in LIS such as statistical methods, quality management, Informetrics and Scientometrics etc.
8. To provide the students the basic knowledge of preservation and maintenance of the collections in Library/Information Centres, technical writings etc.

**PROGRAMMES IN LIS**

| SL.NO | Name of programmes | Eligibility | Duration |
|---|---|---|---|
| 1. | Certificate in Library & Information Sc. (CLISc)/ Certificate in Library Sc. (CLSc). | Matric/10+2 or equivalent | 3 to 6 Months |
| 2. | Certificate in Information, communication & Technology (ICT) Application in Library (CICTAL) | 10+2 with CLISc/DLSc | 6 Months |
| 3 | Diploma in Library & Information Sc (DLISc)/ Diploma in Library Sc (DLSc) | 10+2 or equivalent | 1 Yr |
| 4 | Bachelor of Library & Information Sc (BLISc)/ Bachelor of Library Sc (BLSc) | Graduation or equivalent | 1 Yr |
| 5 | BLISc/BLSc (LIS as subject at B.A level) | 10+2 or equivalent | 3 Yrs |
| 6 | Post Graduate Diploma in Libaray Automation & Networking (PGDLAN) | BLIS/BLSc | 1 Yr |
| 7 | Master of Library & Information Sc. (MLISc)/ Master of Library Sc. (MLSc) | BLISc/BLSc | 1 Yr |
| 8 | MLISc/MLSc (Integrated Course) | Graduation or equivalent | 2 Yrs |
| 9 | Associateship in Documentation and Information Science (ADIS) [Equivalent to MLISc/MLSc | BLISc/BLSc/ MBBS/BE/PG/ or equivalent | 2 Yrs |
| 10 | Associateship of Information Science (ALS) [Equivalent to MLISc/MLSc] | BLISc/BLSc/ MBBS/BE/PG/ or equivalent | 2 Yrs |
| 11 | MSc (Information Science) [equivalent to MLISc/MLSc] | Graduation/ MBBS/BE/B. Pharma/or equivalent | 2 Yr |
| 12 | Master of Philosophy (M.Phil.) | MLISc/MLSc or equivalent | 1 Yr |
| 13 | Doctor of philosophy ( Ph.D) | Same as above | 2 to 5 Yrs |
| 14. | Doctor of Literature (D. Litt) | Ph.D | |

The libraries being the repositories of knowledge and information, their importance has increased. In this situation, the librarianship has attained the status of a separate discipline. The role of libraries in providing widespread and inclusive access to knowledge is widely acknowledged. In today's context, libraries have to play two distinct roles - to serve as a local centre of information and knowledge, and be a local gateway to national and global knowledge. Some of the issues under consideration of National Knowledge Commission are:

- institutional framework of libraries;
- networking;
- education, training and research;
- modernization and computerization of libraries;
- maintenance of private and personal collections and
- staff requirements to meet changing needs.

This commission has recommended the formation for the National Library Commission to strengthen the Library networks in India.

**Designations in Librarianship**

Trained library professionals can find opportunities for employment both as teacher and as a Librarian. In fact, it is possible to choose the kind of library to suit one's interest and background. In Librarianship, designations could be

1. Library Attendant
2. Library Assistant
3. Semi-Professional Assistant
4. Junior Librarian/Professional Assistant
5. Assistant Librarian
6. Deputy Librarian
7. Librarian/Chief Librarian
8. Researcher/Scientists/Application Specialist
9. Consultant/Reference Librarian
10. Cataloguer/Technical Assistant/Records Manager
11. Director/Head Of Information Centre
12. Senior Information Analyst
13. Junior Information Analyst
14. Senior Library Information Assistant
15. Law Librarian
16. Indexer
17. Information architect
18. Archivist

**Employment opportunities in different Institutions and Organizations**

Librarianship as a profession provides a variety of employment opportunities. Today there are a number of career prospects in Library and Information Science. The qualified professionals are employed in various libraries and information Centers such as

- In School, College, Universities;
- In Central/ State Government Public Libraries.
- In the training centers of banks.
- In National Museum and Archives;
- In NGOs working in different areas.
- In R&D Centre like ICAR, CSIR, DRDO, ICSSR, ICHR, ICMR, ICFRE, etc.
- In Business Houses.
- In Foreign Embassies and High Commissions.
- In International Centers like WHO, UNESCO, UNO, World Bank etc.
- In the libraries of Ministries and other government departments.
- In National Level Documentation Centers.
- In Library Networks.
- In the newspaper libraries.
- In News Channels.
- In the Libraries of Radio Stations.
- In the Databases provider firms.
- In publishing companies for preparing Index, abstracts, bibliographies etc.
- In various digital library projects like 'Digital Library of India' etc.
- In Training Academies.
- In Law Library/ Special Library etc.

**Remuneration**

In the age of information revolution librarianship is a well paid job. However salaries of library professionals vary depending upon their individual qualifications, experience, size and nature

of the hiring institutes. Persons with a superior record and high qualifications can achieve high positions. The salaries in college and university libraries are comparable to those of teachers. Indeed, the salaries of special librarians are high. Librarians employed in government museum, archives, galleries have higher earnings than those in colleges and universities. Librarians working in research institutes and private documentation centres also have handsome earnings.

**Some of the Major Institutions offering Courses in Library Science**

Mostly all Indian universities offer different courses in Library & Information Science. National Institute of Science Communication and Information Resource (NISCAIR) New Delhi and Documentation Research & Training Centre (DRTC) Bengaluru are two prime institute offering Library and Information Science courses.



Universities offering different Courses in Library & Information Science in North East India are as follows:

**In Regular Mode**:

- Arunachal University of Studies, Namsai(www.arunachaluniversity.ac.in/)
- Assam University, Silchar (www.aus.ac.in/)
- Dibrugarh University, Dibrugarh(www.dibru.ac.in/)
- Gauhati University, Guwahati (www.gauhati.ac.in/)
- Manipur University, Imphal (www.manipuruniv.ac.in/)
- Mizoram University, Izwal(www.mzu.edu.in/)
- North Eastern Hill University, Shillong (www.nehu.ac.in/)
- Down Town University , Panikhaiti,Assam (www.adtu.in/)
- University of Science &Technology Meghalaya,(www.ustm.ac.in)

**In Distance Mode:**

1. Indira Gandhi National Open University, www.ignou.ac.in
2. Krishna Kanta Handiqui State Open University, www.kkhsou.in

***References***


1. Library Science Career Scope| Career in library Sc. (n.d.). Retrieved from https://www.successcds.net/Career/Library-Science.html
2. Https://www.careers360.com. (2013, July 23). Libarary & Information Science. Retrieved from https://www.careers360.com/articles/5673-Career-review_Library-information-Science
3. S.Singh, O. S. (2016, February 19). CAREER OPPORTUNITIES IN LIBRARY & INFORMATION SCIENCE. *Employment News*. Retrieved from http://employmentnews.gov.in/CAREER_NFORMATION_SCIENCE.asp



# Career Options after Graduation

- **Ranjan K Baruah**
Career Consultant

Most of our students are confused after passing graduation level examination. Lack of information and awareness on job options and opportunities and absence of effective campus placement brings more confusion amongst graduates in the state. Most of our students do not have career planning for which they are more frustrated after graduation. Few students take admission in post graduate or post graduate diploma and go for further studies however many students quite after graduation as they search for jobs or employment opportunities.

We are aware that selecting a good career has been a challenge for many. But with proper planning and necessary information we could choose or select the best career options for us. It's important to choose our career from an early age and the best to choose the professional courses or regular education comes after we pass senior secondary examination. Students who are in graduation level or recent graduate may opt for higher studies or professional courses or may appear in various entrance examinations. Some of the entrance examinations and opportunities after graduation are as follows:

**Defence Entrance:** Students can appear Combined Defence Service Examination after passing graduation. Students from any stream can appear for the CDS examination. For Air Force or Navy students must have physics and maths in passing examination. Students from Arts and Commerce can opt for Army only. This exam in conducted by Union Public Service Commission. Even doctors or engineers may also appear in CDS exam for joining in defence forces. There are special entries for women in defence forces. Apart from CDSE, there are other exams or selection process like University Entry Schemes, AFCAT, etc.

**Civil Service Examination** – Union Public Service Commission conducts civil service examination for various posts depending upon vacancies. Through civil service examination aspirants may join IAS, IFS, IPS, IRS, etc. Apart from civil service UPSC conducts many other examinations for filling up vacancies in various departments of the country.

In the state of Assam, Assam Public Service Commission conducts various examinations for ACS, APS, etc. Apart from these there are many other exams being conducted by APSC.

**Para Military Forces:** Para Military Forces (PMF) in India includes Central Reserve Police Force, Border Security Force, Central Industrial Security Force, Sashatra Seema Bal, Assam Rifles, Indo Tibetan Border Police, etc.

The Paramilitary Forces of India are these

agencies that help the law enforcement agencies and the Indian Armed Forces in their operations. It has over a million personnel active in its service. PMF is regarded as the world's second largest paramilitary organization (second only to the Chinese People's Armed Forces) and its head officers and other senior officers being members of Indian Police Service (IPS).

**Public Sector Units (PSUs)**

PSU are a government owned corporations, state-owned companies, state enterprises, publicly-owned corporations or government business enterprises. Public Sector Enterprises (like NTPC, ONGC, IOCL, OIL, etc), an aspirant is required to have good technical knowledge, apt general apt and reasoning and a pleasing personality. PSUs recruit through individual entrance Examinations having technical and non technical questions.

**WSES:**

In 1992, an important landmark in the history of Indian Army was the induction of women into the officer cadre, and the onerous task of training them was undertaken by the Officers Training Academy. We could see woman in army as officers and also as doctors, lawyers, nurses. There are also women officers in technical side. Mostly unmarried woman are seen in technical, non technical and the time of serving is limited. The Woman Special Entry Scheme for officers offers non-technical, technical and specialist entry for females.

**Films and Drama:**

Students who are interested in dram and films may try for various courses available in National School of Drama (www.nsd.gov.in) in New Delhi or Film and Television Institute of India (www.ftiindia.com)in Pune .

**Management:**

Students from any stream can opt for courses in MBA or other management courses. For admission in the reputed institute of the country aspirant must appear in Common Admission Test / Management Aptitude Test, etc. Some of the universities conducts separate entrance test for admission. (www.iimcat.ac.in or www.aima.in—All India Management Association)

**Hospitality Courses:**

Interested students can opt for some courses in hospitality sector which courses in travel and tourism, hotel management, etc. Students should be good in communication skill apart from other required soft skills. This is one of the booming areas where aspirants may get global exposure and if they have the skills then many of them may work abroad apart from different parts of the country.

**CS/CA:**

After graduation one can enter into professional courses like CS/ CA. Such courses are offered by several institutes in India. After completion of courses one can work in public and private sectors bank, industries, MNCs, corporate houses, media houses and with many more organizations. These professional are highly required in the cut throat competitive economy thus their remuneration is very high.

**Mass Communication/Journalism/ Advertising:**

Proliferation of media houses has opened up many opportunities for graduates who opt for Mass communication and Journalism. One can work as correspondent, reporter, anchor, columnist and radio jockey in print/electronics/web media houses. Advertising is also a promising career option to graduates. Courses in Mass communication/ Journalism/Advertising are offered by several universities and private institutes.

**Fashion and Design:**

Students who are creative may join fashion and design fields. There are short term and long term courses related to fashion and design. Fashion includes interior designing, fashion designing, etc.

**Railway Service:**

There are different entries into railways. Those who want to make a career in Indian railways need to pass the Civil Services Examination, conducted by UPSC or an allied examination by the Railways Recruitment Boards (RRBs). These examinations

are held from time to time to select a wide variety of personnel. There are gazetted post and non gazetted post. Mostly the top posts are selected through UPSC's Examination. The minimum eligibility required for the Group A services is graduation in any discipline or an equivalent qualification as per requirements. Railway Recruitment Boards (RRBs) make appointments to various services posts. RRBs also recruit teachers, physical instructors, doctors in various departments, nurses and paramedical personnel through countrywide written tests.

**Banking & Finance:**

There are different options of joining in banking service. Nationalised banks conduct competitive examination like Bank PO for recruitment. . Banking and Finance offers graduates jobs in public and private sector banks, insurance companies and stock exchanges. The awaiting jobs for graduates in this sector includes Probationary Officer, Clerk, Accountant, Auditor, Development Officer, insurance agent and stock brokers. Through competitive exams one can enter into bank's jobs. Apart from nationalised banks there are other banks which induct aspirants into their job. (www.ibps.in or www.ibpsexam.org —Institute of Banking Personnel Selection)

**Some of the important websites are :**

Indian army - www.indianarmy.nic.in

Indian navy - www.indiannavy.nic.in or www.nausena-bharti.nic.in

Indian Air Force - www.careerinairforce.nic.in

Staff Selection Commission - www.ssc.nic.in

BSF - www.bsf.nic.in

CRPF - www.crpf.nic.in

ITBP - www.itbpolice.nic.in

SSB -www.ssb.nic.in

CISF - www.cisf.nic.in

Assam Rifles - www.assamrifles.gov.in

For various competitive examination – www.upsc.gov.in

Advertisements for various examinations and jobs- www.employmentnews.gov.in

**Entrepreneurship:**

Entrepreneurship is the process of designing, launching and running a new business, which is often initially a small business. The people who create these businesses are called entrepreneurs. Entrepreneurship has been described as the "capacity and willingness to develop, organize and manage a business venture along with any of its risks in order to make a profit". Students may become entrepreneurs after they pass graduation for which they need exposure and training. There are institutes that provide various trainings for the students of Assam like Indian Institute of Entrepreneurship based at Guwahati.

There is no shadow of doubt that one of the common words in our country is employment. It may be employment or unemployment, both words are used. Students use it because they are aspiring to get jobs or employment. Mostly people would blame that the reason of India's poverty is due to unemployment. The most important concern of our students if they are in colleges and universities is their worry of getting a job or placement. Some will make it to government sectors but many will be struggling with private jobs or business venture. There are differences in jobs in case of male or female. In Assam or in our North Eastern region, many students are fond of getting government jobs. We are aware that fewer aspirants will be getting into government sector but in spite of that majority want to get a job in government sector. Last but not least I would appeal and request all students who are reading this article to develop employability skills as mere qualification is not enough for a sustainable job. We must focus on required skills and develop them so that we become employable after our graduation or post graduation.

*(Ranjan K Baruah is a social entrepreneur and career mentor who has conducted career awareness programme in different parts of Assam and North East and can be reached at bkranjan@gmail.com or 8473943734 for any career related queries )*

# সাক্ষাৎগ্ৰহণ





# সাহিত্য অকাডেমী বঁটা প্ৰাপক ড° নগেন শইকীয়াৰ সৈতে অন্তৰংগ আলাপ

**সাক্ষাৎগ্ৰহণকাৰী ক্ৰমে ঃ প্ৰণৱ শৰ্মা, ৰূপজ্যোতি শৰ্মা**

**অ**সমীয়া সাহিত্যক তত্ত্বগধুৰ লেখা আৰু চিন্তাৰ যোগেদি নব্য নতুন মাত্ৰা প্ৰদান কৰাৰ লগতে সাহিত্য অকাডেমী বঁটাৰে সন্মানিত এক বহল ব্যক্তিত্ব। ১৯৮৬-১৯৯২ চনলৈ ৰাজ্যসভাৰ সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ লগতে তেখেতে ১৯৯০-১৯৯২ চনৰ সময়ছোৱাত ৰাজ্যসভাৰ উপাধ্যক্ষ হিচাপে সেৱা আগবঢ়ায়। 'নতুন দৈনিক', 'আমাৰ অসম' আদি কাকতত কাৰ্যনিৰ্বাহ কৰা এইগৰাকী সাহিত্যিকে ১৯৯৭ চনত চুটি গল্প সংকলন 'আন্ধাৰত নিজৰ মুখ'ৰ বাবে 'সাহিত্য অকাডেমী বঁটা' লাভ কৰে। তেখেতৰ উল্লেখযোগ্য গ্ৰন্থৰাজিৰ ভিতৰত 'কুবেৰ হাতীবৰুৱা (১৯৬৭)', 'বন্ধ কোঠাত ধুমুহা (১৯৭১)', 'মাটিৰ চাকিৰ জুই (১৯৭৬)', 'অপাৰ্থিৰ পাৰ্থিৱ (১৯৮২)', 'আমেৰিকাত দহদিন (১৯৮৮)', 'ধূলিৰ ধেমালি (২০০২)', 'মিত-ভাষ (১৯৯৫)', 'স্মৃতি বিষাদ (১৯৯৭)' ইত্যাদি অসমীয়া সাহিত্যত অন্যতম সংযোজন। এক অন্তৰংগ বৈঠকত আমি তেখেতক সাহিত্য, সমাজ সমন্বিতে সুধি গৈছিলো বিভিন্ন কথা আৰু তেখেতে আমাক আপ্লুত কৰিছিল গভীৰ ভাৱনা আৰু ভৱিষ্যদৰ্শী চিন্তাধাৰাৰে। — **সম্পাদনা সমিতি**

প্ৰশ্ন ঃ আপোনাৰ সাধনালব্ধ জীৱনৰ প্ৰেৰণাৰ মূল উঁহটো কি?

উত্তৰ ঃ নিজৰ ভাষা, নিজৰ জাতি, নিজৰ সংস্কৃতিক ভাল পাব পাৰিলে তাৰ পৰাই প্ৰেৰণাৰ উদ্ভৱ হয়। মোৰ নিজৰ জীৱনটোত যি উপলব্ধি হৈ আহিছে, সেই উপলব্ধিয়ে মোক প্ৰেৰণাদান কৰি আহিছে।

প্ৰশ্ন ঃ 'মিতভাষ'ৰ আঁৰৰ কথাখিনি জনাবচোন।

উত্তৰ ঃ মিতভাষৰ বিষয়ে আগতে বহুতে সোধোতেই মই কৈছোঁৱেই যে মানুহৰ ভিতৰত বহু সময়ত যিবোৰ অনুভৱ হয়, সেই অনুভৱবোৰে যেতিয়া মনত খুন্দিয়াই থাকে, তেতিয়াই সেইবোৰ প্ৰকাশ কৰিবৰ মন যায়। মিত ভাষৰ যিবোৰ বিষয়ে মোক খুন্দিয়াই থাকে তাক মই দুটা ভাগত ভগাব খোজো। মূলতঃ মোৰ জীৱন সম্পৰ্কে যিটো ভাব যে এই গোটেই বিশ্বব্ৰহ্মাণ্ডখনত যিখন অসীম অনন্ত বুলি কওঁ, আমি কল্পনাও কৰিব নোৱাৰো সময় আৰু মহাশূণ্য কিম্বা তাত মোৰ অস্তিত্বটো ক'ত আছে? মোৰটো অস্তিত্বই নাই। আচলতে কোনো মানুহৰেই অস্তিত্ব নাথাকে ব্যক্তিগতভাৱে। আমি কিমান সময়ৰ কাৰণে আহিছোঁ, অনন্ত সময়ৰ বুকুত কিমান দিনলৈ থাকিম? কিন্তু আনহাতেদি আমি যিটো জীৱন পালোঁ, এই তেজ-মঙহৰ শৰীৰ পালো, এই শৰীৰটোৰেই জীৱনটো ধৰি ৰখাৰ কাৰণে আমি পাইছো। এই শৰীৰটোৰ যিবোৰ ৰাগ-অনুৰাগ, সুখ-দুখ, আনন্দ-বিষাদ আছে, এইবোৰক আমি কেনেকৈ পৰিত্যাগ কৰিম? এই দুটাৰ এটাই আমাক নিজৰ জীৱনৰ ক্ষুদ্ৰত্ব অনুভৱ কৰিবলৈ শিকায় আৰু আনটোৱে আমাৰ জীৱনৰ যিবিলাক মানসিক আৰু ব্যৱহাৰিক জীৱনৰ অভিজ্ঞতা সেইবোৰে আমাৰ মনত আনন্দ আৰু বিষাদ দুয়োটা দান কৰে। কিন্তু সৰ্বশেষত মই বুজিছো যে জীৱনৰ মূল সুৰটোৱেই দুখৰ সুৰ, এইটোৱেই বিভিন্ন সময়ত যেতিয়া মোৰ মনৰ মাজত খেলা কৰে তাক টুকি ৰাখিব খোজো। মিত-ভাষ মানে হৈছে খুব কম কথাৰে কোৱা ভাষা।

প্ৰশ্ন ঃ এগৰাকী লেখক, শিক্ষাবিদ, চিন্তাশীল ব্যক্তি, তথা এগৰাকী সমাজহিতৈষী ব্যক্তি হিচাপে আপোনাক গঢ়দিয়াত কেনে পৰিৱেশ বা কোনবোৰ মানুহে আপোনাক সহায় কৰিছে?

উত্তৰ ঃ মোৰ দেউতা এগৰাকী শিক্ষক আছিল। আমাৰ ঘৰতে এটা পুথিভঁৰাল আছিল। মই পৰৱৰ্ত্তী সময়ত অনুভৱ কৰিছো সেই যে কিতাপৰ লগত মোৰ সংস্পৰ্শ মোৰ জন্ম হোৱাৰ পিছৰ পৰাই হ'ল সিয়ে মোক কিতাপৰ ওচৰ চপাই আনিলে। তদুপৰি মই সৰু থাকোতে, দ্বিতীয় তৃতীয় শ্ৰেণীমানত পঢ়ি থাকোতেই, গাঁৱৰ মানুহবিলাক গোট খাই কেতিয়াবা কীৰ্ত্তন, ভাগৱত, ৰামায়ণ এইবোৰ পঢ়ে কিছুসময়ৰ কাৰণে আৰু কেতিয়াবা মোকে পঢ়িবলৈ লগাই দিয়ে। গতিকে মই তেনেকৈও পুৰণি কিতাপবোৰৰ ওচৰ চাপিছিলো। তৃতীয়তে, আমাৰ ঘৰলৈ দেউতাই কলিকতাৰ পৰা কিতাপ মগাই আনিছিল। তেনেকৈ কিতাপ মগাই আনোতে মগোৱা কিতাপখিনিৰ লগত কিছুমান সৰু সৰু কিতাপ পঠাই দিছিল। তেনেকৈয়ে মোৰ সেই সময়ৰ পৰাই বঙালী কিতাপ পঢ়াৰ অভ্যাস হ'ল। তাৰোপৰি দেউতাৰ আলমাৰিত থকা সৰু সৰু যিবোৰ কিতাপ, তাৰ ভিতৰত পাঠ্যপুথিও আছে, সেইবোৰ মই পঢ়িবলৈ লওঁ। আনকি চন্দ্ৰকুমাৰ আগৰৱালাৰ 'প্ৰতিমা'খনো মই তেতিয়াই পঢ়িছিলো। বুজো-নুবুজো কথা নাই এনেই পঢ়ি যাওঁ। মই দ্বিতীয় শ্ৰেণীত থাকোতেই দণ্ডীনাথ কলিতাৰ 'ফুল'খন পঢ়িছিলো। গতিকে এনেকৈ পঢ়াৰ লগত মোৰ এটা সম্পৰ্ক স্থাপিত হ'ল আৰু পৰৱৰ্ত্তীকালত মোৰ জীৱনত এনেকুৱা ভাৱ হৈছিল যে দেউতা শিক্ষক গতিকে মইয়ো শিক্ষকতা কৰাই ভাল। কাৰণ আমাৰ দিনত স্কুলৰ শিক্ষকসকলেই আদৰ্শ নায়কস্বৰূপ আছিল। গতিকে শিক্ষক হোৱাৰ প্ৰবৃত্তি এটা ভিতৰত সোমাই আছিল আৰু স্কুলত পঢ়ি থাকোতেই মই আন কেইখনমান কিতাপ পঢ়িছিলো। তাৰ ভিতৰত এখন হ'ল গুণাভিৰাম বৰুৱাই লিখা আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিতখন আৰু আমাৰ ঘৰত দেৱেন্দ্ৰনাথ বেজবৰুৱাই লিখা অসমীয়া ভাষা-সাহিত্যৰ বুৰঞ্জীখনো আছিল ১৯৩০ চনৰ প্ৰকাশটি। গতিকে সেইবিলাক মই তেতিয়াই খুটিয়াই খুটিয়াই পঢ়িছিলো আৰু দেখিছিলো যে অসমীয়া ভাষাটো এসময়ত বৰ বিপদৰ সম্মুখীন হৈছিলগৈ। তাৰোপৰি আমাৰ ঘৰত তেতিয়া অসমীয়া সাদিন আনিছিল। অসমীয়া সাদিনত অসম সাহিত্য সভাৰ অধিৱেশন হ'লে চমুকৈ বিৱৰণী ওলায় সেই বিৱৰণেই সাহিত্য সভাৰ প্ৰতি মোৰ আকৰ্ষণ বঢ়াই তুলিছিল।

প্ৰশ্ন ঃ অসমীয়া সাহিত্যলৈ এক সংকট অহা বুলি এক প্ৰশ্ন উত্থাপিত হৈছে। আপুনি এই সংকট অহা বুলি ভাবেনে?

উত্তৰ ঃ মই ভাবো যে পৰিৱৰ্ত্তন ঘটিবই। কোনো বস্তু একেদৰে নাথাকে। পৰিৱৰ্ত্তন আহিবই আৰু পৰিৱৰ্ত্তনত ভাল আৰু বেয়া দুয়োটাই থাকিব। গতিকে আমি এটা কথা মনত ৰাখিব লাগিব যে ভালখিনি ৰৈ যাব, বেয়াখিনি সময়ে উটুৱাই লৈ গুচি যাব। গতিকে সংকট বুলি আমি যি ভাবিছো, সেই সংকটক লৈ আমি খুব চিন্তিত হ'ব নালাগে। যিসকলে লিখি আছে খুব ভালকৈ লিখি থাকিলেই হ'ল আৰু মানুহক আৰু দেশক ভাল পাব শিকিলে প্ৰেৰণাৰ উৎসৰ কোনো অভাৱ নঘটে। এনেয়ে সাহিত্যিক হওঁ বুলি কোনোৰে সাহিত্যিক হ'ব নোৱাৰে, ক'ৰবাত কিবা এটা আকৰ্ষণ বিন্দু থাকিব লাগিব নিজৰ জীৱনত যে মই মানুহক ভাল পাওঁ; মানুহৰ দুখ সহ্য কৰিব নোৱাৰো, দেশখনক ভাল পাওঁ, দেশৰ দুখ সহ্য কৰিব নোৱাৰোঁ' এই সংবেদনশীল মনটোৰ প্ৰয়োজন। পৰিৱৰ্ত্তন আহিবই। এতিয়াটো আমি মধ্যযুগৰ ভাষাৰ দৰে কবিতা নিলিখো। আনকি ৰোমান্টিক যুগত যতীন্দ্ৰনাথ দুৱৰাই যেনেকৈ কবিতা লিখিছিল আজিৰ আধুনিক কবিসকলে তেনেকৈ কবিতা নিলিখে।

প্ৰশ্ন ঃ উচ্চ শিক্ষাৰ সংকট আৰু সম্ভাৱনা সম্পৰ্কে আপোনাৰ মতামত।

উত্তৰ ঃ উচ্চ শিক্ষাৰ ক্ষেত্ৰত এটা কথায়েই মই সদায় অনুভৱ কৰো যে আমি বহু সময়ত বিষয় জানিছোঁ, বিভিন্ন বিষয়ত আমি অধ্যয়নো কৰিছোঁ কিন্তু বিষয়ৰ লগত মানুহৰ, সমাজৰ যিটো সম্পৰ্ক সেই সম্পৰ্কটো আমি বিচাৰ নকৰো। আমি শিকো কেৱল পৰীক্ষা পাছ কৰিবলৈ। মই যদি বুৰঞ্জী পৰিছোঁ, সেই বুৰঞ্জী অকল জানিবৰ কাৰণেই নহয় মোৰ অতীতটোক, মানুহৰ অতীতটোক, দেশখনৰ অতীতটোক জানিবৰ কাৰণে আৰু ভৱিষ্যতটোত আমি তাৰ যোগেদি অতীতত কৰা ভুলৰ পৰা সতৰ্ক হ'বৰ নিমিত্তে। গতিকে আমাৰ প্ৰত্যেকটো অধ্যয়নৰ গুৰিত যদি সেই ভাবটো আনি ল'ব পাৰো যে ইয়াৰ সামাজিক মানৱিক কি প্ৰয়োজন, তেন্তে মই ভাবো যে সংকট কেতিয়াও নহয়। কিন্তু এতিয়া আমাৰ গোটেই পৰীক্ষা পদ্ধতিটোৱেই হৈছে অৰ্থোপাৰ্জনকেন্দ্ৰিক। আমি তাৰ পৰা নিজক বচাই ৰাখিব পাৰিব লাগিব। অৱশেষত আমি দেখিছোঁ যে যিসকলে ভাল কাম কৰিছে সমাজৰ কাৰণে, দেশৰ কাৰণে তেওঁলোকেই জাতিটোক, মানুহৰ সমাজখনক জীয়াই ৰাখিব।

প্ৰশ্ন ঃ এটা জাতিৰ জাতীয় চেতনা কেনে হোৱা উচিত?

উত্তৰ ঃ জাতীয় চেতনা শব্দটোৱে সামৰিছে সকলো। জাতীয় চেতনা সদায় উৰ্দ্ধমুখী হ'ব লাগিব। জাতীয় চেতনাই আমাক পিছলৈ ঘূৰি যাবলৈ ক'ব নালাগে। আমাৰ পূৰ্বপুৰুষ এনেকুৱা আছিল, আমি তালৈ ঘূৰি যাম– সেইটো হ'ব নালাগে। আমি মানুহৰ ক্ৰমবিকশিত সভ্যতাৰ লগত খোজ মিলাই যাবই লাগিব। কিন্তু আমি আমাৰ জাতীয় জীৱনৰ যিটো মূল ভেটি সেইটো এৰিব নালাগিব। মই ক'ম যে আমাৰ জাতীয় জীৱনৰ মূল ভেটিটো আমাৰ সংস্কৃতিয়ে ধৰি ৰাখিছে। সেই সংস্কৃতিও সলনি হৈ গৈ থাকিব, কিন্তু তাৰ মূল ভাবৰ যিডাল শিপা সেই শিপাডাল যদি আমি চিনি পাব পাৰো আমাৰ একো অসুবিধা নহয়। আগৰ মানুহে ধুতী-পাঞ্জাবী পিন্ধিছিল, এতিয়া আমি লংপেন্ট পিন্ধো। গতিকে এইটো পৰিৱৰ্ত্তন হ'বই। এয়া স্বাভাৱিক পৰিৱৰ্ত্তন। কিন্তু মই যদি লংপেন্ট পিন্ধি গৈ নামঘৰত সোমাও বা কোনোবা ল'ৰাই যদি লংপেন্ট পিন্ধিয়েই বিয়া কৰাব যায়, সেইটো আমি ভাল বুলি ভাবিমনে? নেভাবো।আমাৰ পুৰণি যিবোৰ মূল্যবোধৰ শিক্ষা আছে যিয়ে আমাক পিতৃ-মাতৃ গুৰুজনাক শ্ৰদ্ধা ভক্তি কৰিবলৈ শিকায় সেইবোৰ নতুন সমাজ হ'লেও আমি ৰক্ষা কৰিব পাৰিব লাগিব। গতিকে জাতীয় চেতনা সেইটোৱেই হোৱা উচিত। সংস্কৃতিৰ পৰা আমি যিটো ভাল শিক্ষা পাইছো সেইবোৰ আমাৰ জীৱনত প্ৰয়োগ কৰিব পাৰিলে কেতিয়াও জাতীয় সংকটৰ সৃষ্টি নহয়।

প্ৰশ্ন ঃ নতুনকৈ লিখিবলৈ লোৱা সাহিত্যৰ ন-শিকাৰু সকলৰ প্ৰতি আপোনাৰ ব্যক্তব্য কি?

উত্তৰ ঃ মই সদায় এটা কথা কৈ আহিছো যে মানুহৰ প্ৰতি ভালপোৱা ভাবেই হ'ল সকলো কামৰ উৎস। বিদ্বেষেৰে, ঘৃণাৰে কেতিয়াও সাহিত্য ৰচনা হ'ব নোৱাৰে। প্ৰেমেৰেই সাহিত্য ৰচিত নহয়। সেই প্ৰেম মানুহ নিৰ্বিশেষে। আমি দেখিছো যে মানুহৰ বাহিৰটো বেলেগ, কিন্তু মানুহৰ ভিতৰটো সকলোৰে একে। আমাৰ নটা স্থায়ী ভাব আছে- অনুৰাগ, উৎসাহ, সমহাস্য, বিস্ময়, ক্ৰোধ, শোক, ঘৃণা এই ভাৱকেইটাৰ ধৰ্মভেদে, জাতিভেদে, দেশভেদে কিবা প্ৰভেদ আছে জানো? নাই। গতিকে আমি বাহিৰৰ মানুহটো বেলেগ, কিন্তু ভিতৰৰ মানুহটো এটা, সমগ্ৰ বিশ্বত। গতিকে আমি সেই ভিতৰৰ মানুহটোক যদি চিনি পাব পাৰো, ভাল পাব পাৰো তেন্তে কোনো সংঘাত নাহে। আমি সুন্দৰকৈ চলি থাকিব পাৰিম।




**সাক্ষাৎগ্ৰহণকাৰী ক্ৰমে ঃ প্ৰণৱ শৰ্মা, দেৱাশীষ দত্ত, মানস জ্যোতি তালুকদাৰ**

*"লুইতৰ হেঙুল মোহনাত*
*বনবিৰিখৰ গীত জুৰে কোনে?*
*ইউকেলিপ্টাছৰ গুৰিত প্ৰশান্ত উকিত*
*শুই পৰা মানুহজন।*
*জালুকবাৰীত আবতৰীয়া কৃষ্ণচূড়া ফুলিলে*
*সান্ধ্যসোণাৰুৰ ৰং সানে কোনে?*
*ইউকেলিপ্টাছৰ নিঃসংগ নিচাত ডুবা মানুহজন।"*

গুৱাহাটী মহানগৰীৰ নিত্যব্যস্ত আৰু কোলাহলপূৰ্ণ জন অৰণ্যত আমি বিচাৰি গৈছিলো তেওঁক। এটা কথা অনুভৱ কৰিছিলো বাৰুকৈয়ে- ৰাতিৰ বুকুত উজ্বলি থকা জোন যেন তেওঁ। মাজে মাজে ডাৱৰৰ আঁৰত লুকা-ভাকু খেলে, কিন্তু যেতিয়াই দেখা দিয়ে সেইদিনাই পূৰ্ণিমাৰ পোহৰেৰে উজ্বলাই তোলে। খাৰঘুলিৰ নিঃশব্দ প্ৰকৃতিৰ বুকুত বহিছিলো তেওঁৰ সৈতে, প্ৰশ্ন কৰি গৈছিলো– তেওঁৰ অনুভৱ সমাজ আৰু জীৱন অভিমুখে। উত্তৰ দি গৈছিল তেওঁ স্বভাৱসুলভ ভাষাৰে, একান্ত ব্যক্তিগত চিন্তাৰে। **—সম্পাদনা সমিতি**

প্ৰশ্ন ঃ সমগ্ৰ অসমে জুবিন গাৰ্গক বিভিন্ন ৰূপত দেখিছে– কণ্ঠশিল্পী জুবিন গাৰ্গ, অভিনেতা জুবিন গাৰ্গ, কবি গাৰ্গ, চলচ্চিত্ৰ পৰিচালক জুবিন গাৰ্গ, খেলুৱৈ জুবিন গাৰ্গ আৰু সমাজকৰ্মী জুবিন গাৰ্গ। আমাৰ প্ৰশ্নটো হ'ল– জুবিন গাৰ্গে কোনটো ৰূপত সময় অতিবাহিত কৰি অধিক সুখ লাভ কৰে আৰু কিয়?

উত্তৰ ঃ বৰ্তমান মই চলচ্চিত্ৰত অধিক সময় অতিবাহিত কৰি আছো আৰু অনাগত দিনত কেইবাখনো

নতুন চিনেমা বনাবলৈ মন কৰিছোঁ। প্ৰতিটো ৰূপত মই সমানে কাম কৰি যাবলৈ চেষ্টা কৰো আৰু প্ৰতিটো কামকে কৰণীয় বুলি ভাবি সম্পূৰ্ণ কৰিবলৈ যত্ন কৰো। গতিকে বৰ্তমান চিনেমাৰ কাম বেছিকৈ চলিছে, লগতে তাৰ মাজতে সংগীতচৰ্চাও চলি থাকিব।

প্ৰশ্ন ঃ বৰ্তমান বহু সময়ত শুনা গৈছে যে পুৰণি অসমীয়া সংগীততকৈ নতুন অসমীয়া সংগীতৰ মানদণ্ড বহু পৰিমাণে হ্ৰাস পাইছে। এই বিষয়ত আপোনাৰ ভাবধাৰা কেনেকুৱা নাইবা পুৰণি অসমীয়া সংগীত নতুন অসমীয়া সংগীতৰ লগত কি কি ক্ষেত্ৰত পৃথক বুলি আপুনি ভাবে?

উত্তৰ ঃ সংগীতৰ মানদণ্ডৰ ধাৰা বা ষ্টাইলটো সময়ে সময়ে সলনি হয়, এয়া সংগীতৰ স্বভাৱসুলভ পৰিৱৰ্তন। একেধৰণৰ সংগীত চিৰকালৰ বাবে নচলে পৃথিৱীত কোনোদিন। গতিকে সংগীতৰ প্ৰয়োজনীয়তাৰ ভিত্তিত ইয়াৰ মানদণ্ডটো পৃথক হয় আৰু এই পৰিৱৰ্তনটো আমি গ্ৰহণ কৰি আগবাঢ়ি যাব লাগিব। অসমীয়া সংগীতৰ ক্ষেত্ৰত বৰ্তমান সকলোৱে একেটা ধাৰা অনুকৰণ কৰি আছে। একেধৰণৰ সুৰ, একেধৰণৰ সংগীত, একেধৰণৰ ভিডিঅ' চলি আছে, যিটো কিছু হতাশজনক। গতিকে অসমীয়া শিল্পীসকল এই একঘেয়ামী ধাৰাটোৰ পৰা ওলাই আহিব লাগে। মই বৰ্তমান 'মা' এলবামটোৰ কাম কৰি আছো সম্পূৰ্ণ পৃথক সুৰ আৰু সংগীতেৰে। গতিকে 'মা' এলবামৰ গীত শুনিলে মানুহে সেই পৰিৱৰ্তনটো বুজি পাব।

প্ৰশ্ন ঃ আপোনাৰ দৃষ্টিত উঠি অহা প্ৰজন্মৰ এনে তিনিজন যুৱশিল্পী যিয়ে অনাগত দিনত অসমীয়া সংগীতজগতক আগুৱাই নিব পাৰিব বুলি আপুনি ভাবে?

উত্তৰ ঃ বৰ্তমান ভাল গীত গোৱা বহুকেইজন শিল্পী উঠি আহিছে। তথাপি তাৰ ভিতৰত নীল আকাশ, আচুৰ্য বৰপাত্ৰৰ নাম ল'ব পাৰি, লগতে নীলোৎপল বৰায়ো কেইটিমান ভাল ভাল কাম কৰিছে। এতিয়া মন কৰিবলগীয়া কথাটো হ'ল তেওঁলোকে নিজৰ নিজৰ সৃষ্টিৰ মানদণ্ডটো ধৰি ৰাখিব পাৰিব লাগিব, তেতিয়াহে এয়া দীৰ্ঘস্থায়ী হ'ব।

প্ৰশ্ন ঃ হীৰুদাৰ কথাৰে আপোনাৰ এটি গীত– "গানে কি আনে, সুৰৰ সোপানে সোপানে।" গানে আপোনাৰ জীৱনলৈ কি আনিছে?

উত্তৰ ঃ গানে মোৰ জীৱনলৈ সকলোখিনিয়েই আনিছে। জীৱনত এতিয়ালৈকে যিমানখিনি পাইছো গানৰ জৰিয়তে পাইছোঁ। গানত ভালদৰে প্ৰতিষ্ঠা হোৱাৰ ফলতহে আজি মই চলচ্চিত্ৰ জগতত কাম কৰিবলৈ সুযোগ পাইছোঁ, সমাজত নতুন নতুন কাম কৰিব পাৰিছোঁ। গানে মোক সমাজত থিয় দি মানুহৰ হকে কাম কৰিবলৈ শিকাইছে। গতিকে গানে মোক সদায় জীয়াই ৰাখিছে, আৰম্ভণিৰ পৰা এতিয়ালৈকে।

প্ৰশ্ন ঃ বহুসময়ত আপুনি কৈ আহিছে যে আপুনি কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা, ছেঁ গুৱেভাৰাৰ দৰে ব্যক্তিৰ আদৰ্শক যথেষ্টখিনি অনুকৰণ কৰে। অসমৰ যুৱসমাজৰ বাবে এইসকল ব্যক্তিৰ আদৰ্শ কি কি ক্ষেত্ৰত সহায়ক হয় বুলি আপুনি ভাবে?



উত্তৰ ঃ প্ৰথম কথা হ'ল অসমত বহুতে ছেঁ গুৱেভাৰাৰ কথা জানে আৰু বহুতে তেওঁৰ কথা নাজানে। আজিৰ যুৱসমাজে ছেঁ গুৱেভাৰাৰ বিপ্লৱী সত্তাৰ কথা

পঢ়িবলৈ পোৱা নাই। নতুন নতুন ল'ৰা-ছোৱালীয়ে ছ'ছিঅ'লিজমৰ দৃষ্টিভংগীৰে ছেঁ গুৱেভাৰাৰ জীৱন আদৰ্শৰ বিষয়ে পঢ়া উচিত, তেতিয়াহে তেওঁলোকে ছ'ছিঅ'লিজম বা সমাজবাদৰ ধাৰণাটো ভালকৈ বুজি পাব। ঠিক একেদৰে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাও অসমৰ সমাজবাদী মানুহৰ ভিতৰত অন্যতম আছিল। বিষ্ণুপ্ৰসাদ ৰাভা আৰু ছেঁ গুৱেভাৰাৰ জীৱন দৰ্শনৰ যথেষ্টখিনি মিল আছিল। গতিকে অসমৰ যুৱসমাজে দুয়োগৰাকী ব্যক্তিৰ জীৱন সম্পৰ্কে পঢ়া উচিত, তেতিয়া বহুত কথা শিকিব পাৰিব।

প্ৰশ্ন ঃ 'কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেচন'ৰ কাৰ্যকলাপ সম্পৰ্কে জনাব নেকি?

উত্তৰ ঃ 'কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেচন'ৰ জৰিয়তে আমি বিভিন্ন কাম কাজ কৰি আছোঁ, সাধাৰণ মানুহৰ সহায়ৰ হকে বহুত কাম কৰি আহিছোঁ। অহা জানুৱাৰীৰ ১৯-২০ তাৰিখৰ পৰা তেজপুৰত 'কলাগুৰু সংগীত মহোৎসৱ' আয়োজন কৰিম বুলি ভাবি আছো, তাৰ সামগ্ৰিক প্ৰস্তুতি ইতিমধ্যেই আৰম্ভ হৈছে। গতিকে জানুৱাৰীৰ প্ৰথম সপ্তাহৰ পৰা আকৌ কলাগুৰু মহোৎসৱৰ বাবে ব্যস্ত হৈ পৰিম। গতিকে তাৰ বাবে নিজকে প্ৰস্তুত কৰি আছো এতিয়াৰ পৰা। 'কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেচন'ৰ ফালৰ পৰা আগলৈও সমাজত বহু কাম কৰি যাম যিমানখিনি পাৰো।

প্ৰশ্ন ঃ অসম তথা অসমৰ বাহিৰৰ সহস্ৰ অনুৰাগীয়ে আপোনাৰ পৰা বহুখিনি বিচাৰে, কিন্তু আমি জানিব বিচাৰো যে জুবিন গাৰ্গে নিজৰ অনুৰাগীৰ পৰা কি বিচাৰে?

উত্তৰ ঃ প্ৰতিজন অনুৰাগীৰ পৰা পোন প্ৰথমে মই সমৰ্থন বিচাৰো। মোৰ সৃষ্টিৰাজিক যাতে তেওঁলোকে মৰমেৰে আকোঁৱালি লয়, সেয়া সদায়ে বিচাৰো। মই সমাজ আৰু মানুহৰ হকে যিখিনি নতুন নতুন কাম কৰি আছো, প্ৰতিটো কামতে যাতে তেওঁলোকে মোৰ কাষত থিয় হৈ মোক সমৰ্থন আৰু সহযোগিতা কৰি যায় সেইখিনি বিচাৰো। কাৰণ অকলে সকলো কাম কৰি যোৱাটো কোনো মানুহৰ পক্ষে সম্ভৱ নহয়। আমি সকলোৱে একেলগ হৈ নতুন নতুন কাম কৰি যাম।

প্ৰশ্ন ঃ আপোনাৰ দৃষ্টিত এনে কিছুমান কাৰণ যাৰ বাবে এটা সময়ত অসমৰ চলচ্চিত্ৰ উদ্যোগটো প্ৰায় ধ্বংসৰ কবলত পৰিছিল। অসমৰ চলচ্চিত্ৰ উদ্যোগটোক লৈ আপোনাৰ ভৱিষ্যৎ পৰিকল্পনা কেনে ধৰণৰ?

উত্তৰ ঃ বিভিন্ন সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক কাৰণত অসমৰ চলচ্চিত্ৰ উদ্যোগটো কিছু তললৈ নামিছিল। সমাজৰ একোজন দায়িত্বশীল ব্যক্তি হিচাপে আমি উদ্যোগটোক আগুৱাই নিব লাগিব। ব্যক্তিগতভাৱে মোৰ যথেষ্ট পৰিকল্পনা আছে উদ্যোগটোক লৈ। বৰ্তমান আমি নতুন নতুন চিনেমা হল খোলাত অধিক গুৰুত্ব দি আছো, লগতে পুৰণি চিনেমা হলবোৰো খোল খাব লাগিব। ইতিমধ্যে বহুতো সজাগ সচেতন ব্যক্তি আগবাঢ়ি আহিছে এই দিশত। তদুপৰি এই ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা এটি আৰ্থিক অনুদান আগবঢ়াব বুলি প্ৰতিশ্ৰুতি দিছে, গতিকে আমি যথেষ্ট আশাবাদী চলচ্চিত্ৰ উদ্যোগটোক লৈ। তাৰোপৰি ব্যক্তিগতভাৱে অলপ ডাঙৰ স্কেল আৰু বাজেটৰ চিনেমা বনোৱাৰ পৰিকল্পনা মোৰ আছে, 'মিছন চাইনা'ৰ পৰা সেই ধাৰাটোৰ আৰম্ভণি হ'ল। এতিয়া 'কাঞ্চনজংঘা'ৰ কাম আগবাঢ়ি আছে, সেইখনো যথেষ্ট ব্যয়বহুল চিনেমা। তাৰ পিছত আকৌ নতুনকৈ 'বাঘ' নামৰ এখন চিনেমাৰ পৰিকল্পনা কৰি আছো, সেইখনো এখন ভিন্নসুৰী চিনেমা হ'ব। গতিকে চলচ্চিত্ৰৰ জগতখনত নতুন নতুন কাম কৰি যাম। কেৱল পুৰণি চিনেমা হলবিলাক খোল খাব লাগিব আৰু নতুন চিনেমা হল স্থাপন হ'ব লাগিব। মানুহে চিনেমা হ'ললৈ গৈ চিনেমা চোৱাৰ পৰিৱেশটো জন্ম দিব লাগিব নতুনকৈ।

প্ৰশ্ন ঃ 'নাগৰিকত্ব সংশোধনী বিধেয়ক' সম্পৰ্কে আপুনি কি ক'ব বিচাৰে? আপোনাৰ দৃষ্টিত বিধেয়কখন গৃহীত হ'লে অসমৰ জাতীয় জীৱন কেনে ধৰণৰ পৰিস্থিতিৰ সন্মুখীন হ'ব পাৰে? বিধেয়খন গৃহীত হ'লে আপোনাৰ স্থিতি কেনেকুৱা হ'ব?

উত্তৰ ঃ আমি সকলোৱে একেলগ হৈ নাগৰিকত্ব সংশোধনী বিধেয়কখনৰ বিৰোধিতা কৰি আছো। বিধেয়কখনৰ ভিতৰত বহুতো ত্ৰুটি আৰু সমস্যা আছে, যিবিলাক আগতেই বিশ্লেষণ কৰা হৈছে। গতিকে চৰকাৰে শুদ্ধ বিচাৰ-বিবেচনাৰে সিদ্ধান্ত লোৱাটো বিচাৰো। বিধেয়কখন গৃহীত হ'লে অসমৰ সমাজজীৱন বহু পৰিমাণে ক্ষতিগ্ৰস্থ হ'ব আৰু অসমৰ সামাজিক পৰিস্থিতিটো যথেষ্ট বেয়াৰ ফালে ঢাল খাব, যিটো আমি নিবিচাৰো। বিধেয়কখন গৃহীত হ'লেও আমি কোনোদিনে আইনখন গ্ৰহণ কৰিব নোৱাৰো কাৰণ ইয়াত অসম আৰু অসমীয়াৰ স্বাৰ্থ জড়িত হৈ আছে।

প্ৰশ্ন ঃ হীৰুদাৰ কবিতাবোৰৰ ভিতৰত আপোনাৰ প্ৰিয়তম

কবিতা কোনটো আৰু প্ৰিয় হোৱাৰ কাৰণ?

উত্তৰ ঃ নিৰ্দ্দিষ্টকৈ এটা কবিতাৰ নাম ল'বলৈ অসুবিধা হয় কাৰণ হীৰুদাৰ প্ৰায়বোৰ কবিতাই মোৰ প্ৰিয়। হীৰুদাৰ কবিতাৰ যিটো প্ৰকাশভংগী আছিল, যিটো কাব্যিক অনুভৱ আছিল সেইটো অসমৰ আন কোনো কবিৰ নাই বুলি মই ভাবো। সেইবাবেই হয়তো হীৰুদাৰ প্ৰতিটো কবিতাই মানুহৰ মাজত সমানে জনপ্ৰিয় আৰু হীৰুদাৰ কবিতা প্ৰতিজন কবিতাপ্ৰেমীৰ বাবে অনুপ্ৰেৰণাৰ উৎস।

প্ৰশ্ন ঃ আপোনাৰ দৃষ্টিত অসমৰ সেইকেইটা সমস্যা কি কি যিকেইটা সমস্যা সমাধান হ'লে আমি অসমৰ সামগ্ৰিক উন্নয়ন হৈছে বুলি ক'ব পাৰো?

উত্তৰ ঃ বৰ্তমান অসমত অলেখ সমস্যা আছে যিবোৰৰ এটা স্থায়ী সমাধান আমি বিচাৰো। কিছুমান সমস্যা আগৰ পৰা অসমত আছে, কিছুমান সমস্যা নতুনকৈ সৃষ্টি হৈছে। গতিকে সকলোৱে সমস্যাবোৰৰ সমাধানৰ উপায় সম্পৰ্কে চিন্তা-চৰ্চা কৰিব লাগিব। কেৱল চৰকাৰ নহয়, চৰকাৰৰ লগতে অসমৰ জনসাধাৰণ সমস্যা সম্পৰ্কে সজাগ আৰু সচেতন হ'ব লাগিব। গতিকে চৰকাৰক লগত লৈ সাধাৰণ মানুহে সমস্যাবোৰৰ সমাধান সম্পৰ্কে ভবাটো মই বিচাৰো।



প্ৰশ্ন ঃ আপোনাৰ প্ৰতিটো গীতৰ সৃষ্টিৰ আঁৰত একোটা সুকীয়া কাহিনী আছে। এনেকুৱা বিশেষভাৱে স্মৰণীয় গীতৰ আঁৰৰ কাহিনীবোৰ সম্পৰ্কে অলপ ক'ব নেকি?

উত্তৰ ঃ জীৱনত এতিয়ালৈ যিমান সুখ-দুখ, ঘাত-প্ৰতিঘাত পাইছোঁ সেই অনুভৱবোৰ শব্দ আৰু সুৰৰ মাজেৰে প্ৰকাশ কৰিবলৈ যত্ন কৰি আহিছো। সৰুকালৰ পৰা এতিয়ালৈকে এটি দীঘলীয়া সাংস্কৃতিক যাত্ৰা অতিক্ৰম কৰিছো, অসমৰ বিভিন্ন ঠাই ঘুৰিছো, বিভিন্ন মানুহ লগ পাইছো, বিভিন্ন সংস্কৃতি দেখিছো। গতিকে তাৰ পৰা একোটা সৰু সৰু কাহিনীৰ ভিত্তিতেই মোৰ প্ৰতিটো গানৰ সৃষ্টি হৈছে আৰু সেইটো এতিয়াও অবিৰতভাৱে চলি আছে জীৱনত।

প্ৰশ্ন ঃ অসমৰ লোকসংগীতক আগুৱাই নিয়াৰ ক্ষেত্ৰত আপোনাৰ পৰিকল্পনা কেনেধৰণৰ?

উত্তৰ ঃ লোকসংগীতৰ ক্ষেত্ৰত মই ইতিমধ্যেই যথেষ্টখিনি কাম কৰিছো। প্ৰথমৰ পৰা এতিয়ালৈকে মই প্ৰায় সাত হেজাৰ লোকগীত গাইছো। আজিকালি নিৰ্মাতা (Producer)ৰ অভাৱৰ বাবে লোকশিল্পীসকল যথেষ্ট অসুবিধাৰ সন্মুখীন হ'ব লগা হৈছে। লোক সংগীতৰ কাম কৰিবলৈ ইচ্ছা থাকিলেও শিল্পীসকলে নিজেই সকলোখিনি ব্যয়বহন কৰিব লাগিব। লগতে আন এটা অসুবিধা হ'ল আজিকালি বজাৰত চি.ডি. কেছেট নচলা হ'ল। সেইবাবে লোকসংগীতৰ উদ্যোগটো কিছু পিছপৰি ৰৈছে। তথাপি মোৰ ফালৰ পৰা ব্যক্তিগতভাৱে যিমানখিনি পাৰো কাম কৰি যাবলৈ চেষ্টা কৰি আছো, লগতে এটা নতুন লোকগীতৰ এলবাম হাতত লোৱাৰ পৰিকল্পনা কৰি আছো।

প্ৰশ্ন ঃ এগৰাকী শিল্পীক সমাজে কেনেধৰণৰ দৃষ্টিভংগীৰে চোৱাটো আপুনি বিচাৰে? সমাজে এগৰাকী শিল্পীক কি দিয়াটো আপুনি বিচাৰে– সন্মান, সমৰ্থন অথবা জনপ্ৰিয়তা?

উত্তৰ ঃ মই ভাবো এগৰাকী পূৰ্ণাংগ শিল্পী হিচাপে প্ৰতিষ্ঠিত হ'বলৈ সন্মান, সমৰ্থন আৰু জনপ্ৰিয়তা তিনিওতাই মৌলিক প্ৰয়োজন। অসমত এগৰাকী শিল্পীৰ প্ৰতিভাক মানুহে বহু পলমকৈ বুজি পায় বুলি মই অনুভৱ কৰো। কিন্তু কলকাতা, দক্ষিণ ভাৰতত এগৰাকী শিল্পীয়ে সম্পূৰ্ণ মূল্য লাভ কৰে। গতিকে মই ভাবো এগৰাকী শিল্পীৰ প্ৰতিভাৰ প্ৰতি সন্মান জনাই তেওঁক উচিত মূল্য দিব পাৰিব লাগে মানুহ হিচাপে।




# ৰবীন বৰৰ সৈতে অন্তৰংগ আলাপ

**সাক্ষাৎগ্ৰহণকাৰী ক্ৰমে ঃ প্ৰণৱ শৰ্মা, জংকি শৰ্মা**

**জ**ন্মসূত্ৰে অনাঅসমীয়া এজন ব্যক্তি, ৰং তুলিকাৰ জৰিয়তে অসমীয়া সমাজ আৰু সংস্কৃতিক ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত উজ্বলাই তোলাৰে পৰা আৰম্ভ কৰি ব্যতিক্ৰমধৰ্মী চিত্ৰশৈলীৰে সমাজত প্ৰতিষ্ঠা লাভ কৰালৈকে এক অনন্য আৰু অদ্বিতীয় শিল্পযাত্ৰা। উল্লেখযোগ্য যে ২০০৮ চনত ‘জি টি ভি’ৰ দ্বাৰা সম্প্ৰচাৰিত ‘চাব্বাছ ইণ্ডিয়া’ শীৰ্ষক অনুষ্ঠানত অংশগ্ৰহণ কৰি তেখেতে এক মিনিটত পঞ্চাশখন ছবি আঁকি এক অভিলেখ স্থাপন কৰিছিল। একে সময়তে একেলগে দুয়োখন হাত আৰু ভৰিৰে তিনিখন বেলেগ বেলেগ ছবি অঁকাৰ দৰে অদ্বিতীয় প্ৰতিভাৰ শিল্পীগৰাকীয়ে ‘মিৰাক’লাছ ড্ৰয়িং শ্ব’ শীৰ্ষক অনুষ্ঠানত এক ঘন্টাৰ ভিতৰত ১০০ ৰ পৰা ১২০ খন চিত্ৰ অংকন কৰি দেখুৱাইছিল। ৰাষ্ট্ৰীয় শিল্পজগতত প্ৰতিষ্ঠা লাভ কৰা এইগৰাকী চিত্ৰশিল্পীয়ে অসমৰ বিভিন্ন ঠাইত প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰি অসমীয়া জনজীৱন আৰু সংস্কৃতিৰ বিকাশৰ হকে দীৰ্ঘকাল ধৰি কাম কৰি আহিছে। এক অন্তৰংগ বৈঠকত আমি তেখেতক প্ৰশ্ন কৰি গৈছিলো চিত্ৰশিল্পৰ বিভিন্ন দিশ সামৰি আৰু তেখেতে উত্তৰ দি গৈছিল ভিন্নসুৰী চিন্তা আৰু ভাৱনাৰে। — **সম্পাদনা সমিতি**

প্ৰশ্ন ঃ এজন চিত্ৰকৰ আৰু এজন চিত্ৰশিল্পীৰ মাজত প্ৰভেদ কিমানখিনি বুলি আপুনি ভাবে? মানুহৰ মাজত আপুনি

নিজকে এজন চিত্ৰকৰ হিচাপে পৰিচয় দিবনে এজন চিত্ৰশিল্পী হিচাপে?

উত্তৰ ঃ প্ৰকৃতিগতভাৱে সৃষ্টি আৰু স্ৰষ্টাৰ মাজত এটা সম্পৰ্ক থাকে। এখন চিত্ৰ বা এটি মাটিৰ মূৰ্ত্তি বা তেনেধৰণৰ গঠনশীল সামগ্ৰীক আমি সৃষ্টি বুলি কওঁ আৰু যিজনে চিত্ৰখন আঁকিছে বা মূৰ্ত্তিটো বনাইছে তেওঁক আমি স্ৰষ্টা হিচাপে অভিহিত কৰো। গতিকে সৃষ্টি আৰু স্ৰষ্টাৰ মাজত যিটো সম্পৰ্ক বান্ধ খাই থাকে ঠিক একেদৰে এজন চিত্ৰকৰ আৰু এজন চিত্ৰশিল্পীৰ মাজতো একেধৰণৰ সম্পৰ্ক জড়িত হৈ থাকে বুলি মই ভাবো। এজন ব্যক্তি যিয়ে নিজৰ আৱেগ আৰু অনুভূতিক ৰং তুলিকাৰ জৰিয়তে সমাজৰ আগত দাঙি ধৰে তেওঁক আমি চিত্ৰকৰ বুলি ক'ব পাৰো আৰু সেই চিত্ৰকৰজনক যেতিয়া সমাজে শিল্পীৰ আসন দিয়ে তেতিয়া তেওঁক এজন চিত্ৰশিল্পী বুলি অভিহিত কৰিব পাৰি। সমাজে মোক এজন চিত্ৰশিল্পী হিচাপে কিমানখিনি সন্মান দিছে সেয়া সমাজেই বিচাৰ কৰিব। কিন্তু এজন চিত্ৰকৰ হিচাপে মই সম্পূৰ্ণ দায়বদ্ধতাৰে চিত্ৰশিল্পৰ যোগেদি সমাজক সঠিক দিশত আগুৱাই নিবলৈ চেষ্টা কৰো আৰু কৰি আহিছো।

প্ৰশ্ন ঃ অসমৰ বৰ্তমান প্ৰেক্ষাপটত এজন চিত্ৰশিল্পী হিচাপে প্ৰতিষ্ঠিত হ'বলৈ কিমানখিনি সংগ্ৰাম কৰিবলগা হয়? আপুনি নিজকে অসমৰ এজন প্ৰতিষ্ঠিত শিল্পী হিচাপে গঢ় দিয়াৰ পথত কেনে ধৰণৰ সংগ্ৰামৰ মুখামুখি হৈছিল?

উত্তৰ ঃ কেৱল মাত্ৰ অসমত নহয়, সমগ্ৰ পৃথিৱীতে চিত্ৰকলাৰ ক্ষেত্ৰখনত প্ৰতিষ্ঠিত হ'বলৈ যথেষ্ট সংগ্ৰাম কৰিবলগা হয়। বৰ্তমান অসমৰ প্ৰেক্ষাপটত অন্য বৃত্তিৰ তুলনাত চিত্ৰকলাৰ জগতখনত বহুগুণে বেছি কষ্ট কৰিবলগা হয়। চিত্ৰকলা বিষয়টোক সৰ্বসাধাৰণ মানুহে যেনেধৰণৰ দৃষ্টিভংগীৰে চায়, তাতকৈ যদি তেওঁলোকে চিত্ৰকলাক বৃত্তিগতভাৱে অনুকৰণ কৰে তেতিয়া তেওঁলোকে বিষয়টোৰ ওপৰত প্ৰকৃত জ্ঞান আহৰণ কৰিব পাৰিব বুলি মই ভাবো। নতুনকৈ উঠি অহা ছাত্ৰ-ছাত্ৰীসকলে কেৱল দুই-তিনি ঘণ্টাৰ ক্লাছ কৰি নাইবা বন্ধৰ দিনত আৰু আজৰি সময় কটাবৰ বাবে ছবি আঁকি থাকিলে উচিত শিক্ষা লাভ কৰিব পাৰিব বুলি মই নাভাবো। যিহেতু মই অসমত দীৰ্ঘকাল ধৰি আছো, মই লক্ষ্য কৰিছো যে ইয়াৰ প্ৰতিজন ল'ৰা-ছোৱালীৰ যথেষ্ট প্ৰতিভা আছে। যেনেকৈ বিদ্যালয় এখনত এজন শিক্ষকে প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰে নিজস্ব প্ৰতিভাৰ উমান পায় নাইবা কোনজন ছাত্ৰ কোনটো বিষয়ত আগবঢ়া সেইটো বুজিব পাৰে, ঠিক একেদৰে চিত্ৰকৰ এগৰাকীয়ে এজন ন শিক্ষাৰুৰ শিল্প প্ৰতিভা সম্পৰ্কে বুজিব পাৰে। কিন্তু পৰিতাপৰ বিষয় যে অসমৰ ভালেসংখ্যক ল'ৰা-ছোৱালীৰ শৈল্পিক প্ৰতিভা এটা সময়ত স্থবিৰ হৈ পৰে। ইয়াৰ মূল কাৰণ অভিভাৱক আৰু বৰ্তমান অসমৰ শৈল্পিক মনোভাব বুলি মই ভাবো। যেনেকৈ অইন শিক্ষাবিষয়ত উচ্চ শিক্ষা লাভ কৰিবৰ বাবে মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ পৰা আৰম্ভ কৰি ব্যক্তিগতখণ্ডৰ শিক্ষানুষ্ঠান গঢ় লৈ উঠিছে, চিত্ৰকলাৰ ক্ষেত্ৰত অসমত তেনেধৰণৰ শিক্ষানুষ্ঠানৰ অভাৱ আছে বুলি মই অনুভৱ কৰো। অসমৰ ছাত্ৰ-ছাত্ৰীসকলে চিত্ৰশিল্প চৰ্চাৰ বাবে উপযুক্ত সা-সুবিধা পোৱা নাই বুলিও মই ভাবো। ইয়াৰ উপৰি অভিভাৱকসকলেও চিত্ৰকলা বিষয়টোত বিশেষ গুৰুত্ব দিব নোখোজে বা চিত্ৰকলাৰ জগতখনত ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ সুবিধাজনক বুলি নাভাবে। চিত্ৰশিল্পৰ ক্ষেত্ৰত ফলাফলবোৰ দীঘলীয়া অথবা চিত্ৰকলাৰ জগতত প্ৰতিষ্ঠা লাভ কৰিবলৈ যথেষ্ট ধৈৰ্য্যৰ প্ৰয়োজন। সেইবাবে অইন বিষয়ৰ তুলনাত চিত্ৰশিল্পত সামাজিক স্বীকৃতি লাভ কৰিবলৈ বহুগুণ বেছি সংগ্ৰাম কৰিব লগা হয়। এতিয়ালৈকে মই যিমানখিনি সংগ্ৰাম কৰিছো সেই বিষয়ে বিভিন্ন মাধ্যমত আগতেও প্ৰকাশ কৰিছো। গাঁৱত জন্মগ্ৰহণ কৰাৰ বাবে সৰুৰে পৰা মই যথেষ্টখিনি সংগ্ৰাম কৰিবলগা হৈছিল। সৰুকালৰ পৰা এতিয়ালৈকে মই অবিতৰভাৱে ছবি আঁকি আছো, দৈনিক কমেও আঠ ঘণ্টাকৈ মই ছবি আঁকি আহিছো। কেতিয়াবা বালিৰে, কেতিয়াবা দুয়োখন হাতেৰে আৰু কেতিয়াবা নৈৰ পাৰত ভৰিৰেও ছবি আঁকিছো। গতিকে মোৰ বাবে চিত্ৰকলা জীৱনৰ উশাহস্বৰূপ আৰু অনাগত দিনতো মই চিত্ৰকলাৰ মাজেৰে সমাজক পোহৰলৈ আগুৱাই লৈ যাম।

প্ৰশ্ন ঃ বৰ্তমান অসমৰ চিত্ৰশিল্পীৰ সন্মুখত উদ্ভৱ হোৱা এটা ডাঙৰ প্ৰশ্ন হৈছে– "স্বাৱলম্বীতা"। নিজৰ অভিজ্ঞতাৰ ফালৰ পৰা আপুনি এই বিষয়ত কি ক'ব বিচাৰে?

উত্তৰ ঃ বৰ্তমান অসমৰ প্ৰেক্ষাপটত যদি এজন ল'ৰা বা ছোৱালী চিত্ৰকলাৰ দিশত স্বাৱলম্বী হ'ব বিচাৰে বা চিত্ৰকলাক তেওঁৰ জীৱিকাৰ পথ হিচাপে লৈ আগবাঢ়িব বিচাৰে তেনেহ'লে তেওঁলোকে চিত্ৰকলাক

প্ৰাথমিক গুৰুত্ব প্ৰদান কৰিব লাগিব আৰু চিত্ৰকলাই তেওঁলোকৰ জীৱন হ'ব লাগিব। মই এইটো কেতিয়াও নকওঁ যে ছাত্ৰ-ছাত্ৰীসকলে অন্য বিষয়ত অধ্যয়ন কৰিব নালাগে। কিন্তু বহুসময়ত মই লক্ষ্য কৰিছো যে প্ৰায়ভাগ ল'ৰা-ছোৱালীয়ে হাইস্কুল পৰ্যায়ৰ পিছত চিত্ৰকলা বিষয়টোক সম্পূৰ্ণৰূপে বিসৰ্জন দিয়ে। গতিকে আমাৰ সমুদায় ছাত্ৰ-ছাত্ৰীৰ মাজৰ পৰা ৫০% ল'ৰা-ছোৱালী যদি মেডিকেল, ইঞ্জিনিয়াৰিং লাইনত গুছি যায় আৰু বাকী ৫০% যদি চৰকাৰী চাকৰিৰ আশাবাদী হৈ ৰয়, তেতিয়া প্ৰশ্ন উত্থাপিত হয় যে কেইজন ল'ৰা-ছোৱালী সাহিত্য বা চিত্ৰকলাৰ বাবে থাকি গ'ল। গতিকে মই ভাবো যদি অসমৰ যুৱসমাজ চিত্ৰকলাৰ দিশত স্বাৱলম্বী হ'ব বিচাৰে, তেন্তে তেওঁলোকে আৰম্ভণিৰ পৰাই এটি শৈল্পিক মনোভাৱ গঢ় দিব লাগিব আৰু চিত্ৰশিল্পক জীৱনৰ প্ৰাথমিক প্ৰয়োজন হিচাপে লৈ আগবাঢ়িব লাগিব।

প্ৰশ্ন ঃ আপোনাৰ দৃষ্টিত এজন চিত্ৰশিল্পীৰ কেনেধৰণৰ যোগ্যতা থকাটো প্ৰয়োজনীয়?

উত্তৰ ঃ বিভিন্ন সময় আৰু পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত এগৰাকী চিত্ৰশিল্পীৰ যোগ্যতা সম্পৰ্কে বিভিন্নজনে বিভিন্ন মতাদৰ্শ দাঙি ধৰিব পাৰে। কিন্তু এজন সাধাৰণ চিত্ৰশিল্পী হিচাপে মই ভাবো যে এজন চিত্ৰশিল্পী উন্নতমানৰ চিত্ৰশিল্প সৃষ্টি কৰাৰ উপৰিও সামাজিকভাৱে দায়বদ্ধ হ'ব লাগিব। দ্বিতীয়তে তেওঁৰ চিত্ৰশিল্প সামাজিক দৃষ্টিভংগীৰে মাৰ্জিত হ'ব লাগিব। তৃতীয়তে এগৰাকী চিত্ৰশিল্পীৰ স্বভাৱ, চৰিত্ৰ, আচাৰ, ব্যৱহাৰ অইনৰ তুলনাত যথেষ্ট পৰিশীলিত হ'ব লাগে বুলি মই বিশ্বাস কৰো। এগৰাকী চিত্ৰশিল্পীয়ে তেওঁৰ চিত্ৰপটৰ মাজেৰে সমাজৰ অভাৱ-অভিযোগ মানুহৰ মাজত দাঙি ধৰিব পাৰিব লাগিব। কেৱল জনপ্ৰিয়তা লাভৰ বাবে জাকজমক অথবা অশ্লীল চিত্ৰপট প্ৰদৰ্শন কৰাটো এগৰাকী চিত্ৰশিল্পীৰ ঋণাত্মক দিশৰ নিদৰ্শন বুলি মই ভাবো।

প্ৰশ্ন ঃ সাম্প্ৰতিক সময়ত এগৰাকী চিত্ৰশিল্পী সমাজ পৰিৱৰ্তনৰ এটা শক্তিশালী মাধ্যম হ'ব পাৰে নেকি? যদি পাৰে কেনেকৈ?

উত্তৰ ঃ কেৱল সাম্প্ৰতিক সময়তেই নহয়, অতীজৰে পৰা এগৰাকী চিত্ৰশিল্পী সমাজ পৰিৱৰ্তনৰ এটা মুখ্য মাধ্যম হৈ আহিছে। অসম তথা ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত আমি তেনেধৰণৰ উদাহৰণ পাই আহিছো। সহস্ৰ চিত্ৰশিল্পীয়ে নিজৰ চিত্ৰপটৰ যোগেদি অন্যায়-অবিচাৰৰ বিৰুদ্ধে বহুশতিকা জুৰি প্ৰতিবাদ কৰি আহিছে, লগতে সমাজৰ বিভিন্ন সমস্যাৰাজি বিভিন্ন চিত্ৰপটৰ মাজেৰে ৰাইজৰ সন্মুখত উপস্থাপন কৰি আহিছে। ভাৰতৰ বিভিন্ন ঠাইত বিভিন্ন সময়ত অনুষ্ঠিত হোৱা চিত্ৰশিল্প প্ৰদৰ্শনীত আমি ইয়াৰ প্ৰতিফলন দেখি আহিছো। মোৰ দৃষ্টিত ছবি বা চিত্ৰশিল্প হ'ল পৃথিৱীৰ আটাইতকৈ ডাঙৰ মাধ্যম। কাৰণ এখন ছবিৰ ভাৱাৰ্থ বুজাৰ বাবে কোনো ভাষাৰ প্ৰয়োজন নহয়। আমাৰ ইয়াত গোৱা এটা গান পৃথিৱীৰ অন্য ঠাইৰ মানুহে বুজি নাপাব পাৰে, কাৰণ ইয়াত ভাষাৰ সমস্যাই দেখা দিয়ে। নতুবা কোনো লিখিত সামগ্ৰী পৃথিৱীৰ অন্য ঠাইৰ মানুহে পঢ়িব নোৱাৰিব পাৰে, কাৰণ এই ক্ষেত্ৰত ভাষিক দ্বিধাই দেখা দিয়ে। কিন্তু এখন চিত্ৰশিল্প পৃথিৱীৰ যিকোনো ঠাইৰ যিকোনো মানুহে বুজিব পাৰে। গতিকে মই ভাবো নিজৰ চিত্ৰশিল্পৰ মাজেৰে সমাজ আৰু জীৱনক প্ৰতিনিধিত্ব কৰাটো প্ৰতিজন শিল্পীৰ দায়িত্ব আৰু সাধাৰণ মানুহে প্ৰতিখন চিত্ৰপটৰ মৰ্মাৰ্থ বুজিবলৈ চেষ্টা কৰিলে সঁচা অৰ্থত জাগৰণ আহিব বুলি আশা কৰিব পাৰি।

প্ৰশ্ন ঃ আপোনাৰ দৃষ্টিত সৰ্বকালৰ তিনিজন শ্ৰেষ্ঠ ভাৰতীয় চিত্ৰশিল্পী কোন?

উত্তৰ ঃ প্ৰতিজন মানুহ বা প্ৰতিজন শিল্পী সাপেক্ষে শ্ৰেষ্ঠত্বৰ ধাৰণাটো ভিন্নতম হয়। অতীত আৰু বৰ্তমানৰ ভাৰতীয় চিত্ৰশিল্পক যদি মই ফঁহিয়াই চাওঁ তেতিয়া মই শ্ৰেষ্ঠত্বৰ আসন দিব বিচৰা তিনিজন ভাৰতীয় চিত্ৰশিল্পী হ'ল-- যামিনী ৰায়, ৰামকিংকৰ বেইজ আৰু বৰ্তমান সময়ৰ আগশাৰীৰ চিত্ৰশিল্পী এম.এফ. হুচেইন। এই তিনিগৰাকী চিত্ৰশিল্পীক মই নিজস্ব জীৱনৰ আদৰ্শ হিচাপে গণ্য কৰো। লগতে বৰ্তমান সময়ৰ বহুকেইগৰাকী যুৱশিল্পীৰ চিত্ৰশিল্পই মোক যথেষ্ট প্ৰভাৱিত কৰে।

প্ৰশ্ন ঃ শিল্পী আৰু সাধাৰণ মানুহৰ মাজৰ সম্পৰ্ক কেনেকুৱা হোৱা উচিত বুলি আপুনি ভাবে?

উত্তৰ ঃ সহজ অৰ্থত এগৰাকী শিল্পীও সাধাৰণ মানুহ। মই ভাবো এগৰাকী শিল্পীৰ কৰ্মৰাজিৰ মাজেৰে সাধাৰণ মানুহৰ লগত যোগসূত্ৰ স্থাপন হয়। এগৰাকী শিল্পীয়ে নিজৰ সৃষ্টিকৰ্মৰ যোগেদি সাধাৰণ মানুহৰ জীৱনশৈলীক প্ৰতিনিধিত্ব কৰে। এগৰাকী দায়বদ্ধ শিল্পীৰ সৃষ্টিৰ বিষয়বস্তু সাধাৰণ মানুহৰ ভেটিত গঢ়ি



উঠিব লাগে আৰু তেওঁ নিজৰ সৃষ্টিকৰ্মৰ যোগেদি সাধাৰণ মানুহৰ আৱেগ, অনুভূতি, সুখ, দুখ, আনন্দ, বিষাদ প্ৰতিফলিত কৰিব পাৰিব লাগে বুলি মই ভাবো। সৃষ্টিৰ আটাইতকৈ তত্বগধুৰ বিষয়বস্তু সাধাৰণ মানুহৰ মাজত নিহিত হৈ থাকে আৰু যিমানেই এগৰাকী শিল্পীয়ে সাধাৰণ মানুহৰ জীৱনক উদঙাই দিব পাৰে সিমানেই শিল্পী আৰু সাধাৰণ মানুহৰ মাজত সমন্বয় স্থাপন হয় বুলি মই ভাবো।

প্ৰশ্ন ঃ এগৰাকী চিত্ৰশিল্পী হিচাপে প্ৰতিষ্ঠিত হ'বলৈ চিত্ৰশিল্পৰ কাৰিকৰী শিক্ষাৰ প্ৰয়োজন আছে বুলি আপুনি ভাবেনে? কাৰিকৰী শিক্ষা এগৰাকী চিত্ৰশিল্পীৰ কি কি দিশত সহায়ক হ'ব পাৰে?

উত্তৰ ঃ মই ভাবো এগৰাকী চিত্ৰশিল্পী হিচাপে প্ৰতিষ্ঠিত হ'বলৈ কাৰিকৰী শিক্ষাৰ বহুত বেছি গুৰুত্ব নাথাকে, কিন্তু এগৰাকী ন-শিকাৰু চিত্ৰশিল্পৰ দিশত আগবাঢ়ি যাবলৈ হ'লে চিত্ৰকলাৰ প্ৰাথমিক শিক্ষাৰ যথেষ্ট দৰকাৰ। প্ৰাচীন কালত মানুহে গুহাৰ দেৱালত আৰু পাহাৰৰ ডাঙৰ শিলত গছৰ পাত আৰু ফুলৰ পৰা সংগ্ৰহ কৰা ৰঙেৰে ছবি আঁকিছিল। কিন্তু এতিয়া আৰু সেই দিন নাই। এতিয়া বিভিন্ন চিত্ৰপটত বিভিন্ন মাধ্যমেৰে ছবি আঁকিব পৰা যায় আৰু বৰ্তমান চিত্ৰশিল্পৰ প্ৰতিটো সামগ্ৰীৰে ব্যৱহাৰ বেলেগ বেলেগ। গতিকে মই ভাবো চিত্ৰকলাৰ ন-শিকাৰুৱে চিত্ৰশিল্প সামগ্ৰীৰ ভিন্ন ব্যৱহাৰ সম্পৰ্কে প্ৰথমতে শিক্ষা গ্ৰহণ কৰা উচিত। তাৰ পিছতহে তেওঁলোকে চিত্ৰকলাৰ উচ্চ পৰ্য্যায়লৈ যাব পাৰিব। এগৰাকী প্ৰতিষ্ঠিত চিত্ৰশিল্পীৰ যিখিনি বহুবছৰৰ সাধনা, যিখিনি তেওঁলোকৰ চিন্তাধাৰা, যিখিনি তেওঁলোকৰ কাৰিকৰী দক্ষতা নাইবা যিখিনি তেওঁলোকৰ বিষয়বস্তুৰ অধ্যয়ন, সেয়া এদিনতে গঢ়ি উঠা নাই। আজি সাধাৰণ মানুহৰ দৃষ্টিত এখনি ধুনীয়া চিত্ৰ এগৰাকী চিত্ৰশিল্পীৰ দৃষ্টিত উৎকৃষ্ট চিত্ৰশিল্প নহ'ব পাৰে। এগৰাকী চিত্ৰশিল্পীৰ চিন্তা, ভাৱনা সদায়েই

সমাজৰ লগত জড়িত হৈ থাকে। গতিকে সেইখিনি পৰ্যায় পাবলৈ হ'লে ছাত্ৰ-ছাত্ৰসকলে বৰ্ণ প্ৰয়োগ, বিভিন্ন ধৰণৰ ষ্ট্ৰোক বা চিত্ৰকলাৰ প্ৰাথমিক ব্যাকৰণ সম্পৰ্কে শিক্ষা লাভ কৰাটো খুবেই প্ৰয়োজনীয় আৰু এই প্ৰাথমিক পৰ্য্যায়ৰ পৰাই এজন চিত্ৰশিল্পীৰ শৈল্পিক যাত্ৰা আৰম্ভ হয়।

প্ৰশ্ন ঃ অসমৰ থলুৱা শিল্প, যেনে- মুখাশিল্প, মৃৎশিল্প আদিক আগুৱাই নিয়াৰ ক্ষেত্ৰত আপোনাৰ পৰিকল্পনা কেনে ধৰণৰ?

উত্তৰ ঃ অসমৰ মুখাশিল্পৰ বাবে মাজুলী বিশেষভাৱে সমাদৃত আৰু তাত মুখাশিল্প বহু মানুহৰ জীৱিকাৰ উৎস বুলি ক'লেও ভুল নহ'ব। মুখাশিল্পক অসমৰ সমাজজীৱনৰ অংগ হিচাপে আগুৱাই নিয়াৰ বাবে আমি মাজুলীৰ বিভিন্ন অঞ্চলত বহুতো কৰ্মশালা অনুষ্ঠিত কৰি আহিছো আৰু অনাগত দিনত কেৱল মাজুলী নহয়, সমগ্ৰ অসমত ইয়াক জনমুখী কৰাৰ বাবে মই চেষ্টা কৰিম। মই ভাবো থলুৱা শিল্পক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত আমাৰ চেষ্টাৰ লগতে চৰকাৰৰ কিছু অৱদান থকা দৰকাৰ। দেখা গৈছে যে বৰ্তমান সময়ত মূলতঃ প্লাষ্টিক আৰু ধাতুৰ সামগ্ৰীৰ চাহিদা বহুখিনি বৃদ্ধি পাইছে। গতিকে মই ভাবো আমি ৰাইজৰ মাজত এটা সজাগতা সৃষ্টি কৰা দৰকাৰ আৰু চৰকাৰৰ ফালৰ পৰা প্লাষ্টিক আৰু ধাতুৰ ব্যৱহাৰ পৰিহাৰ কৰি মাটি, খেৰ আদি থলুৱা মাধ্যমেৰে সামগ্ৰী নিৰ্মাণত অধিক গুৰুত্ব প্ৰদান কৰা দৰকাৰ। গতিকে মই ভাবো থলুৱা শিল্প যেনে মুখাশিল্প, মৃৎশিল্প, টেৰাকোটা, ক্ৰাফ্ট আদিৰ অসমৰ লোক-সংস্কৃতিত যথেষ্ট ভূমিকা আছে আৰু ইয়াৰ প্ৰচলনে অসমক অৰ্থনৈতিকভাৱেও স্বাৱলম্বী কৰি তুলিব তথা থলুৱা শিল্পীৰ জীৱন নিৰ্বাহৰ পথ প্ৰশস্ত হ'ব।

যদি আমি মাইকেল এঞ্জেলোৰ সৃষ্টিৰাজি অধ্যয়ন কৰো তেতিয়া দেখা পাওঁ যে তেওঁ বহুবছৰ আগেয়ে কৰি যোৱা স্কেচ্ছবোৰৰ সৈতে বৰ্তমান বিজ্ঞানৰ ধাৰণাসমূহৰ যথেষ্টখিনি মিল আছে। গতিকে চিত্ৰশিল্পৰ প্ৰধান উদ্দেশ্য হ'ল এখন নতুন সমাজ, এখন নতুন পৃথিৱী যিয়ে বহন কৰে ভৱিষ্যতৰ নতুন দিনৰ চিন্তা আৰু নৱজীৱনৰ প্ৰেৰণা।

প্ৰশ্ন ঃ আপোনাৰ দৃষ্টিত চিত্ৰশিল্পৰ প্ৰধান উদ্দেশ্য কি?

উত্তৰ ঃ মই বিনাদ্বিধাই ক'ব বিচাৰো যে চিত্ৰশিল্পৰ প্ৰথম আৰু মুখ্য উদ্দেশ্য হ'ল সমাজ। সেইখন সমাজ হয়তো বাস্তৱিক নহ'ব পাৰে, সেয়া এগৰাকী শিল্পীৰ কাল্পনিক ভংগীৰে পৰিস্ফুট সমাজ হ'ব পাৰে। চিত্ৰশিল্পৰ উদ্দেশ্য হোৱা উচিত এনে এখন সমাজ য'ত মানুহ আৰু মানৱতা জীয়াই থকাৰ বাবে সকলোখিনি সুযোগ, সুবিধা বিদ্যমান। এনে ধৰণৰ ভাৱনাত উটি-বুৰিয়েই এগৰাকী শিল্পীয়ে নতুন চিন্তা, নতুন ধাৰা আৰু নতুন পৰিকল্পনাৰে সমাজৰ সংস্কাৰৰ দিশটো মুকলি কৰিব পাৰে। চিত্ৰশিল্পৰ উদ্দেশ্য এনে এখন সমাজ য'ত কোনো জাতিগত ভেদভাৱ অথবা সাম্প্ৰদায়িক সংঘৰ্ষ নাথাকে, তাত থাকিব কেৱল মানুহ আৰু জীয়াই থকাৰ প্ৰেমৰ সংজ্ঞা। আজি যদি আমি মাইকেল এঞ্জেলোৰ সৃষ্টিৰাজি অধ্যয়ন কৰো তেতিয়া দেখা পাওঁ যে তেওঁ বহুবছৰ আগেয়ে কৰি যোৱা স্কেচ্ছবোৰৰ সৈতে বৰ্তমান বিজ্ঞানৰ ধাৰণাসমূহৰ যথেষ্টখিনি মিল আছে। গতিকে চিত্ৰশিল্পৰ প্ৰধান উদ্দেশ্য হ'ল এখন নতুন সমাজ, এখন নতুন পৃথিৱী যিয়ে বহন কৰে ভৱিষ্যতৰ দিনৰ চিন্তা আৰু নৱজীৱনৰ প্ৰেৰণা।







# কথাশিল্প

"জীৱন নামৰ নৈখনিত ভটিয়াই বোৱা সোঁত সামৰি
কল্পনাময় সৃষ্টিৰ আকাশখন যেন কথাশিল্প"

# বিসৰ্জন

- নীলাঞ্জনা শৰ্মা
স্নাতক পঞ্চম যাণ্মাসিক
ইংৰাজী বিভাগ



ইখন ভৰি আগবঢ়ালে ভৰিত সাপে মেৰিয়াই ধৰাৰ ভয়। বাওঁখন ভৰি আগবঢ়ালে তাতে বেং উঠাৰ ভয়। কিন্তু বাটটো খুব বেছি ঠেক নহয়। অন্ততঃ বিবেক চৌধুৰী আৰু পূৰণৰ বাবে আজি নিশাৰ সময়খিনিততো নহয়েই। বাটটো এটা আটিল দেহৰ ডেকা মানুহ কোনোৰকমে কাতি হৈ পৰি থাকিব পৰা, হাতত লাঠী এডাল লৈ ইফালে সিফালে জোপোহা কোবাই গৈ থাকিলে সমুখৰ পৰা আহি থকা সাপ, বেংবোৰ জোপোহাৰ তলেৰে সুৰুকি যায়। হাবিখনৰ এই ঠাইখিনি প্ৰকাণ্ড প্ৰকাণ্ড গছ নাথাকিলেও জয়াল কিন্তু হয়। ঈদগাহত হেজাৰ বিজাৰ মানুহ লগ হৈ নামাজ পঢ়িবলৈ আঠু কাঢ়ি বহিলে যেনেকুৱা দেখি, দুয়োফালে এই অচিন গছৰ জোপাবোৰ ঠিক সিমানখিনি ওখ। মাজেৰে এইটো সুৰসুৰীয়া বাট- যেন খোদা অহা যোৱা কৰাৰ বাবে। এই বাটটোৰেই যেন ভয়ানকডাল হন্‌হনাই আহে। ক'ব পাৰি তাৰ কাৰণেই এই কণমান দীঘল বাটটো গাভৰুৰ লাহী হাতৰ দৰে নিমজ হৈ আছে। এতিয়া সেই বাটেৰে দুটা মানুহ চোৰৰ দৰে আগবাঢ়িছে- আগে আগে বন্দুকৰ নলী টোঁৱাই বিবেক চৌধুৰী, পিছে পিছে বিড়িৰ ধোঁৱা উৰুৱাই পূৰণ. ওপৰত প্ৰতিপদৰ জোন। জোনৰ ৰূপালী পোহৰ পৰি মানুহ দুটাৰ চোলা পিন্ধা পিঠি দুখনে কাঁচৰ থালৰ দৰে তিৰ্‌বিৰ্ তিৰ্‌বিৰ্ কৰিছে। ইমান সাৱধান খোজ, ইমান অগ্ৰগামী খোজ এই দুজন চোৰৰ কবলৰ পৰা আজি যেন কাৰো নিস্তাৰ নাই।

"পূৰণ"

"দেউতা"

'পিছফালে মন কৰি আহিবি, বিড়িটো পেলা' কিহে, কেতিয়া পাছফালৰ পৰা টানি নিয়েহি ঠিকনা নাই।

প্ৰায় ত্ৰিছ পঁচিছ বছৰ আগৰে পৰা বিবেক চৌধুৰীয়ে এই বাটটোৰে এনেকৈ মাজে মাজে আহি আছে। নাহি যেন তেওঁৰ গত্যন্তৰ নাই। সেই পিছফালৰ পৰা মানুহ জন্তু টানি নিব পৰা কিবাটোক স্তব্ধ কৰি দিব লাগে- এটা অপূৰ্ণ জংঘলী কামনাৰ পৰা যেন তেওঁ তেতিয়া মুক্তি পাব। কিন্তু জংঘলখন বৰ চয়তান, এন্ধাৰৰ গহ্বৰৰ পৰা কিবাবিলাক উফৰি আহো আহো কৰে- নাহেও। আগতেওঁ বিবেক চৌধুৰী আহিছিল- বন্দুক লৈ আগবঢ়া দেউতাকৰ পিছে পিছে। এতিয়া তেওঁ দেউতাকৰ বন্দুকটো লৈ আগবাঢ়ে- পাছে পাছে বিশ্বাসী লগুৱা পূৰণ।

"দেউতা। সৌফালে চাওঁক" ওপৰৰ ফালে দেখুৱাই পূৰণে চিঞৰি উঠিল। বিবেক চৌধুৰী ৰৈ গ'ল। কিন্তু পিছমুহূৰ্ততে তেওঁৰ কঁপালত বগা কাকতত অঁকাৰ দৰে দুডালমান বক্ৰৰেখা ফুটি উঠিল, ওঁঠযুৰি সামান্য বেঁকা হ'ল। এস্ এনেকৈ? ইমান লেতু-সেতু। মুঠেই নহয়। পূৰণে সৌৱা আঁহতজোপাৰ ডালত বাৰে বিংকৰা লতা-লতিকা কিছুমানহে দেখিছে। সেইডাল

আচলতে ইমান দৰিদ্ৰ, ইমান নিঃস্ব হৈ এনেকৈ ডালত ওলমি নাথাকে। জোনৰ পোহৰত সি কদমৰ ডালত কানাই জিলিকা দি জিলিকি থাকিব। জোন যদি শেঁতা হয়, সি বনজুইৰ এটা ফিৰিঙতি হ'ব। ত্ৰিছ পয়ত্ৰিছ বছৰ আগতে এদিন চৌধুৰী আৰু দেউতাকে সেইডালক কিবা লেতু-সেতু লতা বুলি ভাবি তাৰ তলেৰে নিৰ্বিঘ্নে বজাৰলৈ গুছি গৈছিল। যেতিয়ালৈ মাক বাহিৰলৈ ওলাই আহিছিল, তেতিয়া পিৰালিত পাৰি থোৱা ঢাৰিখনত এটি কেৰেলুৱা চিক্মিক্ কৰি বগাই আহিছিল, তাত তিনিমহীয়া ভৰপূৰ কেঁচুৱাটো নাই। জ্ঞানশূণ্য হৈ পৰি যোৱাৰ আগে আগে তেওঁ দেখিলে, এছোৱা ক'লা-হালধীয়া চমৎকাৰ নেজ জোপোহাৰ মাজলৈ নাচি নাচি সোমাই গ'ল। ঢাৰিখনত চৌধূৰীৰ তিনিমহীয়া নোদোকা ভায়েকটো শুই আছিল। খন্তেকতে সি নাইকিয়া হৈ গ'ল। সেই যে খুব বিষোৱা বেজী এটা লোৱাৰ ভালেমান পিছত মানুহজনৰ সংপোগনে এটা জ্বৰ উঠি আহে, ঠিক তেনে এজন মানুহৰ দৰে চৌধুৰীৰ দেউতাকে সেই ঘটনাৰ দুদিন পিছত বাকচৰ পৰা এটা আপুৰুগীয়া, নমস্য বন্দুক উলিয়ালে, গুলীবোৰ ৰ'দালে আৰু এদিন সন্ধিয়া তেওঁ সাতবছৰীয়া বিবেক চৌধুৰীক লগত লৈ জিক্মিক্ বাটেটোৰেদি আগুৱাই গ'ল, আৰু কিছুসময় পিছত একেদৰে উভতি আহিল।

'দেউতা, পূৰণে মাত দিলে"

'কি হ'ল আকৌ'? জোঙা শিল এটাৰ ফাঁকত চৌধুৰীৰ জোতা এপাট লাগি ধৰিল।

'আইদেউৰে সোনকালে উভতিবলৈ কৈছিল"

'তই যাৰ যদি যাগৈ'-- ইখন ভৰিৰে শিলটো বগৰাই তেওঁ ক'লে। ইমান সোনকালে সেই ৰাতিৰ ঘৰখনৰ এন্ধাৰ বাৰান্দাখনলৈ উভতি যোৱা মানুহ তেওঁ নহয়। ইমান সোনকালে তেওঁ উভতি যোৱা চাবলৈ দুৰ্গাই চাফা চাদৰ এখন দেহৰ ভাঁজে ভাঁজে ধুনীয়াকৈ জাপি গোঁসানীৰ দৰে বাৰান্দাত বৈ নাথাকে। প্ৰথমতে বিবেক চৌধূৰীয়ে কেইদিনমান তাই বৈ থকাটো আশা কৰিছিল, কিন্তু এতিয়া এই দুৰাশা কৰিবলৈ পাহৰি যোৱাটো অভ্যাস হৈ গৈছে। বাহিৰৰ পৰা চৌধূৰীয়ে এবাৰ মতাৰ লগে লগেই কোনো আয়োজন নকৰাকৈ ভিতৰৰ পৰা খিলি খুলি দিয়া তিৰোতা দুৰ্গা, দিনত চৌধূৰী কলেজলৈ যোৱা সময়ত কোনোবা আহিলে, 'তেওঁ এতিয়া নাই, গধূলি পাবহি' বুলি কৈয়েই বিদায় দিয়া পত্নী দুৰ্গা। বিয়াৰ পিছৰ চতুৰ্থ নিশা দুৰাৰ চুৰাৰ ভালদৰে মাৰি লৈ চৌধূৰীয়ে তাইক বন্দুকটোৰ সৈতে চিনাকি কৰাই দিছিল- 'সমুখৰ বাৰান্দাৰ হালধীয়া বাল্বটো সদায় গধূলি জ্বলাবা। মই যিদিনা বন্দুকটো লৈ ওলাই যাওঁ, সিদিনা কেৱল পাছফালৰ বাল্বটোহে জ্বলাবা।' তেনেতে দূৰৈৰ পৰা কোনোবাই বাঁহী বজোৱাৰ দৰে জিলিৰ মৰ্মভেদী মাত ভাঁহি আহিছিল। এসময়ত বিবেক চৌধূৰীৰ এটা অসহজ হাঁহি উঠি গৈছিল, 'দেখিছা, এই যে ঘৰখনৰ পোহৰ, বাল্ব, এন্ধাৰ এইবোৰ ঠিকমতে ৰখাৰ কথা আজি তোমাক মই ক'ব লগা হৈছে, মা থাকিলে নেলাগিলহেতেন। আৰু চোৱাচোন, এই বন্দুকটো ইমান ভয়লগা বস্তুটো আজি হয়তো দেউতা থকা হ'লে মোৰ হাতলৈ নাহিলহেতেন। পিছে, তুমি ভয় নাখাবা, বন্দুকটোৱে তোমাৰ একো অনিষ্ট নকৰে।' তাৰ পিছত প্ৰত্যেকটো গধূলি এন্ধাৰ-পোহৰৰ খেলা কৰি কৰি এদিন দুৰ্গা খুব আজৰি হ'ল, গাটো ফুলৰ দৰে পাতল পাতল লাগিল। সেইৰাতি তাই সিহঁতৰ নিজৰ কোঠাটো বগা কৰি পেলালে , ফটফটীয়া বগা বিচনা চাদৰ, বৰফ বগা গাৰুৰ গিলিপ, খিৰিকীত ৰং বিহীন পৰ্দা, খিৰিকীৰ বাহিৰত ভাঁহি ফুৰা স্নিগ্ধ জোনাক। এক মহত্বপূৰ্ণ মহাৰাত্ৰি উদ্‌যাপনৰ বাবে তাই এক বিশেষ ভংগীমাত সাজু হ'ল, তানপুৰাত এক অমৃতময় সুৰ তুলিবলৈ মাথো বাকী। ঠিক তেনেতেই বিবেক চৌধুৰীয়ে চোলা পেন্ট পিন্ধি সাজু হ'ল। দুৰ্গাই বিচনাৰ ওপৰত দুয়োৰে বাবে দুটা গাৰু সজাই মিচিকিয়াই হাঁহিছিল। চৌধুৰীয়ে তাইক বাৰান্দালৈ মাতি আনিলে, "এই লাইটটো নুমুৱাই থোৱা। পূৰণে আহি খবৰ দিছেহি- সেইডাল বোলে আকৌ ওলাইছে। মই যাওঁ, আহোতে পলম হ'ব।" বন্দুকৰ নলীৰে কোঠাৰ ভিতৰলৈ টোৱাই তেওঁ ঈষৎ কন্দাৰ দৰেকৈ হাঁহিলে।", "এইবোৰ কি কৰিছা? নাটক কৰিছা নেকি? শুনা, এনেকুৱা মায়াময় বিচনা পাৰি মোক শুবলৈ নামাতিবা, অথন্তৰ হ'ব। তুমি যিটো ভাবিছা, তেনেকুৱা এটা অথন্তৰ মই এতিয়াই ঘটিবলৈ নিদিওঁ। ভাবি চোৱাছোন, আজি বাৰু তুমি তোমাৰ কোলাত পকা মালভোগ হেন কেঁচুৱা এটা পালা, কাইলৈ তাক পিৰালিৰ সৌ ঢাৰিখনতে শুৱাই থ'লা, আৰু পৰহিলৈ হঠাতে সি নোহোৱা হৈ গ'ল।' বাৰান্দাৰ বাল্বটো নিজেই নুমুৱাই দি চৌধুৰীয়ে ক'লে, "প্ৰথমে দেউতাই এৰি যোৱা ভয়ংকৰ কামটো মোক শেষ কৰিবলৈ দিয়া। তুমি নাজানা, ৰংজুলি বাগিচাৰ মালিক, মোৰ বন্ধু বিনয় হাজৰিকাই এই কামটোৰ ওপৰত পুৰস্কাৰ ঘোষণা কৰি থৈছে।' তাৰ পিছত বন্দুকটোৰে চৌধুৰীক অন্ধকাৰৰ মাজেৰে আগবঢ়াই লৈ গ'ল। পিছলৈ ঘূৰি চালে তেওঁ দেখিলেহেঁতেন যে দুৰ্গাই তুলসীগুৰিত বন্তি এগছি জ্বলাবলৈ উলহ-মালহেৰে চোতাললৈ নামি আহিছে।

তাৰ বহু পিছৰ প্ৰায়বোৰ দিনত কেতিয়াবা দুপৰীয়া দুৰ্গাই কোলাই পিঠিয়ে এসোপা মলিন কাপোৰ পেলাই লৈ নাদৰ পাৰত ধুবলৈ যায়। তেতিয়া তাই বাঁহৰ বেৰখনৰ সিপাৰে পথাৰখনত সৰু ল'ৰা-ছোৱালীবোৰৰ ৰং ধেমালি গুনে। সিহঁতৰ কেইটামান ন-দহ বছৰীয়া, কেইটিমান পাঁচ ছয় বছৰীয়া। সিহঁতৰ মাজত কাজিয়া লগা যেন পালে ইটো ঘৰৰ পৰা, সিটো ঘৰৰ

পৰা, সৌখন চোতালৰ পৰা মাকবোৰে সিহঁতৰ নাম ধৰি ধৰি চিঞঁৰিবলৈ ধৰে। দুৰ্গাৰ বিয়া হোৱা সাত বছৰ হ'ল, আজি এনে এটা দুপৰীয়াত তাই পাঁচ ছয় বছৰীয়া ল'ৰা এটিৰ মাক হোৱাটো আচলতে ভগৱানৰ নিয়ম আছিল। তাই বিচনা চাদৰবোৰ জোৰকৈ থেকেচিবলৈ ধৰে, আঙুলিকেইটি ভাঁজ লাগি যায়। প্ৰত্যেকটো থেকেচনিত তাই যেন বিগত সাতটা বছৰৰ এটা এটা বছৰ নতুনকৈ পাৰ হৈ যাবলৈ দিয়ে। শুকোৱা কাপোৰবোৰ কোলাই বুকুৰে সাৱটি ভিতৰলৈ আনোতে তাৰ মাজত কেঁচুৱা এটি শুই থকা বুলি ভাবি তাই সাৱধান হৈ উঠে। মাজৰাতি তাই বিচনাত বিবেক চৌধুৰীৰ সিকাষে সম্পূৰ্ণ নিৰাপদে শুই থাকে। এই নিৰাপত্তা ইমানেই নিৰাপদ যে তাৰ পৰা তাই এটি প্ৰচণ্ড জীয়া বিপদ বাঞ্চা কৰি থাকে। কণ কণ ল'ৰা-ছোৱালীবোৰৰ পৰা ৰক্ষা পাবলৈ দুৰ্গাই দুৱাৰখন বন্ধ কৰি উঠি সেইখন দুৱাৰ মুকলি কৰিবলৈ ছট্‌ফটাই থাকে। দুৱাৰখন খোল খাবলৈ বহু দূৰ, কিন্তু সেইখন মুকলি হ'লৈই চাগে আৰু বেছি দূৰ নাই। কাকো দান কৰিব নোৱাৰা সুধাময় বুকু এখনৰ ওপৰত ৰংচঙীয়া ব্লাউজ কিছুমান আটি আটি পিন্ধি থকাটো খুব যন্ত্ৰনাদায়ক, বৰ নিৰ্মম।

"পূৰণ, চাবি, সৌবোৰ চোৰাত-পাত" সতৰ্ক জোৱানৰ বিশুদ্ধ ভংগীমাৰে বিবেক চৌধুৰীয়ে তাক সাৱধান কৰি দিলে, যেন পিছ মুহূৰ্ততে প্ৰত্যেকটো চোৰাত পাতৰ তলৰ পৰা এখন এখন মুখ মূৰ তুলি চাব।" "আজি দুৰ্গাই বন্তি জ্বলাইছিল নে নাই অ'?" দূৰণিৰ এন্ধাৰৰ পিনে চকু ৰাখি চৌধুৰীয়ে সুধিলে। পূৰণে তেওঁক প্ৰায়ে কয় যে, তেওঁ হাবিলৈ খোজ লোৱাৰ ঠিক পিছতেই দুৰ্গাই সদায় তুলসীৰ গুৰিত এগচি বন্তি জ্বলায়। তেওঁ কোনোদিন সেয়া দেখা নাই, চোতালৰ পৰা আঁতৰি অহাৰ পিছত তেওঁ কেতিয়াও পূৰণৰ দৰে পিছলৈ ঘূৰি নেচায়। কঠোৰ অন্ধকাৰৰ মাজলৈ গতি কৰাৰ পূৰ্বে কোমল কোমল, ৰঙা ৰঙা মুখ এখনি চাই লব'লৈ তেওঁৰ সাহ নহয়। পিছে আজি পূৰণ নিমাত। আইদেৰেকে তুলসীৰ গুৰিত চাকি জ্বলোৱা দৃশ্যটো চাবলৈ মূৰ ঘূৰাই সি কেৱল বন্ধ দুৱাৰখনহে দেখিছিল। তাৰ ভাব হৈছিল, যিখন আকাশত বিজুলী জিলিকিব লাগে, সেইকন আকাশৰ পৰা আজি বজ্ৰপাত পেলোৱাৰ যেন দিহা কৰা হৈছে।

খুব সাৱধানে প্ৰকাণ্ড উঁই হাঁফলু এটা পাৰ হোৱাৰ ঠিক পিছতেই বিবেক চৌধুৰীয়ে বিচাৰি থকা বজ্ৰপাতকণ দৃশ্যমান হ'ল। চেগুণ এজোপাৰ তলত ৰাজকীয় ভংগীমাৰে শুই আছে সেই প্ৰাচীন অজগৰডাল। অ'ত বছৰে লুকা ভাকু খেলি খেলি অৱশেষত ধৰা দিয়া ৰূপকুমাৰীৰ দৰে সি শুই আছে। তাৰ সূৰ্যসম শৰীৰৰ সেই ক'লা-সেউজীয়া নক্সাবোৰৰ ওপৰত এটি দুটি শুকান পাত মৰমেৰে সৰি পৰিছে। চৌধুৰীৰ হাত কঁপি উঠিল। গছডালৰ দেহাত ভেঁজা দি তেওঁৰ অকপটে কান্দি পেলাবৰ মন গ'ল। পঁচিছ ত্ৰিছ বছৰে অপৰাজিত জীউ এটা এই নিজান এন্ধাৰত গোপনে নিঃশেষ কৰি দিয়াটো ইমান অন্যায়। হঠাৎ কেউপিনৰ পৰা দবা, খোল, তাল বাজি উঠিলেইতো হয়। সি সাৰ পাই আঁতৰি যাবগৈ। পূৰণে তেওঁৰ বাহুত ধৰি জোকাৰি দিলে, সি ভয় খাইছে।' "দুৰ্গাই তুলসীতলত সদায় বন্তি জ্বলোৱাটো তই বিচাৰনে?" তাইৰ আলোক সজ্জিতা মুখখনিৰ কথা মনলৈ আনি চৌধুৰীয়ে পূৰণক সুধিলে। তেওঁৰ চকুযুৰি ডাঙৰকৈ মেল খাই গ'ল, জিভাখনি শুকাই গ'ল। চিৰশান্তিৰ ভংগীমাত গঢ়ি তোলা মাটিৰ প্ৰতিমাক হাহাকাৰৰ ৰূপ দিবলৈ তেওঁ সাজু হ'ল। দুৰ্দান্ত বন্দুকটো চিধাকৈ টোৱাই তেওঁ পিছুৱাই গ'ল- এক, দুই, তিনি- তিনিবাৰ গৰ্জন কৰি চৌধুৰীয়ে বজ্ৰপাত পেলালে। সাগৰৰ পানীত ঢৌ উঠাৰ দৰে অজগৰডালে ঢৰফৰাই উঠিল, লৰচৰ কৰিলে, শেষত পৰ্বত হৈ পৰি থাকিল। বৃহৎ যৱনিকাৰ মিহি সুৰ এটিয়ে ক্ষীণ পোহৰত নৃত্য কৰিবলৈ ল'লে। চৌধুৰীয়ে আগবাঢ়ি গৈ অজগৰটোৰ নিশ্চল শৰীৰত কঁপা কঁপা আঙুলিৰে হাত বুলাই চালে- যেন মহাপ্ৰলয়ৰ আগদিনা খনিকৰে নিজে গঢ়া প্ৰতিমাৰ দেৱভূষণ খুলি বিসৰ্জনৰ বাবে সাজু কৰি কান্দোনত ভাগি পৰিছে। নেপথ্যত বাজি থকা জিলিৰ মাতৰ তালে তালে চৌধুৰী আৰু পূৰণে অজগৰডাল কান্ধত তুলি লোৱাৰ লগে লগে পোনতে মাটিত বহি পৰিব লগা হ'ল। তাৰ দেহত পচিছ ত্ৰিছ বছৰৰ ওজন, তাৰ দেহৰ প্ৰত্যেকটো ইঞ্চিৰ, প্ৰত্যেকটো বিন্দুৰ ভৰ দুখন বাহিৰা কান্ধে সহ্য কৰিব পৰা ৰাতিটো এটা কালৰাত্ৰি হোৱা যুগুত।

'বিচনা পাৰিছা?' হাতত লণ্ঠন এটা লৈ এন্ধাৰ কোঠালিটোৰ দুৱাৰমুখত আহি থিয় দিয়া দুৰ্গাৰ পিনে চাই চৌধুৰীয়ে সুধিলে। অন্ধ আকাশত তাইক জোন জ্বলি উঠা যেন লাগিছে। এৰা। তাই বিচনা পাৰিছে। তিৰবিৰাই উঠা চকুযুৰি দুৰ্গাই পূৰণৰ পিনে ঘূৰালে। বহু পুৰণি টিনৰ বাকচ এটি সি জাৰি জোকাৰি চাফা কৰিছে। তাৰ কাষত লেতু সেতু হৈ পৰি আছে সেই বহু আকাংক্ষিতে পৰাভূত শৰীৰডাল। ক্ষন্তেক পিছতে তাক টিনৰ বাকচটোৰ ভিতৰত শুৱাই দিয়া হ'ব। ভাগৰুৱা হাতেৰে কামিজৰ বুতাম সোলোকাই যাওঁতে বিবেক চৌধুৰী থমকি ৰ'ল- আঙঠি নিপিন্ধা ৰঙচুৱা লাহী আঙুলিৰে দুৰ্গাই বুকুত সুৰসুৰাই দিয়া হ'লে। শুধ বগা চোলাটোৰ কান্ধৰ ওপৰত ৰঙা সূতা এডালিৰ দৰে এটি তেজৰ চিন দেখা গৈছে। কান্ধৰ ওপৰেদি নামি আহি অকমাণি সুঁতিটো আধাতে বৈ দিছে, ইহকালৰ মহাভুলটো কৰি পোলোৱা বুলি সি যেন আত্মজ্ঞান লভিছে। বিবেক চৌধুৰীৰ

কিবা অখজা অখজা লাগিল। এটা অপূৰ্ণ জংঘলী কামনাৰ পৰা তেওঁ দেখোন মুক্তি লভিলে। বিধ্বস্ত ৰণক্ষেত্ৰৰ পৰা এজন সেনানায়কে বিজয় গৰ্ব্বেৰে আহি ঘৰত প্ৰৱেশ কৰিছে। তেওঁৰ পত্নীয়ে তেওঁলৈ পোহৰ আনিছে, আহাৰ সিজাইছে, ওখ ওখ মস্ত বিচনা পাৰিছে বুলি কৈছে- ইমানেই ? হাঁহি, চকুপানী, পূৰ্ণ আলিংগন, জোনাকী জোনাকী কথা- এইবোৰ নাই নেকি? নাই যদি হ'ব লাগে। লোভনীয় আহাৰ কিছুমান সমুখত পাই নিৰ্লোভ হৈ বহি থকাটো এটা গোকাট মিছা কথা।

"কাইলৈ ৰাতিপুৱাই উঠি বন্ধুৰ ঘৰলৈ যাম, শুনিছা, বিনয় হাজৰিকাৰ ঘৰলৈ। তেওঁক আকৌ মই কবই নেলাগে নহয়, মোৰ লগতে ওলাবহি আহি। এডাল সুন্দৰ অজগৰ সুন্দৰকৈ মৰি থকা চাবলৈ তেওঁৰ যে কেনে হাবিয়াস আছিল- গামোচা এখনিৰে কিলাকুটিৰ ভাঁজত লাগি থকা পানীৰ টোপালবোৰ টুকি বিবেক চৌধুৰীয়ে ক'লে। ওচৰতে তেওঁৰ চিকুণ বনিয়ন এটা হাতত লৈ দুৰ্গা ৰৈ আছে। শোৱনিকোঠাৰ ব্যস্ত খিৰিকীৰে উদাস জোনাক সৰকি অহা নাই। এই শেষৰাতিখন পূৰণে বাহিৰত কাৰোবাৰ স'তে গুণগুণকৈ কথা পাতিছে। কাৰ স'তেনো তাকে চাবলৈ দুৰ্গাই পোনতে খিৰিকীৰে চাই তাৰ পিছত দুৱাৰখন খুলিবলৈ আগুৱাই গ'ল। ৰামু আৰু দীনই আলিৰ কাষত বহি জোনাকী পৰুৱা চাই আছিল, সিদ্ধিৰামে এন্ধাৰ চোতালত বহি বিচনীৰ বা লৈছিল, গোলাপীয়ে মমবাতিৰ পোহৰত কামিজ এটাত টাপলি লগাইছিল, মণিৰাম আৰু তাৰ ল'ৰাহঁতৰ চিল্‌মিল্‌কৈ টোপনি আহিছিল, জুনুকাই গাৰ পৰা চাদৰখন আঁতৰাই থৈ বিচনাত উঠিছিল- ঠিক এনেকুৱা মুহূৰ্ততে ইহঁত সকলোৱে তিনিটা ভয়লগা গুলীৰ শব্দ শুনিলে। জুপুকা মাৰি কিছুপৰ বহি থাকি আৰু একো নুফুটা দেখি সিহঁতে যদু, ৰাধিন কা, হৰিভাই আৰু বিপিনহঁতৰ দলটোক গোটাই পিতাই গুলী ফুটোৱাৰ কাৰণ বিচাৰি আহিছে। পূৰণে সিহঁতৰ লগত কথা পাতিছে আৰু দুৰ্গাৰ পিছে পিছে চৌধুৰী বাহিৰলৈ ওলাই অহাৰ লগে লগে সিহঁতে চকুবোৰ পিৰিকিয়াই, বিড়িবোৰ পেলাই গচকি, চাদৰবোৰ টানি টুনি, গামোচাবোৰ সযতনে গাঁঠি মাৰি সৰ্বশ্ৰেষ্ঠ কায়দাত থিয় হ'বলৈ যত্ন কৰিলে- যেন ভিক্ষাৰী হোৱাৰ পূৰ্বে এজাক মানুহে ভিক্ষা মগাৰ আখৰাত ভাগ ল'বলৈ সাজু হৈছে। চৌধুৰীয়ে বুজি পালে, সিহঁতে গুলী খোৱা অজগৰডাল চাবলৈ আহিছে। তেওঁ এন্ধাৰ কোঠাটোলৈ সোমাই গ'ল, টিনৰ বাকচটোৰ ঢাকনিখন মেলিলে। জীৰ্ণ শব্দ, শীৰ্ণ এন্ধাৰ আৰু শূণ্য আকাশ অকণ বুকুত সাৱটি অজগৰটোৱে সৰ্বহাৰাৰ ভংগীমাত শুই আছে। চকুযুৰি মুদি তেওঁ বাহিৰ ওলাই আহিল। পুতলা বিচাৰি বিচাৰি নিজেই পুতলা হৈ পৰা কণমান কেঁচুৱা এটি আঁকোৱালি লোৱাৰ তেওঁৰ এক অদ্ভুত হুতাশ জাগিল' 'ক'ত ?' 'কিমান দীঘল ?' 'হাবিতে পৰি আছে নেকি ?' এনেবোৰ গুণ্‌গুণনি কেতিয়াবাই শেষ হ'ল, এতিয়া চৌধুৰীৰ অনুমতি পালেই বিপিনহঁতে এন্ধাৰ কোঠাটোলৈ গৈ টিনৰ বাকচটো দাঙি আনিব পাৰে। কিন্তু, দুৰ্গাই হ'লে জানে। "এইখন বিচনাত শুবলৈ বৰ ভাল" বুলি বিবেক চৌধুৰীয়ে নোকোৱাৰ দিনা সেই বিচনাখন কি কি ফুলৰ ৰঙেৰে সজাব লাগে- তাক খুব ভালদৰে ধৰিব পৰা দুৰ্গাই মাত লগালে, "তোমালোকৰ খুউব ফুৰ্তি লাগিছে নহয়? পিছে এতিয়া বৰ বেয়াকৈ ৰাতি হ'ল। জোনৰ পোহৰত ফূৰ্তি কৰিলে মিছা মিছা লাগিব। কাইলৈ দুপৰীয়া আটাইসকল আহি দুপৰীয়াৰ সাজ ইয়াতে খাই যাবাহি, ঘামি উঠা কঁপালখন আঁচলেৰে মোহাৰি দুৰ্গাই কৈ গ'ল, "প্ৰকাণ্ড চিকাৰটোও তেতিয়াই দেখিবা, এখেতে নিজহাতে দেখুৱাব। হেঁপাহৰ ভাত এসাঁজ খাই, নেদেখা বস্তু এটা চাবলৈ বৰ ভাল লাগিব, নহয়?" গোলাপ ৰঙৰ বিচনা এখনত বিবেক চৌধুৰীয়ে দুৰ্ঘোৰ টোপনি মাৰি থকাৰ দৰে সন্তুষ্ট হৈ মানুহবোৰ উভতি গ'ল। দুৰ্গাৰো অকণ ফুৰ্তি কৰিবলৈ মন গ'ল, অকলশৰে। বিচনাত, দুৰ্গাই শোৱা ঠাইখিনিত, পাছফালৰ অনুজ্বল বাল্বটোৰ চেপেটা হালধীয়া কণী এটা পৰি আছিল। তাই শুই দিয়াৰ লগে লগে কণীটো তাইৰ বুকুৰ ওপৰত উঠিল। সেইটোৰ পৰিধিৰ ভিতৰত থাপি থুপি শুৱাই থবলৈ খুদমান দেহা এটি থকা হ'লে। আৰু হেজাৰজনী দুৰ্গা বিবেক চৌধুৰীৰ সম্পত্তি হওক- তাত তাইৰ আপত্তি নাই, বুকুৰ মঙহৰ সমান বুলিবলৈ মাথো তাইৰ আলোক সুন্দৰ এটি সম্পত্তি থকা হ'লে।

ৰাতিপুৱা কাউৰীয়ে কা কৰা পৰত সাৰ পাই বিবেক চৌধুৰীয়ে বোৱাৰীয়ে চোতাল সৰা পৰত ওলাই গ'ল। যেতিয়া দুৰ্গাই তিতা চুলিকোছাৰ সুগন্ধি পানীখিনি শুকাবলৈ বুলি জীপাল গামোছাখন ৰ'দত মেলি দিলে, তেতিয়া চৌধুৰীৰ মাখনৰঙী গাড়ীখন বিপিনহঁতৰ পদূলিৰদোঁ খাই পৰা নাহৰজোপাৰ তলেৰে ৰাতিপুৱাৰ অতিথিৰ নিচিনাকৈ গৈ থকা দেখা গ'ল।

দুপৰীয়া চোতালত, বাৰান্দাত, চ'ৰাঘৰত-থৈলা, পীৰা এইবোৰ পাৰি ত্ৰিছ-পইত্ৰিছজন মানুহ হাঁহি ধেমালি কৰি শাৰী পাতি বহিল। খালী খালী পাতবোৰত যেতিয়াই ভাত আৰু মাংস পৰিল, তেতিয়াই মানুহবোৰৰ মাজত ৰজা নথকা প্ৰাসাদত ৰাণী প্ৰৱেশ কৰিলে যেনেকুৱা গুণগুণনি উঠিব লাগে, তেনেকুৱা গুণগুণনি উঠিল। পূৰণ আৰু বিপিনে ৰান্ধনিঘৰৰ দুৱাৰমুখত থিয় দি ৰৈছে। সিহঁতে আটাইৰে শেষত খাব। এনেতে ৰামুৰ পাতত এটুকুৰা অদ্ভুত মঙহ পৰিল। সি সেইডোখৰ শুঙি চালে, চকুৰ আগত তুলি লৈ বাওঁচকু মুদি সোঁ চকুৰে চাই "এস, এনেকুৱানো কিয় হ'ল" বুলি ভোৰভোৰাই থাকিল।

তাক দেখি আটাইখনে গিৰ্জনি মাৰি হাঁহিলে আৰু মাংস টুকুৰা ৰামুৰ হাতৰ পৰা বাগৰি বাগৰি গৈ শেষৰ শাৰীত, বাৰান্দাৰ খুঁটাৰ কাষত বহা ডম্বৰুৰ সৰুজনী ভনীয়েকৰ হাতত পৰিল। তাই কাষত বহা লীলালৈ এবাৰ চাই সেইডোখৰ চোবাবলৈ লাগিল। লীলাই তাইলৈ "খা, খা ৰামুৱে দিছে যেতিয়া তইতো খাবিয়েই" জাতীয় চাৱনি এটা মাৰি পঠিয়ালে।ডম্বৰুৰ ভনীয়েকেও ওলোটাই "তাৰ মানে ৰামুৱে দিলে তয়ো খালিহেঁতেন?" যেন লগা দৃষ্টিৰে চালে। তেনেতে দুৰ্গা অহা দেখি সেইবোৰ বন্ধ হ'ল। কেইখনমান মুখত দুটামান হাঁহি মাথোঁ লাগি থাকিল। যেন ৰাণীয়ে প্ৰজাসৰক আদৰিব, নে প্ৰজাসৱে ৰাণীক আদৰিব সেয়া কোনেও ঠিৰাং কৰিব পৰা নাই। "এস, তোৰ গাতচোন গোটেই ৰ'দখন পৰিছে, পিঠিখন ঘূৰাই নবহিলি কিয়?" সিদ্ধিৰামৰ দহ বছৰীয়া পুতেকৰ মূৰত হাত ফুৰাই দুৰ্গাই ক'লে। তেনেতে তাইৰ চকু মালতী পেহীৰ পাতত পৰিল। নিচলাই ভিক্ষা মগাৰ দৰে কৰুণ কণ্ঠেৰে দুৰ্গাই কলে "অ' পেহী, তোৰ বাৰু দাঁত নাই, আজি এদিনৰ বাবে এডোখৰ মাংস চোবাই চাবও নোৱাৰিলিনে?" বিপিন আৰু পূৰণে ইটোৱে সিটোৰ মুখলৈ চালে - দুৰ্গাই যিটো বাটেৰে আগুৱাই গৈছে, প্ৰত্যেকটো বাটেই ৰঙা পৰি পৰি উঠিছে। সিদ্ধিৰামে চিএঞৰিলে, "তহঁত দুটাই কেতিয়া খাবিহঁক। তহঁতে কেনেকুৱা ছাগলী কাটিছ, আটাইৰে শেষত কিমানখিনি মাংস খাবি তহঁতেহে জান বাৰু।" পূৰণে মূৰ তুলি সিদ্ধিৰামলৈ চালে- এৰা, কেনেকুৱা মাংস কাটিবলৈ কেনেকুৱা হাত লাগে তাৰ দৰে কোনেও নেজানে।

"কিয়নো পাহৰিলা? চোতালৰ সেইটো কোণত, য'ত এজোপা বকুল আছিল, তাত এটা দমকল বহুৱালো অৰশ্যে আৰু এইফালৰ কোঠালিটো- সৌটো তুমি দেখা নাই, নতুনকৈ কৰা। আৰু য'ত আগতে দেউতাই লিখা পঢ়া কৰিছিল- সেইটো এতিয়া এন্ধাৰ কোঠা, তাত লাংখা-লিংখি বস্তুবোৰ থাকে"। শেষ হৈ অহা দুপৰীয়াৰ ৰ'দৰ তাপত দীনহঁতৰ পিঠিবোৰ গৰম গৰম হৈ থকা সময়তে পদূলিয়েদি বিবেক চৌধুৰীৰ লগত বিনয় হাজৰিকা সোমাই আহিল। হাজৰিকাই চৌধুৰীহঁতৰ ঘৰটো কিছু পাহৰিছে। জংঘলী ঘৰ, বে জংঘলী মানুহ, পাহৰাৰেই কথা। নাটকৰ অন্তিম দৃশ্যৰ আগে আগে কানি কাপোৰ ঠিক-ঠাক কৰি যাবলৈ সাজু হোৱাৰ দৰে মানুহবোৰ চোতালত হাহি আছে। ভিতৰৰ পৰা পূৰণে দুখন কাঠৰ চকী চোঁচোৰাই আনিলে। "তোমালোকে কি খালাহঁক?" এখন চকী বন্ধুৰ পিনে আগবঢ়াই দি চৌধুৰীয়ে সুধিলে। সিহঁতৰ মাজত যেনেকুৱা গুণগুণনি উঠিল, তাৰ পৰা দুটা শব্দ সাজি পাৰি আহি তেওঁৰ কাণত পৰিল "ভাত আৰু মাংস"। মাংস? কি ক'লে ইহঁতে? মাংস? যেতিয়াই তেতিয়াই মাংসৰ আয়োজন কৰা বাবে পূৰণক এজাউৰি দিব লাগিব। মূধচৰ ওপৰেদি ভুমুকি মৰা সোণালী, চিৰন্তন আকাশকণত পূৰণৰ চকু পৰিছিল। নাই, কেনেকুৱা মাংস কাটিবলৈ কেনেকুৱা হাতৰ প্ৰয়োজন, সি ভালদৰে নেজানে। মাংসৰ গোন্ধ পাহৰিবলৈ যত্ন কৰি ক'ৰবাত ঘিঁউ ঘিউ গোন্ধায় নেকি, তাকে বিচাৰি বিচাৰি বিবেক চৌধুৰী এন্ধাৰ কোঠাটোলৈ সোমাই গ'ল- যিডোখৰ ঠাইত তেওঁৰ দেউতাকে চকীত বহি বজাৰৰ হিচাপ লিখিছিল, সেইডোখৰ ঠাইত এতিয়া বাকচটো পৰি আছে, বাহিৰত সৰু সৰু মানুহবোৰৰ লগত তেওঁৰ বিয়াগোম বন্ধুৱে এখন চুটি, কঠিন ছবি চাবলৈ ব্যগ্ৰ হৈ আছে। কেৰেক্‌কৈ শব্দ কৰি তাৰ ঢাকনিখন খোল খালে আৰু.. কোনেও কাহানিও নুশুনা অৰণ্যৰ গোপন চিঞৰ এটি যেন অকস্মাৎ বাহিৰ হ'ল, অদ্ভুত কথা- ভিতৰত মৰা অজগৰদাল নাই। বিবেক চৌধূৰীয়ে বলিয়াৰ দৰে ইফালে চালে, সিফালে চালে, কাঠৰ তক্তাবোৰ সিকাষলৈ ঠেলিলে। সি তিনিটা গুলী খাইছিল আৰু দুখন কান্ধত ভৰ থৈ ঘৰলৈ আহিছিল, তেনেহ'লে? তেওঁ লেতেৰা খিৰিকিবোৰ মেলি দিলে। এন্ধাৰ কোঠাটো পোহৰ হৈ উঠিল। বাহিৰত মানুহবোৰ ৰৈ আছে, বৰ ধৈৰ্যৰে, সমৱেত কণ্ঠেৰে এটি গধূলিৰ ৰাগ গাবলৈ। চৌধুৰীৰ চকুৰ আগত পৃথিৱীখন ঘূৰি থাকিল, দুৰ্গাই আজি কিহৰ মাংস খুৱালে? কাৰ মাংস?

দুৰ্গাক বিচাৰি তেওঁ শোৱাকোঠা ওলালগৈ। দুৱাৰলৈ পিঠি দি তাই কাপোৰ জাপিছে। এইজনা সাত বছৰৰ আগৰ দুৰ্গা, মাটিবোৰ জহি খহি গৈছে, কিন্তু বিসৰ্জন দিয়া হোৱা নাই। চাদৰ এখন বহলকৈ মেলি ধৰি তাই চৌধুৰীৰ ফালে ঘূৰি চালে যেন পিছমুহূৰ্ততে চাদৰখনে, কণমান কেঁচুৱা এটি মেৰিয়াই ল'ব। তাত এটা তেজাল দাগ, ঘূৰণীয়া। উদ্ভট পৃথিৱীৰ এই মিঠা সন্ধিয়া, এটা সম্ভ্ৰান্ত শোৱাকোঠাত, চকুত সাত বছৰৰ এটা জ্বলন্ত স্ফুলিংগ লৈ, হাঁহি এটি মাৰি দুৰ্গাই তেওঁক সুধিলে, "আপোনাৰ ভাল"।

*(আলোচনী সম্পাদকৰ সৌজন্যত অনুষ্ঠিত গল্প প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ গল্প)*



# উপহাৰ

- মনস্বিতা শৰ্মা
স্নাতক তৃতীয় ষাণ্মাসিক
প্ৰাণী বিজ্ঞান বিভাগ

এজাক ভোকাতুৰ কুকুৰৰ আৰাওত নিশাটো অধিক জয়াল হৈ পৰে। ঘৰৰ আমগছজোপাৰ ডালত বহি লৈ নিশাচৰ চৰাই কেইটামানে কুৰুলিয়াই থাকে। আন্ধাৰ পি পি দীঘল নিশাটোৱে উচুপি উঠে পোহৰৰ বাসনাত। চৌদিশে অনুভূত হয় ৰুগ্ন আকাশ বতাহৰ আৰ্তনাদ। বিচনাত জঠৰভাৱে দীঘল দি ঘূৰ্ণীয়মান চিলিং ফেনখনলৈ একেলেঠাৰিয়ে চাই ৰোৱা মোৰ দুচকুৰে নিজৰ অজ্ঞাতে পাৰভাঙি নিগৰি অহা লোতকত শিতানৰ গাৰুটো তিতে। এক গভীৰ বিষণ্ণতা, একাকীত্বৰ অনুভৱে বহু দ পুখুৰী এটাৰ তলিৰ পৰা উঠি অহা এজাক বুৰবুৰণিৰ দৰে মন-মগজু ছানি ধৰে। মই যে সম্পূৰ্ণ অন্ধকাৰ, চেঁচা অৰণ্য এখনৰ মাজলৈ ক্ৰমাৎ সোমাই গৈ থাকো য'ত বহুদিন ধৰি সূৰ্যই ভূমুকি মৰা নাই, য'ত নাই মানুহৰ অস্তিত্ব। আকাশৰ আঙুলিৰ মূৰত নিস্তৰংগ জলাশয় অথবা শীতৰ লঠঙা গছ এজোপাৰ লেখীয়াকৈ স্থবিৰ হৈ ৰয় ৰক্তাক্ত কাঁচিজোনটো।

খিৰিকীৰ পৰ্দাৰ ফাঁকেৰে সোমাই অহা ষ্ট্ৰীট লাইটৰ ক্ষীণ পোহৰটোৰ বাদে কোঠাটো প্ৰায় অন্ধকাৰ। হাতেৰে খেপিয়াই গাৰুৰ কাষত নিতাল হৈ পৰি থকা মোবাইল ফোনটো

উলিয়াই সময়টো চালো। বাৰ বাজিবলৈ পাঁচ মিনিট বাকী। ঠিক পাঁচ মিনিট পিছতেই বৃদ্ধত্ব আৰু মৃত্যুৰ দুৱাৰডলিৰ দিশে মই আৰু এখোজ আগুৱাম। মোবাইলৰ ফ্লেশ্ব লাইটটো জ্বলাই কাষৰ বিচনাত নিশ্চিন্ত মনে সাৰটা সাৰটিকৈ শুই থকা ছোৱালী দুজনীলৈ এবাৰ লক্ষ্য কৰিলোঁ। প্ৰতি বছৰৰ দৰে এইবেলিয়ো আজিৰ এই সময়খিনিত সিহঁতহালে টোপনি যোৱাৰ অভিনয় কৰি থকা নাইতো? পাঁচ মিনিট পিছতেই দুয়োজনীয়ে একেলগে চিঞৰি উঠিব নেকি? "হেপ্পী বাৰ্থডে মা" বুলি? হঠাৎ যেন জ্বলি উঠিব ঘৰটোৰ সকলোবোৰ লাইট, দুহাতে কেক আৰু চুৰী এখন লৈ আগুৱাই আহিব বিজিত...। নাই, এতিয়া এইবোৰ কহিনুৰৰঙী মিঠা স্মৃতি কিছুমানৰ বাদে একো নহয়। তেওঁ কাহানিও ওভতি নাহে আৰু এক কঠিন সত্য এয়া। জীৱনে যে ইমান সহজে গতি সলাব পাৰে, নিকট সোঁৱৰণীৰ প্ৰতিটো তিতা, মিঠা মুহূৰ্তই সেই কথা স্পষ্টকৈ কৈ যায়। সময়ৰ কুঁৱলী ফালি পাখি লগা মনটোৱে অনুমতি অবিহনেই উৰা মাৰে অতীতলৈ।

গৌহাটী ইউনিভাৰ্চিটি, চিনাকি সেই কৃষ্ণচূড়াৰ দেশত বিজিতৰ সৈতে প্ৰথম সাক্ষাৎ হৈছিল। সেই প্ৰথম চিনাকীৰ পৰা প্ৰেমৰ সম্বন্ধলৈ মাজত এক সুদীৰ্ঘ পথ। দুয়ো একেটা শ্ৰেণী, একেটা বিভাগৰেই আছিলোঁ। ভাল গল্প, কবিতা লিখা বিজিতৰ প্ৰতিটো শব্দ, প্ৰতিটো কবিতাই এখন এখনকৈ খুলি পেলাইছিল মোৰ স্বপ্নৰ নীলিম দুৱাৰ। মোলৈ তেওঁ কঢ়িয়াই আনিছিল এজাক কোমল ৰ'দ যিয়ে পোহৰাই তুলিছিল মোৰ সৰু পৃথিৱীখন। খাবলৈ বহা পৰতো গান বেয়া পোৱা মইজনীৰ মুখেৰে গানৰ কলি ওলাইছিল। লগৰবোৰে জোকাওঁতে লাজতে মোৰ গাল দুখন চেৰীফুলৰ লেখীয়া ৰঙা হৈ পৰিছিল। হৃদয়ৰ নিভৃততম কোণত লুকাই থকা সকলো অনুভূতিক কাউৰীঠেঙীয়া আখৰেৰে চিঠি আকাৰত লিখি তেওঁক জনাইছিলোঁ। মৰমে সাকোঁ সাজিছিল, যি সাকোঁৰে ইজনে -সিজনৰ হৃদয়ত প্ৰৱেশ কৰিছিলোঁ। তেওঁৰ কথা ভাবি ৰাতি বহু পৰ উজাগৰে থাকিও অনুভৱ কৰিছিলোঁ এক বিশেষ মাদকতা। সময়ৰ সৈতে বাঢ়ি গৈছিল ভালপোৱাৰ গভীৰতাও। আজীৱন সুখে দুখে একেলগে থকাৰ সিদ্ধান্ত লৈ পেলাইছিলোঁ দুয়োজনে। উপযুক্ত সময়ত বুকুত সাহস গোটাই ঘৰত কথাবোৰ খুলি কৈছিলোঁ। দেখিবলৈ ধুনীয়া আছিলোঁ বাবেই হয়তো সেই সময়ত বহু প্ৰভাৱশালী পৰিয়ালৰ পৰা বিয়াৰ প্ৰস্তাৱ আহিছিল মোলৈ। সেই সকলোবোৰ প্ৰস্তাৱ একেমুখে নাকচ কৰি কোনো সংস্থাপন নোহোৱা, দেখিবলৈ বেয়া, নিম্ন মধ্যবিত্ত ঘৰৰ ল'ৰা এজনক জীৱন সংগী হিচাপে নিৰ্বাচিত কৰা বিষয়টোত দুৰ্ঘোৰ আপত্তি দৰ্শাইছিল পৰিয়ালৰ প্ৰতিজন সদস্যই। কাকো টানকৈ কথা এষাৰ কৈ নোপোৱা মই জীৱনত প্ৰথমবাৰৰ বাবে তৰ্কাতৰ্কিত লিপ্ত হৈছিলো জন্মদাতাৰ সৈতে। তেওঁক একান্তই নিজৰ কৰি পোৱাৰ বাসনাত উদ্বাউল হৈ পৰিছিলোঁ প্ৰতিটো মুহূৰ্তত। চকুপানীতেই ডুবি আছিলোঁ অহৰহ আৰু অৱশেষত মা-দেউতাই অনিচ্ছাসত্বেও নিজৰ একমাত্ৰ ছোৱালীৰ ওঁঠৰ হাঁহিটোৰ স্বাৰ্থতেই হয়তো স্বীকাৰ কৰিবলৈ সাজু হৈছিল বিজিত আৰু মোৰ সম্বন্ধক। মা-দেউতাক কন্দুৱাই নিজে হাঁহিছিলো সিদিনা। অনাড়ম্বৰ পূৰ্ণভাৱে বিয়াখন হৈ গৈছিল আমাৰ।

বিয়াৰ পিছৰ দিনবোৰ মই আশা কৰা ধৰণৰ নাছিল। প্ৰিয়জনৰ কাৰেঙৰ ৰাণী হৈ থকাৰ সপোন, সপোন হৈয়েই ৰৈছিল। বাস্তৱত মই যৌথ পৰিয়াল এটাৰ সকলোখিনি ঘৰুৱা কাম চম্ভালি লোৱা যন্ত্ৰ এটালৈহে পৰিণত হৈছিলোঁ। থল নাছিল আপত্তি কৰাৰ, যিহেতু বিজিতৰ উপাৰ্জন আছিল শূন্য। শহুৰৰ পেঞ্চনৰ এটা অংশৰ ওপৰত নিৰ্ভৰশীল হৈ চলাটোৱেই আছিল আমাৰ অপৰাধ। ঘৰত কাৰোবাৰ মোজা এপাত বিচাৰি নাপালেও মোক চোৰ সজোৱা হৈছিল। খাবলৈ বহা পৰত বজাৰত খাদ্য সামগ্ৰীৰ মূল্যবৃদ্ধি সম্পৰ্কে মোক আভাষ দিয়াটো নবৌৰ এটা নিত্য নৈমিত্তিক অভ্যাসত পৰিণত হৈছিল। বহুদিন খঙে দুখে বিহ্বল হৈ আধাখোৱাকৈয়ে উঠি আহিবলৈ বাধ্য হৈছিলোঁ। পুৱা শুই উঠাৰ পৰা ৰাতি শোৱাপাটিলৈ যোৱা পৰলৈকে সন্মুখীন হোৱা বিভিন্নজনৰ বিভিন্ন ধৰণৰ কটাক্ষই বুকুত হুলে বিন্ধা দি বিন্ধিছিল। সকলোবোৰ দেখি শুনি নীৰৱে চকুলো টুকিছিল বিজিতে। একমাত্ৰ উপাৰ্জন নোহোৱা বাবেই নিজৰ ঘৰতেই তেওঁ হেৰুৱাই পেলাইছিল বাক্ স্বাধীনতা। বিৰতিবিহীনভাৱে দিনটো কামৰ মাজত সোমাই থাকি সন্ধিয়াপৰত তেওঁৰ বুকুত মূৰটো গুজি দিছিলোঁ মৰুভূমিৰ দুস্তৰ পথ অতিক্ৰম কৰি মৰুদ্যানত উপস্থিত হোৱা ক্লান্ত পথিকৰ দৰে। সেইটো মুহূৰ্তত গভীৰ প্ৰশান্তি বিলাই বগাকৈ পাৰ চৰাইজনী যেন উৰি গৈছিল মূৰৰ ওপৰেৰে। তেওঁৰ এষাৰ মৰমৰ মাতে সাময়িক সকাহ দিছিল যন্ত্ৰণাদগ্ধ জীৱন যাত্ৰাত সন্মুখীন হৈ থকা নিষ্পেষণৰ পৰা। গতানুগতিকভাৱে জীৱনটো আগুৱাইছিল।

অমানিশাৰ পিছত আগন্তুক পূৰ্ণিমাৰ নিশাটোলৈ জোনটোৰ আকাৰ ক্ৰমশঃ বাঢ়ি গৈ থকাৰ লেখীয়াকৈ আমাৰো জীৱনলৈ সুদিন নামি আহিছিল ধীৰ গতিৰে। বিজিতৰ চাকৰি হৈছিল। আমিহালৰ বহুদিনীয়া সপোনৰ তাজমহলটো নিজাববীয়াকৈ সাজি লৈছিল তেওঁ। দুটি কন্যা যমজ শিশুৰ আগমনে আনন্দমুখৰ কৰি তুলিছিল ঘৰৰ চৌহদ। সঞ্চাৰিত হৈছিল নতুন

আশা, নতুন সপোন। দুয়ো হাতেৰে বুটলি লৈছিলোঁ জীৱন বাটত পৰি ৰোৱা সুখবোৰ। যৌৱনৰ হেৰাই যোৱা হাঁহি পুনৰবাৰ পিন্ধি লৈছিলোঁ ওঁঠত। জীৱনে ৰঙা, সেউজীয়া আবিৰ সানি দিছিল চৌপাশে।পৃথিৱীখনক নতুনকৈ চাবলৈ, ভাল পাবলৈ লৈছিলোঁ। দুৰ্ভাগ্যবশতঃ এই সুখকণৰ স্থায়িত্ব বৰ বেছি দিন নাছিল। পূৰ্ণিমা হ'বলৈ  নৌপাওঁতেই অভিমানী জোনটো ক'ৰবাত হেৰাই গৈছিল। চৌদিশে বৈ গৈছিল মাথোঁ বিষাদৰ ধল।

অকস্মাৎ হোৱা প্ৰচণ্ড মূৰ ঘূৰণি এটাই বিজিতক চিকিৎসকৰ কাষ পোৱাইছিলগৈ। সেই চিকিৎসালয়তেই দুহাত মেলি অধীৰ আগ্ৰহেৰে আমালৈ বুলি বাট চাই ৰৈছিল কাল ধুমুহা এজাকে। দুৰাৰোগ্য কৰ্কটে আশ্ৰয় লৈছিল তেওঁৰ মগজুত। ৰিপৰ্টবোৰ চাই চিকিৎসকে মোক একাষৰীয়াকৈ মাতি দি অভিব্যক্তিহীনভাৱে কৈ উঠিছিল, আৰু মাত্ৰ তিনিমাহহে আপোনাৰ স্বামীক আপোনালোকৰ মাজত পাব। আপুনি সাহসী হওঁক। এইবোৰ কথাৰ ভূ নিদিয়াকৈয়ে ৰোগীজনক অন্তিম দিন কেইটা জীয়াই থাকিবলৈ দিয়ক। চিকিৎসকজনে কথাকেইষাৰ কৈ থাকোতে মোৰ এনে অনুভৱ হৈছিল যেন পৃথিৱীৰ সবাতোকৈ নিষ্ঠুৰ মানুহজনে মোৰ সন্মুখত থিয় হৈ কথা কৈ আছে। কাণ দুখনত উষ্ণতা অনুভৱ কৰিছিলোঁ, মূৰটো আচন্দ্ৰাই কৰিছিল, ভৰিৰ তলৰ মাটিবোৰ ক্ৰমাৎ খহি গৈ থকা যেন লাগিছিল। বিশাল মহাশূন্যৰ বুকুত ভাৰসাম্যহীনভাৱে যেন ওলমি ৰৈছিলোঁ মই। জীৱনৰ চৰম অভিশপ্ত মুহূৰ্ত হিচাপে অভিহিত কৰিম মই আজিৰ পৰা ছমাহ পূৰ্বৰ সেই মুহূৰ্তটোক। বেমাৰটো শেষ পৰ্যায়ত ধৰা পৰা বাবে তেওঁ সুস্থ হৈ উঠাৰ কোনো আশা নাছিল। তথাপিও যেন পত্নী হিচাপে মোৰ মনটোৱে তেওঁ একেবাৰেই নোহোৱা হৈ যোৱা কথাটো কল্পনা কৰি চাবলৈকো কুণ্ঠাবোধ কৰিছিল, ত্ৰাসিত হৈছিল মন মগজু। আজীৱন শয্যাশায়ী কৰি হ'লেও মানুহজনক জীয়াই ৰখাৰ বাসনাত সেই জীৱন-মৰণৰ যুঁজখনত তেওঁৰ লগতে ময়ো এগৰাকী সেনানীলৈ ৰূপান্তৰিত হৈ পাৰ্যমানে শুশ্ৰূষা কৰি গৈছিলোঁ। কেম'থেৰাপীৰ প্ৰভাৱত তেওঁৰ চুলিবোৰ সৰিছিল, মঙহবোৰ শুকাই গৈ শৰীৰটো হাড়ে-চালে লাগিছিল। জীৱন্ত জঁকা এটাত পৰিণত হৈছিল তেওঁ। ক্ৰমাৎ তেওঁৰ হাত ভৰিবোৰ অচল হৈ পৰিছিল, কথাবোৰ পাহৰিবলৈ আৰম্ভ কৰিছিল। চকুৰ পচাৰতে ঘটি যোৱা এনেবোৰ পৰিৱৰ্তনে মানসিকভাৱে মোক কোঙা কৰি পেলাইছিল। বাথৰূমত সোমাই বহুপৰ কোনেও নেদেখাকৈ কান্দিছিলোঁ। এটাৰ পিছত এটাকৈ পাৰ হৈ গৈছিল বিনিদ্ৰ ৰজনী। অৱশেষত সকলো চিকিৎসা কিম্বা শুশ্ৰূষা অথলে গৈছিল। বেমাৰটো চিনাক্ত হোৱাৰ ঠিক তিনিমাহ পিছত চিকিৎসকৰ কথাকেই সঁচা বুলি প্ৰমাণ কৰি, ছোৱালীদুজনীৰ সৈতে মোক নিথৰুৱা কৰি তেওঁ আঁতৰি গৈছিল নীৰৱে। সিদিনা তেওঁৰ সৈতেই মৃত্যু হৈছিল বহু সপোন, বহু পৰিকল্পনাৰ। তাৰ পিছৰ পৰিস্থিতি অবৰ্ণনীয়। অৰধাৰিতভাৱেই এটাৰ পিছত আন এটা সমস্যা। সময়ে যেন বৃহতাকাৰ দৈত্য এটা হৈ অহৰহ খেদি ফুৰিছিল মোক।

> ... টকা জমা হোৱা বুলি অহা বেংকৰ মেছেজ। ছমাহ অফিচত দৌৰা-দৌৰিৰ অন্তত অৱশেষত তেওঁ পেঞ্চনৰ কামটো হ'ল। মনটোৱে অজানিতে হাহাকাৰ কৰি উঠিল। মোলৈ বুলি তেওঁৰেই সেয়া জন্মদিনৰ উপহাৰ নহয়তো? আৱেগত সজোৰে চকুহাল জপাই দিলোঁ। দুটোপাল চকুপানী গৈ মজিয়া পালে। বাহিৰত তেতিয়া গৰ্ভৱতী  ডাৱৰৰ ওখনা-ওখনি। ক্ষন্তেক পিছতে হয়তো হুৰহুৰাই বৰষুণ দিব।

উকা কপাল, গাৰ বগা সাজযোৰ দেখি ছোৱালী দুজনীয়ে ৰাউচি জুৰি কান্দিছিল। তেনেবোৰ হৃদয়বিদাৰক পৰিস্থিতিত নিজক চম্ভালি লোৱাটো মোৰ বাবে এটা ডাঙৰ প্ৰত্যাহ্বান আছিল। বিজিত জীয়াই থকা অৱস্থাত দিনৰ দিনটো ঘৰুৱা ইটো-সিটো কাম আৰু ছোৱালী দুজনীকলৈ

বুলি ক'লেও হয়তো অত্যুক্তি কৰা নহ'ব। বজাৰ-সমাৰৰ পৰা আৰম্ভ কৰি বাহিৰা সকলোবোৰ দায়িত্ব তেঁৱেই কান্ধ পাতি লৈছিল বাবেই হয়তো প্ৰথমাৱস্থাত দুহাতে দুখন গধুৰ মোনা কঢ়িয়াই বজাৰৰ পৰা ঘৰ ওভতাৰ পথত টোপাটোপে চকুপানী নিগৰিছিল। পেঞ্চনৰ কামত ইজনৰ পিছত সিজন কৰ্মচাৰীৰ টেবুললৈ দৌৰি থকা অৱস্থাত নিজকে অসহায় পৃথিৱীৰ আটাইতকৈ দুৰ্ভগীয়া মানুহজনী যেন লাগিছিল। ঘৰৰ মুৰব্বীগৰাকীৰ অনুপস্থিতিয়ে আত্মীয় স্বজনৰ হিংসা, উদগ্ৰ লিপ্সাৰ দ্বাৰ উন্মুক্ত কৰি দিছিল, যি দ্বাৰেৰে সোমাই আহিছিল অনৈতিকতাৰ অজস্ৰ বাহুৰ অক্টোপাছ। সকলোৰে চকু আছিল বিজিতৰ আৰ্জিত ধন-সম্পত্তি সমূহৰ ওপৰতহে। দুজনীকৈ ছোৱালী সহিতে বিধৱা মাইজনীৰ অস্তিত্বক পাহৰি পেলাইছিল সকলোৰে। জটিলতাৰ বিষবাষ্পৰে সম্বন্ধবোৰ ভৰি পৰিছিল। তেওঁৰ অনংগ অস্তিত্বই যেন প্ৰতিতো মুহূৰ্তত নিঃশব্দ পদসঞ্চাৰে আমাক অনুকৰণ কৰি আছে আগন্তুক প্ৰতিটো বিপদৰ পৰা উদ্ধাৰ কৰিবলৈ, তেনে এটি ধাৰণাকে বুকুৰ মাজত কঢ়িয়াই সন্তানহালক মানুহ হিচাপে গঢ় দিয়াৰ স্বাৰ্থতেই সাহসী হৈ জীৱনপথত আগুৱাই যোৱাৰ সিদ্ধান্ত লৈ পেলাইছিলোঁ। চকুপানীবোৰৰ সুযোগ আনে গ্ৰহণ কৰিব নোৱাৰাকৈ সতৰ্কতাৰে প্ৰতিটো খোজ দিছিলোঁ, আজিও দি আহিছোঁ।

উজাগৰী নিশা এটাৰ পিছত ৰাতিপুৱা গা পা ধুই গোসাঁইঘৰত অদৃষ্টক সুঁৱৰি বন্তি এগছি জ্বলাই পাকঘৰত সোমালোঁ। মনৰ মাজত অজস্ৰ ভাবৰ উকমুকনি। বিজিতৰ কিমান যে আগ্ৰহ আছিল মোৰ আৰু ছোৱালীহঁতৰ জন্মদিনবোৰক লৈ। প্ৰতিটো জন্মদিনেই স্মৰণীয় কৰি তুলিছিল তেওঁ কিবা প্ৰকাৰে। সাধ্যানুসাৰে ভাল লগা উপহাৰ হাতত তুলি দি আমাক সুখী কৰাৰ চেষ্টা কৰিছিল। জীয়াই থকা হ'লে আজিও হয়তো....। বিবাহিত জীৱনত তেওঁ অবিহনে এয়া প্ৰথমটো জন্মদিন মোৰ। সেয়ে দিনটোৰ সৈতে আজি খুব যেন সহজ হ'ব পৰা নাই মই। বিয়াৰ আগতো তেওঁক পাবলৈ অধীৰ হৈ পৰিছিলোঁ, বিয়াৰ দহ বছৰ পিছতো আকৌ এবাৰ সেই একেই অধীৰতা, যদিওবা তাৰ ফল এটা প্ৰকাণ্ড শূন্যৰ বাদে একো নহয়। উপাৰ্জনৰ সকলো পথ বন্ধ হৈ পৰাত আগৰ দৰেই সেই অভাৱ-অনাটন। নেদেখাজনে কিছুদিনৰ বাবে সকলোবোৰ দি আকৌ কাঢ়ি নি যেন ৰঙহে চাইছে আমাৰ। ছোৱালীহঁতে মোৰ জন্মদিনটোৰ কথা পাহৰিছে। পাহৰাটোৱেই স্বাভাৱিক। অপৈনত বয়সতে সিহঁতে সুখ-দুখ, হাঁহি-কান্দোন, মৃত্যু এক কথাত কবলৈ গ'লে জীৱন যুদ্ধখন ভালকৈয়ে দেখিছে। এইবোৰে সিহঁতৰ শিশু মনত বিৰূপ প্ৰভাৱ নেপেলোৱা নহয়। সিহঁতহালক স্কুললৈ পঠিয়াই দুৱাৰ-খিৰিকী সকলো বন্ধ কৰি মই শোৱনিকোঠাত সোমালোঁ। যি সময়ত পৃথিৱীৰ আদিম নিৰ্জনতা বিচাৰি হাবাথুৰি খাইফুৰিছোঁ, সেই সময়ত গাড়ী মটৰৰ বিকট হৰ্ণ, এম্বুলেঞ্চৰ চাইৰেণ, ফেৰীৱালাৰ চিঞৰৰ বাখৰ, হৈ-হাল্লা, কাজিয়া-মাৰপিট, টি.ভি.ৰ পৰ্দাৰ চিঞৰবোৰ একেবাৰেই কাম্য নহয় মোৰ। এবাগৰ দিওঁ বুলি বিচনাত উঠিবলৈ লওঁতেই মোবাইল ফোনটোৱে মেছেজ অহাৰ সংকেত দিলে। উৎসুকতাৰে মেছেজটো পঢ়ি চালোঁ, “Your account has been credited with Rs .........” টকা জমা হোৱা বুলি অহা বেংকৰ মেছেজ। ছমাহ অফিচত দৌৰা-দৌৰিৰ অন্তত অৱশেষত তেওঁ পেঞ্চনৰ কামটো হ'ল। মনটোৱে অজানিতে হাহাকাৰ কৰি উঠিল। মোলৈ বুলি তেওঁৱেই সেয়া জন্মদিনৰ উপহাৰ নহয়তো? আৱেগত সজোৰে চকুহাল জপাই দিলোঁ। দুটোপাল চকুপানী গৈ মজিয়া পালে। বাহিৰত তেতিয়া গৰ্ভৱতী ডাৱৰৰ ওখনা-ওখনি। ক্ষন্তেক পিছতে হয়তো হুৰহুৰাই বৰষুণ দিব।

---

**মাখিবাহা** ঃ বিভিন্ন জনবসতিৰে পৰিপূৰ্ণ ‘মাখিবাহা’ আৰ্য সভ্যতাৰ এখন প্ৰধান ঠাই আছিল বুলি অনুমান কৰা হয়। গদাধৰ বৰভূঞা আৰু তেওঁৰ বংশ পৰিয়াল নলবাৰী অঞ্চলত ধাৰাবাহিকতাভাৱে শাসন কাৰ্যৰ লগত যুক্ত পৰিয়ালবোৰৰ ভিতৰত অন্যতম। চণ্ডীবৰ বটদ্ৰৱাত স্বৰ্গী হোৱাৰ সময়ত গদাধৰে ৰৌতাত থাকি উত্তৰকুল শাসন কৰিছিল। পিছত তেওঁ চুতীয়া, কছাৰী আৰু খামতিৰ যৌথ আক্ৰমণত পৰাস্ত হৈ ৰৌতালৈ উভতি আহিবলৈ বাধ্য হয়। গদাধৰে ৰৌতা ত্যাগ কৰি উত্তৰ কামৰূপৰ এটা বৃহৎ অঞ্চল দখল কৰে আৰু মাখিবাহাত থাকি নতুন ৰাজ্যৰ পাতনি মেলে। মাখি-মৌৰে ভৰপূৰ আছিল কাৰণে গদাধৰে কোঠা স্থাপন কৰা ঠাইখণ্ডক ‘মাখিবাহা’ নামেৰে নামকৰণ কৰিছিল।




# পোহৰ

- মৃদুস্মিতা কাশ্যপ
স্নাতক চতুৰ্থ ষাণ্মাসিক
ইংৰাজী বিভাগ

পুহ মাহ। প্ৰচণ্ড শীত। সেয়ে আজি ৰাস্তাত মানুহ কম। সৰু চহৰখনৰ দোকানবোৰৰ সন্মুখত কিছুমান মানুহে জুইৰ উম লৈ আছে। কুঁৱলী বৰকৈ পৰিছে। কুঁৱলীৰ কাৰণে বাট-পথ নেদেখা হৈ পৰিছে। ঠিক তেনে সময়তে অফিচৰ পৰা ঘৰলৈ উভতিছে প্ৰণতি ৰাভাই। তাইৰ ভাৰাঘৰটো অফিচৰ পৰা বেছি দূৰত নহয়। সেয়ে মিছ ৰাভাই খোজকাঢ়িয়েই গৈ আছে। তাতে আজি গাড়ী মটৰৰ সংখ্যা কম। চুৰেটাৰটো ভালদৰে পিন্ধি শ্বলখন মেৰিয়াই গৈ আছে তেওঁ। ফিৰ্‌ফিৰিয়া বতাহজাকে দুগুণে ঠাণ্ডা বঢ়াই তুলিছে।

সৰু চহৰখনৰ ফুটপাথত থকা মানুহবিলাকে তেতিয়া শুবলৈ যো-জা কৰিছে। প্ৰণতিয়ে ফুটপাথৰ ওপৰেৰে গৈ আছে। হঠাতে তাই অনুমান কৰিলে কোনোবাই যেন কান্দি আছে। তাই চাৰিওফালে চালে। কিন্তু ডাঠ কুঁৱলীৰ বাবে তাই কান্দি থকা কোনো মানুহকে নেদেখিলে। তাই লাহে লাহে আগবাঢ়িল। কিন্তু তাই যিমানে আগবাঢ়িল কান্দোনৰ শব্দটো যেন তাই অধিক স্পষ্টকৈ শুনিলে। তাই শব্দৰ উৎস বিচাৰি পুনৰ চাৰিওফালে চালে। কিন্তু কুঁৱলী যেন আঁকোৰগোজ। কুঁৱলীৰ ওৰণিয়ে প্ৰণতিক পুনৰ বাধা দিলে।

প্ৰণতি যিমানেই ঘৰলৈ বুলি আগবাঢ়িল সিমানেই কান্দোনৰ শব্দ তাই বেছিকৈ শুনিব ধৰিলে। পুহমহীয়া জাৰ। ৰাস্তাত মানুহ নায়েই। যি অলপ মানুহ আছে তেওঁলোক সৌ দূৰৈত এৰি থৈ অহা

দোকানকেইখনৰ সন্মুখত জুইৰ উম লৈ আছে। তাইৰ অলপ ভয় লাগিল। তাই বেগাই ঘৰলৈ বুলি খোজ ললে। কিন্তু এটা সময়ত তাইৰ এনে লাগিল যেন কান্দোনৰ শব্দটো তাইৰ নিচেই কাষত। তাই বাওঁফালে চালে। হয়, এগৰাকী মহিলাই ফুটপাথত বহি কান্দি আছে। পুহমহীয়া জাৰটো মহিলাগৰাকীৰ দেহত এটা চুৰেটাৰ নাই। তেওঁ থৰ্থৰ্কৈ কঁপি আছে। প্ৰণতি মহিলাগৰাকীৰ কাষত থিয় হ'ল। এজাক ফিৰ্ফিৰিয়া বতাহ পাৰ হৈ গ'ল। প্ৰণতি মহিলাগৰাকীৰ কাষত থিয় হোৱাত তেওঁ কন্দা বন্ধ কৰি অন্য ফালে চাই থাকিল। তাই তেওঁৰ ফালে চাই সুধিলে 'আপুনি কান্দিছে কিয়?'

মহিলাগৰাকীয়ে তাইৰ প্ৰশ্নৰ উত্তৰ নিদিলে।

প্ৰণতিয়ে পুনৰ তেওঁক সুধিলে- "কি নাম আপোনাৰ? ঘৰ ক'ত? ইমান ঠাণ্ডাত আপুনি ফুটপাথত এনেকৈ বহি আছে যে?"

মহিলাগৰাকীয়ে মুখেৰে নামাতিলে। তেওঁ তেতিয়াও উচুপি আছে। প্ৰণতিয়ে একেখিনি প্ৰশ্নকে বাৰে বাৰে সোধাত তেওঁ ক'লে— "মোৰ নাম বীণা ৰাভা। মোৰ ঘৰ বহুত দূৰৈত।" তেওঁৰ কথা শুনি প্ৰণতিয়ে ভাবিলে মানুহগৰাকী বোধহয় এই চহৰলৈ আজি প্ৰথম আহিছে। হয়তো তেওঁ ঘৰলৈ যোৱা ৰাষ্টা চিনি নাপায়। তাতে আজি গাড়ী মটৰৰ সংখ্যা কম। এতিয়া প্ৰায় আঠমান বাজিছে। কি কৰিব একো ভাবি নাপাই প্ৰণতিয়ে থিৰাং কৰিলে যে তাইৰ ভাৰাঘৰটোলৈ তেওঁক লৈ যাব। তাইৰ ঘৰত যিহেতু তাইৰ বাহিৰে কোনো নাই। নিশাটো তাইৰ ঘৰত কটাই তেওঁ নিশ্চয় ৰাতিপুৱা নিজৰ ঘৰলৈ যাব পাৰিব। প্ৰণতিয়ে তেওঁক ক'লে- 'ব'লক, নিশাটো মোৰ ঘৰতে কটাব। মোৰ ঘৰত মোৰ বাহিৰে কোনো নাই। এই পুহমহীয়া জাৰত ইয়াত কেনেকৈ থাকিব?"

তাইৰ প্ৰস্তাৱটো বীণা ৰাভাৰ বাবে একেবাৰে অপ্ৰত্যাশিত আছিল। কিছু সময় তাইৰ চকুলৈ চাই থাকি তেওঁ কলে 'আপোনাৰ লগত মই থাকিলে আপোনাৰ বহুত কষ্ট হ'ব।"

"জীৱনত মই কেৱল কষ্টই পাইছো। আপুনি নেভাবিব যে আপুনি মোৰ লগত থাকিলে মোৰ কষ্ট হ'ব।"

প্ৰণতিৰ লগত মহিলাগৰাকী অৱশেষত তাইৰ ঘৰলৈ যাবলৈ সন্মত হ'ল।

দুটা কোঠা আৰু এটা সৰু পাকঘৰেৰে প্ৰণতিৰ ভাৰাঘৰটো। মহিলাগৰাকীক বহিবলৈ দি প্ৰণতিয়ে হাত ভৰি ধুই কাপোৰ সলালে। তাই তেওঁকো হাত ভৰি ধুবলৈ কলে। তেওঁ বাথৰুমত সোমোৱাত তাই চাহ কৰিবলৈ ধৰিলে।

চাহ খাই থকা অৱস্থাত প্ৰণতিয়ে তেওঁক বৰ চিন্তিত অৱস্থাত দেখা পালে। তাই তেওঁৰ পোছাকযোৰ চালে। এযোৰ মলিয়ন মেখেলা চাদৰ। তেওঁৰ চুলিবোৰ আধা কেঁচা আধা পকা। বয়স চাগে পঞ্চাশৰ ওপৰ হৈছে। ইমান ঠাণ্ডাতো তেওঁ চুৰেটাৰ পিন্ধা নাই। কথাটো মন কৰাৰ লগে লগে প্ৰণতিয়ে তাইৰ এটি চুৰেটাৰ তেওঁক পিন্ধিবলৈ দিলে। প্ৰথমে তেওঁ লবলৈ সংকোচ কৰিছিল যদিও পিছত তাই জোৰ কৰাত ল'লে।

চাহ খোৱা কাপ প্লেট দুযোৰ ধুই প্ৰণতি তেওঁৰ কাষত বহিল। তেওঁৰ ফালে চাই তাই সুধিলে- "বাৰু, এতিয়া কওঁকচোন আপুনি কিয় তাত তেনেকৈ বহি আছিল?"

অলপ সময় তেওঁ নিমাতে থাকিল। অৱশেষত নীৰৱতা ভংগ কৰি তেওঁ ক'লে "মোৰ ঘৰ কোকৰাঝাৰৰ এখন ভিতৰুৱা গাঁৱত।"

"অ', হয় নেকি, আপোনাৰ ঘৰত আৰু কোন কোন আছে?" প্ৰণতি তেওঁক আগ্ৰহেৰে সুধিলে।

"মোৰ ঘৰত মোৰ স্বামী আৰু দুজন পুত্ৰ আছে।"

"তেন্তে আপুনি মঙলদৈ লৈ অকলে কিয় আহিছিল? মই বুজি পাইছো, আপুনি কোকৰাঝাৰলৈ যোৱা গাড়ী নাপাই ফুটপাথত বহি কান্দি আছিল। আপুনি কোনো চিন্তা নকৰিব। মঙলদৈত মই বহু বছৰ ধৰি আছো। মই আপোনাক ৰাতিপুৱাই বাছত তুলি দিম। আপুনি ঘৰলৈ ঘূৰি যাব পাৰিব।" প্ৰণতিয়ে বীণা ৰাভাৰ ফালে চাই ক'লে।

"ঘৰলৈ ঘূৰি যাব নোৱাৰো মই।" দৃঢ়ভাবে ক'লে বীণা ৰাভাই।

মহিলাগৰাকীৰ কথাত প্ৰণতি অলপ আচৰিত হৈ সুধিলে- "কিন্তু কিয়?"

বীণা ৰাভাই একো নামাতিলে।

"আপোনাৰ ঘৰত স্বামী আৰু দুজন পুত্ৰ আছে। তথাপিও আপুনি নাযায় কিয়?" প্ৰণতিয়ে পুনৰ তেওঁক সুধিলে।

"কাৰণ মই তালৈ গ'লে গাঁৱৰ মানুহে মোক মাৰি পেলাব।"

"মাৰি পেলাব। কিন্তু কিয়?" প্ৰণতিয়ে আচৰিত হৈ সুধিলে "একো কাৰণ নোহোৱাকৈ আপোনাক গাঁওবাসীয়ে মাৰিব কিয়?"

মহিলাগৰাকী অলপ সময় নিৰৱে থাকি পুনৰ ক'লে- 'কাৰণটো ক'বলৈ গ'লে মই আপোনাক বহু কথাই কব লাগিব।"

"আপুনি সকলো খুলি ক'ব পাৰে।"

"আজিৰ পৰা বিশ বছৰমান আগেয়ে সেইখন গাঁৱলৈ মই বিয়া হৈ গৈছিলো। সামাজিক ৰীতি-নীতিৰে আমাৰ বিয়া হৈছিল। আমাৰ পৰিয়ালৰ সকলোৰে মোক বহুত মৰম কৰিছিল। মই

বিয়া হৈ যোৱা বছৰ মোৰ শাহু মাৰ মৃত্যু হৈছিল। বৰ ভাল আছিল তেওঁ। মোক বৰ মৰম কৰিছিল। মোৰ বিয়াৰ দুবছৰমান পিছত শহুৰ দেউতাৰ মৃত্যু হৈছিল এক অচিন ৰোগত। তেওঁক সুস্থ কৰিবলৈ আমি বহু চিকিৎসা কৰিছিলো। তথাপিও আমি তেওঁক বচাব নোৱাৰিলোঁ।

এটা সময়ত আমাৰ দুটা যমজ ল'ৰা হ'ল।

আমি কৃষি কৰ্ম কৰি সংসাৰ চলাইছিলো। খেতিৰ বাবে পৰ্যাপ্ত মাটি মোৰ স্বামীয়ে উত্তৰাধিকাৰ সূত্ৰে লাভ কৰিছিল। আমি ধান খেতিৰ লগতে বতৰৰ শাক পাচলিৰ খেতিও কৰিছিলো। আমাৰ খেতি বৰ ভাল হৈছিল। শস্য বিক্ৰী কৰি আমি ভালকৈ ঘৰ চলাব পাৰিছিলো। তদুপৰি আমাৰ এটা মাছ পোহা পুখুৰীও আছিল।

কিন্তু সেই সময়তে গাঁৱৰ বহু মানুহৰ খেতি ভাল হোৱা নাছিল। সেয়ে তেওঁলোকে মনে মনে আমাক হিংসা কৰিছিল।

আমাৰ ল'ৰা দুটা সময়ত ডাঙৰ হৈছিল। দুয়ো পঢ়াত অৱশ্যে ভাল নাছিল। সেয়ে সিহঁত দুটাই পঢ়া শুনা বাদ দি আমাক খেতিৰ কামত সহায় কৰিছিল। দিনবোৰ তেনেকৈয়ে পাৰ হৈছিল।"

বীণা ৰাভা অতীতক সুঁৱৰি যেন আপোন পাহৰা হৈ পৰিল। তেওঁৰ মুখত এটি আনন্দৰ মিচিকিয়া হাঁহি বিৰিঙি উঠিল। তেওঁৰ জীৱনটো জানিবলৈ প্ৰণতি উৎসুক হৈ পৰিল। তেওঁৰ ফালে চাই তাই আগ্ৰহেৰে সুধিলে- "তাৰ পিছত?"

হঠাতে মহিলাগৰাকীৰ মুখখনৰ হাঁহিবোৰ নোহোৱা হৈ গ'ল। উদাসভাৱে তেওঁ পুনৰ ক'বলৈ আৰম্ভ কৰিলে- "যোৱা চাৰি পাঁচ মাহ ধৰি আমাৰ গাঁৱৰ কিছুমান মানুহ এক অচিন ৰোগত ভুগি আছে। বহু কবিৰাজী চিকিৎসা কৰিও তথা বন দৰৱেৰে চিকিৎসা কৰিও বেমাৰ ভাল হোৱা নাছিল। আমাক খেতিৰ কামত সহায় কৰি দিয়া গাঁৱৰে ৰামেশ্বৰ নামৰ যুৱকজনো এই অচিন ৰোগত আক্ৰান্ত হ'ল। গাঁৱৰ মানুহৰ মাজত হাহাকাৰ লাগিছিল। বিভিন্ন গাঁৱৰ পৰা ওজা বেজসকলক অনা হৈছিল। সংক্ৰামক অচিন বেমাৰটিক লৈ ময়ো বৰ চিন্তিত আছিলো।

> প্ৰণতিয়ে তেওঁক কি ক'ব একো ভাষা বিচাৰি নাপালে। সঁচাকৈয়ে মানুহবোৰ ইমান নিষ্ঠুৰ হ'ব পাৰেনে? নিকৃষ্ট চিন্তাৰ মানুহ এইবোৰ। বহুত সময় কিবা কিবি ভাবি থাকি তাই ক'লে "আপোনাৰ কথা শুনি মোৰ খুব বেয়া লাগিছে। সঁচাকৈয়ে মানুহ ইমান নিষ্ঠুৰ কেনেকৈ হ'ব পাৰে, কেনেকৈ কোনোবা মহিলাক ইমান পাশৱিক অত্যাচাৰ কৰে? কিন্তু আপুনি ভাগি নপৰিব। মই এটি সংস্থাত কাম কৰো। অসহায় নিৰপৰাধী নিৰ্যাতিত মহিলাক উদ্ধাৰ কৰি তেওঁলোকক জীয়াই থকাৰ অনুপ্ৰেৰণা দিয়া হয়।

কিন্তু এটা বৰ অবাঞ্চিত আৰু অপ্ৰত্যাশিত ঘটনা ঘটিছিল। যি ঘটনাই সকলো সলাই পেলাইছিল।" মহিলাগৰাকী ৰৈ গ'ল। তেওঁ এক আতংকিত চাৱনিৰে প্ৰণতিলৈ চালে। তেওঁৰ উশাহবোৰ ঘন হৈ আছিল।"

প্ৰণতিয়ে তেওঁক এগিলাছ পানী খাবলৈ দিলে। পানীখিনি খাই তেওঁ পুনৰ ক'বলৈ ধৰিলে- 'গাঁৱত হোৱা এই অচিন ৰোগত আক্ৰান্ত হৈ আঠজন মানুহৰ মৃত্যু হৈছিল। তাৰ ভিতৰত ৰামেশ্বৰো আছিল। কিন্তু আচৰিত গাঁৱৰ মানুহে এইবোৰৰ বাবে মোকেই দোষী সাব্যস্ত কৰিছিল। কিয়নো এই বেমাৰ পোনপ্ৰথমে ৰামেশ্বৰৰ হৈছিল আৰু সি আমাৰ ঘৰত কাম কৰিছিল। মানুহৰ মতে মই তাক কিবা খুবাইছো। আৰু সেয়েহে সি মৰি থাকিল। তাৰ গাৰ পৰা এই বেমাৰটো আন মানুহলৈ সংক্ৰমিত হ'ল। গাৱৰ আন মানুহৰ মৃত্যুৰ বাবেও মোকেই দায়ী কৰা হ'ল। মানুহৰ মতে মই মোৰ শহুৰ শাহুকো হত্যা কৰিছো। মানুহগৰাকী কান্দোনত ভাগি পৰিল।

অলপ সময় তেনেকৈয়ে পাৰ হ'ল। তাৰ পিছত চকুপানী মচি বীণা ৰাভাই পুনৰ ক'বলৈ ধৰিলে- 'যোৱা ভাদ মাহৰ শেষৰ ফালে গাঁৱত ডাঙৰ বানপানী হৈছিল। সেই প্ৰলয়ংকাৰী বানত সকলোৰে খেতিপথাৰৰ শস্যবোৰ নষ্ট হ'ল। আমাৰো নষ্ট হ'ল। বানে ঘৰ দুৱাৰো ভাঙি পেলালে। বানপানীৰ ফলত গৰু ম'হৰো মৃত্যু

হৈছিল। এইবোৰৰ কাৰণো মই বুলি সকলোৱে ভাবিছিল। বানপানী হৈ যোৱাৰ পিছত গাঁৱৰ অপায় অমংগল দূৰ কৰাৰ বাবে ৰামেশ্বৰহঁতৰ ঘৰত পূজা পাতিছিল। সেই পূজাতে ৰামেশ্বৰৰ ভনীয়েকে মোক ডাইনী বুলি ঘোষণা কৰিলে।

তাৰ পাছৰ পৰা মোৰ ওপৰত নানান অত্যাচাৰ আৰম্ভ হ'ল। যোৱা দুমাহ ধৰি মই বিভিন্ন অত্যাচাৰ সহিবলগীয়া হ'ল। গাঁৱৰ মুখীয়াল মানুহজনৰ থু চেলেকিবলৈ কোৱা হ'ল। প্ৰথমে মই অমান্তি হ'লো। তাৰ পিছত মোৰ হাত দুখন পিচফালে বান্ধি মোক গণপ্ৰহাৰ কৰা হ'ল। মুখীয়াল মানুহজনে মাটিত থু পেলাই দিলে আৰু বাধ্য হৈ মই সেয়া চেলেকিবলগীয়া হ'ল। মোক তেনেকুৱা নকৰিবলৈ মোৰ ল'ৰা দুটা আৰু মানুহজনে বাধা দিলে। কিন্তু তেওঁলোকক লোৰ মাৰিৰে কোব দিয়া হ'ল। তাৰ দুদিনমান পিছত গাঁৱৰ মহিলা সকলেমোৰ আঙুলিকেইটা গৰম তেলত ডুবাই দিলে। কিছুমান মানুহে আমাৰ ঘৰৰ চকী মেজবোৰ বাহিৰলৈ উলিয়াই জুই লগাই দিলে। গাঁৱৰ মুখীয়াল মানুহজনে নিৰ্দেশ দিলে যে মোক গাত কেৰাচিন ঢালি জুই লগাই দিব লাগে। কাৰণ তেতিয়াহে গাঁৱৰ অপায় অমংগল দূৰ হ'ব। মই তেওঁৰ ওচৰত কাকুতি মিনতি কৰিলো মোক নামাৰিবলৈ। মোৰ ল'ৰা দুটা আৰু স্বামীয়েও তেওঁৰ ভৰিত ধৰি কান্দি কান্দি মোৰ নামাৰিবলৈ প্ৰাৰ্থনা কৰিলে। কিন্তু নাই... তেওঁৰ মুখত দয়া মমতাৰ কোনো চিনেই দেখা নগ'ল। নিজৰ সিদ্ধান্তত তেওঁ অলৰ অচৰ। মই গাঁৱত থাকিলে অমংগল হ'ব, গতিকে মোক মাৰিলেহে সকলো সমস্যাৰ সমাধান হ'ব, অপায় অমংগল দূৰ হ'ব। মই কাৰো বেয়া চিন্তা কৰা নাছিলো, অথচ মোকহে সকলোৱে ইমান অত্যাচাৰ কৰিলে। মই কাৰোবাৰ অন্যায় কৰাৰ কথা চিন্তা কৰিবই নোৱাৰো। মোৰ চকুপানী আৰু মোৰ পৰিয়ালৰ চকুপানীখিনিক কোনোৱে উপলব্ধি কৰিব নোৱাৰিলে। অৱশেষত বাধ্য হৈ মোৰ মানুহজনে মোক নামাৰি গাঁৱৰ পৰা উলিয়াই দিবলৈ ক'লে। কিয়নো তেতিয়া অন্ততঃ মোৰ প্ৰাণটো বাচিব। অৱশেষত সেয়াই কৰা হ'ল। মোক গাঁৱৰ পৰা খেদি পঠিওৱা হ'ল। মোৰ ল'ৰা দুটাই খুব কান্দিলে। কোকৰাঝাৰৰ পৰা মঙলদৈ লৈ আহিবলৈ মোৰ সৰু ল'ৰাটোৱে পইচা কেইটামান দিলে। মঙলদৈত মোৰ একমাত্ৰ ভাইটো থাকে। মই ভাইটিৰ ঘৰলৈ গ'লো । দুদিনমান তাতে থকাৰ পাছত ভাইটিৰ ঘৰৰ ওচৰ চুবুৰীয়াহঁতে মোৰ কথা জানিব পাৰিলে। চুবুৰীটোৰ মানুহৰ মাজত প্ৰচাৰ হ'ল যে মই ডাইনী। অৱশেষত তেওঁলোকেও মোক খেদিবৰ দিহা কৰিলে। মোৰ ভাইটিয়ে মোক খেদিব খোজা নাছিল যদিও চুবুৰীৰ মানুহে মই তাত থাকিলে তাক এঘৰীয়া কৰাৰ সিদ্ধান্ত লৈছিল। বাধ্য হৈ মই তাৰ পৰাও গুচি আহি এই চহৰৰ ফুটপাথত যোৱা দুদিন ধৰি লঘোণে ভোকে আছোহি।" মানুহগৰাকী কান্দোনত ভাগি পৰিল।

প্ৰণতিয়ে তেওঁক কি ক'ব একো ভাষা বিচাৰি নাপালে। সঁচাকৈয়ে মানুহবোৰ ইমান নিষ্ঠুৰ হ'ব পাৰেনে? নিকৃষ্ট চিন্তাৰ মানুহ এইবোৰ। বহুত সময় কিবা কিবি ভাবি থাকি তাই ক'লে "আপোনাৰ কথা শুনি মোৰ খুব বেয়া লাগিছে। সঁচাকৈয়ে মানুহ ইমান নিষ্ঠুৰ কেনেকৈ হ'ব পাৰে, কেনেকৈ কোনোবা মহিলাক ইমান পাশৱিক অত্যাচাৰ কৰে? কিন্তু আপুনি ভাগি নপৰিব। মই এটি সংস্থাত কাম কৰো। অসহায় নিৰপৰাধী নিৰ্যাতিতা মহিলাক উদ্ধাৰ কৰি তেওঁলোকক জীয়াই থকাৰ অনুপ্ৰেৰণা দিয়া হয়। তেওঁলোকক আত্মনিৰ্ভৰশীল হোৱাৰ শিক্ষা দিয়া হয়। আমাৰ সংস্থাৰ দ্বাৰা আপোনাৰ দৰে বহু মহিলাক উদ্ধাৰ কৰি তেওঁলোকক চিলাইৰ কাম শিকোৱা হয়, উল গুঠিবলৈ শিকোৱা হয়, যাতে তেওঁলোক আত্মনিৰ্ভৰশীল হ'ব পাৰে। আপুনি আমাৰ 'নৱজীৱন' নামৰ সংস্থাৰ অধীনত থাকিব পাৰিব।"

"মই আকৌ জীয়াই থাকিব পাৰিম। কিন্তু মোৰ দৰে ডাইনী সজোৱা মহিলাৰ ওচৰ চাপিব কোন?' বীণা ৰাভাই প্ৰণতিৰ প্ৰস্তাৱটো শুনি আচৰিত হৈ সুধিলে।

"আপোনাৰ ওচৰ কোনেও নাচাপিব কিয়? মইতো আপোনাৰ ওচৰত বহি আছো। এইবোৰ মানুহৰ অন্ধবিশ্বাস। মই আচৰিত হওঁ যে আজিৰ দৰে বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ দিনতো এই অন্ধবিশ্বাসবোৰ আমাৰ মানুহে জীয়াই ৰাখিছে।" অলপ ৰৈ প্ৰণতিয়ে আকৌ ক'লে- "মোৰ মাকো আপোনাৰ দৰে ডাইনী সজোৱা হৈছিল। মোৰ চকুৰ আগতে মোৰ মাক হত্যা কৰা হৈছিল। মই তেতিয়া বাৰ বছৰীয়া আছিলো। আপুনি জানেনে মই মাক কিমান ভালপাঁও। সেয়েহে অলপ ডাঙৰ হৈ মই গাঁও এৰি গুচি আহিলো। এই সংস্থাৰ সদস্য হিচাপে যোগ দিলো। মোৰ মাৰ দৰে অসহায় মহিলাক উদ্ধাৰ কৰি জীয়াই থকাৰ প্ৰেৰণা দিলো।' তাইৰ চকুৰে চকুলো বৈ আহিল।

মহিলাগৰাকীয়ে তাইক সাৱটি ধৰিলে। তাইৰ চকুলো মচি দি কলে 'তুমি বৰ ভাল ছোৱালী। তুমি মোক নতুন জীৱন দিলা, নতুন আশা দিলা, নতুন ঘৰ দিলা। তোমাৰ মাৰাৰ আত্মাই শান্তি পাওঁক। নুমাই যাবলৈ ধৰা বীণা ৰাভাৰ আশাৰ চাকিগছি প্ৰণতিয়ে যেন জ্বলাই দিলে। সেই পোহৰত জিলিকি উঠিল তেওঁৰ মুখখন, জিলিকি উঠিল নতুন সপোনৰ এটি ৰঙচুৱা পথ।

*(আলোচনী সম্পাদকৰ সৌজন্যত অনুষ্ঠিত গল্প প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ গল্প)*



# হেঁপাহ

- প্ৰীতি কলিতা
স্নাতক ষষ্ঠ ষান্মাসিক, গণিত বিভাগ

কণ বিলাহী আৰু ধনিয়াখিনি লৈ যেতিয়া মোহনে দুৱাৰখন টুকুৰিয়াইছিল ৰেৱতীয়ে তেতিয়া ভিতৰত জোনক পঢ়ুৱাই আছিল। মোহনে টুকুৰিওৱা শব্দত জোন একেজাপে পঢ়াৰ পৰা উঠি কাণি দুৰৰীকৈ দুৱাৰখন মেল খুৱালে। মোহনক দুৱাৰমুখত টোপোলা দুটাৰে সৈতে দেখি সি এক প্ৰকাৰ চিঞৰিয়েই উঠিল, "দেউতা আহিলি। দে দে মোকে দে।" মোহনৰ পৰা টোপোলা দুটা লৈ জোন একেকোবে ভিতৰলৈ গ'ল। মাক উঠি আহিছিল। মাকৰ ওচৰত গৈ সি ক'ব ধৰিলে, "দেখিলি মা মই কৈছিলো নহয়, দেউতাই আনিব বুলি আনিলে দেখিছ। এই কণ বিলাহীকেইটাৰে মাছ ৰান্ধিবি কিন্তু বুলি সি একেবাৰে পাকঘৰৰ নিৰ্দিষ্ট ঠাই টুকুৰালৈ গ'ল। ঢাকনিখন গুচাব খোজাৰ লগে লগে মাকে চিঞৰিলে, "হ'ব দে অ। কিনো কৰি থাক অনবৰতে। যা পঢ়গৈ।" জোন পঢ়িবলৈ গ'ল।

তাৰ আজি পঢ়াত মন নবহে। যেতিয়াই মাছটোৰ কথা ভাবিছে তেতিয়াই তাৰ সমনীয়া ৰন্টুৰ কথা মনত পৰিছে। প্ৰত্যেকবাৰে উৰুকাত ৰন্টুৰ দেউতাকে চহৰৰ পৰা চিতল মাছ, বৰালি মাছ কিনি আনে। ৰন্টুহঁতে বিবিধ আঞ্জাৰে উৰুকা খায়। আৰু প্ৰত্যেকবাৰেই এই মাছবিলাকক লৈ একোটা কাহিনী সি কণহঁতৰ আগত কয়। গৌৰৱেৰে কৈ যায় সি তাৰ দেউতাকে উৰুকাত কিমান টকা খৰছ কৰিব পাৰে। ৰন্টুৱে কোৱা মাছৰ সোৱাদবোৰে জোনৰ জিভাৰ আগটোক অস্থিৰ কৰি তোলে। যোৱাবাৰ সি কৈছিল "এইবাৰ ৰৌ মাছৰ লগত কণ বিলাহী আৰু ধনিয়াৰ আঞ্জাখন সঁচাকৈ আৰু কি যে কম। বিশ্বাসে নকৰিবি।" জোনৰ সেইবাৰ বিশ্বাস কৰিবৰ মন গ'ল। মোহনক কুটুৰি কুটুৰি হাইৰাণ কৰিলে, "সি ৰৌমাছ খাবই, অহাবাৰ উৰুকাত। মোহনেও কৈ থলে, "হব দে, কঁপালত মিলিলে খাবি।" জোনৰ এক কথা, কপাঁল নহয় দেউতা, "মোক সঁচাকৈয়ে ৰৌমাছ লাগিব। কণবিলাহী আৰু ধনিয়াৰে খাম।

মোহনে কিছু ভাবি কলে, “হ’ব দে, অহাবাৰ উৰুকাত ৰৌমাছ আনি দিম।” জোনে হাঁহিছিল তেতিয়া আৰু সেই হাঁহিটো আজি এবছৰে উৰুকাৰ কথা ভাবিলেই জোনৰ মুখত ওলাই আহে। ধনী বাপেকৰ ল’ৰা ৰন্টুকো সি ক’ব পাৰিব, সিহঁতৰ বাপেকেও ৰৌমাছ খুৱাব পাৰে।” তাৰ পিছত এদিন সিহঁতে চিতল খাব, বৰালি খাব আৰু একেই গৌৰৱেৰে ৰন্টুক ক’ব।

“অই তই পঢ়া নাই?” দেউতাকৰ মাতত জোনে থতমত খালে। “নাই দেউতা পঢ়িছো” বুলি ওপৰৰ ফালে কৰি থকা মূৰটো হাওলাই কিতাপলৈ সি পোনালে। “দে পঢ় ভালকৈ” বুলি মোহন জুহাললৈ গ’ল। ৰেৱতীয়ে ভাত বহাইছে। মোহন ওচৰতে বহিল। ওৰে দিনটো ৰিক্সা চলাই চলাই ভৰি টনটনাই গৈছে। তাতে উৰুকাৰ দিনা দাম বেছি পৰিব বুলি কালিয়েই মাছটো কিনি আনিছে। তাৰ বাবে এই দুদিন দুটা ভাৰা বেছিকৈয়ে মাৰিছে মোহনে। ক’ব নোৱাৰাকৈয়ে মোহনৰ হাতখন মাছৰ চৰিয়াটোলৈ গ’ল। ঢাকনিখন গুচাই দিলে। মাছটোৱে ভিতৰত এইবাৰ খলকনি তুলি উঠিল। “কিনো মাছ চাই থাকে অ’ বাপেক পুতেক দুয়োটাই”। এ নহয় ৰহ মানে। ৰেৱতীৰ মাতত মোহনে হাতখন এৰুৱাই আনিলে।

“হেৰি নহয়, আজি সোনকালে শুব লাগিব। গোটেই দিনটো ভাগৰে ধৰিছে। ভাত-পানী হ’লনে?” মোহনৰ মাতত ৰেৱতী এইবাৰ ওচৰলৈ আহিল। “জোনে নুশুনাকৈ মাতটো যিমান পাৰি সৰুকৈ ক’ব ধৰিলে,“আজি ডাঙৰ কথা এটা হ’ল, সিহঁত আকৌ আহিছিল। জোন স্কুলত থাকোতে। আহিয়েই বহুত কথা শুনাই থৈ গৈছে। আমাক বোলে এইখিনি ঠাইৰ পৰা খেদিহে এৰিব। ‘ৰেৱতীৰ মাতটো থোকা থুকি হৈ গ’ল। মোহনে বুজনি দিলে, আৰে ক’লেই হ’ব নেকি। মুখৰ কথাত মোৰ মাটিখিনি সিহঁতে নিব কেনেকুৱা কথা এইটো। তই ভয় নকৰিবি।

“ভয় নকৰিলে কেনেকৈ হ’ব। আমি সৰু মানুহ। কি কৰিম আমি।’ ৰেৱতীয়ে উচুপি উঠিল এইবাৰ।

“ৰহচোন ৰহ উকীল ছাৰজনে কিবা এটা উপায় দিব” মোহনৰ কথাখিনি শেষ কৰিব নিদি ৰেৱতীয়ে কৈ উঠিল, “উকিলেও হেনো একো কৰিব নোৱাৰে। আজি সিহঁতে কোৱা নিজকাণে শুনিছো মই।”

“তই কন্দা-কটাখন বন্ধ কৰছোন। জোনে শুনিলে দুখ পাব। এতিয়া বাদ দে। ভাত বাঢ়গৈ যা” মোহনৰ মাতত ৰেৱতী উঠিল।

ভাত পানী খাই জোন শোৱাৰ পিছত ৰেৱতীয়ে আখল সামৰিছে। “তই ইমান চিন্তা নকৰিবি। একো নহয় অ’। চব ঠিক হৈ যাব। শুই থাক এতিয়া। মইও শো” বুলি তাইক কৈ সিও বিছনালৈ গ’ল। ইকাতি-সিকাতি বিছনাতে বাগৰি সি ভাবিব ধৰিলে ঘৈণীয়েকে কোৱা কথাবোৰ যদি সঁচা হয়। যদি সঁচাকৈয়ে তাৰ ভেটি হেৰুৱাবলগীয়া হয়। নাই নাই, সি আৰু ভাবিব নোৱাৰে।

একো পাহৰা নাই সি। কেনেকৈ পথৰুৱা মাটিকণ অলপ-অলপকৈ টকা জমা কৰি কিনিছিল। মাক-বাপেকক বৃদ্ধাৱস্থাত নিজৰ বুলিবলৈ মাটিখিনিক লৈ আনন্দ কৰিবলৈ সি মালিকৰ ৰিক্সাখনক সাৰথি কৰিছিল। ঘৰটোলৈ আহিবৰ দিনা দেউতাকে চোতালৰ এচুকত থিয় হৈ অকলে অকলে হাঁহি আছিল হয়তো বুজাব নোৱাৰা ধৰণে আনন্দ পাইছিল সেইদিনা। মাকে ঘৰটোৰ এচুকত থাপনা কৰি লৈছিল মূৰ দোৱাইছিল। এই সকলোবোৰ মোহনে কঢ়িয়াই লৈ ফুৰিছে। মাক-দেউতাক ঢুকালে, ৰেৱতীৰ পিছত জোন আহিল, বাঁহৰ বেৰৰ দুকোঠলীয়া ঘৰটো তিনিকোঠলীয়া হ’ল। এইবোৰে মোহনক সাৰটি ধৰি থাকে অনবৰতে।

এতিয়া সেই মাটি তাৰ নহয় বোলে। মাটি কিনোতে যি কাগজ-পত্ৰ হৈছিল সেইবোৰ ভুৱা বোলে। আচল মালিকে তাৰ ওপৰত কেছ পৰ্যন্ত কৰিছে। মোহনে এইবোৰ একো নাজানে। বুজি নাপায় সি নকল, ভুৱা মিছা কি এইবিলাক। লগৰ এজনে তাক উকিল ছাৰৰ তাত লৈ গৈছিল। তেখেতক সি হাতে ভৰিয়ে ধৰিলে। তেখেতে সহায় কৰিম বুলি কৈছিল তাক। কিন্তু তেখেতক দিবলগীয়া ফিজও সি দিবই পৰা নাই। কি কৰিব এতিয়া। উকীল ছাৰক পইচা অলপ দিব পৰা হ’লেও। কি হ’ব। যদি মাটিখিনি যায় এইবাৰ সি শোৱাৰ পৰা উঠি বিছনাখনতে বহি কথাবোৰ আৰম্ভণিৰ পৰা আকৌ ভাবিলে বহু সময় ধৰি।

এপাকত মোহন উঠিল। পানী এগিলাচ খাবলৈ সি পাকঘৰলৈ গ’ল। পিয়াহ লাগিছে তাৰ। দৰ্জাখন খোলাৰ লগে লগে মাছটোৱে ভিতৰত আকৌ এবাৰ খলকনি কৰি উঠিল। পানী গিলাচ খাই মোহন পাকঘৰৰ পৰা ওলাই আহিল। জোনৰ হাঁহিটো, মাকৰ প্ৰসাদখিনি, উকিল ছাৰৰ মুখখন চববোৰ কিবা এডাল সূতাত বান্ধ খাই পৰিল মুহূৰ্ততে তাৰ বাবে। মোহনে সূতাডালৰ দুয়োটা মূৰ গাঁঠি পেলালে।

সন্তৰ্পণে সি বাহিৰ ওলাল। পোহৰ হ’বলৈ কিছুসময় আছেই। এতিয়াই গ’লে পুৱাই উকিল ছাৰৰ ঘৰ পাবগৈ। তেখেতক হাতে-ভৰিয়ে ধৰিবগৈ লাগিলে আকৌ এবাৰ। দুৱাৰখন বাহিৰৰ পৰা জপাই সি খোজ ললে। তাৰ এখন হাতত উলমি যোৱা ৰৌ মাছটোৱে তেতিয়া আকৌ এবাৰ জোকাৰি উঠিছে।



# সিদ্ধান্ত

- উপাসনা কাকতি
স্নাতক দ্বিতীয় ষাণ্মাসিক
ইংৰাজী বিভাগ

আগফালৰ বাৰাণ্ডাখনত পৰি থোৱা বেতৰ চকীখনত বহি লৈ নীলিমাই এক দীঘলীয়া হুমুনিয়াহ কাঢ়িলে। ঘৰখনত লাহে লাহে তাইৰ কাম কমি আহিছে আচলতে দেহাই বলে নোৱাৰা হৈ আহিছে। অথচ এসময়ত এইখন ঘৰৰ কাম তাই অকলেই কৰি শেষ কৰিছিল। তাইৰ বাবে সময় আছিল এক পাখিলগা ঘোঁৰা সদৃশ। অতীতৰ কথাবোৰ ভাবি ভাবিয়েই তাই নীৰৱতাৰ অটল গৰ্ভত সোমাই পৰিল।

নীলিমা আছিল এক মধ্যবিত্ত পৰিয়ালৰ ডাঙৰ ছোৱালী। নীলিমাৰ তলত আৰু তিনিজনী ভনীয়েক। পঢ়া-শুনাই তাই চকুত লগা আছিল আৰু লগতে আছিল তাইৰ এবুকু সপোন। নিজাকৈ কিবা এটা কৰাৰ, নিজক প্ৰতিষ্ঠা কৰাৰ। তাইৰ বি.এ. পৰীক্ষা শেষ হোৱাৰ পিছতেই দেউতাকে তাইৰ বিয়াৰ কথা চিন্তা কৰিবলৈ আৰম্ভ কৰিলে। এদিন এটা অভিজাত পৰিয়ালৰ

একমাত্ৰ সন্তান অৰুণৰ লগত বিয়াৰ ঠিক কৰি মাত্ৰ তাইক পৰিয়ালৰ সিদ্ধান্তহে জনালে। নিজৰ সকলোবোৰ সপোন বুকুৰ মাজত এটা কোঠালিত বন্ধ কৰি থৈ তাই কইনাৰ সাজ পিন্ধিলে। কাৰণ নাৰীৰ কোনো দাবী নাথাকে, অভিযোগ নাথাকে, নোপোৱাৰ বেদনা নাথাকে। অৱশ্যে বিয়া বুলি তাই যথেষ্ট পৰিমাণে উৎসুক হৈয়ো আছিল। কিন্তু সাঁথৰৰ উত্তৰ পোৱাৰ পিছত অতি আকৰ্ষণীয় সাঁথৰৰো মৰ্যাদা কমি যোৱাৰ দৰে তায়ো লাহে লাহে ঘৰখনৰ মাজত ব্যস্ত হৈ পৰিল।

নীলিমাই কিন্তু সদায় এটা কথা স্বীকাৰ কৰি আহিছে যে স্বামীগৃহত তাই কোনো অভাৱ, দুখ, কষ্ট এইবিলাকৰ লগত পৰিচয় হ'ব লগা হোৱা নাছিল। কিন্তু নিজৰ সপোনবোৰ। মাজে মাজে তাইৰ সপোনবোৰ পূৰ কৰাৰ কথা চিন্তা কৰিছিল যদিও ল'ৰা-ছোৱালী হালৰ জন্মৰ পিছত সেইবোৰ আৰু তল পৰিল। সিহঁতৰ স্কুল, টিউচন, অৰুণৰ অফিচ এই সকলোবোৰ ব্যস্ততাৰ মাজত তাই দৌৰি ফুৰিবলৈ ধৰিলে। নিজৰ ফালে চাবলৈ সময় নাই। সিহঁতৰ পৰীক্ষা মানে যেন তাইৰ পৰীক্ষা। নিজৰ মূল সত্ত্বাটোক পাহৰি তাই সিহঁতৰ সতে নিজকে ঢালি দিলে। এটা সময়ত সিহঁত হালেই ডাঙৰ হৈ কেতিয়ানো তাইৰ বুকুৰ মাজৰ পৰা ওলাই গৈ সুপ্ৰতিষ্ঠিত হ'ল তাই উমানেই নাপালে। ছোৱালী চাকৰিসূত্ৰে আমেৰিকা নিবাসী। ল'ৰাই দিল্লীৰ বহুজাতিক কোম্পানী এটাৰ উচ্চপদস্থ বিষয়া। সঘনাই আহিব নোৱাৰে। মোবাইল ফোনটোৰে ভাঁহি আহে সিহঁতৰ উত্তাপহীন কণ্ঠস্বৰ 'মা ভালে আছা' ভালদৰে খোৱা-বোৱা কৰিবা, নিজৰ যত্ন ল'বা। "এদিন কাকো একো অভিযোগ নিদিয়াকৈ অৰুণো গুচি গ'ল। এতিয়া তাইৰ হাতত অফুৰন্ত সময়। নিজৰ সপোনবোৰ বুকুৰ বন্ধ কোঠালীটোৰ পৰা যেতিয়া জাৰি জোকাৰি উলিয়াই আনিলে, তাই দেখিলে এইবোৰ দেখোন বহুত পুৰণি সপোন। আইনাৰ সন্মুখত চাই দেখিলে, চুলিবোৰ পকিল, মুখত বয়সৰ চাপ সুস্পষ্ট। এতিয়া আৰু সপোনৰ কথা ভাবি যে লাভ নাই।

হঠাৎ একমাত্ৰ পুত্ৰৰ মাতত নীলিমা বাস্তৱলৈ উভতি আহিল। আজি বহুদিনৰ মূৰত অৰুণৰ শ্ৰাদ্ধ বুলি ঘৰখন ভৰি পৰিছে সি মাকক ভিতৰলৈ মাতিলে। ভিতৰৰ কোঠাত আটাইবোৰ বহি আছে। লাহে লাহে পুতেকে ক'বলৈ আৰম্ভ কৰিলে, "মা আমি আৰু অসমলৈ ঘূৰি নাহো, গতিকে এই ঘৰ মাটি ৰাখি আৰু লাভ নাই। মই বিল্ডাৰৰ লগত কথা পাতিছো। তুমি এতিয়া আৰু অকলে থকাতকৈ মোৰ লগত থাকিব পাৰিবা। আমি সকলো ঠিক ঠাক কৰিয়েই উভতি যাম।" নীলিমাই বুজিলে সি অনুমতি লোৱা নাই সিদ্ধান্তহে জনাইছে। যিদৰে তাইৰ দেউতাকে এদিন তাইক মাতৃগৃহৰ পৰা বিদায় দিয়াৰ সিদ্ধান্ত জনাইছিল। তাই কথাটো ভাবি চাওঁ বুলি কৈ কোঠাটোৰ পৰা ওলাই আহিল যদিও পুতেকৰ সেই কৰ্মব্যস্ত ঠাইখনত সংগীবিহীনভাৱে তাই থাকিব নোৱাৰে বুলি নিশ্চিত হ'ল।

বৰ্তমান নীলিমা এক নতুন ঘৰৰ বাসিন্দা। চহৰৰ নাতিদূৰত কেইজনমান সহৃদয়বান ব্যক্তিৰ প্ৰচেষ্টাত গঢ়ি উঠা বৃদ্ধাশ্ৰমখনলৈ অহা তাইৰ এসপ্তাহেই হ'ল। সিদিনা ৰাতিয়েই পুতেক জীয়েকক তাইৰ জীৱনৰ একমাত্ৰ স্বাধীন সিদ্ধান্তটোৰ কথা জনাইছিল যে তাই এই বৃদ্ধাশ্ৰমখনত থাকিব। পুতেক জীয়েতহঁতে সামান্য আপত্তি কৰিছিল যদিও একপ্ৰকাৰ ভালেই পাইছিল। কাৰণ জীৱনক বিদায় সম্ভাষণ জনাবলৈ সাজু হোৱা এক বয়সস্থ মহিলাৰ কাৰণে সিহঁতৰ জীৱনৰ অমূল্য সময় নষ্ট কৰিব নোৱাৰে।

তাই ওচৰতে অন্তাক্ষৰী খেলি থকা কেইজনমান আশ্ৰমৰ বাসিন্দাৰ ওচৰলৈ গ'ল। তেওঁলোকে তাইকো খেলিবলৈ অনুৰোধ কৰিলে। অতৰ্কিতে তাইৰ পাল পৰাত গাই দিলে এটা সুন্দৰ ভূপেন্দ্ৰ সংগীত। সকলোৰে হাত চাপৰি বজাই মন্তব্য কৰিলে যে তাইৰ কণ্ঠস্বৰ একেবাৰে প্ৰফেচনেল গায়িকাৰ নিচিনা। আচলতে ঘৰখনৰৰ কোনেও নাজানিছিল আৰু তাইয়ো ইমানদিনে পাহৰি আছিল যে এটা সময়ত তাই মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ গায়িকা আছিল।

**দীঘেলী** ঃ অতীজৰ নলবাৰীত ৰাজত্ব কৰা ভূঞা ৰজা চলিয়াৰ ৰাজধানী আছিল বৰ্ত্তমানৰ দীঘেলী গাঁও। ইয়াৰ হাটৰবৰীত বহা চলিয়া ৰজাৰ প্ৰকাণ্ড হাটত ভূটীয়াসকলে ৰজাক 'কিৰাং' (বিশেষ উপহাৰ) দি বেপাৰ কৰিছিল। চলিয়া ৰজাই 'চলিয়া আলি' আৰু 'কুৰঁলী আলি' নামৰ দুটা পথ নিৰ্মাণ কৰিছিল যাৰ চিন এতিয়াও পোৱা যায়। কুঁৰৰী আলিৰে নলবাৰীৰ পৰা পূবে সাত-আঠমাইল ব্যৱধানত 'বৰমবৈ পুখুৰী' পোৱা যায় যিটো অনেকৰ মতে ব্ৰহ্মপাল (৯৯০-১০১০ খৃঃ) ৰজাই খান্দিছিল। এই ব্ৰহ্মপাল ৰজাই 'চলিয়া ৰজা' বুলি জনবিশ্বাস প্ৰচলিত।




# অস্বস্তিকৰ অস্তিত্ব

- পাৰ্থপ্ৰতিম চক্ৰৱৰ্তী
স্নাতক পঞ্চম ষান্মাসিক
ভূগোল বিজ্ঞান বিভাগ

**মা**তৃৰ শেষ কৃত্যৰ পিছত, আজিহে যেন অলপ সময়ৰ বাবে জিৰণি ল'ব পাৰিছে 'জয়দেৱে'।

জীৱনৰ তিনিকুৰি বছৰ অতিক্ৰম কৰাৰ পাছতো মাকৰ বাহিৰে আন কোনো নাছিল তেওঁৰ আপোন বুলিবলৈ। কিন্তু, বিধিৰ বিধান! কি মাকজনীও ঢুকাই থাকিল। নানা চিন্তা-ভাৱনাৰ মাজতে খন্তেক টোপনি যাম বুলি বিছনাত দীঘল হৈ পৰিল জয়দেৱ। কিন্তু টোপনি নাহে, বাৰে বাৰে মনলৈ নানা চিন্তা আহিব ধৰিছে। এটা সময়ত তেওঁ বিছনাতে বহি থাকিল।

হঠাৎ তেওঁৰ চকুত পৰিল, কোঠাৰ এচুকত টেবুলখনৰ ওপৰত থকা পুৰণি বাকচটোলৈ মৃত্যুৰ দুদিন আগতে মাকে থৰক্‌বৰক্‌কৈ তাৰ হাতত সেই বাকচটো তুলি দি কৈছিল— "বোপাই অ,' মোৰ দিন চমু চাপি আহিছে আৰু বেছি দিন নাই। অপ্ৰিয় হ'লেও সেই দাগ লগা সত্যতো তোক জনাবই লাগিব। কিন্তু মোৰ মৃত্যু নোহোৱালৈকে এই বাকচটো তই নুখুলিবি। হয়তো বাকচটোত থকা ৰহস্যখিনি ফাদিল হোৱাৰ পাছত মই তোৰ চকুত চকু

থৈ কথা পাতিব নোৱাৰিম।”

জয়দেৱে টেবুলৰ পৰা সৰু বাকচটো হাতত তুলি লৈ পুনৰ বিচনাত বহি পৰিল। নানা কৌতুহলে তেওঁৰ মনটো আৰৰি ধৰিলে বাকচত থকা ৰহস্যভেদ কৰাৰ বাবে; এটা সময়ত অজানিতে তেওঁ বাকচটো খুলি পেলালে। এয়া কি? কেইখনমান পুৰণি কাগজ-পত্ৰ আৰু কেইখনমান আওপুৰণি গ্ৰামোফোনৰ ৰেকৰ্ড।

জয়দেৱে কাগজ-পত্ৰখিনি লিৰিকি বিদাৰি চাই তাৰ মাজৰ পৰা চিঠি চিঠি যেন লগা কাগজ এখন হাতত তুলি ললে। কোঠাটোত জ্বলি থকা ক্ষীণ পোহৰতে সি কাগজখনত চকু ফুৰালে—

প্ৰিয়, ‘ৰজত’ মৰম ল’বা।

ৰজত! এটা চিনাকী নাম, আগতে তেওঁ এই নামটো শুনিছে; তেওঁৰ যেন কোনো অন্তৰংগ সম্বন্ধ আছে ৰজতৰ লগত। কিন্তু, মনত পেলাব পৰা নাই ৰজতক কিবা খেলি-মেলি, নাই মনত নপৰে

তেওঁৰ চকু পুনৰ চিঠিখনত নিবদ্ধ হ’ল। তোমাৰ হৃদয়ত মই এটি আঘাত প্ৰাপ্ত পখীৰ দৰে বন্দী হ’ব খোজোঁ। সিদিনা তুমি কোৱা কথাবোৰ আজিও বাজি আছে মোৰ কাণত। সেই পাগলদিয়া নৈৰ পাৰৰ শিলাখণ্ডত বহি টৌ খাই থকা আমাৰ প্ৰতিচ্ছবি নৈৰ পানীত। সেউজীয়া ধাননি পথাৰৰ মাজৰ আলিৰে খোজ কাঢ়োতে মই পিছলিব ধৰোঁতে তুমি মোৰ হাতত থাপ মাৰি ধৰা, মোৰ আজিও মনত পৰে।

এদিনাখন তুমি মোক কৈছিলা.. দাপোণ তুমি বেছিকৈ নাচাবা, নহ’লে দাপোণখনেও তোমাৰ প্ৰেমত পৰিব। এইবোৰ কথা মনত সজীৱ কৰি লৈয়েই আজিলৈ জীয়াই আছিলো। কিন্তু আজি আশাবোৰ মাথোঁ চকুপানী হৈ নিৰৰে বৈ গৈছে...

গাটো অৰস অৰস লাগিছে, হঠাৎ দেৱাল ঘড়ীটোৰ টিক্ টিক্ শব্দ কাণত বাজিল। মূৰটো ঘড়ীটোৰ পিনে বেঁকা কৰি চালো। ঘড়ীটোৱে অবিৰতভাৱে ঘূৰি ঘূৰি সুপ্ৰভাতক লৈ আহিল, পাহৰা নাই সি তাৰ পৰিক্ৰমা কেৱল পাহৰণিৰ গৰ্ভত লুকাই থাকিল মোৰ অতীত। বাহিৰত চৰাইৰ কোলাহল। “জয়দেৱ ৰাতি পুৱাল।”

সিদিনা তোমাক লগ ধৰিম বুলি তোমাৰ হোষ্টেললৈ গৈছিলো পাছে তুমি বোলে ঘৰলৈ গৈছা। তুমি উভতি অহাৰ পথত হেনো কেইটামানৰ পিশাচৰ দলে.....

জয়দেৱ আঁচৰিত হৈ ৰ’ল। চিঠিখন এনেকৈয়ে শেষ হ’ল নেকি? নে বহু পুৰণি হোৱাৰ বাবে চিঠিৰ বাকী অংশ হেৰাই থাকিল। কাগজৰ টুকুৰাবোৰৰ মাজত বহুত বিচাৰিও চিঠিৰ হেৰোৱা অংশটো বিছাৰি নাপালে তেওঁ। তেওঁৰ মনত বহু প্ৰশ্নৰ আবিৰ্ভাৱ হ’ল... এই চিঠিখন তেওঁৰ মাকৰ হাতলৈ কৰ পৰা আহিল? চিঠিখন বাৰু কোনে দিছিল? কোন এই ৰজত? চিঠিৰ লিখনিবোৰ কিয় তেওঁৰ চিনাকি লাগিছে? মাকে তেওঁক কিয় কৈছিল বাকচটো খোলাৰ পাছত তেওঁ জয়দেৱৰ চকুত চকু মিলাব নোৱাৰিব? নাই ভাবিচিন্তি লাভ নাই।

তেওঁ পুনৰ সৰু বাকচটো খুলি গ্ৰামোফোনৰ ৰেকৰ্ড এখন হাতত তুলি ললে। হঠাতে জয়দেৱৰ শৰীৰত ত্বৰিৎ গতিত বিদ্যুৎ প্ৰৱাহ হোৱা যেন লাগিল। আৰে, ৰজত বুলি চোন মোকেই কলেজীয়া জীৱনত মাতিছিল প্ৰেয়সী পূৰ্ণিমাই। কিন্তু কিয় তেনেকৈ মাতিছিল, নাই মনত নপৰে অতীত হ’ল, আচলতে কি হ’ল তাইৰ লগত ইমানদিনে মাকে কথাবিলাক কোৱা নাছিল, প্ৰয়োজনবোধ কৰা নাছিল কিজানি।

পাহৰি যাওঁ, পাহৰি পেলাওঁ, আমি আচলতে অতীতৰ কথাবোৰ ৰোমন্থন নকৰা বাবেই পাহৰি যাওঁ।

গাটো অৰশ অৰশ লাগিছে, হঠাৎ দেৱাল ঘড়ীটোৰ টিক্ টিক্ শব্দ কাণত বাজিল। মূৰটো ঘড়ীটোৰ পিনে বেঁকা কৰি চালো। ঘড়ীটোৱে অবিৰতভাৱে ঘূৰি ঘূৰি সুপ্ৰভাতক লৈ আহিল, পাহৰা নাই সি তাৰ পৰিক্ৰমা কেৱল পাহৰণিৰ গৰ্ভত লুকাই থাকিল মোৰ অতীত। বাহিৰত চৰাইৰ কোলাহল। “জয়দেৱ ৰাতি পুৱাল।”

# সোঁৰৰণীৰ আধালিখা পৃষ্ঠাবোৰ

- মৌচুমী কাকতি
স্নাতক চতুৰ্থ ষাণ্মাসিক, সংস্কৃত বিভাগ



"তোমাৰ এবাৰ হাতখন চুই চাব পাৰিম নে" সৰলতাৰে ভৰা চকুৰ চাৱনিৰে সৈতে কম্পিত কণ্ঠ আকুলতাৰেভৰা সেই অনুৰোধটোৱে পাহৰি হৃদয়-দুৱাৰত যেন টক্ টক্ কৰি উঠিল, হৃদয়ৰ অনুভৱৰ আওপকীয়াকৈ দিয়া প্ৰস্তাৱটোত প্ৰথমবাৰৰ বাবে যেন পাহি কঁপি উঠিছিল, পাহৰি চকুত লাজৰ তিৰবিৰণি আৰু তাই হৃদয়ৰ নিচেই ওচৰত বহি থকাৰ পৰা উঠিলে আৰু ক'লে "মই যাওঁ দিয়া ঘৰত" লগে লগে হৃদয়েও বহাৰ পৰা উঠিল কিন্তু যাওঁ বুলি কৈ পাহি যাব পৰা নাছিল হৃদয়ৰ ওচৰতে থিয় হৈয়ে আছিল কাৰো মুখত মাত-বোল নাছিল আৰু হঠাৎ কি হ'ল জানো গম নোপোৱাকৈ পাহিয়ে আৱেগিক হৈ দুহাত মেলি হৃদয়ৰ বুকুৰ মাজত সোমাল আৰু হৃদয়েও পাহিক একো নভৱাকৈ নোকোৱাকৈ আৱেগেৰে সাৱতি ধৰিছে। কাৰোৱে আপত্তি কৰাৰ ভাষা নাছিল যেন গোপনে বুজা-বুজি হৈ আছিল দুখন হৃদয়, কিছু মুহূৰ্তৰ পিছত পাহিয়ে হৃদয়ৰ বুকুৰ মাজৰ পৰা মুখখন উলিয়াই হৃদয়ৰ চকুলৈ চাই সুঠিছিল— "মোক তুমি কেতিয়াও ভাল পাওঁ বুলি নোকোৱা নেকি?" হৃদয়ৰ সৰল উত্তৰ— "মই তোমাক ভাল পাব নোৱাৰোঁ অ', কাৰণ মোৰ তেনে একো প্ৰেমৰ অনুভূতি অনুভৱ হোৱা নাই অ' আৰু মই মাথো তোমাক মোৰ সকলোতকৈ ভাল বান্ধৱী বুলি ভাবো অ' আৰু আমি খুব ভাল বন্ধু।" কিন্তু পাহি যেন অবুজ, নুবুজে কথাবোৰ আৰু পাহৰি যায় সিহঁত ভাল বন্ধু-বান্ধৱীহে; প্ৰেমিক-প্ৰেমিকা নহয়।

কিন্তু সিদিনা কি হ'ল জানো পাহিয়ে নিজকে বিশ্বাস কৰিব নোৱাৰিলে যে হৃদয়ৰ বুকুৰ মাজত পাহিয়ে মৰমৰ আৱৰণেৰে ভৰা নিৰাপত্তা অনুভৱ কৰিছিল আৰু হৃদয়; হৃদয়েও পাহিক তাৰ ভাল বান্ধৱী বুলি ভাবিলেও নিজকে যেন সিদিনা পাহিৰ মৰমৰ পৰা আঁতৰাই আনিব নোৱাৰিলে কাৰণ তাৰ অনুভৱী মনেও বুজি পাই তাৰ বাবে থকা পাহিৰ হেপাহঁৰ মৰমবোৰ, সেয়ে সিদিনা পাহিক তাৰ বুকুৰ মাজৰ পৰা উলিয়াই নিদি আলফুলে আঁকোৱালি লৈ থাকিল, পাহিয়েও নিশ্চিতমনেৰে বিনা সংকোচেৰে হৃদয়ৰ বুকুৰ উম ললে আৰু আহিবৰ সময়ত আলফুলে হৃদয়ৰ কপালত এটি চুমাৰ পৰশ দিলে আৰু বিনিময়ত হৃদয়েও পাহিৰ গালত এটি চুমা দিলে, পাহিৰ দেহ-মন শিহৰিত হৈ উঠিল। পাহিয়ে আকৌ এবাৰ আগতকৈও বেছি জোৰেৰে হৃদয়ক সাৱটি ধৰিলে যেন কেতিয়াও কোনো বিনিময়ত হৃদয়ক হেৰুৱাব নোখোজে, তৎমুহূৰ্তত পাহিয়ে হৃদয়ৰ বুকুৰ মাজৰ পৰা ওলাই আহি আকৌ এবাৰ হৃদয়ক সুধিলে— "তুমি মোক কিয় ভাল পাব নোৱাৰা হৃদয়, কাৰণটো কোৱা?" হৃদয় যেন কিবা কথাত বিবুদ্ধিত পৰাৰ দৰে কৰি ক'লে— "মই তোমাক মোৰ ভাল বন্ধু মানো অ', ভাল পাব নোৱাৰো, কিন্তু ফ্ৰেইণ্ড হিচাপে তোমাক বহুত লাইক কৰো," কিন্তু পাহি অভিমানী, অবুজ ছোৱালী হৃদয়ৰ কথাত পাহিয়ে সন্তুষ্ট নহৈ তাক খং কৰি কলে- "ঠিক আছে, তুমি মোক নামাতিবা আজিৰ পৰা মইও নামাতো আৰু মোক কল, মেছেজ একো নকৰিবাকেতিয়াও, মইও নকৰো", তেনেকৈ কৈ পাহি হৃদয়ৰ ওচৰৰ পৰা উচাৎ মাৰি গুচি যাব ওলাল, হৃদয়ে আকুলভাৱে পাহিক ক'লে-- "সেইটো কেনেকৈ হ'ব, কিয় কল নকৰিম তোমাক আৰু প্লিজ তুমি খং কৰি নাযাবা না।" কিন্তু অভিমানী পাহিয়ে অভিমান কৰি হৃদয়ক খং কৰি গুচি গ'ল।

কিমান বছৰ হ'ল সেই দিনটোৰ? তাহানিৰ সেই নষ্টালজিয়া কথাবোৰ ৰোমন্থন কৰি কৰি বৰ্তমানৰ এজনী সু-অধ্যাপিকা আৰু প্ৰতিষ্ঠিত লেখিকা পাহি পৰাণ হাজৰিকাই ছাদৰ ওপৰৰ

বেলকনিখনত বহি আৱেগিক হৈ পৰিল। হয়, তাহানিৰ সেই হৃদয়ৰ প্ৰেমত বলিয়ালী কৰা সেইজনী পাহিয়ে হ'ল বৰ্তমানৰ পাহি পৰাণ হাজৰিকা, কৃষি বিভাগৰ নামজ্বলা জ্যেষ্ঠ অভিযন্তা পৰাণ হাজৰিকাৰ অৰ্ধাংগিনীয়ে হ'ল পাহি পৰাণ হাজৰিকা। পৰাণ হাজৰিকাৰ অকৃত্ৰিম মৰমে হয়তো পাহিক হৃদয়ৰ কথাবোৰ সোঁৱৰণীৰ গৰ্ভত সোমোৱাত সহায় কৰিছিল যদিও মাজে সময়ে হৃদয়ৰ স্মৃতিবোৰে পাহিক আমনি নকৰাকৈ নাথাকে, পাহিয়ে আজিও এটা প্ৰশ্নৰ উত্তৰ বিচাৰি হাবাথুৰি খাই ফুৰে যে, পাহিৰ দৰে ইমান সংযমী, নিজক লৈ সচেতন ছোৱালী এজনীয়ে কিয় তাইক ভাল পাওঁ বুলি নোকোৱা তাইৰ সেইজন Best Friend হৃদয়ৰ বুকুৰ মাজত সোমাই তাৰ মৰম বিচাৰিছিল (?) কিয় তাই হৃদয়ক কঁপালত চুমা যাচিছিল (?) আৰু হৃদয়, সি পাহিক কোনো দিন ভাল পাওঁ বুলি নকয়ো কিয় সেইদিনা পাহিয়ে তাক সাৱতি ধৰাত তাইক বুকুৰ মাজৰ পৰা উলিয়াই দিব পৰা নাছিল (?) বিনিময়ত হৃদয়েও কিয় পাহিৰ গালত ওঁঠৰ পৰশ দিছিল (?) কিয় সেইদিনা সি পাহিৰ ওচৰত ইমান দুৰ্বল হৈছিল? আজি ইমান বছৰে এই প্ৰশ্নবোৰৰ উত্তৰ বুকুত বোজা কৰি লৈয়ে পাহিয়ে জীৱনৰ দিনবোৰ অতিবাহিত কৰি আছে। পাহিৰ যেন দোমোজাৰ অন্ত এতিয়াও নপৰিল।

পাহিৰ মানসপটত আজিও জিলিকি উঠে হৃদয় আৰু তাইৰ বন্ধুত্বৰ সেই ধুনীয়া সময়বোৰৰ প্ৰতি পল, প্ৰতি ক্ষণ কিমান যে মধুৰ আছিল, দুয়োটাই কিমান যে কথা পাতিছিল, শেষেই নহয় যেন সিহঁতৰ কথাবোৰ, এদিন কথা নাপাতিলেই পাহিৰ হুলস্থুল লাগি গৈছিল আৰু যদি বহু দিনলৈ দেখা দেখি নহয় তেতিয়া হ'ল আৰু (?) ফোন কৰি কৰি পাহিয়ে হৃদয়ক টাউনক মাতিব আৰু তাইও ঘৰৰ পৰা স্কুটীখন লৈ পখিলাজনী হৈ উৰি উৰি যেন টাউনলৈ হৃদয়ক লগ পাবলৈ যাব আৰু হৃদয়, সি আহি পাহিৰ সন্মুখত পাঁচ মিনিট থাকিয়ে দেখা কৰি গুচি যায়। তাতেই যেন পাহিৰ সন্তুষ্টি। কিমান সৰলতাৰে পাহিয়ে হৃদয়ক Best Friend কৰাৰ পিছত লাহে লাহে হৃদয়ক ভাল পাব লৈছিল। কিমান যে মৰম হৃদয়লৈ তাইৰ, কিন্তু হৃদয় সি পাহিক প্ৰেমৰ দৃষ্টিৰে কোনো দিন নাচালে আৰু সেইদিনা তাৰ ভুল হোৱা বুলি ক'লে পাহিক তাৰ ইমান ওচৰত আহিব দিয়া বাবে। যিটো দিনে হয়তো পাহিক ভৱিষ্যতে দুখ দিব কিয়নো সি পাহিক তাৰ প্ৰেমিকা কৰি নিবিচাৰে, বিচাৰে তাৰ অন্তৰংগ বান্ধৱী হৈ থকাতো আৰু পাহিয়েও লাহে লাহে কথাবোৰ বুজিব চেষ্টা কৰি হৃদয়ৰ লগত মাথো বন্ধুত্বৰ বান্ধোনেৰে থকাৰ প্ৰতিশ্ৰুতি দিছিল কিন্তু কোনো দিন হৃদয়ক ভাল নোপোৱাকৈ থাকিব পৰা নাছিল। সদায় তাক ভাল পাই থাকিল হৃদয়ে নুবুজাকে গোপনে গোপনে।

এনেদৰে সময়বোৰ গৈ থাকিল খৰস্ৰোতা নদীৰ দৰে। নদীৰ ঢৌৰ দৰে সময়ৰ ঢৌবোৰেও হৃদয় আৰু পাহিক নেদেখা নদীৰ দুটি বেলেগ পাৰত উপস্থিত কৰাই দিলে, য'ৰ পৰা হৃদয় আৰু পাহিৰ জীৱনৰ পথ বেলেগ বেলেগ হৈছিল, সময়ৰ কুটিল অভিপ্ৰায়ৰ মুখা মুখি হৈছিল পাহি আৰু হৃদয় আৰু তেনেকৈয়ে নিজৰ নিজৰ জীৱনৰ ব্যস্ততাৰ অজুহাতত কোনেও কাকো যোগাযোগ নকৰাকৈ থাকি গৈছিল। কিন্তু হঠাতে পাহিৰ বিয়াৰ ছমাহ মান আগত টাউনত বিয়াৰ বজাৰ কৰি থাকোতে পাহি হৃদয়ৰ মুখা মুখি হৈছিল। স্বভাৱ সুলভ মৰমলগা হাঁহিটোৰে ধেমেলীয়া কথাৰে হৃদয়ে সিদিনাও পাহিক ধেমালি কৰিয়ে ক'লে— "আৰে, পাহি তুমি (?) ইমান বছৰৰ মূৰত লগ পালোঁ, তাতে ইমানবোৰ বজাৰে সমাৰে কথাটো কি (?) মনে মনে বিয়া পাতিছা নেকি?" পাহিয়ে সেইদিনা ধেমেলীয়াকৈ কথা ক'ব নোৱাৰিলে, হৃদয়ক দেখি তাই দুৰ্বল হৈ গৈছিল কিন্তু তৎক্ষণাতে নিজকে সংযত কৰি গম্ভীৰভাৱে ক'লে- "অ হৃদয়, বহুদিন লগ পোৱা নাছিলো ন' হঠাৎ যোগাযোগ নোহোৱা হৈ গ'ল আৰু আজি মোৰ বিয়াৰ বজাৰ কৰি থাকোতে এয়া তোমাক লগ পালো, আচৰিত নহয় নে বাৰু?" হৃদয়ে আকৌ ধেমেলীয়া সুৰত হাঁহি কলে- "তোমাৰ বিয়াৰ বজাৰ, ধেমালি কৰিছা ন'?" পাহিয়ে আগতকৈ গম্ভীৰ দেখুৱাই সঁচা কথাটোৰে ক'লে- "হৃদয় ইমান বছৰৰ মূৰত তোমাক লগ পাই ইমান ডাঙৰ মিছা কথা এটা ক'ম বুলি তুমি কিয় ভাবি ল'লা, মোৰ বিয়া দুমাহ পিছত সঁচাকৈ, কিন্তু পাহিয়ে এয়া কি দেখিলে তাইৰ বিয়াৰ খবৰটো তাইৰ মুখেৰে শুনি হৃদয়ৰ হাঁহিটো যেন ফু মাৰি চাকি গছি নুমাই দিয়াৰ দৰে হ'ল। হৃদয়ৰ মুখখন কৰুণতাৰে ভৰি পৰিল আৰু সি কিছু সময় মৌন হৈ পুনৰ স্বাভাৱিক হ'বলৈ চেষ্টা কৰি মিছা হাঁহি এটি ওঁঠত লৈ ক'লে- "অ বঢ়িয়া' মোক বিয়াত নামাতা মানে?" পাহিয়ে কলে- "কিয় নামাতিম, নিশ্চয় মাতিম তুমি মোৰ Best Friend আছিলা আৰু এতিয়াও Best Friend হৈ আছা দূৰে দূৰে থাকিলেও গতিকে নামাতাৰ প্ৰশ্নই নাহে অ' এইবুলি কৈ বেগৰ পৰা বিয়াৰ নিমন্ত্ৰণী পত্ৰখন হৃদয়ৰ ফালে আগবঢ়াই দি ক'লে- "এয়া লোৱা আৰু বিয়াত আহিবয়ে লাগিব কিন্তু" বিয়াৰ নিমন্ত্ৰণী পত্ৰখন হৃদয়ে পাহিৰ হাতৰ পৰা লওঁতে পাহিৰ আঙুলিকেইটা তাৰ হাতখনত লগাত পাহিৰ বুকুখন অজান ভয়ত কঁপি উঠিছিল সেইদিনা, কিন্তু হৃদয়ৰ সেইদিনাৰ ৰূপটো দেখি পাহিৰ মনত সন্দেহ উপজি থাকিল। কিয়নো সেই মুহূৰ্তত পাহিৰ বিয়াৰ খবৰে কিয় হৃদয়ৰ মুখমণ্ডলত কিছু সময়ৰ বাবে হ'লেও বিষাদৰ ছাঁ আনিছিল(?) কিয় তাৰ মুখৰ হাঁহিটো নিমিষতে নোহোৱা হৈ গৈছিল (?) পাহিতো তাৰ প্ৰেমিকা নাছিল আৰু সিও পাহিক কোনোদিন তেনে চকুৰে চোৱা নাছিল মাথো তাৰ অন্তৰংগ বান্ধৱী বুলিহে ভাবিছিল কিন্তু সেইদিনা তাৰ মুখখন কিয় ইমান কৰুণতাৰে ভৰি পৰিল?

কিন্তু সেই মুহূৰ্তত পাহিয়ে এইবাৰ হৃদয়ক সুধিব পৰা অৱস্থা এটি নাছিল আৰু হয়তো কোনো দিন তেনে এটা অৱস্থা নাহিবও এইবোৰ কথা সুধিবলৈ, এনেকৈ মনৰ মাজতে ইমানবোৰ প্ৰশ্ন লৈ পাহিয়ে হৃদয়ৰ ওচৰৰ পৰা বিদায় লৈছিল আৰু হৃদয়েও পাহিৰ বিয়ালৈ যোৱাৰ প্ৰতিশ্ৰুতি দি এবাৰো তাইৰ ফালে নোচোৱাকৈ পাৰ্কিংৰ ঠাইখিনিৰ পৰা গাড়ীখন উলিয়াই লৈ গুচি গৈছিল আৰু পাহিৰ বুকুত গুজি দি গৈছিল যেন অজস্ৰ প্ৰশ্ন। যিবোৰ প্ৰশ্নৰ উত্তৰ পাহিক দিবলৈ হৃদয়ে হয়তো কোনোদিন আৰু তাৰ বন্ধুত্বৰ সেইদিনবোৰ ওভতাই নাপাব কিয়নো পাহি তেতিয়া আন এজনৰ লগত সংসাৰমুখী জীৱনলৈ অগ্ৰসৰ হোৱাৰ পথত।

"আঁতৰি আঁতৰি থাকিলেও তুমি, নিদিবা দলিয়াই মনৰ পৰা, দূৰ দূৰণিত থাকিলেও তুমি পৃথক নকৰিবা জীৱনৰ পৰা মোৰ বাবে তুমি চিৰ নতুন এটি কবিতা.... কবিতা...। জনপ্ৰিয় গায়ক জুবিন গাৰ্গৰ সেই জনপ্ৰিয় গীতটিৰ প্ৰথম দফাটো পাহিৰ এনড্ৰইড মোবাইলটোৰ ৰিংটনত কেতিয়াবাৰ পৰা ৰিং হৈ হৈ বন্ধ হোৱাত হে তাইৰ সম্বিত ঘূৰি আহিল যে ইমান সময় তাই অতীতৰ সেই নষ্টালজিয়াৰ অনুভৱৰ ভাবত ডুবি আছিল, এতিয়াহে বাস্তৱলৈ ঘূৰি আহিৰ আৰু লগে লগে ওচৰতে থকা মোবাইলটো হাতত তুলি কোনে ফোন কৰিছিল বুলি ভাবি চাই দেখে যে তাইৰ স্বামী পৰাণৰ চাৰিটা মিছকল হৈ আছে। তাই পৰাণলৈ কলবেক কৰিলে আৰু পৰাণে চিন্তিত কণ্ঠেৰে সুধিলে- 'সোণ, তুমি ইমান সময় ফোনটো ৰিছিভ কৰা নাছিলা কিয় অ', গা বেয়া নেকি?' পাহিয়ে আৱেগেৰে ক'লে 'নাই অ' গা ভালে আছে মোৰ, তুমি চিন্তা নকৰিবা আৰু তুমি ভালে আছা নে কোৱা (?) কেতিয়া আহিবা ' অ'? ঘৰত তোমাক মিছ কৰি আছো অ' বহুত"। পৰাণে অভিমানেৰে ক'লে- "মই ভালে আছো। কিন্তু তুমি কিয় ইমান সময় ফোনটো ৰিছিভ কৰা নাছিলা, যদি মোক মিছে কৰি আছিলা"। পাহিয়ে কৃত্ৰিম হাঁহি মাৰি ক'লে- "তোমাৰ কথাকে ভাবি আছিলো অ' ছাদত বহি, তুমি ফোন কৰা গমে পোৱা নাছিলো। পাহিৰ মুখেৰে মিছাকৈ কথাটো ওলাই গ'ল, পৰাণে সন্তুষ্টিৰে হাঁহি মাৰি কলে- ওকে বেবি, মোৰ কথা ভাবি আছিলা ন' ঠিক আছে এক ঘন্টা পিছত মই ঘৰ গৈ পাম, তুমি অকণমান ওৱেইট কৰা, পাহিয়ে ক'লে- 'মানে তুমি সঁচাকৈ ঘৰ আহি আছা, কিন্তু তুমিটো পলম হ'ব বুলি কৈছিলা ঘৰ আহোতে, সকলো ঠিকে আছেতো?' পৰাণে আকৌ হাঁহি হাঁহি কলে- "মই এয়াৰপোৰ্টৰ পৰা ওলাইছো অ' ঘৰ পাম এক ঘন্টাত, অফিচৰ কাম সোনকালে শেষ হোৱাত মই সোনকালে অসমলৈ উভতিব পাৰিলোঁ অ'। সকলো ঠিকেই আছে, তুমি এনেয়ে চিন্তা কৰি থাকা সদায় পাহিয়ে স্বস্তিৰ নিশ্বাস এৰি ক'লে- 'ঠিক আছে বাবা, টেনচন লোৱা নাই বাৰু, তুমি ভালকৈ অহা, এতিয়া ফোনটো ৰাখিছো।" পৰাণৰ দুষ্টামি ভৰা ধেমেলীয়া মৰমৰ আব্দাৰ অ'কে ডাৰ্লিং তুমি সাঁজি কাচি ধুনীয়া হৈ থাকিবা, মই গৈ তোমাক আৰু বেছি ধুনীয়া দেখা পাব লাগিব, মই জানো মোৰ দেহাজনী এনেও ধুনীয়া কিন্তু আজি ইমান দিনৰ মূৰত ঘৰ গৈ আছো গতিকে তুমি আজি স্পেচিয়েল হৈ থাকিবা, নহ'লে কিন্তু মই কি কৰিম, তুমি জানাই" আকৌ দুষ্টামি হাঁহি, পাহিয়ে মৃদু ধমক দি কলে 'বদমাছ, ভালকে আহি লোৱা ঘৰত প্ৰথমে, এতিয়া ৰাখিছোঁ ফোনটো" সেই বুলি ফোনৰ বাৰ্তালাপৰ অন্ত পৰিল অকৃত্ৰিম মৰমৰ আব্দাৰ, দাবী ধমকৰ মাজেৰে।

কিয় জানো পাহিয়ে অতীতৰ দিনবোৰ সুঁৱৰি থাকি, পৰাণে সোধোতে তাৰ কথা ভাবি থকা বুলি মিছাকৈয়ে কৈ নিজকে দোষী দোষী যেন ভাব হ'ল। অফিচৰ কামত চাৰি পাঁচদিনৰ বাবে অসমৰ বাহিৰত যোৱা পৰাণ ঘৰলৈ আহি থকা খবৰটোৱে পাহিক কিমান সুখী কৰিছে তাই নিজেই বুজি পাই কাৰণ অকলশৰীয়া মুহূৰ্তবোৰে পাহিক তাহানিৰ দিনবোৰৰ স্মৃতিয়ে হেঁচা মাৰি ধৰে। কিছুদিন পিছতে পাহি আৰু পৰাণৰ বিয়াৰ এবছৰ হ'ব। কিন্তু হৃদয়ক পাহিৰ বিয়াৰ দুমাহ আগত হঠাতে পাহিয়ে লগ পোৱা সেই দিনটোৱে সৃষ্টি কৰা প্ৰশ্নবোৰৰ আজিলৈ পাহিয়ে উত্তৰ বিচাৰি নাপালে আৰু হয়তো কেতিয়াও নাপাব। সেয়াই হৃদয়ৰ লগত পাহিৰ শেষবাৰ দেখা সাক্ষাৎ হৈছিল। পাহিৰ বিয়ালৈও সি নাহিল। এবুকু সাঁথৰ যেন লগা উত্তৰবিহীন প্ৰশ্নৰে সৈতে পাহি ওলাই গৈছিল এখন ঘৰৰ বোৱাৰী হৈ কাৰোবাৰ পত্নী হৈ।

সোঁৱৰণীৰ সেই আধালিখা পৃষ্ঠাবোৰ লুটিয়াই চাই পাহিয়ে এতিয়াও মাজে সময়ে আৱেগিক হৈ পৰে, কিন্তু সময়ে জানো কাৰোবাক ৰৈ থাকিব দিয়ে (?) কেতিয়াও নিদিয়ে। ঘড়ীৰ কাটাকেইডালৰ সৈতে খোজ মিলাই গৈ গৈ সুখী হোৱাৰ মিছা অভিনয়ত যেন ব্যস্ত বেছি সংখ্যক লোকেই। তেনেদৰে পাহিয়েও হৃদয়ৰ পাহৰাৰ চেষ্টা কৰি পৰাণৰ মৰমবোৰৰ সৈতে সুখৰ অনুভৱেৰে দিনবোৰ পাৰ কৰিব লৈছিল আৰু পৰাণেও এবুকু মৰমেৰে সৈতে সকলো কামতে পাহিক সম্পূৰ্ণ সহযোগিতা আগবঢ়াইছিল এজন Best Friend ৰ নিচিনাকৈ। পাহিয়ে অনুভৱ কৰিছিল যে নিজৰ স্বামীজনেও Best Friend হ'ব পাৰে আৰু সঁচাকৈয়ে বিয়াৰ পিছত নিজৰ স্বামীক Best Friendৰ নিচিনাকৈ পোৱাটো সৌভাগ্য আৰু সেই সৌভাগ্যৰ অধিকাৰী হৈছিল পাহি। সেয়েহে পৰাণৰ মৰমৰ আব্দাৰবোৰ, দাবীবোৰ, মৰমৰ আদেশবোৰ পূৰণ কৰোতে কৰোতে মোৰ দিনবোৰ কেনেকৈ পাৰ হৈ গৈ আছিল সেয়া অনুভৱে কৰিব পৰা নাছিল আৰু সোঁৱৰণীৰ সেই আধালিখা পৃষ্ঠাবোৰ তেনেকৈয়ে থাকি গৈছিল আধা লিখা হৈয়ে।



# সাফল্যৰ প্ৰতিযোগিতা

**- মাজনী বেগম**
স্নাতক চতুৰ্থ ষাণ্মাসিক, ইংৰাজী বিভাগ

ঃ **কা**কু, অই কাকু উঠা। আৰু কিমান শুৱানো, উঠা, সেয়া ৰিমলি হতে উঠি পঢ়া আৰম্ভ কৰিলেই।

ৰাতিপুৱা প্ৰায় ৪-৩০ মান বজাতে কাকলিক টোপনিৰ পৰা জগালে। কিন্তু তাইৰ যে একেবাৰে মন যোৱা নাই। আৰে ৰাতি ইমান দেৰিলৈকে পঢ়ি শুইছেহে মাত্ৰ মাকে আৰু চিঞৰিব ধৰিলেই। গাৰুটো কাষত লৈ শুব ধৰোঁতে মাক এইবাৰ তাইৰ কাষ পালে। মাৰৰ ভয়ত তাই একেজাঁপে বিছনাৰ পৰা নামিল।

হাত-মুখ ধুই কাকলিয়ে পঢ়া টেবুলত বহিল। এইবাৰ মাকে তাইৰ বাবে হাতত এগিলাচ গাখীৰ আৰু অমলেট এটা বনাই লৈ আহিল

ঃ সমাজ বিজ্ঞানত ৯৮ হে মাত্ৰ?

ঃ Mummy মানে.........?

ঃ চুপ্ একদম চুপ্ ৰিমলিয়ে যে ১০০ পালে তুমি কিয় নাপালা? যিটো দেখিছো, আমাৰ মান সন্মান সকলো শেষ কৰিবা।

ঃ Short Question দুটা mistake হৈ গ'ল, mummy so.. two marks তেনেকে হ'ল।

ঃ কিয় হ'ল? কি দুখ দিছো আমি তোমাক? পিন্ধিবলৈ দিয়া নাই নে খাবলৈ দিয়া নাই? next time চাবা কিন্তু যাতে ওৱান মাৰ্কও কম নহয়। এতিয়া যোৱা স্কুললৈ যাবলৈ ৰেডি হোৱাগৈ।

ঃ হম......।

কাকলিয়ে তলমূৰ কৰি উত্তৰ দিলে।

কাকলি এজনী ক্লাছ নাইনৰ ছাত্ৰী। তাইৰ দেউতাক চাকৰি সূত্ৰে ঘৰৰ পৰা দূৰত থাকিবলগীয়া হয়। গতিকে মাকে তাইৰ পঢ়া-শুনা, খোৱা-লোৱা সকলোতে গুৰুত্ব দিব লগা হয়। কিন্তু মাকৰ অতিমাত্ৰা অনুশাসনৰ বাবে তাই অতিষ্ঠ হৈ পৰে। তাইৰ মাজে মাজে অনুভৱ হয় যেন তাই স্বাধীন নহয়। তাই যেন সকলো কেৱল মাক-দেউতাকক সন্তুষ্ট কৰিবলৈহে কৰি আছে। কিন্তু মাকক তাই কেতিয়াও সন্তুষ্ট কৰিব নোৱাৰে। কেতিয়াবা এটা বিষয়ত এক নম্বৰ কম পালেও বহুত কথা শুনাই লগতে মাৰ খাব লগাত পৰে। তাইৰ যেন জীৱনৰ লক্ষ্য হ'ল কেৱল ১০০ শতাংশ নম্বৰ লাভ কৰা বাকী সকলো কথাই তাই যেন পাহৰি গৈছে।

মনত গভীৰ বোজা এটা লৈ তাই কেতিয়ানো স্কুল আহি পালে গমকে নাপালে।

ঃ কাকু,গাড়ীৰ পৰা নামা। স্কুল পালোহি। - ৰবীন খুৰাকে ক'লে।

ঃ অ, পালোহি নেকি, ঠিক আছে ৰবীন খুৰা তুমি যোৱা তেনেহ'লে Bye, কাকলি গাড়ীৰ পৰা নামি খুৰাকক ক'লে।

গৈয়ে তাই ৰিমলিক লগ পালে-

ঃ অ, হাই কাকু, কি খবৰ? ৰাতি-দিনে পঢ়ি পঢ়ি সমাজ বিজ্ঞানত দ্বিতীয়হে হ'লা নে?

ৰিমলিয়ে তাইক ধেমালিতে তেনেকৈ ক'লে যাতে তাইৰ খং উঠে আৰু সিহঁতে তাইক জোকাব পাৰে।

ঃ তোমাৰ লগত কথা পাতি সময় নষ্ট কৰাৰ মোৰ ইচ্ছা নাই ৰিম... Bye

কাকলিয়ে খঙতে তাৰ পৰা আঁতৰি গ'ল-

ঃ ধেৎ, ধেমালি কৰিলেও বেয়া পাই......... এইজনীয়ে. কৌশিকে ক'লে।

কাকলিয়ে লাইব্ৰেৰীলৈ গ'ল, কিতাপ এখন ল'ব লগা আছিল। কিন্তু তাইৰ মনত প্ৰচণ্ড খং ৰিমলিৰ প্ৰতি। আচলতে তাই ৰিমলিক মনে মনে বহুত বেয়া পায়। প্ৰথম কাৰণ সকলো কথাতে মাকে তাইক ৰিমলিৰ সৈতে তুলনা কৰি গতাই, বহু কথা শুনাই আৰু কেতিয়াবা শাস্তিও দিয়ে। দ্বিতীয় কাৰণ ৰিমলিয়ে এইবাৰ দুখন মান বিষয়তো বেছি মাৰ্কছ্ পাইছে।

স্কুলত সকলোৱে খুব মুকলিভাবে খেলা ধুলা কৰে, ইজনে সিজনৰ লগত কথা পাতে। কিন্তু কাকলিয়ে যেন নোৱাৰে। মাকৰ প্ৰতিটো কথাই বাৰে বাৰে তাইৰ কাণত বাজি থাকে।

ঘৰত গৈ ভাতকেইটা খাই বিছনাখনত অলপ জিৰাই টিভিটো অন কৰিছিলহে মাত্ৰ।

ঃ কাকু, তৎক্ষণাৎ টিভি অফ কৰা আৰু ৰুমত যোৱা টিউচন ছাৰ আহিবৰ হ'ল- মাকে ভিতৰৰ পৰা চিঞৰিলে।

ঃ মাত্ৰ পাছ মিনিট Mummy।— কাকলিয়ে কলে

ঃ মই কি কৈছো শুনিছানে যোৱা, মাকে ধমকি দি ক'লে তাই গ'ল আৰু টিউচন ছাৰ অহালৈ অপেক্ষা কৰিলে।

আজি কাকলিহঁতৰ পৰীক্ষা ৰিমলি আৰু কাকলি একেটা ৰুমতে পৰিলে। পৰীক্ষাৰ সময়ত এনেকুৱা হৈছে যেন দুয়োৰে মাজত এক প্ৰতিযোগিতাহে হৈছে কোনে বেছি লিখিব পাৰে। ৰিমলিয়ে যদি দুটা পৃষ্ঠালৈ তেতিয়া কাকলিয়ে তাইক দেখাই আৰু দুটা বেছিকৈ লয়। অহাকালি ইংৰাজীৰ পৰীক্ষা আছে। কাকলিয়ে মনে মনে ৰিমলিৰ বেগৰ পৰা notes বহীটো নি লুকুৱাই থ'লে যাতে তাইৰ পঢ়াত অসুবিধা হয় আৰু Exam. ত তাইতকৈ(কাকলিতকৈ) কম নম্বৰ পায়।

ঃ কাকু, ইংৰাজীৰ নোটৰ বহীটো মোৰ কিয় লুকুৱাই থৈছা।— ৰিমলিয়ে কাকলিৰ দুষ্ট বুদ্ধি বুজি কাকলিক সুধিলে।

ঃ নাই, নাই, মই তোমাৰ নোটৰ বহী কিয় লুকৱাই থ'ম। কাকলিয়ে ক'লে।

ঃ শেষবাৰ কৈছো, কাকু উলিয়াই দিয়া নহ'লে মই অধ্যক্ষৰ ওচৰত যাবলৈ বাধ্য হ'ম। ৰিমলিয়ে ক'লে।

ঃ তাৰমানে তুমি মোক চুৰ সজালা- এই বুলি কাকলিয়ে ৰিমলিৰ চুলিকোচাত ধৰিলে। তেতিয়া ৰিমলিয়েই তাইৰ চুলিকোছাত ধৰিলে। এনেতে কৌশিকে দুয়োৰে কাজিয়া দেখি শৰ্মা ছাৰক মাতি আনিলে। শৰ্মাচাৰ সিহঁতৰ ইংৰাজীৰ শিক্ষক।

ঃ আৰে, আৰে, কি কৰিছা কাকলি, ৰিমলি, তোমালোক দুজনীয়ে এনেকৈ কাজিয়া কৰিলে- বাকীবোৰে বেছি সুবিধা পাব, নাপায় নহয়, চাও এৰি দিয়া দুগৰাকী মেধাৱী ছাত্ৰী হৈ এনেকুৱা ব্যৱহাৰ কৰিব নাপায়।

শৰ্মা ছাৰে দুয়োকে বুজালে।

শৰ্মাছাৰ ৰুমৰ পৰা ওলাই যোৱাৰ পিছত কাকলিয়ে ৰিমলিৰ বহীটো উলিয়াই দিলে আৰু ক'লে

ঃ লোৱা, তোমাৰ বহী আৰু মনত ৰাখিবা ইংৰাজীত মই প্ৰথম হ'ব লাগিব।

কাকলিয়ে কথাখিনি ৰিমলিক ধমকি দিয়াৰ সুৰত ক'লে।

ঃ অ'হ সেইটো কথা, হ'ব তেনেহ'লে চাই থাকিবা আজিৰ

পৰা মই দিনে-ৰাতিয়ে দুগুণকৈ পঢ়িম কোন প্ৰথম হয়, কোন দ্বিতীয় হয় সেইটো পিছত দেখা যাব।— ৰিমলিয়ে ক'লে।

তাৰ পাছত দুয়ো দুইফালে আঁতৰি আঁৰতি গ'ল। আচলতে কাকলিৰ স্কুলত কৰা এই ব্যৱহাৰৰ বাবে তাই দায়ী নহয়, দায়ী তাইৰ মাক। যিয়ে তাইক অনবৰতে তেনেকুৰা কথা কৈ তাইৰ মন প্ৰতিযোগী আৰু কঠোৰ কৰি তুলিছে।

সমাজৰ এনেকুৰা মাক-দেউতাকৰ বাবে ছাত্ৰ-ছাত্ৰীৰ জীৱন ধ্বংস হয়। তেওঁলোকে বিচাৰে মোৰ ছোৱালীজনী ল'ৰাটো ডাক্তৰ হ'ব লাগিব, ইঞ্জিনীয়াৰ হ'ব লাগিব, কিন্তু তেওঁলোকে এইটো ভাবি নাচায় যে তেওঁৰ ল'ৰাটো বা ছোৱালীজনীয়ে কি হ'ব বিচাৰে। কাকলিৰ ক্ষেত্ৰতো তেনেকুৰাই হৈছিল।

ৰাতি পঢ়াৰ সময়ত মাকে বাৰে বাৰে আহি চাই যায় তাইৰ কিমান পঢ়া হ'ল। দুই এটা প্ৰশ্ন সুধিও চায় আৰু নোৱাৰিলে স্কেলেৰে হাতত চিন বহাকৈ কোবায়। এইফালে তাইৰ দিনতো শোৱা নহ'ল। তাইৰ ভাগৰ লাগিছিল আৰু ক'ব নোৱাৰাকৈ টেবুলত টোপনি গ'ল। কিছু সময়ৰ পিছত মাক ৰুমত আহিল আৰু তাইক তেনে অৱস্থাত দেখি খঙত জ্বলি পকি উঠিল।

ঃ ৰাতিপুৱা পৰীক্ষা আছে আৰু তুমি এনেকৈ টেবুলত শুই সময় নষ্ট কৰিছা...... এই বুলি মাকে তাইক দুগালত দুচৰ মাৰিলে।

কাকলিয়ে কান্দিলে।

মাকে পুনৰ ক'লে—

ঃ চাবা কিন্তু অহাকালিৰ বিষয়টোত যদি ১০০ৰ ভিতৰত ১০০ নোপোৱা কথা বেয়া হ'ব। এইবুলি মাক খঙত ৰুমৰ পৰা ওলাই গ'ল।

ৰাতি দুই বাজিল কাকলিৰ পঢ়াৰ মন আৰু নাই আৰু এইফালে মাকৰ মাৰৰ বিষ তাইৰ মনটোও বহুত বেয়া, তাই আৰ্ট পেপাৰখন উলিয়াই পেইন্টিং কৰিব ধৰিলে কাৰণ তাইৰ শুৱৰো মন নাই। সৰুৰে পৰাই তাইৰ ছবি অঁকাত বহুত চখ আৰু তাই ধুনীয়া পেইন্টিং কৰিবও জানে। কিন্তু কি হ'ব? মাকে যে কথাবোৰ বুজি নাপায়। তেওঁক লাগে কেৱল সকলো বিষয়ে প্ৰথম অন্যথা কঠোৰ শাস্তি।

এনেতে তাইৰ কাষতে থকা টেলিফোনতো বাজি উঠিল।

ঃ হেল্ল, কাকলিয়ে ক'লে

ঃ অ' কাকু, কি হ'ল? শুলা নেকি? সিফালৰ পৰা ৰিম্লিৰ মাত ভাঁহি আহিল।

ঃ ৰিম্লি? কাকলিয়ে আচৰিত হৈ শুধিলে?

ঃ অ' মই— কালি পৰীক্ষা আৰু তুমি কি শুলাও নেকি? মই হ'লে শুৱা নাই কিন্তু প্ৰায় সকলোবোৰ সম্পূৰ্ণ হ'লেই। তোমাৰ হ'লনে? নে টোপনিৰ পৰা সাৰ পালা? হা, হা, হা,....—ৰিমলিয়ে ক'লে।

কাকলিৰ খং উঠি গ'ল আৰু ফোনটো কাটি দিলে। ৰিম্লিৰ কথাবোৰ শুনি কাকলিৰ মূৰ গৰম হৈ গ'ল। কাৰণ তাইৰ চোন গোটেইবোৰ সম্পূৰ্ণ হোৱাই নাই। এতিয়া কি হ'ব? এনেকৈ হ'লেতো ৰিম্লিয়ে প্ৰথম আহিব। তেতিয়া তাইৰ কি হ'ব? মাকে তাইক কি কৰিব?

কাকলিৰ মূৰটো কিছুমান নএগ্ৰাৰ্থক চিন্তাৰে ভৰি পৰিল আৰু তাই পাগলৰ দৰে হৈ পৰিল। মুঠতে তাই যিকোনো প্ৰকাৰে প্ৰথম আহিব লাগে। ৰিম্লিয়ে প্ৰথম আহিব নোৱাৰে। এইবিলাক চিন্তাৰ কাৰণে ৰাতি কাকলিৰ ভালকৈ টোপনি নহ'ল।

ৰাতিপুৱা পৰীক্ষা দিব যাবৰ সময়ত মাকে তাইক পুনৰ সকীয়াই দিলে-

ঃ কাকলি, মনত ৰাখিবা first only তুমিহে আহিব লাগিব। ৰিম্লি বা আন কোনো যাতে নহয়?

স্কুলত যাওঁতে কাকলিৰ মনত ৰিম্লিয়ে কোৱা কথা, তাইৰ মাকে কোৱা কথাবোৰ বাৰে বাৰে কাণত বাজি থাকিল। তাই ভাবিলে ৰিম্লিয়ে ৰাতি নোশোৱাকৈ ইমানখিনি পঢ়িলে আৰু মোৰচোন ভালদৰে পঢ়া নহ'লেই। গতিকে ৰিম্লিয়ে প্ৰথম আহিব, তাই আহিব নোৱাৰে।

স্কুলত গৈয়ে তাই কৌশিকৰ আগত ৰিম্লিক চাদৰ ওপৰলৈ মাতি পঠালে। ৰিম্লিয়ে বিশেষ একো নাভাবি তালৈ আহিল-

ঃ কাকু, কি হ'ল? কিয় মাতিলা মোক? - ৰিম্লিয়ে সুধিলে।

ঃ ৰিম্লি প্ৰথম মাত্ৰ মই আহিব লাগিব, মাত্ৰ কাকলি, ৰিম্লি নহয়।'

কাকলিয়ে বহুত খঙত তাইৰ আগত কথাখিনি ক'লে।

ঃ আৰে ইমান চিঞৰিয়াছ কিয় হৈছা? বাদ দিয়া সেইবোৰ। বলা পৰীক্ষা আছে নহয়।— ৰিম্লিয়ে তাইক বুজনিৰ সুৰত ক'লে।

ঃ নহয়, নহয়, ৰিম্লি যিকোনো প্ৰকাৰে কেৱল মইহে প্ৰথম আহিব লাগিব, তুমি নহয়।' এইবুলি তাই খুব জোৰকৈ ৰিম্লিক চাদৰ ওপৰৰ পৰা ঠেলি দিলে।

ঃ কাকু,...

ৰিম্লিয়ে কেৱল চিএঞৰিলে। প্ৰচণ্ড খঙৰ ভমকত কাকলিয়ে কি কৰি দিলে সেইমূহূৰ্তত তাই ধৰিব পৰা নাছিল। কিন্তু পিছমূহূৰ্তততহে যেন তাইৰ চেতনা আহিল। নিজৰ অপৰাধৰ কথা বুজিব পাৰি কাকলিয়ে কেৱল কান্দিলে আৰু কান্দিলে। আৰু তাৰ পিছত-

ঃ মোক ক্ষমা কৰিবা ৰিম্লি, মোক ক্ষমা কৰিবা।

এইবুলি তায়ো ছাদৰ ওপৰৰ পৰা জাঁপ মাৰি দিলে।




# এটা পি.চি.অ'

- তৃষ্ণা দেৱী
স্নাতক ষষ্ঠ ষাণ্মাসিক
ৰসায়ন বিজ্ঞান বিভাগ

**মে**ৰুদণ্ডহীন জীৱন এটা পিঠিত কঢ়িয়াই অযথা সময়বোৰ ব্যয় কৰাৰ চখ নথকাৰ পাছতো জীৱনটোৰ স'তে সম্পৰ্ক ৰখা এচাম মানুহৰ সংগত পাৰ কৰি অহাৰ পৰাই ভাবিছো সঁচাকৈয়ে মনোমোহা এই জীৱনটো।

হাজাৰ চকুপানী ভৰা চকুৰ উজ্জ্বলতাবোৰ দেখাৰ পাছতো ভাবিছো জীৱনটো ধুনীয়া, আঁচৰিত, সঁচাকৈয়ে আঁচৰিত।

অনামিকা চৌধুৰীক লগ পোৱাৰ পাছতে সাগৰে কথাবোৰ হয়তো তেনেকৈয়ে ভাবিছিল, মই অলপ গোপনে ৰাখিছিলো কথাবোৰ। সাগৰে নাজানিছিল তাৰ বাদে মই অনামিকাৰো

ভাল বন্ধু হওঁ।

- বা কি, সতীৰ যাত্ৰা কেনে চলিছে?

- নৰকমুখী। তাৰ পিছত দিন ধৰি মই তাইলৈ কোনো ফোন অথবা চিঠিৰ যোগাযোগ ৰখা নাছিলোঁ।

কলেজীয়া বন্ধুৰ ভিতৰত সাগৰে ৰৈছিল মোৰ স'তে। অনামিকা হায়াৰ ছেকেণ্ডাৰী ফাৰ্ষ্ট ইয়েৰত থাকোতে আমি দুয়োটা ফাইনেল ইয়েৰৰ।

সাগৰৰ প্ৰথম চিঠিখন লিখি দিওঁতে মই ভাবিছিলোঁ তাইক মই কথাবোৰ কৈ থকাৰ দৰে।

শেষলৈ সাগৰে ইঞ্জিনীয়াৰিং কৰিবলৈ গ'ল, আৰু মই?

- বতাহ এজাকৰ স'তে বনৰীয়া গোন্ধ এটি ভাঁহি আহিছিল কোনোবাফালৰ পৰা, আচৰিত সুগন্ধি। মই নজনাকৈয়ে উৎস বিচাৰি ক্লাছৰুমৰ বাহিৰলৈ ওলাই গ'লো, সন্মুখত প্ৰতিমাহেন এহালি চকু।

- এই ভাই থৰ হৈ গ'লি যে?

- ন... হ....য় মানে....

কথাবোৰ সম্পূৰ্ণ হ'বলৈ নাপালে হুৰমুৰকৈ সাগৰ ওলালহি, মোৰ চকুত ধূলি মাৰি সি কোন তলকত তাইৰ ওচৰ পালেগৈ তলকিবই নোৱাৰিলো। প্ৰথমখন চিঠিৰ অনুভৱত সজীৱ হ'বলৈ লওঁতেই পায়ো নোপোৱাৰ দৰে কথাবোৰ।

R.J. ঋতুৰাজে কথাবোৰ সুৰলাকৈ কৈ গ'ল। On air ত থকাৰ সময়ত তাৰ ফোনটো বন্ধ থাকে। প্ৰেম, বন্ধুত্ব আৰু কিছু মিঠা সোঁৱৰণীৰে সি অনুষ্ঠানটো চলাই নিছে। তাৰ বন্ধুৰ সংখ্যা যিদৰে অসংখ্য ঠিক সেইদৰেই ফোনকল, চিঠিৰ সংখ্যাও কোনোগুণে কম নহয়।

- চিঠিৰ কথাবোৰৰ পিছতে অতীত আৰু পি.চি.অ'ৰ কথাবোৰৰ পাতনি মেলিলে। বহুদিন পিছত সাগৰে ৰেডিঅ'টো অন কৰিলে। ব্যস্ততাই সময়বোৰ আজুৰি নিয়াৰ পাছত আৰু যৌৱন অতীতক বিচৰাৰ তেনে মধুৰ ক্ষণ কেতিয়াওঁ অহা নাই তাৰ জীৱনলৈ। বিচনাতে দেহাতো পেলাই কাণত ইয়েৰ ফোন লগাই নিমগ্ন হৈ পৰিল আৰ.জে. ঋতুৰাজৰ স'তে।

নাটকীয় সুৰৰ কথাবোৰে মনটো জীপাল কৰি দিয়ে গীত শুনি কথা পাতোঁ তুমি আৰু মই....

ঋতুৰাজে ইজনৰ পিছত সিজন শ্ৰোতাৰ স'তে কথা পাতি গ'ল।

- আপোনাৰ নাম?

- ৰঙিয়াৰ অনামিকা চৌধুৰী। বৰ্তমান গুৱাহাটীত থাকো।

- অনামিকা বাইদেউ, বিশিষ্ট গল্পকাৰ। ধন্যবাদ বাইদেউ আপোনাৰ ফোনকলটোৰ বাবে।

সাগৰে বহুপৰ ভাবি কিবা খেলিমেলি হোৱা বুলি সিয়ো ফোনটো লগাব ধৰিলে।

ব্যস্ত। তাৰ বাদে আৰু বেলেগ একো আশা কৰিব নোৱাৰি। অনামিকা চৌধুৰী।

নামটোৱে টানি নিছে বাৰে বাৰে তাক। জীৱনক লৈ বিৰূপ মন্তব্য কৰা সেই হাঁহিমুখৰ ছোৱালীজনী।

টৌ খেলা চুলি, সাইলাখ প্ৰতিমাৰ দৰে তাইৰ গঠন। তায়েই নহয় জানো?

- ঋতুৰাজৰ মাতটো সি বহুতদিন বহুবাৰ শুনিছে, আজি যেন নিচেই আপোন তাৰ সেই মাত।

ফোনটো হাতত লৈ আকৌ ডায়েল কৰিলে, নাই। একেই প্ৰত্যুত্তৰ।

অপেক্ষা কৰিবলৈ যেন ধৈৰ্য্য নাই, গুচি যাব নেকি এই মুহূৰ্তত অফিচো বন্ধ তাৰ।

সাগৰৰ বৰ্তমান ঠিকনা গুৱাহাটী। চাৰিবছৰ বাহিৰত থাকি সি নতুনকৈ এই চহৰত জইন কৰিছে। যদিও ভালকৈ চিনি নাপাই তথাপি সি যাব অনামিকাক বিচাৰি।

- ইয়াৰ পিছত কি কৰিবা?

সুৰামত্ত অৱস্থাত গাড়ীৰ এক্সিডেন্টৰ বাতৰিটো.... আচলতে ভুলবশতঃ সাগৰ নামৰ অচিনাকী মানুহজনক প্ৰিয় বন্ধু সাগৰ বুলি ভাবি লৈছিল ঋতুৰাজে। ভুলবোৰে ভাল কৰে কেতিয়াবা। ভুলে ভুলেও কাষ চপাই আনিলে প্ৰিয় নাৰীৰ লগতে প্ৰিয় বন্ধুক। যেতিয়া হৃদয়েৰে চিনাকি থাকে কোনে কাক আঁতৰাব পাৰে?

ঋতুৰাজৰ প্ৰশ্নত অবাক হৈছিল সিদিনা তাই।

- ভাবিম, দেউতাৰ টকাৰে আৰু কিমান বিহু মাৰিবা? লাইন লৈ পঢ়িম। যাতে সোনকালে কিবা এটা কৰিব পাৰোঁ।

- জীৱনমুখী হ'লাই নেকি? আমি একোকে কৰিব পৰা নাই।

অনামিকাৰ দুচকুৰ বিষন্নতাক চুৰমাৰ কৰি ঋতুৰাজে কৈ পেলালে।

- জীৱনটো আৰম্ভ কৰিছাহে, বাটতো বহুত জটিল, খোজবোৰ সাৱধানে দিবা। কলমটোত শক্তি আছে জোৰকৈ ধৰিবা, পাৰিবা সকলো কৰিবা, ভাল লিখিবা, তুমি সৃষ্টিবোৰ পৰিপক্ক।

এটা হাঁহি মাৰি কথাবোৰ সামৰি পেলাইছিল। তাই লুকুৱাই ৰখা কথাবোৰ ঋতুৰাজে সকলো বুজিছিল, সকলোবোৰ উমান পাইছিল অথচ তাই ক'ব খোজা নাছিল।

সাগৰে প্ৰেমৰ প্ৰস্তাৱ দিয়াৰ পিছতো নাকচ কৰিছিল, কিন্তু ঋতুৰাজৰ স'তে সম্পৰ্কবোৰ গাঢ় হ'ব ধৰিছিল।

এনেকৈয়ে মুখবোৰ চিনাকি হৈ আহে, তাৰ পৰাই অচিনাকী হয়। বিদায় সভাৰ শেষ সময়। কাৰ চকুত কি কোনেও নাজানে, কাৰ বুকুত কি কোনেও নেজানে, গধুৰ মনবোৰ সামৰি ল'লে। পৰীক্ষালৈ মাজত মাত্ৰ কেইটামান দিন।

- আবেগবোৰ বাধা দি ঋতুৰাজ সাগৰৰ লগতে ব্যস্ত হৈ পৰিল, সকলো বন্ধুবৰ্গৰ কথাবোৰ সামৰণি পৰিল। অনামিকাৰ দুচকুৰ বিষাদ বিষাদ কথাবোৰ গম পাবলৈ সময়ৰ অভাৱ হ'ল।

ৰিজাল্টৰ পাছতে সকলোৱে নিজা নিজা সপোনৰ পাছত জীৱন দৌৰালে।

সকলোবোৰ সোঁৱৰণি কৰি...গাড়ীখন দৌৰাই সাগৰ টাউনলৈ ওলাই গ'ল ৰাস্তাৰ কাষত কোনোবা এটা পি.চি.অ'ত সোমাই সি ঋতুৰাজৰ সতে কিবা কথা প্ৰকাৰে হৈ অনামিকাৰ ফোন নম্বৰটো ল'ব।

গাড়ীৰ ৰেডিঅ'টোৰ চাউণ্ডটো বঢ়াই সাগৰে গাড়ী দৌৰালে, শনিবাৰে আবেলি।

ৰাজপথৰ ব্যস্ততা, তাৰ উশাহবোৰ চুটি হৈ আহিছে।

অনামিকা চৌধুৰীয়ে অনৰ্গলে কৈ গৈছে কথাবোৰ।

- প্ৰেম আহিছিল, কিদৰে প্ৰেম গুচি গ'ল ঠিকনাবোৰ বিচাৰি, কিদৰে আজিও ঘূৰি ফুৰিছে, গল্প কৰিছে।

অনামিকা চৌধুৰী আবেগিক হৈ পৰিল। ঋতুৰাজে কথাবোৰ শুনি শুনি অনুভৱ কৰিছে বুকুৰ বিষয়বোৰৰ কথা।

- যান্ত্ৰিকতাই মানুহক বলিয়া কৰি দিব পাৰে, কিদৰে সম্পৰ্কবোৰ হেৰুৱাই পাগলৰ দৰে বিচাৰি হাবাথুৰি খাইছে, কিছুমানে জীৱনমুখী হৈ অতীতক সম্পূৰ্ণকৈ মচি পেলাইছে।

- সাগৰৰ চকুৰ কোণত দুটোপাল চকুপানী। আঙুলিৰে এটোপাল ধৰি ল'লে, ওঁঠেৰে বৈ পৰা হাঁহিটিয়ে যেন আকৌ নষ্টালজিক কৰি তুলিলে, সাগৰক, ইমানদিনে সি নাই নাই ভাৱবোৰ সম্বৰণ কৰি জীয়াই আছিল, ব্যস্ততা আছিল জীৱন নাছিল, জীৱন আছিল আত্মা নাছিল। আজি সি ঘূৰাই পাব সকলো সোঁৱৰণি।

- এনেতো হোৱাৰ কথা নাছিল। কথা নাছিল এনে হোৱাৰ।

আশাবোৰত চেঁচাপানী ঢালি এজাক ধুমুহাই কাঢ়ি নিলে সকলোবোৰ। ব্ৰেকিং নিউজত বাজি আছে একেটাই নিউজ, সুৰামত্ত অৱস্থাত গাড়ী চলাই...

- কেনেকৈ মানি ল'ব ঋতুৰাজে, সি শেষবাৰৰ বাবে তাক এখন ৰেষ্টোৰাত দেখিছে, সি বিষিন্ন হৈ বহি আছিল, হয়তো ঋতুৰাজক চিনি পোৱা নাছিল।

- কথাবোৰ আহি অনামিকাকে কৈছিল সি, সাগৰৰ অৱস্থাটো তেনেই দুখলগা, আগৰ উজ্জ্বলতা নাই। তাৰ দুজন কলিগে নিচা কৰিবলৈ যোৰ কৰাটো সি নাকচ কৰিছিল। ঋতুৰাজে নিচ্চুপ হৈ বহি কথাবোৰ চাই-শুনি আছিল, চকুযুৰি গোমাই গৈছিল তাৰ, সি কৈছিল জীৱনৰ কথা-

তেওঁলোকে পুতৌ দেখুওৱাৰ দৰে কথাবোৰ কোৱাও ঋতুৰাজে শুনিছিল।

দেখিবলৈ একেই আছে সাগৰ। গম্ভীৰ মুখ, দুচকুৰ উজ্জ্বলতাবোৰ ম্লান হৈ পৰিছে, ক্ষীণাইছে সি।

অনামিকাই গোটেই নাটকখন ৰচিছিল, সাগৰক সিহঁতৰ মাজলৈ ঘূৰাই অনাৰ চেষ্টাৰে এই নাটকখন ৰচনা হৈছিল।

কিন্তু ?

ঋতুৰাজে খবৰটো পাই ফোনটো চালে, নেটৱৰ্ক শূন্য ফোনটোত, ফোনটো থোৱা ভাগে থৈ সি ঢাপলি মেলিলে পি.চি.অ'লৈ। পি.চি.অ'ত ৰৈ আছিল সাগৰৰ সতে অনামিকা।

ঋতুৰাজৰ দুচকু সেমেকি উঠিল, অনামিকাই আকৌ এখন নাটক ৰচিলে। সাগৰে ডায়েল কৰা ভুল সংখ্যাটোৰ বাবেই অনামিকাই সাগৰৰ স'তে অপেক্ষা কৰিছিল RJ ঋতুৰাজলৈ।

এই মুহূৰ্তত তিনিওটা মৌন।

মৌনতাই কঢ়িয়াই থাকে হৃদয়ত আন্দোলিত হোৱা সমস্ত গোপন কথা।

সুৰামত্ত অৱস্থাত গাড়ীৰ এক্সিডেন্টৰ বাতৰিটো.... আচলতে ভুলবশতঃ সাগৰ নামৰ অচিনাকী মানুহজনক প্ৰিয় বন্ধু সাগৰ বুলি ভাবি লৈছিল ঋতুৰাজে। ভুলবোৰে ভাল কৰে কেতিয়াবা। ভুলে ভুলেও কাষ চপাই আনিলে প্ৰিয় নাৰীৰ লগতে প্ৰিয় বন্ধুক। যেতিয়া হৃদয়েৰে চিনাকি থাকে কোনে কাক আঁতৰাব পাৰে?




# এখন ভাল কিতাপ ঃ এটি স্মৃতি

- নেহা আফ্ৰিন
স্নাতকোত্তৰ প্ৰথম ষাণ্মাসিক, ইংৰাজী বিভাগ

সৰুৰে পৰাই মই বহুত উচ্চাকাংক্ষী আছিলো।দেউতা এজন সাধাৰণ গেলামালৰ দোকানী আৰু মা এগৰাকী দ্বায়িত্বশীল গৃহিণী আছিল। পঢ়াশুনাত মেধাবী আছিলো বাবেই চহৰৰ আটাইতকৈ ডাঙৰ নাম থকা বিশ্ববিদ্যালয় 'বিবেকানন্দ বিশ্ববিদ্যালয়ত পঢ়িবলৈ চৰকাৰৰ ফালৰ পৰা স্ক'লাৰচিপ পাইছিলো। মোৰ এতিয়াও মনত আছে কলেজৰ সেই প্ৰথম দিনটো যেতিয়া মই বিশ্ববিদ্যালয়ত প্ৰৱেশ কৰিছিলো মোৰ হাত ভৰি বুকু কপি উঠিছিলি। নিজকে সেইখন বিশ্ববিদ্যালয়ৰ ছাত্ৰী বুলি বিশ্বাস কৰিব পৰা নাছিলো। ইয়াৰ প্ৰায়সংখ্যক ল'ৰা ছোৱালী ধনী ঘৰৰেই আছিল। নহ'বও নো কিয়? ধনী হোৱা হেতুকে পঢ়াৰ বাবে সকলো ধৰণৰ সুবিধাও তেওঁলোকে পায় আৰু অত্যাধিক নম্বৰৰ সৈতে দেশৰ আগশাৰীৰ বিশ্ববিদ্যালয়ৰ নামভৰ্তি কৰে। যি কি নহওঁক মই সুখী আছিলো। মইও সিহঁতৰেই এগৰাকী আছিলো যদিও নিজকে সিহঁতৰ জীৱন প্ৰণালী দেখি বেলেগ অনুভৱ কৰিছিলো।

সময় পাৰ হৈছিল। এগৰাকী অনায়া নামৰছোৱালী মোৰ ভাল বান্ধৱী হৈ পৰিছিল। বন্ধুৰ ভিতৰত দৰ্শন যাৰ কথা নক'লে মোৰ কলেজীয়া জীৱনৰ স্মৃতি অসম্পূৰ্ণ হৈ ৰ'ব। হয়,তেওঁক মই প্ৰথম দিনাখনৰ পৰাই লক্ষ্য কৰিছিলো। ভাল লাগিছিল। দৰ্শন আছিল সুদৰ্শন চেহেৰাৰ লগতে তীক্ষ্ণ বুদ্ধিমত্তাৰ অধিকাৰী।

শ্ৰেণীকোঠাতকৈ বেছি সময় ছাত্ৰ ৰাজনীতিৰ লগত জড়িত আছিল। কিন্তু মই আগতেই কৈছো মই উচ্চকাংক্ষী আছিলো। সেয়ে পঢ়াশুনাত অধিক মনোযোগ দিছিলো। মোৰ মথো এটাই লক্ষ্য আছিল। সেয়া হৈছে নিজক সমাজত আত্মনিৰ্ভৰশীল ব্যক্তি হিচাপে প্ৰতিষ্ঠা কৰা। তাৰ উপৰিও তেওঁ আছিল বিলাসী জীৱন যাপন কৰা উচ্চ বংশৰ সন্তান। তেওঁৰ লগত মোৰ কোনো ধৰণৰ মিল নাছিল। তেওঁৰ সৈতে বন্ধুত্ব গঢ়াৰ কথাও মই কোনোদিন ভবা নাছিলো। এদিন ইংৰাজী ক্লাছত ৰামাদাস চক্ৰৱৰ্তী ছাৰে মোৰ নামটো উচ্ছাৰণ কৰিছিল। মই থিয় হৈছিলো। তেওঁ মোক সুধিছিল— "ছেক্সপিয়েৰৰ নাটকবোৰ কিয় জনপ্ৰিয় বুলি তুমি ভাবা?" "ছাৰ ছেক্সপিয়াৰৰ নাটকবাৰ সাধাৰণ মানুহৰ বাবে। নাটকবোৰৰ ঘটনাৰ কোনোবাটো নহয় কোনোবাটো অংশ মানুহৰ প্ৰকৃত জীৱনৰ লগত মিলি আছে। অৱশ্যে মানুহ বিশেষে অংশবোৰ ভিন্ন হয়। তেওঁ যদিও তেতিয়াতে নাটক ৰচনা কৰিছিল,এতিয়াও মানুহে সেইবোৰৰ মাজত নতুনত্ব বিচাৰি পায়"। মই উত্তৰ দিছিলো। ছাৰে উত্তৰটো শুনি বৰ ভাল পাইছিল আৰু কৈছিল— "তুমিও এদিন ছেক্সপিয়াৰৰ নিচিনাকৈ এগৰাকী ডাঙৰ মানুহ হ'বা"। ছাৰৰ কথাষাৰ মই আশীৰ্বাদ হিচাপে লৈছিলো। নাজানো কিমান ডাঙৰ কিন্তু এতিয়া এগৰাকী সফল লেখিকা হিচাপে সমাজত প্ৰতিষ্ঠিত। বাৰু যি কি নহওঁক শ্ৰেণীটোৰ শেষত যেতিয়া অনায়াৰ লগত বহি বিশ্ববিদ্যালয়ৰকেন্টিনত কফি খাই আছিলো মই লক্ষ্য কৰিছিলো দৰ্শন আহি মোৰ সন্মুখৰ টেবুলখনত বহিছিল। তেওঁ মোক লক্ষ্য কৰাৰ দৰে অনুভৱ কৰিছিল যদিও সেইয়া মোৰ কল্পনা বুলি অৱজ্ঞা কৰিলো। কেন্টিনৰ পৰা ওলাই বিশ্ববিদ্যালয়ৰ সুন্দৰ পৰিৱেশ উপভোগকৰি প্ৰকাণ্ড গছ এডালৰ তলত বহি আছিলো। চেঁচা বতাহে মোৰ শৰীৰ চুই আছিল। "হাই" — এটি শব্দ কাণত পৰিছিল। শব্দটো পিছফালৰ পৰা অহা যেন পাই ঘূৰি চালো আৰু আচৰিত সেইয়া আন কাৰো কণ্ঠ নহয় —দৰ্শন। তেওঁ মোৰ ওচৰতে বহি ল'লে। তেওঁ ক'লে— "তোমাৰ উত্তৰটো শুনি ভাল লাগিছিল। কিন্তু মই ছেক্সপিয়াৰৰ নাটক ভাল নাপাওঁ।" মই হাহিলো আৰু ক'লো— "সম্ভৱতঃ তোমাৰ জীৱনটোৰ সৈতে খাপ নাখায়।" "তেনে কথা নহয়। তেওঁৰ নাটকত কোনো ধৰণৰ সামাজিক দ্বায়বদ্ধতা নাই দেখা মই।" "কিয় নাথাকিব? তেওঁ এজন দ্বায়িত্বশীল ব্যক্তি। তাৰ উপৰিও তেওঁ এজন মানুহ। মানুহৰ আৱেগক বুজি পায়, যিয়ে মানুহকক জীৱশ্ৰেষ্ঠ বনায়। তাৰোপৰি জীৱনত কিছুমান অসম্পূৰ্ণ উত্তৰবিহীন সমাধান কৰিব নোৱাৰা সমস্যাও থাকে। নীতিশিক্ষাৰে পৰিপূৰ্ণ এটা ঘটনা প্ৰকৃত ঘটনাৰ লগত সদায় খাপ নাখায়।" —মই প্ৰত্যুত্তৰ দিছিলো।

তেওঁ থিয় হ'ল আৰু হাতখন মোৰ ফালে আগবঢ়াই দি ক'লে— "তোমাক লগ পাই ভাল লাগিল। পিছত আকৌ কথা হ'ম। ইয়াৰ পিছত প্ৰায়ে দৰ্শনে মোক লগ কৰিছিল। কেতিয়াবা চিৰিত, কেতিয়াবা কেন্টিনত কেতিয়াবা গছৰ তলত বহি আমি কথা পাতিছিলো। সমাজৰ সমস্যা, ৰাজনৈতিক মতাদৰ্শ আৰু ব্যক্তিগত কথাবোৰ আমি ভাগ বতৰা কৰিছিলো। দিনে দিনে ঘনিষ্ঠতা বাঢ়িছিল। মই তেওঁক গভীৰভাৱে ভাল পাবলৈ আৰম্ভ কৰিছিলো। তেওঁৰ সৈতে বন্ধুত্ব হেৰুৱাৰ ভয়ত মই তেওঁৰ প্ৰতি থকা ভালপোৱাৰ ভাৱ প্ৰকাশ কৰা নাছিলো। লুকুৱাবলৈ যত্ন লৈছিলো। অনায়াই সদায় মোক কৈ দিবলৈ পৰামৰ্শ দিছিল। লগতে এইটোৱো কৈছিল যে দৰ্শনৰো মোৰ প্ৰতি দুৰ্বলতা আছে। মই তাইৰ কথা বিশ্বাস কৰা নাছিলো কিয়নো তেওঁ মোক কোনোদিনে এনেকুৱা ধৰণৰ ইংগিত দিয়া নাছিল। সময় বাগৰিছিল। স্নাতক তৃতীয় বৰ্ষৰ অন্তিমটো পৰীক্ষা সমাপ্ত হৈছিল। আমি সকলোৱে ইজনে সিজনক সাৰতি লৈছিলো। দৰ্শনে মোক উপহাৰ হিচাপে এখন কিতাপ দিছিল। এটা হাতৰ স্পৰ্শৰ সৈতে আমি দুয়ো বিদায় লৈছিলো।

পৰীক্ষাৰ ফলাফল ঘোষনা কৰাৰ দিনা ফোনযোগে সকলোৱে সকলোকে ডিগ্ৰী লাভৰ শুভেচ্ছা জনাইছিলো। অনায়া আৰু দৰ্শনে মোক শেষ শুভকামনা যাচিছিল। ময়ো দুয়োকে শুভেচ্ছা দিছিলোঁ। দৰ্শনৰ মাতটো শুনি লগ পোৱাৰ হেঁপাহ জাগিছিল। অস্থিৰ হৈ পৰিছিলো। লাহে লাহে নিজকে আতৰাই আনিলো আৰু ব্যস্ত হৈ পৰিলো কৰ্ম জীৱনত। কিবা এটা কৰাৰ মানসেৰে আগবাঢ়িলো।

"মা সোনকালে আহা। দেউতা ৰৈ আছে"। মোৰ তিনিবছৰীয়া ছোৱালীজনীৰ চিঞৰ। গিৰিৰ কৰ্মস্থান আমেৰিকা হোৱা হেতুকে বেছি ভাগ সময় ময়ো আমেৰিকাতে থাকো। আজি হঠাৎ পুৰণা বাকচটো খোলাতে দৰ্শনে দিয়া কিতাপখন পাই পঢ়িবলৈ ল'লো য'ত শেষৰ পৃষ্ঠাত ডাঙৰ ডাঙৰ আখৰেৰে লিখা আছিল "Love You Forever"বুলি। লগতে লিখিছিল— তুমি সকলোতকৈ বেলেগ। এই বেলেগটো মোৰ বেলেগ ভাল লাগে।" মোৰ দুচকুৰে চকুলো নিগৰিছিল। মই কিতাপখন পিছত পঢ়িম বুলি থৈ দিছিলো। এই পাছটো বহুত পাছ হৈ গ'ল। মই তেওঁক বিয়াৰ খবৰ দিছিলো। বিয়ালৈ আহিছিল। মোক সুধিছিল— "কিতাপখন পঢ়িছিলানে?" মই উত্তৰ দিছিলো "নাই"। তেওঁ হাঁহি মাৰি কৈছিল "পঢ়িবা সেইখন এখন ভাল কিতাপ।"



# मानवता

[redacted]

- सागरिका तालुकदार

गरवी, खंड बी, वैज्ञानिक क्षेत्र

दुख है, इसलिए तो लोग सुख अनुभव करते है। दुख है, इसलिए लोग सुख के पीछे भागते है। लेकिन □या उन्हे सुख मिला है ? सुख □या होता है ? खाते-पीते आराम से रहना ही सुख है या फिर कुछ अलग. ?

किसी के लिए शायद अच्छे कपड़े पहनना, बड़ी सी गाड़ी में घुमना ही सुख आनन्द है। लेकिन □या सचमुच इन सब सुखों का जीवन में मुल्य है. ? यह सब असल में सुख नही कुछ पलों के आनन्द अनुभव है। नही तो लोग महलों में रहकर भी दुखी □यो होते।

हमें खाना नहीं मिले तो कोई खुश होता है। हमें पहनने को कपड़े न मिले, तो किसी को बड़े महलों में रहने का सुख मिलता है। तो हम किसलिए दुखी हुए? हमें तो ज्यादा खुश होना चाहिए कि हमारे र□त से किसी की जिन्दगी चल रही है। इसमें □या हमारा ही सुख छीपा नहीं है ?

आज वह बहुत खुश है, □योंकि वह भी जीवन में सफल हुआ। इस दुनिया के लिए वह कोई कचरों मे रहनेवाला लड़का नही है। उसकी भी जरुरत है, इस दुनिया में, यह बात आज उसको महसुस हुई।

वह यह सब सोच रहा था अस्पताल में। आज उसकी आँखो में खुशी के आँसु है और यही उसके अंतिम आँसु है। आज उसके कारण ही उस बड़े घर के लड़के को एक नयी जिन्दगी मिली है। वह और कोई नहीं इसी कालोनी में बड़ा हुआ एक लड़का जिसका नाम राजु था। बचपन में ही उसके माँ-बाप गुजर गए थे और उसको पालने के लिए उसका कोई नही था। उसकी खाने के लिए खाना, पहनने के लिए कपड़ा देने को भी कोई नही था। बचपन से ही वह उस कालोनी के कचरों मे फैका हुआ खाना खाकर बड़ा हुआ। सुबह उठकर ही खाना ढुंढने वह कचरों तक जाता है, ताकि उसकी भी भुख मोटे। उस कालेनी के बड़े लोगों के बच्चों के जो पुराने कपड़े कचड़ो मे फैकते है, राजु वह सब पहनकर ही बड़ा हुआ है। जिस दिन भी उसको कचरों में कोई फटा कपड़ी उसके लिए एक नये कपड़े के बराबर होता है। नए कपड़े तो उसके नसीब में है नही। इसलिए पुराने फटे कपड़ो को ही वह नया समझकर खुश होता है और उसे सज-धजकर पहनकर कालोनी मे खाना ढुंढने जाता है, तब उस कालोनी कें बच्चे उसे छेड़ते है- देखो कचरों की दुकान आ गयी।

बच्चे घर जाकर भी माँ-बाप को बुलाकर राजु को दिखाकर हँस-हँसकर मजाक उड़ाते है। फिर एक नै उस कालोनी के बड़े-बड़े लोग आपस मे मिलकर राजु को पकड़कर धमकी दी कि- तुम हमेशा हमारे बच्चों के कपड़े, खाना यु ही ले नही जा सकते हो? तु हे हमारे बच्चो के कपड़े पहनने का कोई हक नही है।

तब राजु रो-रोकर बोला- साहब जी, ऐसा मत कीजिए। मेरा इस दुनिया में कोई नही है। मै कहा से खाना लाऊँगा। अगर मुझे खाने को न मिले तो मे मर जाऊँगा। मै आप लोगों के पैर छुता हुँ, मुझे भी जीने दीजिए। आपलोगो के बच्चें की तरह मै भी जीना चाहता हुँ।

फिर उनलोगो ने कहा हि- ठिक है, अगर तुमको खाना चाहिए तो तुम हमेशा सुबह-शाम आकर हमारे ये कचरें को साफ कराना। राजु ने भी डर और भुख को मारे उनलोगों की बात मान ली और उसदिन से वह उसी कालोनी में अच्छे- से आना जाना करने लगे, लोग बीमारी से भी बचे रहे।

राजु हर सुबह-शाम अपना एक टुटा- फूँटा थैला लेकर करचें को ले जाता है। राजु को देखते ही बड़े लोग उसे नाक मे रुमाल लेकर आदेश देते है- अरे, लड़का, ये सब अच्छे से साफ करना। राजु बिनाकुछ बोले गंदगी साफ कर लेता है।

फिर भी राजु ने अपनी जिन्दगी में हार नही मानी। जिन्दगी जीने की इच्छा और आनन्द हर व्यि□त का होता है। और राजु तो एक बाहर साल का बच्चा है। सुख-दुख □या होता है राजु को तो समझ ही नही आता है।

मानवता सब में नही होती, लेकिन किसी में तो होती है। चाहे वह छोटे लोग हो या बड़े लोग। राजु ने सावित कर दिया कि कचरें जैसे गंदेगी साफ करते हुए भी उसका दिल कितना साफ है।

उस दिन कालोनी के एक डा□तर साहब के बेटे का जन्मदिन था। आजकल की बड़े घरों के बेटे का जन्मदिन बड़े ही धुम धामसे मनाते है। माँ-बाप तो प्रतियोगितों मे लगे रहते है कि उनके बच्चों का जन्मदिन ओरों से ज्यादा अच्छा होना चाहिए और बच्चे तो खुशी से पागल हो जाते है, □योंकि उन्हे बड़े-बड़े तोहफे मिलेंगे। कभी-कभी तो बच्चे भी चकित हो जाते है कि उनके म मी- पापा ने इतन बड़ा तोहफा दिया है। डा□तर साहब ने अपने लड़के को एक बाइक जलाएगा, यही उनलोगों के लिए गर्व है।

सचमुच जन्मदिन श□द कितना आनन्द देता है। लेकिन राजु ने कभी भी अपना जन्मदिन नही देखा, कब जन्म हुआ पुछों तो यह भी नही मालुम। बस जब भी उसे बड़े लोगों के बच्चे के जन्मदिन पर बाहर से सुनाइ पड़ता है कि हेप्पी बर्थ डे टु यु, तब वह सोचता था कि मेरे भी म मी -पापा होते तो मुझे भी हेप्पी बर्थ डे वाला केक खाने को मिलता। राजु के जीवन में सबसे बड़ी खुशी इसी में है कि कब उसे अच्छी चीजे खाने को मिले।

शामको पाँच बजे डाँ□तर साहब के घर में पार्टि चल रही थी। राजु भी गया कचरा उथाने अपना थैला लेकर। राजु कचरे उठा रहा था, तभी उसने देखा एक हेप्पी बर्थ दे वाला केक। केक को देखकर उसके होठो मे मुस्कुराहत

आ गयी। वह सोचने लगा कि इतना बड़ा केक मै कैसे खाऊँगा। मुझे तो एक महीने का खाना मिल गया है। राजु को मालुम नही था कि केक कचरें मे □यो फेका? और उसने अपनी झोली में केक को डाल लिया।

राजु कचरे के थैले को लेकर जा रहा था, तभी उसकी आँखो के सामने एक दुर्घटना हुई। राजु बहुत डर गया। फिर भी उसने अपने मन मे हि मत रखकर सामने गया तो देखा कि वह और कोई नी डा□तर साहब का बेटा बाईक के साथ गिरा हुआ है। राजु तुरंत दोड़कर डाँ□तर साहब के घर गया। लेकिन वहाँ पर सब पार्टि कर रहे थे। बड़े-बड़े लोग थे पार्टि में। राजु तो अंदर घुस ही नही पाय। सि□युरिटि ने राजु को देखते ही वहाँ से धमकी देकर भगा दिया। उसे कुछ बोलने का भी मौका नही दिया । राजु दोड़-दोड़कर लड़के के पास आया और देखा कि उसका बहुत खुन बह रहा है। उसकी-इतनी बुरी हालत देखकर राजु ने खुद अपने थैले मे उठाकर सामने की ही एक सरकारी अस्पताल में ले गया। डाँ□तर ने लड़के को देखकर राजु को बताया कि उसका बहुत खुन बह गया है, इसलिए उसे तुरंत ही खुन की जरुरत है, नही तो उसकी जान को खतरा है।

तब राजु को उस पर दया आ गयी। राजु ने सोचा कि मेरे तों माँ-बाप इस दुनिया मे नही है। लेकिन इसके तो माँ-बाप जिन्दा है। अगर इसे कुछ हो गया तो वो लोग बहुत दुखी होंगे। यह सोचकर राजु ने खुद अपना खुन देकर उसको बचाया। फिर जब लड़के को हौश आया तब उसने अपने माँ-बाप को फोन करके खबर देने को डाँ□टर को कहाँ।

ऊधर राजु अस्पताल के बाहर बेठ गया। वह बहुत कमजोर महसुस कर रहा था। वह बहुत ही खुश है, □योंकि आज उसने किसी को जिन्दगी दी। किसी माँ-बाप के आँखो मे मुस्कुराहत दी।

राजु को बहुत भुख लगी। उसने अपना झोंला खोलकर को केक खाने के लिए निकाला। तभी लड़के के माँ-बाप अस्पताल मैं दौड़कर आए। आते ही उनलोगो ने पहले राजु को देखा कि वह केंक खा रहा था, फिर भी उनलोगों ने राजु को कुछ भी नही कहाँ, उनलोंगो को तो अपने बेटे की परवाह थी। □योंकि वह उनलोगों का अपना बेटा या और राजु एक रास्ते का भिखारी, लोग सीधे बेटे के पास चले गये। यहाँ राजु केक खाकर पेट दर्द मे छटपटा रहा था। लेकिन कोई नहीं आया राजु को देखने। कुछ समय के बाद नहीं उसनें छटपटाहत थी और न ही कुछ आवाज। बेचारा राजु वही पर अपना साँस खो बैठा।

अगर उस लड़के के माँ-बाप राजु को केक खाने से मना करते तो शायद राजु का ऐसे हाल नही होता। □योंकि केक में गलती सै चुहे मारने की दवा गिर गयी थी और उनलोगों ने केक को कचरें में फैंक दिया था।

हाय, कहाँ गुम हो गयी मानवता? कँहा मिलेगा लोगो के एक दुसरे से प्यार, सहानुभूति, दया? □या सिर्फ गरीब ही अमीरों के काम आता है? अमीर □यों गरीबों के काम नही आता? जिस राजु ने उनके बेटे की जान बचायी, उसी राजु को उनलोगों ने जान बुझकर मौत दी।

कभी-कभी हमें राजु जैसे छोटे लोग भी जिन्दगी देते हैं। बड़े-स्कुल में पढ़ाकर, बड़ी सी गाड़ी में घुमाकर माँ-बाप तो बच्चों को मिनिष्टर बनाने का सपना देखते है, लेकिन वह मिनिष्टर □या राजु जैसे छोटे लोगों के काम आएगा। राजु ने बचपन से ही समाज के लिए काम किया है। कचरे साफ करके जिस समाज को राजु ने रोशनी दी, जिस लड़के को अपना भाई मानकर राजु ने अपना खुन दिया, अगर वही समाज के लोग राजु को बदले में खाना, पहनने को कपड़ा अपने बेटे जैसा प्यार करते तो राजु समाज के और काम आता। लेकिन समाज के वे सब अमीरों की आँखे नही खुली। बचपन से ही एसी-आराम में जीनेवाला □या सिखेगा-जिन्दगी □या होती है? जो संघर्ष और अभाव के बीच जिन्दगी बीताता हैं वही समझ पाता है जिन्दगी देना।



# শব্দশিল্প

“নাহৰতলিত উন্মুক্ত কলমৰ আঁত ধৰি দুপৰৰ ৰ'দালি
আৰু নিশাৰ জোনাকত বাজি উঠা এটি সুৰৰ নাম শব্দশিল্প”

# উঠা! হে সব্যসাচী!!

- বন্তি প্ৰভা শৰ্মা
অধ্যাপিকা, অসমীয়া বিভাগ



ক্লৈব্যং মাস্ম গমঃ পাৰ্থ
নৈতৎ ত্বয্যুৎপপদ্যতে।
ক্ষুদ্ৰং হৃদয়দৌৰ্বল্যং
ত্যক্তোত্তিষ্ঠ পৰন্তপ।।
গীতা, দ্বিতীয় অধ্যায়, সাংখ

হে সব্যসাচী!
উঠা যুদ্ধত প্ৰবৃত্ত হোৱা
জ্ঞানীজনে জীৱিত বা মৃত
কাৰো বাবেই শোক নকৰে
তুমি জ্ঞানী হৈও
অজ্ঞানীৰ দৰে ম্ৰিয়মান হৈছা কিয়?
আত্মা অমৰ, আত্মাৰ বিনাশ নাই
তুমি কাকো মাৰিব নোৱাৰা
হে গাণ্ডীৱধাৰী
যুদ্ধ পৰিহাৰ কৰি
কাললৈ কুখ্যাতি তুমি
আৰ্জিব খুজিছা নেকি?
যুদ্ধত বিজয়ী হ'লে
সসাগৰ পৃথিৱীৰ
তুমি হ'বা অধীশ্বৰ
পৰাজিত হ'লে
সশৰীৰে নিঃসন্দেহে
লাভ কৰিবা স্বৰ্গ
সেয়ে হে পাৰ্থ!
এই ধৰ্মক্ষেত্ৰ কুৰুক্ষেত্ৰত
যুদ্ধত প্ৰবৃত্ত হৈ
তোমাৰ কৰ্তব্য কৰা পালন
এই পৃথিৱীত
অমূল্য মানৱ জীৱনত
কৰ্তব্যই মানুহৰ কৰণীয় প্ৰথম
যুগে যুগে মানুহে এই বাণীকেই
হৃদয়েৰে কৰিব নমন।।

# অন্ত-ইতি-ইত্যাদি

- জংকি শৰ্মা
স্নাতক চতুৰ্থ ষাণ্মাসিক
ভূগোল বিজ্ঞান বিভাগ

**এক ঃ**

নিৰ্ঘণ্টক ডাকোৱালবোৰ শুই পৰিছিল
সাতসৰী অন্তৰায়ত, ইতি-ইত্যাদি
এঙামুৰি ফৰকাল আখৰত
হেজাৰ শ্ৰোতা বিক্ৰী হৈছিল
ইতি-পণ্য বিক্ৰেতাৰ ভেজাল নেওঁতা
চহৰী গুডামৰ আমদানিত পয়মাল লগা নাছিল
ইতি- বৰমূৰীয়া চহীটোৰ পাকত ব্যস্ত।

**দুই ঃ**

আখৈফুটীয়া প্ৰহৰত হেনো
মহাজন দেউতাই ডাক দিছিল
ইতি-চোৰাং জাননী ফাদিল হ'বলৈ পৰ।
বেশ্যাবোৰৰ ৰেচন-পানী জাৰি নহ'ব পাৰে
ইতি- তৎকাল সমাৰোহ সমাগত
থলুৱাগিৰিৰ পযেক অনুদান উচ্ছেদ হ'বলৈ বাকী
ইতি- মই আজৰ দুনীয়াৰ ভিক্ষাৰী।

**তিনি ঃ**

নগদ কালিকা ঘাটি, পুৰাণ তত্ত্ব ইত্যাদি
ইতি- লঘু সংবাদকাৰী মূৰ্দাবাদ
পুৰতি কোলাহলবোৰ দেওলগা
খানদানিৰ জোতা পলিচ কৰিবলৈ
কাৰ হাতৰ পৰশত কঁপনি উঠিছিল শেষৰাতি ?
মদন মহৰীৰ চৌকা জ্বলিব নোৱাৰে, নিদিওঁ
ইতি- পছন্দৰ পোছাকবোৰ উৰুৱাই দে।



**চাৰি ঃ**

নাঙঠ শিশুহঁতৰ মুদ্ৰাৰ তাৰিখবোৰ ক'ত হেৰাল?
উত্তৰ বৰ্ষীয় বন্দৰত অথবা
নিমখৰ দাবী জনতাৰ বৈঠকত?
মালবাহীবোৰত অচিনাকী ভোক, ইত্যাদি
ইতি- কাগজবোৰত শুৰে মাত্ৰ একক ৰাতি।
নৈশ পথিক, আৰতৰীয়া ভ্ৰমণ নিষেধ,
ইতি- সন্ধিয়াৰ কলম পত্ৰবন্ধুত সীমিত।

**পাঁচ ঃ**

খুচুৰা পইচাৰ টোপোলাবোৰ বন্ধকত থ'বলৈ
সোণামুৰা তই নাকান্দিবি।
টংলাৰ হাটবজাৰৰ পৰা
তোলৈ ভাৰবোজাই আনিম তেজৰঙা টাকুৰী,
ইতি- কামেংপাৰৰ এখনি চিঠি।
নঢাপ গুমটিৰ পৰা ছিগি আনিম চানডুবি
ইতি- এইবেলি আধাৰকাৰ্ডৰ সীমাৰেখা নগণ্য।

**ছয় ঃ**

লঠঙা গাঁৱত তেল সুৰাৰ ধোঁৱা
কানী হুঁপিবলৈ কিয় মাজ মজিয়াৰ মেল?
তেওঁলোক জবকাৰ্ডৰ পাঠত বিশ্বাসী নহয়।
অৰলা কাইটিৰ গাত কেঁচামাটিৰ গোন্ধ
যথেষ্ট সুগন্ধিদায়ক,
ভাওনাৰ পাণ্ডুলিপি বিচাৰি যেতিয়া শাওণ আহিছিল,
ইতি- হুঁচৰিৰ খোজবোৰ হেৰাই থাকিল।

**সাত ঃ**

ক্ষুদ্ৰ প্ৰশ্নটো উৰুৱাই দিয়া হৈছিল
পিয়লবৰ্ষৰ জৰীপৰ নিচিনা
ইতি- টোকাৰীমুখৰ তানপুৰা, ইত্যাদি
এছগাৰডিয়া বিমুখ নহৈ নোৱাৰে,
গৌৰীপুৰীয়া সন্ধি প্ৰস্তাৱত।
ইতি- আলিবোৰত বিক্ৰী হ'ল
এজাক বোৱাৰীৰ হেজাৰ পুষ্পশয্যা।

**আঠ ঃ**

চৌখিন হাৱেলিৰ টোপনি ভঙাৰ উদ্দেশ্যে
কাঠখৰিৰ ভাণ্ডাৰবোৰ জ্বলাই ছাই কৰা
ইতি- কয়লাৰ বাবদ নগদ ৰুটি।
নাগালিম স্বাক্ষৰবোৰৰ চিয়াঁহীৰ দাম দিব কোনে?
কমিউনিষ্ট ৰাজহ?
মাৰ্ক্সবাদ আৰ্হি মুদ্ৰক?
অথবা ক্লিওপেট্ৰা নাটকৰ দশম অংক?
অন্ত-ইতি- ইত্যাদি।

*(আলোচনী সম্পাদকৰ সৌজন্যত অনুষ্ঠিত কবিতা প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ কবিতা)*



# নীলা

- নিষ্ক'মনা অসমীয়া
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ
বিজ্ঞান শাখা

বিশাল আকাশে বিকিৰিত কৰা নীলাখিনি
তুমি তোমাৰ পিঠিত কঢ়িয়াই ফুৰা,
হয় দিয়া কৈছোঁ তোমাৰ মৰমৰ বেগটোৰে কথা।
এনে লাগে যেন তাত তুমি সন্তৰ্পণে লুকাই ৰাখিছা
তোমাৰ মৰমৰ হিয়াখনি
কাকো নেদেখুওৱা, কাকো নিবিলোৱা
কোনোবাই আহি ভাঙি পেলাব বুলি।
তুমি কাষত নেথাকিলেও,
বিবিধ উৎসৱ নীলা বৰণে
দি যায় যেন মোক সান্ত্বনা
আছোঁ, আছোঁ, ইয়াতেই আছোঁ
আঁতৰাই তোমাৰ সমস্ত দুৰ্ভাৱনা।



# সন্ধিয়াবোৰ

- বিশ্বজিৎ তালুকদাৰ
স্নাতক ষষ্ঠ ষান্মাসিক
ৰসায়ন বিজ্ঞান বিভাগ

সন্ধিয়াবোৰৰ আগমন ঘটে
যেতিয়া পোহৰৰ বিদায় লোৱাৰ সময় আহে
লাহে লাহে দৃশ্যমান হয়
নাৰিকল পাতৰ মাজেৰে
ফৰিংফুটা জোনাক
আস! কি মিচিকিয়া হাঁহি তাৰ।
দিনৰ দিনটো কপালৰ ঘাম মাটিত পেলাই
সেই মানুহবোৰে
অলপ সকাহ পাইছিল
যেতিয়া সন্ধিয়াটো অহাৰ উমান পাইছিল
বৃদ্ধবোৰে জুইৰ কাষত বহি
ঠাণ্ডাক আঁতৰাবলৈ চেষ্টা কৰিছিল...।
মন্দিৰত বাজি উঠিল
ডবা-ঘণ্টাৰ মধুৰ শব্দ
চাকি গছিও জ্বলি উঠিল
আন্ধাৰত পোহৰ বিলোৱাৰ মানসেৰে।
হিৰণ্যকশিপু বধ হ'ল
বধ হ'ল বহুতো নৰখাদক
সন্ধিয়াটো বৰ জীপাল,
সজীৱ এই সন্ধিয়াবোৰ।
এনেকৈয়ে সন্ধিয়াবোৰৰ আগমন ঘটে।

# স্বপ্নিক আশা

- ভাস্বতী নাৰ্জাৰী
স্নাতক দ্বিতীয় ষাণ্মাসিক
সংস্কৃত বিভাগ

আছিলো মই বহু আশাৰে
তোমালৈ বাট চাই,
তথাপিও চোন বহু দুপৰলৈ
তুমি আহি পোৱা নাই।
গছৰ পাত সৰি ওলাল কুঁহিপাত
গছৰ ডালে ডালে শুনো কুলিৰ মাত
চৌদিশে শুনো ঢোল পেপাৰ মাত
আকৌ পৰিবও হ'ল সেই সকলো শাঁত
তথাপিও মনৰ আশা এৰা নাই
আছো মাথো তোমালৈ বাট চাই
বাগৰি গ'ল কত শত বাৰ
কিজানি তুমি অহায়েই
মোৰ কাষলে এবাৰ।
চিকুণাই যোৱা পদুলি লেতেৰা হৈ গ'ল
ফুলৰ সজীৱ পাহবোৰো মৰহি গ'ল
তথাপিও যেন তুমি অহাৰ
আশা এৰা নাই
বাৰে বাৰে থাকো
তোমালৈ বাট চাই
উজাগৰে থাকো মই
গোটেইটো নিশা
জ্বলামেই মই
বন্তিৰ এগছা শিখা



# বিপ্লৱ



- নৱনীতা শৰ্মা
স্নাতক পঞ্চম ষাণ্মাসিক
অসমীয়া বিভাগ

হাৰ মানিব নোখোজা মনটোৰে
মানি ল'ব খোজা নাই
সংকুচিত মনৰ পুৰুষ তান্ত্ৰিক সমাজখনৰ
দমনমূলক নীতি।
মানি ল'ব খোজা নাই
পুত্ৰ হ'লে বিজয়ৰ উল্লাস
আৰু কন্যা হ'লে পৰাজয়ৰ প্ৰকাশ।

মানি ল'ব খোজা নাই
যেতিয়া
সমাজৰ তথাকথিত শিক্ষিত সভ্যই কয়
লাও সদায় পাতৰ তলত।
আছে আৰু বহু অতিৰিক্ত
যিবোৰ মানি ল'ব নোখোজে মোৰ মনে
সেয়ে বিপ্লৱ কৰে মোৰ মনে
নিজৰ মাজতেই।
বাজি উঠে বিপ্লৱৰ ৰণডংগা
সেইচাম পুৰুষৰ বিৰুদ্ধে
যিয়ে নাৰীক অনিহাৰ দৃষ্টিৰে চায়
কিন্তু বাজিলে কি হ'ব
আৰম্ভিলেই আন্ধাৰ নামে
হয় সূৰ্যাস্ত
পুৰুষতান্ত্ৰিক সমাজনীতিৰ শিকলিয়ে
বেৰি ধৰে মোৰ বিপ্লৱী মন
আৰু ঠেলি দিয়ে অন্ধকাৰ কাৰাগাৰলৈ।
চটফটাই থাকে মোৰ মনে
উন্মুক্ত হোৱাৰ তাৰণাত
কিন্তু ব্যৰ্থ হওঁ বাৰে বাৰে
তথাপি ব্যৰ্থতাক সাৰথি কৰি
সাফল্যৰ বিন্দু ধাৰ্য্য কৰাৰ আশাত
আকৌ একান্ত ভাবে চলাই যাওঁ
মোৰ এই বিপ্লব।



# মোৰ কৃষ্ণচূড়া

- জ্যোতিস্মান বৈশ্য
স্নাতক তৃতীয় ষাণ্মাসিক
শাৰীৰিক শিক্ষা বিভাগ

সূৰুয যে তুমি মোৰ মন আকাশৰ
মই সূৰ্যমুখী।
কৃষ্ণচূড়া ফুলাদি ৰঙীণ কৰিছা হিয়া
বতাহত তোমাৰ খিলখিলনি
এই যে মাজে মাজে বন্ধ হ'ব খোজা
মোৰ হৃদয়ৰ ঘড়ীটি
তোমাৰ নামতেই বাজে
টিক টিক টিক
উশাহ হৈ জীয়াব খোজো তোমাৰ
কোমল কলিজাত।
বজাব খোজো তোমাৰ সুখৰ জুনুকা
সুহুৰি এটি বৈ থাকা,
কাইটলৈ বৰ ভয়
তুমি মাথো ফুলি ৰোৱা
অ' মোৰ কৃষ্ণচূড়া।

# নীৰৱতা

- জিনাক্ষী চৌধুৰী
স্নাতক দ্বিতীয় ষাণ্মাসিক

আজি সমগ্ৰ কথাবোৰৰ সামৰণি পেলোৱাৰ পিছতো
ৰৈ থাকিল আৰু বহুতো কথা
সেয়াই নীৰৱতা

সেই কথাবোৰ বাৰে বাৰে মুখেৰে উচ্চাৰিত নকৰিলেও,
খৰাং হৃদয়খনৰ মসৃণ স্পন্দনে অনুভৱ কৰে বাৰে বাৰে
নীৰৱতাৰ চকুত অংকিত হৈছে
ভগ্ন হৃদয়ৰ বহুতো গুপ্ত কথা
নীৰৱতাৰ ওঁঠত ওলমি ৰৈছে
ভগ্ন হৃদয়ৰ বহুতো বেদনা

মৃদু বতাহজাকে সাৰি থৈ যোৱা চোতালখনৰ দৰে
শৃংখলিত কথাবোৰ
সেই বতাহজাকে উৰুৱাই অনা
সৰাপাতবোৰৰে পুতি পেলোৱা
অস্পষ্ট বাটটোৰ দৰে
বিষাদময় কথাবোৰ
সকলোবোৰ কথাই আজি নীৰৱতাৰ ওঁঠতে ৰৈ গ'ল
বাগৰি গ'ল বুকুৰে বুকুৰে

কথাবোৰ শিল হৈ,
খৰাং হৃদয়খনত লুকুৱাই থৈ গ'ল
বহুতো অপূৰণীয় আশা আকাংক্ষা
কথাবোৰত ঠেকা খাই ৰৈ থাকিল
আৰু বহুতো পুৰণি স্মৃতি...।



# জোনাক বিচাৰি

- হিমাংশু তালুকদাৰ
স্নাতক চতুৰ্থ ষান্মাসিক
পদাৰ্থ বিজ্ঞান বিভাগ

নিশাৰ আন্ধাৰত
খিৰিকীখন মেলি ধৰিছো
আৰু যেন...
হেঁপাহ পলুৱাই চাইছো
পূৰ্ণিমাৰ জোনটিলৈ
চেঁচা পেলাই যোৱা মলয়াজাকে
যেন মোক সংগী দিছে
এনেকৈনো জোনটিত কি বিচাৰিছো?
মই নিজেই নাজানো

হয়তো বহু দিনৰ মূৰত
মুকলি মন লৈ
ৰঙা পোহৰৰ পৰশ লৈছো
এক যেন নষ্টালজিক অনুভৱ

নুলুকাবি মেঘৰ আঁৰত
আৰু অলপ ৰৈ যা
আৰু অলপ যেন মই
ডুবিব বিচাৰো
এই নষ্টালজিকতাৰ মাজত
সাম্ভাব্য মনটিৰ সুস্থিৰতাৰ খাতিৰত।





# অবুজ মনৰ কোলাহল

- অংকুমণি দাস
স্নাতক চতুৰ্থ ষাণ্মাসিক
পদাৰ্থ বিজ্ঞান বিভাগ

অবুজ মনৰ কোলাহল, কোনে বুজে?
তুমিতো নুবুজা...
ভাৱনাৰ প্ৰলয়ত উটিও
নেপাঁও মই
স্বৰীত স্থানৰ সন্ধান।
কাব্যিকতাৰ আখৰত বুজালো
মনৰ ভাৱনা...
তুমি জানো বুজিলা?
হ'য়তো কবিতাৰ ভাষা
বুজিবলৈ বহু টান
কেতিয়াওতো প্ৰশ্ন নাই পোৱা
"ইয়াৰ অৰ্থ?"
আৰু...
কেতিয়াও বুজিবৰ প্ৰচেষ্টা নকৰি
দহোবাৰ,দহোপ্ৰকাৰে
দোষালা মাথো দোষালা...
তুমিতো নুবুজিলা ভাৱনাৰ ভাষা!

# আশা

- নিতিশ ডেকা
স্নাতক দ্বিতীয় ষাণ্মাসিক
গণিত বিভাগ

অনন্ত জগতৰ কল্পনাৰ অতীত তুমি,
তোমাৰ বাবে জীয়াই আছে
এই সমগ্ৰ পৃথিৱী আৰু
তুমিয়েই যেন জীয়াই থকাৰ মূল মন্ত্ৰ,
ৰাতিৰ ঘিট মিট এন্ধাৰত,
জোনাকী পৰুৱাৰ পোহৰৰ নিচিনা,
অন্ধজনৰ বাবে সকলো দেখা পোৱা
মনৰ চকু দুটিৰ নিচিনা
বোবা জনৰ বাবে ধুনীয়াকৈ
ফুটি উঠা মাতটিৰ নিচিনা,
নুশুনা জনৰ বাবে কাণত পৰা
ভিন ভিন শব্দৰ নিচিনা,
গোটেই পৃথিৱীৰ মানুহৰ
সংগী হৈ পৰিলা তুমি।
মাটিত প্ৰথম দুভৰিৰ
খোজ দিয়াৰ পৰা,
মাটিৰ লগত মিহলি হোৱালৈকে,
তুমিয়েই যেন সকলোৰে
জীৱনৰ প্ৰেৰণা,
তুমিয়েই যেন সকলোকে
জীয়াই থকাৰ সাহস দিয়া
কেতিয়াবা তুমি নোহোৱা হ'লে
যে কি হ'ব?
তোমাতেই সৃষ্টি এই ধুনীয়া পৃথিৱী
আৰু যেন তোমাতেই শেষ হ'ব।



# অপূৰ্ণ প্ৰেমৰ সম্পূৰ্ণ দস্তাবেজ

- নন্দিতা দেৱী
স্নাতক চতুৰ্থ ষান্মাসিক
ভূগোল বিজ্ঞান বিভাগ



পাহাৰৰ কোনো অচিন শিলত
কোনো আজন্ম ভাস্কৰৰ
বহু কষ্ট সাধ্যৰ অন্তত গঢ়ি উঠা
এটি অমৰ ভাস্কৰ্য্যৰ দৰেই
মোৰ অনুভুতি তোমাৰ বাবে
ফুলি উঠা এপাহ ৰক্ত জবাৰ
প্ৰতিটো মৌ কণাত যেনেকৈ
এটি ভোমোৰাৰ অধিকাৰ
ঠিক তেনেকৈ মোৰ জীৱনৰ
প্ৰতি পল প্ৰতি অনুপল
মাথো তোমাৰ নামত
গ্ৰীষ্মৰ প্ৰখৰ তাপত দগ্ধ হোৱা
মোৰ জীৱনলৈ
বাৰিষাৰ জাক জাক মৌচুমীৰ দৰে
প্ৰেমেৰে সিক্ত কৰি তোলা
মোৰ জীৱন আৰু প্ৰাণ
সময়ৰ ৰুষ্টতাত ভ্ৰুষ্ট আজি
মোৰ জীৱন আৰু প্ৰেম
দূৰত্ব নামৰ কীটটোৰ দংশনত
দংশিত আমাৰ নিভাজ সম্পৰ্ক
আৰু সমুদ্ৰৰ মাজৰ দূৰত্ব
লাগিলে যিমানেই নহওক কিয়
তাৰ লক্ষ্য আৰু পূৰ্ণতা সদায়
সমুদ্ৰৰ গভীৰতাৰ লগত একাত্মীয়তাত
সেয়ে মোৰ মনত জ্বলি আছে
আশাৰ জ্বলন্ত প্ৰদীপ
এই কায়িক দূৰত্ব অতিক্ৰম কৰি
তোমাৰ পদূলিৰ সেই শেৱালিজোপাৰ
তলসৰা শেৱালীৰ দৰে এদিন
তোমাৰ জীৱনত সৌৰভ বিলাবলৈ
আৰু মাথো অপেক্ষা কৰিছো
তোমাৰ নামেতেই লিখিম বুলি
কাহানিবা মোৰ জীৱন কবিতাৰ
এদিন অন্তিম পংক্তি।



# তুমিহীনতাৰ অনুভৱ

**- পুলকেশ কলিতা**
স্নাতক তৃতীয় যাণ্মাসিক
প্ৰাণীবিজ্ঞান বিভাগ

দুৰ্ভগীয়া অতীত সুঁৱৰি
আৰুনো কিমান থাকিম তুমিহীনতাত?
আৰুনো কিমান থাকিম?
উদাসী আকাশৰ তলত অকলশৰে সপোন ৰচি
সেউজীয়া ভৱিষ্যতৰ
ফৰকাল আকাশখনো আজি
মৰহি যাব বুলি ফেঁকুৰি উঠো
বুকুই নামানে ভালপোৱাৰ কথা
ই মাত্ৰ ভাল পাবহে জানে
তোমাৰ বুকুত পৰি
নিজকে জিৰণি দিব খোজো
অশান্ত মনৰ গতিহীন পালতৰাৰ
গতি লগাব বিচাৰোঁ
মাথো এবাৰ মাত্ৰ বুজা।
জীৱন গঢ়িব সহজ
কিন্তু জীয়াই থাকিবলৈ টান।

# বানৰ কোৱাল

**- মাজিদা ইছলাম**
স্নাতক চতুৰ্থ যান্মসিক

মই ৰুই থৈ অহা গছ পুলিটি
লহ প'হকৈ বাঢ়ি আহি, তাৰ ডালে পাতে
এতিয়া চাগে এজোপা প্ৰকাণ্ড গছ।
বনৰীয়া পখী জাঁক আহি সাঁজিছেই বাহঁ
ৰ'দে পোৰা বাটৰুৱাই দিন দুপৰে লয়হি জিৰণি
বট বৃক্ষ জোপাৰ কোমল ছায়াত।।
বনৰীয়া পখী জাকে ওৰেটো ৰাতি
গছৰ ডালতে বহি, মাতে লয় হেনো সুৰীয়া মাত
অচিন পখীৰ কলকলনি সুৰীয়া গীতৰ প্ৰতিধ্বনি
পুৱতিত সেয়া যেন আয়তী সবাহৰ উৰুলি।।
এতিয়া বোলো তাত একোৱেই নাই,
এইবাৰ কোবাল গ্ৰাসে ৰংমনহঁতৰ
ভৰা গাঁওখন টাঁহি মুঁহি উটুৱাই নিলে
বট বৃক্ষ ও পৰিল হাউলি
চিনাকি পখী জাকো গ'ল উৰি কেনিবা দিশে
এক নতুন আশ্ৰয় বিচাৰি?
ৰংমন পানেই জংকী, অ সোণ পাহি
তহঁত আটায়ে বাৰু আছনে কুশলে,
পাইছনে কৰবাত আশ্ৰয়ৰ থল বুলি
জৰাজীৰ্ণ হ'লে ও এটি মথাউৰি বিচাৰি
দুখৰ দিনটো এটি দেখিবলৈ সুখৰ সপোন
আমাৰ যে আৰু সময় নাই?



# দুৰ্ভগীয়া

- মিনাক্ষী শৰ্মা
স্নাতক চতুৰ্থ ষাণ্মাসিক
ইংৰাজী বিভাগ

ষ্ট্ৰীট লাইটৰ নিৰ্জু পোহৰত
নৈশব্দৰ স'তে সহাৱস্থান
ফুটপাথৰ সেইসকল বাসিন্দাৰ
শাৰী পাতি ৰোৱা
আশ্ৰয়হীন অনেক দুৰ্ভগীয়া
হৈছে আৱৰ্জনাসদৃশ মনত অনেকৰ
যাৰ অভাৱ এটি নিৰাপদ আশ্ৰয়ৰ
ৰ'দৰ প্ৰখৰ উত্তাপ সহি
শ্ৰাৱণৰ প্ৰৱল ধাৰ নেওচি
পথৰ দাঁতিত পৰি থকা
ৰুগীয়া শৰীৰত ফুৰাই হাত
জুখিছেনে কোনোবাই দেহৰ উত্তাপ
পাৰিছেনে দিব মৰমৰ মাত ?
বেমাৰত ছটফটোৱা দুৰ্বল দেহত
উপজিছেনে দয়া কোনোজনৰ মনত
ভোকৰ জ্বালা দুৰ্বল শৰীৰৰ
দেখিছেনে মুখৰ সেমেকা পোহৰ
পাইছেনে সাৰ যন্ত্ৰণাৰ চিঞৰত
সুধিছেনে কিমানদিন আছে ভোকত ?
ব্যস্ততাপূৰ্ণ জীৱনত বৰ্তমান মানবৰ
নাই যে আহৰি ল'বলৈ সিহঁতৰ খবৰ
অভিশাপ সদৃশ সেই দুৰ্ভগীয়া জীৱনৰ
সাক্ষী কেৱল নিৰ্জন পথবোৰ।





# জীৱন

- ঋতুস্মিতা মিশ্ৰ
স্নাতক পঞ্চম ষাণ্মাসিক
ইংৰাজী বিভাগ

জীৱন, এক নিৰল নিস্তব্ধ পৰিবেশ,
মোৰ মন ক্লান্ত।
সময়ৰ কুটিল চক্ৰবেহুত
সময়ৰ প্ৰচ্ছায়াত এটি দিক্‌ভ্ৰান্ত জীৱন,
তথাপি মই আগবাঢ়িছো কঠোৰ সংগ্ৰামেৰে
জীৱন জিনিবলৈ।

# ৰাতিৰ কবিতা

- মানৱ শৰ্মা
স্নাতক ষষ্ঠ ষাণ্মাসিক
অসমীয়া বিভাগ



ৰাতিবোৰ তোমালোকৰ বাবে নহয়।
যিয়ে ৰাতিবোৰ ভয়ানক কৰি তোলে
ৰাতিৰ বুকুত নিদাৰুণ অত্যাচাৰ
চলাই পোহৰৰ।

শাণিত অস্ত্ৰৰে যেতিয়া
নিৰীহ মানুহৰ বাট
মুকলি কৰা হয়
অনন্ত মুক্তিৰ বাবে
ৰাতিৰ সিৰাই সিৰাই
বাঢ়ি আহে তপ্ত তেজৰ
উক্‌মুকনি লাহে লাহে
ৰাতিৰ জুই জ্বলা দুচকুৰে
পুৰি নিব খোজে সিহঁতক
যিয়ে ৰাতিৰ উঠন বুকুৰ
তলত চেপি মাৰিব খোজে
ৰ'দৰ হেজাৰটা কবিতা।

ৰাতিবোৰ তোমালোকৰ বাবে নহয়
পোহৰৰ অত্যাচাৰৰ বাবে
মানুহৰ অনন্ত মুক্তিৰ পথ প্ৰশস্ত কৰিবলৈ
ৰাতিবোৰ নাহে
ৰাতিবোৰ আহে,
জোনাক আৰু তৰালিৰ বাবে
ৰাতিবোৰ আহে,
জিলী আৰু শেৰালিৰ বাবে
ৰাতিবোৰ আমাৰ সৃষ্টিৰ
গোপন ইতিহাস।

ৰাতিবোৰ তেওঁলোকৰ বাবে নহয়
যিয়ে ৰাতিবোৰক বলাৎকাৰ কৰে
আন্ধাৰৰ সুযোগ লৈ বাৰে বাৰে।

# ফাগুন

- হীৰকজ্যোতি বৈশ্য
স্নাতক ষষ্ঠ ষাণ্মাসিক
অসমীয়া বিভাগ

পলাসৰ আঁৰত কিনো কথা কয়
মোৰ ক্লান্ত হৃদয়ত বলিয়া সমীৰ বয়।
ফাগুনৰ ধূলিৰ আঁৰে আঁৰে
মদাৰৰ ৰঙীণ বলীয়া সুৰে
কঁহুৱাৰ চাৰনিত মোৰ মন বিভোৰ
কৃষ্ণচূড়াৰ ৰঙত মধুৰ
মোৰ হৃদয়
মোৰ মন।



# শ্ৰদ্ধাঞ্জলি



- জ্যোতিৰ্ময় কলিতা
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ
বিজ্ঞান শাখা

হাতত তুলি লৈছো এটি কলম
আৰু এটি বহী
মৰমৰ বৰ মা তোমাৰ বাবে
এটি কবিতা লিখিবলৈ
কিন্তু বৰ মা মোৰ হৃদয়খন স্তব্ধ হৈ উঠিছে
নিমাত হৈ উঠিছে মোৰ কলম
জানো কি লিখিম তোমালৈ
আমাৰ চোতালৰ পোহৰ তুমি
ঘৰৰ সাৰথি তুমি
আমি উৎপাত কৰিলে
সন্দেহৰ চকুৰে চোৱা বিপ্লৱী তুমি
যেন ভাতৰ পাতত বহোতে কেটেৰা জেঙেৰা নকৰাকৈ
ভাতে তোমাৰ পেটলৈ নগৈছিল
যেন ওৰে ৰাতি ঔষধ নোখোৱাকৈ
তোমাৰ দিনে নাবাগৰিছিল
আৰু আমি কাম নকৰিলে
আমাৰ ওপৰত মিছা অভিমান কৰি
পিছ মূহুৰ্ত্ততে আকৌ আমালৈ চানা ভাজি আনি
আমাক মৰম বিলাইছিলাই
কিন্তু হঠাৎ যেন আমাৰ ঘৰলৈ
কাল ধমুহা নামি আহিল
শাওণ মাহৰ ধুমুহা বৃষ্টিয়ে যেন
আমাৰ বৰমাক বহুত দূৰলৈ উটুৱাই লৈ গ'ল
আমি বহুত দুখ পালোঁ
অশ্ৰু বাগৰি আহিল চকুৰ পৰা
সেয়েহে বৰমা আমি সকলোৰে মিলি
সেৱা জনাইছোঁ
তোমাৰ আশীৰ্বাদ যাতে সদায় আমাৰ লগত থাকে
মৰমৰ বৰমালৈ শ্ৰদ্ধাঞ্জলি।

# সপোন

- হীৰকজ্যোতি শৰ্মা
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ
বিজ্ঞান শাখা

ৰাতিৰ আকাশত তৰাৰ জিলিকনি
ফুলিছে আশাৰ কলি,
সপোন আহে মাথো ৰজনী
চিল-মিল টোপনি ভাঙি।
ৰাতিৰ আকাশত জিলিকা তৰাই
উলাহত পাতে মেল,
জোনৰ পোহৰত জিলিকাই তৰাই
মানুহৰ গোটেই দেহ।
সপোন মোৰ আকাশ চুৱা,
চিলাৰ দৰে আকাশত উৰা,
পঢ়াত নাই মোৰ মন
সপোন মোৰ মৰহি গ'ল।
ৰাতি গুচি দিন হ'ল
সপোন গুচি দিঠক হ'ল,
নাই চিন্তা, নাই আশা
নাই মোৰ কোনো সপোন।





# আশ্ৰয়

- শিৰাঙ্গী নাজিৰ
স্নাতক পঞ্চম ষাণ্মাসিক
প্ৰাণীবিজ্ঞান বিভাগ

আশ্ৰয়ৰ সংজ্ঞা বিচাৰি পদযাত্ৰা
কেদাৰনাথৰ পৰা কন্যাকুমাৰী।
আশ্ৰয়ৰ ঠিকনা বিচাৰি
মৌন চহৰত এহালি অস্ত্ৰধাৰী কাউৰী
বিলাস কোঠালীৰ মৃত গীতিকাৰ বন্ধুৰ পৰা
মাজৰাতি স্বায়ত্ব শাসনৰ দাবী তোলা জনতাৰ দুৱাৰত
আশ্ৰয়ৰ নমুনা বিচাৰি কান্দি উঠে চুলিটাৰী,
বিশেষ দ্ৰষ্টব্য শিতানত নাই চকুপানী।
আশ্ৰয় নামৰ দুবাহুত নাই কিয় পিতামহ?
মানস সৰোবৰত আশ্ৰয় বিচাৰে চোৰাং চিকাৰী।
গাঁৱবোৰৰ মাটিবোৰ উৰলি যোৱাৰ পৰত
নদীৰ সোঁতক আশ্ৰয় দি গৈছিল গৰখীয়াৰ গান।
আশ্ৰয় আজি ৰুদ্ধ, পৰজনমৰ পথাৰত।
আশ্ৰয় আজি মুগ্ধ, প্ৰেম আৰু মৃত্যুৰ দাৱানলত।
আশ্ৰয় আজি স্থিতপ্ৰজ্ঞ, ঈশ্বৰৰ সাধু অথবা জোনৰ
পোহৰত ।

# বিৰহৰ কবিতা

- বনশ্ৰী বৈশ্য
স্নাতক পঞ্চম ষাণ্মাসিক
উদ্ভিদবিজ্ঞান বিভাগ

প্ৰতিবাদী সময়ৰ অনৱচ্ছিন্ন আড়ষ্টতা
হৃদয়ৰ অৱশিষ্ট মৰম লৈ
এলান্ধুই আৱৰা
সপোন আৰু আশাক সাৱটি,
নিষ্প্ৰভ এন্ধাৰত
সপি দিম নিজক
সময়ৰ কালজয়ী সোঁতত।

আহিব আগুৱাই
মৃত্যু নামৰ নৈখন;
তাৰুণ্য প্ৰেম আঁহুতি দি,
মলিন হাঁহিৰে বিষাদ ঢাকি
শেষ হ'ব মোৰ উশাহ
মোৰ অন্তিম নিশ্বাস।

মোৰ অজানা মৃত্যুত,
পৃথিৱীয়ে লিখিব বিৰহৰ কবিতা
আকাশে দিব অনেক শব্দ,
শান্ত নৈখনে বিলাব মৃত্যু সংবাদ
গছবোৰে বিলাপ কৰিব
আৰু ভৌতিক তৰাবোৰ
মোৰ বিদায় ইছাদ?





# বুজিবানে?

- ৰীমা ডেকা
স্নাতক দ্বিতীয় ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

চকুত মোৰ চকুপানী
তুমি বিহীন জীৱনৰ বননি
চকুত,মোৰ বহুত কথা
বুজাবলৈ নাই মোৰ হিয়াৰ হিয়া ভাষা
কেতিয়াবা আহিবানে বুজাবলে
তোমাৰ গভীৰ দুচকুৰ ভাষা
জানো; বকুল পাহিয়েও মোক সোধে
তুমি বা কি বিচৰা?
নিয়ৰ মনিটিয়ে বুজেনে বাৰু
কি তোমাৰ পৰাণৰ ভাষা
তুমি মোৰ সপোন তুমিয়ে মোৰ দিঠক
তুমি মোৰ জীৱনৰ ব্যথা পৃথক
হিয়াখনি মোৰ ইমান কঁপিছে
তুমি বাৰু বুজিছানে কিয়?
কিদৰে বুজিবা তুমি মোৰ অন্তৰৰ কথা
কেতিয়াও সময়ে নহ'ল তোমাক বুজোৱা
মনৰ কথা মনত শিল হৈ ৰ'ল
হৃদয়ৰ ভাষা বৰফ হৈ গ'ল
অন্তৰত স্মৃতিৰ বালিচৰ হ'ল
চকুলোৰ ওখ পাহাৰ নহ'ল কিন্তু
ভাল পাওঁ বুলি তোমাৰ কোৱা নহ'ল
যি বুজিলা মোৰ মনৰ কথা
ব্যৱহাৰ এনেদৰে কৰিলা
যেন মই শুকান বালিচৰ এডৰা
অমানিশা নহওঁ মই নহওঁ আউসীৰ জোন
মাথো হ'ব বিচাৰো তোমাৰ নীলিম দুচকুৰ সপোন
স্বৰ্গীয় প্ৰেমে ভৰা এখন চেনেহী দাপোণ
চকুৰ পানীৰ সলনি হ'বা নে
তুমি মোৰ হাঁহিৰ জিলিকনি?

# নিথৰ কান্দোনৰ প্ৰশ্ন

- স্মৃতি মেধি
স্নাতক তৃতীয় ষান্মাসিক
ভূগোল বিজ্ঞান বিভাগ

দুচকুত ৰক্তৰ লহৰ লৈ,
শ্যামলিমাৰ বশন পিন্ধি,
সন্ধ্যাৰাণীক লগত লৈ কোন তই?
শুনিছো কলীয়া ডাৱৰৰ পাৰভগা ছন্দত,
তোৰ টৌখেলা চুলিৰ নাচোনৰ শব্দ।
শুনিছো দশোদিশে তোৰে নাম,
তোৰে গান, তোৰেই প্ৰণিপাত।
ভাবিছো স্বাভিমানৰ জুইকুৰাক লগত লৈ
কিয় তই পাৰভাগী ধৰালৈ আহিছ,
কিহৰ বাবে আহিছ, কাৰ বাবে আহিছঙ্গ
ৰাতিৰ নিস্তব্ধতাৰ সুযোগ লৈ, তই
কাৰ মঙহ খাবলৈ আহিছ?
হুপি হুপি কাৰ তেজেৰে তই
তোৰ দেহ ৰাঙলী কৰিছ?
তই নিজ গৰ্ভৰ পৰা যি সন্তানক জন্ম দি
প্ৰতিপালন কৰিছ, সেই সন্তানৰে
তেজ তই ঢোকে ঢোকে গিলিছ,
নিমাত, নিতাল কেইটিমান নিৰ্দোষী প্ৰাণীক
বলিৰ পঠা সজাই, তই
তোৰ ভোক পলাইছ;
তই কিয় এটি প্ৰশ্ন হৈ ৰৈ গৈছ,
কিয়? কিয়? কিয়?



# অপৰাজেয় মানৱতা

- বিতোপন কলিতা
স্নাতক প্ৰথম ষাণ্মাসিক
পদাৰ্থবিজ্ঞান বিভাগ



শত জনমৰ পূণ্যৰ ফলত
অংকুৰিত হয় মানৰ হৃদয়ত
এক পবিত্ৰ হৃদয়তা
যাৰ নাম সৰ্বস্তৰত
সেয়ে মানৱতা।
হে মানৱতা!
তুমিটো সদা অপৰাজেয়,
সত্য, ত্ৰেতা, দ্বাপৰ কিম্বা
কলিতো দুষ্কৃতিৰ সতে তোমাৰ নহ'ল পৰাজয়।
বিবৰ্ত্তিত সময়ৰ সতে
মানৱীয়তাৰো কিছু
অপৰিৱৰ্ত্তন হ'ল
য'ত সত্য, নিষ্ঠা, বিবেক
সকলো জাহ গ'ল।
নিজ জমীতেই হেনো
মানৱতা হ'ল কলুষিত,
সপোন যেনহে লগা দুই কিম্বা পঞ্চম বৰ্ষৰ
কিশোৰীও যেন হ'ল নিৰ্যাতিত।
প্ৰাপ্তবয়স্ক পুত্ৰইও কিন্তু
বহি নাথাকিলে,
ন্যায়পালিকাৰ বাধা স্বত্তেও
বৃদ্ধ পিতৃ-মাতৃক জীৱনৰ বিয়লি বেলাত
অজান ঠাইত থৈ আহিল
কোনোৱে নজনাকে।
হে মানৱতাঙ্গ
তুমি গ'লা কেনি?
কোনোবাই নিষ্পাপ নবজাতককো
দোখোন পেলাই থৈ গ'ল
যেনি তেনি।
সুধাকণ্ঠ ওঁ সূৰ্যদাসৰ
সংগীতৰ মানৱতাৰে ভৰা সমাজখন
পুনৰ সজীৱ হ'ব।
যেতিয়া মালালা ইউচুফজাইৰ
প্ৰতিবাদী কণ্ঠৰ দৰে কিহবাই
তালিবানী উগ্ৰপন্থীৰ গুলীক বীৰদৰ্পে
প্ৰতিহত কৰিব পাৰিব।

# কঠিয়া ঐ

- জ্যোতিস্মিতা শৰ্মা
স্নাতক প্ৰথম ষাণ্মাসিক
উদ্ভিদবিজ্ঞান বিভাগ

কঠিয়া ঐ তই এইবাৰ
বানত উটি নাযাবি
গভীৰ বিশ্বাসেৰে
তহঁতক ৰুই থৈছো
দুপাততে উভালি।
মোৰ কপালৰ ঘামবোৰ
তোৰ দুপাতত জিলিকি এতিয়াও আছে
আৰু খামি ডাঠ হাতেৰে
বৰ আদৰেৰে তুলি আনিছো
সেই মৰম উলাই নকৰিবি।
ধৰ খামুচি ধৰ পৃথিৱী বক্ষ
প্ৰশ্ৰয় নিদিবি বলিয়া বানক
আক দে আপদীয়া বান
তলমুৰাকৈ থাকি যাব দিবি
নিজক উটুৱাই নিবলৈ নিদিবি।
কন মইনাৰ মাকে
ওফোন্দা পেটটোৰে
বৰ আপদালকৈ ৰুই থৈ গৈছে তহঁতক
তাক অনাদৰ নকৰিবি।
মোৰ জীৱনৰ শেষ সম্বলআশাৰ কঠিয়া
মৰহি নাজাবি।।



# সোঁৱৰণত আইতা

**- মানসপ্ৰতীম বৰ্মন**
একাদশ শ্ৰেণী

আইতা তুমি ক'ত?
বহুদিন হ'ল, তোমাক যে দেখা নাই
দেখিছো মাথো বাৰান্দাত তোমাৰ
সেই তোমোল খোৱা খুন্দনাটি
য'ত তুমি বহি বহি তামোল খুন্দা
আৰু খোৱাৰ পাছত মুখ মচা
সেই গামোচাখন।
আইতা সঁচাকৈ তুমি ক'ত?
বহুদিন পাৰ হ'ল, তোমাৰ যে সেই মাতষাৰি শুনা নাই
শিয়ালিয়ে নাহিবি ৰাতি
তোৰে কানে কাটি লগাই দিম বাতি
বুলি শুনাইছিলা মোক
সেই যে তোমাৰ মাতটো শুনা নাই
ও আইতা, কি যে বেদনা!
তোমাৰ হাতত ধৰি
পূজা ভঠেলি চাবলৈ যাওঁ
ক'ত যে আনন্দ সেই জিলাপী কিনাৰ
আজি যে তুমি নাই
আছে মাথো জিলাপী অনা
সেই মোনাখন বেৰৰ ওপৰত
মোনা ধৰা, সেই আইতাজনীহে নাই।
বিৰহৰ বেদনা কেনেকৈ সহিম
কেনেকৈ থাকিম।
মূৰত দিয়া আইতাৰ
হাতখন যে নাই,
ও আইতা, শুনিছো তুমি হেনো
আৰু নাই।





# উচুপনি

**- বৰষাৰাণী কাকতি**
স্নাতক প্ৰথম ষাণ্মাসিক
গণিত বিভাগ

বেলিটি মাৰ যোৱা সময় এয়া
ষ্ট্ৰীট লাইতৰ পোহৰত জিলিকিছে মহানগৰ
আলিটিৰ সিপাৰৰ পৰা
ভাহি আহিছে উচুপনি,
নিৰ্যাতিত কিশোৰীৰ
নে ভোকত ককবকাই ফুৰা নাঙঠ শিশুৰ?
নে অৱহেলিত বৃদ্ধ আইৰ উচুপনি?
এয়া অসমী আইৰ উচুপনি
শুনিছে জানো মখমলৰ গাদীত বিশ্ৰাম কৰা
আভিজাত্যৰ ৰাগীত মাতাল বিলাসী
লোক সকলে?
শুনিলেও জানো ভ্ৰূক্ষেপ আছে?
হয়তো নাই।
চিগাৰেটৰ ধোঁৱাত বন্দী সিহঁতৰ সুখ,
সিহঁতৰ জীৱন
হয়তো আজিও এই হিয়াভগা কান্দোন
নিশাৰ অন্ধকাৰত বিলীন হ'ব
হয়তো আজিও শ শ যুৱতী
নৰপিপাশুৰ ক্ষুধাৰ বলী হ'ব
হয়তো আজিও অসমী আইৰ উচুপনিত
জোনে মুখ ঢাকিব।



# তুমিহীনতাৰ অনুভৱ

- মৌচুমী হালৈ
স্নাতক দ্বিতীয় ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

মোৰ হৃদয়ৰ কাৰেঙত
তুমি এপাহি গোলাপৰ পাহি
হিয়াৰ কোণত সাঁচি ৰাখিছোঁ
তোমালৈ বুলি অযুত মৰমৰ হাঁহি।

মই যাযাবৰ লগৰী আজীৱনৰ
মাথোঁ কেতিয়াবা বিচাৰোঁ তোমাৰ সঁহাৰি
মোৰ পবিত্ৰ মৰমক নেওচি গ'লাগৈ তুমি
বিচাৰি কাৰোবাৰ ধুনীয়া মুখখনি।

আহিবা আহিবা বুলি বাট চাওঁ
তোমাৰ স্মৃতিবোৰে বাৰুকৈয়ে কন্দুৱাই।
আহিবা জানো তুমি পুনৰ ঘূৰি
মোৰ হৃদয়ক জীপাল কৰি হুঁহুৱাবলৈ।

সৰগৰ তৰা যিদৰে জিলিকে
তোমাৰ মৰমেও মোক তেনেকৈ আমনি কৰে।
আহিবাচোন এদিন, ঠিক আগৰ দৰে
দুয়ো মিলি হেৰাই যোৱা স্মৃতি পুনৰ ঘূৰাই আনিম।

তুমি বিনে হৃদয়ে কৰে মোৰ হাহাকাৰ
শান্তনা যাচিও মই পৰো ভাগৰি।
অবুজ বেদনাত তিক্ত হৃদয়ে
বাৰে বাৰে বিচাৰে মাথোঁ তোমাৰ বুজনি।




# তুমি

- **খঞ্জনজ্যোতি দাস**
স্নাতক দ্বিতীয় ষাণ্মাসিক
দৰ্শন বিভাগ

জীৱনৰ একা বেকা সোঁতত উটি গৈ
লগ পাইছিলো তোমাক
এক সুমধুৰ সন্ধি ক্ষণত
সময়ৰ সোঁতত খোজ মিলাই
একাকাৰ হৈ পৰিছিলো দুয়োজনাই
সেই মধুৰ ক্ষণত।
তোমাক লগ পোৱাৰ দিনৰে পৰাই
অন্তৰত সৃষ্টি হৈছিল এক অফুৰন্ত শিহৰণৰ
কবলৈ বিচাৰিছিলো মনৰ বহু কথা
মাথো বিচাৰি পোৱা নাছিলো মোৰ
মনৰ ভাষা।
কিদৰে কম, কি দৰে বুজাম
মই তোমাক মোৰ মনৰ কথা
কিয়নো কবি মই নহয়
কবিতাৰ ভাষা কি মই নাজানো
প্ৰেমিক মই নহয়
প্ৰেমৰ সংজ্ঞা মই নাজানো
তথাপিও তুমি মোৰ মনৰ অনুভূতিক
বুজিবা বুলি
আশাৰে বৈ আছো
ৰূপালী বৰষুণ জাঁকত তিতি।

# জীৱন

- **শ্ৰীজ্ঞানী শৰ্মা**
স্নাতক দ্বিতীয় ষাণ্মাসিক
ইংৰাজী বিভাগ

জীৱন
ক'ব গ'লে মাত্ৰ তিনিটা আখৰৰ এটা শব্দ
কিন্তু কেতিয়া আহে ধুমুহাৰ দৰে আতংক
হয়তো বুজিব নোৱাৰি
কৃষ্ণচূড়াৰ ৰঙাবোৰেইতো জীৱন নহয়
শিমলুৰ উৰি বিলীন হৈ যোৱা কপাহবোৰো
জীৱন
অভিমানৰ চাবি-কাঠি মিলাবলৈ
হাঃ হাঃ হাঁহিয়ে উঠে
কিমানজন যে বিলীন হ'ল কপাহবোৰৰ দৰে
বিচাৰিব গ'লে প্ৰতিটো উশাহত পোৱা যায়
হেঁপাহ, সুখ, আনন্দ
আৰু চেষ্টা নকৰিলে, কেৱল আৰু কেৱল
দুখৰ হুমুনিয়াহ





## He

- **Bhaskar Jyoti Barman**
B.A. 2nd Semester
English Depertment

He fell, Yet he perch'd
With all his scare afresh'd
He's hurt, Yet he's healed
After a thousand ways his killed,
Ripped off his joys to the skin,
He hoped, when fortune's thin,
Abondoned, revenous to be love'd
Bewailed, Yet he rejoiced;
Walking towards his hollow crypt
He cried, Yet he smiled.

# On the verge of havoc

- **Mandeep Narayan Choudhury**
B.Sc. 2nd Semester
Geography Department

Many are the kings
Have now the earth
Cherishes who thoughts
of ideologies diverse.
Flexes who their muscles
For reasons not so good.
Filled is their arsenal
With weapons of havoc
Existence of which
Is to wreck humanity.
Remembers still the world
Terrible was how the victory
At the costs of innocents
Of Hiroshima and Nagasaki.
Irony is to think
That 'Peace' is the word
Obsolete is whose identity,
For victory at present
Aims to leave no survivor.
Appropriate isn't it, to think
That course of the world
Is on the verge of havoc.



# कहाँ आ गए हम ?

- नीलोतपल गोस्वामी
छठी छमाही
रसायन विज्ञान विभाग

निंद खुली तो अखवार था हाथों में।
आंखे तो खबरों पर थी,
पर खबरें हमें न था गवरा।
तभी से एक ही सवाल है हमारा
यह कहाँ आ गए हम ?
जहां सभी है मारा-मारा।
इंशान रोते-रोते यहाँ हँसना भुल गया है।
खुशियाँ तो बिश्वरी पड़ी थी,
हम बतौरना भुल गए है।
कामियाब ती सभो है यहाँ,
उँचे-उँचे म□कान बन गए है।
पर नजाने कयों हम इंशान बनना भुल गए।
जहाँ कभी पाठशाला थी,
वहाँ आज मधुशाला बन गए है
रावण को जलाते-जलाते,
हम राम को भुल गए है।
कपड़े ती है मगर,
शरीर को धकना भुल गए है।
कभी जो बेटी थी किसी की
आज निर्भया बन गड़े है।
पैसों के पिछे दौड़ते दौड़ते
माँ-बाप को भुल गए है।
ये भगवान, तेरी □या औकात है
यहाँ इंशान अपने आप को भुल गए है।
यह कहाँ आ गए हम,
जहाँ इंशान इंशानीयत भुल गए है।



# जोनोम हादरखौ अन्नानै

**- ड॰ राहुल दैमारी**
सहाय बिबुंगोरा
राजखान्थि बिफान

दासान, नों आंगोनि बिमा हादर
आंनि नरजिया सोलेरजों
आरो लोरबां गोसोजों
नों बिमा हादरखौ सिबिनो
हाया होन्नानै।

नोंनि गोथार आरो जुगामि
अन्नायखौ आं बावनो हाया
नोंनि सोमखोर समायना
रमायना मिथिंगाखौ
आं बजबनानै लायो जे□लाबो।

राजो हाला, दैमा दैसा
रुजु रुमु रिंखांदों आरो
बोहैदों स्राय स्राय

बिफां लायफां, दावमा दावसा
रंजादों आलो गोजोन
नोंनि अन्नाया जुगे जुगे
सोमखौर माहारि आव
थांनानै थाबाय थाथों।

नायहर हनै,
गोबां सुबुंफोरा बिमा हादर
सिबिनो ओंखार बोदों।
दागाब सै नोबिमा हदर
नोंनि दुखुनि मोदै फुगारनो
साखा फारा जानानै दं
नोंनि फिसाफोरा।

# हाथरखि

**- द्वीपज्योति ब्रह्म**
बिगियान जालिया बाथि खोन्दो
सानखान्थि बिफान

फैलाव बुहुमनि निजोम हराव
जे□ला आं नायदावो अखोरां सायाव
जोंगा मागा महर लाना
लेंहरो आखौ आखाइ फाइखनना
अŽला सानो बेनो नामा सोरांनिराणी
जायनो सोरां होयो बुहुमाव जोनों
मुङा जाबाय बिनि हाथरखि राणी
नोंमारगौ नोङो सोरांनि  राणी
नाथाय गोसोआव सोंलु फेयो
हागोन नामा नों गावबा गावनो
बुलायलायनायखौ फोजोबस्रा होनो?
हागोन नामा नों आंनि मेंगनाव
बोहैनाय मोदैखौ रानहोनो?
नाथाय नोंदि बुहुमनि सोरांनिराणी
नोंनि जोगा मागा महर मुस्रिआ
दाबो आंनि गोसोआव जाखां फैयो
लुबैयो आं नोंखौ नायदावना थाबाय थानो।

# नों थांनायनि उनाव

**- हारिमु बड़ो**

बिगियान जालिया बाथि खोन्दो
भूमखौरां बिफान

नों थांनायनि उनाव
सोरगिदिं रगेमस्तिया साग्लोबाबाय
गोसोनि साननाया गोसोआवनो
थालांबाय।
नों थांनायनि उनाव
जादिया दिनैबो सोरां
बैथा गैयै डिङजों
सिनायै लैथोमा गेजेराव
बाय  ललांबाय आंनि गोसोआ
नोंनि साया नागिरना
लौथोमा गेजेरनि दीप, दीप बायदिनो
जाना  थालांबाय
गोमोर लांबाप नोखौ लानानै
सिमां सुजुनाया
गोमालांबाय
सोरांसि समनि अख्रांनि हाथरखि
जोŽलाबाय बाय  लनाय गोसोनि
थांना  थानाय  राहाया।

# जिउनि अनजाली

**- हृदय नार्जारी**

आरिमु जालिया थामथि खोन्दो
भूमखौरां बिफान

फैदोंमोन नों जेबोला
आंनि जिउआव
गोसोआव सोमजिदोंमोन मोनसे सिमां
नों जेबोला होदोंमोन आंनो
नोंनि अननाय
सोनदोंमोन बै साननिफ्रायनो
आंनां दं सोरवा आंगो होननाय
फजदोंमोन नोंखो आं
आंनि गोर्बो खनायाव
जोबोर आलो आलोयै
आबुं जादोंमोन, आंनि लाथिखि गोसोआ
नोंनि अननाय मोनना
आंनि साननाय, आंनि लुबैनाय
नोंनो होनो आंनि गोर्बोनि अनानाय
अरायसम होनो नों नोंनि अननाय ?
मा□लाबा जानो हागौ गोसोनि
बावगारलां बोयो गाज्रि सिमां साननाय
बुजिगोन अ□ला नों
आंनि गोरबोनि मोजां मोननाया
नोंनि थाखायल
अरायसम नोंनि थाखायल।



# নীল আখৰৰ নিবেদন

# নীলা খামৰ চিঠি

- জংকি শৰ্মা
স্নাতক চতুৰ্থ ষাণ্মাসিক
ভূগোল বিজ্ঞান বিভাগ

*নিদ্ৰাবিহীন দুৰৰিজাকক*
*জোনাকী পৰুৱাৰ সাধুকথা বুলি ভুল নুবুজিবা,*
*ফাগুন নুফুলা কঁহুৱাজাকত*
*জোনাকৰ নিচুকনি বুলি টোপনি নাযাবা*
*তোমাৰ উশাহত কৃষ্ণচূড়া ফুলালৈকে*
*স্মৃতিসুলভ সন্ধিয়াবোৰ সজাম আলফুলে,*
*তোমাৰ সপোনত শেৱালি সৰালৈকে*
*আকাশখন সজাম শব্দ, কবিতা, গানেৰে।*

সেউজীয়াৰ প্ৰতিশ্ৰুতিৰে, ফুল ফুলাৰ আৱেগেৰে তোমালৈ হৃদয়সিক্ত এসাগৰ মৰম। যিবোৰ কথাই সন্ধিয়াবোৰ জ্বলাইছিল বসন্তৰ আকুলতাৰে, এদিন পাহৰণিয়ে হয়তো ক'ব নিদিলে মোক সেইবোৰ কথা। আজিও আছানে নিয়ৰ সেমেকা ফুল হৈ? ফুলি থাকিবা ফাগুনৰ আকাশখন জীয়াই ৰাখিবলৈ, উৰি থাকিবা অভিমানী হৈ বৰষুণক ৰ'দৰ শব্দৰে তিয়াবলৈ। এয়াই আশা ৰাখিছোঁ তোমাৰ পৰা। যিহেতু তুমি মোৰ কাব্যহীনতাত ভুগা পখিলাজাকক এবাৰো চাবলৈ নাহিলা, যিহেতু তুমি মোৰ হুমুনিয়াহ সাৰটি উজাগৰী সন্ধিয়া কটোৱা কলমত শব্দৰ চিয়াঁহী দিবলৈ নাহিলা, কেনেকৈ আশা কৰিম তোমাৰ পৰা প্ৰেম নামৰ জেতুকাৰ বোল। তুমি বাৰু জানানে? তোমাৰ অবিহনে আজি মই এন্ধাৰত কবিতা লিখিব শিকিছো। নহ'লেনো কি কৰিম কোৱা, পোহৰ আৰু চৰাই আজিও আঘোণৰ প্ৰত্যাশাৰে নিৰ্বাসিত। তোমাৰ খোজত যিদিনা কপৌ ফুলিছিল, তোমাৰ কণ্ঠত যিদিনা মোৰ কলিজাৰ ধুমুহাজাক কবিতা হৈ নিগৰিছিল, সেইদিনা ভবা নাছিলো তোমাৰ অভিমানী অতীত বুকুত লৈ জীয়াই থাকিম এনেদৰে। যদি আজন্ম ভালপোৱাৰ প্ৰত্যাশা নাছিল মোৰ পৰা, তেনেহ'লে জোনৰ পোহৰে আগছি নধৰালৈকে মোৰ কামিজত তোমাৰ চকুপানী উচুপি উঠিছিল কিয়?

আজি বহুদিন ধৰি মোৰ পদূলিত নিয়ৰৰ গান শুনিবলৈ পোৱা নাই। হয়তো তোমাৰ বাবে নিয়ৰ একাত্ম আত্মীয়তাৰ পৰিচয়। সুখী হোৱা মইবিহীন চৰাইজাকৰ সৈতে, এয়াই কামনা কৰিছোঁ। কেৱল বিদায়পৰত কেইটিমান কথা ক'ব বিচাৰিছোঁ, যিবোৰ শব্দ অবিহনে হয়তো পুহমহীয়া কুঁৱলীও নিৰ্বাসিত হ'ব পাৰে। শুনিবানে অভিমান সামৰি হৃদয়ৰ শব্দৰে? যিদিনা মোৰ হাচনাহানাৰ পখিলাজাক আঁজুৰি নিছিলা অৰণ্যলৈ, সেইদিনা মোৰ চকুপানীও সেমেকিবলৈ লাজ কৰিছিল। যিদিনা নূপুৰৰ শব্দহীনতাৰে উজাৰি দিছিলা সমস্ত আৱেগ, সেইদিনা ফুলনিৰ বাঁহীৰ সুৱাসেও আওঁৰাবলৈ পাহৰিছিল কবিতা। যিদিনা সেউজীয়াৰ স্মৃতিৰে ডাৱৰ সানিবলৈ প্ৰেমিক হোৱা নাছিলা, সেইদিনা মোৰ যৌৱনেও হেৰুৱালে হৃদয় আৰু আকাশ। হয়তো তুমি এতিয়া সুখী সাগৰবিহীন বিশ্বাসেৰে, সুখী হোৱা এনেদৰে। আঘোণৰ প্ৰতিশ্ৰুতিৰে, ভালপোৱাৰ মলয়াজাকেৰে পূৰ্ণ হওঁক তোমাৰ জীৱন। অপেক্ষাৰ হেজাৰ ক্ষণ খোদিত হওঁক প্ৰেমিক মননশীলতাৰে, সন্ধিয়াবোৰ জীয়াই থাকক তোমাৰ দাম্ভিক হৃদয়ৰ কবিতাৰে।

উকা কাগজৰ আৱেগেৰে হাঁহে জানো কবিতাই?
উকা হৃদয় শলিতাৰে স্মৃতি জানো সেমেকায়?
ভালপোৱাৰ ব'হাগেৰে কিয় জানো হৃদয় আকুল?
অথচ তুমি কেৱল এটি নিয়ৰ সেমেকা শেৱালি ফুল। ইতি—

তোমাৰ একান্ত অতীত (?)

*(মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত নীলা খামৰ চিঠি প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ প্ৰাপ্ত চিঠি)*

# নীলা খামৰ চিঠি

- জিমিৰেখা শৰ্মা
স্নাতক তৃতীয় ষাণ্মাসিক
সংস্কৃত বিভাগ

মোৰ হৃদয়ৰ দৰ্জাখন খোলা
থাকিব কেৱল তোমাৰ বাবে
মোৰ হৃদয়ৰ এই উকা ঠাইখিনি
কেতিয়া পূৰাব আহিবা?
অপেক্ষাৰত হৈ থাকিম মই সদায়
তোমাৰ বাবে
এই অপেক্ষাৰ অন্ত পেলাবলৈ তুমি
কিন্তু বৰষুণপ্ৰেমী তোমাৰ সেই
আলফুলীয়া মনটো লৈ আহিবা দেই।

**মৰমৰ,**

মৰম ল'বা। আজি বহুদিনেই হ'ল তোমাক ভালকৈ লগ নোপোৱাৰ। কেনে আছা বাৰু? মা-দেউতা আৰু ভাইটিৰ ভালনে? আজি বহুদিনৰ মূৰত হৃদয়ৰ সমস্ত আৱেগ উজাৰি, মনৰ সকলো অভিমান ভাঙি এই চিঠিখন লিখিব লৈছোঁ—

মনত আছেনে তোমাৰ সেই দিনবোৰৰ কথা। যি দিনবোৰে তোমাৰ মোৰ জীৱনলৈ অমানিশা নমাই আনিছিল। কিদৰে বুজাও তোমাক তুমিহীনতাৰ সেই দিন, ৰাতিবোৰৰ কথা। সেই অধ্যায়টোৰ কথা মনত পেলালে চকুপানী ওলায়। অভিশপ্ত দিনবোৰৰ প্ৰত্যেকটো দিন, ৰাতি একাকাৰ কৰি উজাগৰে কটাইছিলো তোমাৰ বাবে, চকুৰ ভাষাৰে সকলো কথা বুজাব বিচাৰিছিলো তোমাক কিন্তু তুমি বুজি নাপালা। সেই দিনকেইটাত তোমাৰ অবিহনে মই মোৰ মন, মোৰ ভালপোৱা আৰু মোৰ বিশ্বাসৰ সৈতে সংগ্ৰাম কৰিছিলো কেৱল তোমাক পোৱাৰ আশাত। হয়তো তোমাৰ মোৰ প্ৰতি থকা অনুৰাগবোৰ হেৰাই যাব বুলি সকলো সত্য বিচাৰ কৰি মোৰ সংগ্ৰাম সফল কৰিছোঁ। মই জানো মই তোমাক যিমান ভাল পাওঁ তুমিও সিমানেই পোৱা, কিন্তু প্ৰকাশ কৰিব নোৱাৰা। হ'ব দিয়া নালাগে মই এনেই সকলো বুজি উঠো। মই নাজানো কিমানদূৰ তোমাক জানিব বুজিব পাৰিছোঁ কিন্তু তোমাৰ প্ৰত্যেকটি কথা জানিব বিচাৰো। তোমাৰ মাজত ওমলিব বিচাৰো মই।

ব্যস্ততা নামৰ শব্দটোৱে যে তোমাৰ লগ নেৰে কোনোদিনে। মই জানো তুমি খুব ব্যস্ত থাকা, কিন্তু কি কৰিবা মোৰ অভিমানী মনটোক মই যে বুজাব নোৱাৰো। এই অভিমানী মনটোৰ সম্পূৰ্ণ দায়িত্ব এতিয়া তোমাৰ জানানে? তোমাৰ ওচৰত অভিমান কৰি খুব ভাল লাগে কাৰণ মোৰ অভিমান ভাঙিব পৰা তোমাৰ এটি আলসুৱা মন আছে। পাৰা যদি এদিন সময় উলিয়াই এই অভিমানবোৰ ভাঙিবা। তুমিটো জানাই খুব কম বয়সতে ময়ো ব্যস্ততাৰে পূৰ্ণ এটি জীৱন অতিবাহিত কৰিছোঁ। এই ব্যস্ততাৰ পাৰ ভাঙি মাজে মাজে তোমাৰ খবৰ ল'ব খুব মন যায়। কিন্তু তোমাৰ ব্যস্ততা দেখি থমকি ৰ'ব লগা হয়। তোমাক যে মই মাজে মাজে আমনি কৰি থাকো বেয়া নাপাবা, একমাত্ৰ মোৰ এই নিভাঁজ প্ৰেমৰ বাবে আমনি দিব লগা হয়। ভয় লাগে কেতিয়াবা মোক অকলশৰীয়া কৰি থৈ যাবা বুলি। তুমিটো জানাই মোৰ মনটিক কেতিয়াবাই তোমাৰ ওচৰত শপি দিছোঁ। সিদিনা ভালকৈ বৰষুণত তিতা নহ'ল। এদিন আহিবাচোন অচিনা নৈৰ ঘাটলৈ দুয়ো একেলগে তিতিম, আহিবাদেই মই অপেক্ষা কৰি থাকিম। বহুত নিলিখো আৰু, শেষত এটা কথাই ক'ম- উকা গামোচাখনত মই এইবাৰ ফুল গুজিম আৰু তুমি মোৰ দুহাত জেতুকাৰে ৰঙা কৰিবা।

প্ৰান্তত
তোমাৰ (বৰ্তমানৰ)





# গ্রন্থ অবলোকন




# ৰুচিনাথ কন্দলীৰ শ্ৰীশ্ৰীচণ্ডী

- **ভাস্কৰ ভট্ট**
অধ্যাপক, অসমীয়া বিভাগ

## আৰম্ভণি ঃ

দেৱী মানেই হ'ল শক্তি। যি সাহিত্যত দেৱী বা শক্তিৰ গুণানুকীৰ্তন বা মাহাত্ম্য প্ৰকাশ কৰা হয়, সেই সাহিত্যই শাক্ত সাহিত্য। অসমত ৰচিত হোৱা শাক্ত-সাহিত্যক প্ৰধানতঃ দুটা ভাগত ভাগ কৰা হয়- সংস্কৃত শাক্ত-সাহিত্য আৰু অসমীয়া শাক্ত-সাহিত্য। অসমীয়া শাক্ত-সাহিত্যক আকৌ আলোচনাৰ সুবিধাৰ্থে বিভিন্ন ভাগত ভাগ কৰা হৈছে। সেই ভাগবোৰৰ ভিতৰত এটি উল্লেখযোগ্য ভাগ হ'ল অনুদিত শাক্ত-সাহিত্য।

সংস্কৃত ভাষাৰ পৰা অসমীয়া ভাষালৈ অনুবাদ কৰা শক্তি মাহাত্ম্য প্ৰকাশক গ্ৰন্থসমূহক অনুদিত শাক্ত-সাহিত্যৰ অন্তৰ্ভুক্ত কৰা হৈছে। অনুদিত শাক্ত-সাহিত্যৰ ভিতৰত পীতাম্বৰ দ্বিজৰ 'মাৰ্কণ্ডেয় চণ্ডী' উল্লেখযোগ্য। পীতাম্বৰ দ্বিজে সমৰ সিংহৰ পৃষ্ঠপোষকতা লাভ কৰি চণ্ডীৰ মুকলি অনুবাদ কৰিছে। বিশেষভাৱে অসুৰ বধৰ আখ্যান বৰ্ণনা কৰা পীতাম্বৰ দ্বিজৰ মাৰ্কণ্ডেয় চণ্ডীত বীৰ ৰসৰ ব্যঞ্জনা লক্ষণীয়। 'মাৰ্কণ্ডেয় চণ্ডী'ৰ উপৰিও পীতাম্বৰ দ্বিজে 'ঊষা পৰিণয়', 'নল দয়মন্তী', 'ভাগৱত' (১০ম স্কন্ধ), ৰচনা কৰে। চণ্ডীৰ পদ অসমীয়ালৈ অনুবাদ কৰা অন্য এজন কবি হ'ল শিৱনাথ দ্বিজ। লক্ষ্মীপতিৰ পুত্ৰ শিৱনাথ দ্বিজ কামৰূপৰ ছয়গাঁও অঞ্চলৰ লোক। শিৱনাথ দ্বিজে তেওঁৰ গ্ৰন্থৰ অন্তৰ্ভুক্ত মধু-কৈটভ বধ আৰু মহিষাসুৰ বধতকৈ শুম্ভ-নিশুম্ভ বধৰ আখ্যানটো বহলাই আলোচনা কৰিছে। চণ্ডীৰ পদ অসমীয়ালৈ অনুবাদ কৰা অন্য এজন অন্যতম কবি হ'ল প্ৰসিদ্ধ শাক্ত কবি ৰঙ্গনাথ দ্বিজ। ৰামভদ্ৰৰ পুত্ৰ তথা কামাখ্যাৰ বাসিন্দা ৰঙ্গনাথে মাৰ্কণ্ডেয় চণ্ডীৰ অসমীয়া অনুবাদ কৰে। ৰঙ্গনাথে তেওঁৰ কাব্যত দেৱীৰ জন্ম, দেৱতাসকলৰ দ্বাৰা দেৱীক বিভিন্ন অস্ত্ৰদান, মহিষাসুৰ প্ৰমুখ্যে অন্যান্য অসুৰৰ লগত দেৱীৰ যুদ্ধ ইত্যাদিৰ বিৱৰণ স্পষ্টকৈ দাঙি ধৰিছে। তেওঁৰ ভাষা যেনে লালিত্যপূৰ্ণ তেনে অৰ্থপ্ৰকাশক। চণ্ডীৰ পদ অসমীয়ালৈ অনুবাদ কৰা কবিসকলৰ ভিতৰত মধুসুদন মিশ্ৰও অন্যতম। তেওঁ 'মাৰ্কণ্ডেয় পুৰাণ'ৰ অন্তৰ্গত 'দেৱী-মাহাত্য'ক অসমীয়ালৈ অনুবাদ কৰিছে।

**কবি পৰিচয় ঃ**

চণ্ডীৰ পদ অসমীয়ালৈ অনুবাদ কৰা কবিসকলৰ ভিতৰত ৰুচিনাথ কন্দলী অন্যতম শ্ৰেষ্ঠ। তেওঁ 'শ্ৰীশ্ৰী চণ্ডী'ত আত্মপৰিচয় দিছে এইদৰে–

'লৌহিত্যৰ উত্তৰ কুলত অনুপম।
দেস এক আছে নাৰায়ণিপুৰ নাম।।
মৃগাঙ্ক ৰাজা ৰদ সিতো থান প্ৰিয়তৰ।
বিসেস বসতি থান বিপ্ৰসকলৰ।।
তথাতে আচিলা ৰত্না কন্দলি ধৰ্ম্মাদি।
কাশ্যপ গোত্ৰত জাত বিপ্ৰ সত্যবাদি।।
তান বংসে জাত ভৈলা বিপ্ৰ ৰমাপতি।
তামোলবাড়িত তান ভৈলেক বসতি।।
পদক কৰান্তে বিপ্ৰ আছিলা প্ৰধান।
প্ৰথম কালত পুত্ৰ নাচিল তাহান।।
তাতে নাম ভৈলা বন্ধ্যা কটকি প্ৰখ্যাত।
পাচে তান পুত্ৰ ৰঘুপতি ভৈলা জাত।।
তান পুত্ৰ বলোৰাম গুণে অতিৰেক।
বলোৰ তনয় ৰাম নায়িক ভৈলেক।।
ভৈলা তান পুত্ৰ কৃষ্ণ আচাৰ্য্য প্ৰখ্যাত।
তাত হন্তে ৰুক্মিনীৰ গৰ্ভে মঞি জাত।।
সেহি মই ৰুচিনাথ বিপ্ৰ অল্পমতি।
পণ্ডিতজনক বোলো কৰিয়া মিনতি।।"

উল্লিখিত পদৰ পৰা জনা যায় যে লৌহিত্যৰ উত্তৰ কুলত মৃগাঙ্ক ৰজাৰ প্ৰিয় ঠাই নাৰায়ণিপুৰত ৰত্না বা ৰত্ন কন্দলী নামৰ এজন ধাৰ্মিক ব্ৰাহ্মণ আছিল। ৰত্ন কন্দলীৰ বংশত ৰমাপতিৰ জন্ম হৈছিল আৰু তেওঁৰ তামোলবাড়ীত বাস কৰিছিল। প্ৰথম অৱস্থাত কোনো সন্তান-সন্ততি নথকাৰ কাৰণে ৰমাপতি 'বন্ধ্যা কটকী' ৰূপে প্ৰখ্যাত হৈছিল। পাছত ৰমাপতিয়ে ৰঘুপতি নামে এটি পুত্ৰ সন্তান লাভ কৰে। ৰঘুপতিৰ পুত্ৰ বলোৰাম আৰু বলোৰামৰ পুত্ৰ ৰামনায়িক। ৰামনায়িকৰ পুত্ৰ কৃষ্ণ আচাৰ্য। কৃষ্ণ আচাৰ্যৰ ঔৰসত আৰু ৰুক্মিনীৰ গৰ্ভত ৰুচিনাথ কন্দলীৰ জন্ম। জন্ম বৃত্তান্তত নাৰায়ণপুৰৰ নাম উল্লেখ থাকিলেও ৰুচিনাথ কন্দলীৰ জন্ম হৈছিল ৰংপুৰতহে। কিয়নো স্বৰ্গদেৱ ৰুদ্ৰসিংহই শিৱসাগৰত ৰংপুৰ (ৰঙ্গপুৰ) নামে এখন নগৰ স্থাপন কৰি তাত নানা ঠাইৰ পৰা নানান ব্ৰাহ্মণ আনি বহুৱাইছিল। সেই ৰংপুৰ নগৰতে কৃষ্ণ আচাৰ্য্যই বাস কৰিছিল আৰু তাতেই ৰুচিনাথ কন্দলীৰ জন্ম হৈছিল।

*ৰঙ্গপুৰ নামে এক তেন্তে পুৰ কৰিলেক*
*থাপিলেক তৈতে দেৱগণ।*
*নানা থান হন্তে আনি বৃত্তি বিধানক দিয়া।*
*থাপি থৈলা অনেক ব্ৰাহ্মণ।*
*সি ঠায়তে বিপ্ৰবৰ নানা গুণে গুণাকৰ।*
*ভৈলা কৃষ্ণ আচাৰ্য্য সুমতি।*
*তানপুত্ৰ ৰুচিনাথে দুৰ্গাক সেৱিয়া মাথে।*
*চণ্ডিপদ ৰচিলা সম্প্ৰতি।*

**শ্ৰীশ্ৰীচণ্ডীৰ বিষয়বস্তু ঃ**

কবিৰ আত্ম পৰিচয়সূচক ভনিতাৰ পৰা জানিব পাৰি যে ৰুচিনাথ কন্দলীয়ে দুখন কাব্য ৰচনা কৰিছে। 'কল্কি পুৰাণ' আৰু 'শ্ৰীশ্ৰীচণ্ডী'। চণ্ডীতকৈ কল্কি পুৰাণ কবিৰ পূৰ্বৱৰ্তী ৰচনা।

*কল্কি পুৰাণৰ পদ কৰিলোহো আগে।*
*ৰচিলো চণ্ডিৰ পদ আৰে অনুৰাগে।।*

ৰুচিনাথ কন্দলীয়ে প্ৰধানভাৱে মাৰ্কণ্ডেয় পুৰাণৰ অন্তৰ্গত 'দেৱী মাহাত্ম্য'ৰ ওপৰত নিৰ্ভৰ কৰি "শ্ৰীশ্ৰীচণ্ডী' ৰচনা কৰিছে যদিও, প্ৰয়োজন সাপেক্ষে তাৰ লগত ব্ৰহ্মবৈৱৰ্ত পুৰাণ, কালিকা-পুৰাণ আৰু বামন পুৰাণৰ কথা সংযোগ কৰিছে। 'শ্ৰীশ্ৰীচণ্ডীৰ অন্তৰ্গত নিম্নোক্ত পদকেইফাঁকিৰ পৰা এই কথা স্পষ্ট হৈ পৰিছে–

ক) মাৰ্কণ্ডেয় পুৰাণৰ স্তৱ সপ্তসতি।
পদবন্ধে ৰুচিনাথ বিপ্ৰে নিগদতি।।

খ) ৰাজাৰ বৈস্যৰ জন্ম কৰ্ম্ম কথা য'ত।
ব্ৰহ্মবৈৱৰ্তৰ আচে প্ৰকৃত খণ্ডত।।
জেনমতে জাত ভৈলা ধৰ্ম পক্ষিচয়।
মাৰ্কণ্ডেয় পুৰাণত ইতো কথা আচয়।।
ইসব কথাৰ আত দিলো মিশ্ৰ কৰি।
বিৰচিলো পদ বাহুল্যক পৰিহৰি।।

গ) মহিষৰ জন্ম কথা সাপ বৰ পাইলা যথা
সংক্ষেপে ৰচিলো পদ কৰি।
কালিকা পুৰাণ চাই আত দিলো মিসলাই
পূৰ্ব্ব কবি পথ অনুসৰি।।

ঘ) সুম্ভ আদি দানবৰ জন্ম কৰ্ম্মজত।
সিতো কথা আচয় বামন পুৰাণত।।
তাক চাই আত কথা দিলো মিসলাই।
আক সুনি সিৱ দুৰ্গা ঘুসিয়ো সদাই।।

ঙ) মাৰ্কণ্ডেয় পুৰাণৰ চণ্ডি সপ্তসতি।
দেৱিৰ মহিমা কথা ভৈলা সমাপতি।।
প্ৰকৃতি খণ্ডক চাই কৰিয়া উদ্ধাৰ।
নিবিন্ধলো শেষ কথা বৈশ্যৰ ৰাজাৰ।।

চ) কালিকা পুৰাণ চাই কৰিয়া বিচাৰ।
প্ৰসঙ্গত কহো দুৰ্গা আদি অৱতাৰ।।

ৰুচিনাথ কন্দলীৰ 'শ্ৰীশ্ৰীচণ্ডী'ত জৈমুনিৰ প্ৰশ্ন, ধৰ্মপক্ষীৰ পূৰ্ব বৃত্তান্ত, পুত্ৰগণৰ প্ৰতি মুনিৰ অভিশাপ, চৈত্ৰ নৃপতিৰ আখ্যান, সুৰথৰ মোহ, সমাধিৰ মোহ, মেধসৰ উপদেশ, মেসধৰ প্ৰতি সুৰথৰ প্ৰশ্ন, দেৱী মাহাত্ম্য কথন, মধু কৈটভৰ জন্ম, মধু কৈটভ বধ, ৰম্ভাসুৰৰ তপস্যা, মহিষাসুৰৰ জন্ম, মহিষাসুৰক কাত্যায়ন মুনিৰ অভিশাপ, মহিষাসুৰৰ লগত যুদ্ধত দেৱতাসকলৰ পৰাজয়, হৰিহৰ ব্ৰহ্মাৰ ক্ৰোধ, দেৱীৰ আৱিৰ্ভাৱ, দেৱীৰ লগত মহিষাসুৰৰ সেনাসৱৰ যুদ্ধ আৰু সেনাসৱ নিধন, মহিষাসুৰ বধ, তৃতীয় জন্মত মহিষাসুৰৰ স্বপ্ন, শুম্ভ-নিশুম্ভৰ পূৰ্ব বৃত্তান্ত, শুম্ভ-নিশুম্ভৰ দ্বাৰা দেৱতাসকলৰ পৰাভৱ, ৰক্তবীজৰ পৰিচয়, ধূম্ৰলোচন বধ, চণ্ড-মুণ্ড বধ, দানৱ সৈন্যৰ লগত দেৱীৰ যুদ্ধ, সপ্ত-মাতৃকাৰ আৱিৰ্ভাৱ, ৰক্তবীজৰ পতন, দেৱীৰ দ্বাৰা নিশুম্ভৰ শিৰচ্ছেদন, দেৱীৰ দ্বাৰা শুম্ভ নিধন, দেৱতাসকলৰ দেৱী স্তুতি, দেৱীৰ বিভিন্ন অৱতাৰৰ বৰ্ণনা, দেৱী মাহাত্ম্য, মাৰ্কণ্ডেয়ৰ উপদেশ, দেৱীৰ বিভিন্ন অভিব্যক্তি আদি বিষয় বৰ্ণিত হৈছে। ইয়াৰে চন্দ্ৰ ঔৰসত বৃহস্পতিৰ পত্নী তাৰাৰ গৰ্ভত বুধৰ জন্ম, বুধৰ ঔৰসত চিত্ৰাৰ গৰ্ভত চৈত্ৰৰ জন্ম, চৈত্ৰৰ পুত্ৰ অধিৰথ, অধিৰথৰ পুত্ৰ সুৰথ, নন্দী আৰু সুৰথৰ যুদ্ধ, সুৰথৰ পৰাজয় দেৱীৰ কৃপাত সুৰথৰ অকন্টকা পৃথিৱী ভোগ ইত্যাদি কবিয়ে ব্ৰহ্মাবৈৱৰ্ত পুৰাণৰ পৰা সংগ্ৰহ কৰিছে। ৰম্ভাসুৰৰ তপস্যা, মহিষাসুৰৰ জন্ম, মহিষাসুৰক কাত্যায়ন মুনিৰ অভিশাপ, উগ্ৰচণ্ডা ভদ্ৰাকালী আৰু দশভূজা দুৰ্গাৰ জন্ম, দেৱীয়ে তিনি জন্মত মহিষাসুৰক তিনিবাৰ বধ কৰাৰ আখ্যান, মহিষাসুৰৰ দ্বাৰা দেৱীৰ পূজা অৰ্চনা আদি কবিয়ে কালিকা পুৰাণৰ পৰা সংগ্ৰহ কৰিছে কবিয়ে বামণ পুৰাণৰ পৰা সংগ্ৰহ কৰিছে মহিয আৰু ৰম্ভৰ যুদ্ধ, ৰম্ভৰ মৃত্যু, ৰম্ভৰ চিতাগ্নিৰ পৰা ৰক্তবীজৰ জন্ম, মহিষাসুৰৰ দ্বাৰা দেৱতাসকলৰ পৰাজয়, কাত্যায়নীৰ দ্বাৰা মহিষাসুৰ নিধন, চণ্ড-মুণ্ডৰ পলায়ন আদিৰ বৰ্ণনা।

**'শ্ৰীশ্ৰীচণ্ডী'ৰ ৰস, ছন্দ আৰু অলংকাৰ ঃ**

প্ৰধানতঃ মধু কৈটভ বধ, মহিষাসুৰ বধ আৰু শুম্ভ-নিশুম্ভ বধ এই তিনিটা আখ্যানৰ মাজেদি দেৱী মাহাত্ম্য প্ৰকাশ কৰা ৰুচিনাথ কন্দলীৰ 'শ্ৰীশ্ৰীচণ্ডী'ত বীৰ ৰসে প্ৰাধান্য লাভ কৰিছে। বীৰ ৰসৰ উপৰি কাব্যখনত ভয়ানক, অদ্ভুত, ৰৌদ্ৰ, বীভৎস, শান্ত আদি ৰসৰ সমাৱেশ ঘটিছে। ছন্দৰ ভিতৰত কবিয়ে বিশেষকৈ পদ ছন্দ, দুলড়ী ছন্দ, ছবি ছন্দ আৰু ঝুমুৰী ছন্দ ব্যৱহাৰ কৰিছে। কবিয়ে কাব্যখনত শব্দালংকাৰৰ ভিতৰত অনুপ্ৰাস, যমক, বক্ৰোক্তি আদি আৰু অৰ্থালংকাৰৰ ভিতৰত উপমা, ৰূপক, অতিশয়োক্তি, স্বভাবোক্তি ইত্যাদি অলংকাৰ ব্যৱহাৰ কৰিছে।

**সামৰণি ঃ**

অসমীয়া চণ্ডী পদ ৰচিয়তা অন্যান্য কবিকেইগৰাকীৰ লগত ৰুচিনাথ কন্দলীৰ "শ্ৰীশ্ৰীচণ্ডী"ৰ বৈসাদৃশ্য লক্ষ্য কৰা দেখা যায়। ৰুচিনাথ কন্দলীৰ বাদে অন্যান্য কবিসকলৰ 'শ্ৰীশ্ৰীচণ্ডী' মুখ্যতঃ মাহাত্ম্যৰ আক্ষৰিক অনুবাদ। ইয়াৰ পৰিৱৰ্ত্তে ৰুচিনাথ কন্দলীয়ে দেৱী মাহাত্ম্য, ব্ৰহ্মবৈৱৰ্ত পুৰাণ, কালিকা পুৰাণ, বামন পুৰাণ আৰু মাৰ্কণ্ডেয় পুৰাণৰ পৰা কথাবস্তু সংগ্ৰহ কৰি, সেইবোৰৰ যথাযোগ্য সমাৱেশেৰে শ্ৰীশ্ৰীচণ্ডী ৰচনা কৰিছে। সেয়েহে ৰুচিনাথ কন্দলীৰ 'শ্ৰীশ্ৰীচণ্ডীক দেৱী পৰম্পৰাৰ পূৰ্ণ প্ৰতিফলনৰূপে আখ্যা দিব পাৰি।

১। নবীন চন্দ্ৰ (সম্পা) ঃ ৰুচিনাথ কন্দলীকৃত শ্ৰীশ্ৰীচণ্ডী, বাণী প্ৰকাশ, গুৱাহাটী-১, প্ৰথম প্ৰকাশ - ১৯৯১, পৃঃ অৱতাৰনিক-০৯।

# ছাংলট ফেন্‌লা

- অনুস্মিতা বৈশ্য
স্নাতক তৃতীয় ষাণ্মাসিক
ভূগোল বিজ্ঞান বিভাগ




গ্ৰন্থৰ নাম ঃ ছাংলট ফেন্‌লা
লেখক ঃ পৰাগ কুমাৰ দাস
প্ৰকাশক ঃ আলিবাট প্ৰকাশন

অসমৰ সাংবাদিকতাৰ জগতখনৰ এজন প্ৰসিদ্ধ সাংবাদিক তথা লিখক পৰাগ কুমাৰ দাসে আশী দশকৰ আন্দোলনৰ সময়ত সৃষ্টি হোৱা অসমীয়া জাতিটোৰ সংকটময় আৰু অগ্নিগৰ্ভা পৰিস্থিতিৰ বৰ্ণনাৰে সৃষ্টি কৰিছে অসমৰ জীৱনৰ কালজয়ী দস্তাবেজ স্বৰূপ "ছাংলট ফেন্‌লা" নামৰ উপন্যাসখনিৰ।

উপন্যাসখনিৰ মূল চৰিত্ৰ দিগন্ত হৈছে তিনিচুকীয়াৰ এজন শিক্ষিত যুৱক। যিয়ে অসমভূমিক ভাৰত ৰাষ্ট্ৰৰ চক্ৰবেহুৰ পৰা উদ্ধাৰ কৰাৰ স্বাৰ্থত সেনানী হিচাপে এটি বিপ্লৱী সংগঠনৰ লগত জড়িত হয়। যিয়ে অসমভূমিক স্বাধীন কৰাৰ স্বাৰ্থত পৰিয়াল, আত্মীয়স্বজন, শৈশৱৰ বান্ধৱী অঞ্জুক এৰি নানানটা প্ৰতিঘাতৰ মাজেৰে সুদূৰ কাচিনত ট্ৰেইনিং ল'বলৈ গৈছিল।

গ্ৰন্থখনিত লিখকে ট্ৰেইনিঙৰ সময়ত হোৱা বাৰ্মিজ আৰ্মিৰ আক্ৰমণ, মখলং বেমাৰৰ আক্ৰমণ আদি কঠিন অভিজ্ঞতাৰ বৰ্ণনা কৰিছে। তাৰ মাজতো সহজ-সৰল কাচিনবাসীৰ উদাৰ মনোভাৱ, কাচিনৰ লোকসকলৰ বন্ধুপৰায়নতাই সংগঠনৰ কাম-কাজত বহুত সহায় কৰিছিল। অতি দুঃসাধ্যৰ মাজতো হাৰ নমনাকৈ দিগন্ত, গোঁহাই ছাৰহঁতে সংগঠটোক শক্তিশালী কৰি তুলিবলৈ যি কষ্ট কৰিছিল সেয়া মুহূৰ্ততে থানবান কৰিছিল ৰঞ্জিত, দেৱাশীষ, পঙ্কজহঁতৰ দৰে সংগঠনৰ কেইজনমান বিলাসিতাপ্ৰিয় নামমাত্ৰ বিপ্লৱীয়ে। যিটো সংগঠনৰ বাবে গৌতমহঁতৰ নিচিনা এচাম যুৱকে কৰুণভাৱে জীৱনদান কৰিছিল, সেই একেটা সংগঠনৰে আন এচাম নামমাত্ৰ বিপ্লৱী দেৱাশীষ, ৰঞ্জিতহঁতে মাৰুতি কাৰ নোহোৱাকৈ, বিন্দু বৰুৱাৰ ড্ৰয়িং ৰূমত আড্ডা নিদিয়াকৈ বিপ্লৱ কৰিব নোৱাৰা হ'ল। কিন্তু, তাৰ মাজতো ইচমাইলৰ দৰে সৎ চৰিত্ৰৰ বিপ্লৱীও সংগঠনত বিচাৰি পাইছিল। সংগঠনৰ নামত ভুৱা বিপ্লৱ কৰি ফুৰা দেৱাশীষৰ দৰে বিলাসিতা প্ৰিয় এজন যুৱকৰ সামান্য ভুলৰ বাবে সংগঠনৰ কিদৰে অধঃপতন হৈছিল লগতে ভাৰতীয় সৈন্যৰ হাতত ধৰা পৰাৰ পিছত সৰিয়হতলী কেম্পত হোৱা অবৰ্ণীয় অত্যাচাৰৰ কথাও গ্ৰন্থখনত প্ৰকাশ কৰিছে।

আনহাতে, দিনজান কেম্পত থকা সময়ত দিগন্তই সংগঠনৰ ল'ৰা গগণ, বিজিতহঁতক লগ পাওঁতে সিহঁৰ কথা-বতৰা ধৰণ-কৰণ দেখি স্তম্ভিত হৈছিল। কিয়নো, এসময়ত গোহাঁই ছাৰৰ ছাঁটোৰ দৰে লাগি থকা গগণে পিছলৈ সৰ্বেশ্বৰ হাজৰিকাৰ আৰু ভাৰত ৰাষ্ট্ৰৰ উদাৰতাত মন্ত্ৰমুগ্ধ হৈ পৰিছিল।

কিন্তু, দিগন্ত কোনোদিনে নিজৰ লক্ষ্যৰ পৰা পথভ্ৰষ্ট হোৱা নাছিল। জেলৰ পৰা ওলোৱাৰ পিছতো সৰ্বেশ্বৰ হাজৰিকাৰ হাতত বিক্ৰী হোৱা ৰঞ্জিত, গগণ, দিপকৰ নিচিনা পোহনীয়া বিপ্লৱী কেইটাৰ হাতত নিজৰ সত্তা আৰু স্বাভিমানক বিক্ৰী নকৰি পুনৰ ওলাই আহিছিল সঙ্গঠনটোক নতুন ৰূপেৰে গঢ় দি জন্মভূমিক স্বাধীন কৰাৰ প্ৰয়াসেৰে।

স্বাৰ্থপৰতাৰ পৃথিৱীখনৰ মাজত এতিয়াও যে নিজৰ জন্মভূমিখনক নিঃ স্বাৰ্থভাৱে ভাল পোৱা সেনানী আছে, উপন্যাসখনিত সেয়া চিত্ৰিত হৈছে।






# ক্ষণিক শিল্প

# এক মিনিটৰ গল্প

- বিকাশ দাস
স্নাতক প্ৰথম ষাণ্মাসিক, গণিত বিভাগ



(১) ককা

আমাৰ খুড়াহঁত আহিছে, আজি। টাউনত থাকে। খুৰাৰ ল'ৰাটো এইবাৰ দশম শ্ৰেণী পাব। সন্ধিয়া হোৱাত ককাই আনদিনাৰ দৰে আজিও চোতালৰ এচুকত জুই একুৰা ধৰি পুৱাব ধৰিলে। অলপ পিছত মইও ককাৰ কাষত বহিলো। ককাই খুড়াৰ ল'ৰাটোক সৰু পোনা বুলি মাতে। তেওঁ মাতিলে 'সৰু পোনা বাহিৰত আহ জুই পুৱাও'। খিৰিকীৰে সি মাত লগালে "ককা, মই নাযাওঁ দিয়া। কাপোৰযোৰ বেয়া হ'ব, গোন্ধাব'। মই ককালৈ চাই থাকিলো। সেমেকি গ'ল তেওঁ। বয়সৰ চাপ পৰা মানুহজনক যেন এইবাৰ আধুনিকতাই আৰু দুৰ্বল কৰি পেলালে।

(২) মা-দেউতা

মা-দেউতাই দিনটো পৰিশ্ৰম কৰি অহাত আবেলি ৫ টা মানত ভাত খালো আটায়ে। আজি ভাতৰ লগত আলু ভাজি আছিল। নিশা ১০ মান বজাত মায়ে মোক মাতিলে "ভাত খাহি বাবু"। মই গৈ দেখিলো মায়ে এখন কাঁহীত ভাত বাঢ়িছে। এতিয়া আলু নাই, দিনত খালো নহয়। মই মাক সুধিলো "তোমালোকৰ ভাত ক'ত"? মায়ে ক'লে "আমি আঠটা মানতে খাইছোঁ, ভোক লগাই.... । মই খালো। ভোক বেছি লগা নাছিল মোৰ। কিন্তু মই এটা কথা বুজি নাপালো দিনটো লঘোণে থাকি ৫ টা মানত ভাত খোৱা মা-দেউতাৰ এতিয়া ইমান ভোক লাগিলনে আঠ বজাতে ভাত খালে...।






# অনুবাদ শিল্প




# বাৰ্তুলাকাৰ ধ্বংসাৱশেষ

মূলপাঠ ঃ **The circular Ruiens**
লিখক ঃ **J. L. Borges**
অনুবাদ ঃ **হিমাক্ষী কাশ্যপ**
সহকাৰী অধ্যাপিকা
ইংৰাজী বিভাগ

**তে**ওঁ নমা কোনেও দেখা নাছিল আৰু সেই ৰাতিয়েই বুলি একমতো হ'ব পৰা নাছিল। বাঁহৰ নাওঁখন পৱিত্ৰ বোকাখিনিত পোত যোৱা নেদেখিলেও দুই এদিনৰ ভিতৰতে কোনেও নজনাকৈ নাথাকিল যে তেওঁ উজাই গৈ সৌ পাহাৰখনৰ মস্ত ফাঁটটোৰ ফালে থকা অসংখ্য গাঁৱবোৰৰ এখনৰ পৰা আহিছিল য'ত গ্ৰীক ভাষাই জেন্দ ভাষাটোক কলুষিত কৰিব পৰা নাছিল আৰু য'ত কুষ্ঠ ৰোগৰ হাৰ নগণ্য। এইটো খাটাং যে বুঢ়ামানুহজনে বোকাখিনিত চুমা খাইছিল (সম্ভৱতঃ কোনো অনুভৱ নকৰাকৈয়ে) তেওঁৰ দেহটো ফালি পেলোৱা খুৰ যেন পাতবোৰ আঁতৰাই তেওঁ ঢাপটো পাৰ হৈছিল আৰু ওকালিয়াই, তেজেৰে তুমুৰলি হৈ চুঁচুৰি-বাগৰি কিবাকৈ তেওঁ বাঘ নে ঘোঁৰাৰ কীৰিটি থকা শিলেৰে সজা গোলাকাৰ ঠাইখিনিৰ ওপৰলৈ উঠি গৈছিল। এই আকৃতিটো এসময়ত শিখাৰ ৰঙাৰ আছিল আৰু এতিয়া ধূসৰ বৰণ লৈছে। ই এসময়ত এটা মন্দিৰ আছিল যিটো প্ৰাচীন অগ্নিত জাহ গৈছে, কেচেমা-কেচেম

গোন্ধৰ জংঘলবোৰৰ মাজত অপবিত্ৰ হৈ পৰিছে আৰু য'ত মানুহে ভগবানক ভক্তি কৰিবলৈ এৰি দিছে। অচিনাকি মানুহজনে মূল বেদীটোৰ তলতেই দীঘল দিছিল। মূৰৰ ওপৰৰ টিকা ফটা ৰ'দৰ বাবে তেওঁ সাৰ পাই উঠিছিল। দেহৰ ঘাঁবোৰ শুকোৱা দেখি তেওঁ আচৰিত হোৱা নাছিল, দেহৰ দুৰ্বলতাৰ বিপৰীতে ইচ্ছাশক্তিৰ প্ৰখৰতাৰ বাবেহে তেওঁ শেঁতা চকুহাল মুদি দিছিল আৰু শুই পৰিছিল। তেওঁ বুজিছিল যে এই মন্দিৰটোৱেই তেওঁৰ অদম্য অভিপ্ৰায়ৰ বাবে উপযুক্ত ঠাই। ভাটিৰ ফালৰ একালৰ ভগৱানৰ সম্পদ আৰু এতিয়া জ্বলি ছাৰ খাৰ আৰু নিস্তেজ হৈ পৰা অন্য পৱিত্ৰ মন্দিৰটোক অসংখ্য গছবোৰে মৰচেপা দিব পৰা নাছিল। তেওঁ উপলব্ধি কৰিছিল যে তেওঁ একমাত্ৰ কামেই হৈছে সপোন দেখা। মাজনিশালৈ এটা চৰাইৰ অজান চিঞৰত তেওঁ সাৰ পাই উঠিছিল। খালী ভৰিৰ কিছুমান খোজৰ চিন অলপ ধঁপাত আৰু এটা টেকেলিয়ে অঞ্চলটোৰ মানুহবোৰৰ বিষয়ে তেওঁৰ সতৰ্ক কৰি দিছিল যে তেওঁলোকে সুৰক্ষাৰ নিমিত্তে বা তেওঁৰ যাদুময়তাত শংকিত হৈ টোপনি যোৱা অৱস্থাতে তেওঁৰ ওপৰত সসন্মানে নজৰ দি আছিল। তেওঁ এক হিমশীতল আতংক অনুভৱ কৰিছিল আৰু ভঙা দেৱালয়খনত এটা খোলনি বিচাৰি উলিয়াই বিচিত্ৰ পাতবোৰৰ মাজত নিজকে আঁৰ কৰি পেলাইছিল।

তেওঁক আছন্ন কৰি থকা উদ্দেশ্যটো যদিও অলৌকিক, তথাপি অসম্ভৱ নাছিল। তেওঁ এজন সম্পূৰ্ণ মানুহৰ সপোন দেখিবলৈ মন কৰিছিল আৰু তাক সূক্ষ্মতাৰে বাস্তৱত প্ৰতিস্থাপন কৰিবলৈ বিচাৰিছিল। এই যাদুকৰী প্ৰকল্পটোৱে তেওঁৰ মনৰ বিস্তৃত অঞ্চলটো সৰ্বত্ৰে ক্লান্ত কৰি তুলিছিল। কোনোবাই তেওঁৰ নামটো সুধিলে আৰু আগৰ জীৱনৰ কোনো ঘটনাৰ বিষয়ে বহলভাৱে কবলৈ ক'লে তেওঁ তাৰ উত্তৰ দিব পৰা নাছিল। এই নিৰ্জন, ভগা মন্দিৰটোৱে তেওঁক সন্তুষ্টি প্ৰদান কৰিছিল কাৰণ, ই চকুৰ আগৰ পৃথিৱীখনৰ মাত্ৰ এটা সামান্য অংশ আছিল। বণুৱা মানুহবোৰ ওচৰত থকাৰ বাবেও তেওঁ ভাল পাইছিল কাৰণ, তেওঁৰ মিতব্যয়ী প্ৰয়োজনবোৰ পূৰণ কৰাৰ দায়িত্ব সিহঁতে নিজেই গ্ৰহণ কৰিছিল। সিহঁতে তেওঁলৈ আনি দিয়া ভাত আৰু ফল মূলবোৰ তেওঁৰ দেহৰ বাবে যথেষ্ট পুষ্টিকৰ আছিল। এই সকলোবোৰেই তেওঁৰ দেহৰ বাবে যথেষ্ট পুষ্টিকৰ আছিল। এই সকলোবোৰেই তেওঁৰ শোৱা আৰু সপোন দেখা মূল কামটোৰ প্ৰতি উৎসৰ্গিত হৈছিল।

পোনতে তেওঁৰ সপোনবোৰ আউল লগা বিধৰ আছিল, তাৰ কিছু পাছলৈ সিহঁত যুক্তিবাদী সবল হৈ পৰিছিল। অচিনাকি মানুহজনে সপোনত সেই জ্বলি-পুৰি যোৱা মন্দিৰটোৰ দৰেই এটা বৃত্তাকাৰ ৰংগভূমিৰ সোঁমাজত ৰৈ থকা দেখিছিল, নিবোকা ছাত্ৰৰ জাকবোৰে শাৰী শাৰীকৈ বহা ঠাইবোৰ পূৰণ পেলাইছিল, আটাইতকৈ দূৰত থকাবোৰৰ মুখবোৰৰ বহুশতিকাজোৱা দূৰত্বত ওলমি ৰোৱা যেন লাগিছিল আৰু সিহঁতক তৰাবোৰৰ দৰেই লাগিছিল। কিন্তু সিহঁতৰ মুখবোৰ সম্পূৰ্ণভাৱে দ্যৰ্থহীন আছিল। মানুহজনে তেওঁৰ ছাত্ৰসকলক শৰীৰতত্ব, সৃষ্টিতত্ব আৰু যাদুৰ বিষয়ে ভাষণ দিছিল, মুখবোৰে উৎকণ্ঠিতভাৱে শুনিছিল আৰু বুজি পাব পৰাকৈ উত্তৰ দিবলৈ চেষ্টা কৰিছিল। সিহঁতে যেন এই পৰীক্ষাটোৰ গুৰুত্ব অনুধাৱন কৰিব পাৰিছিল আৰু ভাবিছিল যে ই সিহঁতৰ মাজৰে কোনোবা এজনক নগ্ন ভ্ৰমাৰস্থাৰ পৰা উদ্ধাৰ কৰি দিঠকত প্ৰক্ষেপ কৰিব। সেই ছয়াময়া আকৃতিবোৰৰ জবাবোৰৰ বিষয়ে তেওঁ ভাবি চাইছিল, শুই থকা বা জাগ্ৰত কোনো অৱস্থাতে কোনো ছলনাকাৰীকেই তেওঁ প্ৰতাৰণা কৰিবলৈ দিয়া নাছিল আৰু অৱধাৰিতভাৱে বিমোৰৰ মাজতেই তেওঁৰ মনত এক বুদ্ধি খেলালে। মহাবিশ্বত অংশগ্ৰহণ কৰিব পৰাকৈ তেওঁ এটা উপযুক্ত আত্মাৰ সন্ধান কৰিছিল। ন-দহ ৰাতিৰ পাছত কিছু বিৰক্তি সহকাৰে তেওঁ বুজি উঠিছিল যে যিসকল ছাত্ৰই তেওঁৰ কথাখিনি উদাসীনভাৱে মানি লৈছিল সিহঁতৰ পৰা তেওঁ একোকে আশা কৰিব নোৱাৰে। কিন্তু যিসকলে তেওঁৰ কথাৰ বিৰোধিতা কৰিবলৈ সাহস গোটাইছিল সিহঁতেহে তেওঁৰ মনত আশাৰ উদ্ৰেক কৰিছিল। পূৰ্বৰ দলটো যদিও আদৰ-সাদৰৰ পাত্ৰ আছিল, সিহঁতে কিন্তু একোজন ব্যক্তিৰ শাৰীলৈ আৰোহণ কৰিব পৰা নাছিল। পাছৰ দলটো পূৰ্বৰে পৰাই সামান্য পৰিমাণে জোখত ডাঙৰ আছিল। এদিনাখন আবেলি (এতিয়া আবেলিবোৰো শোৱা সময়লৈ পৰিৱৰ্তিত হৈছিল, মাত্ৰ ঢলপুৱা কেইঘন্টামানৰ বাবেহে তেওঁ সাৰ পাইছিল) ছয়ামৱা সেই বিশাল ছাত্ৰৰ দলটোক তেওঁ চিৰদিনৰ বাবে পৰিত্যাগ কৰিছিল আৰু তাৰে পৰা মাত্ৰ এগৰাকী ছাত্ৰকহে বাছি উলিয়াইছিল। সি আছিল কমলৈ কথা কোৱা, শেতাঁ বৰণৰ একপ্ৰকাৰৰ এটা মস্ত গোৱাৰ। তাৰ তীক্ষ্ণ স্বভাৱবোৰ তাৰ স্বপ্নদ্ৰষ্টাজনৰ সৈতে একেই আছিল। তাৰ সমনীয়াসকলক অমাৰ্জিতভাৱে হঠাতে বৰ্জন কৰা কথাটোৱে তাক বৰ বেছি সময় অবাক কৰি ৰাখিব পৰা নাছিল, মাত্ৰ ব্যক্তিগতভাৱে প্ৰদান কৰা কেইটামান পাঠৰ পাছতেই তাৰ অগ্ৰগতিয়ে শিক্ষকজনক বিস্ময়াভিভূত কৰি তুলিছিল। তথাপি অন্য এক বিপৰ্যয়ে মূৰ দাঙি উঠিছিল। এদিনাখন মানুহজনে টোপনিৰ পাৰ সাৰ পাই উঠোতে এনে পালে যেন তেওঁ সেমেকা মৰুভূমি এখনৰ পৰাহে উঠি আহিছে। নিষ্কৰ্মাভাৱে থকা আবেলিটোৰ পোহৰখিনি তেওঁৰ হঠাতে কাহিলিপুৱাৰ সময় যেন লাগিল আৰু তেওঁ বুজি পালে

যে তেওঁ আচলতে সপোন দেখি থকা নাছিল। সেই গোটেই দিনটো আৰু ৰাতিটো তেওঁক নিদ্ৰাহীনতাৰ জালে জুমুৰি দি ৰাখিলে। তেওঁ দেহৰ শক্তি কমাবৰ বাবে হাবিখন ঘূৰি-পকি, তল-ওপৰ কৰিলে। হেমলক গছবোৰৰ মাজত তেওঁ কোনো কামত নাহিল। তেওঁ সেই ছাত্ৰজনৰ দেহটো একত্ৰ কৰিবলৈ চেষ্টা কৰিলে। কিন্তু ই বিকৃত ৰূপ ধাৰণ কৰি নিশ্চিহ্ন হৈ যোৱাত তেওঁ একেবাৰে নিৰুৎসাহ হৈ পৰিছিল। প্ৰায় নিৰৱচ্ছিন্নভাৱে উজাগৰে থকা সময়ত ক্ৰোধৰ চকুলোৱে তেওঁৰ বয়স্ক চকুযোৰ পুৰিছিল।

তেওঁ বুজি পাইছিল যে যিবোৰ অসংলগ্ন আৰু মূৰ আচন্দ্ৰাই কৰা বিষয়েৰে তেওঁ সপোনবোৰ ৰচনা কৰিছিল, সেইবোৰক আকৃতি দিব পৰাটো এজন মানুহৰ বাবে আটাইতকৈ কঠিম কাম আছিল। উৎকৃষ্ট আৰু নিকৃষ্ট সকলোবোৰ সাঁথৰ তাৰ লগত মিলাই দিয়াৰ পাছতো ই বালিৰে ৰছী গঁথা বা মুখবিহীন বতাহক আঁকি উলিওৱাতকৈ বহু পৰিমাণে কঠিন আছিল। তেওঁ প্ৰতিজ্ঞাবদ্ধ হৈছিল যে সেই প্ৰচণ্ড ভ্ৰমটোৰ পৰা হাত সাৰিবলৈ তেওঁ ইয়াক একেবাৰে পাহৰি পেলাব আৰু অন্য এক নতুন কৰ্মপদ্ধতিৰ সন্ধান কৰিব। ইয়াক কাৰ্যত ৰূপায়িত কৰাৰ আগতে চিত্ত বিভ্ৰমৰ ফলত তেওঁৰ যিখিনি শক্তি অপচয় হৈছিল, তাক ঘূৰাই পাবলৈ তেওঁ এমাহ সময় অতিবাহিত কৰিছিল। সপোন দেখাৰ বাবে কৰা প্ৰায় সকলোবোৰ পূৰ্বপৰিকল্পনাই তেওঁ বাদ দিছিল আৰু নিতৌ প্ৰায় তাৎক্ষণিকভাৱেই এক নিৰ্দিষ্ট সময় টোপনি মাৰিবলৈ সক্ষম হৈছিল। ইয়াৰ মাজতে যিবোৰ সপোন দেখিছিল তেওঁ তালৈ কোনো ভ্ৰূক্ষেপ কৰা নাছিল। নিৰ্ধাৰিত কামটো পুনৰায় আৰম্ভ কৰাৰ আগতে তেওঁ চন্দ্ৰটোৰ উপৰিভাগ নিখুঁত হোৱালৈ বাট চাইছিল। তাৰ পিছত আবেলি পৰত নৈৰ পানীৰে শুদ্ধি হৈ গ্ৰহদেৱতাক পূজা কৰি বিধান অনুযায়ী এটা প্ৰবল পৰাক্ৰমী নাম উচ্চাৰণ কৰি শুবলৈ গৈছিল। প্ৰায় তাৎক্ষণিকভাৱেই তেওঁ তাৰ স্পন্দিত হৃদপিণ্ডটোৰ সপোন দেখিছিল।

তেওঁ সপোনত দেখিছিল যে এইপৰ্যন্ত মুখ বা লিংগবিহীন এটা মানৱ শৰীৰৰ উপচ্ছায়াৰ ভিতৰত ই কুহুমীয়া, গোপন, মুষ্টিবদ্ধ হাত এখনৰ জোখৰ আৰু ৰক্তমণি বৰণীয়া আছিল। চৈধ্যটাকৈ নিশা তেওঁ পুংখানুপুংখভাৱে আৰু অতি আদৰেৰে ইয়াৰ সপোন দেখিছিল। প্ৰতিনিশাই অধিক স্পষ্টভাৱে তেওঁ ইয়াক উপলব্ধি কৰিছিল। ইয়াক তেওঁ স্পৰ্শ কৰা নাছিল, কেৱল মাত্ৰ ইয়াৰ সাক্ষ্য লবলৈ, ইয়াক নিৰীক্ষণ কৰিবলৈ আৰু নিতৌ ঈষৎ দৃষ্টিৰে ইয়াক সংশোধন কৰি যাবলৈহে তেওঁ নিজকে অনুমতি দিছিল। তেওঁ ইয়াক অনুধাৱন কৰিছিল আৰু সকলো দৃষ্টিকোণ আৰু দূৰত্বৰ পৰা ইয়াক যাপন কৰিছিল। চৈধ্য দিনৰ দিনা নিশা হাওঁফাওঁৰে সংলগ্ন হৈ থকা ধমনীডাল আৰু তাৰ পাছত গোটেই হৃদপিণ্ডটো আৰু অন্য এটা মুখ্য অংগৰ কথা ভাবিবলৈ আৰম্ভ কৰিছিল। এবছৰৰ ভিতৰত তেওঁ জঁকাটো আৰু চকুৰ পতা কেইখনলৈ আহি পাইছিল। অগণন চুলিবোৰেই হয়তো সকলোতকৈ কঠিন কাম আছিল। তেওঁ এজন সম্পূৰ্ণ মানুহ অৰ্থাৎ এজন সম্পূৰ্ণ যুৱকৰ সপোন দেখিছিল, কিন্তু ই উঠি বহিব বা কথা কব পৰা নাছিল আৰু আনকি চকুহাল মেলিবলৈও সক্ষম হোৱা নাছিল। নিশা পাছত নিশা ধৰি মানুহজনে তাক নিদ্ৰামগ্ন অৱস্থাতেই দেখিছিল।

সৰ্বজ্ঞাত সৃষ্টিৰহস্যত সৃষ্টিকৰ্তাজনে থিয়দণ্ডা দিব নোৱাৰা ৰঙাবৰণীয়া আদমৰ গঢ় লয়। যাদুকৰজনৰ নিশাবোৰে সজাই তোলা সপোনৰ মানৱজনো এই জধলা, ৰুক্ষ আৰু পঞ্চভৌতিক ধূলিৰে নিৰ্মিত আদমৰ দৰেই আছিল। এদিনাখন আবেলিপৰত মানুহজনে তেওঁৰ সম্পূৰ্ণ কামটো প্ৰায় বিনষ্ট কৰি দিবলৈ উদ্যত হৈছিল, কিন্তু তেওঁ মন সলনি কৰিছিল (কিজানি নষ্ট কৰি পেলোৱাই উত্তম আছিল)। যেতিয়া তেওঁ ভাৰস্তৰ সকলো উপাস্য দেৱতালৈ প্ৰাৰ্থনা কৰি কৰি ভাগৰি পৰিছিল, তেতিয়া সেই বাঘ নাইবা মতা ডেকেৰুৱা ঘোঁৰা এটাৰ আকৃতিৰ প্ৰতিমূৰ্তিটোৰ চৰণত শৰণ লৈ তেওঁ নেদেখাজনৰ সহায় বিচাৰি কাবৌ-কোকালি কৰিছিল। সিদিনা সন্ধিয়া মুনিচুনি পৰত তেওঁ মূৰ্তিটোৰ সপোন দেখিছিল। তেওঁ ইয়াক জীৱন্ত আৰু কম্পমান ৰূপত দেখিছিল, ই কেৱল বাঘ আৰু ঘোঁৰাৰ নৃশংস বৰ্ণশংকৰেই নহয়, ই একেসময়তে বাঘ, ঘোঁৰা, ষাঁড়গৰু, এপাহ গোলাপ আৰু এজাক ধুমুহাৰো সংমিশ্ৰণ আছিল। এই বহুৰূপী ভগৱানজনে তেওঁৰ আগত প্ৰকাশ কৰিছিল যে তেওঁৰ পাৰ্থিৱ নাম হৈছি অগ্নি আৰু এই ঘূৰণীয়া মন্দিৰটোত (ইয়াৰ দৰে অন্যবোৰতো) মানুহে আগতে তেওঁলৈ বলি উৎসৰ্গা কৰি তেওঁক অৰ্চনা কৰিছিল। তেওঁ কৈছিল যে বুঢ়ামানুহজনে সপোনত দেখা ছয়াময়া আকৃতিটোক তেওঁ এনেভাৱে যাদুকৰী ৰূপত জীৱন দান কৰিব যে অগ্নি আৰু স্বপ্নদ্ৰষ্টাজনৰ বাহিৰে আন সকলোৱেই তাক তেজ মঙহৰ এজন জীৱন্ত মানৱ বুলিয়েই বিশ্বাস কৰিব। তেওঁ আদেশ দিছিল যে ভাটিৰ ফাললৈ থিয় হৈ থকা পিৰামিডেৰে পূৰ্ণ অন্য এটা ভগ্ন মন্দিৰলৈ এই মানৱক সকলো ধৰ্মীয় কৃত্য সম্পৰ্কীয় শিক্ষাৰে শিক্ষিত কৰি পঠিয়াই দিয়া যাব যাতে সেই ঠাইৰ মাত কথাই তেওঁক সন্মানিত কৰিব পাৰে। স্বপ্নদ্ৰষ্টাজনৰ সপোনতেই সপোনৰ মানৱজনে সাৰ পাইছিল।

তেওঁক দিয়া আদেশবোৰ যাদুকৰজনে পালন কৰিছিল।

এক নিৰ্দিষ্ট দৈৰ্ঘ্যৰ সময় তেওঁ তাক ব্ৰহ্মাণ্ডৰ ৰহস্য আৰু অগ্নি সম্পৰ্কীয় ধৰ্মমতৰ বিষয়ে শিক্ষা দিবলৈ নিয়োজিত কৰিছিল। তাৰ পৰা পৃথক হ'বলগীয়া ধাৰণাটোত তেওঁ মনে মনে সন্তাপ পাইছিল। শিক্ষাদানৰ প্ৰয়োজনীয়তাৰ অজুহাতত প্ৰতিদিনে তেওঁ সপোন দেখিবলৈ নিয়োজিত কৰা সময়বোৰ বঢ়াই দিছিল। সামান্য পৰিমাণে ত্ৰুটিপূৰ্ণ হৈ থকা তাৰ সোঁফালৰ কান্ধখনো তেওঁ নতুনকৈ সজাইছিল। ইতিমধ্যে সংঘটিত হোৱা ঘটনাবোৰৰ সাঁচে তেওঁক এসময়ত অশান্ত কৰি তুলিছিল, সাধাৰণতে তেওঁৰ দিনবোৰ যথেষ্ট সুখৰ আছিল। চকুহাল মুদি দি তেওঁ ভাবিছিল এতিয়া মই মোৰ পুত্ৰৰ সৈতে থাকিব পাৰিম। নতুবা কেতিয়াবা কাচিৎভাবে ভাবিছিল, মোৰ পৰা জন্ম হোৱা পুত্ৰই মোৰ বাবেই অপেক্ষা কৰি আছে আৰু যদিহে মই তাৰ কাষলৈ নাযাওঁ, সি জীয়াই নাথাকিব।

তেওঁ নিজকে বাস্তৱৰে সৈতে ক্ৰমান্বয়ে অভস্ত কৰাবলৈ আৰম্ভ কৰিছিল। এবাৰ তেওঁ তাক সুদূৰবৰ্তী শৃংগ এটাত পতাকা এখন ৰাখি আহিবলৈ আদেশ দিছিল। পাছদিনালৈ তেওঁ দেখিছিল যে পতাকাখন শৃংগটোত ধপধপাই উৰি আছে। তেওঁ অবিবেচকভাবে প্ৰতিবাৰেই একেধৰণৰ অন্য কিছুমান পৰীক্ষণো প্ৰয়াস কৰিছিল। কিছু তিক্তভাৱে তেওঁ বুজি পাইছিল যে তেওঁৰ সন্তানে এতিয়া জন্ম লাভ কৰিবলৈ সাজু হৈ উঠিছে বোধকৰো ব্যগ্ৰও হৈ পৰিছে। সিদিনা নিশা তেওঁ পোন প্ৰথমবাৰৰ বাবে তাক চুমা খাইছিল আৰু ঘন জংঘল আৰু পিটনিবোৰৰ সিপাৰে ভঁটিয়াই গৈ ধূসৰ হ'বলৈ ধৰা অন্য এটা মন্দিৰৰ ভগ্নাৱশেষলৈ পঠিয়াই দিছিল। এই কামটো কৰাৰ আগেয়ে তেওঁ তাৰ অতবছৰৰ শিকাৰু হিচাপে থকা সকলোবোৰ স্মৃতিয়েই মচি দিছিল (যাতে তেওঁৰ সন্তানে নিজকে এটা মাত্ৰ ছায়াসদৃশ আকৃতিহে বুলি জানিব নোৱাৰে আৰু নিজকে যাতে অন্য সকলো মানুহৰ দৰেই এজন বুলি ভাবিব পাৰে।)

তেওঁৰ বিজয় আৰু শান্তিৰ বিশেষ অনুভৱখিনি বিৰক্তিৰে ধূসৰ হৈ পৰিছিল। সন্ধিয়া আৰু কাহিলিপুৱাৰ মুনিচুনি পৰবোৰত বোধকৰো তেওঁৰ পুত্ৰই ভাটিৰ ফালৰ অন্য এটা ঘূৰণীয়া ভগ্নাৱশেষত অবিকল ধৰ্মীয় কৃত্যসমূহ পালন কৰি থকা বুলি কল্পনা কৰি তেওঁ সেই শিলৰ মূৰ্তিটোৰ সন্মুখত থিয় দিছিল। ৰাতিলৈ তেওঁ আৰু সপোন দেখা নাছিল অথবা অন্য মানুহৰ দৰেই সাধাৰণভাবেই সপোন দেখিছিল। ব্ৰহ্মাণ্ডৰ ধ্বনি আৰু গঢ়-গঠন সম্পৰ্কে তেওঁৰ জ্ঞানবোৰ সামান্যভাৱে শেঁতা হৈ পৰিছিল, হয়তো তেওৰ অন্যমনস্ক পুত্ৰই তেওঁৰ আত্মাৰ এই সংকোচনবোৰৰ দ্বাৰাই উৎসাহ পাই আছিল। তেওঁৰ জীৱনৰ উদ্দেশ্য পূৰণ হৈছিল আৰু তেওঁ যেন এক হৰ্ষোন্মাদনাত তস্থ হৈ পৰিছিল। পুৰাবৃত্তৰ হিচাপত এটা দশকমান সময়ৰ পাছত দুজন নাওবৈচাই মাজনিশা তেওঁক জগাইছিল। তেওঁ সিহঁতৰ মুখকেইখন ভালদৰে চিনিব পৰা নাছিল কিন্তু, সিহঁতে তেওঁক উত্তৰ ফালে থকা এটা মন্দিৰত নোপোৰাকৈ অগ্নিৰ ওপৰত খোজকাঢ়িব পৰা এজন সম্মোহনকাৰী ব্যক্তিৰ কথা কৈছিল। যাদুকৰৰ হঠাতে ভগৱানজনৰ কথাকেইটালৈ মনত পৰিছিল। তেওঁৰ মনত পৰিছিল যে পৃথিৱীত বাস কৰা প্ৰাণীবোৰৰ মাজত একমাত্ৰ অগ্নিয়েই তেওঁৰ সন্তানক এটা ছায়াসদৃশ আকৃতি বুলি জানিছিল। পোনতে সান্ত্বনা দিয়া এই স্মৃতিয়ে তেওঁক পাছলৈ গভীৰ যন্ত্ৰণা দিছিল। তেওঁ ভয় খাইছিল জানোচা তেওঁৰ সন্তানে কেতিয়াবা এই অস্বাভাৱিক বিশেষত্বৰ কথাত গভীৰভাবে মনোনিবেশ কৰে আৰু সি যে এটা সামান্য প্ৰতিৰূপহে তাক আৱিস্কাৰ কৰে। এজন সম্পূৰ্ণ মানুহ নহৈ অন্য এজন মানুহৰ সপোনৰহে প্ৰক্ষেপণ হোৱাটো কি যে এক তুলনাহীন লাঞ্চনা, কি এক উন্মাদতা। যিকোনো পিতৃয়েই গভীৰ আনন্দৰ পাকত প্ৰজানিত কৰা সন্তানৰ ক্ষেত্ৰত গভীৰ মনোযোগী হয়। স্বাভাৱিকভাৱে যাদুৰকৰজনেও তেওঁৰ সন্তানৰ ভৱিষ্যত সম্পৰ্কে শংকিত হ'বই যাক তেওঁ অন্ত্ৰই অন্ত্ৰই, গঢ়ে গঠনে গোপনে এহেজাৰ এনিশাৰ ভিতৰত ভাবি উলিয়াইছিল।

আচম্বিতে কিছুমান আগতীয়া সাৱধানবাণীৰ পাছত তেওঁৰ সংশয়সমূহৰ অন্ত পৰিছিল। প্ৰথমে (এক দীঘলীয়া অনাবৃষ্টিৰ পাছত) পাহাৰৰ ওপৰত চৰাইৰ দৰে পাতলীয়া এটুকুৰা আওহতীয়া মেঘে ভুমুকি মাৰিছিল, তাৰ পাছত ঈশান দিশলৈ আকাশখনে নাহৰফুটুকীৰ দাঁতৰ আলুৰ দৰে গুলপীয়া ৰং লৈছিল, ৰাতিলৈ কঠিন ধাতুবোৰত মামৰ লগোৱা ধোঁৱাবৰণীয়া মেঘবোৰো ওলাইছিল। পাছলৈ আতংকগ্ৰস্ত বিপন্ন বনৰীয়া জীৱবোৰেও পলাবলৈ ধৰিছিল। বনৰীয়া জীৱ-জন্তুবোৰেও পলাবলৈ ধৰিছিল। বহুশতিকা পূৰ্বে ঘটা ঘটনাৰ পুনৰাবৃত্তি ঘটিছিল। অগ্নিদেৱতাৰ পীঠস্থানখনৰ ভগ্নাৱশেষখিনিও অগ্নিয়ে বিনাশ কৰি পেলাইছিল। পখীবিহীন এটি প্ৰভাতত যাদুকৰজনে দেখিছিল যে অগ্নিৰ লেলিহান শিখাই দেৱালবোৰ গ্ৰাস কৰি পেলাইছিল। এক মুহূৰ্তৰ বাবে তেওঁ পানীৰ মাজত আশ্ৰয় লোৱাৰ কথা ভাবিছিল। কিন্তু তেতিয়াই তেওঁ উপলব্ধি কৰিছিল যে তেওঁৰ বৃদ্ধাৱস্থাক কীৰিটি পিন্ধাবলৈ মৃত্যু আহি তেওঁৰ দুৱাৰদলিত উপস্থিত হৈছেহি। তেওঁ অগ্নিৰ সেই বহল পৃষ্ঠলৈ খোজ দিছিল। তেওঁৰ মাংসপিণ্ডবোৰ পোৰা নাছল। সিবোৰে তেওঁক তাপৰ সলনি স্নেহস্পৰ্শৰে ওপচাই পেলাইছিল। কিছু সকাহ, কিছু লজ্জা আৰু কিছু সন্ত্ৰাসেৰে তেওঁ বুজিব পাৰিছিল যে তেওঁ নিজেও এটা ভ্ৰম আছিল, তেওঁকো আন কোনোৱে সপোন দেখি আছিল।




## Sagorika Bordoloi

*Original :* **Pranab Kr Barman**
*Translation :* **Dr. Ranjana Bhattacharya**
H.O.D, Dept. of English

Sagorika
I fear if you are all right !
Only for you a heave of sigh sprouts out
In my word full hands!
Don't go outside in the evening
Time is hangover'd with a curfew!
The stars might go obscene
What a kind of restless wind
Late night's lust!

Sagorika,
You know, just a love bird am I
Draining your pond of prestige
Will scoop little *darikana* up
I n my aquarium with joy it will dance!
Never I do hook to catch *darikana* up
Rather a washer man shall I be
To rinse your garments of grief!

What do you like to sip in summer?
Chitra, Mirinda or Pepsi,Thumps up?
America-how disgusting this word for us is!
Sipping cholera from water swallow and turbid
Countless children grow
To be adult in my country.

Who is your favourite?
Madona or Michael Jackson?
Sagorika – do deafen me please
No, never can I bear
My people's starve-grown grief!
Do ask each and everyone
Walking down the decades of eighties
What a *lathi* charge means to him
Do enquire of the mothers
How many times they were
Laid bare in the dark dim.
My friends tease when they find me
A heart-sunk envelope
In my pocket I am carrying
And ask me why
A ration card I keep with me
Not knowing it's stamped
With address of love and spring

Have you heard the story
of Sisyphus, or Spartacus?
How teacher Byron's appetite for meat
Ends in thrifty frugal meal?
How farmer Keats dies in T.B?
How in an unknown land
Is lost rebel Shelley?
In the city, Buddha keeps silence
God is dead, Jesus crucified!
Have you begged Hikemet
Both of his hands?
And Lorca or Neruda too?
What do you like to have?
Do drink my Russian heart's vodka
As if your heart grown
*kharikajai* bursts out with laughter
I do smoke –it's my hobby
You are a cigar of melody!
When you meet my dad- do ask him Please
Green of cropland or
Grief of woods is his hobby
Stooping low standing
The norms of exploiting

Sagorika,
If there's no woods of sorrow
Where'll the merry bird
Shelter as resort?
One day, you too will walk away
Plucking my heart's red hibiscus
To Jalukbari or a housewife to be
Even if in the woeful wind
Flag of your smile flutters
Hey Aung San Suu Kyi of neo time
Bless me with the ink of blood
To fill my pen up
Words of gun powder
I must write!
You, Sagorika Bordoloi
I fear if you are all right !






# ভ্রমণ শিল্প



# জয় মাতা দী

- ড° নৰজ্যোতি ডেকা
সহকাৰী অধ্যাপক
ৰসায়ন বিজ্ঞান বিভাগ

ভ্ৰমণ কৰিবলৈ মই মুঠেও আগ্ৰহী নহয়। দিনটোৰ কৰ্মব্যস্ততাৰ অন্তত নিজৰ প্ৰিয় শেতেলীখনত নিদ্ৰাদেৱীৰ কোলাত মূৰটো থোৱাতেই জীৱনৰ চৰম সুখ বিচাৰি পাওঁ। মোৰ দৈনন্দিন ৰুটিনখনত মই যিখিনি আৰাম বিচাৰি পাওঁ সেইখিনিৰ সৈতে আপোচ কৰিবলৈ মোৰ অকণো মন নাযায়। তদুপৰি বাহিৰৰ জগতখনত সংগীহীনতাৰ এক অজান শংকাত মনটো শংকিত হয়। অচিনাকি হাৱা পানীৰ প্ৰভাৱত অসুস্থ হোৱাৰ সম্ভাৱনাও থাকে। এনেকুৱা এশ এবুৰি যুক্তিৰে বিয়াৰ বাৰ বছৰলৈকে আমি এবাৰো ফুৰিবলৈ ওলোৱা নাই। মানে ওলাবলৈ সাহস কৰা নাই।

সাহস মানে হ'ল মনৰ দৃঢ়তা। দৃঢ় মনেৰে সংকল্প লব পাৰিলে সকলো সম্ভৱ হৈ উঠে। প্ৰীত এতিয়া পঞ্চম শ্ৰেণীৰ ছাত্ৰ। গৰমৰ বন্ধ, পূজাৰ বন্ধ আদিত তাৰ লগৰ ল'ৰা-ছোৱালীবোৰে ফুৰিবলৈ যোৱাৰ কথা কলে সি হীনমান্যতাত ভূগে। সি আহি মাকৰ আগত কথাবোৰ কয়। মোৰ মনৰ যুক্তিবোৰ আৰু অলপ তুলুঙা হৈ পৰে। তথাপিও মই নাছোৰ

বান্দা।

কও নকওকৈ এদিন এওঁ কথাখিনি কলে, 'মা, দেউতা, দাদা বৌহঁত বৈষ্ণদেৱীলৈ যাব। সিহঁতৰ টিকট কনফাৰ্ম হৈ গ'ল। দাদাই আমাকো লগ ধৰিছিল। মই কিন্তু যাব নোৱাৰো বুলি কলো। পেটে পেটে মই বৰ ভাল পালো। কিন্তু তাকে বেকত নকৰি গহীনাই ক'লো— "সেইখিনি সময়ত প্ৰীতৰ পৰীক্ষা চলি থাকিব। দুদিনমান পলমকৈ হোৱা হ'লে আমিও যাব পাৰিলেহেঁতেন। মোৰ কথাখিনিয়ে তাইৰ গাত যেন বিজুলীহে সঞ্চাৰিত কৰিলে। লগে লগে তাই দাদাকক ফোন কৰি সিহঁতৰ টিকটবোৰ কেনচেল কৰি দুদিনমান পলমকৈ আমাকো ধৰি সকলোৰে কাৰণে নতুনকৈ টিকট বুক কৰিবলৈ কলে। যেন একেবাৰে ৰাজমাতাৰ হুকুম। মই একো তৰ্কিবই নোৱাৰিলোঁ। ককায়েকেও ভনীয়েকৰ মৰম নেওঁচিব নোৱাৰিলে। গতিকে কথামতেই কাম। আমাৰ হাতত তেতিয়া দুমাহমান সময় আছে।

কেইমাহ মান আগতে মাক দেউতাকক লগত লৈ সহকৰ্মী ৰূপম শৰ্মা বৈষ্ণদেৱীলৈ গৈছিল। তেওঁৰ সৈতে কথা পাতি বৈষ্ণদেৱীলৈ যাত্ৰা সম্পৰ্কে কিছু ধাৰণা কৰি ল'লো। আজি কালি আচলতে গুগল বাবাক সুধি সকলো কথা জানিব পাৰি। মইহে অভিজ্ঞ ব্যক্তিৰ পৰা শিকি বুজি লবলৈ বেছি সাহজ পাও।

প্ৰাতঃ ভ্ৰমণ মোৰ এক পুৰণি অভ্যাস। বছৰটোৰ ৩৬৫ দিনৰ ভিতৰত অন্ততঃ ৩০০ দিন মই প্ৰাতঃভ্ৰমণলৈ যাওঁ। এইকেইদিন মই এওঁলোককো প্ৰাতঃ ভ্ৰমণলৈ লৈ গৈছো। দৈনিক চাৰি পাঁচ কিলোমিটাৰ খোজ কঢ়াৰ এক অভ্যাস গঢ়ি তুলিছো। পাঁচ বছৰীয়া গুণগুণৰ মনত উছাহৰ সীমা নাই। তাইক দেখি সকলোৰে কয় "আই ও দেহী, এই কণমানিজনীও খোজ কাঢ়িবলৈ আহিছে।"

যথা সময়ত আমাৰ যাত্ৰাৰ দিনটো আহি পৰিল। গুৱাহাটী ৰেল ষ্টেচনৰ ৩ নং প্লেটফৰ্মত আমাৰ দলটোৰ এঘাৰজন সদস্য গোট খালো। ৰাতিপুৱা সাত বজাত আমাৰ ট্ৰেইন "সম্পৰ্ক ক্ৰান্তি এক্সপ্ৰেছ'। খবৰ লৈ গম পালো যে গাড়ী দুঘন্টা পলমকৈ চলিব। দুঘণ্টাৰ ঠাইত চাৰি ঘন্টা পলমকৈ দিনৰ এঘাৰ বজাত আমাৰ যাত্ৰা আৰম্ভ হ'ল। গোটেই কেইজন সদস্য একেটা পৰিয়ালৰ হোৱা বাবে আমাৰ আচলতে ঘৰত থকা যেনেই লাগি থাকিল, কোনো আচহুৱা ভাব মনলৈ নাহিল। কেৱল খিৰিকীৰে বাহিৰলৈ চালেহে ভাৱ হয় যেন আমি এখন সেউজীয়া দলিচাত ওপঙি আছো। সঁচাকৈয়ে অসমৰ প্ৰাকৃতিক সৌন্দৰ্য্য অতি মনোমোহা। মাজে মাজে অত তত ৰখি উকি মাৰি আমাৰ ৰেল গৈ আছে দূৰ দূৰণিলৈ। অসমখন পাৰ হওঁ মানে সন্ধিয়া ভাগিছিল। পাছদিনা পোহৰ হোৱা মানে বিহাৰৰ আধামান পাৰ হৈছিলো। পোনে পোনে বাহিৰলৈচালো। শুকাণ পথাৰ। হাজাৰ হাজাৰ বিঘা মাটিত আলুখেতি। পুৰাই পুৰাই কৃষকবোৰে আলু চপাবলৈ লৈছে। পথাৰত বস্তা ভৰ্তি আলুৰ পাহাৰ। ইখনৰ পাছত সিখন ট্ৰেক্টৰে আলুবোৰ কঢ়িয়াইছে। কিছু সময়ৰ পাছত পথাৰবোৰ মাকৈৰে ভৰি পৰা। পাণবজাৰৰ ফুট পথত বিক্ৰী কৰা মাকৈবোৰ ইয়াৰ পৰা চালান হয় নেকি? উত্তৰ প্ৰদেশৰ পথাৰবোৰ গাৰো মাহেৰে ভৰা। গাৰো মাহৰ গুটিৰ পৰা ৰহৰ দাইল প্ৰস্তুত কৰা হয়। হঠাতে দেখিলো পথাৰত কেইটামান নীল গাই দৌৰি আছে। যেন আমাৰ লগত দৌৰ প্ৰতিযোগিতা কৰিছে। মুকলি পথাৰত বনৰীয়া জন্তু এয়ে প্ৰথম দেখিলো।

সঘনাই বেছি বেছি সময়ৰ বাবে থমকি ৰোৱা বাবে লাহে লাহে মোৰ আমনি লাগি আহিবলৈ ধৰিলে। ৰেল ভ্ৰমণ ইমান আমনিদায়ক হব পাৰে বুলি মই ভবা নাছিলো। সম্পূৰ্ণ পেশাগত কাৰণত আগতে এবাৰ মই দিল্লী আৰু এবাৰ কলকাতালৈ গৈছিলো। সেই দুয়োবাৰেই মই অকলে গৈছিলো। কিন্তু যাত্ৰাপথত আমনি পোৱা নাছিলো।

নতুন দিলী ৰেল ষ্টেচনত যেতিয়া আমি গাড়ীৰ পৰা নামো তেতিয়া নিশা চাৰে ন বাজি গৈছে। নতুন দিল্লীৰ পৰা জম্মুৰ কাটৰা ষ্টেচনলৈ আমাৰ ট্ৰেইন আছে ৰাতি এঘাৰ বজাত। ষ্টেচনতে কিবা অলপ লঘূ আহাৰ কৰি দহ নং প্লেটফৰ্মত ৰৈ থকা কাটৰামুখী হিমসাগৰ এক্সপ্ৰেছত উঠিলোঁ। এই গাড়ীখনৰ দীঘলীয়া যাত্ৰাপথ কন্যাকুমাৰীত আৰম্ভ হৈ কাটৰা ষ্টেচনত শেষ হয়। গাড়ীখনৰ নামটোও অৰ্থপূৰ্ণ-হিমসাগৰ। বৰফৰ দেশৰ পৰা সমুদ্ৰ তীৰলৈ। আচলতে কাণে কাণ মাৰিহে আমি ৰেলখনত উঠিব পাৰিছিলো। গোটেই নিশাটো উজাগৰে কটোৱাৰ পাছত পুৱতি নিশা অলপ টোপনি আহিল। সাৰ পাই উঠোতে ন বাজি গৈছে। তেতিয়া আমি জলন্ধৰত। ইয়াৰ পথাৰবোৰ চালে চকুৰোৱা। এফালে যদি হাজাৰ হাজাৰ বিঘা মাটিত গম খেতি তেন্তে আনফালে বস্তাই বস্তাই আলুৰ দমৰ বগা বগা পৰ্বত। জলন্ধৰৰ পৰা যথেষ্ট পৰিমাণৰ আলু আমাৰ অসমলৈ চালান হয়। আমাৰ প্ৰিপেইড মবাইল সেৱাৰ নেটৱৰ্ক লাহে লাহে কমি আহিব ধৰিলে। ইপিনে চৌদিশৰ সেউজ পৰিবেশ পুনৰ ঘূৰি আহিব ধৰিলে। আমি জম্মুত প্ৰৱেশ কৰিলোঁ। অসম আৰু জম্মুৰ সেউজ পৰিবেশ একেই। পানী কিছু কম থাকিলেও টাৱী নদীখন দেখিবলৈ বৰ ধুনীয়া লাগিছিল। যাত্ৰাপথত দুই এটাকৈ সুৰংগ পাবলৈ ধৰিলোঁ। অৱশেষত আমি

আমাৰ গন্তব্যস্থান কাটৰা ষ্টেচন আহি পালো। তেতিয়া আবেলি দুই বাজি গৈছে। ইতিমধ্যে আমাৰ মোবাইল ফোনবোৰৰ নেটৱৰ্ক সম্পূৰ্ণ নোহোৱা হৈ গৈছে। নিশাটোৰ কাৰণে হোটেল এখনত থিতাপি ললো।

বৈষ্ণ দেৱী মন্দিৰৰ গইনা লৈ গঢ় লৈ উঠা কাটৰা এখন সৰু চহৰ। জম্মু আৰু কাশ্মীৰৰ ৰিয়াসী জিলাৰ এই চহৰখন সমুদ্ৰ পৃষ্ঠৰ পৰা ৮৭৫ মিটাৰ উচ্চতাত অৱস্থিত। ইয়াৰ লোকসকলৰ প্ৰধান ভাষা হ'ল উৰ্দু। হিন্দী আৰু ইংৰাজী ভাষাও ইয়াৰ স্থানীয় লোকসকলে বুজি পায় বা কব পাৰে। ইয়াৰ লোকসকলে ব্যৱহাৰ কৰা আন এটা ভাষা হ'ল ডংৰী। অভ্যন্তৰীণ সুৰক্ষাৰ দিশৰ পৰা কাটৰা ষ্টেচন এটা অতি গুৰুত্বপূৰ্ণ ৰেল ষ্টেচন। সৰু চহৰ হ'লেও দৈনিক হাজাৰ হাজাৰ ভক্তৰ আগমনে এই চহৰখনক এটা অতি ডাঙৰ ব্যৱসায়িক কেন্দ্ৰলৈ ৰূপান্তৰিত কৰিছে। বেছিভাগ স্থানীয় আৰু কিছু মাৰোৱাৰী সম্প্ৰদায়ৰ লোকে ইয়াৰ ব্যৱসায়ত আধিপত্য চলাই আছে।



পিছদিনা কাহিলি পুৱাতেই গা পা ধুই আমি সাজু হ'লো। এটা বেগত গামোচা, কেইটামান প্ৰয়োজনীয় কাপোৰ, ঔষধ পাতি আৰু দুটা পানীৰ বটল ভৰাই ললো। ত্ৰিকূট পাহাৰৰ পাদদেশত থকা পঞ্জীয়ন কেন্দ্ৰত পঞ্জীয়ন কৰাই ললো। মূৰত 'জয় মাতা দী' পটি বান্ধি আৰু হাতত একোডালকৈ লাখুটি লৈ পাহাৰৰ শিখৰত অৱস্থিত বৈষ্ণ দেৱী মন্দিৰলৈ প্ৰায় পোন্ধৰ কিলোমিটাৰ পথ আমি পদব্ৰজে যাত্ৰা আৰম্ভ কৰিলোঁ। অগণন মানুহৰ লানি নিচিগা ভিৰ। অহা আহিছে, যোৱা গৈছে। কিছুমান মানুহ ঘোঁৰাত আৰু দুই এজনে দোলাত উঠিও গৈছে। ঘোঁৰাৰ গোবৰৰ গোন্ধই গুণগুণক বৰ আমনি দিলে। মাস্ক এটাত পাৰফিউম লগাই তাইক পিন্ধিব দিয়াতহে অলপ শান্তি পালে। ৰাস্তাত মাজে মাজে চকলেট, পানী বা ফলৰ ৰস খাই আমি গৈ আছো। কিছু দূৰ যোৱাৰ পাছত আমাৰ ভাব হ'ল যে আমাৰ গোটেই দলটো একেলগে গৈ থকাটো সম্ভৱ নহয়। গতিকে আমি এৰা এৰি হোৱাৰ সিদ্ধান্ত ল'লো। প্ৰীতক মাকৰ লগত যাবলৈ দি গুণগুণক মোৰ লগত ৰাখিলো। কিছুদূৰ যোৱাৰ পাছত দেখিলো যে দুই এজন মানুহে মোৰ ওচৰলৈ আহি পিঠু, পিঠু বুলি কয়। একো বুজিব নোৱাৰি আওকান কৰি গৈ থাকিলো। এনেতে তেনে এজন মানুহ আহি গাত ধৰিয়ে সুধিলে "পিঠু চাহিয়ে?" প্ৰথমতে মই হতবাক হ'লো। তাৰ সৈতে কথা পাতি বুজিলো যে সিহঁতে সৰু সৰু ল'ৰা ছোৱালীক কান্ধত উঠাই লৈ যায়। সি তাৰ পৰিচয় পত্ৰখন দেখুৱাই ফটো তুলি ৰাখিবলৈ কলে। তাৰ নাম গুলজাৰ শ্বাহ। Society For Prevention of Cruelty to animals নামৰ সংস্থা এটাই সিহঁতৰ পঞ্জীয়ন কৰে। অৰ্ধকুমাৰীলৈ আঢ়ৈ শ টকাত গুলজাৰক বন্দবস্ত কৰি গুণগুণক তাৰ পিঠিত লৈ যাবলৈ দিলো। অৰ্ধকুমাৰী জিৰণি চ'ৰা এটাত কিছু সময় জিৰাম বুলি ঠিৰাং কৰিলোঁ। মাকৰ সৈতে প্ৰীতে ইতিমধ্যে তাত জিৰণি লৈ আছে। প্ৰীতক যথেষ্ঠ বিচলিত হোৱা দেখা গৈছে। তাৰ জ্বৰ উঠিছে। তাত নূন্যতম আহাৰ গ্ৰহণ কৰি প্ৰীতক জ্বৰ কমোৱা টেবলেট এটা খাবলৈ দিলো। দলটোৰ গোটেই কেইজন সদস্য একগোট হোৱলৈ অপেক্ষা কৰি কিছু সময় জিৰণি ল'লো। মোৰ কোলাত মূৰ থৈ প্ৰীতক কিছুসময় শুবলৈ দিলো। অৰ্ধকুমাৰীত আমি প্ৰায় দুঘন্টা সময় জিৰালো। অৰ্ধকুমাৰী মন্দিৰ দৰ্শন কৰাৰ ইচ্ছা কৰিছিলো যদিও সম্ভৱ নহ'ল। অৰ্ধকুমাৰীৰ পৰা বৈষ্ণ দেৱীলৈ নতুনকৈ বনোৱা আন এটা ৰাস্তা আছে। এই ৰাস্তাটোক নৱী ৰড বুলি কয়। এই ৰাস্তাটোৰ ঢাল কিছু কম। অশ্বাৰোহী সকলক এই ৰাস্তাৰে যাবলৈ অনুমতি দিয়া নহয়। এইটো ৰাস্তাৰে টেম্প' চলে। প্ৰীতৰ গাটো অলপ ভাল পালেও বাকীখিনি ৰাস্তা আমি টেম্প'ৰে যোৱাৰ চিন্তা কৰিলোঁ। কিন্তু পৰ্চী নাপালো।

প্ৰীত, গুণ গুণ আৰু এওঁৰ দাদাকৰ ছোৱালী পাহীক তিনিজন পিঠুৰ কান্ধত উঠাই নৱী ৰডেৰে আমি আকৌ আমাৰ যাত্ৰা আৰম্ভ কৰিলো। এওঁৰ বায়েকৰ ছোৱালী নিকি মোৰ কাষত থাকিল। ডেৰঘণ্টামানৰ পাছত আমি হিমক'টি পালো। এই ঠাইখিনি বৰ ঠাণ্ডা। তাত একাপকৈ কফি খালো। ল'ৰা-

ছোৱালীহঁতক একোটাকৈ ডেইৰী মিল্ক চকলেট কিনি দিলো। বস্তুবোৰৰ দাম ইয়াত বহুত বেছি। কাৰণ জানিব বিচৰাত জনালে যে তলৰ পৰা ওপৰলৈ বস্তুবোৰ কঢ়িয়াওতে বহুত খৰছ হয়। হিমক'টিত আমি কিছু সময় জিৰালো। প্ৰীতে চকলেটটো খাবলৈ লওতে ক'ৰপৰা জানো বান্দৰ এটা আহি তাৰ চকলেটটো থাপ মাৰি লৈ গ'ল। তাকে দেখি গুণ গুণ বৰ ৰস পালে। ওঠৰ বিশ বছৰীয়া ল'ৰা-ছোৱালীৰ দল এটা অলপ বেগাই খোজ কাঢ়ি আহি থকা দেখিলো লগত এজন দলপতিও আছে। তেওঁলোক প্ৰত্যেকৰে পিন্ধনত কলা জীনছ আৰু চকলেট ৰঙৰ টি চাৰ্ট। প্ৰত্যেকৰে টি চাৰ্টত লিখা আছে— "Bold And Derermined" সুন্দৰ শ্লোগান। কিন্তু মনৰ দৃঢ়তা থাকিলে এনে শ্লোগানৰ প্ৰয়োজন হয় জানো। অনবৰতে ভৰিত বিষ এটা লৈ ফুৰা মোৰ শহুৰ আৰু যোৱা বছৰ হাৰ্টৰ অপাৰেচন কৰোৱা মোৰ শাহু আই দেখোন আমাৰ সৈতে খোজ কাঢ়ি আছে। বাৰে বাৰে অনুৰোধ কৰাৰ পাছতো তেখেতসকলে দেখোন ঘোৰা বা দোলাত আহিবলৈ ৰাজি নহ'ল।

বৈষ্ণ দেৱী মন্দিৰলৈ আৰু সৰহ দূৰ নাই। ওপৰৰ মন্দিৰটো এতিয়া স্পষ্টকৈ দেখা পোৱা গৈছে। আবেলিও হৈ আহিছে। পাহাৰৰ ঢালত কেইটামান পহুৰে ঘাঁহ খাই থকা দেখিলো। পহুকেইটা বেচ নেদোকা। সিহঁতৰ ৰঙবোৰ শুকাণ ঘাঁহৰ নিচিনা। কিছুদূৰ আগবাঢ়ি যোৱাৰ পাছত দেৱীমাৰ কাৰণে প্ৰসাদ কিনা ঠাইখিনি পালো। এই ঠাইখিনিৰ পৰা তললৈ ৰপৰে এটাৰ নিৰ্মাণ কাৰ্য্য চলি থকা দেখিলো। লকাৰ ৰুমত লাম লাকতু জোতা চেণ্ডেল আদি থৈ দেৱী মাৰ কাৰণে প্ৰসাদ কিনিলো। মোৰ বাইদেউ, ভন্টী, ভাইটি আৰু সহকৰ্মী বন্দনা দাসেও মাতাদী লৈ প্ৰসাদ আগবঢ়াবলৈ অনুৰোধ কৰিছিল। অৱশিষ্ট প্ৰায় এক কিলোমিটাৰ পথ খালী ভৰিৰে খোজ কাঢ়ি মন্দিৰ প্ৰাঙ্গণ পাওতে সন্ধিয়া সাত বাজিছিল। আগদিনা নৱৰাত্ৰি উৎসৱৰ সামৰণি পৰিছিল। আমি গৈ পাওঁতে মন্দিৰৰ দ্বাৰ বন্ধ আছিল। নিশা ন বজাত মন্দিৰৰ দ্বাৰ পুনৰ খোল খালে। ইয়াত ধনী দুখীয়া সাধাৰণ অসাধাৰণ লোকৰ বাবে বেলেগ বেলেগ দ্বাৰ নাই? দেৱী মাৰ চকুত সকলো সমান। গহুৰৰ ভিতৰত স্থিত দেৱীমাৰ চৰণত সেৱা কৰি মনত এক বিৰল প্ৰশস্তি লৈ মন্দিৰ প্ৰাঙ্গণৰ পৰা ওলাই আহো মানে নিশা এঘাৰ বাজি গৈছিল।

পোণে পোণে তললৈ নামি আহিলো। নিশা ভক্তৰ আগমন কিছু পাতলীয়া হৈছে। গোটেই ৰাস্তাটোতে টিনৰ চালি দিয়া আছে। মাজে মাজে পাহাৰৰ পৰা সৰু সৰু শিলৰ টুকুৰা খহি আহি টিনৰ চালিত পৰে। নিশা এই শব্দবোৰ ডাঙৰকৈ শুনা যায়। গুণ গুণ যথেষ্ট ভাগৰুৱা হৈ পৰিছে। ক'ৰবাত অকণমান জিৰালেই তাইক টোপনিয়ে হেঁচি ধৰে। নিশা এজনো পিঠু বিচাৰি নাপালো। নিশা ঘোঁৰাত আৰোহণ কৰা লোকৰ সংখ্যাও তাকৰ। নামনিৰ দিশৰ পৰা পিঠিত বোজা লৈ অজস্ৰ ঘোঁৰা ওপৰলৈ আহি থকা দেখিলো। নিত্য ব্যৱহাৰ্য্য প্ৰয়োজনীয় বস্তুবোৰ কঢ়িয়াবলৈ ঘোঁৰাবোৰেই একমাত্ৰ সাৰথি। আহি থাকোতে হঠাতে এবাৰ কাৰেন্ট গ'ল। চৌদিশ ঘিটমিটিয়া আন্ধাৰ হৈ পৰিল। সুদূৰ নামনিত কাটৰা ষ্টেচনটো জিলিকি আছে। দূৰৈৰ পৰা দেখিবলৈ এটা টিউব লাইন যেন লাগিছে। কাৰেন্ট যোৱা কাৰণে প্ৰীত আৰু গুণগুণে বৰ ভয় খালে। ৰাস্তাৰ কাষৰ বেঞ্চ এখনত আমি বহি পৰিলোঁ। অৱশ্যে পাঁচমিনিট মান পাচত পুনৰ কাৰেন্ট আহিল। ভৰি দুখন ক্ৰমান্বয়ে জঠৰ হৈ পৰিছে। খোজ কাঢ়িবলৈ আৰু অকণো মন নোহোৱা হৈ আহিছে। মেচেজ কাউন্টাৰ এটা দেখি ইলেক্ট্ৰিক মেচেজ ললো। তেতিয়াও দুই কিলোমিটাৰ পথ নামি আহিবলৈ বাকী আছিল। মেচেজ লৈ থাকোতেই গুণগুণৰ টোপনি আহি গ'ল। তাইক কিছু সময় কোলাত ললো। আহি থাকোতে দোকান এখন খোলা দেখি গুণগুণক জগাবলৈ চিপচ্ এপেকেট কিনিলো। দহটকীয়া চিপচ্ পেকেটটোৰ দাম পোন্ধৰ টকা ৰাখিলে। বাকীচোৱা পথ কোনোমতে অতিক্ৰম কৰি অট'ৰিক্সা এখনেৰে হোটেল আহি পাওঁমানে পুৱে ধনফাটদিছিল।

দিনৰ দিনটো হোটেলতে কটালো। আনকি ভাত খাবলৈও ওলাই আহিবলৈ মন যোৱা নাছিল। গধূলিলৈকে কিছু সুস্থিৰ হ'লো। নিশা এবাৰ ওলাই আহিলো। এসাজ ৰাজমা চাউলৰ লোভ সামৰিব নোৱাৰিলো। পিছদিনা আমি জম্মু এৰিলোঁ। এইবাৰ আগ্ৰালৈ। আগ্ৰা, য'ত পৃথিৱীৰ সাতটা আশ্চৰ্য্যৰ এটা অৱস্থিত। তাজমহল।

**বৰভাগ ঃ** বৰভাগ বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ এটি ইতিহাস প্ৰসিদ্ধ অঞ্চল। এসময়ত বৰক্ষেত্ৰী আৰু সৰুক্ষেত্ৰী লগ লাগি ক্ষেত্ৰী ক্ষেত্ৰীভাগ গঠন হৈছিল। ক্ষেত্ৰী নাম শিৰোমণি ভূঞা চণ্ডী নাৰায়ণ গোমথা কোঁচ ৰজা বিশ্বসিংহ (১৫১৫-১৫৪০ খৃঃ) ৰ সমসাময়িক আছিল। বৰভাগ বৰুৱাসকলে খাইছিল বা ভোগ কৰিছিল আৰু তাৰ পৰাই 'বৰভাগ' নামৰ উদ্ভৱ হৈছে। ৰজা গৌৰীনাথ সিংহৰ দিনত (১৭৮০-১৭৯৫ খৃঃ) ক্ষেত্ৰী পৰগণাক সৰুক্ষেত্ৰী, বৰক্ষেত্ৰী আৰু চেঙা- এই তিনিটা ভাগত বিভক্ত কৰা হয়।





# ৰস শিল্প

# পটেবাইৰ দুখ

(নাগৰিকত্ব সংশোধনী বিধেয়ক-২০১৬ৰ প্ৰতিবাদত)

- ডাঃ সমুজ্জ্বল ভৰদ্বাজ
বিশিষ্ট লেখক

পুহ মাহত সত্যনাৰায়ণ পূজা সাধাৰণতে কৰা নহয়। কিন্তু কিছুমান দিন, যেনে ধৰক অমুকৰ ল'ৰাটোৰ জন্মদিন, তমুকে চাকৰি পোৱা দিনটো ব্যক্তিবিশেষৰ বাবে জীৱনৰ শ্ৰেষ্ঠতম দিন হয়, আৰু পুহ মাহত পৰিলেও নিৰ্দিষ্ট দিনত নেদেখাজনক ধন্যবাদ জনাবৰ বাবেই তেনে লোকে সত্যনাৰায়ণ পূজা একোভাগৰ দিহা কৰে।

ভানুকুছিতো আজি তেনে এভাগ পুহমহীয়া সত্যনাৰায়ণ পূজাৰ আয়োজন কৰা হৈছে। হৰমোহন কলিতাই যোৱা বছৰৰ আজিৰ দিনটোতে এজনী নাতিনীয়েকৰ মুখ দেখিছিল আৰু সেইকাৰণে তেওঁ আজি এই পূজাভাগৰ আয়োজন কৰিছে। দীনেশ পুৰোহিতে বৈদিক ৰীতি-নীতিৰে পূজাৰ কাম আগবঢ়াই নিছে। হৰমোহন কলিতাই গাঁৱৰ প্ৰতিঘৰৰ এজনকৈ মানুহক পূজালৈ নিমন্ত্ৰণ জনাইছে। কলিতাই পটেবাইকো পূজালৈ মাতিছে। গাঁৱৰ এমূৰৰ ছন পৰা মাটিডৰাৰ এটা চুকৰ সৰু ঘৰ এটাত পটেবাই অকলে থাকে। ডেকা বয়সতে গিৰিয়েকে খেদি দিয়া তিৰোতা পটেবাই। ক-ৰ চুক কেইটা তাকো নজনা তিৰোতা পটেবাই। অনবৰতে দুই কোৱাৰিয়েদি তামোলৰ সেলেঙি বোৱাই থাকি আজিৰ যুগতো ৰেডিঅ'ত গীতিমালিকা বাজিলে পুৱাৰ আৰু সন্ধিয়াৰ আঞ্চলিক বাতৰি বাজিলে নিশাৰ ভাতমুঠিৰ বাবে চৰুত চাউল জোখা তিৰোতা পটেবাই।

এন.আৰ.চি. খাই নে কাণত পিন্ধে সেয়া পটেবায়ে নাজানে। কিন্তু ৰেডিঅ'ৰ বাতৰিৰ পৰা পটেবায়ে এইটো কথা জানে যে এন.আৰ.চি. নামৰ বস্তুটো হাজেলা নামৰ মানুহ এগৰাকীয়ে সাজিছে। পটেবাইৰ মাকৰ ঘৰ হাজোত, সেয়ে পটেবায়ে হাজেলা নামৰ মানুহগৰাকী হাজোৰ বুলি কৈ দুই-একৰ আগত গৌৰৱো কৰে।— পটেবাই সিমানখিনিৰেই তিৰোতা। নবীন যুগৰ প্ৰাচীন প্ৰতিনিধি।

যোৱা দুদিনমানৰ পৰা পটেবাইৰ বৰ বেজাৰ। কাৰণটো পটেবায়ে ইজন-সিজনক নোকোৱাকৈয়ো থকা নাই। এই হাজেলাৰ কথা বাতৰিত কৈ থাকিলে পটেবাইৰ মনত উলাহে নধৰা হয়,— হাজাৰ হওক নিজৰ ঠাইৰ মানুহ  কিন্তু কিছুদিনৰ পৰা বাতৰিত হাজেলাৰ কথা কোনেও নোকোৱা হৈছে। হাজেলা ভালে আছে নে নাই, সেইটো খবৰো পটেবাইক কোনেও দিব পৰা নাই। ৰেডিঅ'ত মাত্ৰ কিবা খিলঞ্জীয়াৰ কথা, কিবা বিধেয়কৰ কথাহে কৈ থাকে।

এই বিধেয়ক বোলা শব্দটো পটেবায়ে প্ৰথম শুনিছে। বহুদিন আগতে  পটেবায়ে বিধায়ক শব্দটো প্ৰথম শুনিছিল। নাউধনে কওঁতেহে বুজিছিল— বিধায়ক মানে এম.এল.এ.। ঘৰ দিয়া, চাকৰি দিয়া মানুহ। চৰকাৰৰ মানুহ। ভোটত জয়ী হোৱা মানুহ। কিন্তু শুনাত প্ৰায় একে যেন এই বিধেয়ক শব্দটো অহাৰ পাছৰে পৰা পটেবায়ে হাজেলাৰ খবৰ নোপোৱা হৈছে। হাজেলাৰ মাত শুনাৰ হেঁপাহতে ৰেডিঅ'ৰ ফালে বেছি মনোযোগ দিয়া বাবেই হওক, বা মাতটো শুনিব নোপোৱাৰ দুখতেই হওক, পটেবায়ে সিদিনা ভুলতে দাইলত তিনিবাৰকৈ নিমখ দিছে। এই বিধেয়কখন কিনো ইমান 'কিৰিচ্‌ন গোঁসাই', যে সকলোৰে হাজেলাৰ খবৰ লুকাই সেইখনৰ কথাহে আলোচনা কৰিছে  সেই কথা পটেবায়ে যাকে পাই তাকে সুধিছে, আৰু সকলোকে সুধি-পুচি পটেবায়ে কিছুমান কথা-প্ৰশ্ন মনতে ভাবি-গুণি যুগুত কৰি আজি হৰমোহনৰ পুহমহীয়া পূজাখনলৈ ঠাণ্ডাকো কেৰেপ নকৰি গপচত আহিছে।

পটেবায়ে মনৰ কথাখিনি ৰবীন মণ্ডলক সুধিছিল। ঘৰৰ সন্মুখত মস্ত পদুম ফুল এপাহ বাটামত মাৰি ফুলাই ৰখা ৰবীন মণ্ডলে পটেবাইক বিধেয়কখন "তোমাৰ-মোৰ দৰে সাধাৰণ মানুহৰ মংগলৰ বাবে" বুলি কৈছিল। পটেবায়ে নিজকে নিজে সুধিছিল, যোৱা তিনিটা বছৰত তিনিখন ছাদ ঢলা ৰবীন মণ্ডল কেতিয়াৰ পৰা বাৰু পটেবাইৰ দৰে সাধাৰণ মানুহ হ'ল

পটেবায়ে সেই একেখিনি কথা গুণকো সুধিছিল। সি বহুদিন আগৰ পৰাই কিবা আছু কৰে, মেলে-মিটিঙেও যায়। গুণই কিন্তু বিধেয়কখনৰ নাম শুনাৰ লগে লগে চৰকাৰৰ এয়া অতি বেয়া কাম বুলি কৈছিল। তাৰ চকু দুটা কিবা জ্বলা আঙঠাৰ দৰে

হৈছিল,— পটেবাইক ঘৰৰ পৰা ওলাই যাব কোৱাৰ পৰত গিৰিয়েকৰ চকু দুটাত যেনেকুৱা আঙঠা জ্বলিছিল— ঠিক তেনেকুৱা।

পটেবায়ে কথাখিনি প্ৰতুলকো সুধিছিল। আন্দোলনত পুলিচৰ কোব খাই এতিয়াও লেঙেৰাই খোজ কঢ়া প্ৰতুলেও এটা দীঘল হুমুনিয়াহ কাঢ়ি কথাবোৰ ভাল হোৱা নাই বুলি কৈছিল।

সত্য মেম্বৰে আকৌ কথাবোৰ ৰবীন মণ্ডলে কোৱাৰ দৰে কৈছিল,— "অ' বাই, এয়া মোডী ছাৰৰ উপহাৰ।"

উপহাৰ শব্দটোৱে পটেবাইক বৰ কষ্ট দিয়ে। এই ৭২ বছৰীয়া জীৱনটোৱে পটেবাইক বহু অনাকাংক্ষিত উপহাৰ দিছে। বিয়া হ'ল, গিৰিয়েকে খেদিলে। খেদা খোৱাৰ দুমাহ পাছতে পো এটা উপজিল, সি পাহাৰলৈ গ'ল,— আছেই নে নায়েইবা, কোনেও ক'ব নোৱাৰে। এবাৰ আন্দোলন এটা হৈছিল, সকলোৱে ওলাই যোৱা দেখি পটেবায়ো গৈছিল, আৰ্মীৰ বুট জোতাৰ গচকত পটেবাইৰ হাত উখহি উঠিছিল,— বিষটোৱে এতিয়াও বেছি সময় শাক বচাৰ দৰে কাম কৰিলে মাজে মাজে উক্ দিয়ে। এইবাৰো তেনেকুৱা এটা আন্দোলনৰ কথাই ৰেডিঅ'টোই, মানুহবোৰে কৈ আছে। পটেবায়ে জীৱনটোত বহুত কষ্টৰ উপহাৰ পাইছে। সেয়ে এতিয়া পটেবাইক একো উপহাৰেই নালাগে। লাগিলে সি সত্য মেম্বৰৰ মোডী ছাৰে দিয়া কিবাই হওক, বা সিদিনা হৈ যোৱা পঞ্চায়তৰ ইলেক্চনৰ আগদিনা গাঁৱৰ বয়সিয়াল তিৰোতাখিনিক সভানেত্ৰী নে কিবা খেলা তিলোত্তমাই দিয়া সূতা কেইলেছাই হওক,— নালাগে, পটেবাইক একো উপহাৰেই নালাগে।

কিন্তু বৰষুণ পৰিলেই বিছনাত চৰিয়া পাতিব লগা নোহোৱাকৈ পটেবাইক ভাল চাল এখন লাগে।

বেমাৰ হ'লে দেখুৱাব পৰাকৈ কাষতে ডাক্তৰ এজন লাগে।

কণ্ট্ৰ'লৰ দোকানৰ পৰা প্ৰতি মাহে সমান সমান জোখত চাউল-কেৰাচিন-চেনি পাব লাগে।

—"এই বিধায়ক নে বিধেয়কখনে"— পটেবাইৰ খোকোজা লাগে, "মোক এইবোৰ দিব পাৰিবনে?"

—"এইবোৰ হ'লে বোলে লাহে লাহে অসমত মানুহ বাঢ়িব। এইকেইটা মানুহেই লগাখিনি পোৱা নাই, আৰু বেছি মানুহ হ'লে, বোলো শুনিছ হৰমোহন, তোৰ এই নাতিনীয়েৰে ডাঙৰ হোৱালৈ থাকিবলৈ মাটি, খাবলৈ ভাত বাচি থাকিবগৈনে?"

দীনেশ পুৰোহিতৰ সমুখত বহি পটেবায়ে মন্ত্ৰৰ ভাষাত অলপ কথা সত্যনাৰায়ণ প্ৰভুক কৈ আৰু সুধি দিবলৈ খাটনি ধৰিলে,— "দীনেশ বোপা, সোধাচোন তেওঁক সোধা, ইমানে বেয়া দিন আহিলে আমাৰো অৱস্থা সেই গংগা ঘাটুৱালৰ মাকে পাগলাদিয়াৰ দলংখন হোৱাৰ দুমাহমান পাছত কোৱাৰ দৰে কউচুন কউ বাপা জানি-বুজি কউ, লোণ নাই ক্যা, তেল নাই ক্যা, মেক্ৰীৰ মূৰোত কুব মাইৰবা আক্ডাল খৰি নাই ক্যা যেন হে হ'ব নেকিগৈ? আমি আমাৰ ঠাইতে ইমান ভয় ভয়কৈ কিয় চলিব লাগে? কেইবছৰমান আগতে গামোচাৰ ভৰত বাৰে বাৰে গল বেঁকা কৰি থকা মানুহ এজনে কিবা পদুম ফুল নুফুলে বুলি কৈছিল, সিদিনা সভাত সেইজনেই আকৌ পদুম ফুল ফুলিব বুলি ক'লে। ৰাজুৰ মাকে ক'লে— তেওঁ বোলে কিবা পাৰ্টি এৰা-এৰি কৰিলে। তেওঁলোক ডাঙৰ মানুহ প্ৰভু। যেতিয়াই য'ত মন, তেতিয়াই ত'ত যাব পাৰে। আমিহে জ্বৰৰ কাৰণে দোকানত যোৱাত দুদিন দেৰি হ'লেও কণ্ট্ৰ'লৰ চাউলকেইটা ভাগত নাপাওঁ। যদি এই বিধেয়কখনে মোৰ পাহাৰত গুচি যোৱা ল'ৰাটোক ঘূৰাই আনিব পাৰে, তেন্তে মই এই বিধেয়কখনৰ কাৰণে ভোট দিম। যদিহে এই বিধেয়কখনে বজাৰত চব্জিৰ দাম কমাব পাৰে, তেন্তে মই এই বিধেয়কখনৰ কাৰণে ভোট দিম। যদিহে এই বিধেয়কখনে আমাক ভয়-ভয়কৈ চলিব নালাগে বুলি ক'ব পাৰে, তেন্তে মই এই বিধেয়কখনৰ কাৰণে ভোট দিম। মই এই বিধেয়কখনৰ কাৰণে ভোট দিম, যদিহে এই বিধেয়কখনে আমি আয়তীয়ে বিয়াত গোৱা বিয়ানামবোৰ হেৰাই যাব নিদিয়াকৈ ৰাখিব পাৰে। কিন্তু যদিহে নোৱাৰে, মই প্ৰভু, যিয়ে ভোট খুজিব আহে, অমুক উপহাৰ দিম-তমুক উপহাৰ দিম বুলি হাতযোৰ কৰিব ধৰে, তাকেই কিন্তু কচু-কটা দিম। তোমাক কৈ থ'লো,— তুমি কিন্তু দায়-দোষ নধৰিবা। আমি সাধাৰণ মানুহ প্ৰভু, বছৰৰ মূৰত যদি বিহুটোতো ভাতকেইটা আনন্দত খাব নাপাওঁ, তেন্তে কিহৰ বিধায়ক বা বিধেয়ক বাবুলৰ মাক গোটেই কীৰ্তন-নামঘোষা মুখস্থ ৰখা জ্ঞানী তিৰোতা। তেওঁৰেই সিপাৰৰ পৰা খেদা খোৱা চিনাকি তিৰোতা এজনীকে নিজৰ বস্তিত থাকিব নিদিলে, আমিনো চিনি-জানি নোপোৱা মানুহক আমাৰ মাটিত কিয় থাকিব দিম মই বাট নোপোৱা হৈছোঁ প্ৰভু। তুমিয়েই মোৰ শেষ আশা-ভৰসা। তুমি মোক এটা উচিত ভাল বাট দেখুওৱা প্ৰভু। হৰমোহনৰ নাতিনীজনীক ভালে ৰখাৰ দিহা কৰি দিবা প্ৰভু।"

হৰমোহনৰ কলিতাৰ পদূলিয়েদি তেতিয়া মুখত ক'লা কাপোৰ বান্ধি হাতত জোঁৰ লৈ সমদল এটি পাৰ হৈ গৈছিল। দীঘলীয়া সমদলটোৰ জোঁৰৰ লেলিহান শিখাৰ পোহৰবোৰ দেখাত উদ্গীৰিত লাভাৰ বৈ অহা এখন বিশাল-তপত নৈ যেন দেখা গৈছিল।





# প্রতিবেদন

২০১৭-২০১৮

# অনুভৱৰ চমু নিৱেদন ঃ নলবাৰী মহাবিদ্যালয়

জীৱনৰ পাঁচটা বসন্ত নলবাৰী মহাবিদ্যালয়ৰ অলিয়ে-গলিয়ে সেউজঘন হৈ ফুলি উঠাৰ গইনা লৈ অনুভৱ কৰিবলগা আৰু লিখিব লগাবোৰৰ পৰিসৰ বহুত। নলবাৰী মহাবিদ্যালয়ে লিখিবলৈ শিকাইছে, সেয়া উকা কাগজতেই হওঁক অথবা মানুহ আৰু জীৱনৰ পক্ষত লাগি থকা সময়ৰ বুকুতেই হওঁক। তীব্ৰ সাহিত্যগন্ধী মেজাজ এটা অনবৰতে হাতৰ মুঠিত কঢ়িয়াই ফুৰা ল'ৰাজনে যেতিয়া কলেজ কেম্পাছত নিজকে বিচাৰি চায়, তেতিয়াই বুজি উঠে যে তাৰ শব্দৰ উজান ইয়াতেই আৰম্ভ আৰু ইয়াতেই শেষ। নলবাৰী মহাবিদ্যালয়ৰ ইতিহাসে শিল্প, সাহিত্যৰ অহংকাৰ কঢ়িয়াই ফুৰিছে আৰু সদায় কঢ়িয়াই ফুৰিব বুলি আশাবোৰ সযতনে ৰাখোঁ।

**জংকি শৰ্মা**
শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী, মহাবিদ্যালয় সপ্তাহ

সপ্তসুৰৰ সমাহাৰ যেন আমাৰ নলবাৰী মহাবিদ্যালয়, যাৰ সুৰত সুৰ মিলাও আমি একেলগে। সংগীত সাধনাৰ পৰা আৰম্ভ কৰি বিভিন্ন সামাজিক কৰ্মৰাজিত নিজৰ চিনাকি দাঙি ধৰালৈকে মোৰ জীৱনত নলবাৰী মহাবিদ্যালয়ৰ স্থান অন্যতম। তদুপৰি শিল্প-সংস্কৃতিৰ বাৰেৰহণীয়া জীৱন যাত্ৰাত নলবাৰী মহাবিদ্যালয়ে সদায়েই নিজৰ গৌৰৱধ্বজা উৰুৱাই আহিছে। ইয়াৰ মাজতেই জীয়াই আছে আমাৰ আশাবাদ।

**হৃষিকেশ শৰ্মা**
শ্ৰেষ্ঠ কণ্ঠশিল্পী, মহাবিদ্যালয় সপ্তাহ

নলবাৰী মহাবিদ্যালয় হৈছে এখন প্ৰতিভা সন্ধানী মঞ্চ। এই মহাবিদ্যালয়ৰ মঞ্চত নিজ নিজ ক্ষেত্ৰত পাৰদৰ্শিতা দেখুওৱা ছাত্ৰ-ছাত্ৰীসকলে পিছলৈ বিশ্ববিদ্যালয় পৰ্যায়ত মঞ্চ এখন পাবলৈ সক্ষম হয়। তাৰো পিছত তেওঁলোক ৰাষ্ট্ৰীয় পৰ্যায় পায়গৈ। ৰাষ্ট্ৰীয় পৰ্যায়তো যদি সফলতা অৰ্জন কৰিব পাৰে তেন্তে জীৱনত বহুখিনি সফল হ'বলৈ সক্ষম হয়। মই ভাবো নলবাৰী মহাবিদ্যালয়ত যদি অইন বিষয়বোৰৰ নিচিনা নৃত্য, গীত আদিৰো প্ৰশিক্ষন দিয়া হয়, তেন্তে ছাত্ৰ-ছাত্ৰীসকলে এইদিশত আৰু অধিক অগ্ৰসৰ হোৱাৰ সুযোগ পাব।

**কৌশিক দত্ত**
শ্ৰেষ্ঠ নৃত্যশিল্পী, মহাবিদ্যালয় সপ্তাহ

নলবাৰী মহাবিদ্যালয়ৰ ধূলিকণাবোৰেও এটি সপোন কঢ়িয়ায়। মই এইখন মহাবিদ্যালয়ত প্ৰথম খোজ থৈছিলো ২০১৫ চনৰ আগষ্ট মাহত। মহাবিদ্যালয়খনৰ এগৰাকী ছাত্ৰ হিচাপে সেই ধূলিকণাবোৰৰ মাজৰ এটি হৈ পৰিছিলো। অলেখ-অযুত স্মৃতিক সাৰটি সপোনবোৰে যেন মোক তেতিয়াৰ পৰা সাঙুৰি লৈছিল। মহাবিদ্যালয়খন এৰি যাবলৈ হয়তো দুটা মাহ বাকী আছে। অনুভৱ কৰিছো বৰ্ণময় স্মৃতিৰে অধিকতৰ ৰঙীণ হৈ মহাবিদ্যালয়খন এটা আৱেগ হৈ ৰ'ব মোৰ বাবে আজীৱন।

**ধনমনি বৈশ্য**
শ্ৰেষ্ঠ অভিনেতা, মহাবিদ্যালয় সপ্তাহ

মোৰ ক্ৰীড়াৰ ক্ষেত্ৰখনৰ প্ৰসাৰৰ ক্ষেত্ৰত নলবাৰী মহাবিদ্যালয়ৰ ভূমিকা পাহৰিব নোৱাৰি কোনোকালে। মোৰ সুপ্ত প্ৰতিভা বিকশিত হৈ পূৰ্ণাংগৰূপত পোখা মেলা ঠাই নলবাৰী মহাবিদ্যালয়ৰ প্ৰতি কেৱল মোৰেই নহয়, সকলোৰে এটি সুকীয়া আৱেগ আৰু স্বাভিমান জড়িত হৈ আছে। খেলা-ধূলাৰ মাধ্যমেৰে সমন্বয় সাধনৰ উদাহৰণ নলবাৰী মহাবিদ্যালয়ৰ ইতিহাসে বহন কৰি আহিছে। নলবাৰী মহাবিদ্যালয় হেজাৰ সপোনৰ প্ৰেৰণা হৈ জ্বলি থাকক, এই কামনাৰে—

**মনজিৎ মজুমদাৰ**
শ্ৰেষ্ঠ খেলুৱৈ, মহাবিদ্যালয় সপ্তাহ

সুপ্ৰসিদ্ধ নলবাৰী মহাবিদ্যালয়ৰ ছাত্ৰ সমাজ পূৰ্বৰে পৰা শৈক্ষিক, বৌদ্ধিক, সাংস্কৃতিক তথা অন্যান্য দিশত বাটকটীয়া আৰু সক্ৰিয়। সময়ৰ চাকনৈয়াত নানা সমস্যাৰ বাবে হয়তো বহুতো প্ৰতিভাৰ নিষ্পাদন ঘটে। সুপ্ত আৰু হেৰুৱা প্ৰতিভাবোৰক উদ্যম, উছাহ, আদৰ-সাদৰেৰে জীয়াই ৰখাৰ দায়িত্ব আমাৰ প্ৰতিজনৰ। প্ৰাণস্পন্দন মহাবিদ্যালয়খনৰ এই দিশ আৰু প্ৰতিভাবোৰ চিৰকালীন হোৱাৰ কামনাৰে—

**বনশ্ৰী বৈশ্য**

শ্ৰেষ্ঠ অভিনেত্ৰী, মহাবিদ্যালয় সপ্তাহ

অভিনয় জগতৰ লগত বহু আগৰে পৰা ঘনিষ্ঠ সম্পৰ্ক আছে যদিও মোৰ এই যাত্ৰাত নলবাৰী মহাবিদ্যালয় মুখ্য বাটকটীয়া বুলি ক'ব পাৰি। নলবাৰী মহাবিদ্যালয়ে মোক সপোনমুখী হ'বলৈ শিকাইছে আৰু মোৰ প্ৰতিভাক উচিত মৰ্যাদা প্ৰদান কৰি মোৰ দুচকুত নব্য-নতুন আশাৰ কিৰণ সিঁচিছে। নলবাৰী মহাবিদ্যালয়ৰ আৱেগ মোৰ বাবে সদায় জীৱনৰ অভিমান হৈ ৰ'ব। নলবাৰী মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি কামনাৰে—

**দ্বীপজ্যোতি কলিতা**

শ্ৰেষ্ঠ অভিনেতা,

গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱ

সৰুৰে পৰা নাটক ভাল পাওঁ। কিন্তু সময়ৰ তাড়নাত অথবা পঢ়াৰ হেঁচাত নাটকৰ পৰা আঁতৰি আছিলো। সৌভাগ্যক্ৰমে নলবাৰী মহাবিদ্যালয়ত অধ্যয়নৰত দিনত মই এখন সুপ্ৰসিদ্ধ মঞ্চ পাই নাটকৰ প্ৰতি থকা মোৰ সেই একাগ্ৰতাক এক নতুন ৰূপে বাস্তবায়িত কৰাৰ এটি সুবৰ্ণ সুযোগ পালোঁ। নলবাৰী মহাবিদ্যালয়ৰ সাংস্কৃতিক দিশটো এনেদৰেই সৰ্বাংগীণ হৈ থকাৰ কামনাৰে—

**ভাৰ্গৱ কলিতা**

শ্ৰেষ্ঠ পৰিচালক, গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱ

**বৰখোপা** ঃ ৰজা ফঙুৱা আৰু আৰিমত্তৰ দিনত ভূটানৰ নামনিত 'বৰখোপা' নামৰ এখন সামন্ত ৰাজ্য আছিল। এই ৰাজ্যখন খোপা ডাঙৰী বা মায়াদেৱী নামে এগৰাকী ৰাণীয়ে শাসন কৰিছিল। জনশ্ৰুতিমতে বৰখোপাৰ ৰাণী মায়াদেৱীৰ চুলিৰ খোপাটো বৃহৎ আকাৰৰ আছিল, সেয়ে তেওঁ খোপাডাঙৰী নামেৰে বিখ্যাত আছিল। এইগৰাকী ৰাণীৰ নাম অনুসৰি বৰ্ত্তমানেও 'বৰখোপা' নামেৰে এখন ৰাজহ গাঁও আছে বুলি জনা যায়।

**কুমাৰীকাটা** ঃ ৰজা ফেঙুৱাৰ বৰপুত্ৰৰ লগত মায়াদেৱৰ কন্যাৰ বিবাহ ধাৰ্য কৰা হৈছিল। বিবাহৰ দিনা ৰাজকুমাৰ বৰখোপালৈ বুলি আৰিমত্তৰ ৰাজ্যৰ মাজেৰে অগ্ৰসৰ হৈছিল। সেয়ে আৰিমত্তৰ সৈন্যই বিবাহযাত্ৰীৰ ওপৰত আক্ৰমণ চলাই বৰৰূপী ৰাজকুমাৰক বধ কৰে। আৰিমত্তৰ সৈন্যই পিছত বৰখোপা ৰাজ্য আক্ৰমণ কৰি ৰাণী মায়াদেৱীক পৰাস্ত কৰে। ৰাণী ৰাজকুমাৰীৰ সৈতে পলাই যোৱাৰ পথত শত্ৰু সৈন্যৰ হাতত দুয়ো কটা যায়। যি ঠাইত কুঁৱৰী কটা গৈছিল, সেই ঠাই পিছলৈ 'কুমাৰীকাটা' নামেৰে জনাজাত হয়।

# প্ৰাচীৰ শিল্পৰ মাজেৰে বিভাগবোৰ

**প্ৰতিবেদক ঃ প্ৰণৱ শৰ্মা, দেৱাশীষ দত্ত**

নলবাৰী মহাবিদ্যালয়ৰ বিভাগীয় প্ৰাচীৰ শিল্পৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসমূহৰ চিন্তন, সৃষ্টিশীলতা আৰু নতুনত্বৰ বিকাশ সাধনেৰে সমাজলৈ উলিয়াই আনে নৱচিন্তাৰ এক নতুন দিগন্তৰ প্ৰভাতী কিৰণ। নলবাৰী মহাবিদ্যালয়ে বৌদ্ধিক আৰু সাংস্কৃতিক সকলো ক্ষেত্ৰতে সদায় সমানে আগবঢ়া। ছাত্ৰ-ছাত্ৰীসমূহৰ সৃষ্টিশীলতা আৰু নতুনত্বৰ বিকাশ স্পষ্ট ৰূপত ফুটি উঠে বিভাগীয় প্ৰাচীৰ পত্ৰিকা সমূহৰ মাজেৰে। সকলো বিভাগে নিজস্ব এক সুকীয়া বিষয়বস্তু আৰু সৃষ্টিশীল ধাৰণাৰে প্ৰস্তুত কৰি উলিয়াই বিভাগীয় প্ৰাচীৰ সমূহ। প্ৰাচীৰ পত্ৰিকাসমূহ অনাগত সময়ত পুনঃ নৱচিন্তা আৰু নৱভাৱনাৰে পুনৰ নতুন ৰূপেৰে উদ্ভাসিত হৈ উঠিব বুলি আমি দৃঢ় বিশ্বাসী। ২০১৮-১৯ বৰ্ষত প্ৰকাশিত বিভিন্ন প্ৰাচীৰ পত্ৰিকা সমূহক ইয়াৰ মাজেৰে সামৰি লোৱাৰ প্ৰয়াস কৰা হৈছে। নলবাৰী মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'নলবাৰী'ৰ পৃষ্ঠাত তাৰেই এক চমু অৱলোকন।

**BONSAI (উদ্ভিদ বিজ্ঞান বিভাগ)**



সম্পাদনা আৰু চিত্ৰসজ্জা ঃ পিনাকী ৰাজবংশী

সদস্য ঃ তৃতীয় ষাণ্মাসিকৰ সমূহ ছাত্ৰ-ছাত্ৰী।

সমাজৰ প্ৰতি প্ৰকৃতি সজাগতামূলক বাৰ্তা প্ৰেৰণৰ দৃশ্যপটেৰে।

উদ্ভিদ বিজ্ঞান বিভাগে প্ৰাচীৰ পত্ৰিকাখন তৈয়াৰ কৰি উলিয়াইছে। নলবাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় ড° দীপক গোস্বামীদেৱে নৱাগত আদৰণি সভাৰ দিনাখন প্ৰাচীৰ পত্ৰিকাখন উন্মোচন কৰে।

**লেখাসমূহৰ ভিতৰত—**

* The big story of a small man : Jadav Molai Payeng (Tridip Talukdar)

* Significance of Tulsi Plant- Mousumi Sarma

* Deforestation- Rani Kakati

**কবিতাসমূহৰ ভিতৰত—**

* নিসংগতাৰ সংগী- জ্যোতিষ তালুকদাৰ

* সময় ঃ তৰালী কলিতা

* অস্তপথ ঃ ৰূপজ্যোতি শৰ্মা

* তোমাৰ স্মতিত আকিছোঁ ঃ বিৰাজ আহমেদ

**AUREOLA (ৰসায়ণ বিজ্ঞান বিভাগ)**



সম্পাদিকা ঃ দীপশিখা বৰ্মন

উপ সম্পাদক ঃ মৃন্ময় বৰা

উপদেষ্টা ঃ মাননীয় মদন চন্দ্ৰ মেধি, ড° ধীৰাজ তালুকদাৰ, ড° নৱজ্যোতি ডেকা, ড° ধঞ্জুমনি পাঠক, ড° পূৰবী শৰ্মা, ফণীন্দ্ৰ বৰ্মন

চিত্ৰ সজ্জা ঃ ডেইজী কুইন দাস, হিমাশ্ৰী মালাকৰ

সদস্য ঃ তৃতীয় ষাণ্মাসিকৰ সমূহ ছাত্ৰ-ছাত্ৰী

ৰসায়ণক মূলতঃ প্ৰধান বিষয়বস্তু হিচাপে লৈ চলিত বৰ্ষত ৰসায়ণ বিজ্ঞান বিভাগে পঞ্চাদশ সংখ্যক প্ৰাচীৰ পত্ৰিকাখন প্ৰস্তুত কৰি উলিয়ায়। বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ সৃষ্টিশীল প্ৰতিভাৰ বিকাশ ঘটোৱাত সহায় কৰা প্ৰাচীৰ পত্ৰিকাখনি নৱাগত আদৰণি

সভাৰ লগত সংগতি ৰাখি উন্মোচন কৰে বিভাগৰে প্ৰাক্তন মুৰব্বী অধ্যাপক ড° প্ৰাণকৃষ্ণ দাসদেৱে। লেখাসমূহ এনেধৰণৰ-

* Catalyst (Editorial)- Dipsikha Barman
* Life without chemistry - Elora Nath
* Glycerol Free Strategy Sweetns - Biological synthesis- Asfakur Rahman
* Aurora- Hirakjyoti Barman
* Chemistry of Emotions- Banasmita Barman
* বৰষুণ ভালপোৱা ছোৱালীজনী- সৃজনী তালুকদাৰ
* Chemistry needs medicine - Rahul Chakarborty
* Depletion of Ozone Layer - Daijee Queen Das
* Chemistry of Coffee - Himashree Malakar

ৰসায়নিক গৱেষণাগাৰৰ বিভিন্ন ব্যৱহাৰিক যতনেৰে আৰু সুন্দৰ চিত্ৰসজ্জাৰ মাজেৰে প্ৰাচীৰ পত্ৰিকাখন প্ৰস্তুত কৰিছে।

**ৰ'দালি (অসমীয়া বিভাগ)**



অসমীয়া সংস্কৃতি মূলতঃ ঢোল, পেঁপা, তাল, জাপি আৰু মুখাশিল্পৰ দৃশ্যসজ্জাৰে অসমীয়া বিভাগৰ প্ৰাচীৰ পত্ৰিকাখন অলংকৰণ কৰা হৈছে।

**লেখাসমূহ এনেধৰণৰ ঃ**

* তৃপ্তলিপি- মৃদুল বৈশ্য
* সময়ৰ খোজ- বন্তি প্ৰভা শৰ্মা (সহকাৰী অধ্যাপিকা)
* পৰাগ দালৈ- হেমেন কলিতা
* মৰম- চিন্ময় শৰ্মা
* অনুভৱ - ধৃতিস্মান বৰ্মন
* অভিমানী প্ৰিয়া- নিতুমনি কলিতা
* আশা - অনিন্দিতা শৰ্মা
* সপোনৰ চিলা - ধৃতিস্মিতা বৰ্মন
* মোক প্ৰেম নালাগে - হীৰক জ্যোতি বৈশ্য

অসমীয়া বিভাগৰ প্ৰাচীৰ পত্ৰিকাখন মূলতঃ কবিতাৰে সজোৱা হৈছে। প্ৰাচীৰ পত্ৰিকাখনত সম্পাদনা সমিতিৰ উল্লেখ দেখা নগ'ল। দৃশ্য সজ্জা আৰু চিত্ৰকলাৰ মাজেৰে লেখাসমূহ সুন্দৰভাবে উপস্থাপন কৰিছে। আশা কৰো আগন্তুক বৰ্ষত এনেদৰেই বিভাগটোৰ এখন সৰ্বাংগ সুন্দৰ প্ৰাচীৰ পত্ৰিকা মহাবিদ্যালয়ক উপহাৰ দিব।




**Matrix (গণিত বিভাগ)**

চলিত বৰ্ষত গণিত বিভাগে সুন্দৰভাবে তেওঁলোকৰ প্ৰাচীৰ পত্ৰিকাখন প্ৰস্তুত কৰি উলিয়ায়। প্ৰাচীৰ পত্ৰিকাখন উন্মোচন কৰে নলবাৰী মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ড° দীপক

গোস্বামীদেৱে। লেখাসমূহৰ ভিতৰত-

* Editorial by- Rachi Oleman
* Abel Prize in Mathematics by Indian- Anjan Dutta
* Application of Maths in Music- Neetamoni Haloi
* Pi ($\pi$) the anazing number- Dibajyoti Deka
* The calculator girl, pride of India- Bikash Das
* Application of Maths in Medical field - Nibha moni Haloi

**সম্পাদনা সমিতি ঃ**

দৃশ্যসজ্জা ঃ কৌশিক কুমাৰ ডেকা

চিত্ৰকলা ঃ ৰিদিপ বৰ্মন

সদস্য ঃ পঞ্চম ষাণ্মাসিক- মানস, ভাস্কৰ, হীৰক, হিৰণ্য, জয়প্ৰকাশ, ৰাতুল, চামনুৰ, জেচমিন, দ্বিব্যজ্যোতি

তৃতীয় ষাণ্মাসিক- সাগৰিকা, জোনালী, প্ৰাঞ্জল

গণিতৰ বিভিন্ন লেখা আৰু চিত্ৰৰে সম্বলিত প্ৰাচীৰ পত্ৰিকাখনে ছাত্ৰ-ছাত্ৰীসকলৰ সৃষ্টিশীল মনোভাৱক প্ৰকাশ কৰিছে।

**STATISTA (পৰিসংখ্যা বিভাগ)**




সুন্দৰ অলংকৰণেৰে পৰিসংখ্যা বিভাগে প্ৰাচীৰ পত্ৰিকাখনি প্ৰস্তুত কৰি উলিয়াইছে।

**লেখাসমূহ—**

* Trading with fibonacci Stochastic– Mrinmoy Deka
* Probability behind solving Rubik's cube– Dipjyoti Baishya
* Father of Indian statistics– Satabdi Goswami
* Hello Hello Statistics Congradution– Dhanmoni Baishya
* Statistics– The career of the future– Bishal Kashyap
* Statistic Science daily : Bhanita Kashyap
* সম্পাদকীয় কলম- ৰাহুল কাশ্যপ প্ৰাচীৰ পত্ৰিকাখনত সম্পাদনা সমিতিৰ উল্লেখ দেখা নগ'ল। বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে সুন্দৰ লেখা আৰু অলংকৰণেৰে প্ৰাচীৰ পত্ৰিকাখন উলিয়াইছে।

**অৱলোকণ (ইতিহাস বিভাগ)**



'মানৱ সভ্যতাৰ ক্ৰমবিকাশক' বিষয়বস্তু হিচাপে লৈ ইতিহাস বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰাচীৰ পত্ৰিকাখন প্ৰস্তুত কৰিছে। লেখাসমূহ এনেধৰণৰ-

* Discovery of Fire - Partha Barman
* The pre historic stone age civilization- Dolly Sarma
* ক্ৰম বিবৰ্তন- জিন্টু শৰ্মা
* কৃষিৰ ক্ৰমবিকাশ- মৃদুল শৰ্মা
* গাঁও- ছাহ আলম চৌধুৰী
* অস্ত্ৰ- বিকাশ দাস

প্ৰতিবছৰৰ দৰে চলিত বৰ্ষটো ইতিহাস বিভাগে সুন্দৰ বিষয়বস্তু আৰু লেখাৰে সুন্দৰভাৱে প্ৰাচীৰ পত্ৰিকাখন সাজি উলিয়াইছে, যদিও সম্পাদনা সমিতিৰ উল্লেখ দেখা নগ'ল।

**STATESMAN (ৰাজনীতি বিজ্ঞান বিভাগ)**



ৰাজনীতি বিজ্ঞান বিভাগে চলিত বৰ্ষটো সুন্দৰ চিত্ৰকলা আৰু লেখনিৰে এখন উন্নত মানৰ প্ৰাচীৰ পত্ৰিকা প্ৰস্তুত কৰি উলিয়াই।

**লেখাসমূহ এনেধৰণৰ—**

* Start up India, Standup India- Jintimoni Mahanta
* Organisation of world peace- Nurul Haque
* Nitiquat laws impact of India- Tapan Das
* বেটি বচাও, বেটি পঢ়াও অভিযান- ৰাজদ্বীপ কলিতা
* উদত্ত এচাম ৰাইজ- কৃত্তিকা শৰ্মা
* The constitution of India - Samarjyoti Das

লেখা আৰু চিত্ৰকলাৰ মাজেৰে প্ৰাচীৰ পত্ৰিকাখনৰ বিষয় সুন্দৰভাৱে উপস্থাপন কৰিছে। যদিও সম্পাদনা সমিতিৰ উল্লেখ দেখা নগ'ল।

**ORANG (প্ৰাণী বিজ্ঞান বিভাগ)**



Editorial Board

Editors : Dipshagar, Anurag, Manash, Juri, Jublee, Sehnaj, Niki, Shreyasi, Bidisha, Chinaki

Members : Twarik, Anindita, Rimpi

অতি সুন্দৰ অলংকৰণেৰে 'Aquentity' শীৰ্ষ বিষয় বস্তু হিচাপে লৈ প্ৰাচীৰ পত্ৰিকাখন প্ৰস্তুত কৰি উলিওৱা হৈছে। প্ৰাচীৰ পত্ৰিকাখন বিভাগটোৰ নৱাগত আদৰণি সভাৰ দিনা উন্মোচন কৰে মাননীয় ত্ৰিকেন দাসদেৱে। লেখাসমূহ এনেধৰণৰ-

* Sea horse- Barasha Moni Sarma
* They are dying- Chinki Medhi
* Jewels of the sea- Niki Haloi
* Kaguyas artfish : a fairy jtale goby- Shreyashi Deka
* A black dribble in the bowl of blue- Tublu Kalita

প্ৰাচীৰ পত্ৰিকাখনৰ লেখাসমূহ উন্নত মানৰ আৰু মনোগ্ৰাহী। উপস্থাপন শৈলী আৰু দৃশ্যসজ্জাৰ মাজেৰে সুন্দৰভাৱে প্ৰাচীৰ পত্ৰিকাখন প্ৰস্তুত কৰি উলিয়াইছে।

**ECONOMYTRIVIA (অৰ্থনীতি বিভাগ)**



অৰ্থনীতি বিষয়ক লেখা আৰু বিষয়বস্তুৰে অৰ্থনীতি বিভাগে চলিত বৰ্ষৰ প্ৰাচীৰ পত্ৰিকাখন প্ৰস্তুত কৰি উলিয়াইছে।

**লেখাসমূহ এনেধৰণৰ—**

* Goods and Service Tax (GST)- Kuwali Nath
* Nationalisation of Banking system- Ratul Talukdar
* Value of Money in Modern Society- Gitamoni Devi
* Indrustrial Protection Act - Bishal
* Adam smith- the father of Economics- Rinima Devi
* Control of Inflaction in India- Parimal Pandit

প্ৰাচীৰ পত্ৰিকাখনত সম্পাদনা সমিতিৰ উল্লেখ নকৰিলে যদিও বৰ্তমানৰ অৰ্থব্যৱস্থাৰ ওপৰত বিভিন্ন লেখা আৰু সুন্দৰ দৃশ্যসজ্জাৰে প্ৰাচীৰ পত্ৰিকাখন প্ৰস্তুত কৰিছে বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে। অনাগত সময়ত এনেকৈয়ে প্ৰাচীৰ পত্ৰিকাখন আগুৱাই লৈ গৈ থাকে যেন।

**RIPPLES (ইংৰাজী বিভাগ)**

Editorail Board : 5th Semester Students

চলিত বৰ্ষটোত ইংৰাজী বিভাগে তেওঁলোকৰ বাৰ্ষিক প্ৰাচীৰ পত্ৰিকাখন উন্নতমানৰ লেখনিৰে সুন্দৰভাৱে উপস্থাপন কৰি



প্ৰস্তুত কৰি উলিয়াই আৰু নৱাগত আদৰণি সভাৰ দিনাখন উন্মোচন কৰা হয়।

**লেখাসমূহৰ এনেধৰণৰ—**

* Editor's pen- Kapil Medhi
* Amma- Simi Ahmed
* Nature : A gift of God- Bhaskarjyoti Talukdar
* Rain : Some feelings : Tapashi Barman
* Hope : Mridusmita Kashyap
* Origin of English language in India-Prastuti Mahanta
* Apex into my life parismita Dutta Baruah
* Importance of Studing listerature - Priyanka Bharali

**দৰ্শন মুকুতা (দৰ্শন বিভাগ)**




চলিত বৰ্ষত দৰ্শন বিভাগ তেওঁলোকৰ বিভাগীয় প্ৰাচীৰ পত্ৰিকাখন প্ৰস্তুত কৰি উলিয়ায়।



**লেখাসমূহ এনেধৰণৰ—**

* দৰ্শন - পুনম দাস
* অস্তিত্ব- মৃদুল বৰ্মন
* হৃদয়- ধনশ্ৰী তালুকদাৰ
* আমিও শিশু- প্ৰীতিষা শৰ্মা
* Radha Krishnan Philosophical view- Gayatri Devi

বিভাগৰ প্ৰাচীৰ পত্ৰিকাখনত সম্পাদনা সমিতিৰ উল্লেখ দেখা নগ'ল আৰু তুলনামূলকভাৱে লেখনিৰ সংখ্যা যথেষ্ট কম। আগন্তুক বৰ্ষটোত বিভাগটোৰ প্ৰাচীৰ পত্ৰিকাখন আৰু কিছু সুন্দৰ ধৰণেৰে উপস্থাপন কৰিব বুলি আশা কৰিলোঁ।

**নিজৰা ঃ (ভূগোল বিজ্ঞান বিভাগ)**



ভূগোল বিজ্ঞান বিভাগৰ বাৰ্ষিক প্ৰাচীৰ পত্ৰিকা 'নিজৰা'খন সুন্দৰ চিত্ৰকলা, অলংকৰণ শৈলী আৰু উন্নত মানৰ লেখনিৰে কিছু ব্যক্তিক্ৰম ধৰণে 'মহাকাশ বিজ্ঞান'ক মূল বিষয়বস্তু হিচাপে লৈ প্ৰস্তুত কৰা হৈছে।

**লেখনিসমূহ এনেধৰণৰ -**

* প্ৰাচীৰ পত্ৰিকাৰ ধাৰণা আৰু শিক্ষানুষ্ঠানত ইয়াৰ প্ৰাসংগিকতা- ড° দীনমণি ভাগৱতী

* আহ্বান- স্মৃতি মেধি
* মাৰফৎ মাজুলী - জংকি শৰ্মা
* Food and Nutrision Society- Bishal Sarma
* Facts of Galaxy- Amlan Jyoti Bhatta
* The Door tottel - Dipjyoti Deka
* APJ Abdul Kalam's Contribution to ISRO and DRDO- Chinmoy Baruah
* Indian Satalites- Parismita Goswami
* Technological Advances in Geography- Jyotirmoy Mahanta

চলিত বৰ্ষত ভূগোল বিজ্ঞান বিভাগে তেওঁলোকৰ ২৭তম্ সংখ্যক প্ৰাচীৰ পত্ৰিকা প্ৰস্তুত কৰি উলিয়ায়। উন্মোচন কৰে দ্বীজেন দাসদেৱে। প্ৰাচীৰ পত্ৰিকাখনৰ উপস্থাপন, চিত্ৰকলা আৰু দৃশ্যসজ্জা আটকধুনীয়া।

**প্ৰজ্ঞা (সংস্কৃত বিভাগ)**



সম্পাদিকা ঃ অনুৰাধা শৰণীয়া

সাম্প্ৰদায়িকতা আৰু একতা শীৰ্ষক বিষয়বস্তু হিচাপে লৈ সংস্কৃত বিভাগে চলিত বৰ্ষৰ প্ৰাচীৰ পত্ৰিকা 'প্ৰজ্ঞা' প্ৰস্তুত কৰিছে। উন্নত লেখনি আৰু সুন্দৰ দৃশ্যসজ্জাৰ মাজেৰে লেখনিসমূহ উপস্থাপন কৰিছে।

**লেখাসমূহ এনেধৰণৰ—**

* চেষ্টা - মিনাশ্ৰী বৈশ্য
* নাহৰৰ দেশৰ কবিতা- দিগন্ত শৰ্মা
* প্ৰিয় দৰ্শন - ত্ৰিবেণী দাস
* অস্পৃশ্যতা- ভনিতা বৰ্মন
* একতা আৰু সাম্প্ৰদায়িকতা- সমীৰণ শৰ্মা
* এমুঠি সেমেকা স্মৃতি - পুৰবী বৰ্মন
* সম্পাদকীয় - অনুৰাধা শৰণীয়া
* এমুঠি সেমেকা স্মৃতি - পুৰবী কলিতা
* আহ্বান - ডিম্পী বৈশ্য

**REVOLUTION (তথ্য প্ৰযুক্তি বিজ্ঞান বিভাগ)**




চলিত বৰ্ষত বিভাগটোৱে পঞ্চম সংখ্যক প্ৰাচীৰ পত্ৰিকাখন প্ৰস্তুত কৰি উলিয়াই। ছ'চিয়েল মিডিয়াৰ বৰ্ত্তমান বহুলভাৱে প্ৰচলিত আহিলাৰ আৰ্হিৰে আৰু দৃশ্যসজ্জাৰে সুন্দৰ ধৰণে প্ৰাচীৰ পত্ৰিকাখনত লেখাসমূহ উপস্থাপন কৰিছে।

**লেখাসমূহ এনেধৰণৰ—**

* সপোন- ধৃতি ৰাজদেৱ শৰ্মা
* প্ৰায়চিত্ত- নিৰাংকুশ বাশ্যচ
* অনুভৱ- নিবেদিতা দত্ত
* আশা- ৰিণজী ডেকা
* Sophia : A human made doll- Tapash Sarma
* Navic : Manjit Barman

**SPECTRUM (পদাৰ্থ বিজ্ঞান বিভাগ)**




পদাৰ্থ বিজ্ঞান বিভাগে প্ৰতিবছৰে দুখনকৈ প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰি উলিয়াই আহিছে। চলিত বৰ্ষটো ইয়াৰ ব্যতিক্ৰম নোহোৱাকৈ দুখন সুন্দৰ লেখনি আৰু দৃশ্যসজ্জাৰে পৰিপূৰ্ণ



প্ৰাচীৰ পত্ৰিকা প্ৰস্তুত কৰি উলিয়াই বিভাগটোৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰাচীৰ পত্ৰিকাদুখন নৱাগত আদৰণি সভাৰ দিনাখন উন্মোচন কৰা হয়।

**মূলতঃ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা সম্বন্ধীয় লেখাসমূহ এনেধৰণৰ—**

* Sarco- The death Machine- Bibushita Kalita
* Mr. Scientific- Arbanjyoti Talukdar
* Quasar- Abhijit Talukdar
* Ledls Tanagine Anti Gravity- Dikshita Sarma
* Man on lift- Hirakjyoti Bezbaruah
* Cymatics : The bridge between matter and sound : Rana Pratim Sarma

**কবিতাসমূহ—**

* সপোন- অংকুমনি দাস
* বন্ধুত্ব- ঋষভ দাস
* উভতনি পথ- সীমা বড়ো
* নলবাৰী মহাবিদ্যালয় - হিমাংশু তালুকদাৰ

**সম্পাদনা ঃ** পঞ্চম ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰী আৰু প্ৰথম তথা তৃতীয় ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰী। দুয়োখন প্ৰাচীৰ পত্ৰিকাৰ অলংকৰণ, লেখনিৰ মানদণ্ড অতি উচ্চমানৰ।

**প্ৰতিধ্বনি (ভূ-তত্ত্ব বিভাগ)**



চলিত বৰ্ষত ভূতত্ত্ব বিভাগে সুন্দৰ দৃশ্যসজ্জা আৰু উন্নত লেখনিৰে বিভাগীয় প্ৰাচীৰ পত্ৰিকাখন প্ৰস্তুত কৰি উলিয়ায়। প্ৰাচীৰ পত্ৰিকাখন উন্মোচন কৰে ড° দীণমনি ভাগৱতীদেৱে আৰু খচনুৰ আহমেদদেৱে।

**লেখনিসমূহ এনেধৰণৰ—**

* Be good to you- Purabi Hazarika
* Than You - Mizanul Haque
* Caged Bird - Babli Kalita
* The vision- Jyoti Kalita
* Today, the world for me- Trishna Mani Deka

**কবিতাসমূহ ঃ**

* দেউতা- দেৱজিত দত্ত
* জীৱন যোদ্ধা- ইমৰাণ হুছেইন

**জয়পাল থান ঃ** পালবংশীয় ৰজা জয়পালে (১১২০-১১৩৮ খৃঃ) আহোম ৰাজত্বৰ পূৰ্বে নলবাৰীত শাসন কৰিছিল। তেওঁ নলবাৰীৰ অৰৰা গাঁৱৰ জয়পাল থানখন প্ৰতিষ্ঠা কৰিছিল।

## ছাত্ৰ প্ৰতিনিধিৰ প্ৰতিবেদন



# সভাপতিৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনি মেলাৰ প্ৰাক্‌মুহূৰ্তত অসমী আইৰ বুকুত জন্মগ্ৰহণ কৰি যিসকল বীৰ সন্তানে ত্যাগৰ মন্ত্ৰেৰে অসমীয়া জাতি সত্তাৰ যুঁজত ভাষা-সংস্কৃতিৰ ৰণত প্ৰাণ আঁহুতি দি গ'ল, সেইসকল বীৰ শ্বহীদলৈ মোৰ অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি যাচিলোঁ।

সশ্ৰদ্ধ প্ৰণিপাত জনাইছো সেই মহান মনিষীসকলক, যিসকলৰ অক্লান্ত শ্ৰম আৰু ত্যাগৰ বিনিময়ত শিক্ষাৰ নৱদ্বীপখ্যাত নলবাৰী জিলাৰ মাজমজিয়াত ১৯৪৫ চনত গঢ়ি উঠিল চিৰস্মৰণীয় ঐক্য আৰু সংস্কৃতিৰ প্ৰতীক, আমাৰ প্ৰাণৰ ঐতিহ্যমণ্ডিত 'নলবাৰী মহাবিদ্যালয়'।

এই ছেগতে মই নলবাৰী মহাবিদ্যালয়সমূহ ছাত্ৰ-ছাত্ৰীকে গভীৰ আন্তৰিকতাৰে সুঁৱৰিছো। তেখেতসকলে মোক অসীম বিশ্বাস আৰু আস্থা সহকাৰে নলবাৰী মহাবিদ্যালয়ৰ দৰে এখন ঐতিহ্যমণ্ডিত বিদ্যালয়ৰ 'ছাত্ৰ একতা সভা'ৰ সভাপতিৰ দৰে এটা গুৰু দায়িত্বৰ পদত নিৰ্বাচিত কৰি মহাবিদ্যায়ৰ হকে সেৱা আগবঢ়োৱা সুযোগ প্ৰদান কৰিলে।

এক নতুন সংকল্প লৈ ন-সৎসাহেৰে, নতুন কৰ্মোদ্যমেৰে মহাবিদ্যালয়ৰ আভ্যন্তৰীণ, বাহ্যিক আৰু শৈক্ষিক পৰিৱেশ উন্নত কৰাৰ মানসিকতাৰে কাৰ্য্যভাৰ গ্ৰহণৰ পিছতে প্ৰথম কাৰ্য্যসূচী হিচাপে আমি পালন কৰিছিলো 'মহাবিদ্যালয় সপ্তাহ।' এটি 'সাংস্কৃতিক শোভাযাত্ৰা'ৰে অতি উলহ মালহেৰে শুভাৰম্ভণি কৰা হয় মহাবিদ্যালয় সপ্তাহ। ছাত্ৰ-ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভা বিকাশৰ উদ্দেশ্যে আয়োজিত এই মহাবিদ্যালয় সপ্তাহত মোৰ ভাগত সাংস্কৃতিক শোভাযাত্ৰাটোৱেই আছিল একমাত্ৰ বিশেষ কাৰ্যসূচী। এই মহাবিদ্যালয় সপ্তাহতে আমি ৰচনা কৰিছিলো এক ইতিহাস গঢ়িছিলো এক গৌৰৱময় স্বৰ্ণিল যাত্ৰা ভেটি। আমি এক ন-ৰূপেৰে সজাই তুলিছিলো নলবাৰী মহাবিদ্যালয়ৰ সাংস্কৃতিক শোভাযাত্ৰা, যিয়ে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ শিল্পৰাজি, সৃষ্টিৰাজি আৰু কৰ্মৰাজিক উদ্ভাষিত কৰি নলবাৰী মহাবিদ্যালয়ৰ গুণ গৰিমাক দুগুণ বৃদ্ধি কৰিছিল।

'সাংস্কৃতিক শোভাযাত্ৰা'ৰ উদ্বোধক হিচাপে আমি আমন্ত্ৰণ জনাই আনিছিলো অসমৰ 'বিশিষ্ট কলা নিৰ্দেশক' নুৰুদ্দিন আহমেদ ডাঙৰীয়াক। তেখেতৰ উপস্থিতিয়ে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক বিশেষভাৱে অনুপ্ৰাণিত কৰিছিল। 'সাংস্কৃতিক শোভাযাত্ৰা'ৰ বিচাৰকৰ আসন শুৱনি কৰিছিল নলবাৰীৰ দুই স্বনামধন্য চিত্ৰশিল্পী অবিনাশ মজুমদাৰ আৰু খচনুৰ আহমেদ ডাঙৰীয়াদেৰে। সাংস্কৃতিক শোভাযাত্ৰাত মহাবিদ্যালয়ৰ মুঠ ১৯ টা বিভাগ আৰু এন.চি.চি. গোটে অংশ গ্ৰহণ কৰিছিল। তাৰ ভিতৰত 'প্ৰাণী বিজ্ঞান বিভাগে প্ৰথম স্থান, গণিত বিভাগে দ্বিতীয়, অসমীয়া আৰু সংস্কৃত বিভাগে তৃতীয় স্থান আৰু 'ইতিহাস বিভাগে নিচুকণি বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল।

এইদৰে প্ৰথমটো কাৰ্য্যসূচীৰ পিছতে মহাবিদ্যালয় সপ্তাহৰ বাকী অনুষ্ঠানসমূহো ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰীবৃন্দৰ সহায়-সহযোগত অতি সূচাৰুৰূপে অনুষ্ঠিত হয়। মহাবিদ্যালয় সপ্তাহ চলি থকাৰ মাজতে টেলিভিচনৰ এটি জনপ্ৰিয় অনুষ্ঠান 'ইভা মহন্তৰ শিপা-এক সন্ধান' অনুষ্ঠানটি অনুষ্ঠিত হয়।

মহাবিদ্যালয়ৰ নৱাগত ছাত্ৰ-ছাত্ৰীসকলক আদৰণি জনোৱাৰ উদ্দেশ্যে ৭ ছেপ্টেম্বৰ, ২০১৮ তাৰিখে দিনযোৰা কাৰ্যসূচীৰে মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ উদ্যোগত 'নৱাগত আদৰণি সভা' অনুষ্ঠিত হয়। এই নৱাগত আদৰণি সভা উপলক্ষে আয়োজিত 'মুকলি সভা'ৰ আসন শুৱনি কৰিছিল নিৰ্দিষ্ট বক্তা হিচাপে আমন্ত্ৰণ জনাই অনা 'প্ৰতিদিন টাইম'ৰ মুখ্য সম্পাদক নিতুমণি শইকীয়াদেৱে। তদুপৰি নৱাগত আদৰণি সভাৰ সাংস্কৃতিক অনুষ্ঠানত উপস্থিত থাকে অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী 'বাবু বৰুৱা' আৰু লগতে অসমীয়া চলচিত্ৰ জগতৰ উদীয়মান অভিনেতা গুঞ্জন ভৰদ্বাজ। নৱাগত আদৰণি সভাৰ দিনাখনেই মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ তৰফৰ পৰা মহাবিদ্যালয়ৰ মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক বঁটা প্ৰদান কৰা হয়।

কাৰ্যকালৰ মাজভাগত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উদ্যোগত আয়োজিত 'আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱ'ত আমি অংশ গ্ৰহণ কৰো। এই মহোৎসৱত আমাৰ মহাবিদ্যালয়ে ১৩ টাকৈ পদক বুলিবলৈ সক্ষম হয়। যুৱ মহোৎসৱত আয়োজিত 'সাংস্কৃতিক শোভাযাত্ৰা'ত এইবেলি আমি অংশ গ্ৰহণ কৰি দ্বিতীয় শ্ৰেষ্ঠ মহাবিদ্যালয় খিতাপ অৰ্জন কৰো।

মোৰ কাৰ্যকালৰ বিভিন্ন ক্ষেত্ৰত মোক পথ প্ৰদৰ্শক হিচাপে থাকি দিয়া পৰামৰ্শ আগবঢ়োৱা মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ ড° দীপক গোস্বামী ছাৰ, উপাধ্যাক্ষা ড° মঞ্জুলা দত্ত ৰায়বৰুৱা, ছাত্ৰ একতা সভাৰ তত্বাৱধায়ক ড° মণি শৰ্মা শাস্ত্ৰী ছাৰৰ লগতে মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰুলৈ থাকিল মোৰ অশেষ শ্ৰদ্ধা।

অৱশেষত, সদৌ অসম ছাত্ৰ সন্থাৰ দৰে এটা জাতীয় সংগঠনৰ মনোনীত প্ৰাৰ্থী হিচাপে নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সভাপতি পদত নিৰ্বাচিত হোৱাৰ সুযোগ দিয়াৰ বাবে এই সংগঠনৰ প্ৰতিগৰাকী সদস্যৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰ'ম।

মোৰ কাৰ্যকালত প্ৰতিটো মুহূৰ্ততে মোৰ লগত ছাঁৰ দৰে থাকি মোক শাৰীৰিক আৰু মানসিক সহায় আগবঢ়োৱা নলবাৰী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমূহ বিভাগীয় বিষয়ববীয়াসকল, মোৰ মৰমৰ সতীৰ্থবৃন্দ তথা ভাইটি-ভন্টিসকল, মহাবিদ্যালয় এন.চি.চি গোট আৰু এন.এচ.এচ. গোট, মহাবিদ্যালয় সমূহ কৰ্মচাৰীবৃন্দৰ লগতে শিক্ষক তথা ছাত্ৰ-ছাত্ৰীসকললৈ পুনৰ মোৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ আৰু শ্ৰদ্ধা জনাইছোঁ।

অৱশেষত, অজানিতে মোৰ হৈ যোৱা অনিচ্ছাকৃত ভুল-ভ্ৰান্তিৰ বাবে আটাইৰে ওচৰত ক্ষমা বিচাৰিছো। নলবাৰী মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি, আমাৰ এই প্ৰাণৰ মহাবিদ্যালয়ৰ উন্নতিৰ হ'কে কাম কৰি যাবলৈ সকলোকে অনুৰোধ জনাই মোৰ প্ৰতিবেদনৰ ইমানতেই সামৰণি মাৰিছোঁ।

"জয়তু নলবাৰী মহাবিদ্যালয়"

"জয়তু নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভা"

"জয় আই অসম"

**দেৱজিত শৰ্মা**

*সভাপতি*

নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভা, ২০১৭-১৮ ইং বৰ্ষ



# উপ-সভাপতিৰ প্ৰতিবেদন

*যাৰ তেজত তিৰবিৰাইছিল*
*তৰালি বুকুতগুণ গুণাইছিল মৌ মাখি*
*সি নিজানে নিতানে শুই আছে*
*শিতানত তাৰ তেজে ধোৱা মাটি*
**—হীৰেণ ভট্টাচাৰ্য**

প্ৰতিবেদনৰ আৰম্ভণিত সেই মহান মনীষীসকলক সুঁৱৰিছো যিসকলে আই অসমীৰ বুকুত জন্ম লভি এই জাতিৰ অস্তিত্ব ৰক্ষাৰ স্বাৰ্থত নিজৰ প্ৰাণ আঁহুতি দি গ'ল। লগতে শ্ৰদ্ধাঞ্জলি যাঁচিলো সেইসকলক যিসকলে স্বাধীনতাৰ পূৰ্বে ১৯৪৫ চনৰ ৪ জুলাইত অসমৰ গ্ৰাম্যাঞ্চলত প্ৰথমখন মহাবিদ্যালয় যিখন মহাবিদ্যালয় বৰ্তমান আগশাৰীৰ মহাবিদ্যালয়ৰ ভিতৰত অন্যতম 'নলবাৰী মহাবিদ্যালয়' প্ৰতিষ্ঠা কৰি প্ৰতিটো প্ৰজন্মক আলোকসন্ধানী পথ দেখুৱাই থৈ গ'ল। গভীৰ শোক প্ৰকাশ কৰিছো নলবাৰী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী তথা ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলে  যিসকলে আমাৰ মাজৰ পৰা বিদায় মাগিছে।

নলবাৰী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত 'উপ-সভাপতি'ৰ দৰে এক গুৰুত্বপূৰ্ণ পদত মোক নিৰ্বাচিত কৰাৰ বাবে মই নলবাৰী মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক ধন্যবাদ জ্ঞাপন কৰিছোঁ। মই আপোনালোকৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'ম।

২০১৭-১৮ বৰ্ষৰ নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভাই কাৰ্য্যভাৰ গ্ৰহণ কৰাৰে পৰা সফলতাৰ দিশে বাট বুলিছিল। কোনো দিশতে পিছুৱাই যোৱা নাছিলো আমি। বৰঞ্চ দুগুণ উৎসাহ আৰু হেঁপাহেৰে নলবাৰী মহাবিদ্যালয়ৰ স্বাৰ্থত, নলবাৰী মহাবিদ্যালয়ৰ হ'কে আৰু নলবাৰী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ হৈ কাম কৰি যাবলৈ সাহস পাইছিলো আৰু এই সাহস দিছিল মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষা, শিক্ষাগুৰু আৰু নলবাৰী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে।

আমি কাৰ্য্যভাৰ গ্ৰহণ কৰাৰে পৰা নলবাৰী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজেৰে একোজন হৈ তেওঁলোকে সন্মুখীন হৈ থকা সমস্যাসমূহৰ পৰা তেওঁলোকক মোকলাবলৈ প্ৰয়াস কৰিছিলো আৰু প্ৰায় সকলো ক্ষেত্ৰতে আমি সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছিলোঁ। আমাৰ কাৰ্যসূচীসমূহ মহাবিদ্যালয় সপ্তাহকে ধৰি শ্বহীদ দিৱস, কবি সন্মিলনী, NSS গোটৰ দ্বাৰা অনুষ্ঠিত অনুষ্ঠান, বিভিন্ন ব্যক্তিৰ সম্বৰ্দ্ধনা, ড° ভূপেন হাজৰিকাদেৰৰ মৃত্যু বাৰ্ষিকী, শিক্ষাগুৰুৰ বিদায় সভাকে ধৰি NCC ৰ অনুষ্ঠান, নলবাৰী মহাবিদ্যালয় মহোৎসৱ, নৱাগত আদৰণি সভা ইত্যাদি সকলৰ অনুষ্ঠানতে সফলতা লাভ কৰিছিলো। এইবেলি মহাবিদ্যালয় সপ্তাহত বিভিন্ন ধৰণৰ নতুন অনুষ্ঠান

সংযোজন কৰা হৈছিল। নলবাৰী মহাবিদ্যালয়ত অনুষ্ঠিত অনুষ্ঠানবিলাকৰ অন্যতম আকৰ্ষণীয় আৰু উপ-সভাপতিৰ একমাত্ৰ অনুষ্ঠানটোৱেই হৈছে 'উপ-সভাপতিৰ বিশেষ অনুষ্ঠান"। কিন্তু এইবেলি নলবাৰী মহাবিদ্যালয়ৰ ইতিহাসত প্ৰথমবাৰৰ বাবে মহাবিদ্যালয় সপ্তাহত উপ-সভাপতিৰ দ্বাৰা এক নতুন অনুষ্ঠান 'আল্পনা প্ৰতিযোগিতা' সংযোজন কৰা হৈছিল আৰু এই অনুষ্ঠানে সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছিল।

তাৰিখ ১১ আগষ্ট, ২০১৮ শনিবাৰ। নলবাৰী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ এটাই শব্দ 'নলবাৰী মহাবিদ্যালয় মহোৎসৱ'। নলবাৰী মহাবিদ্যালয়ত প্ৰথমবাৰৰ বাবে উপ-সভাপতিৰ বিশেষ অনুষ্ঠান 'নলবাৰী মহাবিদ্যালয় মহোৎসৱ' হিচাপে অনুষ্ঠিত হৈছিল। ছাত্ৰ-ছাত্ৰীৰ জ্ঞান লাভাৰ্থে বৌদ্ধিক, সামাজিক, শৈক্ষিক, সাংস্কৃতিক আদি সকলোবোৰ ক্ষেত্ৰকে গুৰুত্ব দি বাৰেৰহণীয়া অনুষ্ঠানেৰে অনুষ্ঠিত হৈছিল 'নলবাৰী মহাবিদ্যালয় মহোৎসৱ'। বিভিন্নজন গুণী-জ্ঞানী জ্যেষ্ঠ ব্যক্তিক আমি এই অনুষ্ঠানলৈ নিমন্ত্ৰণ কৰি আনিছিলো আৰু তেখেতসকলৰ উপস্থিতিয়ে অনুষ্ঠানৰ শোভাবৰ্দ্ধন কৰিছিল। আমি নিমন্ত্ৰণ কৰি আনিছিলো নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ উপ-সভাপতি শ্ৰীঅৰিন্দম শৰ্মা, নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক শ্ৰীশশাংক দত্ত, গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিশ্ববিদ্যালয় অনুদান আয়োগ মানৱ সম্পদ উন্নয়ন কেন্দ্ৰৰ অধ্যাপক ও সঞ্চালক ড° যোগেন চন্দ্ৰ কলিতা, সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি শ্ৰীমণি মাধৱ মহন্ত, গুৱাহাটী বিশ্ববিদ্যালয় স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শ্ৰীমনজিৎ শৰ্মাক। সাংস্কৃতিক ক্ষেত্ৰৰ পৰা নিমন্ত্ৰণ কৰিছিলোঁ বিশিষ্ট অভিনেত্ৰী গায়ত্ৰী মহন্ত, বিশিষ্ট অভিনেতা মৃদুল ভূঞা আৰু বিশিষ্ট কণ্ঠশিল্পী ৰিংকু প্ৰিয়মক। অতিথি তথা মহাবিদ্যালয়ৰ বাৰেৰহণীয়া অনুষ্ঠানেৰে অনুষ্ঠিত হৈছিল 'নলবাৰী মহাবিদ্যালয় মহোৎসৱ'। আমি সম্বৰ্দ্ধনা জনাবলৈ পাই গৌৰৱবোধ কৰিছিলো বিশিষ্ট নাগাৰা নামৰ শিল্পী শ্ৰীৰামচৰণ ভড়ালী আৰু শ্ৰীকৈলাশ তালুকদাৰদেৱক। টেলিভিছন, মোবাইল, চিনেমাৰ যুগত অসমীয়া সংস্কৃতিৰ অন্যতম অংগ 'নাগাৰা নাম' যি মহান ব্যক্তিসকলে এতিয়াও অটুট ৰাখি অসমীয়া সংস্কৃতিক বিশ্বৰ দৰবাৰত দাঙি ধৰিছে। সেই মহান মনীষীসকল সঁচাকৈয়ে সন্মানৰ যোগ্য। সাধাৰণ জনতা তথা চৰকাৰৰ ফালৰ পৰা পাবলগীয়া সন্মানৰ পৰা বঞ্চিত হোৱা এই মহান মনীষীসকলক উৎসাহিত কৰিবলৈ আমি মাত্ৰ খুতমান প্ৰয়াসহে কৰিছিলো। (এনেধৰণে সফলতাৰে পাৰ হৈ গৈছিল 'নলবাৰী মহাবিদ্যালয় মহোৎসৱ')। সফলতাৰে যেন অন্য এক উদাহৰণ 'নলবাৰী মহাবিদ্যালয় মহোৎসৱ'।

অৱশেষত মোৰ কাৰ্য্যকালত মোক সফলতাৰ বাট দেখুওৱা নলবাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দীপক গোস্বামী ছাৰ, উপাধ্যক্ষা ড° মঞ্জুলা দত্ত ৰায়বৰুৱা বাইদেউ, ছাত্ৰ একতা সভাৰ তত্বাৱধায়ক ড° মণি শৰ্মা শাস্ত্ৰী ছাৰ, ড° ৰঞ্জনা ভট্টাচাৰ্য্য বাইদেউ, কুমুদ চন্দ্ৰ ৰাভা ছাৰ, ড° ৰতন ডেকা ছাৰ, পিৰোজা বেগম বাইদেউ, কন্দৰ্প কলিতা ছাৰ, গুণজিৎ কলিতা ছাৰ, ড° বিনয় মুছাহাৰী ছাৰ, গৌতম শৰ্মা ছাৰ, ড° ৰুপাস্মিতা বুজৰবৰুৱা বাইদেউৰ লগতে মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু তথা কৰ্মচাৰীলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো।

নানান প্ৰত্যাহ্বানক নেওঁচি ছাত্ৰ একতা সভাৰ বছৰটো সফল হোৱাত সহায় কৰা ছাত্ৰ একতা সভাৰসমূহ সম্পাদক, সম্পাদিকাৰ লগতে স্বচ্ছ মনৰ ভাই-ভনী, বন্ধু-বান্ধৱী তথা জ্যেষ্ঠজনলৈ মৰম আৰু শ্ৰদ্ধা জ্ঞাপন কৰিছো। তথা অনাগত দিনসমূহত সফলতা অৰ্জন কৰিব বুলি শুভেচ্ছা যাচিলোঁ।

শেষত অজানিতে হৈ যোৱা ভুল ত্ৰুটিৰ ক্ষমা বিচাৰিছো। শিক্ষাগুৰু তথা শুভাকাংক্ষীসকলৰ ওচৰত প্ৰণিপাত জনাই নলবাৰী মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতিৰ কামনাৰে মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ। ধন্যবাদ

জয়তু নলবাৰী মহাবিদ্যালয়
জয়তু নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভা
জয় আই অসম

**জ্যোতিৰ্ময় বৰুৱা**
উপ-সভাপতি
নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভা, ২০১৭-১৮ ইং বৰ্ষ



# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

*"মইতো দিগন্তত দিশহাৰা হৈ যোৱা*
*অস্তগামী বেলি নহয় যে*
*মই অন্ধকাৰৰ ওচৰত নতজানু হ'ম*
*মই ৰাতিৰ অন্ধকাৰতো*
*সংগোপনে অথচ নিৰ্ভিকভাৱে জ্বলি থকা এটি*
*দোকমোকালি"*

**—ৰাজেন শৰ্মা**

প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল জাতীয় নায়ক তথা বীৰ সেনানীৰ চৰণত শ্ৰদ্ধাৰে প্ৰণিপাত জনাইছো, যাৰ তেজ আৰু সংগ্ৰামে লিখি থৈ গৈছে জাতীয়তাবোধৰ অভিমান প্ৰতিজন অসমীয়াৰ বুকুত। নলবাৰী মহাবিদ্যালয় বুলি ক'লেই অসমৰ চুকে কোণে জোনাকী পৰুৱাৰ দৰে জিলিকি উঠা এটি নাম, নলবাৰী মহাবিদ্যালয় বুলি ক'লেই সময়ৰ দেৱালত খোদিত হেজাৰ ইতিহাস, হেজাৰ কাহিনী। ঐতিহ্যমণ্ডিত নলবাৰী মহাবিদ্যালয়ৰ এজন ছাত্ৰ প্ৰতিনিধি হিচাপে মহাবিদ্যালয়খনৰ সৰ্বাঙ্গীন উন্নয়নৰ দিশত কাম কৰাটো মোৰ দৰে এজন ছাত্ৰৰ বাবে গৌৰৱ তথা স্বাভিমানৰ বিষয়। ২৩ ছেপ্টেম্বৰ, ২০১৭ চন। এই দিনটোতেই নলবাৰী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ প্ৰতিনিধি হিচাপে আমাক এক গধুৰ দায়িত্ব অৰ্পণ কৰিছিল। ২৪ অক্টোবৰত ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰিয়েই আমি ঘোষণা কৰিছিলো যে আজিৰ পৰা আমাৰ প্ৰতিটো দিন নলবাৰী মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসমাজৰ বাবে। প্ৰতিটো চিন্তা এই মহাবিদ্যালয়ৰ বাবে। আকৌ কৈছিলো এয়া ছাত্ৰ ৰাজনীতি নহয় ছাত্ৰ নীতিহে। মই নহয় আমি হৈ আমাৰ লক্ষ্য নলবাৰী মহাবিদ্যালয়ৰ সৰ্বাঙ্গীণ উন্নতি সাধন কৰা। এবছৰতে মহাবিদ্যালয়ৰ এখনৰ সকলো সমস্যা সমাধান কৰা সম্ভৱ নহয়। মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ জৰিয়তে যিমান সম্ভৱ হয় আমি কৰিবলৈ চেষ্টা কৰিছো। মানুহ মাত্ৰেই ভুল হয়। হয়তো আমাৰ কাৰ্যকালতো অজানিতে কিছু ভুল হৈছে। তাৰ বাবে আপোনালোকৰ মাজৰে এগৰাকী সতীৰ্থ হিচাপে আমাক ক্ষমা কৰিব বুলি আশা ৰাখিছোঁ।

২০১৭-১৮ ইং বৰ্ষৰ ছাত্ৰ একতা সভাখনৰ সাধাৰণ সম্পাদক হিচাপে মোৰ কাৰ্যকালত প্ৰত্যক্ষভাৱে বাজেট অনুযায়ী কৰা কাৰ্যসূচীসমূহ হ'ল-

**মহাবিদ্যালয় সপ্তাহ ঃ**

মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বিদ্যায়তনিক দিশৰ অনুশীলন আৰু বিকাশৰ লগতে শাৰীৰিক, মানসিক আৰু বৌদ্ধিক উৎকৰ্ষ সাধনৰ উদ্দেশ্যে আয়োজিত 'মহাবিদ্যালয় সপ্তাহ'খনি ২ ফেব্ৰুৱাৰী, ২০১৮ৰ পৰা ৮ ফেব্ৰুৱাৰী ২০১৮লৈ অনুষ্ঠিত হৈছিল। মোৰ দায়িত্বত আছিল একাংকিকা নাট প্ৰতিযোগিতা আৰু মুকলি অধিবেশন। প্ৰতিযোগিতাখনিৰ উদ্বোধন কৰিছিল বিশিষ্ট নাট্যকাৰ সমৰেন্দ্ৰ বৰ্মনদেৱে। বিভিন্ন নতুন নতুন খেল, কিছু অন্যান্য প্ৰতিযোগিতা নতুনকৈ অনুষ্ঠিত হৈছিল।

নলবাৰী মহাবিদ্যালয়ক বিশ্বৰ মানুহৰ আগত দাঙি ধৰা হৈছিল মহাবিদ্যালয় সপ্তাহৰ অন্যতম ব্যক্তিক্ৰমী অনুষ্ঠান NEWS 18, North-Eastৰ 'শিপা এক সন্ধান' নামৰ বিশেষ অনুষ্ঠানটিৰ জৰিয়তে। ৮ ফেব্ৰুৱাৰী ২০১৮ ইং তাৰিখে অনুষ্ঠিত হৈছিল মুকলি অধিবেশন।

পুৱা বিশিষ্ট লেখক ডাঃ সমৰ তালুকদাৰদেৱে কৰা গছপুলি ৰোপণ কাৰ্যসূচীৰ দ্বাৰা দিনটোৰ আৰম্ভণি কৰা হৈছিল। মুকলি অধিৱেশন আৰু বঁটা বিতৰণী সভাত সভাপতিত্ব কৰিছিল মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দীপক গোস্বামীদেৱে, নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত আছিল তেজপুৰ বিশ্ববিদ্যালয়ৰ পৰিৱেশ বিজ্ঞান বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক, বিজ্ঞান সাহিত্য বঁটা প্ৰাপক-

২০১৮ৰ অধ্যাপক ড° কালীপ্ৰসাদ শৰ্মাদেৱ, মুখ্য অতিথি হিচাপে উপস্থিত আছিল প্ৰতিদিন টাইমৰ বিশিষ্ট সাংবাদিক (বৰ্তমান ETVৰ মুখ্য সম্পাদক হিচাপে কৰ্মৰত) ৰাজদ্বীপ বাইলুং বৰুৱা ডাঙৰীয়া আৰু আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত আছিল সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক হিমান বৰ্মন ডাঙৰীয়া আৰু বিশিষ্ট অতিথি হিচাপে উপস্থিত আছিল নলবাৰী জিলাৰ উপায়ুক্ত সঞ্জীৱ কুমাৰ দাসদেৱ। অধিৱেশনৰ অন্তত বঁটা বিতৰণী অনুষ্ঠান অনুষ্ঠিত হয় আৰু শেষত আবেলি অনুষ্ঠিত হয় শব্দ, সংগীত আৰু সুৰৰ জিঞ্জিৰি।

মহাবিদ্যালয় সপ্তাহৰ অনুষ্ঠানসমূহত গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱৰ নিয়মসমূহ প্ৰযোজ্য হৈছিল আৰু ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ সমাৰোহ ও অনুষ্ঠিত হৈছিল।

**নৱাগত আদৰণি সভা ঃ**

মোৰ কাৰ্যকালত নৱাগত আদৰণি সভাখনক এক আধুনিক, নিকা আৰু নতুন মাত্ৰা প্ৰদান কৰিবলৈ চেষ্টা কৰিছিলোঁ। নৱাগত আদৰণি সভাৰ অনুষ্ঠানত নৃত্য, গীত পৰিবেশনৰ বাবে পোনপ্ৰথমবাৰৰ বাবে লিখিতভাৱে "Audition"ৰ ব্যৱস্থা কৰিছিলোঁ।

৭ ছেপ্টেম্বৰ, ২০১৮ত অনুষ্ঠিত হোৱা নৱাগত আদৰণি সভাৰ মুকলি সাৰস্বত সভাৰ সঞ্চালকৰ আসন শুৱনি কৰিছিল মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দীপক গোস্বামী ছাৰে, বিশিষ্ট অতিথি হিচাপে ভাষণ প্ৰদান কৰিছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰেক্টৰ ড° হৰিপ্ৰসাদ শৰ্মা ছাৰে, নিৰ্দিষ্ট বক্তা হিচাপে সাৱলীল ভাষণ প্ৰদান কৰিছিল প্ৰতিদিন টাইমৰ মুখ্য সম্পাদক নিতুমনি শইকীয়াদেৱ আৰু মুখ্য অতিথি হিচাপে উপস্থিত আছিল সদৌ অসম ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক শৰৎ হাজৰিকা ডাঙৰীয়া। তদুপৰি বিশেষ অতিথি হিচাপে আমন্ত্ৰিত অতিথিদ্বয় আছিল অসমৰ জনপ্ৰিয় অভিনেতা গুঞ্জন ভৰদ্বাজ আৰু অভিনেত্ৰী ইতি ফুকন। সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিবলৈ নিমন্ত্ৰণ জনোৱা হৈছিল বিশিষ্ট কণ্ঠশিল্পী দিলীপ কুমাৰ দাসদেৱক। সাংস্কৃতিক অনুষ্ঠানৰ বিশেষ আকৰ্ষণ আছিল জনপ্ৰিয় কণ্ঠশিল্পী বাবু বৰুৱা।

পোনপ্ৰথম বাৰৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে কলেজৰ টি চাৰ্টৰ ব্যৱস্থা কৰা হয়। সভাৰ শেষত মহাবিদ্যালয়ৰ স্নাতক চূড়ান্ত বৰ্ষত কৃতিত্ব অৰ্জন কৰা ছাত্ৰ-ছাত্ৰীসকলক, যুৱ মহোৎসৱত দায়িত্ব অৰ্পণ কৰা তত্বাৱধায়কসকলক, যুৱ মহোৎসৱত অংশ গ্ৰহণ কৰা বাদ্যযন্ত্ৰীসকলক আৰু যুৱ মহোৎসৱত সফলতা অৰ্জন কৰা ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্দ্ধনা জনোৱা হয় ছাত্ৰ একতা সভাৰ তৰফৰ পৰা।

যিহেতু, ছাত্ৰ একতা সভাৰ ক্ষেত্ৰত সীমিত বাজেট হোৱাত কিছুমান কাৰ্যসূচী ৰূপায়ণত বিশেষ অসুবিধাই দেখা দিছিল, সেয়ে সভাৰ সৰ্বসন্মতিক্ৰমে নৱাগত ছাত্ৰ-ছাত্ৰীসকল পৰা ৩০ টকাকৈ লোৱা হৈছিল। উঠোৱা মূলধনৰ পৰা যুৱ মহোৎসৱৰ 'সাংস্কৃতিক শোভাযাত্ৰাত' এক মোটা অংকৰ ধন, ছোৱালী আৱাসত ষ্টীলৰ ফিল্টাৰ প্ৰদান, নৱাগত আদৰণি সভাৰ সম্বৰ্ধনাসমূহ, অন্যান্য দুই-এটা কাৰ্যসূচীত ইয়াৰ সকলো ধন খৰছ কৰা হৈছিল। তদুপৰি, যুৱ মহোৎসৱত "সাংস্কৃতিক শোভাযাত্ৰা'ত মহাবিদ্যালয়ে দ্বিতীয় পুৰস্কাৰ অৰ্জন কৰিবলৈ সক্ষম হৈছিল।

**শৈক্ষিক দিশত ৰূপায়ণ কৰা কাৰ্যসূচীসমূহ ঃ**

১। নলবাৰী মহাবিদ্যালয়ৰ বন্ধ হৈ থকা আৰ্থিক অনুদানৰ প্ৰৱৰ্তন বিচাৰি বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগৰ চেয়াৰমেনলৈ ছাত্ৰ একতা সভাৰ তৰফৰ পৰা স্মাৰক পত্ৰ প্ৰদান কৰা হয়।

২। মহাবিদ্যালয়ৰ শিক্ষাখণ্ডলৈ ইতিবাচক সংযোজন হৈছে স্নাতকোত্তৰ মহলাত ইংৰাজী বিষয়টো সংযোগ কৰাটো। আমাৰ কাৰ্যকালতে ইংৰাজী বিষয়টো স্নাতকোত্তৰ মহলাত সংযোজন হোৱাত ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধা হৈছিল।

৩। আমাৰ কাৰ্যকালতে মহাবিদ্যালয়ৰ CIC কেন্দ্ৰটো পুনৰজীৱিত হয়।

৪। স্নাতক দ্বিতীয় ষাণ্মাসিকৰ ফলাফল বিসংগতিৰ বাবে ছাত্ৰ একতা সভাৰ পৰা বিশ্ববিদ্যালয় উপাচাৰ্যলৈ অতি সোনকালে ফলাফলৰ বিসংগতি দূৰ কৰিবলৈ আবেদন জনোৱা হয়।

৫। ৩ মে', ২০১৮। মহাবিদ্যালয়ৰ ডিজিটেল গ্ৰন্থাগাৰত অত্যাধুনিক সা-সুবিধা আছে যদিও কিছু অসুবিধাও আছে। ছাত্ৰ-ছাত্ৰীসকলে চূড়ান্ত পৰীক্ষাসমূহৰ পূৰ্বৰ প্ৰশ্নকাকত সমূহ গ্ৰন্থাগাৰত পৰ্যাপ্ত পৰিমাণে বিচাৰি নাপায় আৰু দুষ্প্ৰাপ্য মূল্যবান কিছুমান গ্ৰন্থও ক্ৰয় কৰিব নোৱাৰে। আমি লিখিতভাৱে এইখিনি মহাবিদ্যালয়ৰ ৱেবছাইটত উপলব্ধ কৰিবলৈ দাবী জনাইছিলো আৰু অধ্যক্ষ আৰু লাইব্ৰেৰীয়ান মহোদয়ে কিছু দিনৰ ভিতৰত ৱেবচাইত উপলব্ধ হ'ব বুলি আশ্বাস দিছিল। আমি সুখী কাৰণ আমাৰ কাৰ্যকালতে ইয়াৰ কাম আৰম্ভ হৈছিল।

৬। ৩১ মাৰ্চ, ২০১৮। চতুৰ্থ বাৰ্ষিক ত্ৰৈলোক্য নাথ গোস্বামী স্মাৰক বক্তৃতানুষ্ঠান। অনুষ্ঠানত 'সাম্প্ৰতিক অসমীয়া চুটিগল্পৰ গতি-প্ৰকৃতি, বক্তৃতা প্ৰদান কৰে নলবাৰী ৰত্ন,

সাহিত্যচাৰ্য্য ড° বসন্ত কুমাৰ ভট্টাচাৰ্যদেৱে। তদুপৰি, মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক, অসম চৰকাৰৰ প্ৰাক্তন শিক্ষামন্ত্ৰী ৰমণী বৰ্মনদেৱ ৰচিত গ্ৰন্থ "ইতিহাসৰ পাত লুটিয়াই হৃদয়ৰ সংলাপ" গ্ৰন্থখন উন্মোচন কৰে বিশিষ্ট শিল্পী ডাঃ অঞ্জনজ্যোতি চৌধুৰীদেৱে।

**সাংস্কৃতিক আৰু সাহিত্যৰ ক্ষেত্ৰত ঃ**

১। ১৫ মাৰ্চ, ২০১৮ তাৰিখে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ এটা সাংস্কৃতিক দলে অসমক প্ৰতিনিধিত্ব কৰি উৰিষ্যাত লোক-সংস্কৃতিৰ ৰূপ প্ৰদৰ্শিত কৰিবলৈ সক্ষম হয়।

২। ঐতিহ্যমণ্ডিত নলবাৰী মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখনৰ স্থায়ী নাম নাছিল। ছাত্ৰ একতা সভাৰ লিখিত অনুৰোধ মৰ্মে মহাবিদ্যালয় পৰিচালনা সমিতিত মহাবিদ্যালয় আলোচনীখনৰ নাম 'নলবাৰী' হিচাপে গৃহীত হয়।

৩। ১১ ফেব্ৰুৱাৰী, ২০১৮ বৰ্ষত অনুষ্ঠিত হৈ যোৱা ব্ৰহ্মপুত্ৰ সাহিত্য উৎসৱত মহাবিদ্যালয়ৰ ২০০ ৰো অধিক ছাত্ৰ ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

৪। ৬ মাৰ্চ, ২০১৮ চনত মহাবিদ্যালয়ত আন এক আকৰ্ষণীয় অনুষ্ঠান 'কাব্য দিৱস' অনুষ্ঠিত হৈছিল। কাব্য আৰু দৰ্শন কেন্দ্ৰৰ সহযোগত কাব্য দিৱসৰ পাঠ কৰা কবিতাবোৰ সংগ্ৰহ কৰি এখন কাব্য সংকলন প্ৰস্তুত কৰা হয়, যাৰ নাম দিয়ে— "নলনিৰ কল্লোলিত ছন্দ"।

৫। মহাবিদ্যালয়ত পোন প্ৰথমবাৰ বাবে অনুষ্ঠিত হয় "নলবাৰী মহাবিদ্যালয় মহোৎসৱ"। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দীপক গোস্বামীদেৱে সঞ্চালনা কৰা উক্ত মহোৎসৱত উপস্থিত থাকে বিশ্ববিদ্যালয় অনুদান আয়োগ মানৱ সম্পদ উন্নয়ন কেন্দ্ৰ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ সঞ্চালক ড° যোগেন চন্দ্ৰ কলিতাদেৱ, সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি মণি মাধৱ মহন্ত ডাঙৰীয়া, গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক মনজিৎ শৰ্মা ডাঙৰীয়া, সৰগম সংগীত বিদ্যালয়, গুৱাহাটীৰ সঞ্চালক নীৰেন বৈশ্য ডাঙৰীয়া, বিশিষ্ট নাগাৰা নামৰ শিল্পীদ্বয় ৰামচৰণ ভৰালীদেৱ আৰু কৈলাশ তালুকদাৰদেৱ, সাংস্কৃতিক অনুষ্ঠানত উপস্থিত থাকে বিশিষ্ট অভিনেতা মৃদুল ভূঞা আৰু অভিনেত্ৰী গায়ত্ৰী মহন্ত আৰু জনপ্ৰিয় গায়ক ৰিংকু প্ৰিয়ম।

৬। নলবাৰী ৰাস মহোৎসৱৰ গ্ৰন্থমেলাৰ (২০১৭) বাকৰিত নলবাৰী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা এক সাংস্কৃতিক অনুষ্ঠান পৰিবেশন হয়।

৭। ৩০ তম্ সদৌ অসম ভিত্তি প্ৰসন্ন নাৰায়ণ চৌধুৰী সোঁৱৰণী একাংক নাট প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দল এটিয়ে অংশ গ্ৰহণ কৰে।

**বিভিন্ন সামাজিক ক্ষেত্ৰত ঃ**

১। নলবাৰী মহাবিদ্যালয় শিক্ষক গোট আৰু ছাত্ৰ একতা সভাৰ যৌথ উদ্যোগত ৫ নৱেম্বৰ, ২০১৭ ইং তাৰিখে সংগীত সূৰ্য ড° ভূপেন হাজৰিকাদেৱৰ মৃত্যু দিৱস উপলক্ষে গীত, কথা আৰু কবিতাৰ আধাৰত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়।

২। ১০ ডিচেম্বৰ, ২০১৭ শ্বহীদ দিৱস। অসমৰ জাতীয় আন্দোলনত প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদ সকললৈ ছাত্ৰ একতা সভাৰ পৰা সন্ধিয়া এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়।

৩। নলবাৰীৰ লগতে পাশ্ববৰ্ত্তী অঞ্চলত বিজ্ঞানক জনমুখী কৰি তোলা আন্দোলনৰ অগ্ৰণীসকলৰ অন্যতম, নলবাৰী মহাবিদ্যালয়ত বিজ্ঞান শাখা প্ৰৱৰ্ত্তন হোৱাৰে পৰা সুদীৰ্ঘ বছৰ পদাৰ্থ বিজ্ঞান বিভাগত অধ্যাপনা কৰি মুৰব্বী অধ্যাপক হিচাপে অৱসৰ গ্ৰহণ কৰা বিশিষ্ট শিক্ষাবিদ প্ৰভাত চন্দ্ৰ শৰ্মাক মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা ৰাজহুৱা সভাত ছাত্ৰ একতা সভাৰ তৰফৰ পৰা সম্বৰ্দ্ধনা জনোৱা হয়।

৪। শিল্পী দিৱস উপলক্ষে ১৭ জানুৱাৰী, ২০১৮ তাৰিখে ছাত্ৰ একতা সভাৰ উদ্যোগত 'শিল্পী দিৱস' উদ্‌যাপন কৰা হয়।

৫। গণৰাজ্য দিৱসৰ লগত সংগতি ৰাখি ৰাষ্ট্ৰীয় সেৱা যোজনা আৰু ছাত্ৰ একতা সভাৰ যৌথ উদ্যোগত "সজাগতামূলক চাফাই অভিযান" নামৰ কাৰ্যসূচীৰ জৰিয়তে মহাবিদ্যালয় চৌহদৰ পৰা এম.এন.চি. মহাবিদ্যালয়লৈ ৰাস্তাৰ দুয়োকাষ চাফা কৰা হয়। তদুপৰি কাৰ্যকালৰ শেষৰ ফালে আৰু একতা সভাৰ উদ্যোগত আন এটি "সজাগতামূলক চাফাই অভিযান' প্লাষ্টিক বিৰোধী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। কাৰ্যসূচীটোৰ শুভাৰম্ভ কৰিছিল মহাবিদ্যালয়ৰ NSS গোটৰ প্ৰগ্ৰেম অফিচাৰ কুমুদ ৰাভা ছাৰে।

৬। ১৯৭৪ চনৰ খাদ্য আন্দোলনত শ্বহীদ হোৱা শ্বহীদক সুঁৱৰি ছাত্ৰ একতা সভাৰ উদ্যোগত ১০ জুন, ২০১৮ ইং চনৰ দিনা সন্ধিয়া মহাবিদ্যালয়ৰ চৌহদত বন্তি প্ৰজ্বলন কৰা হয়।

৭। কাৰ্বি আংলঙত অকালতে প্ৰাণ হেৰুওৱা দুই উজ্জ্বল প্ৰতিভা নীলোৎপল দাস আৰু অভিজিৎ নাথৰ বিদেহ

আত্মাৰ সদ্‌গতিৰ কামনা কৰি ছাত্ৰ একতা সভাৰ উদ্যোগত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰা হয় লগতে সেই অনুষ্ঠানৰ জৰিয়তে দোষীক শাস্তি বিহিবলৈ ছাত্ৰ একতা সভাই দাবী জনায়।

৮। নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ উদ্যোগত আৰু আছু গোটৰ সহযোগত অসম মহিলা বিশ্ববিদ্যালয়ক পূৰ্ণাংগ পৰ্যায়ৰ বিদ্যালয়ৰূপে গঢ়ি তোলাৰ দাবীত ২৭ মাৰ্চ, ২০১৮ তাৰিখে মহাবিদ্যালয়ৰ চৌহদত 'অৱস্থান ধৰ্মঘট' কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

৯। ১৮ আগষ্ট, ২০১৮ত দিনৰ ১ বজাত প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ আত্মাৰ সদ্‌গতিৰ কামনাৰ্থে মহাবিদ্যালয়ত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰা হয়।

১০।৩০ অক্টোবৰ ২০১৭, কলা দিৱস। ২০০৮ চনৰ ৩০ অক্টোবৰত অসমৰ ৩ খন জিলাত হোৱা ধাৰাবাহিক বোমা বিস্ফোৰণৰ  ফলত প্ৰাণ হেৰুওৱা নিৰীহ লোকসকলৰ আত্মাৰ সদ্‌গতিৰ বাবে সন্ধিয়া মহাবিদ্যালয়ৰ চৌহদত বন্তি প্ৰজ্বলন কৰা হয়।

১১।অসমৰ স্বৰ্ণকন্যা, দৌৰবিদ হিমা দাসক মহাবিদ্যালয়ৰ পৰিয়ালৰ পৰা লতাশিল খেলপথাৰত ৰাজহুৱা সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

১২।ছাত্ৰ একতা সভাৰ লিখিত অনুৰোধ আৰু মহাবিদ্যালয়ৰ অধ্যাপক কুমুদ ৰাভা ছাৰৰ প্ৰচেষ্টাৰ ফলত মহাবিদ্যালয়ত "ৰক্তদান শিবিৰ" অনুষ্ঠিত হয়।

**সাফল্য ঃ**

১। গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱ ২০১৮ ত মহাবিদ্যালয়ে ১৮টা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি মুঠ ১৩টা প্ৰতিযোগিতাত পদক লাভ কৰি যুৱ মহোৎসৱৰ ইতিহাসত সৰ্বাধিক পদক অৰ্জন কৰি বিশ্ববিদ্যালয়ৰ ভিতৰতে তৃতীয় শ্ৰেষ্ঠ মহাবিদ্যালয় হিচাপে বিবেচিত হয়।

২। নলবাৰী মহাবিদ্যালয়ৰ NSS গোটৰ এক সুকীয়া স্থান আছে। ডিচেম্বৰ মাহত মহাবিদ্যালয় NSS গোটৰ উদ্যোগত মুগকুছি গাঁৱত "Special Camp" অনুষ্ঠিত হয়। বিভিন্ন কাৰ্যসূচীত NSS গোটৰ সক্ৰিয়তা লেখতলবলগীয়া। তদুপৰি, কেন্দ্ৰীয় চৰকাৰৰ যুৱ কল্যাণ আৰু ক্ৰীড়া মন্ত্ৰণালয়ৰ উদ্যোগত আয়োজিত ৰাষ্ট্ৰীয় সেৱা যোজনাৰ ৰাষ্ট্ৰীয় একতা শিবিৰত মহাবিদ্যালয়ৰ ৬ জন ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। উৰিষ্যাৰ ভুৱনেশ্বৰত হোৱা একতা শিৰিৰত নলবাৰী মহাবিদ্যালয় NSS গোটৰ ইতিহাসত প্ৰথমবাৰৰ বাবে ৪ টাকৈ পদক বুটলিবলৈ সক্ষম হয়। উল্লেখযোগ্য যে, উক্ত শিবিৰত State Exhibition and Photo Exhibitionপ্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে ভূগোল বিজ্ঞান বিভাগৰ ছাত্ৰ মানস জ্যোতি তালুকদাৰে, ব্যংগ নাট প্ৰতিযোগিতাত তৃতীয় স্থান লাভ কৰে সংস্কৃত বিভাগৰ ছাত্ৰ দ্বীপজ্যোতি কলিতাই, ঠাইতে লিখা ৰচনা প্ৰতিযোগিতাৰ দ্বিতীয় স্থান লাভ কৰে প্ৰাণীবিজ্ঞান বিভাগৰ ছাত্ৰী নিকুমণি ডেকাই আৰু দুশ মিটাৰ দৌৰ প্ৰতিযেগিতাত দ্বিতীয় স্থান লাভ কৰে ভূগোল বিজ্ঞান বিভাগৰ ছাত্ৰ নয়নমণি ডেকাই। ইয়াৰোপৰি, গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা Special Mega Camp ত মহাবিদ্যালয়ৰ ২জন ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

৩। গণৰাজ্য দিৱসত নলবাৰী জিলা প্ৰশাসনে আয়োজন কৰা কুচ-কাৱাজ প্ৰতিযোগিতা আৰু সাংস্কৃতিক প্ৰতিযোগিতাত নলবাৰী মহাবিদ্যালয় NCC গোটে প্ৰথম স্থান লাভ কৰে। তদুপৰি দ্বিসপ্ততিতম্ স্বাধীনতা দিৱসত নলবাৰী জিলা প্ৰশাসনে আয়োজন কৰা কুচ-কাৱাজ প্ৰতিযোগিতাতো প্ৰথম স্থান লাভ কৰে। মহাবিদ্যালয় NCC গোটৰ উদ্যোগত ছাত্ৰ এখতা সভাৰ সহযোগত অনুষ্ঠিত অসম ভিত্তিক কুচ-কাৱাজ প্ৰতিযোগিতাত নলবাৰী মহাবিদ্যালয়ে দ্বিতীয় স্থান লাভ কৰে।

৪। গুৱাহাটী বিশ্ববিদ্যালয় স্নাতক বৰ্ষৰ চূড়ান্ত পৰীক্ষাৰ ফলাফলত বিজ্ঞান আৰু কলা শাখাত প্ৰথম শ্ৰেণীৰ শীৰ্ষস্থান ৭ গৰাকীয়ে লাভ কৰি মহাবিদ্যালয় তথা নলবাৰীবাসীলৈ গৌৰৱ কঢ়িয়াই আনে।

**অন্যান্য কাৰ্যসূচী ঃ**

১। ৫ জুন, ২০১৮, বিশ্ব পৰিৱেশ দিৱস উপলক্ষে Green ক্ল'বৰ সহযোগত মহাবিদ্যালয় চৌহদত গছপুলি ৰোপণ কৰা হয়।

২। ২৩ জানুৱাৰী, ২০১৮। প্ৰতিবছৰৰ দৰে যোৱাবেলিও শিক্ষক গোটৰ উদ্যোগত ছাত্ৰ একতা সভা আৰু কলেজ কৰ্তৃপক্ষৰ সহযোগত সৰস্বতী পূজা পালন কৰা হয়।

৩। অসমত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হোৱা গুৱাহাটী ইন্টাৰনেশ্বনেল ফিল্ম ফেষ্টিভেলত মহাবিদ্যালয়ৰ পৰা ছাত্ৰ একতা সভাৰ নেতৃত্বত প্ৰায় ২০০ ৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

**আন্তঃগাঁথনিৰ ক্ষেত্ৰত ঃ**

১। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আন এটা প্ৰধান সমস্যা হৈছে চাইকেল, বাইক আস্থানৰ পৰ্যাপ্ত পৰিমাণে অভাৱ। ছাত্ৰ একতা সভাৰ অনুৰোধ মৰ্মে নিৰ্মিয়মান বিজ্ঞান ভৱনৰ

সন্মুখভাগত নতুনকৈ মাটি দিয়ে আৰু নতুনকৈ চাইকেল, বাইকষ্টেণ্ডৰ ব্যৱস্থা কৰি দিয়ে।

২। মহাবিদ্যালয়ৰ কোঠাসমূহত নতুনকৈ ৰং কৰাৰ ব্যৱস্থা কৰি দিয়ে। ছাত্ৰ একতা সভাৰ কাৰ্যালয় আৰু ছাত্ৰ জিৰণি কোঠাটো চাফ চিকুণ কৰি ন ৰূপ দিয়া হয় লগতে ছাত্ৰ একতা সভাৰ উদ্যোগত কাৰ্যকালত কিছু অসমৰ বিশিষ্ট ব্যক্তিৰ ফটো ছাত্ৰ একতা সভাৰ কাৰ্যালয়ৰ দেৱালত সজোৱা হয়।

৩। ছাত্ৰ-ছাত্ৰীসকলৰ কিবা ওজৰ-আপত্তি বা পৰামৰ্শ থাকিলে জনাবলৈ Complain Boxৰ ব্যৱস্থা কৰা হয়।

৪। নতুন ছাত্ৰাৱাস নিৰ্মাণৰ বাবে মহাবিদ্যালয় কৰ্তৃপক্ষ আৰু মহাবিদ্যালয় পৰিচালনা সমিতিক লিখিতভাৱে অনুৰোধ জনাইছিলো। তদুপৰি, মহাবিদ্যালয়ৰ প্ৰভাত চন্দ্ৰ গোস্বামী প্ৰেক্ষাগৃহটো বিজ্ঞানসন্মত, আহল-বহল, উন্নত মানৰ গঢ়ি তুলিবলৈও মহাবিদ্যালয় কৰ্তৃপক্ষ আৰু পৰিচালনা সমিতিক অনুৰোধ জনাইছিলোঁ।

৫। মহাবিদ্যালয়ৰ প্ৰধান সমস্যা আছিল- খোৱাপানীৰ সমস্যা, নিত্য ব্যৱহাৰ্য পানী, তদুপৰি, মহাবিদ্যালয়ৰ পৰা ছাত্ৰী নিবাসলৈ যোৱা ভিতৰৰ ৰাস্তাটো সুবিধাজনক নাছিল। উক্ত বিষয়কেইটাত আমাৰ পৰা কলেজ কৰ্তৃপক্ষক বহুত হেঁচা দিয়াৰ ফলশ্ৰুতিতে নিত্য ব্যৱহাৰ্য পানী আৰু অহা যোৱা কৰা ৰাস্তাৰ সু ব্যৱস্থা হ'ল। কিন্তু, খোৱা পানী আৰু ৰন্ধন গেছৰ ক্ষেত্ৰত কিছু পলম হোৱাত ছাত্ৰ একতা সভাৰ তৰফৰ পৰা চলিব পৰাকৈ এটা ষ্টীলৰ ফিল্টাৰ যোগান ধৰা হয়।

৬। মহাবিদ্যালয়ত "জাননী ফলক" আছিল যদিও উন্নত মানৰ নাছিল। অধ্যক্ষ মহোদয়ক আমি এখন উন্নতমানৰ 'জাননী ফলক" নিৰ্মাণ কৰি দিবলৈ অনুৰোধ জনাইছিলো আৰু কাৰ্যকালৰ শেষৰ পিনে এখন উন্নত মানৰ জাননী ছাত্ৰ-ছাত্ৰীসকলে লাভ কৰিলে। আমাৰ কাৰ্যকালতে কলেজৰ মানচিত্ৰৰ ব্যৱস্থা কৰি দিয়ে।

৭। ছাত্ৰ একতা সভাৰ দায়িত্ব গ্ৰহণ কৰিয়ে আমি স্বচ্ছতাৰ দিশত কাৰ্যসূচী হাতত লৈছিলো। ছাত্ৰ একতা সভাৰ প্ৰথমখন সভাৰ সিদ্ধান্ত মৰ্মে প্ৰতি মাহৰ তৃতীয় শনিবাৰে এটাকৈ বিভাগ আৰু ছাত্ৰ একতা সভাৰ মিলিত প্ৰচেষ্টাত মহাবিদ্যালয় চৌহদ চাফ চিকুণ কৰা হয়।

৮। ২৩ জানুৱাৰী, ২০১৮ চন নলবাৰী মহাবিদ্যালয়ৰ বিজ্ঞান ভৱনৰ আধাৰশিলা স্থাপন কৰে স্থানীয় বিধায়ক অশোক শৰ্মাই।

৯। জাতীয় শ্বহীদৰ স্মৃতি বিজড়িত কৰি ৰাখিবলৈ নিৰ্মাণ কৰা নলবাৰী মহাবিদ্যালয়ৰ শ্বহীদ বেদীটো পুনৰ নিৰ্মাণ কৰে আৰু যিসকল স্বনামধন্য ব্যক্তিৰ কষ্টৰ ফলত নলবাৰী মহাবিদ্যালয়ে জন্ম লাভ কৰিছিল তেখেতসকলৰ স্মৃতি ৰক্ষাৰ্থে আমাৰ কাৰ্যকালতে 'স্মৃতিতৰ্পণ' নিৰ্মাণ কাৰ্য আৰম্ভ কৰে।

১০। উদ্ভিদ বিজ্ঞান বিভাগৰ গাতে লাগি থকা ল'ৰাৰ প্ৰস্ৰাৱগাৰটো নতুনকৈ বিজ্ঞানসন্মতভাৱে আমাৰ কাৰ্যকালতে নিৰ্মাণ কৰে আৰু তাত ল'ৰাৰ বাবে নতুনকৈ শৌচালয় নিৰ্মাণৰ ব্যৱস্থা কৰা হয়। আনহাতে ছোৱালীৰ বাবে ৰসায়ন বিজ্ঞান বিভাগৰ কাষত থকা প্ৰস্ৰাৱগাৰটো নতুনকৈ মুকলি কৰি দিয়া হয়।

**ছাত্ৰ-ছাত্ৰীৰ কল্যাণৰ বাবে ঃ**

১। এপ্ৰিল মাহৰ ১৩ তাৰিখে নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ উদ্যোগত মহাবিদ্যালয়ৰ ষষ্ঠ ষাণ্মাষিকৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এখন বিদায় সভা অনুষ্ঠিত কৰা হয়।

২। ১৩ আগষ্ট, ২০১৮ । মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত মহাবিদ্যালয়ৰ ছাত্ৰী নৱনীতা চক্ৰৱৰ্তীৰ পৰিয়াললৈ ২২,০২২ টকা মহাবিদ্যালয়ত সংগ্ৰহ কৰি আগবঢ়োৱা হয়।

৩। মহাবিদ্যালয়ৰ ইতিহাসত পোনপ্ৰথমবাৰৰ বাবে অনুষ্ঠিত হৈছিল শাৰীৰিক শিক্ষা বিভাগৰ উদ্যোগত প্ৰাক্তন অধ্যক্ষ জগন্নাথ চক্ৰৱৰ্তী সোঁৱৰণী আন্তঃবিভাগ ফুটবল প্ৰতিযোগিতা। প্ৰতিযোগিতাখনিত ছাত্ৰ একতা সভাৰ তৰফৰ পৰা গামোচাখিনি দিয়া হৈছিল। চূড়ান্ত খেলখনত বিজয় সাব্যস্ত কৰিছিল ভূগোল বিজ্ঞান বিভাগে।

৪। ৪১ সংখ্যক সদৌ অসম ছিনিয়ৰ জুনিয়ৰ পুৰুষ-মহিলা ৰাজ্যিক পৰ্যায়ৰ এথ্‌লেটিক প্ৰতিযোগিতা ২০১৮ ত নলবাৰী মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰি সাংস্কৃতিক দল এটি প্ৰেৰণ কৰা হয়।

৫। মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ প্ৰস্তুতি আমাৰ কাৰ্যকালতে আৰম্ভ হয়।

**মহাবিদ্যালয়লৈ আমাৰ আশা ঃ** (ভৱিষ্যতে কৰিবলগীয়া)

১। মহাবিদ্যালয় এখনৰ 'Theme Song' টোৱে মহাবিদ্যালয়খনক নতুন ৰূপত চিনাকি কৰাই দিয়ে। নলবাৰী মহাবিদ্যালয়ৰো এটি অতীত, বৰ্তমান আৰু ভৱিষ্যত চুই যাব পৰা সুন্দৰ Theme Song প্ৰস্তুত কৰিবলৈ নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভাই সৰ্বসন্মত

সিদ্ধান্ত গ্ৰহণ কৰি কৰ্তৃপক্ষৰ ওচৰত প্ৰস্তাৱ প্ৰেৰণ কৰা হয়। উল্লেখযোগ্য যে নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাংস্কৃতিক বিভাগৰ উদ্যোগত জনপ্ৰিয় কবি প্ৰণৱ কুমাৰ বৰ্মন আৰু সুৰকাৰ অনিল বৰকটকীৰ সুৰ পৰিচালনাত মহাবিদ্যালয়ৰ বৈশিষ্ট্য প্ৰকাশিত এটি বৃন্দ গীত প্ৰস্তুত কৰি ২০১৮ বৰ্ষৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপনৰ আৰম্ভণি গীত হিচাবে পৰিৱেশন কৰা হয়।

২। NCC আৰু NSS গোটৰ কোঠাৰ অৱস্থা অসন্তোষজনক। পৰৱৰ্তী সময়ত আমি আশা কৰো NCC আৰু NSS গোটৰ কোঠা দুটা আহল-বহল উন্নত মানৰ কোঠালৈ যাতে ৰূপান্তৰিত কৰা হয়।

৩। মহাবিদ্যালয়ৰ খেলপথাৰখন বিজ্ঞানসন্মত আৰু উন্নত মানৰ খেলপথাৰলৈ ৰূপান্তৰিত কৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক খেলধেমালিৰ প্ৰতি আকৃষ্ট কৰোৱা।

৪। মহাবিদ্যালয়ত চোৰা-চিতা কৰিবলৈ চিকিউৰিটি গাৰ্ডৰ সংখ্যা বৃদ্ধি কৰা।

৫। যোৱাবছৰ ছাত্ৰ একতা সভাৰ সংবিধান প্ৰস্তুত হ'ল যদিও সংবিধান পৰিচালনা সমিতিত গৃহীত হোৱা নাই। পৰিচালনা সমিতিৰ সভাত আমি গৃহীত কৰিবলৈ অনুৰোধ জনাইছিলো। সমিতিয়ে কলেজ কৰ্তপক্ষক গৃহীত কৰিবলৈ যাৱতীয় ব্যৱস্থা কৰিবলৈ দিয়া বুলি আমাক জনায়। সেয়ে সোনকালে গৃহীত হ'ব বুলি আমি গভীৰ আশাবাদী।

**কৃতজ্ঞতা আৰু ধন্যবাদ ঃ**

নলবাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দীপক গোস্বামী ছাৰ, উপাধ্যক্ষা মঞ্জুলা দত্ত ৰায়বৰুৱা বাইদেউ, ছাত্ৰ একতা সভাৰ প্ৰধান তত্বাৱধায়ক ড° মণি শৰ্মা ছাৰ তথা ছাত্ৰ একতা সভাৰ সমূহ তত্বাৱধায়ক তত্বাৱধায়িকা, মহাবিদ্যালয়ৰ শিক্ষক গোট, একতা সভাৰ সমূহ বিষয়ববীয়া, IQACৰ সমূহ বিষয়ববীয়া, কৰ্মচাৰী বৃন্দ সকলোৰে ওচৰত মই চিৰকৃতজ্ঞ। মোৰ বিভাগ ভূগোল বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ফটিক চন্দ্ৰ বৰ্মন ছাৰ, প্ৰাক্তন মুৰব্বী অধ্যাপক ড° দীণমনি ভাগৱতী ছাৰ, সহকাৰী অধ্যাপক হিতেশ ঠাকুৰীয়া ছাৰ, বিনীতা দেৱী বাইদেউ, সহঃ শিক্ষক গিৰিণ ডেকা ছাৰ, ৰীমা দেৱী বাইদেউ আৰু মোক যোগ্য বুলি বিবেচনা কৰা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা পৰিয়ালবৰ্গৰ ওচৰত মই চিৰকৃতজ্ঞ। নলবাৰী আঞ্চলিক ছাত্ৰ সন্থা, বৰক্ষেত্ৰী আঞ্চলিক ছাত্ৰ সন্থা, সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাই মোক সদৌ অসম ছাত্ৰ সন্থাৰ মনোনীত প্ৰাৰ্থী হিচাপে নলবাৰী মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদকৰ পদত নিৰ্বাচিত হোৱাৰ সুযোগ দিয়া বাবে সকলোৰে ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

মোৰ কাৰ্যকালত প্ৰতিটো কামত দিহা পৰামৰ্শ উপদেশ আগবঢ়াই অহা শ্ৰদ্ধাৰ ড° ৰঞ্জনা ভট্টাচাৰ্য বাইদেউ, ড° ৰতন ডেকা ছাৰ, ড° ধনদা ডেকা বাইদেউ, ড° অমৰ নায়ক ছাৰ, অঞ্জন ছাৰ, ড° নিপন মজুমদাৰ ছাৰ, গীতিমা বুজৰবৰুৱা বাইদেউ, ড° সুব্ৰত বৰ্মন ছাৰ, ড° প্ৰদ্যুম্ন শৰ্মা ছাৰ, কুমুদ ৰাভা ছাৰ, কন্দৰ্প কলিতা ছাৰ, অনন্ত ৰাজবংশী ছাৰ, ড° গৌতম সন্দিকৈ ছাৰ, গৌতম শৰ্মা ছাৰ, ৰিন্টু ডেকা ছাৰ, বিদ্যুৎ দাস ছাৰ, ড° ৰঞ্জন শৰ্মা ছাৰ, ভাস্কৰ ভট্ট ছাৰ, দীপক কলিতা ছাৰ, ৰূপক ছাৰ আৰু পৰীক্ষিত বৈশ্য ডাঙৰীয়াৰ ওচৰত মই সদায় কৃতজ্ঞ। যিসকল অগ্ৰজ অনুজ আৰু সতীৰ্থই মোৰ কাৰ্যকালৰ সকলো অনুষ্ঠান সুচাৰুৰূপে চলাই নিয়াত সহায়-সহযোগিতা আগবঢ়াইছে তেওঁলোকৰ ওচৰতো বিশেষভাৱে মই কৃতজ্ঞতা জনালোঁ। তদুপৰি, প্ৰতিটো অনুষ্ঠানত বিশেষ ভূমিকা লোৱা মহাবিদ্যালয়ৰ NSS আৰু NCC গোটৰ ওচৰতো মই কৃতজ্ঞ। মই কৃতজ্ঞ মোৰ কাৰ্যকালত প্ৰতিটো কাৰ্যসূচীত বিশ্ববাসীৰ ওচৰলৈ লৈ যোৱাত সহায় কৰা নলবাৰীৰ সাংবাদিকসকল, প্ৰশাসনিক দিশত সহায় সহায় কৰা নলবাৰী সদৰ থানা আৰু ট্ৰেফিক পুলিচ সকল।

আপদে বিপদে সদায় সহায় কৰি অহা ৰঞ্জন দা, তহবিলদাৰ খুড়া, গণেশ খুড়া, ৰাভা খুড়া, মিতুপন দা, পাৰ্থ দা, প্ৰবোধ দা, বিতু দা, মনোজ দা, মন্টু দা আৰু কেন্টিনৰ সহজ-সৰল স্বত্বাধিকাৰী সুভাষ দাৰ ওচৰতো মই কৃতজ্ঞ। শেষত, মই আজীৱন চিৰকৃতজ্ঞ হৈ ৰ'ম নলবাৰীবাসীৰ ওচৰত, যিসকলে মোক বহু মৰম দিছে আৰু অভিভাৱকত্ব প্ৰদান কৰি সঠিক পথৰ সন্ধান দিছে।

জয়তু নলবাৰী মহাবিদ্যালয়
জয়তু নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভা
জয় আই অসম।

**মানসজ্যোতি তালুকদাৰ**
সাধাৰণ সম্পাদক
নলবাৰী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা, ২০১৭-২০১৮ ইং বৰ্ষ



# সহঃ সাধাৰণ সম্পাদক (দিবা)ৰ প্ৰতিবেদন

*জীৱনৰ জটিলতাই তোমাক*
*ধ্বংস কৰিবলৈ নাহে,*
*বৰঞ্চ ইয়াৰ দ্বাৰা তোমাৰ*
*ধৈৰ্য আৰু শক্তিক পৰীক্ষাৰ*
*বাবে এক সুযোগ দিয়ে।*
*সেয়েহে জটিলতাক বুজাই দিয়া*
*তুমিও যে জটিল।*
**—এ.পি.জে. আব্দুল কালাম**

**প্ৰতিবেদনৰ আৰম্ভণি ঃ**

ঐতিহ্যমণ্ডিত নলবাৰী মহাবিদ্যালয় প্ৰতিষ্ঠাৰ বাবে যিসকল মহান মনিষীয়ে অশেষ ত্যাগ আৰু শ্ৰমৰ নিদৰ্শন দাঙি ধৰিছিল, সেইসকল ব্যক্তিৰ প্ৰতি সশ্ৰদ্ধা প্ৰণিপাত অঞ্জলি যাচিলোঁ।

২০১৭-১৮ বৰ্ষৰ "নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভা"ৰ সাধাৰণ নিৰ্বাচনত শিক্ষাগুৰু আৰু জ্যেষ্ঠসকলৰ আশীৰ্বাদ, সতীৰ্থ আৰু কনিষ্ঠসকলৰ সহযোগ, নলবাৰী মহাবিদ্যালয়ৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ "নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভা"ৰ "সহঃ সাধাৰণ সম্পাদক"ৰ দায়িত্ব লাভ কৰো। যিহেতু মই সহঃ সাধাৰণ সম্পাদক হিচাপে প্ৰতিনিধিত্ব কৰিছিলো, গতিকে মোৰ বাবে এই পদটোৰ গুৰু দায়িত্ব আছিল। দায়িত্ব কঠিন আছিল যদিও মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় সমন্বিতে শিক্ষাগুৰু আৰু মোৰ তত্ত্বাৱধায়ক আৰু ছাত্ৰ-ছাত্ৰী সকলৰ পূৰ্ণ সহযোগে আমাক উৎসাহিত কৰিছিল।

আমাৰ এই এবছৰীয়া কাৰ্যকালত মই কিমান দূৰ সফল হৈছো, তাক কৰ্তৃপক্ষ আৰু ছাত্ৰ-ছাত্ৰীয়ে বিচাৰ কৰিব। মোৰ কাৰ্যকালত মোৰ এটাই লক্ষ্য আছিল যে মই মহাবিদ্যালয়ৰ প্ৰতি নিঃস্বাৰ্থভাৱে সেৱা আগবঢ়াম আৰু সু-নতুনত্ব আনিম, আৰু মই সুখী যে মই এই সেৱা আগবঢ়াবলৈ সক্ষম হৈছো লগতে নতুন কাৰ্যসূচীৰ সংযোজন ঘটাবলৈও সক্ষম হৈছো। সম্পাদক সকলৰ বিভাগীয় সীমিত বাজেটৰ বিপৰীতে মহাবিদ্যালয়খনৰ কিছু ক্ষেত্ৰত থকা বাধাসমূহে বিভিন্ন ক্ষেত্ৰত আমাক হতাশ কৰিছিল যদিও শিক্ষাগুৰু, ছাত্ৰ-ছাত্ৰীৰ সহায়-সহযোগে দিছিল এক অমূল্য সঞ্জীৱনী।

**অনুষ্ঠান উদযাপন ঃ**

আমাৰ কাৰ্যকালত ২ৰ পৰা ৮ ফেব্ৰুৱাৰী, ২০১৮ ইং চন তাৰিখলৈ বিভিন্ন কাৰ্যসূচীৰে মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰা হৈছিল। ছাত্ৰ একতা সভাৰ প্ৰথমটো বৃহৎ কাৰ্যসূচী আছিল বাৰ্ষিক "মহাবিদ্যালয়

সপ্তাহ"। মহাবিদ্যালয় সপ্তাহত সহঃ সাধাৰণ সম্পাদক হিচাপে পৰিচালনা কৰিবলগীয়া কাৰ্যসূচীসমূহ আছিল চিত্ৰ, শিল্প আৰু ফটোগ্ৰাফীৰ এখন প্ৰদৰ্শনী আৰু তৰ্ক প্ৰতিযোগিতা। তাৰ লগতে মোৰ এই সহঃ সাধাৰণ সম্পাদকৰ কাৰ্যসূচীত প্ৰথমবাৰৰ বাবে মই সংযোজন কৰিছিলো এটা বহুত নিয়ন্ত্ৰণৰ মাজত পৰিচালনা কৰিবলগীয়া খেল "Treasure Hunt, The Mind Game"। বাকীকেইটা কাৰ্যসূচীৰ তুলনাত এই খেলটোত মই বহু বেছি সময় দিবলগা হৈছিল। কাৰণ এই নতুন কাৰ্যসূচীটো সু-ৰূপে পৰিচালনা নহ'লে যথেষ্ট লোকচান হোৱাৰ আশংকা আছিল। খেলটো সংযোজন কৰাৰ চেষ্টাৰ সময়ত মই বহু ক্ষেত্ৰৰ পৰা অসুবিধাৰ সন্মুখীন হৈছিলো লগতে কিছুমানে সমৰ্থনো জনোৱা নাছিল এই ক্ষেত্ৰত। কিন্তু মোৰ সতীৰ্থ বন্ধু, মহাবিদ্যালয়ৰ বহুটো ছাত্ৰ আৰু মোৰ তত্বাৱধায়ক ছাৰে দিয়া উৎসাহৰ বাবে মই এই নতুন কাৰ্যসূচীটো সংযোজন কৰাত সফল হৈছো।

২ ফেব্ৰুৱাৰী, মহাবিদ্যালয় সপ্তাহৰ প্ৰথমদিনা মোৰ বিভাগীয় কাৰ্যসূচী আছিল শিল্প আৰু ফটোগ্ৰাফী প্ৰদৰ্শনী। প্ৰদৰ্শনী দ্বাৰ উন্মোচন কৰিছিল আমাৰ মহাবিদ্যালয়ৰে উপাধক্ষা মঞ্জুলা দত্ত ৰায়বৰুৱা বাইদেউৱে।

মহাবিদ্যালয় সপ্তাহৰ বাকীবোৰ কাৰ্যসূচীত বাধাৰ সৃষ্টি নহোৱাৰ কথা ভাবি নতুন খেল "Treasure Hunt, The Mind Game"টো ৪ ফেব্ৰুৱাৰী, ২০১৮ ইং চন তাৰিখ ৰবিবাৰে অনুষ্ঠিত কৰিছিলো, যিটো দিনত মহাবিদ্যালয় সপ্তাহৰ বেলেগ একো খেলেই অনুষ্ঠিত কৰা হোৱা নাছিল। কাৰণ উক্ত নতুন খেলটোৰ বাবে প্ৰয়োজন আছিল গোটেই মহাবিদ্যালয়ৰ প্ৰত্যেকটো বিভাগৰ শ্ৰেণীকোঠা, কেনটিন, খেলপথাৰকে ধৰি কলেজৰ প্ৰেক্ষাগৃহ, মঞ্চ ইত্যাদি। খেলটোত অংশগ্ৰহণকাৰী প্ৰতিযোগী দলৰ সংখ্যা ৫০তকৈও অধিক হৈছিল, এটা দলত তিনিজনকৈ সদস্য আছিল। খেলৰ সময়ত ১৫০তকৈ বেছি খেলুৱৈক নিয়ন্ত্ৰণ কৰি ৰাখিবলৈ ৫০জন স্বেচ্ছাসেৱক ৰখা হৈছিল। খেলখন ভবাৰ দৰে সুপৰিৱেশত হৈ যোৱাত আমি বহুত সুখ অনুভৱ কৰিছিলো।

"Treasure Hunt"ৰ বিজয়ী দলৰ সদস্য ভাস্বতী ডেকা, ভাস্বতী দাস, চিমি কলিতা। ৭ ফেব্ৰুৱাৰী, ২০১৮ তাৰিখ বুধবাৰে মোৰ বিভাগৰ কাৰ্যসূচী আছিল তৰ্ক প্ৰতিযোগিতা। তৰ্ক প্ৰতিযোগিতাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ জ্ঞানৰ পৰিসৰ আৰু শ্ৰোতাৰ অনুসন্ধিৎসু মনৰ উৎকৰ্ষ সাধন হয়। তৰ্ক প্ৰতিযোগিতাৰ এইটো দিশক গুৰুত্ব দি প্ৰতিযোগিতাৰ বিষয় ৰখা হৈছিল– "সুকীয়া ৰাজ্য গঠনৰ দাবী জাতীয় উন্নয়নৰ পৰিপন্থী।" উক্ত প্ৰতিযোগিতাটো মহাবিদ্যালয়ৰ ডিজিটেল ৰূমত অনুষ্ঠিত কৰা হৈছিল। বিৰোধী পক্ষৰ জয়ৰে প্ৰতিযোগিতাৰ সু-সামৰণি ঘটে।

**তৰ্ক প্ৰতিযোগিতাৰ পুৰস্কাৰ প্ৰাপক ঃ**

প্ৰথম পুৰস্কাৰ ঃ শ্ৰীজ্ঞানী শৰ্মা

দ্বিতীয় পুৰস্কাৰ ঃ সাগৰিকা কলিতা

তৃতীয় পুৰস্কাৰ ঃ জিন্টুমণি কলিতা

সহঃ সাধাৰণ সম্পাদক হিচাপে পৰিচালনা কৰিবলগীয়া "নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভা"ৰ অন্যতম কাৰ্যসূচী আছিল সদৌ অসম ভিত্তিক "প্ৰসন্ন নাৰায়ণ চৌধুৰী" স্মাৰক তৰ্ক প্ৰতিযোগিতা। এটা দুখৰ কথা যে এইবাৰ উক্ত প্ৰতিযোগিতাখন অনুষ্ঠিত কৰাৰ বাবে যিটো তাৰিখ ঠিক কৰা হৈছিল কিছুমান অনাকাংক্ষিত কাৰণৰ বাবে এদিন এদিনকৈ তিনিদিন তিনিটা তাৰিখ নিৰ্ধাৰণ কৰাৰ পাছতো তাৰিখবোৰ অগ্ৰাহ্য কৰিবলগা হৈছিল। কিন্তু মোৰ তত্বাৱধায়ক, সতীৰ্থ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সহমত প্ৰকাশৰ বাবে ১ চেপ্তেম্বৰ তাৰিখে অনুষ্ঠানটো অনুষ্ঠিত কৰিবলৈ সক্ষম হৈছো।

১ ছেপ্টেম্বৰত অনুষ্ঠিত হোৱা তৰ্ক প্ৰতিযোগিতাৰ বিষয় আছিল– "অৰ্থনৈতিক স্বাৱলম্বিতাৰ জৰিয়তেহে অসম আৰু অসমীয়াৰ ভৱিষ্যত সুৰক্ষিত হ'ব পাৰে।" (Economic self dependence is the only way to safe guard the furture of Assam and Assamese people)। অইনবাৰৰ তুলনাত এইবাৰ ২০১৮ বৰ্ষৰ "প্ৰসন্ন নাৰায়ণ চৌধুৰী" স্মাৰক তৰ্ক প্ৰতিযোগিতাত বেছি প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা দেখা গৈছিল লগতে শ্ৰোতা দৰ্শকৰ সংখ্যাও তুলনামূলকভাৱে বেছি আছিল। ই এক সু-পৰিৱৰ্ত্তনৰ চিহ্ন। প্ৰতিযোগীতাখনত প্ৰতিযোগী হিচাপে অংশগ্ৰহণ কৰিছিল অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা মহাবিদ্যালয় আৰু অনুষ্ঠানসমূহৰ ছাত্ৰ-ছাত্ৰীসকলে। সেই দিনা এই অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে "নলবাৰী জিলাৰ উপায়ুক্ত শ্ৰীযুত সঞ্জীৱ কুমাৰ দাস আমাৰ মাজত উপস্থিত থাকি তেওঁৰ সাৰুৱা ভাষণেৰে আমাক উপকৃত কৰে। লগতে আছিল সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক হিমান বৰ্মনদেৱে। এই প্ৰতিযোগিতাত পুৰস্কাৰপ্ৰাপ্ত দল আছিল—

প্ৰথম ঃ Institute of Media & Management Students– বিজিত কলিতা, নেট্ৰজিৎ বৰা

দ্বিতীয় ঃ মঙ্গলদৈ কলেজ— প্ৰাঞ্জল ডেকা, অপূৰ্ব ডেকা

প্ৰথম শ্ৰেষ্ঠ তাৰ্কিক ঃ সৌৰভজ্যোতি দত্ত

দ্বিতীয় শ্ৰেষ্ঠ তাৰ্কিক ঃ মুন তালুকদাৰ, গুৱাহাটী বিশ্ববিদ্যালয়

বিচাৰকৰ বিশেষ বঁটা ঃ চুমন বৈশ্য, নলবাৰী কলেজ।

**ব্যক্তিগত অনুভৱ ঃ**

আমাৰ কাৰ্যকালত মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ সহযোগত নলবাৰী মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰি ছাত্ৰ একতা সভাৰ তৰফৰ পৰা বিভিন্ন ঠাইত গৈ জ্ঞান আহৰণ কৰা সুযোগ পাইছিলো। তাৰ ভিতৰত কিছুমান বিশেষ অনুষ্ঠান হ'ল– গুৱাহাটী আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱ, গুৱাহাটী সাহিত্য মহোৎসৱ, গুৱাহাটী বিশ্ববিদ্যালয় যুৱ মহোৎসৱ ইত্যাদি। যিহেতু নলবাৰী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সহঃ সাধাৰণ সম্পাদকৰ দায়িত্ব তৰ্ক বিভাগৰ দায়িত্বও সন্নিবিষ্ট হৈ থাকে, সেয়েহে বিভিন্ন ঠাইত হোৱা তৰ্ক প্ৰতিযোগিতামূলক অনুষ্ঠানবোৰ আগভাগ লোৱাৰ সুযোগ পাইছিলো। অসমৰ বিভিন্ন ঠাইত অনুষ্ঠিত হোৱা তৰ্ক প্ৰতিযোগিতা সমূহত আমাৰ মহাবিদ্যালয়ৰ পৰা প্ৰতিযোগী হিচাপে নিৰ্বাচন কৰা ছাত্ৰ-ছাত্ৰীসকলক লৈ যায় সেই অনুষ্ঠান সমূহত অংগ্ৰহণ কৰিব পাই বহুতো নাজানা কথা শিকিব পাইছো।

**কৃতজ্ঞতা স্বীকাৰ আৰু প্ৰতিবেদনৰ সামৰণি ঃ**

শেষত, কাৰ্যকালৰ কাৰ্যসূচীবোৰত মোক সজ উপদেশৰ লগতে উপযুক্ত দিহা-পৰামৰ্শ দিয়াৰ বাবে মহাবিদালয়ৰ অধ্যক্ষ ড° দীপক গোস্বামীদেৱক, ছাত্ৰ একতা সভাৰ তত্বাৱধায়ক ড° মণি শৰ্মা শাস্ত্ৰীদেৱক লগতে মোৰ বিভাগীয় তত্বাৱধায়ক কুমুদ চন্দ্ৰ ৰাভা ছাৰক কৃতজ্ঞতা জ্ঞাপন কৰিলো। কাৰ্যকালৰ সময়ছোৱা দায়িত্বপূৰ্ণ কথাৰ বাহিৰেও বহু কথাৰে মোক উৎসাহিত কৰাৰ বাবে কৃতজ্ঞতা জনাইছো উপাধক্ষা ড° মঞ্জুলা দত্ত ৰায়বৰুৱা বাইদেউ, ৰতন ডেকা ছাৰ, মৃগাংক ছাৰ, প্ৰদ্যুম্ন শৰ্মা ছাৰ, ৰূপস্মিতা বুজৰবৰুৱা বাইদেউ, গিৰিন্দ্ৰ ছাৰ, ড° অমৰ নায়ক ছাৰ, কন্দৰ্প কলিতা ছাৰ সমন্বিতে মহাবিদ্যালয়ৰ সমূহ চিৰনমস্য অধ্যাপক-অধ্যাপিকা সকলক। কাৰ্যকালৰ বিভিন্ন সময়ছোৱাত মহাবিদ্যালয়ৰ ৰঞ্জন দা, মিতুপন দা, বিতু দা, পাৰ্থ দা, নিতুল দা, গনেশ খুড়া, তহবিলদাৰ খুৰা, ৰাভা খুৰা, সুভাষ দা আদি সমূহ কৰ্মচাৰী সকলৰ সহায়-সহযোগিতা তথা সজ উপদেশ শলাগ নলৈ নোৱাৰিলো।

মোৰ কাৰ্যকালত নিঃস্বাৰ্থভাৱে যথেষ্ট কষ্ট স্বীকাৰ কৰি আৰম্ভনিৰে পৰা অন্তলৈ সহায় কৰা মৰমৰ বন্ধু-বান্ধৱী দিপুল, আনোৱাৰ, দ্বীপজ্যোতি, বিশাল, জয়প্ৰকাশ, হিৰক, অনুজ, নৱ, চুমি, পৰশমণি, তাপশ, ৰাণী, মঞ্জিত, নিকু, ৰূপ, নিবেদিতা, অভিজিৎ, ব্ৰজেন, পাৰ্থ দা, বিজয় দা, দিপাংকৰ, বিকি দা, সাগৰিকা বা, কপিল দা, হেমেন দা, বিকাশ দা আটাইৰে ওচৰত মই কৃতজ্ঞ। মই পাহৰিব নোৱাৰো মোৰ প্ৰতি তেওঁলোকৰ সহায়ৰ অৱদান। উপৰোক্ত আটাইৰে উপৰিও মই চিৰ কৃতজ্ঞ সেইসকলৰ ওচৰত যিসকল মোৰ জ্ঞাত-অজ্ঞাতে, শুভাকাংক্ষী বন্ধু-বান্ধৱী, দাদা-বাইদেউ, ভাই-ভনীৰ অজস্ৰ মৰম আৰু শুভকামনাত মই আজিও শক্তি আৰু শান্তি অনুভৱ কৰো। আশা কৰো এনে মৰম আৰু শুভকামনা মোক সদায় দি থাকে যেন।

সদৌ শেষত মোৰ হৈ যোৱা সকলো ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত মাৰ্জনা বিচাৰিলো আৰু মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু নলবাৰী মহাবিদ্যালয়
জয়তু নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভা
জয় আই অসম

**মিন্টু বৰ্মন**
সহঃ সাধাৰণ সম্পাদক (দিবা)
নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভা, ২০১৭-১৮ ইং বৰ্ষ



# সহঃ সাধাৰণ সম্পাদক (আবেলি)ৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মই অসমৰ জাতীয় স্বাৰ্থৰ হ'কে প্ৰাণ আঁহুতি দিয়া বীৰ শ্বহীদৰ চৰণত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ। লগতে মই সেইসকল ব্যক্তিৰ প্ৰতি শ্ৰদ্ধা জনাইছোঁ যাৰ অশেষ কষ্টৰ ফলত নলবাৰী মহাবিদ্যালয় স্থাপন হৈছিল। ঐতিহ্যমণ্ডিত নলবাৰী মহাবিদ্যালয়ৰ সহঃ সাধাৰণ সম্পাদক (আবেলি)ৰ পদত সেৱা আগবঢ়াবলৈ পাই মই অত্যন্ত গৌৰৱবোধ কৰিছো আৰু লগতে মোক এই সুযোগকণ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

২ ফেব্ৰুৱাৰীৰ পৰা ৮ ফেব্ৰুৱাৰী, ২০১৮ লৈ অনুষ্ঠিত হোৱা মহাবিদ্যালয় সপ্তাহত মোৰ ওপৰত ন্যস্ত হৈছিল কুঁইজ আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতা দুটা অনুষ্ঠিত কৰাৰ দায়িত্ব। কুইজ প্ৰতিযোগিতাখন পৰিচালনা কৰিবলৈ আমন্ত্ৰণ কৰি অনা হৈছিল বিশিষ্ট কুঁইজ পৰিচালক তথা দৈনিক অসম কাকতৰ উপ সম্পাদক দীপাংকৰ কৌশিক দেৱক। এইছেগতে কুঁইজ প্ৰতিযোগিতাখনি সুচাৰুৰূপে পৰিচালনা কৰি নিয়াৰ বাবে মই তেখেতৰ ওচৰত কৃতজ্ঞ হৈ ৰ'লো। সকলোৰে সহায়-সহযোগিতাত আকস্মিত বক্তৃতা প্ৰতিযোগিতাখনো অতি সুচাৰুৰূপে অনুষ্ঠিত হৈ যায়। ইয়াৰ উপৰিও মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত হোৱা অন্যান্য কাৰ্যসূচীত মোৰ ফালৰ পৰা সক্ৰিয় সহায়-সহযোগিতা আগবঢ়াবলৈ চেষ্টা কৰো। লগতে আমাৰ কাৰ্যকালত মহাবিদ্যালয়ৰ বিভিন্ন দিশৰ কামত মোৰ ফালৰ পৰা সহযোগিতা আগবঢ়াওঁ।

পোন প্ৰথমতে মই সহঃ সাধাৰণ সম্পাদক (আবেলি) পদৰ তত্বাৱধায়িকা ড° ৰূপাস্মিতা বুজৰবৰুৱা বাইদেউৰ ওচৰত কৃতজ্ঞতা জনাইছোঁ। ইয়াৰ পিছতেই মই মোৰ সন্মানীয় শিক্ষাগুৰুৰ লগতে নলবাৰী মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দ তথা সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ২০১৭-২০১৮ ইং বৰ্ষৰ নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ প্ৰতিজন ছাত্ৰ প্ৰতিনিধিৰ ওচৰত। সদৌশেষত মই নলবাৰী মহাবিদ্যালয়ৰ সাহিত্য, সংস্কৃতি সমন্বিতে সামগ্ৰিক দিশৰ উন্নতি কামনা কৰিলোঁ।

জয়তু নলবাৰী মহাবিদ্যালয়
জয়তু নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভা
জয় আই অসম।

**মনজিৎ শৰ্মা**
সহঃ সাধাৰণ সম্পাদক (আবেলি)
নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভা, ২০১৭-১৮ ইং বৰ্ষ



# আলোচনী সম্পাদকৰ প্ৰতিবেদন

*“মোৰ দেশ মানুহৰ দেশ*
*উত্তৰে উত্তুঙ্গগিৰি, দক্ষিণে সাগৰ,*
*শত নদী বুকুৰে বাগৰে*
*পাৰে পাৰে সাজে ভাঙে ক’ত ইতিহাস।”*

***—দেৱকান্ত বৰুৱা***

বাৰ্ষিক প্ৰতিবেদনৰ জপনামুখতে সেইসকল জাতীয় সন্তানৰ কুসুমচৰণত একাঁজলি বকুল ফুল, যাৰ তেজৰ সুৰভি উটি ভাহি আজিও জীয়াই আছে আমাৰ জাতীয় জীৱনৰ চৰম অহংকাৰ। লগতে সেইসকল মনিষীৰ প্ৰতিও চেতনাৰ অটল গহ্বৰৰ পৰা শ্ৰদ্ধা নিৱেদিছোঁ, যাৰ সেউজ সোণোৱালী সপোনৰ ছত্ৰছায়াত থিয় দিছে আজিৰ নলবাৰী কলেজ। নলবাৰীৰ গ্ৰামাঞ্চলত শৈক্ষিক বাতাবৰণৰ সৌধস্বৰূপে ১৯৪৫ চনৰ ৪ জুলাই তাৰিখে যিখন ঐতিহ্যমণ্ডিত মহাবিদ্যালয়ৰ ভেটি স্থাপন হৈছিল, সেইখন মহাবিদ্যালয়ৰ আলোচনী বিভাগৰ দৰে এটি গুৰুবিভাগৰ দায়িত্বভাৰ গ্ৰহণ কৰাটো জীৱনৰ এটি চৰম সৌভাগ্য বুলি অনুভৱ কৰো আৰু এই দায়িত্বৰ পৰিপ্ৰেক্ষিততে জাগি উঠা নিজস্ব ভাৱবোধ আৰু একান্ত কৰ্তব্যপৰায়ণতাৰে আগুৱাই অহা এটা বছৰ এতিয়া ৰঙীণ দিনৰ সপোন হৈ দুচকুত ওলমে। নলবাৰী মহাবিদ্যালয় বুলি ক’লেই যেন শেষ হ’ব নোখোজা শব্দৰ বান, নলবাৰী মহাবিদ্যালয় বুলি ক’লেই যেন পাৰাপাৰহীন আৱেগৰ জোৱাৰ। যোৱা এটা বছৰে এই কথা গভীৰভাৱে বুজি উঠিছো যে মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰখন সম্পাদনা কৰি উলিওৱাৰ দায়িত্বভাৰ যিমান, তাতোকৈ ডাঙৰ দায়িত্বভাৰ হ’ল মহাবিদ্যালয়ৰ চুকে-কোণে সিঁচৰতি হৈ থকা প্ৰতিভাবোৰক সংগৰদ্ধ কৰা। এনেদৰেই সাংগঠনিক ভূমিকাৰ আঁৰত লাভ কৰা প্ৰায়োগিক শিক্ষাখিনিক জীৱনৰ আপুৰুগীয়া সম্পদ হিচাপে সাঁচি ৰাখিবলৈ সদায়েই যত্ন কৰিম।

মহাবিদ্যালয় এখনৰ আলোচনীক সাধাৰণ ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক পৰিসৰ প্ৰসাৰৰ ইন্ধন বুলি ক’লেও এটা নিৰ্দিষ্ট সীমালৈকে ভুল কোৱা নহ’ব। কাৰণ বৰ্তমান সমাজৰ প্ৰাসংগিক ক্ষেত্ৰত দেখা যায় যে অধিকাংশ ছাত্ৰ-ছাত্ৰীয়ে বাতৰিকাকত আৰু সাহিত্য বিষয়ক পত্ৰিকাত আদিতেই লিখিবলৈ শংকা অনুভৱ কৰে। তেওঁলোকৰ এনে শংকাৰ কাৰণ হয়তো লেখাৰ মানদণ্ডৰ অনিশ্চয়তা অথবা প্ৰক্ৰিয়াগত জ্ঞানৰ অপৰিপক্কতা হ’ব পাৰে। তেনে ক্ষেত্ৰত মহাবিদ্যালয়ৰ আলোচনী এখনে মাত্ৰাসন্মত গুৰুত্ব লাভ কৰে এই কাৰণেই যে ছাত্ৰ-ছাত্ৰীৰ বাবে এইখন সহজলভ্য আৰু সহজভেদ্য হয় লগতে আলোচনী বিভাগটোৰ দ্বাৰা সম্পাদিত আৰু পৰিচালিত বৌদ্ধিক তথা শৈক্ষিক কাৰ্যসূচীয়ে ছাত্ৰ-ছাত্ৰীৰ মনোভংগীৰ মানদণ্ড ঢুকি পাবলৈ বুলি আমি দৃঢ় বিশ্বাসেৰে ক’ব পাৰো। ‘সাহিত্য’ৰ সংজ্ঞা বিচাৰি যেতিয়া আমি জীৱনলৈ ঘূৰি চাওঁ, তেতিয়া হয়তো সাহিত্যৰ পৰিসৰ আৰু আকৃতি সম্পৰ্কেও আমি প্ৰকৃতস্থ হওঁ। সাহিত্যক কোনো এককৰ পৰিসীমাৰে বন্ধাটো যিদৰে সমাজৰ নিয়ম হ’ব নোৱাৰে, ঠিক তেনেদৰে সাহিত্য সম্পৰ্কে সংজ্ঞা নিৰ্ণয় কোনো সাহিত্যিকৰ লক্ষ্য হ’ব নোৱাৰে। নলবাৰী মহাবিদ্যালয়ৰ ক্ষেত্ৰত আমি দেখা পাইছো যে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সাহিত্যৰ প্ৰতি গভীৰ অনুৰাগ আছে, কিন্তু তেওঁলোকে যেন সাহিত্যপ্ৰেমক পৰিশীলিত আচৰণৰ মাপকাঠিৰে বান্ধিব বিচাৰে। মই ব্যক্তিগতভাৱে মতপোষণ কৰো যে— ছাত্ৰ-ছাত্ৰীসকলে সাহিত্যৰ আকাশত বহুৰঙীণ দুৱাৰখন খুলিবলৈ নিঃসংকোচ হ’ব লাগিব, সেয়া সাহিত্যৰ প্ৰকৃতিগত নিয়ম।

আমাৰ কাৰ্যকালত সাধ্যানুসৰি সাহিত্য তথা বৌদ্ধিক ভাৱনাক প্ৰতিনিধিত্ব কৰিব পৰাকৈ ভিন্নসুৰী অনুষ্ঠান অনুষ্ঠিত হৈছিল। আলোচনী বিভাগৰ দ্বাৰা পৰিচালিত এই ধৰণৰ অনুষ্ঠানত মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীবৃন্দকে ধৰি ছাত্ৰ-ছাত্ৰীৰ ভাৱানুৰূপ উপস্থিতি তথা সহায়-সহযোগিতা লাভ

কৰা বুলি ক'বলৈ পাই গভীৰ আনন্দ অনুভৱ কৰিছোঁ। আলোচনী বিভাগৰ দ্বাৰা সম্পন্ন হোৱা কাৰ্যসূচীসমূহ একাদিক্ৰমে আছিল এনেধৰণৰ—

**সাহিত্য প্ৰতিযোগিতা ঃ**

মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সাহিত্যৰসী প্ৰতিভা তথা বৌদ্ধিক সৃষ্টিশীলতাক যোগাত্মক প্ৰক্ৰিয়াৰে উলিয়াই অনাৰ উদ্দেশ্যে নলবাৰী মহাবিদ্যালয়ত পোন প্ৰথম বাৰৰ বাবে অনুষ্ঠিত কৰা হৈছিল এক বিশেষ 'সাহিত্য প্ৰতিযোগিতা'। চাৰিটাকৈ ভিন্ন শিতানত ক্ৰমে কবিতা, গল্প, প্ৰবন্ধ আৰু উপন্যাসিকাত প্ৰতিযোগিতাখনি আয়োজন কৰা হৈছিল আৰু আশানুৰূপভাৱে মহাবিদ্যালয়ৰ বহুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিযোগিতাখনিত অংশগ্ৰহণ কৰাৰ লগতে ব্যাপক মাত্ৰাত সহায়-সহযোগিতা আগবঢ়াইছিল। গল্প লিখন প্ৰতিযোগিতাৰ বাবে শব্দসীমা নিৰ্দ্ধাৰণ কৰা হৈছিল ২০০০ শব্দ, লগতে প্ৰবন্ধ তথা উপন্যাসিকা লিখন প্ৰতিযোগিতাৰ বাবে শব্দসীমা নিৰ্ধাৰণ কৰা হৈছিল ৩০০০ শব্দ। কবিতা প্ৰতিযোগিতাৰ বাবে অনিৰ্দ্দিষ্ট শব্দসীমা নিৰ্ধাৰণ কৰা হৈছিল। আলোচনী বিভাগৰ উদ্যোগত আয়োজিত 'সাহিত্য প্ৰতিযোগিতা'খনিৰ ফলাফলসমূহ আছিল এনেধৰণৰ—

১। 'অন্ত-ইতি-ইত্যাদি' শীৰ্ষক কবিতাৰ বাবে শ্ৰেষ্ঠ কবিৰ পুৰস্কাৰ লাভ কৰে জংকি শৰ্মাই।

২। 'বিসৰ্জন' শীৰ্ষক গল্পৰ বাবে নীলাঞ্জনা শৰ্মাই আৰু 'পোহৰ' শীৰ্ষক গল্পৰ বাবে মৃদুস্মিতা কাশ্যপে লাভ কৰে শ্ৰেষ্ঠ গল্পকাৰৰ পুৰস্কাৰ।

৩। 'মৃত্যুমুখী ভাষা ৰক্ষাৰ নতুন পথ আৰু অসমীয়া ভাষা' শীৰ্ষক প্ৰবন্ধৰ বাবে চুম্পী কলিতাই লাভ কৰে শ্ৰেষ্ঠ প্ৰবন্ধকাৰৰ পুৰস্কাৰ।

বিঃ দ্ৰঃ ঃ- উপযুক্ত লিখনিৰ অভাৱত উপন্যাসিকা প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ প্ৰতিযোগী নিৰ্বাচন কৰিব পৰা নগ'ল।

প্ৰতিটো শিতানৰ শ্ৰেষ্ঠ প্ৰতিযোগীসমূহক ২০১৮ ইং বৰ্ষৰ নৱাগত আদৰণি সভাত আনুষ্ঠানিকভাৱে পুৰস্কৃত কৰা হয়।

**মহাবিদ্যালয় সপ্তাহ ঃ**

ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক, মানসিক তথা বৌদ্ধিক ধাৰাৰ মান উন্নীতকৰণৰ বাবে আমাৰ কাৰ্যকালত অনুষ্ঠিত মহাবিদ্যালয় সপ্তাহখনি বহুক্ষেত্ৰত সফল আৰু শৃংখলাবদ্ধ হোৱা বুলি দৃঢ় বিশ্বাসেৰে ক'ব পৰা যায়। সপ্তাহযোৱা কাৰ্যসূচীৰে ২ ফেব্ৰুৱাৰীৰ পৰা ৮ ফেব্ৰুৱাৰী, ২০১৮ লৈ প্ৰচুৰ আশা আৰু ব্যস্ততাৰ মাজেৰে মহাবিদ্যালয় সপ্তাহখনি অনুষ্ঠিত হৈ যায়। মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন বিভাগীয় কাৰ্যসূচীত মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীকে আদি কৰি কৰ্মচাৰীবৃন্দ তথা ছাত্ৰ-ছাত্ৰীৰ ভূমিকা আছিল স্মৰণীয়। নলবাৰী মহাবিদ্যালয় সপ্তাহ, ২০১৮ ত আলোচনী বিভাগৰ সৌজন্যত অনুষ্ঠিত প্ৰতিযোগিতাসমূহ আছিল একাদিক্ৰমে স্পট ফ'টোগ্ৰাফী প্ৰতিযোগিতা, গল্প লিখন প্ৰতিযোগিতা, বাতৰি লিখন প্ৰতিযোগিতা, ঠাইতে লিখা কবিতা প্ৰতিযোগিতা, ঠাইতে লিখা নীলাখামৰ চিঠি প্ৰতিযোগিতা, মৃৎশিল্প প্ৰতিযোগিতা, চিত্ৰাংকন প্ৰতিযোগিতা, কাৰ্টুনিং প্ৰতিযোগিতা, গ্ৰন্থ সমালোচনা প্ৰতিযোগিতা, পোষ্টাৰ লিখন প্ৰতিযোগিতা, কবিতা আবৃত্তি প্ৰতিযোগিতা। আলোচনী বিভাগৰ দ্বাৰা অনুষ্ঠিত প্ৰতিযোগিতাসমূহৰ ফলাফলসমূহ আছিল এনে ধৰণৰ—

**১। স্পষ্ট ফটোগ্ৰাফী প্ৰতিযোগিতা ঃ**

(ক) ডি.এছ.এল.আৰ (DSLR) কেমেৰা ফ'টোগ্ৰাফী ঃ

প্ৰথম ঃ অলকেশ ডেকা
দ্বিতীয় ঃ অপূ পাটগিৰি

(খ) স্মাৰ্টফোন (Smartphone) ফ'টোগ্ৰাফী ঃ

প্ৰথম ঃ নিয়ৰ কলিতা
দ্বিতীয় ঃ সাগৰিকা কলিতা

**২। গল্প লিখন প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ প্ৰিয়ংকা ভৰালী (পৰ্দা)
দ্বিতীয় ঃ ভাস্কৰজ্যোতি তালুকদাৰ (স্বাধীনতাৰ চোলা)
তৃতীয় ঃ মৃদুস্মিতা কাশ্যপ (ভোক)

**৩। বাতৰি লিখন প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ ৰুবুল কলিতা
দ্বিতীয় ঃ ৰূপজ্যোতি শৰ্মা
তৃতীয় ঃ জিন্টুমণি বৰ্মন

**৪। ঠাইতে লিখা কবিতা প্ৰতিযোগিতা ঃ**

**(বিষয় ঃ এই সময়)**

প্ৰথম ঃ মৃদুস্মিতা কাশ্যপ
দ্বিতীয় ঃ জংকি শৰ্মা
তৃতীয় ঃ জুস্মিতা ভৰদ্বাজ

**৫। নীলাখামৰ চিঠি প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ জংকি শৰ্মা
দ্বিতীয় ঃ মনস্বিতা শৰ্মা
তৃতীয় ঃ নৱজিৎ বৰ্মন

**৬। মৃৎশিল্প প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ পিনাকী ৰাজবংশী
দ্বিতীয় ঃ পৰিস্মিতা গোস্বামী
তৃতীয় ঃ দিগন্ত ৰাজবংশী
বিচাৰকৰ বিশেষ বঁটা ঃ নীলোৎপল গোস্বামী

৭। **চিত্ৰাংকন প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ অৰিন্দম ডেকা
দ্বিতীয় ঃ অনিমেষ ভট্টাচাৰ্য্য
তৃতীয় ঃ দীক্ষিতা শৰ্মা

৮। **কাৰ্টুনিং প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ হেন্দ্ৰিতা বৰ্মন
দ্বিতীয় ঃ নীলোৎপল গোস্বামী
তৃতীয় ঃ জংকি শৰ্মা
বিচাৰকৰ বিশেষ বঁটা ঃ জুস্মিতা ভৰদ্বাজ

৯। **গ্ৰন্থ সমালোচনা প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ জিন্টুমণি বৰ্মন
দ্বিতীয় ঃ পৰাগ কলিতা

১০। **পোষ্টাৰ লিখন প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ নীলোৎপল গোস্বামী
দ্বিতীয় ঃ অংশুমী বৰ্মন
তৃতীয় ঃ জংকি শৰ্মা

১১। **কবিতা আবৃত্তি প্ৰতিযোগিতা ঃ**

***(ক) অসমীয়া কবিতা আবৃত্তি ঃ***

প্ৰথম ঃ বনশ্ৰী বৈশ্য
দ্বিতীয় ঃ তৃষ্ণা দেৱী
তৃতীয় ঃ বিশাল বিক্ৰম চৌধুৰী, চয়নিকা বৈশ্য

***(খ) ইংৰাজী কবিতা আবৃত্তি ঃ***

প্ৰথম ঃ বনশ্ৰী বৈশ্য
দ্বিতীয় ঃ প্ৰণয়প্ৰতীক গোস্বামী
তৃতীয় ঃ হীৰাজ্যোতি শৰণীয়া, নীলোৎপল গোস্বামী

***(গ) হিন্দী কবিতা আবৃত্তি ঃ***

প্ৰথম ঃ দীক্ষিতা শৰ্মা
দ্বিতীয় ঃ বনশ্ৰী বৈশ্য
তৃতীয় ঃ ৰক্তিম ভূঞা, নীলোৎপল গোস্বামী

***(খ) সংস্কৃত কবিতা আবৃত্তি ঃ***

প্ৰথম ঃ পৰিস্মিতা গোস্বামী
দ্বিতীয় ঃ বনশ্ৰী বৈশ্য
তৃতীয় ঃ হীৰাজ্যোতি শৰণীয়া, নীলোৎপল গোস্বামী

২০১৮ ইং বৰ্ষৰ নলবাৰী মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন সাহিত্যমূলক প্ৰতিযোগিতাসমূহৰ ফলাফল বিশ্লেষণ কৰি 'শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী'ৰ সন্মান প্ৰদান কৰা হয় জংকি শৰ্মাক। মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা প্ৰতিযোগিতাসমূহত আমন্ত্ৰণ কৰি অনা সন্মানীয় বিচাৰকসকলৰ ওচৰত কৃতজ্ঞ হৈ ৰ'লো।

**ব্ৰহ্মপুত্ৰ সাহিত্য উৎসৱলৈ ঃ**

গুৱাহাটীস্থিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত ৯ ফেব্ৰুৱাৰীৰ পৰা ১১ ফেব্ৰুৱাৰী, ২০১৮ লৈ অনুষ্ঠিত হৈছিল ব্ৰহ্মপুত্ৰ সাহিত্য উৎসৱ। মহাবিদ্যালয়ৰ পৰা প্ৰায় ২০০ ৰো অধিক ছাত্ৰ-ছাত্ৰীক এই সাহিত্য উৎসৱলৈ লৈ যোৱা হয়। মহাবিদ্যালয়ৰ সাহিত্য-শিল্পৰ ক্ষেত্ৰত এয়া এক লক্ষ্যণীয় পদক্ষেপ আৰু এনেধৰণৰ অনুষ্ঠানে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক আৰু সাহিত্যসুলভ বিকাশ প্ৰসাৰিত কৰে বুলি আমি গভীৰভাৱে বিশ্বাস কৰো।

**কাব্য দিৱস ঃ**

ফাগুনৰ প্ৰথমজাক বতাহত কাব্য, চিত্ৰ আৰু সংগীতৰ অনন্য যুগলবন্দীৰে অনুষ্ঠিত কৰা হয় 'কাব্য দিৱস'। ২০১৮ ইং বৰ্ষৰ ৬ মাৰ্চত অনুষ্ঠিত কাব্য সন্ধিয়াটিক ফাগুণৰ ৰঙেৰে জীপাল কৰি তোলে একাংশ শিল্পী তথা কবি-সাহিত্যিকে। অনুষ্ঠানটিত নলবাৰী তথা অসমৰ বিভিন্ন প্ৰান্তৰ কেইবাগৰাকীও কবি উপস্থিত থাকি নিজৰ কবিতা পাঠ কৰে। নলবাৰী মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ ড° দীপক গোস্বামীৰ লগতে মহাবিদ্যালয়ত কৰ্মৰত অধ্যাপক-অধ্যাপিকা তথা একাংশ ছাত্ৰ-ছাত্ৰীয়ে কবিতা পাঠ কৰি অনুষ্ঠানটিক আকৰ্ষণীয় কাব্যিক ৰস প্ৰদান কৰে। অনুষ্ঠানটিত বিশেষভাৱে আগভাগ লয় অসমৰ স্বনামধন্য সাহিত্যিক ড° বসন্ত কুমাৰ ভট্টাচাৰ্য্যদেৱে, লগতে অনুষ্ঠানটি পৰিচালনা কৰে জনপ্ৰিয় কবি প্ৰণৱ কুমাৰ বৰ্মনে। সকলোৰে যোগাত্মক সঁহাৰি তথা উপস্থিতিয়ে অনুষ্ঠানটি বিশেষভাৱে সাফল্যমণ্ডিত আৰু স্মৰণীয় কৰি তোলে। ইয়াৰ পৰৱৰ্তী সময়ত কাব্য দিৱসৰ লগত সংগতি ৰাখি উন্মোচন কৰা হয় এখনি কাব্য সংকলন। কাব্য সন্ধিয়াত পাঠ কৰা সমূহ কবিতা লিখিত ৰূপত সংগৰদ্ধ কৰি প্ৰস্তুত কৰি উলিওৱা কাব্য সংকলনখনিৰ নাম দিয়া হয় 'নলনিৰ কল্লোলিত ছন্দ'।

**নলবাৰী মহাবিদ্যালয় আলোচনীৰ নামকৰণ ঃ**

১৯৫১-৫২ চনৰ পৰা প্ৰকাশ হৈ অহা নলবাৰী মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখনৰ নিৰ্দ্দিষ্ট কোনো নাম নাছিল। আমাৰ কাৰ্যকালৰ সময়ছোৱাত এই সম্পৰ্কে আলোচনী বিভাগৰ তৰফৰ পৰা লিখিতভাৱে কলেজ কৰ্তৃপক্ষক জনোৱা হয় আৰু আশ্বাস সুলভভাৱে কলেজ কৰ্তৃপক্ষই বিষয়টো গুৰুত্বসহকাৰে লয়। পৰৱৰ্তী সময়ত মহাবিদ্যালয় কৰ্তৃপক্ষৰ সভাত বিষয়টো উত্থাপিত হয় আৰু মহাবিদ্যালয় কৰ্তৃপক্ষই মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখনৰ বাবে এটি নিৰ্দ্দিষ্ট আৰু সঠিক নাম বাচনি কৰাৰ বাবে আলোচনী বিভাগক দায়িত্ব অৰ্পণ কৰে। সেই মৰ্মে আলোচনী বিভাগৰ তত্বাৱধায়কৰ লগতে সমূহ শিক্ষক সদস্য তথা ছাত্ৰ সদস্যৰ উপস্থিতিত মহাবিদ্যালয়

ছাত্ৰ একতা সভাৰ এখন বিশেষ সভা অনুষ্ঠিত হয় আৰু উক্ত সভাতেই আলোচনী সম্পাদনা সমিতিৰ তত্বাৱধায়ক তথা শিক্ষক সদস্য আৰু ছাত্ৰ সদস্যৰ সৰ্বসন্মতিমৰ্মে উত্থাপিত নামসমূহৰ মাজৰ পৰা 'নলবাৰী' নামটি সঠিক আৰু অৰ্থবহ হ'ব বুলি সিদ্ধান্ত গ্ৰহণ কৰা হয়। পিছলৈ 'নলবাৰী' নামটো উল্লেখ কৰি এখনি লিখিত আবেদন কলেজ কৰ্তৃপক্ষৰ সভাত দাখিল কৰা হয় আৰু কলেজ কৰ্তৃপক্ষই নলবাৰী মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীৰ বাবে 'নলবাৰী' নামটো আনুষ্ঠানিকভাৱে গৃহীত কৰে আৰু এনেকৈয়ে নলবাৰী মহাবিদ্যালয় আলোচনীখনক লৈ দেখা আমাৰ আটাইতকৈ ডাঙৰ সপোনটো পূৰণ হয়।

**ISSN ৰ বাবে আবেদন ঃ**

নলবাৰী মহাবিদ্যালয় আলোচনীখনৰ নামকৰণৰ পিছতে আমাৰ ফালৰ পৰা মহাবিদ্যালয় কৰ্তৃপক্ষৰ ওচৰত ISSN (International Standard serial number)ৰ বাবে দুবাৰকৈ আবেদন জনোৱা হয় আৰু মহাবিদ্যালয় কৰ্তৃপক্ষই বিষয়টো গুৰুত্বসহকাৰে লয়। ইয়াৰ লগে লগে নলবাৰী মহাবিদ্যালয় আলোচনীখনত ISSN অন্তৰ্ভুক্ত কৰাৰ দিশত এক পদক্ষেপ গ্ৰহণ কৰা হয়, কিন্তু যিহেতু এটা দীঘলীয়া প্ৰক্ৰিয়া, সেইগতিকে আমাৰ আলোচনীৰ সংখ্যাটিয়ে ISSN লাভ কৰিবলৈ সক্ষম নহ'ল। অনাগত দিনত নলবাৰী মহাবিদ্যালয় আলোচনীখনে ISSN লাভ কৰিব বুলি আমি আশাবাদী।

**বাৰ্ষিক মুখপত্ৰ 'নলবাৰী' সম্পাদনা ঃ**

আনুষ্ঠানিকভাৱে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতেই বাৰ্ষিক আলোচনীৰ বাবে আমাৰ ফালৰ পৰা এখনি সাধাৰণ সভা অনুষ্ঠিত কৰা হৈছিল আৰু উক্ত সভাতেই শিক্ষক সদস্য তথা ছাত্ৰসদস্যসহ নলবাৰী মহাবিদ্যালয় আলোচনী সম্পাদনা সমিতিখন গঠন কৰা হৈছিল। ইয়াৰ পৰৱৰ্তী সময়ত নলবাৰী মহাবিদ্যালয় আলোচনী ২০১৭-১৮ সংখ্যাটিৰ বাবে লেখা বিচাৰি আলোচনী বিভাগৰ তৰফৰ পৰা এখনি জাননী প্ৰদান কৰা হৈছিল আৰু সেই মৰ্মে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা অধ্যাপক-অধ্যাপিকাৰ পৰা আমি ব্যাপক সঁহাৰি পাইছিলো। সদৌ শেষত আলোচনী বিভাগৰ তত্বাৱধায়ক মহোদয় তথা সমূহ শিক্ষক আৰু ছাত্ৰ সদস্যৰ অশেষ পৰিশ্ৰম আৰু ত্যাগৰ ফলত 'নলবাৰী' বাৰ্ষিক মুখপত্ৰখন সফলভাৱে প্ৰকাশ হৈ ওলাবলৈ সক্ষম হয়।

**কৃতজ্ঞতা স্বীকাৰ ঃ**

নলবাৰী মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখন প্ৰস্তুত কৰি উলিওৱাৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা তথা কৰ্মচাৰীৰ প্ৰত্যক্ষ অথবা পৰোক্ষ অৱদান আছে। প্ৰাৰম্ভণিতে মই মহাবিদ্যালয় পৰিয়ালৰ প্ৰতিজন সদস্যলৈ কৃতজ্ঞতা জনাইছোঁ। নলবাৰী মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ ড° দীপক গোস্বামী ছাৰ আৰু উপাধ্যক্ষা মঞ্জুলা দত্ত ৰায় বৰুৱা বাইদেউৰ ওচৰত বিশেষভাৱে কৃতজ্ঞতা জ্ঞাপন কৰিছো। আলোচনী বিভাগৰ তত্বাৱধায়ক শ্ৰদ্ধাৰ ড° ৰতন ডেকা ছাৰৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। তেখেতৰ যোগাত্মক দিহা পৰামৰ্শই মোক আলোচনীখন সম্পাদনা কৰাৰ ক্ষেত্ৰত যথেষ্ট অনুপ্ৰেৰণা যোগাইছিল। কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ আলোচনী সম্পাদনা সমিতিৰ শিক্ষক সদস্য ক্ৰমে ড° বন্দনা দাস বাইদেউ, অনন্ত ৰাজবংশী ছাৰ, হিতেশ ঠাকুৰীয়া ছাৰ, ড° নমিতা ডেকা বাইদেউ, ড° প্ৰদ্যুম্ন শৰ্মা ছাৰ, ড° সুব্ৰত বৰ্মন ছাৰ আৰু চুমি চৌধুৰী বাইদেউৰ ওচৰত।

অভিভাৱক সুলভ দিহা-পৰামৰ্শ প্ৰদানেৰে সঠিক পথৰ পোহৰজালি দেখুৱাই দিয়া বাবে অন্তৰৰ নিভৃত কোণৰ পৰা বিশেষভাৱে কৃতজ্ঞতা জনাইছোঁ অসমীয়া বিভাগৰ অতিথি অধ্যাপক ভাস্কৰ ভট্ট ছাৰৰ ওচৰত। বছৰযোৰা অশেষ পৰিশ্ৰম আৰু ত্যাগ সহ্য কৰি বাৰ্ষিক আলোচনীখন সবাংগ সুন্দৰৰূপত প্ৰস্তুত কৰি উলিওৱাত সহায় কৰা আলোচনী সম্পাদনা সমিতিৰ ছাত্ৰ সদস্য ক্ৰমে দেৱাশীষ দত্ত, জংকি শৰ্মা, পাপৰি দেৱী, শিৱাঙ্গী নাজিৰ, ৰূপজ্যোতি শৰ্মা, ৰঞ্জুৱাৰা বেগম আৰু ৰয়েল পাৰ্ভেজৰ ওচৰত সৰল কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আলোচনী বিভাগৰ প্ৰতিটো কাৰ্যসূচীতেই সহায়-সহযোগিতা কৰা নলবাৰী মহাবিদ্যালয়ৰ ২০১৭-১৮ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ প্ৰতিজন ছাত্ৰ প্ৰতিনিধিৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। নলবাৰী মহাবিদ্যালয়ৰ বৌদ্ধিক উদ্‌গতিৰ হকে কাম কৰিবলৈ এখন মঞ্চ দিয়াৰ বাবে সদৌ নলবাৰী জিলা ছাত্ৰ সন্থা আৰু নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ ওচৰত মই চিৰকৃতজ্ঞ। নলবাৰী মহাবিদ্যালয়ৰ সাহিত্য, শিল্পৰ বিকাশৰ ক্ষেত্ৰত যোগ্য হিচাপে লৈ গধুৰ দায়িত্ব অৰ্পণ কৰা নলবাৰী মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰতো মই কৃতজ্ঞ হৈ ৰ'লো।

সদৌ শেষত নলবাৰী মহাবিদ্যালয়ৰ ২০১৭-১৮ ইং বৰ্ষৰ বাৰ্ষিক আলোচনী 'নলবাৰী'ৰ ৬৭ তম্ সংখ্যাটি মহাবিদ্যালয়ৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ নামত অৰ্পণ কৰিলো আৰু অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিলোঁ।

'জয়তু নলবাৰী মহাবিদ্যালয়'

'জয়তু নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভা'

'জয় আই অসম'

**প্ৰণৱ শৰ্মা**
আলোচনী সম্পাদক
নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভা, ২০১৭-১৮ ইং বৰ্ষ



# সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন

*যাৰ তেজত তিৰবিৰাইছিল তৰালি*
*বুকুত গুণগুণাইছিল মৌ মাখি*
*সি নিজানে নিতালে শুই আছে*
*শিতানত তাৰ তেজে ধোৱা মাটি*
**—হীৰেণ ভট্টাচাৰ্য**

**অ**সমা, সুষমা, নিৰুপমা আই অসমীৰ সেউজী কোলাত উপজি যিসকল মহান আত্মাই জাতি, মাটি আৰু জনগণৰ স্বাৰ্থত প্ৰাণাহুতি দি মাতৃভূমিৰ গৰিমা উজলাই গ'ল সেইসকল মহান পূণ্যস্মৃতিত প্ৰতিবেদনৰ আৰম্ভণিতে যাচিলোঁ শ্ৰদ্ধাৰ অঞ্জলি। লগতে যিসকল মহানুভৱ ব্যক্তিৰ শুভবুদ্ধি আৰু সজ প্ৰচেষ্টাত নামনি অসমৰ প্ৰথম মহাবিদ্যলয়ৰূপে স্বাধীনতাৰ পূৰ্বেই ভূমিস্থ হৈছিল নলবাৰী মহাবিদ্যালয়, তেখেতসকলক নতশিৰে স্মৰণ কৰিলোঁ।

২০১৭-২০১৮ বৰ্ষৰ 'নলবাৰী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা'ৰ সাধাৰণ নিৰ্বাচনত শিক্ষাগুৰু আৰু জ্যেষ্ঠসকলৰ আশীৰ্বাদ আৰু মহাবিদ্যালয়ৰ প্ৰতিগৰাকী সতীৰ্থ, জ্যেষ্ঠ আৰু কনিষ্ঠ বন্ধুবৰ্গৰ শুভাশিস লাভ কৰি সাংস্কৃতিক সম্পাদকৰ দৰে গধুৰ দায়িত্ব পালনৰ সুবিধা পোৱা বাবে আটাইলৈ অন্তৰভৰা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। সাংস্কৃতিক বিভাগৰ দায়িত্ব মহাবিদ্যালয়ৰ সীমিত বাজেটেৰে সামৰিব পৰাটো যথেষ্ট প্ৰত্যাহ্বানমূলক যদিও অধ্যক্ষ মহোদয়কে ধৰি সংশ্লিষ্ট কৰ্তৃপক্ষ আৰু বিভাগীয় তত্বাৱধায়িকা বাইদেউ প্ৰত্যক্ষ সহযোগিতাই আমাক দিছিল অমূল্য সঞ্জীৱনী যাৰ ফলত অকণো উজুটি নোখোৱাকৈ আমাৰ দায়িত্ব পালন কৰি যোৱাত মানসিক সকাহ লাভ কৰিছিলোঁ।

**মহাবিদ্যালয় সপ্তাহ ঃ**

মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ প্ৰথমটো বৃহৎ কাৰ্যসূচী আছিল 'মহাবিদালয় সপ্তাহ'। ২ ফেব্ৰুৱাৰী, ২০১৮ ইং তাৰিখৰ পৰা ৮ ফেব্ৰুৱাৰী, ২০১৮ ইং তাৰিখলৈ অনুষ্ঠিত মহাবিদ্যালয় সপ্তাহৰ প্ৰতিযোগিতা সমূহৰ শুভাৰম্ভণি হৈছিল এক বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰাৰে। অসম আৰু উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন জাতি-জনজাতিৰ বাৰেৰহণীয়া কৃষ্টিৰ আলমত নলবাৰী মহাবিদ্যালয়ৰ প্ৰায় ৩০০০ তকৈ অধিক ছাত্ৰ-ছাত্ৰীয়ে এই শোভাযাত্ৰা আকৰ্ষণীয় ৰূপত উপস্থাপন কৰিছিল।

বিভাগীয় কাৰ্যসূচী সঙ্গীত আৰু নৃত্য প্ৰতিযোগিতাসমূহত পূৰ্বৰ পৰা চলি অহা গতানুগতিক শিতানসমূহৰ লগত কিছু নতুন শিতান অন্তৰ্ভুক্ত কৰিবলৈ চিন্তা কৰি সফলো হৈছিলোঁ। সংগীত শিতানত লোক সংগীত, জ্যোতি সংগীত, বিষ্ণু ৰাভাৰ গীত, পাৰ্বতী প্ৰসাদ বৰুৱাৰ গীত, ভূপেন্দ্ৰ সংগীত, জয়ন্ত হাজৰিকাৰ গীত, ভজন-গজল, অসমীয়া চলচিত্ৰৰ গীত, অসমীয়া সুগম সংগীত, পাশ্চাত্য সংগীত আৰু আন্তঃ বিভাগীয় সমবেত সংগীত প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। নলবাৰী মহাবিদ্যালয়ৰ বাদ্যপ্ৰতিভাক আগুৱাই নিয়াৰ প্ৰয়াসেৰে স্বৰবাদ্য আৰু তাল বাদ্য প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হয়। এক অতি আকৰ্ষণীয় অন্তাক্ষৰী প্ৰতিযোগিতাও বিভাগীয় প্ৰতিযোগিতা হিচাপে অনুষ্ঠিত কৰা হয়।

নৃত্যৰ বিভাগৰ প্ৰতিযোগিতাসমূহ লোকনৃত্য, শাস্ত্ৰীয় নৃত্য, অসমীয়া আধুনিক নৃত্য আৰু দলীয় নৃত্য এই চাৰিটা শিতানত অনুষ্ঠিত কৰা হয়। প্ৰতিযোগিতাসমূহৰ ফলাফল অনুসৰি হৃষিকেশ শৰ্মা শ্ৰেষ্ঠ কণ্ঠশিল্পী আৰু কৌশিক দত্ত শ্ৰেষ্ঠ নৃত্যশিল্পী হিচাপে সন্মান লাভ কৰিবলৈ সমৰ্থ হয়। সংগীত আৰু নৃত্য বিভাগৰ বিচাৰকৰ আসন শুৱনি কৰা ৰঞ্জিত শৰ্মা, কেশৱ দত্ত, লোহিত দাস, হিমাংশু শৰ্মা, সমীৰণ পৰাশৰ, ঈশ্বৰ দাস, ডিম্পী কলিতাক এইছেগতে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। অন্তাক্ষৰী প্ৰতিযোগিতাৰ পৰিচালক আৰু বিচাৰক হিচাপে উপস্থিত থকা সমৰ মহন্ত আৰু মনিকঙ্কনা মেধি, বাদ্যসংগতকাৰী

ইন্দুকেশ যোগী, প্ৰহ্লাদ কাশ্যপ, জিন্তু কলিতা আৰু অমৰজ্যোতি দত্তক ধন্যবাদ নজনালে অকৃতজ্ঞতাৰে দোষে চুব। উল্লেখযোগ্য যে মহাবিদ্যালয় সপ্তাহৰ প্ৰথম দিনাই আকস্মিক দুৰ্ঘটনাত পতিত হৈ শয্যাশায়ী হ'বলগীয়া হোৱাত জৰুৰীভাবে পূৰ্বৰ সাংস্কৃতিক সম্পাদক দ্বীপজ্যোতি কলিতাই সমূহ কাৰ্যসূচী সমাপন কৰাৰ দায়িত্ব কান্ধ পাতি লৈ আমাক আজীৱন কৃতজ্ঞ কৰি ৰাখিলে। এইক্ষেত্ৰত বিশেষভাবে সহায় কৰা বিশাল বিক্ৰম চৌধুৰী, বিজু তালুকদাৰ, ভাস্কৰ দাস, প্ৰণৱ শৰ্মা আৰু মানসজ্যোতি তালুকদাৰক অন্তৰৰ কৃতজ্ঞতা জনাইছোঁ।

**আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱ ঃ**

যোৱা ২৬,২৭,২৮ জুন, ২০১৮ ইং তাৰিখে গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱৰ মাণ্ডলিক পৰ্যায়ৰ প্ৰতিযোগিতাসমূহ চিৰাং জিলাৰ বেংতল মহাবিদ্যালয়ত অনুষ্ঠিত হয়। প্ৰায় আটাইবোৰ কাৰ্যসূচীতে অংশগ্ৰহণ কৰি আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে নিম্নোলিখিত ফলাফল লাভ কৰিবলৈ সমৰ্থ হয়।

ফলাফল ঃ

| অংশ গ্ৰহণকাৰী | প্ৰতিযোগিতা | স্থান |
|---|---|---|
| বনশ্ৰী গোস্বামী | জ্যোতি সংগীত | তৃতীয় |
| নৰদ্বীপ কলিতা | বিষ্ণু-ৰাভা সংগীত | দ্বিতীয় |
| জেচমিনআৰা বেগম | বনগীত | প্ৰথম |
| মধুস্মিতা শৰ্মা | বৰগীত | প্ৰথম |
| বনশ্ৰী গোস্বামী | ৰবীন্দ্ৰ সংগীত | প্ৰথম |
| ভাস্কৰজ্যোতি দাস | অসমীয়া সুগম সংগীত | প্ৰথম |
| নিত্যাশ্ৰী বৈশ্য | লঘু কণ্ঠ সংগীত | দ্বিতীয় |
| বনশ্ৰী বৈশ্য | স্ব ৰচিত কবিতা | দ্বিতীয় |
| হিমাংশু তালুকদাৰ | পাশ্চাত্য সংগীত | তৃতীয় |
| দেৱাশীষ দত্ত, পাপৰি দেৱী, ৰুবুল কলিতা | কুইজ | প্ৰথম |
| বনশ্ৰী বৈশ্য, পৰাগজ্যোতি বৰ্মন, আফতাব হুছেইন, ধনমনি বৈশ্য, দ্বীপজ্যোতি কলিতা, ভাৰ্গৱ কলিতা | একাংক নাট | তৃতীয় |
| মৃদুল হালৈ | স্বৰ বাদ্য | প্ৰথম |
| বনশ্ৰী গোস্বামী, জেচমিন আৰা বেগম, তপস্যা কাশ্যপ, অমৰেন্দ্ৰ কলিতা, মধুস্মিতা শৰ্মা, নীতাশ্ৰী বৈশ্য, হিমাংশু তালুকদাৰ, অলকেশ ডেকা, ভাস্কৰ জ্যোতি দাস, নৰদ্বীপ কলিতা | সমবেত সংগীত | প্ৰথম |
| স্মৃতি বৰ্মন | শাস্ত্ৰীয় একক নৃত্য | প্ৰথম |
| অলকেশ ডেকা | স্পট ফটোগ্ৰাফী | তৃতীয় |
| নিতাশ্ৰী বৈশ্য | জনজাতীয় সংগীত (বড়ো) | তৃতীয় |
| সম্পাদক ঃ গুঞ্জন শৰ্মা | নলবাৰী মহাবিদ্যালয় আলোচনী | প্ৰথম |

পৰৱৰ্ত্তী সময়ত গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত মূল প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি আমাৰ ছাত্ৰ-ছাত্ৰীসকলে সৰ্বমুঠ ১৩ টা শিতানত পুৰস্কাৰ লাভ কৰি মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনে।

| অংশগ্ৰহণকাৰী | প্ৰতিযোগিতা | স্থান |
|---|---|---|
| দেৱাশীষ দত্ত, পাপৰি দেৱী, ৰুবুল কলিতা | কুইজ | দ্বিতীয় |
| জেছমিন আৰা বেগম | বনগীত | দ্বিতীয় |
| নিতাশ্ৰী বৈশ্য | লঘু শাস্ত্ৰীয় সংগীত | তৃতীয় |
| মধুস্মিতা শৰ্মা | বৰগীত | তৃতীয় |

| | | |
|---|---|---|
| নিতাশ্ৰী বৈশ্য | পৰম্পৰাগত জনজাতীয় গীত | তৃতীয় |
| হিমাংশু তালুকদাৰ | পাশ্চাত্য সংগীত | তৃতীয় |
| ভাস্কৰজ্যোতি দাস | অসমীয়া সুগম সংগীত | তৃতীয় |
| বনশ্ৰী বৈশ্য, পৰাগজ্যোতি বৰ্মন, আফতাব হুছেইন, ধনমনি বৈশ্য, দ্বিপজ্যোতি কলিতা, ভাৰ্গৱ কলিতা | একাংক নাট | দ্বিতীয় শ্ৰেষ্ঠ দল |
| বনশ্ৰী বৈশ্য | স্ব ৰচিত কবিতা আবৃতি | তৃতীয় |
| | সাংস্কৃতিক শোভাযাত্ৰা | দ্বিতীয় স্থান |

গৌৰৱৰ বিষয় যে পোনপ্ৰথমবাৰৰ বাবে সমবেত সংগীত প্ৰতিযোগিতাত অম্বিকাগিৰি ৰায়চৌধুৰীৰ কথা আৰু অনিল বৰকটকীৰ সুৰ পৰিচালনাত পৰিবেশিত অংশগ্ৰহণ কৰি আমাৰ মহাবিদ্যালয়ে দ্বিতীয় স্থান দখন কৰিবলৈ সমৰ্থ হয়। একাঙ্কিকা নাট প্ৰতিযোগিতাত সমন্বয়ক্ষেত্ৰৰ অধ্যক্ষ শতদল বৈশ্যৰ তত্বাৱধানত আমাৰ মহাবিদ্যালয়ৰ নাট্য দলটিয়ে 'গৰখীয়া গান' শীৰ্ষক নাটেৰে অংশ গ্ৰহণ কৰি শ্ৰেষ্ঠ নাট পৰিচালক, শ্ৰেষ্ঠ অভিনেতা আৰু দ্বিতীয় শ্ৰেষ্ঠ নাট্যদলৰ সন্মান লাভ কৰিবলৈ সমৰ্থ হয়। যুৱ মহোৎসৱৰ প্ৰতিযোগিতাসমূহত প্ৰয়োজনীয় দিহা পৰামৰ্শৰে আমাক সহযোগিতা কৰা অনিল বৰকটকী ছাৰ, ৰঞ্জিত শৰ্মা চাৰ, কুশল বৰ্মন দাদা, ভাতৃপ্ৰতীম ইন্দুকেশ যোগী, অমৰ জ্যোতি দত্ত দা, মৃদুল হালৈ আৰু লোহিত দাসলৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

**অন্যান্য শিতান ঃ**

বিভাগীয় কাৰ্যসূচীৰ উপৰিও অন্যান্য কাৰ্যসূচী সমূহ পৰিচালনা কৰাত সহায়-সহযোগিতা কৰিছিলোঁ। ৫ নবেম্বৰ তাৰিখে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ মৃত্যুবাৰ্ষিকী অনুষ্ঠান। ৪ জুলাই তাৰিখে মহাবিদ্যালয় প্ৰতিষ্ঠা দিৱস। আমাৰ কাৰ্যকালৰ সময়ত নলবাৰী মহাবিদ্যালয়ৰ এটি দল অসমক প্ৰতিনিধিত্ব কৰি উৰিষ্যালৈ গৈ উৰিষ্যাৰ কীট বিশ্ববিদ্যালয়ত অসমৰ থলুৱা সংস্কৃতি সমূহ উৰিষ্যাৰ ভুৱনেশ্বৰৰ মঞ্চত উজ্বলায় তোলে। এই ছেগতে মই সমূহ কাৰ্যকৰ্তাক আন্তৰিকত অভিনন্দন জ্ঞাপন কৰিছো আৰু আমাৰ এই কাৰ্যত উৎসাহ যোগোৱা ড° প্ৰদ্যুম্ন শৰ্মা ছাৰ বিদ্যুৎ দাস ছাৰ লগতে তাত গৈ অনুষ্ঠান কৰা সকলোকে ধন্যবাদ জ্ঞাপন কৰিছোঁ।

**সামৰণি আৰু অনুভৱ ঃ**

নলবাৰী মহাবিদ্যালয়ৰ সামগ্ৰীক উন্নয়নৰ ক্ষেত্ৰত সাংস্কৃতিক দিশটোৰ কথাও পূৰ্বৰে পৰা চিন্তা কৰো। আমি অনুভৱ কৰিছিলো ছাত্ৰ-ছাত্ৰীৰ বাবে সংগীতৰ আখৰাৰ বাবে সুন্দৰ কোঠালী। সাংস্কৃতিক বাদ্যযন্ত্ৰসমূহ সংৰক্ষণৰ বাবে আলমিৰাৰ প্ৰয়োজন। বিজ্ঞানসন্মত প্ৰেক্ষাগৃহৰ বহু বছৰৰ পৰা প্ৰয়োজন হৈ আছে, যিটো বৰ্তমান P.G.A. প্ৰেক্ষাগৃহই পূৰাব পৰা নাই। আৰু মহাবিদ্যালয়ৰ (Theme Song) ৰ অত্যন্ত প্ৰয়োজন যি মোৰ কাৰ্যকালত সম্ভৱ হৈ উঠিছিল যদিও ই এটা বিশেষ কাৰণত ফলপ্ৰসূ নহ'ল। সাংস্কৃতিক সম্পাদক হিচাপে নিৰ্বাচিত হোৱাৰ এক পৰম সৌভাগ্য আছিল আৰু এইক্ষেত্ৰত প্ৰতিজন নলবাৰী মহাবিদ্যালয়ৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক কৃতজ্ঞতা জনালোঁ। অধ্যক্ষ ড° দীপক গোস্বামী ছাৰ, ছাত্ৰ একতা সভাৰ তত্বাৱধায়ক ড° মণি শৰ্মা শাস্ত্ৰী ছাৰ আৰু সাংস্কৃতিক বিভাগৰ তত্বাৱধায়িতা ড° ৰঞ্জনা ভট্টাচাৰ্য বাইদেউ, ৰিন্টু ডেকা ছাৰ, বিদ্যুৎ কুমাৰ দাস ছাৰলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। চনৰ ১২ নবেম্বৰ তাৰিখে আমি কাৰ্যভাৰ উত্তৰ সুৰীৰ হাতত অৰ্পণ কৰোঁ। বৈ যোৱা সময়ত ৰৈ যায় কিছু ভুল। এনে বহু অজানিতে ভুল হয়তো আমাৰ কাৰ্যকালতো হ'ল। তাৰ বাবে আপোনালোকৰ মাজেৰে এগৰাকী সতীৰ্থ হিচাপে আমাক ক্ষমা নকৰিবনে ?

আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো প্ৰতিজন মোৰ চিৰ নমস্য শিক্ষাগুৰু, অনাশিক্ষক কৰ্মচাৰীলৈ। কৃতজ্ঞতা সমূহ ছাত্ৰ একতা সভাৰ সতীৰ্থসকলৰ ওচৰত। নলবাৰী মহাবিদ্যালয় আছু গোট, নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সমূহ কাৰ্যবাহী আৰু সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সমূহ কাৰ্যবাহীৰ ওচৰতো মই চিৰকৃতজ্ঞ। চিৰ কৃতজ্ঞ হৈ ৰ'ম নলবাৰী মহাবিদ্যালয় সমূহ শিক্ষাৰ্থীৰ ওচৰত যাৰ কাৰণে আজি মই এইখিনি কথা আপোনালোকক ব্যক্ত কৰাৰ সুযোগ পালো।

নলবাৰী মহাবিদ্যালয়ৰ সাংস্কৃতিক ক্ষেত্ৰখন উত্তৰ সুৰীৰ হাতত অধিক টনকিয়াল হোৱাৰ কামনাৰে-

*"তুমি নতুন পুৰুষ*
*তুমি নতুন নাৰী*
*অনাগত দিনৰ*
*জাগ্ৰত প্ৰহৰী"*

**—ড° ভূপেন হাজৰিকা**

জয়তু নলবাৰী মহাবিদ্যালয়
জয়তু নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভা
জয় আই অসম

**হিমাংশু তালুকদাৰ**
*সাংস্কৃতিক সম্পাদক*
নলবাৰী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা, ২০১৭-২০১৮ ইং বৰ্ষ



# গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ বুলনিতে অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত প্ৰাণ আহুতি দিয়া জ্ঞাত-অজ্ঞাত সমূহ শ্বহীদ বীৰ, বীৰঙ্গনালৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ।

দ্বিতীয়তে যিসকল মহান লোকৰ আশাশুধীয়া প্ৰচেষ্টা আৰু ত্যাগৰ বিনিময়ত বৃহত্তম নলবাৰী জিলাৰ গৌৰৱ তথা গোটেই অসমৰ এক আগশাৰীৰ বিদ্যামণ্ডিৰ 'নলবাৰী মহাবিদ্যালয়' এদিন শিপা মেলে আৰু বৰ্তমান এক প্ৰতিষ্ঠিত শিক্ষা কেন্দ্ৰস্থল ৰূপে প্ৰাণ পাই উঠিছে, সেই ব্যক্তি সকললৈ মোৰ শ্ৰদ্ধা প্ৰণাম।

মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাৰে পৰা মহাআদৰ্শশিক্ত অধ্যাপক অধ্যাপিকাই জ্ঞানৰ জেউতী বিলাই... জীৱনলৈ কঢ়িয়াই আনিলে প্ৰভাতী কিৰণ, সেইসকল মহান ব্যক্তিলৈ মোৰ শ্ৰদ্ধা নিবেদন কৰিছোঁ।

নলবাৰী জিলাৰ এক উজ্বল শিক্ষানুষ্ঠান নলবাৰী মহাবিদ্যালয়, ২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ গুৰুখেল বিভাগৰ সম্পাদকৰ পদত বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত কৰি মোক এই মহান শিক্ষানুষ্ঠানখনলৈ সেৱা আগবঢ়োৱাৰ সুযোগকণ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা মোৰ বন্ধু-বান্ধৱী ও সতীৰ্থলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মোৰ কাৰ্যকালৰ প্ৰথম কাৰ্যসূচী আৰম্ভ হৈছিল মহাবিদ্যালয় সপ্তাহৰ যোগেদি। মহাবিদ্যালয় সপ্তাহ উপলক্ষে অনুষ্ঠিত কৰা বিভিন্ন খেল, ল'ৰা-ছোৱালীৰ ক্ৰিকেট, কাবাদী, ল'ৰাৰ ভলীবল আদি খেলত ছাত্ৰ-ছাত্ৰীসকলে একাগ্ৰতাৰে অংশ গ্ৰহণ কৰি কাৰ্য্যসূচী সফলভাৱে ৰূপায়ন কৰাত সহায় কৰে। এই খেলসমূহ নিয়াৰিকৈ চলাই নিবলৈ সম্পাদকৰ ওপৰত এক গধুৰ দায়িত্ব আহি পৰে। মোৰ এই দায়িত্ব সুকলমে পালন কৰিবলৈ মোক পদে পদে সহায় কৰা মোৰ বিভাগীয় শ্ৰদ্ধাৰ কন্দৰ্প কলিতা ছাৰে যথেষ্ট সহায় কৰে। ছাৰৰ এই সহায়ৰ কথা মই ভাষাৰে প্ৰকাশ কৰিব নোৱাৰিম। সেয়েহে ছাৰৰ ওচৰত মই চিৰকৃতজ্ঞ। ছাৰৰ লগতে মোৰ এই কাৰ্যকালত সকলো প্ৰকাৰে সহায়-সহযোগিতা আগবঢ়োৱা বন্ধুসকললৈও মই অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মোৰ এই এবছৰীয়া কাৰ্যকালত মোৰ বিভাগীয় কামখিনি সুচাৰুপে পালন কৰিব পায় মই যথেষ্ট সুখ অনুভৱ কৰিছোঁ, কিয়নো খেল হৈছে আধুনিক শিক্ষাৰ এটা অন্যতম উৎস। আধুনিক বিশ্বৰ প্ৰতিখন সভ্য দেশেই খেল-ধেমালিৰ ওপৰত

বিশেষ গুৰুত্ব দিছে। ইয়াৰ প্ৰয়োজন নিশ্চয়কৈ আছে। পঢ়া-শুনাৰ লগতে সুস্থ-সৱল দেহৰ অধিকাৰী হ'বলৈ খেল-ধেমালিৰ অতি প্ৰয়োজন। সেয়েহে মই যিমান দূৰ সম্ভৱ প্ৰতিযোগিতাসমূহ নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বিশেষ গুৰুত্ব আৰোপ কৰিছিলোঁ। উল্লেখনীয় বিষয় এই যে মহাবিদ্যালয় সপ্তাহত পৰম্পৰাগতভাৱে চলি অহা মহাবিদ্যালয়ৰ কৰ্মৰত শিক্ষক আৰু ছাত্ৰ একতা সভাৰ সদস্যবৃন্দৰ মাজত এখনী ক্ৰিকেট খেল অনুষ্ঠিত কৰা হয়। মোৰ কাৰ্যকালৰ সময়ছোৱাতো এই খেলখন অনুষ্ঠিত কৰি মই অনাবিল আনন্দ লাভ কৰিছিলোঁ। এই খেলখনে শিক্ষক আৰু ছাত্ৰৰ মাজৰ যি ব্যৱধানৰ ৰেখা ইয়াক কিছুমানে হ্ৰাস কৰে যাৰ ফলত শিক্ষক আৰু ছাত্ৰৰ মাজত সম্পৰ্ক অধিক দৃঢ় হয় বুলি মই অনুভৱ কৰোঁ। একেদৰে এই অনুষ্ঠানটিৰ বাবে মই সেৱা আগবঢ়ালো সেয়া তেনেই নগন্য। বিগত বছৰটিত মোক সকলোফালে দিহা-পৰামৰ্শ দি সহায় কৰা মোৰ অতিকৈ শ্ৰদ্ধাৰ নলবাৰী মহাবিদ্যালয়ৰ শিক্ষাগুৰুবৃন্দ তথা কৰ্মচাৰী সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ আৰু লগতে মোৰ এই বিভাগটোৰ খেল-ধেমালিসমূহ সফলভাৱে ৰূপায়ন কৰাত যিসকল বন্ধু-বান্ধৱীয়ে সহায় কৰিছে সেইসকললৈ এই ছেগতে মোৰ হিয়াভৰা মৰম তথা ধন্যবাদ জনাইছোঁ।

প্ৰতিবেদনৰ শেষ বিদায় প্ৰান্তত থিয় হৈ মোৰ অজানিতে হোৱা ভুল ভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি নলবাৰী মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত প্ৰাৰ্থনা কৰি এই প্ৰতিবেদনখনৰ ইতিৰেখা টানিলোঁ।

জয়তু নলবাৰী মহাবিদ্যালয়।
জয় আই অসম।

**ব্ৰজেন বৰ্মন**
সম্পাদক, গুৰু খেল বিভাগ
নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভা, ২০১৭-১৮ ইং বৰ্ষ



# লঘু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে বীৰ শ্বহীদসকললৈ শ্ৰদ্ধা নিবেদিছো। যিসকল মহান ব্যক্তিৰ ত্যাগৰ ফলত নলবাৰী মহাবিদ্যালয় স্থাপন হৈছিল সেই নমস্য ব্যক্তিসকললৈ শ্ৰদ্ধা নিবেদিছো।

নলবাৰী মহাবিদ্যালয়ৰ নিচিনা এখন ঐতিহ্যমণ্ডিত মহাবিদ্যালয়ৰ লঘু খেল বিভাগৰ সম্পাদকৰ গধুৰ দায়িত্ব পালন কৰাৰ বাবে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলোৱে মোক নিৰ্বাচিত কৰিছিল। দায়িত্বভাৰ গ্ৰহণ কৰিয়ে মহাবিদ্যালয় সপ্তাহৰ গধুৰ দায়িত্ব আহি পৰিছিল। মোৰ বিভাগৰ অন্তৰ্গত খেলসমূহ হ'ল- - বেডমিন্টন, একক, দ্বৈত আৰু ল'ৰা-ছোৱালী উভয়ে, দৌৰ ১০০ মিঃ, ২০০ মিঃ, ৪০০ মিঃ, লং জাম্প, যাঠী দলিওৱা, কাহী দলিওৱা, ওজন দলিওৱা। উক্ত খেল প্ৰতিযোগিতা সমূহৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতিযোগিতাৰ সংখ্যা উৎসাহজনক আছিল। অভিগ্য বিচাৰকৰ দ্বাৰা খেলসমূহ পৰিচালনা কৰা হৈছিল।

মহাবিদ্যালয় সপ্তাহ সুকলমে চলাই নিয়াত মোক দিহা-পৰামৰ্শ আগবঢ়াইছিল মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু নলবাৰী মহাবিদ্যালয়ৰ গণিত বিভাগৰ অধ্যাপক গৌতম শৰ্মাদেৱে। খেলসমূহ পৰিচালনা কৰাত সহায়ৰ হাত আগবঢ়াইছিল মোৰ বন্ধু-বান্ধৱীসকল ক্ৰমে– প্ৰিয়ম, অবিনাশ, ৰক্তিম, বিকাশ, কংকন, বিশ্ব, হিৰক, কুলদ্বীপ আৰু লগত প্ৰাক্তন সহঃ সাধাৰণ সম্পাদক হেমেন কলিতাই। সকলোলৈ ধন্যবাদ জ্ঞাপন কৰিলো আৰু ভুলবশতঃ কাৰোবাৰ নাম ল'বলৈ পাহৰিছো যদি তেওঁলোকৰ ওচৰত ক্ষমা মাগিলো।

এই ছেগতে মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু লগতে মোৰ বিভাগীয় তত্বাৱধায়ক গৌতম শৰ্মা ছাৰলৈ মই অশেষ ধন্যবাদ তথা কৃতজ্ঞতা জনালো। শ্ৰদ্ধা নিবেদিছো নলবাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দীপক গোস্বামী ছাৰলৈ। নলবাৰী মহাবিদ্যালয় সপ্তাহৰ মোৰ বিভাগৰ খেলসমূহ পৰিচালনা কৰা অভিজ্ঞ বিচাৰক আজিজুৰ হক আৰু দীপাঙ্কৰ কলিতা দুয়োকে মোৰ আন্তৰিক ধন্যবাদ জনালো। অনিচ্ছাকৃতভাৱে হোৱা ভুলৰ বাবে ক্ষমা প্ৰাৰ্থনা বিচাৰিছো। শেষত নলবাৰী মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো।

জয়তু নলবাৰী মহাবিদ্যালয়।

**ৰূপজ্যোতি ঠাকুৰীয়া**
সম্পাদক, লঘু খেল বিভাগ
নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভা, ২০১৭-১৮ ইং বৰ্ষ



# ছাত্ৰ জিৰণি চ'ৰাৰ সম্পাদকৰ প্ৰতিবেদন

পোন প্ৰথমতে নামনি অসমৰ ঐতিহ্যমণ্ডিত নলবাৰী মহাবিদ্যালয় স্থাপন কৰা জ্ঞানী-গুণী বিদ্বান ব্যক্তিসকলক শ্ৰদ্ধাৰে নমন কৰিছো। মই নলবাৰী মহাবিদ্যালয়ৰ এজন ছাত্ৰ হ'বলৈ পাই অতিকৈ গৌৰৱান্বিত। সৰুৰে পৰা মা-দেউতাৰ মুখত শুনি আহিছিলো এই মহাবিদ্যালয়খনৰ কথা, তেতিয়াৰ পৰাই সপোন আছিল এই মহাবিদ্যালয়ত অধ্যয়ন কৰাৰ বাবে। এইখন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ হকে কিবা এটা কাম কৰিবলৈ মোৰো হেঁপাহ আছিল আৰু সেই উদ্দেশ্যৰেই ২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ পদত প্ৰতিদ্বন্দিতা আগবঢ়াইছিলো। ছাত্ৰ-ছাত্ৰীসকলৰ সহায়-সহযোগিতাত মই বিনা প্ৰতিদ্বন্দিতাৰে জয়লাভ কৰিছিলো। পোন প্ৰথমে জয়লাভ কৰি মই মহাবিদ্যালয়ৰ কৰণীয় কামবোৰৰ বিশেষ আওঁভাওঁ পোৱা নাছিলো যদিও শ্ৰদ্ধাৰ শিক্ষাগুৰু আৰু মোৰ দাদাসকলৰ পৰামৰ্শমতে মহাবিদ্যালয়ৰ বিভিন্ন কৰণীয় কাম-কাজত মনোনিৱেশ কৰিছিলোঁ।

**মোৰ শলাগবলগীয়া ব্যক্তিসকল ঃ**

সৰস্বতী পূজা বুলিলে বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলৰ মনত এক অন্য আনন্দই স্থান পায়। এই ক্ষেত্ৰত নলবাৰী মহাবিদ্যালয়ো পিছ পৰি থকা নাই। প্ৰত্যেক বছৰে ছাত্ৰ-ছাত্ৰীৰ লগতে মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকলে অশেষ ত্যাগ স্বীকাৰ কৰি এই দিনটো সূচাৰুপে চলাই নিয়ে। মোৰ কাৰ্যকালত, হোৱা সৰস্বতী পূজাৰো ইয়াৰ ব্যতিক্ৰম হোৱা নাছিল। এই ক্ষেত্ৰত শিক্ষাগুৰু সকলক মই আন্তৰিক শ্ৰদ্ধা নিবেদিছো। তেওঁলোকে পূজাৰ আগদিনা নিজৰ ব্যক্তিগত সকলো কাম এৰি পূজাৰ মণ্ডপ, প্ৰতিমা অনা আদি বিভিন্ন কামত আমাক সকলো প্ৰকাৰে সহায় কৰিছিল। আনহাতে পূজাৰ দিনাখনো অনুষ্ঠানবোৰ সূচাৰুপে চলাই নি আমাক কৃতাৰ্থ কৰিছিল। ঠিক তেনেদৰে, ভূপেন হাজৰিকাৰ মৃত্যুতিথি, শিল্পী দিৱস, কলেজৰ প্ৰতিষ্ঠা দিৱস আদিতো তেওঁলোকে আমাক যৎপৰোনাস্তি সহায় কৰিবলৈ চেষ্টা কৰিছিল। গতিকে এই ক্ষেত্ৰত মই মহাবিদ্যালয়ৰ অধ্যক্ষ, তত্ত্বাৱধায়ক আদিৰ লগতে সমূহ শিক্ষাগুৰুক শ্ৰদ্ধাৰে সোঁৱৰিছো। কাৰণ তেওঁলোকৰ অবিহনে হয়তো মই তথা আমাৰ ছাত্ৰ একতা সভাই ইমানখিনি সূচাৰুপে কৰ্মত আত্মনিয়োগ কৰিব নোৱাৰিলোহেঁতেন।

**মোৰ কাৰ্যকালৰ কৰ্মৰাজিৰ বিৱৰণ ঃ**

মোৰ কাৰ্যকালত বিভিন্ন প্ৰতিযোগিতা তথা ছাত্ৰ-ছাত্ৰীৰ উলহ-মালহ পৰিৱেশৰ

মাজত মহাবিদ্যালয় সপ্তাহ আকৰ্ষণীয় হৈ পৰিছিল। মোৰ কাৰ্যকালতে নলবাৰী মহাবিদ্যালয়ৰ ইতিহাসত পোন প্ৰথমবাৰৰ বাবে এঠেঙীয়া দৌৰ, টেকেলী ভঙা আৰু শ্লো চাইকেল ৰেচৰ সংযোজন ঘটোৱা হয়। তাৰোপৰি লুডু, দবা, কেৰম, দেহশ্ৰী, ভাৰত্তোলন আদিৰ খেলবোৰো মই সুচাৰুৰূপে চলাই নিবলৈ সক্ষম হৈছিলো। ইয়াৰ পিছত, মই কুচ-কাৰাজ প্ৰতিযোগিতাও সুচাৰুৰূপে চলাই নিছিলো। এই ক্ষেত্ৰত, এন.চি.চি.ৰ সমূহ কৰ্মকৰ্তা আৰু শিক্ষাকৰ্মীক মই অশেষ ধন্যবাদ জনাইছো। ইয়াৰ লগতে, মহাবিদ্যালয়ৰ সকলো অনুষ্ঠানৰ বিৰৰণ দিয়াৰ হেতুকে এখন ডাঙৰ জাননী ফলকৰ প্ৰয়োজন অনুভৱ কৰি অধ্যক্ষ মহোদয়ক এখন আবেদন দিছিলোঁ আৰু অধ্যক্ষ মহোদয়েও ইয়াৰ পূৰ্ণ সঁহাৰি দি অতি শীঘ্ৰে ফলকখন নিৰ্মাণ কৰিছিল। এই ছেগতে, অধ্যক্ষ মহোদয়ক মই আন্তৰিক শ্ৰদ্ধা নিবেদিছো। তাৰোপৰি, মোৰ কাৰ্যকালত গোটেই অনুষ্ঠানসমূহ সুচাৰুৰূপে চলাই নিবলৈ সহায় আগবঢ়োৱা সকলো শিক্ষাগুৰু, ছাত্ৰ-ছাত্ৰীলৈ অশেষ ধন্যবাদ।

জয়তু নলবাৰী মহাবিদ্যালয়
জয়তু নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভা
জয় আই অসম

**অঞ্জনজ্যোতি মেধি**
সম্পাদক, ছাত্ৰ জিৰণি চ'ৰা
নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভা, ২০১৭-১৮ ইং বৰ্ষ



# ছাত্ৰী জিৰণি চ'ৰাৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে যি সকল ব্যক্তিৰ অশেষ চেষ্টা আৰু ত্যাগৰ ফলত ঐতিহ্যমণ্ডিত নলবাৰী মহাবিদ্যালয় ১৯৪৫ চনত স্থাপিত হৈছিল সেই সকলক মহান মনিষীক মই শ্ৰদ্ধাৰে সুঁৱৰিছোঁ। দেশ আৰু জাতিৰ কাৰণে নিজৰ জীৱন উচৰ্গা কৰা সেইসকল শ্বহীদক মই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ।

নলবাৰী মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয় ড° দীপক গোস্বামী ছাৰ, নলবাৰী ছাত্ৰ একতা সভাৰ তত্ত্বাৱধায়ক শ্ৰদ্ধাৰ ড° মণি শৰ্মা শাস্ত্ৰী ছাৰ প্ৰমুখ্যে মোক ছাত্ৰী জিৰণী চ'ৰাৰ সম্পাদিকা হিচাপে সেৱা আগবঢ়াবলৈ সুবিধাকন দিয়া প্ৰতিজন ব্যক্তিকে মই অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ছাত্ৰী জিৰণি চ'ৰাৰ তত্ত্বাৱধায়িকা মাননীয়া পিৰোজা বেগম বাইদেউৰে মোৰ কাৰ্যকালৰ সময়ছোৱাত যথেষ্ট সহযোগিতা আগবঢ়াইছিল। তেখেতক অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ মই নিৰ্বাচিত নহয় মনোনীত সম্পাদিকা আছিলো। ছাত্ৰ একতা সভাই অনুষ্ঠিত কৰা প্ৰথমটো বৃহৎ কাৰ্যসূচী আছিল “মহাবিদ্যালয় সপ্তাহ”। জিৰণি চ'ৰা সম্পাদিকাৰ বিভাগত বিভিন্ন খেলৰ লগতে অন্য প্ৰতিযোগিতা আছিল। কিন্তু মোৰ উক্ত প্ৰতিযোগিতাসমূহৰ বিষয়ে বিশেষ অভিজ্ঞকা তথা ধাৰণা নাছিল। উক্ত প্ৰতিযোগিতাসমূহ চলাই নিয়াৰ ক্ষেত্ৰত ছাত্ৰ একতা সভাৰ প্ৰতিজন সদস্যই সু-পৰামৰ্শ দিয়াৰ লগতে যথেষ্ট সহায় আগবঢ়াইছিল। জিৰণি চ'ৰাৰ খেলৰ প্ৰতিযোগিতাসমূহ চলাই নিয়াৰ ক্ষেত্ৰত মোৰ বান্ধৱী ৰঞ্জুৱাৰা বেগম, দিপামণি বৰ্মন, প্ৰিয়ংকা ৰাজবংশী, উপাসনা দাস আৰু নিকুমণি ৰাজবংশীয়ে বহুত কষ্ট আৰু সহায় কৰিছিল। কেশসজ্জা, সাজ-পাৰ, কইনা আদি প্ৰতিযোগিতাসমূহৰ ক্ষেত্ৰত নিকুমণি বেজবৰুৱা আৰু ৰাণী কাকতিয়ে প্ৰদান কৰা পৰামৰ্শ, সহযোগিতা আৰু সহায়ৰ বাবে যথেষ্ট উৎসাহ লাভ কৰিছিলো। প্ৰতিটো শিতানত গৰিষ্ঠ সংখ্যক ছাত্ৰীয়ে যোগদান কৰি অনুষ্ঠানসমূহ সফল হোৱাৰ ক্ষেত্ৰত অৰিহণা যোগাইছিল। তেওঁলোকৰ যোগদানে অনুষ্ঠানসমূহ পৰিচালনা কৰাৰ ক্ষেত্ৰত মোক অনুপ্ৰাণিত কৰিছিল। ‘মহাবিদ্যালয় সপ্তাহ'ত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাসমূহ শৃংখলাৱদ্ধ আৰু সফলভাৱে সমাপ্ত হয়। ছাত্ৰী জিৰণি চ'ৰা বিভাগৰ বিভিন্ন শিতানত বঁটা লাভ কৰা প্ৰতিযোগীসকল হ'ল—

১। পাঞ্জা— প্ৰথম ঃ দিক্ষিতা শৰ্মা, দ্বিতীয় ঃ ম'মতাজ চুলতানা।

২। লুডু (একক)— প্ৰথম ঃ নৱজিতা বেজবৰুৱা, দ্বিতীয় ঃ সংঘামিত্ৰা চৌধুৰী, তৃতীয় ঃ মিনাক্ষী বৈশ্য

৩। দবা— প্ৰথম ঃ পাপৰী দেৱী, দ্বিতীয় ঃ ডেইজী গোস্বামী, তৃতীয় ঃ ভুপাক্ষী ডেকা

৪। কেৰম— প্ৰথম ঃ হিমাক্ষী বৰ্মন, শিখা বৰ্মন; দ্বিতীয় ঃ চামিৰান বেগম, প্ৰিয়ংকা বৰ্মন; তৃতীয় ঃ পাপৰি দেৱী, ভূপাখি ডেকা

৫। সাজ-পাৰ— প্ৰথম ঃ ধৃতিস্মিতা ভট্ট, দ্বিতীয় ঃ নিহাৰিকা দত্ত, তৃতীয় ঃ ৰাজশ্ৰী কলিতা

৬। কইনা— প্ৰথম ঃ তৃষ্ণা দেৱী, দ্বিতীয় ঃ জুহি শৰ্মা, তৃতীয় ঃ পিনাকী ৰাজবংশী

৭। কেশ-সজ্জা— প্ৰথম ঃ সাগৰিকা কলিতা, দ্বিতীয় ঃ পিনাকী ৰাজবংশী, তৃতীয় ঃ তৃষ্ণা বৰ্মন, নিচুকণি ঃ ৰদালী বৰ্মন

৮। ৰোমাণ্টিক ঘুটি— প্ৰথম ঃ জুহি শৰ্মা, স্মৃতি বৰ্মন; দ্বিতীয় ঃ কৰিস্মা অধিকাৰী, তৃষ্ণা শৰ্মা; তৃতীয় ঃ দিক্ষাৰাণী দাস আৰু সুস্মিতা শৰণীয়া, তৃষ্ণা ভট্ট আৰু পৰিস্মিতা চৌধুৰী

৯। ৰছী টনা— প্ৰথম ঃ ভাস্বতী কুমাৰৰ দল, দ্বিতীয় ঃ

নিতু বৰ্মনৰ দল।

ছাত্ৰী জিৰণি চ'ৰাত কৰিবলগীয়া বহুতো কাৰ্যই আছিল। কাৰ্যকালৰ নিৰ্দ্দিষ্ট সময়ছোৱাত সাধ্যানুসৰি কৰিবলৈ প্ৰচেষ্টা কৰিছিলো। জিৰণি চ'ৰাৰ প্ৰয়োজনীয় আচবাব, চাফ-চিকুনতা কৰাৰ বাবে ব্যৱস্থা, পানী যোগান নিয়মীয়া কৰা, ডাচবিন পৰ্দা আদি কৰাৰ ক্ষেত্ৰত কৃতকাৰ্যতা লাভ কৰিছিলো। তাৰোপৰি মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ বাবে এখন আলোচনা সভাৰ অনুষ্ঠিত কৰা হৈছিল। যাৰ জৰিয়তে তেওঁলোকৰ সমস্যাসমূহৰ বিষয়ে অৱগত হৈছিলো। তেওঁলোকৰ সমস্যাসমূহ সমাধানৰ বাবে উৰ্ধতম কতৃপক্ষক অৱগত কৰা হয়। কাৰ্যকালৰ উক্ত সময়ছোৱাত কৰিবলগীয়া কামখিনি কৰাৰ কাৰণে প্ৰয়াস কৰিছিলো কিন্তু বহুখিনি কাম কৰিবৰ বাবে ৰৈ গ'ল। উক্ত সময়ছোৱা হোৱা সকলো ভুল-ত্ৰুটিৰ বাবে ক্ষমা কৰি দিয়ে যেন। মোৰ কাৰ্যকালত বিভিন্ন সময়ত পৰামৰ্শ, সহায়-সহযোহিতা আগবঢ়োৱা শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, ছাত্ৰ একতা সভাৰ প্ৰতিজন সম্পাদক, মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু মোৰ বান্ধৱীসকলক অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

নলবাৰী মহাবিদ্যালয়ৰ দৰে এখন ঐতিহ্যমণ্ডিত মহাবিদ্যালয়ত অধ্যয়নৰ সুবিধা লাভ কৰাটো মোৰ অতি সৌভাগ্য আৰু গৌৰৱৰ বিষয়। সৰ্বশেষত মহাবিদ্যালয়ৰ সৰ্বাংগীন দিশত উন্নতি আৰু প্ৰগতিৰ কামনাৰে প্ৰতিবেদনৰ সামৰণি কৰিলোঁ।

জয়তু নলবাৰী মহাবিদ্যালয়
জয়তু নলবাৰী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা
জয় আই অসম

**প্ৰিয়াংখী কলিতা**
সম্পাদিকা, ছাত্ৰী জিৰণি চ'ৰা
নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভা, ২০১৭-১৮ ইং বৰ্ষ



# সমাজসেৱা সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মই শ্ৰদ্ধা জ্ঞাপন কৰিছো সেইসকল ব্যক্তিক যিসকল ব্যক্তিয়ে আমাৰ দেশ তথা জাতিৰ হকে প্ৰাণ আহুতি দি গৈছে। লগতে নলবাৰী মহাবিদ্যালয়খন স্থাপন কৰি যিসকল ব্যক্তিয়ে জ্ঞানৰ পোহৰ বিলাই থৈ গ'ল সেইসকল মহান ব্যক্তিলৈ গভীৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনালোঁ। মহাবিদ্যালয়ৰ ২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সমাজসেৱা সম্পাদকৰূপে বাচনি কৰা কাৰণে শিক্ষাগুৰু-বন্ধুবৰ্গক মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মহাবিদ্যালয় সপ্তাহ নিয়াৰিকৈ চলাই নিয়াত আমি আটায়ে সক্ষম হৈছিলো। মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত হোৱা ভেশচন প্ৰতিযোগিতাখনি চলাই নিয়াৰ দায়িত্ব মোৰ ওপৰত ন্যাস্ত কৰা হৈছিল আৰু মই শৃংখলাৱদ্ধভাৱে চলাই নিবলৈ সক্ষম হৈছিলো। এই ক্ষেত্ৰত মই মাননীয় বিচাৰকদ্বয় খচনুৰ আহমেদ আৰু ফচল আলীদেৱৰ নাম ল'ব লাগিব। মুগকুছি গাঁৱত হোৱা NSS Campত মই যি অভিজ্ঞতা অৰ্জন কৰিলো তাৰ বাবে মই কুমুদ ৰাভাৰ ওচৰত চিৰ কৃতজ্ঞ।

কলেজ সপ্তাহৰ সময়ত অনুষ্ঠিত কৰা সামুহিক ছাফাই কৰ্মত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰু সকলৰ যি অৰিহণা মই কেতিয়াও পাহৰিব নোৱাৰো। মোৰ কাৰ্যকালত বিভিন্ন সময়ত অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে আটাইৰে ওচৰত মাৰ্জনা বিচাৰিছোঁ।

সদৌ শেষত মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি আৰু প্ৰগতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

**বিশাল শৰ্মা**
সম্পাদক, সমাজসেৱা বিভাগ
নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভা, ২০১৭-১৮ ইং বৰ্ষ

# আমাৰ মহাবিদ্যালয়ৰ সন্মানীয় শিক্ষক আৰু অনাশিক্ষক কৰ্মচাৰীসকল

**অধ্যক্ষ**
ড° দীপক গোস্বামী

**শিক্ষকবৃন্দ**

**অসমীয়া বিভাগ**
ড° দ্বীজেন দাস
অধ্যাপক পংকজ দত্ত বৰুৱা
ড° বন্দনা দাস
ড° জুৰি হাজৰিকা
বন্তি শৰ্মা
পল্লৱী ডেকা

**ইংৰাজী বিভাগ**
ড° অমৰ কুমাৰ নায়ক
ড° কাকলি দত্ত
ড° ৰঞ্জনা ভট্টাচাৰ্য্য
ড° ৰতন ডেকা
ড° দৰ্শনা গোস্বামী
জৰ্জিনা খাখলাৰী
হিমাক্ষী কাশ্যপ
চুমি চৌধুৰী

**উদ্ভিদ বিজ্ঞান বিভাগ**
ড° প্ৰবোধ শৰ্মা
ধনদা ডেকা
ড° গৌতম কুমাৰ সন্দিকৈ
কন্দৰ্প কলিতা
ড° গুণজিৎ কলিতা
ড° নমিতা ডেকা

**প্ৰাণীবিজ্ঞান বিভাগ**
দীপক কুমাৰ কলিতা
কুমুদ চন্দ্ৰ ৰাভা
ড° মিতালী দেউৰী
বিদ্যুৎ কুমাৰ দাস

**পদাৰ্থ বিজ্ঞান বিভাগ**
ড° হংসধৰ ৰাজবংশী
অনন্ত ৰাজবংশী
সুৰজিৎ শৰ্মা
ড° নিপন মজুমদাৰ
ড° হেমেন কাকতি

**ৰসায়ন বিজ্ঞান বিভাগ**
মদন চন্দ্ৰ মেধি
ড° ধীৰাজ তালুকদাৰ
ড° নৰজ্যোতি ডেকা
ড° ধঞ্জুমণি পাঠক
ড° ৰূপম শৰ্মা
ড° পূৰৱী শৰ্মা

**গণিত বিভাগ**
ধীৰেন ৰাজবংশী
পিৰোজা বেগম
গৌতম শৰ্মা
ড° মৃগাংক শেখৰ দত্ত

**পৰিসংখ্যা বিজ্ঞান বিভাগ**
ড° পূৰবী দাস
দিলীপ ডেকা
ড° ভূপেন কুমাৰ নাথ

**ভূগোল বিজ্ঞান বিভাগ**
ফটিক চন্দ্ৰ বৰ্মন
হিতেশ ঠাকুৰীয়া
বিনীতা দেৱী

**ভূতত্ত্ব বিভাগ**
ঋতুপৰ্ণ বৰ্মন
বন্দিপা মেধি

**দৰ্শন বিভাগ**
গীতিমা বুজৰবৰুৱা
পূৰৱী তালুকদাৰ

**অৰ্থনীতি বিভাগ**
ড° সুব্ৰত বৰ্মন
ড° বিষ্ণু ভট্টচাৰ্য্য
অদিতি দাস
ৰিণ্টু ডেকা

**ৰাজনীতি বিজ্ঞান বিভাগ**
ড° ৰাহুল দৈমাৰী
ড° বিনয় মুছাহাৰী
ড° দীপক কুমাৰ গগৈ
কাবেৰী দত্ত

**ইতিহাস বিভাগ**
পুলক তালুকদাৰ
ড° প্ৰদ্যুম্ন শৰ্মা
শচীন্দ্ৰ কুমাৰ কলিতা
প্ৰণিতা বৰ্মন

**সংস্কৃত বিভাগ**
ড° মণি শৰ্মা
ড° গৌতম চৌধুৰী
ড° ৰূপস্মিতা বুজৰবৰুৱা

**শিক্ষা বিভাগ**
দীপ্তি দেৱী
পল্লৱী দাস

**তথ্য আৰু প্ৰযুক্তি বিজ্ঞান বিভাগ**
ধ্ৰুৱজ্যোতি মিশ্ৰ
অংকুৰ বৈশ্য
সুকুমাৰ শৰ্মা
দিগন্ত তালুকদাৰ
হিৰকজ্যোতি বৰ্মন

**শাৰীৰিক শিক্ষা বিভাগ**
অঞ্জন জ্যোতি শৰ্মা

# অনাশিক্ষক কৰ্মচাৰী

ড° ৰঞ্জনজ্যোতি শৰ্মা (গ্ৰন্থাগাৰিক)
যমুনা চক্ৰৱৰ্তী
সতীশ চন্দ্ৰ বেজবৰুৱা
বিনোদ দত্ত
মাধৱীলতা দেৱী
মনোজ কুমাৰ দাস
মিতুপন ডেকা
ৰবীন বৰ্মন
বৰ্ণালী পৰাশৰ
গণেশ দাস
অৰুণ কলিতা
কৈলাশ বৰ্মন
উপেন বৰ্মন
সনাতন বৰ্মন
চক্ৰেশ্বৰ বৰ্মন
হৰেন ৰাভা
অৰবিন্দ বৰ্মন
মনোজ হালৈ

ৰত্নেশ্বৰ বৰ্মন
পৰেশ বৰ্মন
ৰঞ্জন শৰ্মা
পাৰ্থ প্ৰতীম ভৰদ্বাজ
বিতু ৰঞ্জন কলিতা
পাৰ্থ প্ৰতীম শৰ্মা
প্ৰবোধ ডেকা
মণ্টু দাস
অনুপমা কলিতা
ভতিমা বৰ্মন
বনশ্ৰী বৰ্মন
ৰমেশ বৈশ্য
চম্পক বৰ্মন
কংকন বৰ্মন
হিতেশ কলিতা
দিলীপ দাস
পুলকেশ বৰ্মন

সদানন্দ তালুকদাৰ
কমল কলিতা
সতীশ ডেকা
পংকজ বেজবৰুৱা
বীৰাজ কলিতা
ৰমেন কলিতা
ৰুমী দেৱী
চন্দন ডেকা
চিণ্টু বৰ্মন
ৰীণা কলিতা
অনিতা বৰ্মন
নিতুল বৰ্মন
প্ৰাণজিৎ বৰ্মন
নৰেন বৰ্মন
কমলেশ্বৰ দাস
বিকাশ দাস




*কাব্য দিৱস, ২০১৮ত পাঠ কৰা কবিতাসমূহৰ সংকলিত কাব্যগ্ৰন্থ*

# সম্পাদনা সমিতি, ২০১৭-১৮ ইং বৰ্ষ


ড° ৰতন ডেকা
তত্ত্বাৱধায়ক


ড° সুব্ৰত বৰ্মন
শিক্ষক সদস্য


ড° প্ৰদ্যুম্ন শৰ্মা
শিক্ষক সদস্য


ড° বন্দনা দাস
শিক্ষক সদস্য


অনন্ত ৰাজবংশী
শিক্ষক সদস্য


হিতেশ ঠাকুৰীয়া
শিক্ষক সদস্য


ড° নমিতা ডেকা
শিক্ষক সদস্য


চুমি চৌধুৰী
শিক্ষক সদস্য


প্ৰণৱ শৰ্মা
সম্পাদক


দেবাশীষ দত্ত
ছাত্ৰ সদস্য


জংকি শৰ্মা
ছাত্ৰ সদস্য


পাপৰি দেৱী
ছাত্ৰ সদস্য


শিৱাঙ্গী নাজিৰ
ছাত্ৰ সদস্য


ৰূপজ্যোতি শৰ্মা
ছাত্ৰ সদস্য


ৰঞ্জুৱাৰা বেগম
ছাত্ৰ সদস্য


ৰয়েল পাৰভেজ
ছাত্ৰ সদস্য

# ছাত্ৰ একতা সভা, ২০১৭-১৮ ইং বৰ্ষ



**ড° মণি শৰ্মা শাস্ত্ৰী**
তত্ত্বাৱধায়ক, ছাত্ৰ একতা সভা



**কুমুদ চন্দ্ৰ ৰাভা**
তত্ত্বাৱধায়ক, সহঃ সাধাৰণ সম্পাদক (দিন)



**ড° ৰূপাশ্মিতা বুজৰবৰুৱা**
তত্ত্বাৱধায়িকা, সহঃ সাধাৰণ সম্পাদক (আবেলি)



**ড° ৰতন ডেকা**
তত্ত্বাৱধায়ক, আলোচনী বিভাগ



**ড° ৰঞ্জনা ভট্টাচাৰ্য্য**
তত্ত্বাৱধায়িকা, সাংস্কৃতিক বিভাগ



**কন্দৰ্প কলিতা**
তত্ত্বাৱধায়ক, গুৰুখেল বিভাগ



**গৌতম শৰ্মা**
তত্ত্বাৱধায়ক, লঘুখেল বিভাগ



**ড° গুণজিৎ কলিতা**
তত্ত্বাৱধায়ক, ছাত্ৰ জিৰণি চ'ৰা



**পিৰোজা বেগম**
তত্ত্বাৱধায়িকা, ছাত্ৰী জিৰণি চ'ৰা



**ড° বিনয় মুছাহাৰী**
তত্ত্বাৱধায়ক, সমাজ সেৱা বিভাগ



**দেবজিত শৰ্মা**
সভাপতি



**জ্যোতিৰ্ময় বৰুৱা**
উপ-সভাপতি



**মানস জ্যোতি তালুকদাৰ**
সাধাৰণ সম্পাদক



**মিন্টু বৰ্মন**
সহঃ সাধাৰণ সম্পাদক (দিন)



**মনজিত শৰ্মা**
সহঃ সাধাৰণ সম্পাদক (আবেলি)



**প্ৰণৱ শৰ্মা**
আলোচনী সম্পাদক



**হিমাংশু তালুকদাৰ**
সাংস্কৃতিক সম্পাদক



**ব্ৰজেন বৰ্মন**
গুৰুখেল সম্পাদক



**ৰূপজ্যোতি ঠাকুৰীয়া**
লঘুখেল সম্পাদক



**অঞ্জন জ্যোতি মেধি**
ছাত্ৰ জিৰণি চ'ৰা সম্পাদক



**প্ৰিয়াংশী কলিতা**
ছাত্ৰী জিৰণি চ'ৰা সম্পাদিকা



**বিশাল শৰ্মা**
সমাজসেৱা সম্পাদক

# শ্ৰেষ্ঠত্বৰ ধ্বজা উৰুৱাই

গুৱাহাটী বিশ্ববিদ্যালয় যুৱ মহোৎসৱ, ২০১৮



ভাৰ্গৱ কলিতা
শ্ৰেষ্ঠ পৰিচালক



দীপজ্যোতি কলিতা
শ্ৰেষ্ঠ অভিনেতা



জেছমিন আৰা বেগম
দ্বিতীয়, বনগীত



নীতাশ্ৰী বৈশ্য
তৃতীয়, লঘু শাস্ত্ৰীয় সংগীত আৰু পৰম্পৰাগত জনজাতীয় গীত



হিমাংশু তালুকদাৰ
তৃতীয়, পাশ্চাত্য সংগীত



ভাস্কৰজ্যোতি দাস
তৃতীয়, অসমীয়া সুগম সংগীত



মধুস্মিতা শৰ্মা
তৃতীয়, বনগীত



বনশ্ৰী বৈশ্য
তৃতীয়, স্বৰচিত কবিতা আবৃত্তি



দেৱাশীষ দত্ত, পাপৰি দেৱী আৰু কবুল কলিতা
দ্বিতীয় শ্ৰেষ্ঠ দল, কুইজ



বনশ্ৰী বৈশ্য, পৰাগজ্যোতি বৰ্মন, আফতাব হুছেইন,
ধনমণি বৈশ্য, দীপজ্যোতি কলিতা, ভাৰ্গৱ কলিতা
দ্বিতীয় শ্ৰেষ্ঠ দল, নাটক



নীতাশ্ৰী বৈশ্য, হিমাংশু তালুকদাৰ, ভাস্কৰজ্যোতি দাস,
অলকেশ ডেকা, বনশ্ৰী গোস্বামী, মধুস্মিতা শৰ্মা,তপস্যা কাশ্যপ,
জেছমিন আৰা বেগম, অমৰেন্দ্ৰ কলিতা, নৱদ্বীপ কলিতা
দ্বিতীয় শ্ৰেষ্ঠদল, সমবেত সংগীত



দ্বিতীয় শ্ৰেষ্ঠ মহাবিদ্যালয়, সাংস্কৃতিক শোভাযাত্ৰা




## আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱ, ২০১৮ত নলবাৰী মহাবিদ্যালয়ৰ সাফল্য

### মহাবিদ্যালয় সপ্তাহ



জংকি শৰ্মা
শ্ৰেষ্ঠ সাহিত্যিক



হৃষিকেশ শৰ্মা
শ্ৰেষ্ঠ কণ্ঠশিল্পী



কৌশিক দত্ত
শ্ৰেষ্ঠ নৃত্যশিল্পী



ধনমণি বৈশ্য
শ্ৰেষ্ঠ অভিনেতা



বনশ্ৰী বৈশ্য
শ্ৰেষ্ঠ অভিনেত্ৰী



মনজিত মজুমদাৰ
শ্ৰেষ্ঠ খেলুৱৈ



শ্ৰেষ্ঠ নাট্যদল, মহাবিদ্যালয় সপ্তাহ

# কৃতিত্ব



**ৰতন ডেকা** (সহকাৰী অধ্যাপক, ইংৰাজী বিভাগ)ক ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান গুৱাহাটীয়ে Trauma of Displacement: A Study of Selected Contemporary Assamese Novels শীৰ্ষক গৱেষণাৰ বাবে ১৩/১০/২০১৮ তাৰিখে সন্মানীয় ডক্টৰেট ডিগ্ৰী প্ৰদান কৰে।



**ৰিনয় মুছাহাৰী** (সহকাৰী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ)ক ডিব্ৰুগড় বিশ্ববিদ্যালয়ে Politics of Ecology in Assam With Special Reference to Kokrajhar District শীৰ্ষক গৱেষণাৰ বাবে ০২/০৭/২০১৮ তাৰিখে সন্মানীয় ডক্টৰেট ডিগ্ৰী প্ৰদান কৰে।



**মৃগাংক শেখৰ দত্ত** (সহকাৰী অধ্যাপক, গণিত বিভাগ)ক গুৱাহাটী বিশ্ববিদ্যালয়ে A study of Rings and Modules with applications in Coding Theory শীৰ্ষক গৱেষণাৰ বাবে ০১/০৪/২০১৯ তাৰিখে সন্মানীয় ডক্টৰেট ডিগ্ৰী প্ৰদান কৰে।



**দেৱপ্ৰতীম মহন্ত**

প্ৰথম শ্ৰেণীৰ দ্বিতীয় স্থান,
পদাৰ্থ বিজ্ঞান বিভাগ
(স্নাতক চূড়ান্ত পৰীক্ষা)



**নিপামণি ডেকা**

বিশ্ববিদ্যালয় পৰ্যায়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি বঁটা



**ৰুবুল কলিতা**

তৃতীয় স্থান, কুইজ,
পূব মাণ্ডলিক আন্তঃ বিশ্ববিদ্যালয়
যুৱ মহোৎসৱ (গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বাৰা)



**দ্বীপজ্যোতি কলিতা**

দ্বিতীয় স্থান, একাংকিকা নাট,
পূব মাণ্ডলিক আন্তঃ বিশ্ববিদ্যালয়
যুৱ মহোৎসৱ (গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বাৰা)

## বৈ যোৱা সময়
## মহাবিদ্যালয় সপ্তাহ




এই যাত্ৰা নিৰবিচ্ছিন্ন



বৈচিত্ৰময় যাত্ৰাৰ শুভাৰম্ভণি



শিপা- এক সন্ধান



সাহিত্য চৰ্চাৰ ফল্গুধাৰা

## কাব্য দিৱস



ফাগুনী সন্ধিয়াটিৰ প্ৰস্তুতিত



নৈপৰীয়া কবিকুল



জীপাল সন্ধিয়াটিৰ আঁৰৰ মানুহজন



কাব্য কাননত গীতৰ কলি



কাব্য-গীতৰ সৈতে নৃত্যৰ সমাহাৰ



যাৰ হাতত কঠিন শিলো হৈ উঠে শিল্প

স্বাগত নবাগত



বিভূষিত মঞ্চ



এই সন্মান শ্ৰেষ্ঠসকললৈ



সুৰৰ মূৰ্চ্ছনাত আমি



উদীয়মান অভিনেতাগৰাকীৰ এভুমুকি

নলবাৰী মহাবিদ্যালয় মহোৎসৱ




সম্বৰ্দ্ধনা




নাচে উলাহতে এজাক গাভৰু




মহাবিদ্যালয় মহোৎসৱত ভ্ৰাম্যমাণৰ নায়ক-নায়িকা



মহাবিদ্যালয় মহোৎসৱত যুৱ শিল্পীৰ গীতৰ লহৰ

## যাত্ৰা



ব্ৰহ্মপুত্ৰ সাহিত্য উৎসৱ, গুৱাহাটী



আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ, গুৱাহাটী



'KIIT' বিশ্ববিদ্যালয়, উৰিষ্যা




ৰাষ্ট্ৰীয় একতা শিবিৰ (সোণালী জয়ন্তী), ভুবনেশ্বৰ

## গৌৰৱ




আমাৰ 'এন চি চি' গোট




আমাৰ 'এন এচ এচ' গোট

## যুৱ মহোৎসৱ




বিশ্ববিদ্যালয়ৰ বাকৰিত আমাৰ খোজ

## প্ৰসন্ন নাৰায়ণ চৌধুৰী সোঁৱৰণী তৰ্ক প্ৰতিযোগিতা




যুক্তিযুদ্ধৰ আৰম্ভণি




মহাবিদ্যালয় প্ৰতিষ্ঠাৰ ইতিহাস সুঁৱৰি




সুস্থ-সবল জীৱনৰ কছৰৎ

## দেৱাল চিত্ৰই কয় বহুতো কথা



চিত্ৰকৰ ঃ অবিনাশ মজুমদাৰ



চিত্ৰকৰ ঃ প্ৰিয়ম আদিত্য

## নলবাৰী মহাবিদ্যালয়



গগনচুম্বী অতীত, বৰ্তমানে দেখুৱায় ভৱিষ্যতৰ সপোন



সৰ্বাংগীন বিকাশৰ দিশে আমাৰ মহাবিদ্যালয়

# কেনভাচত ৰসৰাজৰ সাঁচ



অৰিন্দম ডেকা (তেজীমলা)



মিজানুল হক (তুলা আৰু তেজা)



জংকি শৰ্মা (বাৰীকোঁৱৰ)

# আলোকশিল্পৰ মাজেৰে প্ৰকৃতি





















ৰাহুল চক্ৰৱৰ্তী



অৰ্ণৱ জ্যোতি তালুকদাৰ




SOURCE : TNG Library, Nalbari College.